কৰ্ম মোৰ সংস্কৃতি

# ৰাখৰ

পঞ্চবিংশতিতম সংখ্যা, ২০১৮ - ২০১৯



অসম জাতীয় বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

শিক্ষাৰ্থীসকলৰ হাতৰ পৰশত উজলি উঠা
বিদ্যালয়ৰ হাতে লিখা আলোচনীসমূহ...



# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### পঞ্চবিংশতিতম সংখ্যা ২০১৮-১৯

**সম্পাদনা সমিতি**

নিশান্ত চৌধুৰী
উপাংশু প্ৰতিম শৰ্মা
বাস্তৱ ভূএগ
মৃত্যুঞ্জয় মেধি
বেদান্ত কলিতা
গীতাৰ্থী বৰা
সৃজন বৰুৱা
ৰক্তিম অভিনন্দন বৰ্মন
তৃষা কাশ্যপ

**সম্পাদনা উপদেষ্টা সমিতি**

উদয়া ফুকন
উৎপলা বৰা
হিৰণ্য কলিতা
প্ৰণীতা দেৱী
ৰঘুনাথ কুমাৰ
পূৰবী ৰাণী বড়া
পল্লৱী দত্ত

**পল্লৱী গোস্বামী (আহ্বায়িকা)**

বাখৰ

BAKHAR The Annual Journal of Assam Jatiya Bidyalay.
Published by Assam Jatiya Bidyalay, Guwahati 781020.

**প্ৰকাশ**
২ নৱেম্বৰ, ২০১৯ চন

**বেটুপাতৰ কথকতা :**
সকলো শিশুৰে আছে শিক্ষাৰ সম অধিকাৰ। জ্ঞানৰ জ্যোতিয়ে নাশে অজ্ঞানতাৰ অন্ধকাৰ।

**বেটুপাতৰ শিল্পী :**
অন্‌চিত শৰ্মা (সপ্তম শ্ৰেণী, ‘ক’ শাখা)

**সামগ্ৰিক পৰিকল্পনা**
পল্লৱী গোস্বামী আৰু উদয়া ফুকন

**অলংকৰণ**
পূৰবী ৰাণী বড়া, কন্দৰ্প শৰ্মা, হিমাদ্ৰী লস্কৰ, জিতুমণি বৈশ্য, বেদান্ত কলিতা

**ডিটিপি**
প্ৰশান্ত বৰঠাকুৰ

**মুদ্ৰণ**
অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ছপাশাল
নুনমাটি, গুৱাহাটী ৭৮১০২০

**কৃতজ্ঞতা**
◈ অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডাং নাৰায়ণ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ মাননীয় ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী
অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় অপৰাজিতা বৰা আৰু ৰবীন্দ্ৰ বৰ্মন
◈ অসম জাতীয় বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী।

◈ বিশেষ কৃতজ্ঞতা :
কুঞ্জৰ দাস, নিশা দেৱী, ডঃ লিপিমণি দত্ত, ডিম্পী সন্দিকৈ, বিনয় বিকাশ গগৈ, ভাস্কৰজ্যোতি হালৈ, হিমাদ্ৰী বৰা, মনীষা হালৈ।

—স.স.বা.।

# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### পঞ্চবিংশতিতম সংখ্যা

### ২০১৮-১৯

কৰ্ম মোৰ সংস্কৃতি

## সূচীপত্ৰ


বিদ্যালয় সংগীত

বিদ্যালয় সংগীতৰ স্বৰলিপি

আমি সুঁৱৰিছোঁ

অধ্যক্ষৰ কলম... ৯

বিশেষ নিবন্ধ ১৬

মধুবন ১৯-৪৩

- মাছবোৰে পানীত কি কৰি থাকে?
- তুমি কি কৰিলে তোমাৰ মায়ে হাঁহে?
- মেঘবোৰ কেনেকৈ হয়?
- গছৰ পাতবোৰ কিয় সেউজীয়া?
- ছবি চাই সাধু সাজোঁ আহাঁ...
- ফলৰ ভিতৰত গুটিবোৰ কোনে ভৰাই দিয়ে?
- বেছি গৰম পৰিলে আমি কি কৰিব লাগে?


# সম্পাদকীয়

*সময়ৰ অগ্ৰগতি*

*পক্ষীৰাজত উঠি যাওঁ মই নতুন দিগন্তলৈ...*

সঁচাকৈ ! সময় শাশ্বত। এই শাশ্বত সময় নৈৰ কোবাল সোঁতৰ দৰে বাধাহীন, অপ্ৰতিৰোধ্য। সময়ৰ এই শাশ্বত গতিৰ কোবাল সোঁতেৰে ভটিয়াই অসম জাতীয় বিদ্যালয়ে গৰকিলে একুৰি পাঁচটা বসন্ত। জন্মলগ্নৰেপৰা আলোকৰ সন্ধানত ব্ৰতী এই শিক্ষাতীৰ্থৰ ৰূপোৱালী যাত্ৰাৰ প্ৰতিটো ক্ষণৰ সাক্ষী হৈছে 'বাখৰ'। বাখৰৰ পাতে ধৰি ৰাখে প্ৰতিজন শিক্ষাৰ্থীৰ সোণোৱালী শৈশৱ আৰু কৈশোৰৰ মধুময় ক্ষণ।

সাহিত্যই প্ৰতিফলিত কৰে প্ৰতিখন সমাজক। খেতি পথাৰৰ নান্দনিকতাৰপৰা কংক্ৰীটৰ পৃথিৱীলৈ সকলো সামৰি লয় লেখকৰ কলমে। মানুহৰ ধ্বংসমুখী আৰু অমানৱীয় কাৰ্যকলাপক ৰুধিব পাৰে কেৱল সৃষ্টিৰ সাধনাই। এই সময়ত প্ৰবল উৎসাহ আৰু উদ্ভাৱনী চিন্তাৰে নৱপ্ৰজন্ম হ'ব লাগিব নতুন যুগৰ কাণ্ডাৰী। এনে এক সন্ধিক্ষণতে সৃষ্টিশীলতাৰ বাটেৰে বাট বুলিবলৈ আমি সঙ্গী কৰি লৈছোঁ 'বাখৰ'ক। ই কেৱল এখন আলোচনী নহয়, ই হৈছে প্ৰতিভা বিকাশৰ এক অদ্বিতীয় মাধ্যম। যিয়ে সাহিত্য-সম্প্ৰীতিৰ ৰঙেৰে সমাজলৈ বিয়পাই নিয়ে বাখৰুৱা সুবাস। কাৰণ আমাৰ হৃদয়ত আছে জগত সভাত জিলিকি উঠাৰ হেঁপাহ। সেয়েহে এই বাখৰুৱা পথৰ আমি কৰ্মোদ্যমী পথিক।

*...আঘোণৰ পথাৰত কাম আৰু কাম...* সঁচাকৈ তেনেকুৱাই এক ব্যস্ততা আৰু পৰিশ্ৰমৰ ভাৱ আহি পৰে 'বাখৰ' প্ৰকাশৰ পৰত। আমি সকলোৱে উঠি-পৰি লাগোঁ আমাৰ মনৰ ভাববোৰক উকা কাগজত কবিতা, গল্প, অনুভৱ আদিৰ ৰূপ দিবলৈ। নিৰ্ধাৰিত দিনত সেই সকলোবোৰ সংগ্ৰহ কৰি সম্পাদনাৰ আওঁতালৈ অনা হয়। 'বাখৰ'ৰ বাবে ফটো উঠাটোও কিয়ে আনন্দৰ কথা। এনেকৈয়ে লাহে লাহে প্ৰাণময় হৈ উঠে 'বাখৰ'। পৰিণতিত 'গীত-মাতৰ গধূলি'ৰ মঞ্চত বাখৰে আত্মপ্ৰকাশ কৰে। তাৰ পিছতেই পঢ়ুৱৈ সমাজৰ মাজলৈ গতি কৰে বাখৰে। পঢ়ুৱৈৰ সমাদৰ লভিলেই বাখৰে পূৰ্ণতা পায়। তেনে এক আশাৰে 'বাখৰ'ৰ এই সংস্কৰণটি আপোনালোকলৈ আগবঢ়ালোঁ।

সম্পাদনা সমিতি

পঞ্চবিংশতিতম সংখ্যা, 'বাখৰ'

## কাব্যকানন


• টুনি চৰাই • ৰঙা বেলি • মোৰ ভণ্টি • পখিলা
• জিলমিল তৰাবোৰ • মোৰ মন • ৰামধেনু • ঋতু
• মোৰ ফুলনিখন • ধ্ৰুৱতৰা • বৰষুণ • অকণিৰ মন
• মৰমৰ ভাইটি • প্ৰকৃতি • আশা
• মোৰ মৰমৰ ভাইটি • তৰা • চৰাই • বৰণীয়া চৰাই
• জীৱন • মইনাৰ গীত • মই ভ্ৰমণে কৈছোঁ
• জোনাক ৰাতি • বসন্ত • পুৱতিৰ অমাৱস্যা
• বুঢ়া লুইত • অজাবি—এক আৱেশ • শেৱালি • ফাগুন
• স্মৃতিৰ ঢৌ • প্ৰতিমা • বৰষা • পথভ্ৰষ্ট
• নাৰী

৬০-৭২


## গল্পগুচ্ছ


• দুষ্ট বাঘ আৰু হাতী
• প্ৰকৃত বন্ধু • আচহুৱা গছজোপা
• অনুপমৰ সহানুভূতি
• আশা • প্ৰতীক্ষা
• শৰতৰ শেৱালি
• নিঃসংগ
• দুই বন্ধুৰ কাহিনী • সপোন
• হেৰুওৱা সপোন
• পেঞ্চন

৭৩-৯১


## চিন্তা-তৰংগ


• আমাৰ ঘৰৰ চৰাইবোৰ
• লিঅ'নাৰ্ড' ডা-ভিন্সি
• ব্যক্তি আৰু সমাজ জীৱনত কিতাপৰ প্ৰভাৱ
• ৰ'বট
• অসমীয়া চলচ্চিত্ৰ : নতুন ধাৰা, নতুন চিন্তা
• ৰেডিঅ' আইছ'ট'প
• ৰাজনীতি
• পাহৰিব নোৱৰা স্মৃতি

৯২-১০৫


## 'আলোক সন্ধানী'ৰ বাখৰুৱা আখৰ —এটি আলোকপাত


৪৯-৫৯


## প্ৰতিযোগীৰ শ্ৰেষ্ঠ কলম


• অসম বন্ধ
• আনন্দ
• সৃষ্টিৰ সুখ
• নৈতিক চৰিত্ৰ গঠনত সাধুকথাৰ প্ৰভাৱ
• আজি যদি কৃপাবৰ বৰবৰুৱা থাকিলহেঁতেন
• অৰূপা পটঙ্গীয়া কলিতাৰ 'কাঁইটত কেতেকী' —এটি আলোচনা
• হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়'—এটি আলোচনা
• ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' —এটি আলোকপাত
• ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'জীৱন-বৃত্ত' —এটি আলোচনা
• নৱকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' —এটি আলোচনা
• পেলনীয়া সামগ্ৰীৰ সদ্ব্যৱহাৰ

১০৬-১২৮


## আন্তৰিক আলাপ


৪৪-৪৮


## Musings


• She..
• My Love
• Pongal
• Passion, Dream & Destiny
• Madan Kamdev
• The Fighter
• Journey without Fare
• The story of a legend
• Football and Mathematics

১২৯-১৩৬

**বিবিধা**
- বিবিধা
- जैसा सवाल वैसा जवाब
- सैनिक शिक्षा
- मैग्ला डॉन शार्क का अस्तित्व
- मराठी मुलगी
- परिवर्तन

১৩৭-১৪১

**বিনন্দীয়া পৃথিৱী**
- পবিতৰা অভয়াৰণ্য
- নীল সাগৰৰ বুকুত আন্দামান
- শিঙৰীৰ গুপ্তেশ্বৰ দেৱালয়
- নামফাকেৰ ঐতিহ্য আৰু টাইফাকে সংস্কৃতি
- সত্ৰৰ নগৰীত কিছু সময়

১৪২-১৪৯

**পুথিভঁৰালৰ টোকাবহীৰপৰা**

১৫০-১৫১

**প্ৰাতঃ সভাৰ চিন্তা**

১৫২-১৫৩

**প্ৰকল্প**

১৫৪-১৫৫

**প্ৰজ্ঞাৰ নিৰ্যাস**
- আশা • জন্মদিনৰ মালিতা • আহুতি • Baba...
- চাৰ্জিকেল ষ্ট্ৰাইক • সময়ৰ প্ৰচ্ছায়া
- অনুৰণন • ছাত্ৰৰ প্ৰতি
- কুসুমৰ আত্মগাথা • Childhood : Then and Now
- My Ramayana Days
- বিষ্ণু ৰাভাৰ গীতত বৈপ্লৱিক চেতনা, প্ৰকৃতি, শিশু আৰু প্ৰেম-বিৰহৰ নান্দনিক সৌন্দৰ্য
- সত্যাগ্ৰহ আৰু মহাত্মা • পৰ্বতাৰোহী অৰ্জুন বাজপেয়ী
- শিশুৰ ব্যক্তিত্ব বিকাশত ঘৰখনৰ ভূমিকা • চু-কা-ফা—অন্য এক যাত্ৰা...
- স্কুলীয়া শিক্ষাৰ বাটত স্কাউট-গাইড
- प्रेमचन्द के उपन्यासों की एक समीक्षा
- Keeping the Indigenous Ethos Alive

১৫৬-১৮৩

- **বিদ্যালয়ৰ উল্লেখযোগ্য দিন ২০১৮-১৯/১৮৪-১৮৬**
- **২০১৯ বৰ্ষৰ বিদ্যালয়ৰ বাহিৰৰ বিভিন্ন প্ৰতিযোগিতাত শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ সফলতাৰ খতিয়ান / ১৮৭**
- **২০১৯ শিক্ষাবৰ্ষৰ বিদ্যালয়ৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল/১৮৮**

# বিদ্যালয় সংগীত

**ৰচনা : ডা° নাৰায়ণ শৰ্মা** **সুৰ : ৰমেন বৰুৱা**

*আলোক সন্ধানীৰ আশাৰ আলয়*
*অসম জাতীয় বিদ্যালয়।*

*সুবাস লওঁ আমি কেঁচা মাটিৰ*
*পৰশ নেৰোঁ আমি ওপজা ভেটিৰ।*
*সুন্দৰ সমাজৰ সপোন ৰচি*
*পূজাৰী আমি কৰ্ম-সংস্কৃতিৰ।*

*আত্ম-বিশ্বাস আৰু সততাৰে*
*জ্ঞান বিজ্ঞানৰ সাধনাৰে*
*জগত সভাত আমি পোহৰ বিলাম*
*আই অসমীৰ আমি মুখ উজলাম।*

*স্বদেশ-স্বজাতিৰ মান ৰাখিম*
*নৱ নৱ চিন্তাৰ জোৱাৰ আনিম*
*অপাৰ দিগন্তত দৃষ্টি ৰাখি*
*আধুনিক পৃথিৱী আমিয়ে গঢ়িম।* ◈

# বিদ্যালয় সংগীতৰ স্বৰলিপি

**স্থায়ী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ধস | :স | :স | সৰ | গপ | -ধ | প | গৰ | ৰগ | :ৰ | সৰ | গপ |
| আলোক | স | ন্ধা | নীৰ | আশাৰ | আ | ল | য় | অসম | জা | তী | য় |
| বি | দ্যা | লয় | | | | | | | | | |

**অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | :প | ধ | - | মম | :ম | প | ধপ |
| সুবাস | লওঁ | আ | মি | কেঁচা | মা | টিৰ | | পৰশ | নে | ৰোঁ | আমি |
| মপ | ধম | প | - | | | | | | | | |
| ওপ | জাভে | টি | ৰ | | | | | | | | |
| গ | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | - |
| সুন্ | ন্দৰ | সমা | জৰ | সপোন | ৰ | চি | - | পূজা | ৰীআ | মি | - |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| ক | ৰ্ম | সং | স্কৃ | তি | - | - | - | ৰ | - | - | - |

**সঞ্চাৰী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স | সপ | :ধ | প | সস | ৰস | ন | - | নৰ | :ন | ৰ | ৰ |
| আ | ত্মাবি | শ্বাস | আৰু | সত | তা | ৰে | - | জ্ঞান | বি | জ্ঞা | নৰ |
| সাধ | না | ৰে | - | | | | | | | | |
| ম | ম | ম | পধ | মপ | :ম | ম | পণ | ণধ | ধপ | পম | মগৰ |
| জগত্ | স | ভাত | আমি | পোহৰ | বি | লা | ম | আই | অস | মীৰ | আমি |
| গৰ | গপ | গ | - | ৰগ | :ৰ | সৰ | গপ | সৰমৰ | :স | স | - |
| মুখ | উজ | লা | ম | আই | অ | স | মীৰ | মুখ | উজ | লা | ম |

**২য় অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | প | ধ | - | মম | :ম | প | ধপ |
| স্বদেশ | স্ব | জা | তিৰ | মান | ৰা | খি | ম | নৱ | নৱ | চি | ন্তাৰ |
| মপ | ধম | প | - | | | | | | | | |
| জোৰাৰ | আ | নি | ম | | | | | | | | |
| স | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | ন |
| অপাৰ | দি | গ | ন্তত | দৃ | ষ্টি | ৰা | খি | আধু | নিক | পৃথি | ৱী |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| আ | মি | য়ে | গ | ঢ়ি | - | - | - | ম | - | - | - |

# আমি সুঁৱৰিছোঁ



**চিন্ময় বৈশ্য**

জন্ম : ০১/১১/২০০৯

মৃত্যু : ১৬/০৭/২০১৯

পিতৃ : হেম বৈশ্য

মাতৃ : চন্দ্রমা বৈশ্য

যোৱা ১৬ জুলাই, ২০১৯ তাৰিখ মঙলবাৰে আমাৰ বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ চিন্ময় বৈশ্যই এটা পথ দুৰ্ঘটনাত পতিত হৈ আমাক সকলোকে এৰি থৈ কোনো অজান ঠাইলৈ গুচি যায়। চিন্ময় অসম জাতীয় বিদ্যালয়ৰ সকলোৰে বৰ মৰমৰ আছিল। এই ঘটনাত আমি সকলোৱে বৰ দুখ পাইছোঁ। তেওঁৰ পিতৃ-মাতৃ তথা পৰিয়ালৰ সকলোকে সমবেদনা জ্ঞাপন কৰিছোঁ। অংকুৰ শ্ৰেণীত আমাৰ বিদ্যালয়ত নামভৰ্তি কৰা চিন্ময়ে এই বছৰ 'বাখৰ'ৰ বাবে এটি কবিতা লিখিছিল। তেওঁক মনত পেলাই মৰমৰ চিন হিচাপে কবিতাটি ইয়াত প্ৰকাশ কৰা হৈছে। চিন্ময় য'তেই থাকক সুখেৰে থাকিব।

## কবিতা

মোৰ মন যায়
তৰা হ'বলৈ।
আকাশত জিলিকি থাকিবলৈ।
মোৰ মন যায়
পখিলা হ'বলৈ।
কিন্তু মই উৰিম কেনেকৈ?
মোৰ নাই যে পাখি।
মোৰ মন যায়
ভাল মানুহ হ'বলৈ।
সমাজখন ভালদৰে
চোৱা-চিতা কৰিবলৈ। ❖



**খুদিৰাম চাংমা**

জন্ম : ০৩/০২/১৯৭৭

মৃত্যু : ২৭/০২/২০১৯

পিতৃ : হৰেন্দ্ৰ মাৰাক

মাতৃ : চুমী চাংমা

যোৱা ২৭ ফেব্ৰুৱাৰি, ২০১৯ তাৰিখে অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰেপৰা কৰ্মৰত বিদ্যালয় পৰিয়ালৰ অন্যতম সদস্য খুদিৰাম চাংমাৰ দেহাৱসান ঘটে। তেওঁৰ জন্ম হৈছিল গোৱালপাৰা জিলাৰ মাজৰবৰী গাঁৱত। গোৱালপাৰা ডনবস্ক' হাইস্কুলত স্কুলীয়া শিক্ষা গ্ৰহণ কৰা খুদিৰাম চাংমা আছিল অসম জাতীয় বিদ্যালয়ৰ এগৰাকী নিষ্ঠাবান কৰ্মচাৰী। প্ৰাৰম্ভিক পৰ্যায়ত বিদ্যালয়ৰ পুথিভঁৰালৰ এগৰাকী সহায়কাৰী হিচাপে সেৱা আগবঢ়োৱা চাংমাই পিছলৈ বিদ্যালয়ৰ প্ৰায় সকলোবোৰ কামতেই জড়িত হৈ পৰিছিল। বিদ্যালয়ৰ শব্দযন্ত্ৰ, পোহৰ ব্যৱস্থা, বৈদ্যুতিক সা-সৰঞ্জাম চোৱা-চিতা কৰা আদি সকলোবোৰ কামৰ তেওঁ হৈ পৰিছিল এক অপৰিহাৰ্য অংগস্বৰূপ। কিছুদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ থকা খুদিৰাম চাংমাই মাজতে কিছু সুস্থ হৈ উঠাৰ পিছত বিদ্যালয়ৰ প্ৰতি থকা আন্তৰিকতাৰ বাবেই পুনৰ বিদ্যালয়ত যোগদান কৰি নিজ কৰ্মত মনোনিৱেশ কৰিছিল। কিন্তু পাছত গুৰুতৰভাৱে অসুস্থ হৈ পৰাত তেওঁক পুনৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। মৃত্যুৰ সময়ত চাংমাই তেওঁৰ পত্নী আৰু এগৰাকী কন্যা সন্তান এৰি থৈ যায়। অসম জাতীয় বিদ্যালয় পৰিয়ালৰ তৰফৰপৰা চাংমাৰ দীৰ্ঘদিনীয়া সেৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে প্ৰয়াত চাংমালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ❖

# অধ্যক্ষৰ কলম

◆ ঘনশ্যাম মেধি
অধ্যক্ষ, অসম জাতীয় বিদ্যালয়

মাতৃভাষা মাধ্যমত স্বকীয় বৈশিষ্ট্যৰে গঢ় লৈ উঠা অসম জাতীয় বিদ্যালয়ে ২০১৯ বৰ্ষত ষষ্ঠবিংশতিতম বৰ্ষত প্ৰৱেশ কৰিছে। ইতিমধ্যে ৰাজ্যখনৰ এক প্ৰভাৱশালী শিক্ষা ব্যৱস্থা হিচাপে চিহ্নিত জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাৰ অধীনত অসমৰ বিভিন্ন প্ৰান্তত বাৰশৰো অধিক বিদ্যালয় গঢ় লৈ উঠিছে। এই বিদ্যালয়সমূহতো মাতৃভাষা মাধ্যমত শিশুসকলক সু-শিক্ষাৰে শিক্ষিত কৰিবলৈ অহৰহ চেষ্টা কৰি থকা হৈছে। ৰাজ্যখনৰ এই বিদ্যালয়সমূহক শৈক্ষিক দিশত নীতি-নিৰ্দেশনা তথা দিহা-পৰামৰ্শ দিয়াৰ উদ্দেশ্যে ১৯৯৫ চনতে জন্ম হৈছিল অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ, চমুকৈ 'এজবেক'ৰ। ২০১৮ বৰ্ষটো অসম জাতীয় বিদ্যালয়ে বিভিন্ন কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰে। বিদ্যালয়খনত ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি গোটেই বছৰটোত মুঠতে ১২টা কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। অসম জাতীয় বিদ্যালয়ৰ লগতে ৰাজ্যখনৰ বিভিন্ন জিলাত থকা জাতীয় বিদ্যালয়সমূহেও ২০১৮ বৰ্ষটো জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰে। বিগত বৰ্ষৰপৰা এজবেকে আৰু অধিক সক্ৰিয়তাৰে জাতীয় বিদ্যালয়সমূহৰ সাংগঠনিক দিশত কেতবোৰ নতুন পদক্ষেপ গ্ৰহণ কৰিছে। পৰৱৰ্তী সময়তো অতি নিষ্ঠা সহকাৰে এনেধৰণৰ কাৰ্যসূচীসমূহ সম্পাদন কৰি যোৱা হ'ব।

## বিগত বাৰ মাহৰ কাম-কাজৰ খতিয়ান

২০১৮ বৰ্ষৰ অক্টোবৰ মাহৰ শেষৰপৰা ২০১৯ বৰ্ষৰ অক্টোবৰ মাহলৈ এই সময়ছোৱাত আমাৰ বিদ্যালয়ত বিভিন্ন ধৰণৰ কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰা হয়। ২৭ অক্টোবৰ, ২০১৯ তাৰিখ শনিবাৰে বিদ্যালয়ৰ বাৰ্ষিক 'গীত-মাতৰ গধূলি' অনুষ্ঠান অনুষ্ঠিত হয়। আবেলি ৪ বজাৰপৰা নিশা ৯ বজালৈ অনুষ্ঠিত হোৱা এই অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য। এই অনুষ্ঠানতে শিক্ষাৰ্থীসকলক শৈক্ষিক বৃত্তি আৰু অন্যান্য শিতানৰ পাৰদৰ্শী শিক্ষাৰ্থীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। গীত-মাতৰ গধূলি অনুষ্ঠানতে বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ'ৰ চতুৰ্বিংশতিতম সংখ্যাটি উন্মোচন কৰা হয়। 'বাখৰ' উন্মোচন কৰে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা বিশিষ্ট নিবন্ধকাৰ শ্ৰীযুত লক্ষীনাথ তামুলীয়ে।

২৮ অক্টোবৰ, ২০১৯ তাৰিখ দেওবাৰে বিদ্যালয় প্ৰাংগণত অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। ২০০৮ শিক্ষাবৰ্ষৰপৰাই অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ফালৰপৰা অসমৰ শৈক্ষিক, সাংস্কৃতিক, সামাজিক, ক্ৰীড়া আদি ভিন ভিন ক্ষেত্ৰত নিজৰ বহুমূলীয়া অৱদান

আগবঢ়াই অহা বিশিষ্ট ব্যক্তিসকলক 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' প্ৰদান কৰি অহা হৈছে। প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰদান কৰা এই ফেল'শ্বিপ ২০১৬ বৰ্ষলৈ মুঠ পাঁচগৰাকী ব্যক্তিক প্ৰদান কৰা হৈছে। ২০১৮ বৰ্ষত এই ফেল'শ্বিপ প্ৰদান কৰা হয় প্ৰবীণ অভিনেতা, পৰিচালক শ্ৰীযুত কুলদা কুমাৰ ভট্টাচাৰ্যক। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ফেল'শ্বিপ প্ৰদান কৰে প্ৰবীণ শিল্পী, পদ্মশ্ৰী সন্মানপ্ৰাপক নৃত্যাচাৰ্য শ্ৰীযুত যতীন গোস্বামীদেৱে। ইয়াৰ উপৰিও ২০১৪ বৰ্ষৰপৰা ন্যাসে বিভিন্ন ক্ষেত্ৰত বৰঙণি যোগাই অহা বিশিষ্ট ব্যক্তিসকলক অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰি আহিছে। ২০১৭ বৰ্ষলৈ মুঠতে ১২ গৰাকী ব্যক্তিক এই সন্মান প্ৰদান কৰা হৈছে। ২০১৮ বৰ্ষৰ এই ফেল'শ্বিপ প্ৰদান অনুষ্ঠানতেই বিশিষ্ট সংগীত শিল্পী শ্ৰীযুত দ্বীপেন বৰুৱা আৰু বিশিষ্ট ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাক অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে লোকগীতৰ বিশিষ্ট শিল্পী বসন্ত পাটগিৰি, সন্তুৰবাদক পংকজ শৰ্মা, বিশিষ্ট বাঁহীবাদক পৰমেশ্বৰ বসুমতাৰীয়ে অনুষ্ঠান পৰিৱেশন কৰে। লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

৫ নৱেম্বৰ, ২০১৮ তাৰিখ সোমবাৰে বিগত বৰ্ষবোৰৰ দৰে আমাৰ বিদ্যালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ সপ্তম মৃত্যু বাৰ্ষিকীৰ দিনটোক 'ভূপেন হাজৰিকা দিৱস' হিচাপে পালন কৰা হয়। এই উপলক্ষে সদৌ অসম ভিত্তিত অষ্টম শ্ৰেণীৰপৰা স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ মাজত দুটা শাখাত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাৰ 'ক' শাখাত (অষ্টমৰপৰা দশমলৈ) মুঠ ১২ গৰাকী আৰু 'খ' শাখাত (একাদশৰপৰা স্নাতক পৰ্যায়লৈ) মুঠ ১৭ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অতি উচ্চমানসম্পন্ন এই প্ৰতিযোগিতাখনৰ বিচাৰকৰ আসন শুৱনি কৰে বিশিষ্ট সঙ্গীতজ্ঞ শ্ৰীযুত ৰমেন বৰুৱা আৰু শ্ৰীযুত ৰমেন চৌধুৰীয়ে।

১৪ নৱেম্বৰ, ২০১৮ তাৰিখ বুধবাৰে আমাৰ বিদ্যালয়ত শিশু দিৱস উদ্যাপন কৰা হয়। এই উপলক্ষে অংকুৰ, প্ৰাক্-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'ভেশছ্ন' প্ৰতিযোগিতা অনুষ্ঠিত হয়। দ্বিতীয়ৰপৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকণ আৰু আকস্মিক বক্তৃতা, ষষ্ঠৰপৰা নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন শিতানত সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই অনুষ্ঠানতে বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰপৰা নৱম শ্ৰেণীলৈ প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো শাখাৰ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা হাতেলিখা আলোচনীসমূহৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। লগতে শিল্পকলাৰ বিভিন্ন শিল্পকৰ্মৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়।

১৬ নৱেম্বৰ, ২০১৮ তাৰিখ শুক্ৰবাৰে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে দিক্‌বলন কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া শ্ৰীযুত নৰেন্দ্ৰ মোহন গোস্বামী আৰু বিশিষ্ট নিবন্ধকাৰ ময়ূৰ বৰাই।

১৭ ডিচেম্বৰ, ২০১৮ তাৰিখ শনিবাৰে বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ বছৰেকীয়া পৰীক্ষা আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ প্ৰাক্-চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। লগতে অংকুৰ আৰু প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ 'অভিমত টোকা' প্ৰদান কৰা হয়।

২৬ ডিচেম্বৰ, ২০১৮ তাৰিখ বুধবাৰে ৰূপালী জয়ন্তী উৎসৱৰ এক অন্যতম কাৰ্যসূচী 'সদৌ অসম জাতীয় বিদ্যালয় সমাৰোহ' অনুষ্ঠিত হয়। নুনমাটি তেল শোধনাগাৰৰ খেলপথাৰত অনুষ্ঠিত হোৱা এই সমাৰোহত অসমৰ ২৫ খন জিলাৰ প্ৰায় ৩০০ খন

বিদ্যালয়ৰ পাঁচ সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি নিজৰ নিজৰ অঞ্চলৰ কলা-কৃষ্টি প্ৰদৰ্শন কৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সমাৰোহৰ পুৱাৰ ভাগৰ কাৰ্যসূচীৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকাই অসমৰ ভাষা-সংস্কৃতিৰ উন্নয়নত অসম জাতীয় বিদ্যালয়ে লোৱা ভূমিকাৰ শলাগ লয়। বিয়লি ৩ বজাৰপৰা আৰম্ভ হোৱা মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি সমাৰোহখনি সাফল্যমণ্ডিত কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱা, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° ভৱেশ চন্দ্ৰ গোস্বামী, গুৱাহাটী তেল শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক শ্ৰীযুত যোগেন বৰপূজাৰী, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক শ্ৰীযুত পলাশ কুমাৰ চাংমাই।

২৯ ডিছেম্বৰ, ২০১৮ তাৰিখ শনিবাৰে ৰূপালী জয়ন্তীৰ অন্যতম এক কাৰ্যসূচী 'অভিভাৱক সমাৰোহ' অনুষ্ঠিত হয়। পুৱা ৯ বজাৰপৰা নিশা ৯ বজালৈ ১২ ঘণ্টা জুৰি চলা এই সমাৰোহত বিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ অভিভাৱকসকলে লগ হৈ বিশেষ সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰে। এই অনুষ্ঠানত কেইবাগৰাকী আমন্ত্ৰিত শিল্পীয়েও অনুষ্ঠান পৰিবেশন কৰে। এই সমাৰোহত 'জাতীয় আন্দোলন (অসম-অসমীয়া-অসমীয়া ভাষা)' শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰা হয়।

৩০ ডিছেম্বৰ, ২০১৮ তাৰিখ দেওবাৰে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বাবে প্ৰাক্তন শিক্ষাৰ্থীৰ সমাৰোহৰ আয়োজন কৰা হয়। 'মিথ্ৰা-২০১৮' শীৰ্ষক এই সমাৰোহত ৭০০ৰো অধিক প্ৰাক্তন শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই সমাৰোহত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট গল্পকাৰ তথা অসম আৰক্ষীৰ সঞ্চালক প্ৰধান শ্ৰীযুত কুলধৰ শইকীয়া আৰু বিশিষ্ট লেখক, যুৱ উদ্যোগী দেবাংগ পল্লৱ শইকীয়া। এই অনুষ্ঠানত প্ৰাক্তন শিক্ষাৰ্থীসকলে বাৰেবৰণীয়া সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে।

৩১ ডিছেম্বৰ, ২০১৮ সোমবাৰে বিদ্যালয়ৰ অংকুৰ শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে ৰূপালী জয়ন্তীৰ বিশেষ কাৰ্যসূচী 'আমাৰ ৰূপালী জয়ন্তী' আয়োজন কৰা হয়। অনুষ্ঠানত শিশুসকলে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

১ জানুৱাৰি, ২০১৯ মঙ্গলবাৰে বিদ্যালয়ৰ ষষ্ঠবিংশতিতম প্ৰতিষ্ঠা দিৱস তথা বছৰজোৰা ৰূপালী জয়ন্তী অন্তিম দিনটোৰ মূল কাৰ্যসূচী উদ্‌যাপন কৰা হয়। পুৱা ৯ বজাত ৰূপালী জয়ন্তীৰ কেন্দ্ৰীয় পতাকা আৰু বিদ্যালয়ৰ ২৬ খন পতাকা উত্তোলনেৰে শুভাৰম্ভ হোৱা এই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ ড° নগেন শইকীয়া। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ পিছত বিদ্যালয়ৰ সমূহ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, অভিভাৱক আৰু পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ সহযোগত এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

উক্ত দিনাই সন্ধিয়া ৫ বজাৰপৰা নিশা ৮ বজালৈ ৰূপালী জয়ন্তীৰ অন্যতম এক অনুষ্ঠান 'ৰূপালী সন্ধিয়া'ৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট গল্পকাৰ, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান শ্ৰীযুত কুলধৰ শইকীয়া। এই অনুষ্ঠানতে প্ৰবীণ শিল্পী ৰাজেন গোহাঁই, বিশিষ্ট কণ্ঠশিল্পী দ্বীপেন বৰুৱা, সন্ধ্যা মেনন, নমিতা ভট্টাচাৰ্য আৰু মুকাভিনয় শিল্পী মইনুল হকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত এইসকল বিশিষ্ট শিল্পীয়ে অনুষ্ঠান পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। লগতে বিশিষ্ট সৰোদবাদক তৰুণ কলিতায়ো অনুষ্ঠান পৰিৱেশন কৰে।

১২ জানুৱাৰি, ২০১৯ তাৰিখ শনিবাৰে বিগত বৰ্ষবোৰৰ দৰে আমাৰ বিদ্যালয়ত 'ভোগালী চ'ৰা' অনুষ্ঠিত হয়। এই অনুষ্ঠানত পৰম্পৰাগত ৰীতি-নীতিৰে মেজিৰ সন্মুখত শৰাই, চাকি-বন্তি, ধূপ-ধূনা আগবঢ়াই

মেজি জ্বলোৱা হয় আৰু মেজিৰ গুৰিত নাম-প্ৰসংগ কৰা হয়। পিছত বিদ্যালয়ৰ মুকলি মঞ্চত এক বিশেষ কাৰ্যসূচী ৰূপায়িত হয়।

১৭ জানুৱাৰি, ২০১৯ তাৰিখ বৃহস্পতিবাৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু তিথিৰ দিনটোত 'শিল্পী দিৱস' উদ্‌যাপন কৰা হয়। এই দিৱসটোত মহান শিল্পীগৰাকীৰ মহান সৃষ্টিৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে আগৰৱালাদেৱৰ দুগৰাকী দুহিতা শ্ৰীযুতা জ্ঞানশ্ৰী পাঠক আৰু শ্ৰীযুতা সত্যশ্ৰী দাস।

২৩ জানুৱাৰি, ২০১৯ তাৰিখৰপৰা ২৯ জানুৱাৰি, ২০১৯ তাৰিখলৈ বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৩ জানুৱাৰি, ২০১৯ তাৰিখে অনুষ্ঠিত হোৱা মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম আৰক্ষীৰ ভূতপূৰ্ব সঞ্চালক প্ৰধান মুকেশ সাহায়ে মাৰ্চ-পাষ্টৰ অভিবাদন গ্ৰহণ কৰে।

২৬ জানুৱাৰি, ২০১৯ তাৰিখ শনিবাৰে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আমাৰ বিদ্যালয়তো ৭০ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৭:৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই দিৱসত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, শিক্ষাৰ্থী আৰু একাংশ অভিভাৱকে অংশগ্ৰহণ কৰে।

এই গণৰাজ্য দিৱসত ৰাজ্য চৰকাৰে আয়োজন কৰা মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আমাৰ বিদ্যালয়ৰ দলটিয়ে প্ৰথম স্থান দখল কৰে।

২৪ ফেব্ৰুৱাৰি, ২০১৯ দেওবাৰে বিদ্যালয় প্ৰাংগণত ৰূপালী জয়ন্তী উপলক্ষে প্ৰস্তুত কৰি উলিওৱা স্মৃতিগ্ৰন্থ, অন্যান্য গ্ৰন্থ আৰু তথ্য-চিত্ৰ উন্মোচনী সভা অনুষ্ঠিত হয়। ৰূপালী জয়ন্তী উপলক্ষে প্ৰস্তুত কৰা 'আলোক সন্ধানী' শীৰ্ষক স্মৃতিগ্ৰন্থখনি উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক, প্ৰাগ নিউজ চেনেলৰ মুখ্য সম্পাদক শ্ৰীযুত অজিত কুমাৰ ভূঞাই। ৰূপালী জয়ন্তী উপলক্ষে প্ৰস্তুত কৰা অন্য দুখন গ্ৰন্থ হ'ল 'অকণিৰ আকাশ' আৰু 'বাখৰৰ গল্প'। এই অনুষ্ঠানতে 'অকণিৰ আকাশ' গ্ৰন্থখন উন্মোচন কৰে জ্যেষ্ঠ অধিবক্তা তথা নিবন্ধকাৰ শ্ৰীযুত অৰূপ বৰবৰাই। 'বাখৰৰ গল্প' শীৰ্ষক গল্প সংকলনখন উন্মোচন কৰে আন্তৰ্জাতিক খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক শ্ৰীযুত জাহ্নু বৰুৱাই। এই অনুষ্ঠানতে অসম জাতীয় বিদ্যালয়ৰ পঁচিছ বছৰীয়া যাত্ৰাৰ ওপৰত প্ৰস্তুত কৰি উলিওৱা তথ্যচিত্ৰখন ৰাইজৰ আগত প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত অসমৰ এগৰাকী জ্যেষ্ঠ শিল্পী শ্ৰীযুত সূৰ্য দাসে অনুষ্ঠান পৰিৱেশন কৰে।

২৮ ফেব্ৰুৱাৰি, ২০১৯ তাৰিখ বৃহস্পতিবাৰে সমগ্ৰ দেশৰ লগতে আমাৰ বিদ্যালয়তো ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ বিজ্ঞান আৰ্হি, বিজ্ঞান প্ৰকল্প আৰু বিজ্ঞান পৰীক্ষাৰ প্ৰদৰ্শনীৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰাজ্যিকভিত্তিত বিজ্ঞান আৰ্হি, বিজ্ঞান পৰীক্ষা আৰু বিজ্ঞান প্ৰকল্পৰ প্ৰদৰ্শনীৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। এই দিৱসৰ মুখ্য অতিথি আছিল বিশ্বনাথ কলেজৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক তথা জনপ্ৰিয় বিজ্ঞান লেখক ক্ষীৰধৰ বৰুৱা। প্ৰদৰ্শনীৰ শেষত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী-সকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

১৬ মাৰ্চ, ২০১৯ তাৰিখ শনিবাৰে আৰু ১৭ মাৰ্চ, ২০১৯ তাৰিখ দেওবাৰে ২০১৯ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে দুদিনীয়াকৈ অভিজ্ঞান শিবিৰ অনুষ্ঠিত হয়। তদুপৰি ১৭ মাৰ্চ, ২০১৯ তাৰিখে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলৰ বাবেও অভিজ্ঞান সভা অনুষ্ঠিত হয়।

এই কাৰ্যসূচীত উপস্থিত থকা শিক্ষাৰ্থীসকলৰ লগত মত বিনিময় কৰে বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ড° মৈথিলী হাজৰিকা আৰু তেজপুৰৰ গিৰিজানন্দ ইনষ্টিটিউট অব মেনেজমেণ্ট এণ্ড টেকন'লজীৰ অধ্যক্ষ ড° বুলজিৎ বুঢ়াগোহাঁয়ে। ১৭ মাৰ্চ, ২০১৯ তাৰিখৰ আবেলিৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ডা° ৰমেশ চন্দ্ৰ ডেকা।

২৮ এপ্ৰিল, ২০১৯ তাৰিখ দেওবাৰে জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰতিনিধিত্বমূলক সভাখন অনুষ্ঠিত হয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৩২৮ খন জাতীয় বিদ্যালয়ৰ ৬০০ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সভাত এজবেকে গ্ৰহণ কৰা নতুন সাংগঠনিক কাৰ্যব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হয়।

৩০ এপ্ৰিল, ২০১৯ তাৰিখ মঙলবাৰে বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো আমাৰ বিদ্যালয়ত সাহিত্য দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসৰ মুখ্য অতিথি আছিল বিশিষ্ট কবি, লেখক জীৱন নৰহ। সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰপৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত গ্ৰন্থ আলোচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই গ্ৰন্থ আলোচনাৰ বাবে ভিন ভিন শ্ৰেণীক ভিন ভিন গ্ৰন্থ দিয়া হয়।

সাহিত্য দিৱস উপলক্ষে সদৌ অসম ভিত্তিত তিনিটা পৰ্যায়ত সাহিত্য বিষয়ক প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। 'ক' শাখাত ষষ্ঠ, সপ্তম শ্ৰেণীৰ মাজত 'পেলনীয়া সামগ্ৰীৰ সদ্ব্যৱহাৰ' শীৰ্ষক প্ৰবন্ধ, 'খ' শাখাত অষ্টম, নৱম শ্ৰেণীৰ মাজত 'নৈতিক চৰিত্ৰ গঠনত সাধুকথাৰ ভূমিকা' শীৰ্ষক প্ৰবন্ধ, 'গ' শাখাত দশম, একাদশ শ্ৰেণীৰ মাজত 'আজি যদি কৃপাবৰ বৰবৰুৱা থাকিলহেঁতেন' শীৰ্ষক প্ৰবন্ধৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সাহিত্য দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানতে প্ৰতিযোগিতাসমূহত স্থান লাভ কৰা প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়।

২০ জুন, ২০১৯ তাৰিখ বৃহস্পতিবাৰে বিদ্যালয়ত বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে ৰাভাদেৱৰ গীত-মাত পৰিৱেশন কৰি তেওঁক শ্ৰদ্ধাৰে সোঁৱৰে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট কণ্ঠশিল্পী পংকজ বৰদলৈয়ে ৰাভাদেৱক সুঁৱৰি কেইবাটাও গীত পৰিৱেশন কৰে।

২০১৯ বৰ্ষৰ জুলাই মাহৰ ৮ তাৰিখৰপৰা ১২ তাৰিখলৈ আমাৰ বিদ্যালয়ত এজবেকৰ সৌজন্যত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ সৰ্বমুঠ ৩১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ কেইবাগৰাকীও অভিজ্ঞ সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষাৰ্থীসকলক প্ৰাক্-বিদ্যালয় শিক্ষা, ইংৰাজী, অসমীয়া, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, হিন্দী আৰু সুকুমাৰ কলা বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়।

২০১৯ বৰ্ষৰ জুলাই মাহৰ ৮ আৰু ৯ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে বিদ্যালয়ৰ অসমীয়া আৰু সংস্কৃত বিভাগৰ সৌজন্যত সৃজনীমূলক লিখনী বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ৫২ গৰাকী শিক্ষাৰ্থীয়ে অংশ লোৱা এই কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে তিনিগৰাকী বিশিষ্ট লেখক ড° সঞ্জীৱ পল ডেকা, ৰত্না ভৰালী তালুকদাৰ আৰু জোনমণি দাস।

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আমাৰ বিদ্যালয়তো ১৫ আগষ্ট ২০১৯ তাৰিখে ৭৩ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৭:৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত বিদ্যালয়ৰ পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, শিক্ষাৰ্থী আৰু অভিভাৱকে অংশগ্ৰহণ কৰে। স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি এক বিশেষ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলে দেশপ্ৰেমমূলক গীত-মাত পৰিৱেশন কৰে।

২০ আগষ্ট, ২০১৯ তাৰিখ মঙলবাৰে আমাৰ বিদ্যালয়ত মহাপুৰুষ দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলে বৰগীত, সত্ৰীয়া নৃত্য আদি পৰিৱেশন কৰি গুৰুকেইজনাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। শেষত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে নাম-প্ৰসংগ পৰিৱেশন কৰে।

৫ ছেপ্টেম্বৰ, ২০১৯ তাৰিখ বৃহস্পতিবাৰে আমাৰ বিদ্যালয়তো শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান পৰিৱেশন কৰি শিক্ষাগুৰুসকলক শ্ৰদ্ধা নিবেদন কৰে। এই দিৱসতে বিশিষ্ট শিক্ষক সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত অধৰ চন্দ্ৰ ডেকা আৰু আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° গিৰীশ চন্দ্ৰ শৰ্মাক সম্বৰ্ধনা জনোৱা হয়।

২২ ছেপ্টেম্বৰ, ২০১৯ তাৰিখ দেওবাৰে বিদ্যালয়ৰ প্ৰাংগণত এজবেকৰ সৌজন্যত অসমৰ বিভিন্ন জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধিৰ দ্বিতীয়খন সভা অনুষ্ঠিত হয়। এই সভাত ৩০২ খন বিদ্যালয়ৰ ৫০০ প্ৰতিনিধিয়ে যোগদান কৰে। সভাত এজবেকৰ নতুন কাৰ্যনীতিৰ বিষয়ে আলোচনা কৰা হয়।

২ অক্টʼবৰ, ২০১৯ তাৰিখ বুধবাৰে জাতিৰ পিতা মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আমাৰ বিদ্যালয়তো গান্ধী জয়ন্তী পালন কৰা হয়। কামৰূপ মহানগৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সৌজন্যত উদ্‌যাপন কৰা এই কাৰ্যসূচীত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মহামান্য মুখ্য ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামী, ন্যায়াধীশ এন কটিশ্বৰ সিঙৰ লগতে কেইবাগৰাকী ন্যায়াধীশ উপস্থিত থাকে। এই অনুষ্ঠানত আমাৰ বিদ্যালয়ৰ অষ্টমৰপৰা দ্বাদশলৈ শিক্ষাৰ্থীসকলৰ লগতে গুৱাহাটী মহানগৰৰ কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে আকৰ্ষণীয় অনুষ্ঠান পৰিৱেশন কৰে।

১২ অক্টʼবৰ, ২০১৯ তাৰিখে বিদ্যালয়ৰ সহঃপাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অনুষ্ঠান 'কলাসংগম' অনুষ্ঠিত হয়। এই অনুষ্ঠানত উক্ত বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন ধৰণৰ অনুষ্ঠান পৰিৱেশন কৰে।

১৯ অক্টʼবৰ, ২০১৯ তাৰিখ শনিবাৰে আমাৰ বিদ্যালয়ত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। তৰ্ক প্ৰতিযোগিতাৰ বিষয় : সদনৰ মতে, "বৰ্তমানৰ নম্বৰকেন্দ্ৰিক শিক্ষা-ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা হ্ৰাস কৰিছে।" In the opinion of the house, "Today's marks oriented education system has reduced students creativity." প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন প্ৰান্তৰ ২২ খন জাতীয় বিদ্যালয়ৰ ৪৩ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

## বিদ্যালয়ৰ শৈক্ষিক সফলতা

শৈক্ষিক দিশত বিদ্যালয়খনে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

২০১৯ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ মুঠ পৰীক্ষাৰ্থী আছিল ১৫৬ গৰাকী। ইয়াৰে ১৪৬ গৰাকী প্ৰথম বিভাগত, ০৯ গৰাকী দ্বিতীয় বিভাগত আৰু ০১ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ১০০%। তদুপৰি ৫৭ গৰাকীয়ে ডিষ্টিংছন আৰু ৪২ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি শিক্ষাৰ্থী প্ৰিয়ংকা কলিতাই ৰাজ্যখনৰ ভিতৰতে পঞ্চম স্থান দখল কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। তদুপৰি সাধাৰণ গণিতত ১৩ গৰাকী, উচ্চ গণিতত ৪ গৰাকী, সাধাৰণ বিজ্ঞানত ১ গৰাকী, সুকুমাৰ কলাত ১ গৰাকীয়ে ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হয়। বিভিন্ন বিষয়ত কেইবাগৰাকী শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰে। অসমীয়াত ৯৪, ইংৰাজীত ৮৫, সাধাৰণ গণিতত ৯৬, সমাজ বিজ্ঞানত ৮১, সাধাৰণ বিজ্ঞানত ৬৬ আৰু ঐচ্ছিক বিষয়সমূহৰ

ভিতৰত উচ্চ গণিতত ৪৩, কম্পিউটাৰ বিজ্ঞানত ২৮, ভূগোলত ১, সঙ্গীতত ৪, নৃত্যত ৫, সুকুমাৰ কলাত ১২, হিন্দীত ৮, বুৰঞ্জীত ৫, সংস্কৃতত ২ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে।

উচ্চতৰ মাধ্যমিক কলা শাখাত মুঠ ৬১ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইজনে উত্তীৰ্ণ হৈ ১০০% উত্তীৰ্ণ হোৱাৰ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰে ৪৭ জনে প্ৰথম বিভাগত আৰু ১৪ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ১৮ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। কলা শাখাৰ শিক্ষাৰ্থী গুঞ্জন দাসে ৰাজ্যখনৰ ভিতৰতে ১০ম স্থান অধিকাৰ কৰি বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। তদুপৰি অনুভৱী প্ৰিয়নুজাই অসমীয়া বিষয়ত ৰাজ্যখনৰ ভিতৰতে সৰ্বাধিক নম্বৰ লাভ কৰে। বিজ্ঞান শাখাত মুঠ পৰীক্ষাৰ্থী ৬০ গৰাকী। ইয়াৰে ষ্টাৰ নম্বৰ লাভ কৰে ১৩ গৰাকীয়ে, প্ৰথম বিভাগত উত্তীৰ্ণ হয় ৫০ গৰাকী, দ্বিতীয় বিভাগত উত্তীৰ্ণ হয় ৯ গৰাকী। তদুপৰি বিভিন্ন বিষয়ত কেইবাগৰাকী শিক্ষাৰ্থীয়েও লেটাৰ নম্বৰ পাবলৈ সক্ষম হয়।

২০১৯ শিক্ষাবৰ্ষত আমাৰ বিদ্যালয়ৰ বাবে দুটি অতি দুখজনক ঘটনা সংঘটিত হয়। ২৭ ফেব্ৰুৱাৰি, ২০১৯ তাৰিখে বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰেপৰা কৰ্মৰত এগৰাকী নিষ্ঠাবান কৰ্মচাৰী খুদিৰাম চাংমাৰ অকালতে মাত্ৰ ৪৫ বছৰ বয়সত পৰলোকপ্ৰাপ্তি হয়।

১৬ জুন, ২০১৯ তাৰিখে আমাৰ বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ চিন্ময় বৈশ্যৰ এক পথ দুৰ্ঘটনাত পতিত হৈ পৰলোকপ্ৰাপ্তি হয়।

এই দুয়োটা ঘটনাই অসম জাতীয় বিদ্যালয় পৰিয়ালক মৰ্মাহত কৰে। দুয়োজনৰে আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

বিগত সময়ছোৱাত অধ্যক্ষ হিচাপে কাম-কাজ চলাই নিয়াত বিদ্যালয়ৰ সকলোৱে মোক আন্তৰিকভাৱে সহায় কৰি আহিছে। সকলোলৈকে মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। বিশেষকৈ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহোদয়, সচিব মহোদয়, ৰেক্টৰ মহোদয়, শৈক্ষিক বিষয়া মহোদয়, উপাধ্যক্ষদ্বয়, বিভাগীয় মুৰব্বীসকল সকলোৱে ওচৰত মই ঋণী হৈ ৰ'লোঁ। শেষত শিক্ষাৰ্থীসকলৰ লগতে সকলোৰে মংগল কামনা কৰিলোঁ।

'অসম জাতীয় বিদ্যালয়ৰ লক্ষ্য, উদ্দেশ্য এশ শতাংশই সফল হওক, এই কামনাৰে। ❖

জয়তু অসম জাতীয় বিদ্যালয়।



**জিচান ৰায়,** প্ৰথম শ্ৰেণী



**শিপা ভৰদ্বাজ,** প্ৰথম শ্ৰেণী

# বিশেষ নিবন্ধ

স্ক্ৰীন টাইম

# শিশুৰ বিকাশৰ অন্তৰায় ম'বাইল ফ'ন, টিভি

◆ ডা° নাৰায়ণ শৰ্মা
সচিব, অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি

মানুহৰ জীৱনত ম'বাইল ফ'নৰ ব্যৱহাৰ কিমান বয়সৰপৰা আৰম্ভ হয় বুলি কোনোবাই মোক প্ৰশ্ন কৰিলে মই দ্বিধাহীনভাৱে দিব খোজা উত্তৰটো হ'ব— 'জন্মৰ পিছৰপৰাই।' আপাতদৃষ্টিত কথাটো আচহুৱা যেন লাগিলেও, এপলক ৰৈ চিন্তা কৰিলেই মোৰ উত্তৰটোৰ সত্যতা স্পষ্টকৈ ওলাই পৰিব।

জন্মৰ পিছতেই, এমাহ-দুমাহ বয়সত কেঁচুৱাটোৱে কান্দিছে—তাক নিচুকাবৰ বাবে ম'বাইলটো হাতত লৈ দৌৰি আহিছে মাক, দেউতাক, ককাক বা আইতাক। ছমাহ বয়সৰ পিছত কেঁচুৱাটোক কিবা এটা জলপান খুৱাব লাগে—জলপান সাজু কৰাৰ আগতে ম'বাইলৰ স্ক্ৰীনত 'গেম' এটা আৰম্ভ কৰি দিয়া হ'ল। অলপ ডাঙৰ হ'লে এবছৰ-দুবছৰ বয়সতেই ম'বাইলৰ লগত সংযোজন হয় টিভিৰ। শিশুটোক নিচুকাবলৈ, খুৱাবলৈ, কিবা কথাত আমনি কৰিলে শান্ত কৰিবলৈ এতিয়া অভিভাৱকৰ বাবে অতি সহজলভ্য আৰু বহুল ব্যৱহৃত সামগ্ৰী দুবিধ হৈছে ম'বাইল ফ'ন, টিভি। অলপ ডাঙৰ হ'লেই তৃতীয়টো সংযোজন হৈ পৰে ঘৰত থকা কম্পিউটাৰটো—য'ত মজুত হৈ থাকে সীমাহীন সম্ভাৰ। ম'বাইল ফ'ন, টিভি আৰু কম্পিউটাৰৰ পৰ্দা বা 'স্ক্ৰীন'কেইখনে শিশু তথা প্ৰাপ্তবয়স্কসকলৰো জীৱনত পেলাব পৰা কুপ্ৰভাৱৰ বিষয়ে বিশ্বজুৰি হৈ আছে গৱেষণা, পৰ্যালোচনা। প্ৰাপ্তবয়স্কসকলৰ কথা আছুতীয়াকৈ ৰাখি ইয়াত সামৰিব খোজা বিষয়টো হৈছে শিশুসকলৰ ওপৰত এই মাধ্যমকেইটাই পেলাব পৰা বিৰূপ প্ৰভাৱ বা পাৰ্শ্বক্ৰিয়া। শেহতীয়া বিভিন্ন গৱেষণাই সন্দেহাতীতভাৱে প্ৰমাণ কৰিছে যে ম'বাইল, টিভি আৰু কম্পিউটাৰৰ স্ক্ৰীন বা পৰ্দাকেইখনৰ অত্যধিক ব্যৱহাৰে শিশুসকলৰ স্বাভাৱিক বিকাশৰ ক্ষেত্ৰত ভয়াবহ ক্ষতি আৰু বিপদ কঢ়িয়াই আনিছে।

ম'বাইল ফ'ন, টিভি, কম্পিউটাৰ বা টেবলেট আদিৰ পৰ্দাখনৰ লগত কটোৱা সময়খিনিক চমুকৈ 'স্ক্ৰীন টাইম' বুলি অভিহিত কৰা হৈছে। গতিকে এটি শিশুৰ ক্ষেত্ৰত এনে 'স্ক্ৰীন টাইম' অৰ্থাৎ ম'বাইল ফ'ন, টিভি বা কম্পিউটাৰৰ লগত কটোৱা সময়খিনিৰ ওপৰতেই শিশুটিৰ মানসিক তথা শাৰীৰিক বিকাশৰ ক্ষেত্ৰত হ'ব পৰা ক্ষতিকাৰক প্ৰভাৱৰ কথাটো নিৰ্ভৰ কৰে। স্বাভাৱিকতেই এনে ক্ষতিকাৰক প্ৰভাৱৰ বাবে প্ৰত্যক্ষভাৱে জগৰীয়া বা দায়ী মাক-দেউতাক তথা পৰিয়ালৰ সদস্যসকল। 'ম'বাইলটো নেদেখালে বা টিভিৰ 'অমুক' অনুষ্ঠানটো নেদেখালে সি ভাতেই নাখায়' জাতীয় কথাৰে কিন্তু এনে বিপদৰপৰা হাত সাৰিব নোৱাৰি। যিকোনো কথাৰ ভাল-বেয়া দিশৰ বিচাৰ কৰি তাৰ যথোপযুক্ত ব্যৱহাৰৰ ব্যৱস্থা কোনে কৰিব; শিশুটোৱে নে প্ৰাপ্তবয়স্কসকলে? খাই ভাল লগা তথা চাই ভাল লগা বস্তু শিশুৱে বিচাৰিবই। কিন্তু সকলোবোৰ খাই ভাল লগা বা চাই ভাল লগা বস্তু শিশুটোৰ বাবে মংগলজনক হ'ব নোৱাৰে। এই ক্ষেত্ৰত সন্তানৰ গাত দোষ জাপি দিয়াটো একধৰণৰ দায়িত্বহীনতাৰ পৰিচায়ক।

এতিয়া প্ৰশ্নটো হ'ল—শিশুসকলক এইবোৰৰপৰা আঁতৰাই ৰখাটো সম্ভৱনে? যদি অসম্ভৱ, কিমানখিনি

গ্ৰহণীয় আৰু কোনখিনি বৰ্জনীয়? মন থিৰ কৰি ল'লে আচলতে অসম্ভৱ বুলি কোনো কথা নাথাকে।

ভাৰতৰ শিশুৰোগ বিশেষজ্ঞসকলৰ সংস্থা 'ইণ্ডিয়ান পেডিয়াট্ৰিক্স'ৰ যোৱা ছেপ্টেম্বৰ, ২০১৯ সংখ্যাত প্ৰকাশিত তথ্যই অত্যধিক তথা অপ্ৰয়োজনীয় স্ক্ৰীন টাইমে শিশুসকলৰ ওপৰত পেলাব পৰা ভয়াবহ বিৰূপ প্ৰভাৱৰ তথ্য সবিস্তাৰে প্ৰকাশ কৰিছে। বিশ্বৰ বিভিন্ন দেশত এই সম্পৰ্কে ২০০৯ চনৰ জানুৱাৰি মাহৰপৰা ২০১৮ চনৰ জুন মাহলৈকে প্ৰায় ১০ বছৰ ধৰি চলা গৱেষণাৰ ফলাফলসমূহ পৰ্যালোচনা কৰি অত্যধিক স্ক্ৰীন টাইমৰ নেতিবাচক প্ৰভাৱবোৰৰ বিষয়ে এই আলোচনীখনত তথ্যসমৃদ্ধ প্ৰতিবেদন দাঙি ধৰা হৈছে। অষ্ট্ৰেলিয়া, কানাডা, ইংলেণ্ড, আমেৰিকা, জাপান, কোৰিয়া, চীন, মালয়েছিয়া, থাইলেণ্ড, ভাৰত, নিউজিলেণ্ড আদি দেশত চলা এই বিষয়ৰ গৱেষণাসমূহৰ ফলাফলৰ পৰ্যালোচনাৰে এই প্ৰতিবেদনখন 'ইণ্ডিয়ান পেডিয়াট্ৰিক্স'ত প্ৰকাশিত হৈছে।

অত্যধিক স্ক্ৰীন টাইমৰ কুফলসমূহ দুভাগত ভাগ কৰা হৈছে—আগতীয়া বা প্ৰাৰম্ভিক আৰু দেৰিকৈ হোৱা বা সুদূৰপ্ৰসাৰী কুফল। প্ৰাৰম্ভিক কুফলবোৰে শিশুটিৰ ওপৰত প্ৰথম পাঁচ বছৰ বয়সতেই বিৰূপ প্ৰভাৱ পেলায়। এনে নেতিবাচক প্ৰভাৱবোৰ হ'ল—শিশুটিৰ বৌদ্ধিক বিকাশ, ভাষাৰ বিকাশ তথা দৈহিক বিকাশৰ স্বাভাৱিক গতি হ্ৰাস অৰ্থাৎ এইবোৰ দিশত হ'বলগা যথোপযুক্ত বিকাশত বাধা বা মন্থৰতা। তদুপৰি অতি সক্ৰিয়তা, মনোযোগ হ্ৰাস, টোপনিৰ বিজুতি, আচাৰ-ব্যৱহাৰৰ উগ্ৰতা, সমাজবিৰুদ্ধ আচৰণ আদিৰ দৰে অবাঞ্ছিত কুফলবোৰৰো চিকাৰ হ'ব পাৰে অতিমাত্ৰা স্ক্ৰীন টাইমৰ সন্মুখীন হৈ অহা শিশুসকল।

টিভি, ম'বাইল ফ'ন বা কম্পিউটাৰৰ সন্মুখত দীৰ্ঘ সময় ধৰি বহি থকা শিশুসকলৰ শাৰীৰিক ক্ৰিয়া-কলাপ, লৰা-ঢপৰা, খেল-ধেমালি আদি স্বাভাৱিকতেই কমি যায়। এইদৰে টিভি, ম'বাইল ফ'ন খেলি বহি থকাৰ সময়ত সিহঁতে অপ্ৰয়োজনীয়ভাৱে ইবিধৰ পিছত সিবিধ খাদ্য সেৱন কৰি থাকে বা ঘৰৰ মানুহে যোগান ধৰি থাকে। ইয়াৰ ফলত লাহে লাহে শৰীৰৰ মেদবহুলতা আৰম্ভ হয়। বৰ্তমান সময়ত একাংশ শিশু আৰু কিশোৰৰ মেদবহুলতাৰ প্ৰধান কাৰণেই হৈছে মাত্ৰাধিক স্ক্ৰীন টাইম। এনে মেদবহুলতাৰ সুদূৰপ্ৰসাৰী কুফলবোৰ হ'ল—লিভাৰত অত্যধিক চৰ্বী জমা হোৱা, উচ্চ ৰক্তচাপ, ডায়েবেটিছ, হাৰ্টৰ অসুখ তথা আনুষংগিক আন বেমাৰবোৰ। সেই অৰ্থত এই বেমাৰবোৰৰ অন্যতম কাৰক হিচাপে অত্যধিক স্ক্ৰীন টাইমকো জগৰীয়া কৰা হৈছে।

সম্প্ৰতি অধিকাংশ কিশোৰ-কিশোৰীৰ পিতৃ-মাতৃয়ে সন্মুখীন হোৱা আটাইতকৈ গুৰুতৰ সমস্যাটো হৈছে—তেওঁলোকৰ সতি-সন্ততিয়ে নিজৰ পঢ়া-শুনাৰ সময়খিনি অপচয় কৰি ম'বাইল ফ'নত ব্যস্ত থাকে। এই সমস্যাটোত পৰি অসহায় পিতৃ-মাতৃসকলে শিক্ষক বা আন লোকৰ পৰামৰ্শ লৈ পৰিত্ৰাণৰ পথ বিচাৰে। কিন্তু, নিৰ্মোহভাৱে বিশ্লেষণ কৰি চালে ওলাই পৰে যে এনে সমস্যা সৃষ্টিৰ গুৰিতেই হ'ল অভিভাৱকসকল। সৰুতে খুৱাবলৈ, নিচুকাবলৈ হাতত তুলি দিয়া ম'বাইল ফ'নটোৱে এতিয়া কিশোৰ-কিশোৰীসকলৰ বাবে ভয়ংকৰ ক্ষতিকাৰক সামগ্ৰীত পৰিণত হৈছে। এই ক্ষেত্ৰত অভিভাৱকসকলে তেওঁলোকৰ সতি-সন্ততিক ইতিবাচক বুজনিৰ সহায়ত ম'বাইল ফ'নৰ আসক্তিৰপৰা মুক্ত কৰাৰ চেষ্টা কৰিব লাগিব। প্ৰয়োজন হ'লে বিশেষজ্ঞৰো পৰামৰ্শ ল'ব লাগিব। কিশোৰ-কিশোৰীসকলেও নিজে এই কথাটো বুজিবলৈ চেষ্টা কৰিব লাগিব যে ছাত্ৰ-জীৱনৰ বৰ্তমানৰ অমূল্য সময়খিনি তেওঁলোকে দুনাই ঘূৰাই নাপায়। নিজৰ অধ্যয়ন, লেখা-পঢ়া বাদ দি ম'বাইল ফ'নৰ লগত কৰা সময় অপচয়ৰ কুফল তেওঁলোকে গোটেই জীৱন ভুগিব লাগিব।

ম'বাইল ফ'ন, টিভি আৰু কম্পিউটাৰৰ ভিতৰত সৰ্বগ্ৰাসী ক্ষতিকাৰক সামগ্ৰী হিচাপে পৰিগণিত হৈছে ম'বাইল ফ'নবোৰ। আঙুলিৰ টিপতে বিশ্বব্ৰহ্মাণ্ড ঢুকি পাব পৰা ধৰণৰ স্মাৰ্টফ'নবোৰ মানৱ সভ্যতাৰ অপৰিহাৰ্য আৰু উপযোগী অংগত পৰিণত হৈছে। এনে ফ'নবোৰৰ মাধ্যমত ছ'চিয়েল মিডিয়াৰ ভূমিকাও আজি কোনেও উলাই কৰিব নোৱাৰে। এনে বৃহৎ ইতিবাচক

অৱদান আৰু সম্ভাৱনাৰ পিছতো কিন্তু ম'বাইল ফ'নবোৰ বহুক্ষেত্ৰত ক্ষতিকাৰক হিচাপেও পৰিগণিত হৈছে। বিশেষকৈ শিশু আৰু কিশোৰসকলৰ বাবে ই এক নিচাযুক্ত সামগ্ৰীৰ ৰূপ লৈছে। ইতিমধ্যে ভাৰতবৰ্ষৰেই দুই-এক চহৰত 'ম'বাইল আসক্তি দূৰীকৰণ কেন্দ্ৰ' মুকলি কৰা হৈছে।

ওপৰত উল্লেখ কৰা নেতিবাচক প্ৰভাৱবোৰৰ উপৰি ম'বাইল ফ'নবোৰৰ আন এক ক্ষতিকাৰক প্ৰভাৱ হৈছে ইয়াৰপৰা নিৰ্গত হোৱা বিদ্যুৎচুম্বকীয় তৰংগ, যি তৰংগবোৰ মানৱ শৰীৰে শোষণ কৰি লয়। ২০১১ চনত 'ইণ্টাৰনেছনেল এজেন্সি ফৰ ৰিছাৰ্চ অন কেন্সাৰ' নামৰ সংস্থাটোৱে ম'বাইল ফ'নৰপৰা নিৰ্গত তৰংগ কেন্সাৰ ৰোগ সৃষ্টিৰ অন্যতম কাৰক হোৱাৰ সম্ভাৱনাও ব্যক্ত কৰিছে। এনে বিদ্যুৎচুম্বকীয় তৰংগই আনকি মাকৰ গৰ্ভত থকা শিশুৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলোৱাৰ কথা গৱেষণাই প্ৰমাণ কৰিছে। গৰ্ভৱতী মাতৃয়ে মাত্ৰাধিকভাৱে ম'বাইল ফ'ন ব্যৱহাৰ কৰাৰ ফলত আগতীয়া গৰ্ভপাত, কম ওজনৰ শিশুৰ জন্ম, জন্ম হোৱা শিশুটিৰ মানসিক আৰু আচৰণজনিত সমস্যা সৃষ্টি হোৱাৰ তথ্যও পোহৰলৈ আহিছে। অতিমাত্ৰা স্ক্ৰীন টাইমে শ্ৰৱণ শক্তি আৰু দৃষ্টিশক্তি হ্ৰাস কৰাৰ তথ্যও কিছুমান গৱেষণাই প্ৰমাণ কৰিছে।

এনে ভয়াবহ নেতিবাচক প্ৰভাৱবোৰৰ কথা পোহৰলৈ অহাৰ পিছত শেহতীয়াকৈ (২০১৮ চন) বিশ্ব স্বাস্থ্য সংস্থাই স্ক্ৰীন টাইমৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা দাঙি ধৰিছে। এনে নিৰ্দেশনা অনুসৰি এবছৰ বয়সলৈকে কোনো শিশুকেই কোনোধৰণৰ স্ক্ৰীনৰ (ম'বাইল ফ'ন, টিভি, কম্পিউটাৰ ইত্যাদি) সংস্পৰ্শলৈ আনিব নালাগে, দুইৰপৰা পাঁচ বছৰ বয়সলৈকে এনে স্ক্ৰীন টাইম দৈনিক ৬০ মিনিটতকৈ বেছি হ'ব নালাগে। এনে নিৰ্ধাৰিত সময়ৰ ভিত্তিতেই পৰৱৰ্তী বছৰবোৰত হয়তো সময়ৰ কিছু কম-বেছি হ'ব পাৰে—যিটো বিষয়ত নিৰ্দিষ্ট নিৰ্দেশনা প্ৰকাশ কৰা হোৱা নাই। এই বয়সত শিশুৰ মানসিক, শাৰীৰিক বিকাশৰ বাবে দৈনিক দুই-তিনি ঘণ্টা দৈহিক ক্ৰিয়া-কলাপ, খেল-ধেমালি, দহৰপৰা তেৰ ঘণ্টালৈ ভাল টোপনি, সাধুকথা, সংগীত, চাপমুক্ত পঢ়াৰ অভ্যাস আদি নিশ্চিত কৰিবলৈকো বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

আমেৰিকাৰ শিশুৰোগ বিশেষজ্ঞসকলৰ সংস্থা 'আমেৰিকান একাডেমি অব্ পেডিয়াট্ৰিক্স'ৰ দ্বাৰা প্ৰকাশিত নিৰ্দেশনাত দুবছৰ বয়স পূৰ্ণ নোহোৱালৈকে শিশুসকলক স্ক্ৰীন টাইমৰপৰা মুক্ত ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছে। তিনিৰপৰা পাঁচ বছৰ বয়সলৈকে এনে স্ক্ৰীন টাইম দৈনিক এঘণ্টাৰ অধিক নকৰিবলৈকো তেওঁলোকে নিৰ্দেশনা দিছে।

'ইণ্ডিয়ান পেডিয়াট্ৰিক্স'ত প্ৰকাশিত শেহতীয়া পৰ্যালোচনাতো দুবছৰ বয়সলৈকে শিশুক স্ক্ৰীন টাইমৰপৰা বিৰত ৰখা আৰু তিনি-পাঁচ বছৰ বয়সত দৈনিক এঘণ্টাৰ অধিক নকৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে।

আমি ভাবোঁ, গৱেষণালব্ধ উপৰোক্ত তথ্য-পাতিবোৰ অধ্যয়ন নকৰাকৈও অত্যধিক স্ক্ৰীন টাইমৰ ফলত বিশেষকৈ ম'বাইল ফ'নৰ অপব্যৱহাৰৰ ফলত নৱজাত শিশুৰপৰা প্ৰাপ্তবয়স্কসকললৈকে, সকলোৰে জীৱনত কেনেধৰণৰ ভিন্নমুখী নেতিবাচক প্ৰভাৱ পৰিছে, সেই বিষয়ে সকলোৰে অভিজ্ঞতা আৰু উপলব্ধি আছে। বিজ্ঞানৰ অগ্ৰগতিৰ এই আহিলাবোৰ আমি এৰাই চলিব নোৱাৰোঁ।

কিন্তু ম'বাইল ফ'ন, টিভি আদি সামগ্ৰীবোৰৰ অপব্যৱহাৰেৰে যাতে শিশুসকলৰ স্বাভাৱিক বিকাশত অন্তৰায় সৃষ্টি নহয়, তাৰ বাবে অভিভাৱকসকল তথা সমাজৰ প্ৰতিজন ব্যক্তিয়েই সচেতন আৰু দায়বদ্ধ হ'ব লাগিব। টেলিভিছনত প্ৰচাৰিত শিশু আৰু কিশোৰ উপযোগী অনুষ্ঠানসমূহ একেলগে বহি চাই, ইণ্টাৰনেটৰ সহায়ত জ্ঞান আৰু তথ্যৰ সীমাহীন ভাণ্ডাৰ আৱিষ্কাৰ কৰাত ঋণাত্মক কথা নাই। কিন্তু সেয়া পৰিকল্পিত আৰু অভিভাৱকৰ যথাসম্ভৱ তদাৰকীত হোৱা দৰকাৰ। কিন্তু এক পৰিপক্ক বয়সলৈকে ম'বাইল ফ'নটো যে সম্পূৰ্ণ এৰাই চলিব পাৰি—সেই কথাটো মই ব্যক্তিগতভাৱে দৃঢ়তাৰে বিশ্বাস কৰোঁ। ❖

*(৫ অক্টোবৰ, ২০১৯ তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত বিশেষ নিবন্ধ।)*

# মধুবন

## মাছবোৰে পানীত কি কৰি থাকে?



সকলোৱে কাম কৰে—পখিলাই ফুলে ফুলে উৰি মৌ খায়, চৰায়ে উৰি ফুৰে, ভোমোৰাই গুণগুণায়.. তেনেহ'লে মাছবোৰে পানীৰ মাজত থাকি দিনে-ৰাতিয়ে কি কৰে বুলি সোধা প্ৰশ্নৰ উত্তৰত অকণিহঁতে কোৱা কথাবোৰ হুবহু ৰূপত তুলি দিয়া হৈছে।

**অংকুৰ শ্ৰেণী, 'ক' শাখা**

**অনুষ্কা নাথ :** মাছবোৰে পানীত নাচি থাকে। মাছে গান গাই গাই নাচি থাকে। মাছে বিহু গাই নাচে। মাছে পানীত পুতলা খেলি থাকে। মাছে পানীত বিচনাত মানে ফুল থকা বিচনাত শুই থাকে।

**অনুধৃতি বৰঠাকুৰ :** মাছে পানীত সাঁতোৰে। মাছে পানীত পোক খায়। মাছবোৰে পানীত লুকাই থাকে। বহুত বহুত খায়। আৰু বহুত কিবাকিবি কৰে; মই কিন্তু নাজানো।

**অম্লানিকা মহন্ত :** মাছবোৰে পানীত শিলগুটি খাই থাকে। মই ডক্তৰৰ ঘৰত বক্সটোত মাছবোৰ ভৰাই থোৱা দেখিছিলোঁ। মাছবোৰে পানীত উই উই (শুই শুই) থাকে। আমি ম'বাইলতো দেখিছোঁ। মাছবোৰে পানীত মাংস খায়। মাছবোৰে পানীতে শুই থাকে। বিচনা নাই।

**দিশান কুমাৰ :** মাছে পানীত খেলি থাকে। মাছে

পানীত যুঁজি থাকে। বল খেলে ফ্রেণ্ডৰ লগত। দেউতাকে খেলা বস্তু, ম'বাইল, কিতাপ, পেঞ্চিল বক্স, ৰবৰ আদি দিয়ে। মাছৰ বন্ধু হৈছে ফিছা। মাছে হাতীৰ লগতো খেলে। মাছে মাকৰ লগতো খেলে।

**দীক্ষিতা গোস্বামী :** মাছবোৰে পানীত কথা পাতি থাকে। মোৰ কথা পাতি থাকে। মোক ভাল বুলি কয়। আমাৰ দৌতাই পানীৰপৰা মাছবোৰ আনে আৰু মায়ে বাছে। মই মাছৰ লগত বল খেলোঁ আৰু পিলেট (প্লেট) এখন খেলোঁ।

**কৃশিৰ কাশ্যপ :** মাছবোৰে পানীত এনেয়ে এনেকে থাকে। মাছবোৰে পানীত উৰি থাকে। মাছে পানীত কেঁকোৰা খায়। কেঁকোৰা মাছৰ বন্ধু হয়। মাছে ভাত আঙ্ আঙ্কে খায়।

**শ্ৰুতি হাজৰিকা :** মাছবোৰে পানীত বাকলি গুচাই থাকে। মাছে ভায়েকৰ লগত পানীত খেলি থাকে, ওমলি থাকে। কেৰ্কেটুৱাই পানীত মাছক খাবলৈ আহে। মাছে চৰাইবোৰক ভাল কবিতা শিকায়। মাছে বেবী মাছবোৰক খায়।

**হৰদীপ কলিতা :** মাছবোৰে পানীত ইনেই থাকে। এ, ইনেই নাথাকে। কিবা খেলি থাকে। মাছবোৰৰ ৰং ইয়েল (ইয়েল্ল)। মই মাজে মাজে মাছবোৰৰ কাম কৰি দিওঁ।

**হৃদয় নাথ :** মাছে পানীত সাঁতুৰি-সাঁতুৰি থাকে। ঘঁৰিয়াল পানীত মাছৰ লগত থাকে। মাছে পানীত সাপৰ লগত খেলি থাকে। মাছে মাজে মাজে বাঘৰ লগতো থাকে। বাঘটো পানীত তললৈ সোমাই যায়। ডাঙৰ মাছে সৰু মাছৰ লগত কথা পাতি থাকে।

**কৌশিক ৰায় :** মাছে পানীত খাই থাকে। বক-বক কৈ থাকে। মাছে পানীত বন্ধুৰ লগত খেলি থাকে। বল খেলে, দৌৰে। মাছে ভৌ ভৌৰ লগতো খেলে।

**কৃতিৰূপা শৰ্মা :** মাছবোৰে পানীত চাই থাকে। আমাৰ মায়ে মাছ খায়ে থাকে। মাছে পানীত খেলা বস্তু দি দি খেলি থাকে। মাছে পানীত পানী খাই থাকে। মাছে কথাই ক'ব নাজানে। আমি গোৰা গানবোৰ গাই থাকে।

**মহাৰ্ণৱ বৰুৱা :** মাছবোৰে পানীত ৰুটি খায়। মাছে পানীত জঁপিয়াই থাকে। মাছবোৰে লগৰবোৰৰ লগত খেলি থাকে আৰু লুকাই থাকে। লুকাই থাকিলে দেখা নাপাওঁ। ভয় খুৱাই দিলে ওলাই আহি মাছে মোৰ হাতত কামুৰি দিছে।

**মনময়ূৰী মেধি :** মাছে পানীত নাচি থাকে, খেলি থাকে। মাছে পানীত বল আৰু পানী দি খেলে। মাছে কথা পাতি ভাল পায়।

**নিবিড় বনিয়া :** মাছে পানীত কিবা কৰি থাকে। মাছগিটাই পানীত জাঁপ মাৰি থাকে। মাছে পানীত টাইগাৰ, লায়ন, হাতীৰ সাধু কথা পাতি থাকে। মোৰ ঘৰত থকা গাড়ী, চকা এইবোৰ মাছে খেলি থাকে। পেহীৰ বাবু মাইনাৰ লগত খেলাবস্তু লৈ খেলি থাকে। আমি মিছলা মাছ খাওঁ।

**প্ৰথিত গোস্বামী :** মাছবোৰে পানীত কিবাকিবি কৰি থাকে। পানীত লুকাই থাকে। পানীত ধীচ্ ধীচ্ খেলি থাকে। আটাৰ লাডু খাই থাকে। মাছে পাৰ্কত খেলে। মাছে পানীত ধুম ধুম কৰে।

**নৱনীতা শৰ্মা :** মাছবোৰে পানীত সাঁতোৰে। মাছে পানীত গছ খায়, বিস্কুট আৰু মাংস খায়। মাছে লগৰ বন্ধুবোৰক নাম সোধে। মাছে ৰাস্তাত খেলিবলৈ যায় আৰু খোজ কাঢ়ি যায়।

**ৰিস্মিতা দাস :** মাছবোৰে পানীত কাম কৰি থাকে। কিবা লাৰি থাকে। মাছবোৰে দেউতাকৰ লগত কথা পাতি থাকে। মাছবোৰ পানীত পিছলি পিছলি যায়। হাতীৰ লগত মাছে পাৰ্কত খেলে।

**সাৰ্থিক জ্যোতি হীৰা :** মাছবিলাকে পানীত গা ধুই থাকে। মাছে পানীত উৰি থাকে। মাছে পানীত পানী খাই থাকে। মাছে পানীত বেছি কথা নাপাতে। মাছবিলাকে পানীত হামু দি থাকে।

ৰাতিপুৱা শুই উঠি পানী খায়। মাছে পানীত বল খেলি ভাল পায়।

**ছুহান হক :** মাছে পানীত খেলি থাকে। বিকুত খায়। মাছে পানীত গা ধোৱে। মাছে পানীত আমাৰ লগত কথা পাতে আৰু আব্বাৰ লগত আম্মাৰ কথা পাতে। মাছে পানীত কেৰম খেলে আৰু দবা খেলে, বল খেলে।

**তন্ময় ভূঞা :** মাছবিলাকে পানীত চাই থাকে। মাছে পানীত বাঘৰ সাধু কয়। লগৰ বন্ধুৰ লগত গান গায়। ককা হাতী গান গায়, চিলচিলা গান গায়। পানী খায়, আলু খায়। মাছে ভাত খাই ভাল পায়। ভাত খালে বল পাম। মাছে পানীত আপেল খায়। মাছে পানীত চিল চিল চিলা, ঢোল বাইকত গাই থাকে।

**উদ্দীপনা দাস :** মাছে পানীত উৰি ফুৰে। মানুহবোৰে লৈ আহে। কাটে আৰু ভাজি পেলাই খায়। মাছবিলাকে পানীত কি কথা পাতি থাকে নাজানো। মাছবোৰ পানীত শুই থাকে। মাছে মাটিত শুই ভাল পায়। মাছবোৰে পানীত ৰিঙ্গা ৰিঙ্গা খেলে। মাছবোৰ ইফালৰপৰা সিফাললৈ গৈ থাকে। মাছে পানীত শাক খায়।

## অংকুৰ শ্ৰেণী, 'খ' শাখা

**নিহাল হুছেইন :** এনেকে এনেকে যায় আৰু এটা মাছ আহে। গা ধোৱে। চাবোনেদি গা ধোৱে। চাবোন দোকানৰপৰা আনে। নিজে নিজে মাথাত (মূৰত) চাবোন দিয়ে আৰু পানী ঢালি দিয়ে।

**আয়ান হুছেইন :** কিবা কৰি থাকে।

**হোমেন দাস :** এ... পানী খাই থাকে আৰু ডাঙাৰ মাছে পানী নাখায়। খেলি থাকে। ডাঙৰ মাছৰ লগত সৰু মাছে খেলে। খেলি কেনে জাপ্পাই থাকে। ডাঙাৰ মাছে কয়—'তোমালোকে মোৰ লগত খেলিবানে?' তেতিয়া সৰু মাছে কয়— 'খেলিম দিয়া।'

**ৰিয়ান ৰাজ কাশ্যপ :** সাঁতোৰে। জাম্পিং কৰে। পানীৰ ওপৰত আনিলে মাছবোৰ মৰি যায়। পানী নাথাকে যে।

**প্ৰিন্সিপ্ৰিয়া কাকতি :** মাছবোৰ মায়ে ভাজিহে থাকে। মায়ে ফিল্টাৰেদি পানী দিয়ে। মাছবোৰ চাফা হৈ যায়। মাছবোৰ পানীত সোমাই যায় আৰু বাহিৰত আহিব আৰু সোমাই যাব।

**অনুৰাগ দৰ্শন :** দৌৰি থাকে। কাৰণ পানী থাকে যে। পানীত খেলি থাকে। মাছে পানীত কি কথা পাতে মইহে নাজানো। মই মাছৰ লগত পানীৰ তলত নাথাকোঁ নহয়।

**বৰ্ণিল ভূঞা :** পানীত কি কৰি থাকে...ও... মাছে কি কৰি থাকে জানা...মই নাজানো।

**অভিশ্ৰুতি তালুকদাৰ :** মাছবিলাকে পানীত জঁপিয়াই থাকে। খেলি থাকে।

**দৃশানা ৰহমান দাস :** মাছবিলাকে পানীত সোমাই থাকে। ফিন্ ফিন্ কৰি থাকে। জঁপিয়াই থাকে। মাকক বিচাৰি থাকে।

**মাধুৰ্য্য শৰ্মা :** সাঁতুৰি থাকে। মাছক উঠাই আনে। মানুহবিলাকে মাছক আনিব যায়।

**হৰ্ষদীপ কাশ্যপ :** সাঁতুৰি থাকে; সাঁতুৰি থাকে। অলপ শোৱে চকু মুদি।

**হৃষিতা বৈশ্য :** পানী খাই থাকে। মাছবোৰ ওপৰত উঠি আহে আৰু তলত গুচি যায়। আৰু পানী খাই থাকে। কথা পাতি থাকে। ৰাতি হ'লে তলত শুই থাকে।

**বিষ্ণুপ্ৰিয়া হাজৰিকা :** খেলি থাকে। ৰং ৰং খেলে। দৰকাৰী কথা পাতে। কোনোবা বোলে পৰিল এইটো কথা পাতে।

**দিয়া নাথ :** মাছে পানী খাই থাকে। ডাঙৰ মাছে সৰু মাছক খায়। মাছবোৰে পানীত শুয়ো থাকে।

**পৰিস্মিতা হালৈ :** কথা পাতি থাকে। সাধু কথা পাতে।

**সুপ্ৰিয়ম কাশ্যপ :** পানীত চোঁচৰে। পানী খায়। মাছ

উঠাই আনে। এডাল লাঠিত কাপোৰ লৈ পানীত ভৰাই দিলে মাছ উঠি আহে। মাছটোৱে ভোক লাগিলে বালি খায়। মই নিজে গম পাইছোঁ।

**ৰিত্‌ভিক্ তালুকদাৰ :** পানীত নামে। পানীত চৰি থাকে। কিবাকিবি কথা পাতে। কিবাকিবি খায় মুখ মেলি মেলি। কি খায় নাজানো।

**তন্ময় কলিতা :** কিবা খাবলৈ জঁপিয়াই থাকে। খোৰা বস্তু পায়। মানুহবিলাকে খোৰা বস্তু দিয়ে, ভাজা দিয়ে, মুৰি দিয়ে, গাখীৰৰ লগত খোৰা ভাজা দিয়ে।

**হৰ্ষিতা শৰ্মা :** পানীত ভাহি থাকে। পানীত ফু-ফু দি থাকে। খোৰা বস্তু বিচাৰি থাকে।

**কৌস্তভ ডেকা :** সাঁতুৰি থাকে। পানী পিয়াহ লাগে কাৰণে সাঁতুৰি থাকে। পানী খায়।

**উদ্দীপন বৰ্মন :** পানীত যাই থাকে। নিজৰ ঘৰত যায়। ইমান দূৰত মাছৰ ঘৰ থাকে। নিজৰ ফ্ৰেন (বন্ধু)ৰ ঘৰ ওচৰত। গছৰ কথা কয়। আমগছৰ কথা কয়। মধুৰিআমৰ কথা কয়।

**বিদ্যাৰ্ণৱ কাশ্যপ :** মই মাছ দেখাই নাই যি। আন্‌লিহে দেখোঁ। পাপা আৰু মাই আনে। ৰাস্তাৰ মানুহৰ পৰা আনে। মাখি-চাখি পৰি থাকে ৰাস্তাত। তাহুন জাক্‌ৰি থাকে, গাম্‌ছাই দি। অলপ অলপ পানী দি থাকে। অ... নহ্‌লি মৰি যাবো। মৰি গেলি টেষ্টি নাথাকে। চকু জাপেই (মুদি) থাকে, সাত্‌ৰিবেও নৰব। কোনোই নাখাবো। নদীত পানী বেছি থাকে। নদীত শিলো থাকে। শিলোত মাছবিলাকে ঘুমই। নদীৰ পাৰাই দকানীবিলাকে লৈ আহে।

**গৰীয়সী শৰ্মা :** মাছবিলাকে পানী খাই থাকে। সিহঁতৰ ভোকৰ কাৰণে পানীকে খায়। 'পানী কেনেকৈ খাম আমি' এইবিলাক কথা পাতে।

**মূৰ্চ্ছনা শৰ্মা :** সাঁতুৰি থাকে। সিহঁতে কথা পাতে। বেলেগ মাছক সোধে, 'তুমি ভালে আছানে?' মাক মাছে ভাত বনায়। পানীৰ তলতে বনায়। সিহঁতৰ ঘৰ আছে নহয়।

**নয়নতৰা মেধী :** মাছবোৰ বহি থাকে। বেলেগ বেলেগ কথা পাতে। বাদুলিৰ কথা পাতে। নিগনিৰ কথা পাতে।



### অংকুৰ শ্ৰেণী, 'গ' শাখা

**আয়ুশ্ৰী দিহিঙীয়া :** মাছবোৰৰ পানীত ঘৰ আছে। মাজে মাজে বেলেগৰ ঘৰত ফুৰিবলৈ যায়। পানীত সাঁতুৰি থাকে। আমি দিয়া দানাবোৰ খাই থাকে। আমি কলকাতালৈ যাওঁতে এখন গাড়ী আছিল গ্লাচ লগোৱা... তাত বহুত মাছ আছিল।

**ৰেইনী কাশ্যপ :** মাছে পানীত উশাহ লয় আৰু কিবা খাই থাকে। মাছবোৰে পানী খাই থাকে আৰু খেলি থাকে মাছবোৰৰ লগত। বাইদেউ... আমি যদি পানীত বেয়া বস্তু পেলাওঁ মাছবিলাকে বেয়া

বস্তু খাই মৰি যাব। মাছবোৰ যে মাৰে মোৰ বৰ দুখ লাগে। শিঙি মাছবোৰ আমিও পানীত থৈ দিওঁ। দেউতাৰ অফিচৰ বন্ধুৱে যেতিয়া দিয়ে তেতিয়া খাওঁ।

**অংশুমান বৰুৱা :** মাছবোৰে খেদি থাকে। আৰু পানীত খেলি থাকে। আৰু...পানীত শুই থাকে, পানীত উঠে। উঠি পেলে খেলে আৰু খেলি পেলে শোৱে।

**বনস্মিতা কাকতি :** মাছবোৰ ভিজি থাকে। ভিজি থাকি খেলে, বহুত ভিজি থাকে।

**ভ্রুচাংগী কলিতা :** মাছবোৰে সাঁতোৰে। আকৌ সাঁতোৰে আৰু মাছে কেক্ খায় আৰু মাছে ঘৰত যায়। আৰু... আৰু হাঁহেও। আকৌ সাঁতোৰে। টিভি চাই থাকে। মাছে চছমাও পিন্ধে।

**কল্লোল মজুমদাৰ :** মাছবোৰে জঁপিয়াই থাকে। খেলি থাকে। আৰু জাঁপ মাৰি থাকে।

**প্রাঞ্জল দাস :** এ... মানুহে... এ জালত.... এ মাছ লৈ আহে।

**পাৰ্থ প্রতিম ডেকা :** মাছবোৰ পানীত থাকে। মাছ আহে আমি খাওঁ। মাছে চকু মেলি দিয়ে আৰু মুখখনো মেলি দিয়ে। মাছবিলাক... মাছবিলাক বেপাৰী হৈ যায়।

**ধ্যান অয়ন কাশ্যপ :** মাছবোৰ তেহ্ৰি থাকে। ভাত বনাই আৰু ফূৰ্তি কৰি থাকে, খেলিও থাকে।

**জ্যোতিষ্মান দাস :** মাছবোৰে আধাৰ খাই থাকে। আৰু... আৰু মাছ মাৰে। মাছ খায়। আমাৰ যে গাঁৱৰ মাছগিলাখান গুচি গৈছে... বানপানীত।

**কৃষ্টি দাস :** মাছবোৰ গুৱাহাটীত থাকে। আৰু কাম কৰি থাকে। বাহিৰত পলাই আহে। সাঁতুৰিও থাকে। তাৰ পিছত ঘৰত যায়।

**কৃষ্টিনা দাস :** মাছবোৰ... মাছবোৰৰে খেলি থাকে। পানীত জাঁপ মাৰি থাকে। এটা...এটা খেল খেলে। মাছটো এটা... এটা...ভাত খাই থাকে। ভোকতে ভাত খাই থাকে। মাছটো এটা বান্ধৱীৰ লগত খেলি থাকে। খেলিবৰ জাগা দিয়ে।

**মাধুৰ্য পাঠক :** মাছবোৰে জাঁপ মাৰি থাকে। পানী খাই থাকে। কালি আমাৰ ডাঙাৰ মাছ আনংতে পানী খাই আছিল। বাল্টিত কালি সৰু মাছ আনিছিল।

**নীলাভজ্যোতি কাশ্যপ :** মাছবোৰ খেলি থাকে। টিভি চাই থাকে। মাছবিলাক ফুৰিব যায়। বিয়া আছিল মাছবিলাকৰ... ঘৰত আহি থাকে তাৰ পিছত। বিয়াত মিঠাই খালে আৰু ভাতো খালে।

**ৰুংচেংৰাইহান কাশ্যপ :** মাছবিলাক সাতৰি থাকে। কিবাকিবি খাই থাকে। মাছ চাবলৈ মানুহবিলাকে খোজ কাঢ়ি গৈ থাকে।

**যুৰৰাজ দাস :** কেঁকোৰা খাই থাকে। মিছা মাছ খাই থাকে। ডাঙৰ মাছবিলাকে পানীত সৰু মাছবিলাক খাই থাকে। মাছবিলাকে সাপ খাই থাকে।

**অৰ্পিতচন মাৰাক :** মাছবোৰ জঁপিয়াই থাকে। জাল পাতি মাছ মাৰে। জালত খুমাই (সোমাই) থাকে। আমি দেখিছোঁ।

**অনন্যা ৰয় :** মাছবোৰ এইটো ঘৰত থাকে। আৰু...আৰু চকীত বহে।

**প্রাচুৰ্য কলিতা :** স্কুলৰ পুখুৰীতে মই মাছ দেখিছোঁ। এদিন মন্দিৰত যাওঁতে ডাঙৰ পুখুৰী এটা দেখিছোঁ। তাত কিন্তু মাছ নাই, কাছহে আছে। দেউতাই বজাৰৰপৰা মাছ আনিলে চাউল আৰু বিস্কুটৰ গুৰা খাবলৈ দিওঁ। চাউলখিনি নাখায়, উলিয়াই দিয়ে, বিস্কুটৰ গুৰাখিনি কিন্তু খায়।

**অহিৰ বৰুৱা :** মাছবোৰ পানীত থাকে। সাঁতুৰি থাকে। ওপঙি থাকে। মাছবোৰ বেলেগ মাছবিলাকৰ লগত খেলি থাকে। মাছবোৰে পানী খায় আৰু ভাত খায়।

**নেইনিকা কলিতা :** মাছবোৰ পানীত থাকে। সাঁতুৰি থাকে। মাছৰ চকু দুটা। কাপোৰ নিপিন্ধে, বাকলি থাকে। ❖

# তুমি কি কৰিলে তোমাৰ মায়ে হাঁহে?





**অংকুৰ শ্ৰেণী, 'ক' শাখা**

**বভ্ৰৰী গোস্বামী :** মই কিবা এটা ক'লেই হাঁহে। ভালদৰে ছবি আঁকিছোঁ বুলি ক'লে হাঁহে। মায়ে ফুল ভাল পায়। মায়ে ৰাধাচূড়া ফুল ভাল পায় আৰু মই দেখুৱাই দিলে মায়ে হাঁহে। মাৰ শাৰীখন ভাল বুলি ক'লে মায়ে হাঁহে। চুজি বনাই দিলে ভাল ক'লে হাঁহে। মই ছবি আঁকিলে ভাল হ'লে মায়ে হাঁহে।

**দেৱাঞ্জন চক্ৰৱৰ্তী :** মই ভালদৰে থাকিলে মায়ে হাঁহে। আৰু বেলেগ বেলেগ কথা ক'লে হাঁহে। ভালকৈ ছবি আঁকিলে হাঁহে। মই ভালকে কাপোৰ পিন্ধিলে, বহি থাকিলে হাঁহে। মাৰ লগত ফুটবল খেলিলে মায়ে হাঁহে আৰু ভালকে হামু দিলে হাঁহে।

**দৃষা ঠাকুৰীয়া :** মই ডেন্স কৰিলে মায়ে হাঁহে। মই কঁঠাল খালে হাঁহে। আইচক্ৰীম খালে হাঁহে। মই ব্যায়াম কৰিলে হাঁহে। মই ডাক্তৰ হ'লে হাঁহে আৰু বুঢ়ী হ'লে ৰাতি হাঁহে।

**মঃ আতিক ৰহমান :** মই যেতিয়া দুষ্ট কৰোঁ তেতিয়া মায়ে হাঁহে আৰু ভালকে থাকিলে নাহাঁহে। মই ঘুমাই থাকিলে হাঁহে। আমি যদি ভূতৰ কাহিনী কওঁ তেতিয়া হাঁহে। কিন্তু আমি দুটাই মানে ভাইজানে দুষ্ট কৰিলে মাৰে।



**হৃষীকেশ ভৰদ্বাজ :** মোৰ মায়ে মই যুদ্ধ কৰিলে হাঁহে। মায়ে মই কথা কৈ থাকিলেও হাঁহে। মায়ে এনে এনে হাঁহি থাকে। লাতি গুড নাইট ক'লেও হাঁহে। বায়ে কথা কৈ থাকিলেও মায়ে হাঁহি থাকে।

**প্ৰজ্ঞামণি বৰা :** মায়ে আমি গাঁৱত যালে গ'লে হাঁহে। গাঁৱত যোৱাৰ আগত মায়ে হাঁহ বনাইছিল। ক'ৰবাৰ মানুহবোৰ আহিলে মায়ে হাঁহে। 'অৰ্ধাঙ্গিনী' চাই থাকিলে হাঁহে। টিভি চাই থাকিলে হাঁহিয়ে থাকে। মই কামবোৰ কৰিলে মায়ে হাঁহিয়েই থাকে।

**হৃষীকেশ ডেকা :** মই ৰং কৰিলে মায়ে হাঁহে। মই কাম কৰি থাকিলে মায়ে হাঁহে। মই বহুত কাম কৰি দিওঁ। বস্তু পৰিলে মই মাক উঠাই দিওঁ আৰু বাচন ধোৱা চাবোন লৈ বাচন ধুই দিওঁ। মায়ে তেতিয়া হাঁহে।

**দেবাংগী বৰা :** মই ঘৰ সাৰিলে আৰু কাপোৰ, ডেটল লৈ ঘৰ মুচিলে মায়ে হাঁহে। মই ৰং কৰিলে মায়ে হাঁহে। মই কাম কৰিবও পাৰোঁ।



**কৃষ্ণাজিতা দত্ত :** মই জমনি কৰি থাকিলে মায়ে হাঁহে। মই বেয়া বেয়া ছবি আঁকিলে হাঁহে। দেউতাই ভাল মাছ-মাংস, ৰ'ল বনায় তেতিয়া মায়ে হাঁহে। মই পানী ভৰাই দিওঁ, বাচন ধুই দিওঁ তেতিয়াও মায়ে হাঁহে।

**ময়ূৰী শৰ্মা :** মায়ে ময়ে হাঁহিয়েই থাকোঁ। মায়ে মোক ভাত খুৱাই দিওঁতে হাঁহে। মই ধুনুকে ছবি আঁকিলে হাঁহে আৰু মই নাচিলে হাঁহে।

**মহাৰ্ণৱ দত্ত :** মই অকলে অকলে খেলোঁ তেতিয়া মায়ে হাঁহে। গান গালে, নাচিলে হাঁহো, দুষ্ট কৰিলে, মাৰিলে কান্দো, তেতিয়া মায়ে হাঁহে। ছবি আঁকিলে হাঁহে।

**মেধাংশ কলিতা :** মায়ে হাঁহিয়ে থাকে। মই ইফালে সিফালে গ'লে হাঁহি থাকে। বৰমাহঁতৰ ঘৰলে গ'লে মায়ে হাঁহে। মায়ে হাঁহিলে দেউতায়ো হাঁহে। মই বেগ ল'লেও মায়ে হাঁহে।

**মন মঞ্জুৰী মেধি :** মায়ে ৰাতি হাঁহে। মই খেলিলে হাঁহে। টিভি চাই নাথাকোঁ। বেছিকে বেছিকে কাম কৰিলে হাঁহে। মই হামু কৰি থাকিলে মায়ে হাঁহে।

**নিবিড় দাস :** মই জমনি কৰিলে মায়ে হাঁহে। মই বুন্দিয়া খাওঁতে হাঁহে। আম আৰু মধুৰিআমৰ কথা ক'লে হাঁহে। মায়ে ভাল কথা ক'লে নাহাঁহে। মায়ে দেউতাই কথা ক'লে হাঁহে।

**নিষ্ঠা ৰয় :** মায়ে সদায় নাহাঁহে। ৰবিবাৰে হাঁহে। মই খেলি থাকিলে মায়ে হাঁহে। খেলাবস্তুবোৰ লাৰিলে হাঁহে। বাবু যে কল্যাণ সি ফটো উঠালে হাঁহে। ককায়ে মাংস আনে তেতিয়া মই আৰু মায়ে হাঁহো।

**নাৱাজ আহমেদ :** মই ছবি আঁকি থাকিলে আম্মায়ে চিল্লাই থাকে। হাঁহিও থাকে। মই ছবি আঁকিলে

আম্মায়ে ম'বাইল চাই থাকে, ময়ো অলপ চাওঁ, তেতিয়া মায়ে হাঁহে। মই যেতিয়া বেপাৰীৰপৰা আইচক্ৰিম খাওঁ তেতিয়া আম্মায়ে হাঁহে।

**ঋষিকন্যা লাহন :** মই বদমাচি নকৰিলে মায়ে হাঁহে। মই ভাত সোনকালে খালে হাঁহে। মই স্কুললে গ'লে মায়ে হাঁহে। মই মাক ৰজাৰ সাধু, হাতীৰ সাধু কওঁ; তেতিয়া মায়ে হাঁহে।

**ৰাজদীপ চৌধুৰী :** মায়ে সদায় নাহাঁহে। মই ছবি আঁকিলে আৰু ৰং কৰিলে হাঁহে। মই দুষ্টও কৰোঁ। মায়ে ৰাতি হাঁহে। দেৰিকৈ হাঁহে। ৰাতিপুৱা নাহাঁহে। দেউতাই নাহাঁহেই।

**শ্ৰীয়া শৰ্মা :** মই এদিন হাঁহিলে মায়ে হাঁহে। মই ভালকে পঢ়িলে আৰু ৰং কৰিলে হাঁহে। পাপায়ে হাঁহিলে মায়ে হাঁহে। আইতাই কথা নক'লে মায়ে নাহাঁহে। আইতাই কথা ক'লে মায়ে হাঁহে। মই বিলতে হালিছে গালে মায়ে হাঁহে। মই বাচন ধুলে মায়ে হাঁহে। মায়ে মোক বাচন ধুব নালাগে বুলি কয়।



**ত্ৰিজ্ঞাবিজয় লস্কৰ :** মায়ে কালি হাঁহিছিল। মই কাম কৰিলে মায়ে হাঁহে। মায়ে ৰাতি উঠি পেলাই হাঁহে। মই বিহু নাচিলে মায়ে হাঁহে। দেউতাই কথা পাতিলে মায়ে হাঁহে। মই একো নকৰিলেও মায়ে হাঁহে। ফটো উঠালেও মায়ে হাঁহে। মই দুষ্ট কৰিলেও মায়ে হাঁহে। পানীত খেলি থাকিলেও মায়ে হাঁহে আৰু কেতিয়াবা ইনেই হাঁহে।

## অংকুৰ শ্ৰেণী, 'গ' শাখা

**হৰ্ষিতা দাস :** মায়ে সোণটো বুলি মাতে আৰু মৰমো কৰে। মাক চাৰ্জাৰ আনি দিব লাগে তেতিয়া মৰমো কৰে আৰু তেতিয়া মায়ে হাঁহে।

**জেবা ৰাহাত ইছলাম :** এ... মই যে ধুনীয়াকৈ বিহু নাচোঁ তেতিয়া মায়ে হাঁহে আৰু ধুনীয়াকৈ ভাত খালে ধুনীয়া ছোৱালী কয়, ভাল ছোৱালী কয়।

**কাব্যজ্যোতি বৰুৱা :** মৰম কৰাৰ কথা ক'লে মায়ে হাঁহে।

**ময়ুশ্ৰী কলিতা :** মায়ে কথা ক'লে হাঁহে আৰু মই কাম কৰিলে হাঁহে। খেলা বস্তু থোৱা-থোৱি কৰিলে মায়ে হাঁহে।

**পল্লৱী ভাগৱতী :** মই যেতিয়া স্কুলৰপৰা আহোঁ তেতিয়া মায়ে হাঁহে। বাছত গ'লেও মায়ে হাঁহে আৰু কথা ক'লে হাঁহে।

**পৰিচিতি শৰ্মা :** মই শুই থাকিলে মায়ে হাঁহে। মাক জোকালে আৰু মই আঁঠু কাঢ়ি থাকিলে ঘৰত মায়ে হাঁহে। আৰু ঘৰত জঁপিয়াই থাকিলেও মায়ে হাঁহে।

**প্ৰতীক্ষা সাহা :** যেতিয়া মই হাঁহি উঠাও নহয় তেতিয়া মায়ে হাঁহে। আৰু কেতেবা কেতেবা হাঁহে। আৰু আমি ভাত খাওঁতে কথা পাতোঁ তেতিয়া মায়ে হাঁহে।

**পালকীন হাজৰিকা :** বৃহস্পতিবাৰে, সোমবাৰে আৰু সদায় হাঁহে। মই ঘৰত যাওঁতে আৰু বাহিৰত আহোঁতে হাঁহে। বুলু দাদাই কথা ক'লে হাঁহে। দেউতাই এ.চি. আনোতে বহুত জোৰচে হাঁহিছিল। এ.চি.ৰ পৰা পানী ওলায়।

**তানস্বী তনয়া :** মায়ে কাম কৰি থাকে আৰু হাঁহেও। মই যেতিয়া আহিলোঁ ঘৰত তেতিয়া হাঁহে আৰু মায়ে মোক চুমাও দিয়ে। আৰু মায়ে মোক ভাতো বনাই দিয়ে। ❖

# মেঘবোৰ কেনেকৈ হয়?







**অংকুৰ শ্ৰেণী, 'খ' শাখা**

**বন্দিত ভূঞা :** ৰ'দটো ক'লা ক'লা হৈ গ'লে মেঘ হৈ যায়। জেঠাই কাপোৰ মেলিবলৈ যাওঁতে বেলি ওলালে। সেইফালে আৰু ধোঁৱাটো গুচি গ'ল। আমি বিছনাত বহি থাকোঁতে ধম্-ধম্... বিজুলী গাজনি আহিলে...। এ-চিটো বন্ধ কৰি দিলে, ফ্ৰিজটো বন্ধ কৰি দিলে আৰু টিং টং বাজি যাব। কোন আহিছে, পাপা আহিছে।

**আকাশজ্যোতি দাস :** ক'লা হৈ যায়। কেনেকে বনায় নাজানো।

**দেবাংগী বৰ্মন :** বৰষুণ দিয়াতে মেঘবিলাক আহে। ঘৰৰপৰা আহে। আকাশত মেঘৰ ঘৰ। ৰাজাই মেঘৰ ঘৰ বনায়। ৰাজাই মিস্ত্ৰী আনে। বালিৰে বনায়।

**প্ৰেৰণা দাস :** চিলনীয়ে বনায় মেঘবোৰ। পানীৰে বনায়। নদীত পানী থাকে। তুলি নিয়ে। বাল্টিং দি তুলি নিয়ে আৰু মেঘ বনায়।

**ৰাজশ্ৰী হীৰা :** মেঘবিলাক বতাহত লৰে। তাৰ পিছত মেঘবিলাকৰ ভয় লাগে। তেতিয়া বতাহৰপৰা

ঘৰলৈ যায়। ঘৰটো বহুত দূৰত। মেঘৰ ঘৰটো কাউৰীয়ে ভৰিদি বনায়। কিবা এটা শিল আনি পেলে বনায়। শিলবিলাক ৰাস্তাৰপৰা এটা এটাকৈ নিয়ে।

**বিবেক শৰ্মা :** মেঘবোৰ ৰাতিয়ে বনায়। বেলিয়েও বনায়। বেলিৰ ৰ'দ আছে নহয়। ৰ'দেদি বনায়।

**হ্যান জ্যোতি বৈশ্য :** বৰষুণ দিলে মেঘ হয়। বৰষুণৰ পানী পৰ্‌লি মেঘ হয়। মেঘে কান্দিলে পানী ওলে। মাৰ ম'বাইলত দেখা পাওঁ। মেঘে কান্দি দিছি মই দেখিছিলোঁ।

**কস্তুৰী কলিতা :** মেঘৰপৰা বৰষুণ আহে। ভাল মানুহে অলপ বনায়। যাদুৰে বনায়। মেঘৰ যাদু কৰে।

**জান্‌কী শৰ্মা :** মানুহবোৰে পানীবোৰ নষ্ট কৰোঁতে মেঘ হয়। মানুহবোৰ বজ্‌মাছ (বদমাছ) হয়। মানুহে মানুহৰ কথা নুশুনে। বিজুলীয়ে মেঘ বনায়। বিজুলীৰ বহুত শক্তি আছে। ধুম্ ধুম্ কৰি মেঘবিলাক উঠাই দিয়ে। মেঘবিলাক উঠি যায়। তাৰ পিছত বৰষুণ আহে।

**প্ৰাচুৰ্য্য তালুকদাৰ :** পানীবিলাক ওপৰত উঠি যায়। বৰষুণ হৈ মেঘৰপৰা হয়। মই ম'বাইলত দেখিছোঁ। পানীবিলাক ৰকেটৰ নিচিনা ওপৰত উঠি যায়। আৰু তেতিয়া মেঘ হৈ যায়। আকৌ তলত পৰে আকৌ উঠি যায়।

**ৰাজনীল কাশ্যপ :** বৰষুণ দিলে মেঘ হয়। বগা মেঘবিলাক ৰ'দ দিলে হয়। ক'লা মেঘ আহে যেতিয়া বৰষুণ দিয়ে। বগা মেঘবিলাক যাই থাকে। কবাত যায়। ৰাতি হ'লে যায়। সূৰ্যই বনায় মেঘ। কেনেকৈ বনায় নাজানো।

**নবনীত ভৰদ্বাজ :** মেঘো যাই থাকে। এৰোপ্লেন যাই থাকে। গোটেই আকাশখন মেঘ; তাৰে ওপৰত এৰোপ্লেন। মানুহে বালি দি কেনে আৰু বৰফ দি কেনে মেঘ বনায়। ফ্ৰিজৰপৰা বৰফ নিয়ে। বৰফৰ সেই ৰাস্তাত এৰোপ্লেন চলে।



**নিবিড় অৰণ্য দাস :** ভগৱানে মেঘবিলাক বনায়। ভগৱান ওপৰত থাকে। সূৰ্যৰ ৰ'দৰপৰা আহে। সূৰ্যই ৰ'দৰপৰা মেঘ থৈ দিয়ে। বেছি হ'লে বৰষুণ দিয়ে।

**পূৰৱ জ্যোতি দাস :** মেঘ বৰষুণ দি হয়। মই পাইছোঁ। মেঘ এনেকে (হাতেৰে মেঘৰ ছবি আঁকি দিয়ে) বনায়। গাঁৱৰপৰা গাড়ীখন লৈ যাওঁ। ময়ো বনাওঁ।

**ভিভান হাজৰিকা :** আমিতো ছবিৰে বনাইছোঁ। আকাশৰ মেঘ নিজে নিজে বনিছে। বগা বগা ৰং। মই আকাশৰ কথাবিলাক নাজানো। মই মেঘত যোৱাই নাই আৰু। ৰকেটতহে মেঘত যাব পাৰি। ৰকেট যেতিয়া লেণ্ডিং কৰে মেঘবিলাক হিলি যায়। অকণমান অকণমান মেঘ মেঘৰ দুনীয়াৰপৰা একেবাৰে তলত পৰি যায়।

**স্নিগ্ধা শিখা লহকৰ :** মেঘবিলাক ইফালে আহে সিফালে আহে। মেঘবিলাক নিজে নিজে বনাব লাগে। ছবিৰ দৰে লিখিব লাগে। গোল গোলকে।

**ঐশ্বৰিক কাশ্যপ :** মেঘ মালিকে বনাইছে। আকাশত থাকে মালিক। গজালেদি হাতুৰী দি বনায়। হাতুৰী নোহোৱাকৈ গজাল মাৰিবও পাৰি, মই টিভিত দেখিছোঁ। ৩০০ ৰুপীয়াতে পাই যায় গজালটো যেতিয়া সোমাই দিয়ে তেতিয়া ঘূৰি যায় আৰু মেঘ হৈ যায়। সেই মেঘবিলাকতে বাৰিছ (বৰষুণ) থাকে। ৰাতি-ৰাতি বাৰিছ আহি যায়। মাজে মাজে বাৰিছ নাহে।

## অংকুৰ শ্ৰেণী, 'গ' শাখা

**অৰিয়ন অনুভৱ কলিতা :** ধোঁৱা আহিলে মেঘ হয়। গছবিলাক বৰষুণ দিলে উৰাই আহে। লেতেৰাবোৰ ক'ৰপৰা হয় জানা—মাটিৰপৰা হয়। বৰষুণ দিলে হয়। কিবাকিবি বস্তুৰে বনায়। কিতাপবিলাক কিহেৰে বনায় জানা... মিচিঙত বনায়। খেলাবস্তুবিলাকো মিচিঙত বনায়।

**কৃষ্ণীল গাৰ্গ :** যেতিয়া ৰ'দ দিয়ে তেতিয়া পানীবোৰ গৰম হয়...যেতিয়া চাহ বনায় তেতিয়া তাৰ ভাপবোৰ ওপৰলৈ গুচি যায়। ওপৰলৈ গুচি যোৱাৰ পিছত মেঘবোৰ একেলগ হৈ যায়। তাৰ পিছত গোটেইবোৰ অহা-যোৱা কৰি থাকোঁতে খুন্দা লাগি যায় আৰু বিজুলী মাৰে।

**কৃষ্টিমান কলিতা :** সূৰ্যৰ পোহৰত পানীবোৰ হাৱা হৈ আকাশত উঠি যায়। উঠি যাই ফেলে মেঘ হৈ বৰষুণ হৈ আহে।

**প্ৰীতম বৰা :** পানীবিলাক ওপৰত যাই পেলাই আকৌ বৰষুণ দি দিয়ে। মেঘবিলাক আকৌ বৰষুণ আহি যায় আৰু তাৰ পিছত বৰষুণবিলাক ওপৰলৈ গুচি যাই মেঘ হৈ যায়।

**নন্দিতা কলিতা :** মেঘবোৰ বৰষুণৰপৰা হয়। তাৰ পিছত মেঘে গৰজি থাকে তাৰ পিছত বৰষুণ পৰি থাকোঁতে থাকোঁতে মেঘবোৰ খুন্দা লাগি যায়। খুন্দা লাগি যাওঁতে এ ধোঁহাবোৰ ওপৰত গুচি যায় আৰু মেঘ হৈ যায়।

**বৰষা শৰ্মা :** সূৰ্যই তলৰপৰা পানীবোৰ লৈ যায় আৰু লৈ যোৱাৰ পিছত মেঘ হয়। মেঘে বৰষুণ দিয়ে আৰু পানী হয়।

**বৰ্ণিল আকাশ বৰা :** মেঘবোৰ পানীৰ পাই হয়। মেঘবোৰ গলি গলি বৰষুণ পৰি থাকে। বৰষুণ পৰিলে মানুহবোৰৰ জ্বৰ হয়। মোৰ এদিন জ্বৰ হৈ গৈছিল বৰষুণ পৰোঁতে।

**মনশ্ৰী কলিতা :** পুখুৰী এটাত বহুত পানী থাকে, তাতে ৰ'দ বহুত দিলে ধোঁৱা উৰাই যায় আৰু মেঘবোৰ ওপৰত হৈ যায়। তাৰ পিছত মেঘবিলাকে বৰষুণ দি দিয়ে।

**নৈনব্যা বৰুৱা :** মেঘবোৰে বিজুলী লৈকে আহে আৰু বিজুলীৰ লগত বৰষুণ আহে। আৰু... আৰু মেঘে লাইট জ্বলে। মানুহ ওলালে সেই বিজুলী থেৰেপ্‌কে লাগি যায়।

**নাচৰিয়াত ইছলাম :** মেঘ বৰষুণ দিলে হয়। ঝিৰ ঝিৰকৈ বৰষুণ দিয়ে। মেঘ ক'লা হৈ আহে। ৰ'দত ভাপ হৈ উৰি যায় আকৌ বৰষুণ দিলে তললৈ গুচি যায়। আকৌ ৰ'দ দিলে ওপৰলৈ যায়।

**পৰিধি প্ৰজ্ঞাৰঞ্জনী মানৱ :** বৰষুণ আহিলে তেতিয়া মেঘ হয়। আৰু বহুত বতাহ দি থাকে। কাইলৈ আমাৰ ঘৰত ইমান জোৰছে বতাহ দিছিল।

**স্পৃহা নেওগ :** মেঘবোৰ ওপৰত থাকে। ৰ'দ নিদিলে আহে। ❖

# গছৰ পাতবোৰ কিয় সেউজীয়া ?



ফুলনিত নানা ৰঙৰ ফুল ফুলে। ফুলবোৰে অকণিহঁতক আকৰ্ষণ কৰে। ৰং-বিৰঙৰ ফুল ফুলা গছবোৰত পাতৰ ৰং কিয় সেউজীয়া বুলি সোধা প্ৰশ্নৰ উত্তৰত অকণিহঁতে কোৱা কথা অসম্পাদিত ৰূপত তুলি দিয়া হ'ল।

**প্ৰাক্-প্ৰাথমিক, শ্ৰেণী 'ক' শাখা**

**প্ৰিয়াংশু কলিতা :** কালাৰ কৰা মানুহ আছে যে তেওঁলোকে কালাৰ কৰি দিয়ে। মই ভাবিছিলোঁ বেলেগ ৰঙো দিব পাৰে ৰঙা, হালধীয়া। অৱশ্যে গছৰ পাত হালধীয়াও থাকে, ৰঙাও থাকে। পকিলে হালধীয়া হয়। পানী দিলে ৰঙা হয়। ফিচ্‌কাৰী মাৰি দিলে ৰঙা হৈ যায়।

**হেমাংগ দাস :** গছৰ পাতবোৰ সেউজীয়াই থাকে। গছৰ পাতবোৰ সেউজীয়া নাথাকিলে ৰ'দবিলাকো বেলেগ বেলেগ হ'ল হয়। গছৰ পাত সেউজীয়া হ'লেহে ৰ'দবিলাক দিয়ে। গছৰ পাত সেউজীয়া নহ'লে ফলমূলো নাথাকিব; সেইকাৰণে সেউজীয়া। ফলমূল আমি তেহে পাম।

**ইস্মিতা ৰাজবংশী :** পত্ৰহৰিৎ থকাৰ কাৰণে গছৰ পাত সেউজীয়া। ময়ো ভাবি থাকোঁ। মই ভাবিয়ে পোৱা নাই মাক সুধিছিলোঁ তেতিয়া মায়ে কৈছে।

**আচিয়া আলম :** গছৰ পাত সেউজীয়া হৈয়ে থাকিব লাগিব কিয় জানা—গছত বেলেগ ৰং দিলে গছৰ পাত নোহোৱা হৈ যাব ঠাৰিকেইডাল অকলে থাকিব। বৰষুণ দিব নোৱাৰিব। তেতিয়া গছৰ পাত নাথাকিলে সবে কান্দিব। দুখ লাগিব।

**শ্ৰীহান বৰা :** যদি তাত কমলা থাকে বেয়া দেখি, সেইকাৰণে সেউজীয়া। দেখাত যদি বেয়া হয় সেইবাবে সেউজীয়াই কৰি দিয়ে নহ'লে যে ভাল নালাগিব। গছত হালধীয়া হ'লে দেখোন লাইট

পৰিব। সেইকাৰণে সেউজীয়া কৰি দিয়ে।

**মৃগাংক শেখৰ দাস :** সেউজীয়া, বেলেগ ৰং নাথাকে কিন্তু ফুলত বেলেগ ৰং থাকে। গছত সেউজীয়া থাকে; ফুলবোৰত বেলেগ বেলেগ ৰং থাকে।

**নবনীত হাজৰিকা :** গছৰ পাতৰ ৰং হাৰাই সেউজীয়া কৰি দিলে। মইতো নাই কৰা; মোৰ পাপাও কৰা নাই। বতাহে কৰি দিলে সেউজীয়া। মইতো ঘৰতে গছত ৰং কৰিছিলোঁ গ্ৰীণ।

**জিতাক্ষৰ চক্ৰৱৰ্তী :** গছৰ পাতত এটা সেউজীয়া ৰঙৰ প্ৰ'টিন থাকে। সেই প্ৰ'টিনটো সেউজীয়া কাৰণে গছৰ পাতৰ ৰং সেউজীয়া।

**মেঘনা গোস্বামী :** সেইটো সজাব লাগে আৰু সেইটো পেকেটত ভৰাব লাগে আৰু থৈ দিব লাগে আৰু মানুহক দিব লাগে মিটিঙত। আগতে আমাৰ তলত পাত পৰিছিল। এতিয়া নপৰে। সেউজীয়া গছৰ পাত সেউজীয়াই থাকিব লাগে। বেলেগ হ'লে বেয়া লাগিব।

**কৃতি দাস :** গছৰ পাত আম পকিলে সৰি যায় নহয় তাৰ পিছত আহে, আহে কোমল পাত, কোমল পাত আহিলে ৰঙটো অলপমান কম সেউজীয়া অলপ ৰঙা ৰঙা হয়।

**নীতিশ কলিতা :** সেউজীয়া ৰং মাৰি দিলে সেউজীয়া হৈ যায়। আদিম দেশৰ মানুহবিলাকে গছৰ পাতৰ ৰং সেউজীয়া কৰি দিছে। বৰষুণৰ পানী খাই খাই গছবোৰ ডাঙৰ হৈ থাকে। সৰুতে অলপ বগা থাকিলেও ডাঙৰ হ'লে সেউজীয়া হয়। ৰ'দেতো বগা কৰি দিয়ে। ৰ'দবোৰ যে কোমল থাকে... ৰ'দ পৰিলে গছৰ পাতবোৰ বগা দেখে আৰু অলপ হালধীয়া দেখে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'খ' শাখা

**কাব্যিক শেখৰ :** গছৰ বহুত অক্সিজেন থাকে। তাতে চাফা বস্তু থাকে। সেইকাৰণে লেতেৰা বস্তু নাথাকে চাফা থাকে। পানীত অক্সিজেন থাকে। সেইকাৰণে গছত পানী দিব লাগে। গছৰ ভিতৰত গোল মাত'ল বস্তু থাকে যিয়ে পানী খাই অক্সিজেন এৰে। সৰু সৰু গুটি থাকে সেইবোৰে পানী খাই গছত অক্সিজেন পঠায় আৰু গছটো ডাঙৰ হ'ব ধৰে। গছৰ পাতবোৰ কোমল; তাতে অক্সিজেন আৰু হাইড্ৰ'জেন থাকে।

**জেনিফাৰ চবনম :** গছৰ পাতবোৰৰ ৰং সেউজীয়া কাৰণ পাতে চবতছে সেউজীয়া ৰং ভাল পায়। গছে ডাঠ সেউজীয়া ভাল পায় আৰু পাতল সেউজীয়া ভাল পায়। গছে চবতছে গোবৰ খাই ভাল পায় আৰু মাটিৰ লগত পানী অলপ দিব লাগে তেতিয়া ফুলবিলাক ডাঙৰ হৈ উঠে। গছে সেউজীয়া ভাল পায়। সেইকাৰণে পানীবিলাক সেউজীয়া কৰি দিয়ে। সেইকাৰণে পাতবিলাক সেউজীয়া হৈ যায়।

**প্লাৱিতা কাশ্যপ :** গছটো নমোৰে তেনেকেই বনাইছে। গছে সদায় নতুন কাপোৰ পিন্ধে যেনেকে আমি সদায় নতুন কাপোৰ পিন্ধোঁ। ব'হাগ মাহত আমি যেনেকে বিহু নাচোঁ গছে তেনেকে নতুন কাপোৰ পিন্ধে। গছবিলাকৰ পুৰণা পাতবিলাক সৰি গৈ নতুন পাত আহে। গছে আমাক অক্সিজেন দিয়ে সেইকাৰণে আমি জীয়াই থাকোঁ।

**প্ৰীতিশ বৰ্মন :** গছৰ পাতবোৰ সেউজীয়া কাৰণ গছত ৰং থাকে। গছৰ পাতত ৰং থাকে। সেইকাৰণে সেউজীয়া। আৰু নহয় পাতল পাতল সিৰা থাকে। সেইকাৰণে গছৰ পাতটো লাৰি চোৱাত ভাল লাগে। তাতে বিছা থাকে গছৰ পাতত। সেই বিছাবিলাকে ডাকিলে ফোড়া ওলাই যায়।

**অংগীতা দাস :** বৰষুণ দিলে ভাঙে। আমবিলাক সৰে, কল পৰে, আম পৰে, কমলাবোৰ পৰে। ৰ'দ দিয়ে কাৰণে বতাহত উৰি থাকে, নিজে নিজে গছো কালাৰ হৈ থাকে।

**সুদীপ্ত দাস :** গছৰ পাতবোৰ সেউজীয়াই থাকে সেইকাৰণে সেউজীয়া। তাতে যে আমি পানী দিওঁ সেইকাৰণে সেউজীয়া। আমি যে ফুলক

মৰম কৰোঁ আৰু ছিঙি যে নেদাওঁ সেইকাৰণে পাতবোৰ সেউজীয়াই হয়।

**তৃষা দেৱী :** গছৰ পাতটো সেউজীয়া হৈ আছে ৰ'দৰ কাৰণে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা

**মৃন্ময় কুমাৰ দাস :** বেলিয়ে ৰং দিয়ে। ৰ'দ দি কেনে গছক সেউজীয়া কৰি দিয়ে। আমাৰ ঘৰৰ গছটোও সেউজীয়া। আমাৰ তামোল গছ আছে। ডাঠ সেউজীয়া ৰঙৰ। আমাৰ আইতাই তামোল খায়। দেউতাই তামোল পাৰি দিয়ে। আইতাক ককাই তামোল কাটি দিয়ে।

**পৰিস্মিতা বৰ্মন :** ডাৱৰবোৰ আহিলে বৰষুণ দিয়ে। বৰষুণ পৰিলে গছৰ পাত সেউজীয়া হয়। আমাৰ ঘৰত প্লামৰ গছ, আমলখিৰ গছ আছে, আমৰ গছো আছে। গছৰ ঠাৰিবিলাক যে আছে, তাতে মায়ে চাকিবিলাক দিয়ে নমোক দিয়া চাকি। গোপাল নগৰত আমি থাকোঁ নহয় তাতে গছ আছে। মানুহে ৰুই নিদিয়ে গছবোৰ। নিজে নিজে হয় গছবিলাক। হৃদয়দ্বীপৰ ঘৰত কঁঠালৰ গছ আছে আৰু আমি কালি কঁঠাল খাইছিলোঁ।

**দৰ্শিল শৰ্মা :** বৰষুণে গছক ৰং দিয়ে। তেতিয়া গছবোৰ ওখ হয়। গছত কল লাগে। মই কল খাই ভাল পাওঁ, আমাৰ ঘৰত পাণ গছ আছে। আমাৰ ঘৰত বৰষুণ দিয়ে। বৰষুণ ৰাতিও দিয়ে আৰু দিনতো দিয়ে। আমি ভিজোঁ। পাণ গছে বৰষুণ লৈ সেউজীয়া হৈ যায়।

**হৃষীকেশ তালুকদাৰ :** যেতিয়া বৰষুণ পৰে গছবোৰে পানী পাই সেউজীয়া হৈ যায়। পানী পালে গছে বহুত ভাল পায়। অ', বহুত ভাল পায়। বৰষুণ দিলে গছে গা ধোৱে। ময়ো গা ধোওঁ। মই যেতিয়া লেতেৰা হৈ যাওঁ তেতিয়া গা ধোওঁ। স্কুল থাকিলে সদায় গা ধোওঁ কিন্তু কেতিয়াবা গা নোধোওঁ।

**প্ৰিয়াংশ্বী শৰ্মা :** বৰষুণ দিলে গছে পানী খাই দিয়ে। আমি পানী খাব লাগে। পানী খালে আমি মৰি নাযাওঁ। গছবোৰে পানী নাখালে মৰি যায়। আমাৰ কঁঠাল গছ আছে। আমাৰ ঘৰৰ ওচৰত ককা এজন আছে। বৈশ্য ককা, গছত উঠিব পাৰে। কচু গছো আছে। মায়ে কচু বনায়। আমি খাওঁ। আইতাই ভাল পায় কচু।

**প্ৰাকৃতি ডেকা :** বেলিয়ে ৰঙবোৰ ছটিয়াই দিয়ে। ফুলক ৰং দিয়ে বেলিয়ে। বেলি হালধীয়া। গছক কিন্তু সেউজীয়া সেউজীয়া ৰং দিয়ে।

**প্ৰাচুৰ্য কলিতা :** পাতক ৰঙবোৰ পানীয়ে দিয়ে। কাৰণ পানীয়ে গছক ডাঙৰ কৰে। পানীয়ে গছক বল দিয়ে। আমাক ভাতে বল দিয়ে। জ্বলা খালেও বল হয়। মই জ্বলা আচাৰ খাওঁ। মায়ে মাংসত বেছি জ্বলা দিলেও খাওঁ। গছে মাটিৰপৰা বল পায়। গছবোৰক পানী দিব লাগে।

**ধান্যাতা তামুলী :** বৰষুণে পানী দিলে পাত সেউজীয়া হয়। তাৰ পিছত বিহুৰে গছক নতুন কাপোৰ দিয়ে। মই গছক ভাল পাওঁ। বেছি গছ আমাৰ গাঁৱত আছে। টিহু গাঁৱত। জেতুকাৰ গছ, তামোল গছ আমাৰ গাঁৱত আছে। মই গাঁও বহুত ভাল পাওঁ। ককাই মোক জানমণি বুলি মাতে। আইতাই কিন্তু কুকি বুলি মাতে।

**দিব্যাংশী কলিতা :** গছে নতুন কাপোৰ পিন্ধে। বিহুৰে গছক সেউজীয়া ৰং দিয়ে। মানে গছক বিহুৰে পিন্ধাই দিয়ে সেউজীয়া কৰি কেনে। তেতিয়া গছে ফল দিয়ে।

**অলিছা এ. কাশ্যপ :** গছক মানুহে পানী দি দি গ্ৰীণ কৰি দিয়ে। বৰষুণৰ পানীখিনি তলত পৰি গ'লে গছে পানী খাই দিয়ে। আমাৰ পাহাৰত সেউজীয়া সেউজীয়া গছ আছে। আমাৰ পাহাৰটোৰ নাম ৰুদ্ৰ নগৰ। আমি ৰুদ্ৰ নগৰ পাহাৰত খোজ কাঢ়ি যাওঁ আৰু অট'তো যাওঁ। বহুত ফুল থকা গছ আছে। পিংক কালাৰ আৰু হোৱাট কালাৰৰ ফুল। আমাৰ ককা আৰু আইতাই পুলি নামৰ গছ ৰোৱে। ❖

# ছবি চাই সাধু সাজোঁ আহাঁ...



শিশুৰ সৃজনীশীলতা আৰু কল্পনাশক্তি বিকাশৰ উদ্দেশ্যেৰে ওপৰত দিয়া ছবিখন দেখুৱাই সাধু ক'বলৈ দিয়াত শিশুসকলে কোৱা সাধুসমূহ হুবহু ৰূপত তুলি দিয়া হৈছে।

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'ক' শাখা**

**নীলভ প্ৰতীম শৰ্মা :** একদিন পুৱা সূৰ্য আহিলে মেঘ আহিছে। ডাইনোচৰে কৈছে—'ইমান ভাল লাগিছে আজি ৰাতিপুৱাটো।' চৰাইটোৱে ক'লে—'অ' বহুত ধুনীয়া।' পখিলাটোৱে ক'লে—'অ' বহুত ধুনীয়া। পখিলাটোৱে ক'লে,—'অ, এইবিলাকত থাকি মজা লাগে, ধুনীয়া ধুনীয়া ফুল।' কাছই ক'লে, 'আজি ইমান গৰম দি আছে...' শহাপহুটোই বজাৰ কৰি আহিলে। শহাপহুটোৱে ক'লে কি, 'মই জংঘলত গৈ বহুত ভাল পাওঁ। মই তাতে ৰেষ্ট লওঁ, তাতে সূৰ্যৰ পোহৰো আহে, বৰষুণ দিলে গছৰ তলত লুকাই যাওঁ। মোৰ বহুত ভাল লাগে।

**মৃগাংক শাৰণ্য :** এটা চানে ওপৰত হাঁহি হাঁহি আছিল। এটা ঘঁৰিয়ালে তাক বিচনি মাৰি মাৰি চাই আছিল। এটা কাছ আহিল। কাছটোৱে জুচ খাই থাকোঁতে চৰাই এটা দেখিলে। চৰাইটো দেখি পাওঁতে মনে

মনে চানটোক চালে। ঘঁৰিয়ালটোৱে কাছটোক চালে। কাছটোৱে ভাবিলে, ইয়াক মই যদি থাপ মাৰি ধৰোঁ তেতিয়া ঘৰত পাৰ্টি কৰিব পাৰিম। ঘঁৰিয়ালটোৱে কাছটোক মনে মনে চাই আছিল আৰু কাছটোৰ কথা শুনি আছিল। কাছটোৰ কথা শুনি পেলাই ৰেবিটক ক'লে, কাছটোৱে চৰাইটোক খাব খুজিছে। ৰেবিটে কাছক ক'লে—কাছ শুনাচোন, চৰাইটো নাখাবা। বেলিটোৱে হাঁহিলে। ৰেবিটৰ কথাটো ভাল পালে।

**ছায়াক্ষী পৰাশৰ :** কাছ এটাই নাৰিকলৰ ৰসটো খাই আছিল। এটা শহাপহুৱে গাজৰ লৈ আহিছে। গাজৰ লৈ আহোঁতে এটা চৰাই দেখা পালে। চৰাইটোৱে গাজৰ দেখা পাই পাখিখন মেলি দিলে আৰু মুখখনো মেলি দিলে। বেলিটোৱে হাঁহি দিলে। হাঁহি থাকোঁতে মেঘবোৰ আহি গ'ল। মেঘবোৰ আহি বেলিটোক ক'লে, 'মই তোমাক ঢাকি দিম।' বেলিটোক ঢাকি দিওঁতে এটা ঘঁৰিয়ালে বিচি দিলে।

**উদয় আদিত্য শৰ্মা :** বেলি আৰু মেঘ আছিল। ডাইনোচৰ আহি খেলিছে। ফুলত পখিলা আহিলে। শহাপহুৱে পাহাৰৰপৰা গাজৰ আনিছে। গছত চৰাই বহি আছে।

**দিব্যাঞ্চ ডেকা :** গৰম লাগলি বিচনি লয়। তাৰ পিছত মৌমাখিয়ে ফুল লয়। তাৰ পিছত কাছই পানী খাই আছে। এটা চৰাই গছত উঠি গান গাই আছে কু-উ, কু-উ, এনকে। শহাপহুই গাজৰ খায়। যেতিয়া মেঘ আহে, ৰ'দ নেদে। মেঘ যেতিয়া আহে বৰষুণ দেই...। গছডালে নিজৰ খোৰা বস্তু বনায়।

**ৰিয়ান চক্ৰৱৰ্তী :** এইটো পখিলা। পখিলাই উৰি আছে ফুলটো আনিব কাৰণে...। এইটো কাছ। কাছটোৱে কিবা খাই আছে। ঘঁৰিয়ালটোই জাতীয় পতাকা উৰাই আছে। আৰু চৰাইটো গছৰ ওপৰত উঠি আছে। জোনবাইটোৱে হাঁহি আছে।

**চাতুৰ্য ডেকা :** কাছয়ে কিবা খাই আছে আৰু শহাপহুৱে গাজৰ লৈ যাই আছিল। গাজৰ লৈ গাঁতত সোমাই খাব। এটা শহাপহুই যাই আন্‌ছি। গোটেইখিনি শহাপহু গাঁতত আছিল। মাজত এটা মাগুৰ মাছ বহি আছে। চৰাইটোৱে কিবা কৈ আছিল বেলিৰ লগত...

**দেবাংগী হাজৰিকা :** একদিন এটা ঘঁৰিয়াল আহিল। বৰ গৰম আছিল। এটা কাছ আহি ঘঁৰিয়ালক ক'লে—'ঘঁৰিয়াল তই ইয়াত কিয় আছ?' ঘঁৰিয়ালে ক'লে—আজি ভিতৰত বহুত গৰম সেইবাবে বাহিৰত আছোঁ। তাৰ পিছত এটাটো শহাপহু আহিল। সি নিজৰ খোৰাবস্তু লৈ আহিছে। শহাপহুটোৱে গাজৰখিনি ভগাই খাওঁ আহাঁ বুলি সবকে মাতিলে।

**জিৎ বৰ্মন :** গাজৰ আনিব গৈছে। চৰায়ে নাৰিকলৰ ৰস খাই আছে। ককোদায়েলে বিচনি লৈ আছে। ককোদায়েলে বিচি বিচি পখিলা উৰি থকা চাই আছে। গৰম কাৰণে বিচনি লাগে বিচিব...। শহাপহুটোৱে গাজৰ আনিব গৈছে। পখিলাই উৰি আছে। বেলিয়ে গৰম দি আছে।

**গুণগুণ কলিতা :** এদিন এটা ঘঁৰিয়াল আছিল। ঘঁৰিয়ালটোৱে গৰমত বিচনি লৈ আছিল। কাছটোৱে জুচ খাই খাই আছে। শহাটোৱে গাজৰ আনিব গৈছে। চৰাইটোৱে গছত বহি আছে।

**জিমি শৰ্মা :** এটা বেলি আছে। বেলিটোৰ নাম সূৰ্য। মেঘ আছে নহয় সি বৰষুণ দে.. গছডালত চৰাই আছিল। চৰাইটোৱে গছত উঠি আছিলে গছত বাহ সাজিছে। বহুত বন আছে। এটা মানুহ আছে। মানুহটোৱেই এখন বেগ লৈ আছে। দাদাটোৱে বেগ লৈ আহিছে, তাতে গাজৰ লৈ আহিছে আৰু এটাই কিবা খাই আছে।

**বিদিশা কাশ্যপ :** বেলিয়ে ৰ'দ দিছে। ঘঁৰিয়ালে ঘামি

গৈছে। বিচনি লৈ আহিছে। চৰায়ে বেলিৰ মাত শুনিছে। চৰায়ে বেলিক সুধিছে গৰমত আহিছ? বেলিৰ জোৰচে খং উঠিছে মেঘক আহিব দিয়া নাই। কাছই জুচ খাই আছে। শহাপহুৱে গাজৰ লৈ আহিছে খাবৰ কাৰণে... আৰু নাজানো।

**ৰোহন ৰাজ শৰ্মা :** সূৰ্য, মেঘ, ডাইনোচৰ, মৌমাখি আছে। বেলিয়ে হাঁহি আছে। ডাইনোচৰে লাঠি এডাল লৈ আছে। কাছই জুচ খাই আছে। মৌমাখিয়ে উৰি আছে। নিগনিয়ে বজাৰত যাই আছে। চৰাইটোৱে উৰিব খুজিছে। মৌমাখিয়ে ফুলৰ ওচৰত আছে।

**ধৃতিৰূপা দেৱী :** কাছই এদিন চৰবত খাই আছে। ঘঁৰিয়ালে বিচনিখন লৈ আহিছে। গছত এটা চৰাই আছিল। বহুত বন আছে, ফুল আছে।

**পৰিস্মিতা ডেকা :** এডাল গছ আছে। চৰাইটোৱে কা কা বুলি মাতি আছে। তাৰ পিছত এটা কাছ পানীৰপৰা উঠি আহিল। কাছটোৰ লগতে এটা শহাপহু আহিলে। কাছই দেখিলে এটা পখিলা উৰি আছে।

**কৃতিকা নাথ :** এখন গাঁৱত নদী আছিল। তাৰ পিছত এটা বাঘ আছিল। তাতে এটা বেলি হাঁহি হাঁহি ওলাই আহিল। চৰাইটোৱে আকাশখনক মাতি আছে। কৈছে—অ' আকাশ, তুমি কি কৰি আছা? বেলিয়ে ক'লে—'তুমি কি কৰি আছা?' কাছই কিবা এটা খাই আছে তাকে চাই আছোঁ ৰ'বা....

**অনিন্দিতা কাশ্যপ :** এটা শহা আছিল। এটা কাছ আছিল। তাৰ পিছত বেলিয়ে মাতিছে। চৰাই বুলি মাতিছে। শহাই গাজৰ আনিলে। কাছই নাৰিকলৰ ৰস খাই আছে। আজি বহুত ৰ'দ দিছে। চৰাইটোৱে কু কুকৈ মাতিছে বেলিক। মতাৰ পিছত বেলিয়ে হাঁহিছে। তাৰ পিছত মেঘবোৰ বগা হৈ আহিছে, তাৰ পিছত বহুত ৰ'দ দিছে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী 'খ' শাখা

**বৃষ্টি ডেকা :** এটা বেলি আছিল। বেলিটোই ডাইন'চৰৰ ফালে চাই আছিল। চৰাই গছত বহি আছিল। মৌ-মাখিবোৰে ফুলৰ মৌ খাই আছিল। শহাপহুটোই কিবা এটা লৈ আছিল। যেতিয়া অলপ অলপ বতাহ দিলে বুনখিনি লৰি গৈছে। তেতিয়া মেঘো আহিছে। বেছিকে ৰ'দ দিলে বেলিয়ে তেতিয়া কাছই জুচ খাই আছিল। ডাইন'চৰটোৱে গৰম লগাত বিচনিৰে বিচি আছিলে, চৰাইটোৱেও গৰম লগাত বেলেগ গছত গুচি গ'ল।

**লিজা কলিতা :** এটা ডাইন'চৰ আছিল। সেই ডাইন'চৰটোৰ বহুত গৰম লাগিছিল। তাৰ পিছত সেই ডাইন'চৰটোই বিচি আছিল। ফুলনী বাগিচা আছিল তাত বুন আছিল। কাছটোই জুচ খাই আছিল। তাৰ পিছত এটা শহাপহুৱে ফূৰ্তি কৰি আছিল।

**মেঘনা দাস :** এখন হাবিত এটা শহাপহু আছিল। শহাপহুটোৱে কিবা এটা আনি আছিল। আনি থাকোঁতে শহা পহুটোৱে যে দেখা পালে এটা কাছই কিবা এটা জুচ খাই আছিল। খাই থাকোঁতেতো সেই শহাপহুটোৱে হাঁহিব ধৰিলে। হাঁহিব ধৰোঁতেতো আৰু সেইফালে চালে এটা জন্তুই এখন বিচনিৰে বিচি আছিল। জন্তুটোক দেখি শহাপহুৱে বেছিকে হাঁহিব ধৰিলে। আৰু এটা চৰায়ে এডাল গছৰপৰা বেলেগ গছলৈ আহি গৈছিল। আহোঁতে সেই চৰাইটোৱে মাতিব ধৰিলে। বেলিয়ে দেখিকিনে বেলিয়ে হাঁহিব ধৰিলে। আৰু এটা পখিলা আছিল। পখিলাটোই ফুলৰ ৰস খাব আহিছিল। আহি থাকোঁতে সেই কেইটা বন্ধুৱে বন্ধু হৈ থাকিলে।

**মল্লিকা ডেকা :** এটা ঘঁৰিয়াল আছিল। তেতিয়া বহুত গৰম আছিল, ঘঁৰিয়ালটোই বিচি আছিল। তাতে

ফুল আছিল আৰু ঘাঁহ-বন আছিল। এটা কাছই নাৰিকলৰ ৰস খাই আছিল। ওপৰত মেঘ আছিল। চৰাইটোই গান গাব ধৰিলে এটা গছত উঠি। এটা শহাপহু আছিল। শহাপহুটোই গান গাই কিবা ফল আছিল ফল লৈ যাই আছিল।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা

**সাৰমন চেৰ্টাজী :** এটা ডাইন'চৰে পাংখা লৈ বিচি আছিল। ঘনচিৰিকাই ডাইন'চৰক বেলিমামাই গৰম দিছে বুলি কৈছে। কাছটোৱে গৰমৰ কাৰণে চৰপট (চৰবত) খাই দিছে। শহাপহুৰ ঘৰত কাছটো গৈছিল যে সেই কাৰণে চৰবত দিছে খাবা কাছ, চৰবত খাবা ঠাণ্ডা লাগিব।

**ৰিকি ভূঞা :** ডাইন'চৰে বিচিছে। কাছই পাইপেৰে তাহ (চাহ) খাইছে যে শহাই হাঁহিছে। চৰাইটোৱে গছৰ পৰা তবকে চাই আছে।

**নিবিড় ডেকা :** ডাইন'চৰে বিচি আছে। কাছই জুচ খাইছে, গৰম কাৰণে।

**ৰিজু শৰ্মা :** বেলি মামাই গৰম দেৰিকৈ দিব। ৰাতিপুৱাই বেলি মামাই বেছি গৰম নিদিয়ে সেইকাৰণে হাঁহি আছে। কাউৰীটোই কা কা কৰি মাতি আছে। ৰাতিপুৱা হৈছে যে। আজি গৰম হ'ব, গৰম হ'ব, বুলি মাতি আছে। কাছই গৰমতে নাৰিকলৰ পানী খাই আছে। ৰ'দ দিয়াৰ কাৰণে কাছই ক'লা চছ্মা পিন্ধি আছে। বজাৰৰপৰা শহাই গাজৰ আনি বাহ বহুত দাম গাজৰৰ। মৌ-মাখিবোৰে মিঠা মিঠা মৌ খায় আৰু অলপ মৌ ঘৰত লৈ যায়।

**উপাসনা বৰুৱা :** ডাইন'চৰে বিচনিৰে বিচিছে গৰম কাৰণে। কাছৰো গৰম লাগিছে।

**মনন দাস :** ডাইন'চৰে গৰমত থাকব পৰা নাই। বিচি বিচি চৰাইটোৱে ডাইন'চৰক কৈছে—গৰম দিছে ডাইন'চৰ, ইয়াত থাক্ব নোৱাৰা। বেলিয়ে চবকে চাই হাঁহি আছে। মই আজি বহুত গৰম দিছোঁ ৰ। চৰাইটোৱে কৈ আছে, ডাইন'চৰ, ডাইন'চৰ ঘৰত যোৱাঁ, ঘৰত যোৱাঁ। বহুত গৰম দিছে আজি। থাক্ব নোৱাৰা।

**ৰূপান্তৰ শৰ্মা :** বেলিটোৱে ৰ'দ দিছে। কাউৰীটোৱে কা-কা কৰি ডাইন'চৰক কৈছে—গৰম হৈছে। ডাইন'চৰটো ভাল। চবকে বিচি দিছে। শহাপহুটোৱে গাজৰ আনিছে বজাৰৰপৰা। কাছটোৱে নাৰিকলৰ জুচ্ খাই আছে। শহাই কাছক কৈছে—গাজৰ খাবা। জুচ্‌টো মোক দিয়া।

**আকাংক্ষা গগৈ :** চানে ৰাইচ্ কৰিছে। বাৰ্ডে ফ্লায়িং কৰিব এতিয়া। ডাইন'চৰে গৰম পাইছে। ৰেবিটে অন্‌লাইনত কেৰ্‌ট কিনিছে। টৰ্‌টইজে অৰেঞ্জ জুচ্ খাইছে। মই খাম অৰেঞ্জ জুচ্ খাম। মামা দিব মোক। জুচ্ দিব। ❖



**কৃষ্টিমান কলিতা**, অংকুৰ শ্ৰেণী



**অনুধৃতি বৰঠাকুৰ**, অংকুৰ শ্ৰেণী

# ফলৰ ভিতৰত গুটিবোৰ কোনে ভৰাই দিয়ে?



**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, ‘ক’ শাখা**

**প্ৰাচী ডেকা :** দোকানীয়ে ভৰাই দিয়ে। লিচুটো খুলি কেনে ভৰাই দিয়ে। আমাৰ একদিন পাপাই লিচু আনিছিল তেতিয়া মই গুটি দেখিছোঁ। মই গুটিটো পেলাই দিছোঁ। আৰু জলফাইও আনিছিল তাতেই গুটি আছে। পাপাই চব বস্তু আনিছে। চবতে গুটি আছে মই গুটিটো গুচাই পেলাই খাইছোঁ।

**কৃষ্ণামণি দাস :** মানুহে ভৰাই দিয়ে। কিছুমান গুটি

নিজে হয়। মই গুটি পালে মাক দি দিওঁ।

**জিজ্ঞাসা তালুকদাৰ :** মানুহে প্লাষ্টিকত ভৰাই দিয়ে। পথাৰত খেতি কৰোঁতে গুটি কোনোবাই পেলাই দিয়ে। আমি দেখিছোঁ, কঁঠালৰ গুটি পৰি আছিল। আমাৰ দেউতাই ভাতৰ লগত ভাজি খাইছিল।

**মানৱজ্যোতি শৰ্মা :** মানুহেই তাতে গুটি ভৰায়। বগৰীত গুটি ভৰায়, মধুৰিআমত গুটি ভৰায়, আঠীয়া কলত গুটি ভৰায়। মানুহে টিঙত উঠি গুটি ভৰায়। আমতো ডাঙৰ ডাঙৰ গুটি ভৰায়। আমাৰ মধুৰিআম, আম আৰু বগৰীৰ গছ আছে। টিঙত উঠি কোনোবা এটা মানুহ আছে পায়। কেতেবা কেতেবা জখলাত উঠিও পায়।

**লক্ষীপ্ৰিয়া বসুমতাৰী :** গছে নিজে ভৰায়। গছৰ ডাল থাকে নহয়, ডালবিলাকে ভৰায়। আমি খাওঁতেই গুটি পাওঁ।

**মানসপ্ৰতীম ৰাজ :** গছে ভৰাই দিয়ে। গছে কিবা খাই খাই গুটি ভৰায়। ফুলবিলাক গছত লাগে তেতিয়া ফলবিলাক আহে। আহোঁতে কিছুমান ফলত গছে গুটিবিলাক দিয়ে।

**হৰ্ষদীপ শৰ্মা :** নিজে ভৰোৱা থাকে। ফাষ্টতে এটা গুটি ক'ৰবাৰপৰা আনে। এটা জাগাত থয়। পাতল পাতল কিবা বাকচ আনে। বাকচটো অলপমান কাটে, গুটিটো ভৰাই দিয়ে। তাৰ পিছত গুটিটো অলপ কাটি ৰং দিয়ে নহ'লে ক'ত ৰং পাব? বাকলি আনি তাত লগাই দিয়ে।

**লিয়ন দাস :** গুটি কোনেও নভৰায়। গছৰপৰা যেতিয়া ফলবিলাক গজে তেতিয়া গুটিবিলাক নিজে নিজে হৈ যায়। সব ফলৰ ভিতৰত গুটি নাথাকে। কিছুমান ফলতহে গুটি থাকে। যেনে ধৰক, আঙুৰ-চাঙুৰৰ গুটি নাথাকে। সিহঁতৰ গছবোৰে বেলেগ...কলিৰপৰাই হয় সেইবাবে গুটি নাথাকে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'খ' শাখা

**দৰ্পনদ্বীপ তালুকদাৰ :** ফলৰ ভিতৰত গুটি কোনো নভৰায়। গুটিটো ভগৱানে বনাই দিয়ে। মই নাথাকোঁতে বনাই দিয়ে। কিন্তু বান্দৰে আমাৰ ফলবোৰ লৈ যায়। ভগৱানৰ এটা নিগনি থাকে। ভগৱান আৰু নিগনিয়ে গুটিটো বনাই দিয়ে।

**ধৃতিষ্মান দাস :** ফলৰ ভিতৰ গুটিটো দকানীয়ে ভৰাই দিয়ে। ফলটো ফালি পেলে গুটিবোৰ ভৰাই দিয়ে। তাৰ পিছত প্লাষ্টাৰ দি লগাই দিয়ে। প্লাষ্টাৰটো এৰাই দিয়ে তেতিয়া আঠা লাগি ধৰে। ফলটো মানুহক বেচি দি খাব দিয়ে মানুহক।

**বিশাল ভৰদ্বাজ :** ফল হোৱা আগে আগে যে ফুল হয় যে ফুলত গুটি থাকে। গুটিটোৰপৰাই ফল হৈ যায়। ফুলটোতে ফলটো পকি যায়। এটা ফুটা থাকে, ফুটাটোদি গুটিটো সোমাই যায়, তাৰ পিছত ফল হয়। ফল পকিলে আমি আনি খাওঁ।

**গৰিমা বৰ্মন :** ফলত গুটিবোৰ দোকানীয়ে ভৰাই দিয়ে। আমৰ গুটিবোৰ ভৰাই দিয়ে। চুৰি এখনেৰে ফুটা কৰি সোমাই দিয়ে। ডাঙৰ গুটি হ'লে ডাঙৰ কৰি ভৰাই দিয়ে, সৰু গুটি হ'লে সৰুকে ভৰাই দিয়ে। ফুটাটো আঠা দি এনেকে লগাই দিয়ে।

**অভিনৱ শৰ্মা :** ফলৰ ভিতৰত গুটিবোৰ দোকানীবিলাকে ভৰাই দিয়ে। কিবাহেদি বনাই পেলাই তাতে সোমাই দিয়ে। তিতাকেৰেলাটোত এনকে সোমাই হাতেৰে মজবুত কৰি এনকে কৰি দিয়ে।

**গৌৰাংগ শৰণীয়া :** যেতিয়া ডাঙৰ হয় তেতিয়া গুটিবিলাকো ডাঙৰ হয়। তেতিয়া গম পাই কি গুটি আছে। গুটিবিলাক গছৰ লগতে ডাঙৰ হয়। যেতিয়া কঁঠালটো ডাঙৰ হয় নহয় তেতিয়া গুটিবোৰো ডাঙৰ হয়। তেতিয়া গুটিবিলাক ৰ'দত শুকাই খাব পাৰি।

**হৰ্ষিতা শৰণীয়া :** ফলত গুটি মানুহে ভৰাই দিয়ে।

ফল-মূলবোৰ ছিঙি কিনে গুটিবোৰ তাত থৈ দিয়ে। যিকোনো ফলবিলাক আনি কিনে ঘৰত লৈ যায় তাৰ পিছত কাটি কিনে ভৰাই দিয়ে।

**জিজ্ঞাস কাকতি :** এটা গুটি হৈ কেনে পকি যায় নহয় তাতে বহুত গুটি হয়। তাত ইমান গুটি হৈ হৈ ফলত লাগি যায় ভিতৰত।

**হৰ্ষিতা শৰ্মা :** ফলৰ ভিতৰত গুটি কোনো ভৰাই নিদিয়ে। ফুলৰপৰা হয় নেকি? যেনেকে ফুলৰপৰা বকুল হয়, তেনেকে বেলেগ ফুলৰ গুটি হ'ব পাৰে।

**জ্যোতিষ্মান চৌধুৰী :** ফলৰ ভিতৰত গুটি মায়ে ভৰাই দিয়ে। ছিঙি আনি কাটি দিয়ে। তাৰ পিছত তাতে ভৰাই দিয়ে গুটি।

**খ্যাতিকমল কলিতা :** ফলৰ ভিতৰত গুটি গছে ভৰাই দিয়ে। বজাৰৰপৰা গুটি আনি মানুহে গছত গুটি দি দিয়ে। তেতিয়া আপেলৰ গছে গুটি দি দিয়ে।

**নিশিত তামুলী :** ফলৰ ভিতৰত গুটি মানুহবিলাকে ভৰাই দিয়ে। ফাষ্টতে মাটি খান্দে, গুটিবিলাক তাতে ভৰাই দিয়ে, তাৰ পিছত পানী দিয়ে, গছ হৈ যায়। গুটিবোৰ ফলৰ ভিতৰত সোমাই থাকে। খালি আমি গুটিবোৰ উলাই কিনে চৰিয়াবিলাকত ভৰাই থৈ দিওঁ আৰু মাটি খান্দি তাতে দিওঁ। বৰষুণ দিলে গছবিলাক বেছিকে ডাঙৰ হয়।

**নিষ্ঠাপ্ৰিয়া কুমাৰী :** ফলৰ ভিতৰত গুটি কোনো নভৰায়। গছৰপৰাই হয়। ধৰক আমি লিচু খালোঁ, তাৰে গুটিটো ওলাই গছ হয়। গছে ফল-মূল দিলে, তাৰ পিছত লাহে লাহে গুটিটো ওলায়।

**ৰিয়া ডেকা :** ফলত গুটি থাকে যে। ফলত গুটি হয়েই। গছৰপৰা গুটি হয়। গছৰপৰা ফলত গুটি যায় তাৰ পিছত নাজানো।

**মোহিত মনাংক ৰাজবংশী :** ফলৰ ভিতৰত গুটি ভগৱানে ভৰাই দিয়ে। ভগৱানে গছবিলাক বনায়। ভগৱানে তাৰে পিছত গুটিবোৰ ভৰাই দিয়ে। ভগৱানে গছত গুটিবোৰ থৈ দিলে ফল হয় আৰু আমি ফলবোৰ খাওঁ তাৰ পিছত।

**তিতিক্ষা দেৱী :** ফলৰ ভিতৰত গুটিবোৰ মায়ে ভৰাই দিয়ে, মায়ে হাতেৰে ভৰাই দিয়ে।

**সন্দিপন ডেকা :** ফলৰ ভিতৰত গুটি কোনেও ভৰাই নিদিয়ে। ফলৰ ভিতৰত গুটি থাকে যে। ভগৱানে ফলত গুটি দি দিছে। যাতে সেই গুটিবিলাকত, সেই ফলবিলাকত খাবা পাৰোঁ। আমৰ আৰু লিচুৰ গুটিৰে গছ লগাব পাৰোঁ আৰু তাৰে ফল খাব পাৰোঁ।

**বাৰ্বী কুমাৰী :** ফলৰ ভিতৰত গুটিবোৰ মানুহে সোমাই দিয়ে। তাৰ পিছত আমত লগাই দিয়ে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা

**হৃষীকেশ কলিতা :** ফলত আংকলবিলাকে গুটিবোৰ ফালি ভৰাই দিয়ে। তাৰ পাছত ফলটো ফুলি ফুলি ডাঙৰ হৈ গৈ থাকে। তেতিয়া আমবোৰ মিঠাও হয়, টেঙাও হয়। তাৰ পাছত আমবোৰ মেচিনত ভৰাই দি চৰপট বনাই দিয়ে। ডালিমত কোনে গুটি ভৰায় বা নাজানো।

**হিমবৰষা দাস :** গছৰ মাকবোৰে গুটিবোৰ ভৰায়। তেতিয়া বহুত পানী দিব লাগে গছক। পানী দিলে গছ ডাঙৰ হয়। দেউতাক গছবোৰে পইছা দিয়ে মাক গছবোৰক। তেতিয়া মাক গছবোৰে গুটিবোৰ কিনি আনে আৰু মাটিক গুটি দিয়ে। মাটিয়ে গুটিবোৰ ভৰাই দিয়ে।

**নিচান কাশ্যপ :** গুটি ভগৱানে ভৰাই দিয়ে। ৰাতি ভগৱান আহি গুটি ভৰাই দিয়ে। নমো কৰা ভগৱান। আমটো কাটে আৰু গুটি ভৰাই গুচি যায়।

**ৰূপজ্যোতি বেজবৰুৱা :** আমি যে ভাত খাওঁ। গছে পানী খায়। পানী খালে গুটি হৈ যায়।

**সৃষ্টি শৰ্মা :** দোকানীয়ে গুটিবোৰ ভৰায়। বজাৰত কল থাকে, আম থাকে আৰু দোকানীকেইটাই কাটি

কাটি থাকে, তাৰ পিছত ভৰাই থাকে গুটি।

**কল্যাণজ্যোতি হাতীমূৰীয়া :** মই নাজানো নহয়। দেখা নাই নহয় কেনেকৈ ভৰায়। গছে ভৰাই নেকি গুটিবোৰ।

**উদ্দীপন শৰ্মা :** গছে ভৰায় গুটিবোৰ। মানুহে ফল-মূলৰ গুটি দিলে আৰু পানী দিলে গছে গুটিবোৰ ভৰাব পাৰে। আমতো গুটি ভৰাই দিয়ে। আনাৰস মই ভাল পাওঁ। গুটি নাই তাত। আমৰ গুটিবোৰ প্ৰথমতে সৰু হৈ থাকে। তাৰ পিছত মানুহে পানী দিলে, বৰষুণে পানী দিলে, গছে পানী খাই খাই গুটিবোৰ ডাঙৰ কৰি দিয়ে।

**ময়ঙ্ক বৰা :** ভগৱানে গছক কয়—গছ, গুটিবোৰ ভৰাই দিয়াঁ, কঁঠালত ঢেৰ গুটি দিবা দেই। ডলিমতো দিবা আকৌ ঢেৰ গুটি। মানুহে পানী দিব লাগে গছক আৰু বৰষুণেও পানী দিব লাগে। মই আম খাই ভাল পাওঁ। কল আৰু আপেলো খাই ভাল পাওঁ। দেউতাই অনুৰাধা বজাৰৰপৰা আম বেছি নানে। বেলেগ বেলেগ বস্তুহে আনে।

**অনুষ্কা মেধি :** চৰায়ে গুটিবোৰ ভৰায়। চৰাইয়ে মুখত গুটিবোৰ লৈ আহে। চৰাইৰপৰা গুটিবোৰ পৰি গ'লে গছ হয়। গছ হ'ব লাগিব। নহ'লে গুটি নহ'ব। গুটিবোৰত বহুত পানী দিবা। পানী দিলে গুটি ডাঙৰ হয় যায়।

**হিমদ্যুতি বাচ্যস :** গছে গুটিবোৰ ভৰাই নেকি? অ', নহয় নহয়। দেৱতাইহে ভৰাই দিয়ে। দেৱতাবিলাকে আকাশৰপৰা চাই থাকে। বৰষুণ দিলে গছবোৰে গুটিবোৰ ভৰাব পাৰে। দেৱতাবিলাকে মানুহক বহুত সহায় কৰেতো। দেৱতা মন্দিৰতো থাকে। দেৱতাবিলাকে যদি বৰষুণ নিদিয়ে গছ ডাঙৰ নহ'ব। গছ ডাঙৰ নহ'লে মানুহেতো ফলেই খাব নাপাব। টিফিনত আমি ফলেই আনিব নোৱাৰিম।

**হৃদয়দ্বীপ শৰ্মা :** গছে ভৰাই দিয়ে গুটিবোৰ। বৰষুণ হ'লে গছে গুটিবোৰ ভৰাই দিয়ে। আমাৰ ঘৰত কলগছ আছে। আমাৰ ঘৰৰ কলবোৰ মিঠা।

**বিতোপন বৰা :** ভগৱানে গুটি ভৰায়। ভগৱানে আমটো ছিঙি আকৌ গুটি ভৰাই লগাই দিব পাৰে। ভগৱানে চব কাম কৰিব পাৰে। ❖



**স্পৃহা নেওগ**, অংকুৰ শ্ৰেণী



**ঋষিকন্যা লাহন**, অংকুৰ শ্ৰেণী

# বেছি গৰম পৰিলে আমি কি কৰিব লাগে?



**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'ক' শাখা**

**মেঘা হালৈ :** অ' বাইদেউ আমি ৰাতি হ'লে ম'বাইল চাই চাই ভাত খাওঁ। ৰাতি লাইন গ'লে গৰমত বাহিৰত বিচি থাকে মায়ে। বাহিৰত চিৰিতে বহি থাকোঁ গৰম লাগিলে বিচনী লৈ। লাইন আহিলেহে আমি ঘৰত আহোঁ।

**অনন্যা দাস :** এইকেইদিন ইমান গৰম দিছে ন বাইদেউ, মই স্কুলত কাপোৰ-চাপোৰ খুলি ফেনৰ তলত বহোঁ। মায়ে কিবা (গুকন ডি) খাব দিছে। মই খাই পেলাই ফেনৰ তলতে খেলোঁ। নহ'লে ঘামি-ঘামি কি যে হয়। মায়ে তাতেই ভাত খাব দিয়ে।

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'খ' শাখা**

**হৰ্যাদ লহকৰ :** বেছি গৰম পৰিলে ফ্ৰিজৰপৰা ঠাণ্ডা পানী ওলাই খাই থাকোঁ। মই বাৰে বাৰে পানী খাই থাকোঁ। আমি মামা ঘৰত গ'লে কাৰেণ্ট শেষ হ'লে বিচি দিয়ে। আৰু গেম খেলি থাকোঁ। ডাঙৰ মামাৰ, টেংকাৰ খেলি থাকোঁ। মাৰ ম'বাইল চাই থাকোঁ ইউ টিউবত।

**জিঞ্জুমণি দাস :** বেছি গৰম দুপৰীয়া ওলায়। বতাহ দিলে ছাঁয়া আহি যায়। বেছি গৰম লাগিলে ঘামি যায়। যদি হামু দি উঠিলে দুপৰীয়া ৰ'দ আহে।

**নেইমা গোস্বামী :** বেছি গৰম লাগিলে ফেন চলাব লাগে। বিচনীৰে বিচিব লাগে। টেবুল ফেন চলাব লাগে। ফেন চলালে গৰম কমি যাব।

**ৰক্তিম দাস :** বেছি গৰম লাগিলে ফেনৰ বতাহ ল'ব লাগে। গৰম লাগিলে শোওঁ। ঠাণ্ডা খাওঁ।

**সুস্মিতা কলিতা :** বেছি গৰম লাগিলে ফেনৰ তলত থাকিব লাগে। দৌৰিব নালাগে। ঠাণ্ডা দিলে খেলা-ধূলা কৰিব লাগে। গৰম কাম কৰিব নালাগে। বজাৰত যাব নালাগে। গৰমত পানী বেছি খাব লাগে।

**তনশ্ৰী ডেকা :** বেছি গৰম লাগিলে ফেন চলাব লাগে। লেপ উৰিব নালাগে। লেপ উৰিলে বেছি গৰম লাগে। ফেন চলালে বতাহ আহিলে ভাল লাগে। আৰু ঘুমটি আহে ভালকে।

**বিৰলী কাকতি :** গৰম লাগিলে ফেন চলাম।

**ঋষভ শইকীয়া :** জুচ খাম। ফেন ল'ম।

**বনশ্ৰী বৰ্মন :** বেছি গৰম লাগিলে শুই থাকোঁ। আৰু পঢ়ি থাকোঁ। পানী খাওঁ।

**শুভাংকৰ দাস :** বেছি গৰম লাগিলে ফেন ল'ব লাগে আৰু ছাতি ল'ব লাগে। আৰু বেছি গৰমত হাফপেণ্ট পিন্ধিব লাগে। হাত চুটি চলা পিন্ধিব লাগে।বেছি গৰমত সৰু ছক্‌চবোৰ পিন্ধিব লাগে। বেছি খেলিব যাব নালাগে। মুখবিলাক ৰঙা পৰি যায়। হাতবিলাক ৰঙা হৈ যায়।

**শুভ্ৰনীল দাস :** বেছি গৰম পৰিলে আমি ঘামি যাওঁ। আমি বহি থাকোঁ। আমি ফেনৰপৰা বতাহ খাওঁ। হামু দিওঁ ভাত খাই।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, 'গ' শাখা

**বিপাঞ্চী বশিষ্ঠ :** ঠাণ্ডা কাপোৰ পিন্ধিব লাগে, এ.চি. চলাব লাগিব। আমাৰ দুখন ফেন আছে। এখন থিয় হৈ থাকে, এখন ওপৰত থাকে। আইচক্ৰীম খাব লাগিব। কিন্তু বেছি নহয়। অলপহে খাব লাগে আইচক্ৰীম।

**হৰ্ষিনী মহন্ত :** ঠাণ্ডা লগা কাম কৰিব লাগে। ভাল দোকানৰ আইচক্ৰীম খাব লাগে। এ.চি. চলাই ৰুমত থাকিব লাগিব। আইতাই বহুত গৰম বহুত গৰম বুলি কৈ থাকে। কিন্তু স্কুল আহিলে অলপ গৰম লাগে। কিন্তু স্কুলত মোৰ ভাল লাগে। স্কুলতো এ.চি. নাই। খালি স্কুলত বহুত বন্ধু আছে।



**হিয়াশ্ৰী ৰাজবংশী :** বেছি গৰম পৰিলে আমি গা ধুব লাগে। মায়ে মোক নিব আহিলে ছাতি লৈ আহে। তিয়ঁহ খাব লাগে। তিয়ঁহ খালে ঠাণ্ডা লাগে। আমাক মায়ে তিয়ঁহ খাব দিয়ে। আইচক্ৰীম নাখাওঁ। ৰ'দত ওলাব নালাগে।

**তাইবা নাফিছা আলি :** বেছি গৰম পৰিলে বৰফত যাব লাগে। মোক নহয় আইচক্ৰীম খাব দিয়ে। কল্ডড্ৰিংক্‌চ খাব



লাগে। স্কুলত আহিবা, কিন্তু ৰ'দত ওলাব নালাগে। গছৰ তলত থাকিব লাগে।

**তনুস্মান গোস্বামী :** বেছি গৰম পৰিলে এ.চি. কিনিব লাগে। ছাতি ল'ব লাগে। বেছি গৰম পৰিলে দেউতাই নেমু চৰবত বনাই দিয়ে। বেছি টেঙা চৰবত বনালে বায়ে নাখায় তেতিয়া মই খাই দিওঁ। গৰমত মই গ্লোকন ডিও খাওঁ। আমাৰ ফ্ৰিজৰ ওপৰখিনি যে তাত বৰফ হয়। সেইবিলাক বায়ে ঢালি পেলাই খাই দিয়ে। নেমু চৰবত মায়ে বনাই নিদিয়ে।

**ৰাজশ্ৰী দাস :** বেছি গৰম পৰিলে আমি খিৰিকি খুলি দিওঁ। তেতিয়া ঠাণ্ডা লাগে। দেউতাইও খিৰিকি খুলি ফেন চলাই দিয়ে। দেউতাই ইমান গৰম, ইমান গৰম কৈ থাকে। মায়ে গা ধোৱে। মোৰো বেছি গৰম লাগে। আমাৰ তাত বেছি গৰম আহে।

**হিৰাংগনা লহকৰ :** বেছি গৰম পৰিলে মায়ে তেতেলি চৰবত বনায়। চৰবত খাব লাগে। আমাৰ মায়ে নহয় চৰবত বনায়। নেমুপানীও বনায়। নেমুপানীৰ চৰবত খালে ভাল। খোৱাচোন তোমালোকৰ একেবাৰে ভাগৰ কমি যাব। আমাৰ দেউতাই চৰবত বনাব নাজানে। কিন্তু মাৰ অসুখ হ'লে দেউতাই ভাত বনায়। ভাত আৰু ভেন্দি ভাজি।

**মৃগাংকাজিতা লহকৰ :** বেছি গৰম পৰিলে কুলাৰ আৰু এ.চি. লগাব লাগে। ডাবৰ পানী খাব লাগে। দেউতাই কেতিয়াবা ডাব নাৰিকল আনে। নেমু চৰবত খাব লাগে। আইতাই গৰম লাগিলে মামাক আইচক্ৰীম আনিব দিয়ে। আইচক্ৰীম আনিলে ককাই কয়—নালাগে দিয়া আইচক্ৰীম। বেয়া বস্তুৰে বনায়। কিন্তু মায়েও আনিব দিয়ে আইচক্ৰীম। মই আইচক্ৰীম নাখাওঁ। বেয়া বস্তু বোলে।

**দোক্‌মোকালি গোস্বামী :** বেছি গৰম হ'লে এ.চি. আৰু কুলাৰ চলাব লাগে। আমাৰ ঘৰত এটা কুলাৰ আছে আৰু কলিয়াবৰত এ.চি. আছে। আমাৰ দেউতা কলিয়াবৰত থাকে। আইতা অকলে অকলে থাকে যে। দেউতা মাজে মাজে আমাৰ ইয়াতো আহে। আইতাই মোক নহয় গোসানী বুলি মাতে আৰু বেলেগ বেলেগ নাম দিও মাতে। গৰমত মই গ্লোকন ডি খাওঁ। ৰাতি সাৰে সাত বজাত ফলমূল খাওঁ। অ' সদায় ফলমূল খাওঁ। কল খাওঁ, নাচপতি আৰু আপেলো খাওঁ। তেতিয়া গৰম কমি যায়। দিনত মা অফিচ যায় নহয় সেইকাৰণে খাব নোৱাৰোঁ। ৰাতিহে খাব পাৰোঁ।

**নিহাৰ ডেকা :** আইচক্ৰীম খাব লাগে। গা ধুব লাগে।

**নিলোৎপল দাস :** গৰম পৰিলে ফেন চলাই থাকিব লাগে। ঠাণ্ডা বস্তু খাব লাগে। মায়ে গাখীৰেদি আইচক্ৰীম বনায়। গৰম লাগিলে খাব দিয়ে। দেউতাই নেমুপানী খায়। আৰু নহয় আমাৰ আইতাই কাপোৰ পাৰি মাটিত শুই থাকে—আজি বৰ গৰম অ'... বৰ গৰম অ'... বুলি কৈ থাকে। ❖

# আন্তৰিক আলাপ

## জগত সভাত জিলিকি উঠা এটি তাৰকাৰ সৈতে কিছুক্ষণ



এই বৰ্ষৰ আমাৰ বিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ 'বাখৰ'ৰ বাবে জাহ্নু বৰুৱা ডাঙৰীয়াৰ সাক্ষাৎকাৰ এটি ল'বলৈ মনতে আশা পুহি ৰাখিছিলোঁ। সৌভাগ্যক্ৰমে আমাৰ সেই আশা এদিন পূৰ হৈছিল। সেই উদ্দেশ্যে আমি তেওঁৰ সৈতে কথা পাতিবৰ বাবে গুৱাহাটীৰ চানমাৰিস্থিত তেওঁৰ বাসগৃহত এদিন উপস্থিত হৈছিলোঁ। অসমীয়া বোলছবি জগতৰ বিশিষ্ট পৰিচালকগৰাকীৰ পৰিশীলিত ব্যক্তিত্বই আমাক প্ৰথম দৃষ্টিতে আকৰ্ষিত কৰিছিল। তেওঁক সুধি যোৱা প্ৰতিটো প্ৰশ্নৰ উত্তৰেই আছিল অতিশয় মনোগ্ৰাহী।

অসমীয়া চলচ্চিত্ৰ জগতৰ স্বনামধন্য ব্যক্তি জাহ্নু বৰুৱাদেৱৰ জন্ম হৈছিল লাকুৱা চাহ বাগিচাত। শৈশৱৰপৰাই গাঁৱৰ সৰল জীৱন যাত্ৰা, নিৰ্মল প্ৰকৃতি আৰু চিনাকি বিচিত্ৰ চৰিত্ৰবোৰে জাহ্নু বৰুৱাক আকৰ্ষণ কৰিছিল। তেওঁৰ ছবিত অভাৱ-অনাটন, শোষণ-বৈষম্য, অন্যায়-বিদ্বেষে কলুষিত কৰি পেলোৱা গাঁৱলীয়া জীৱনৰ ছবি আমি দেখিবলৈ পাওঁ। তেওঁৰ চলচ্চিত্ৰত যিধৰণৰ নিৰ্মলতাৰ এছাটি বতাহ অনুভৱ হয় প্ৰকৃতাৰ্থত সেয়া তেওঁৰ অৱচেতন মনত ঢাক খাই থকা সুখস্মৃতিৰে অৱশেষ যেন লাগে। তেওঁৰ দ্বাৰা পৰিচালিত 'হালধীয়া চৰায়ে বাওধান খায়' চলচ্চিত্ৰই ১৯৮৮ চনত অসমৰ বোলছবি জগতৰ ইতিহাসত প্ৰথমবাৰৰ বাবে স্বৰ্ণকমল বঁটা লাভ কৰে। তেওঁ নিজৰ কৰ্মৰাজিৰ বাবে ২০০৩ চনত পদ্মশ্ৰী আৰু ২০১৫ চনত পদ্মভূষণ বঁটা লাভ কৰে। তেওঁৰ দ্বাৰা পৰিচালিত ছবিসমূহৰ সাফল্যই প্ৰমাণ কৰে যে জাহ্নু বৰুৱা ভাৰতৰ সুস্থ চলচ্চিত্ৰ ধাৰাৰ এগৰাকী লেখত ল'বলগীয়া ব্যক্তিত্ব। তেওঁৰ সোণসেৰীয়া কেইষাৰমান কথা এইবেলি 'বাখৰ'ৰ পাতত লিপিবদ্ধ কৰিবলৈ পাই আমি নথৈ আনন্দিত হ'লোঁ।

**বাখৰ :** চলচ্চিত্ৰ নিৰ্মাণৰ সপোনটোৱে আপোনাৰ মনত কেনেকৈ পোখা মেলিছিল?

**জাহ্নু বৰুৱা :** মই চলচ্চিত্ৰৰ লগত সম্পৰ্ক থকা পৰিয়ালৰ নহয়। মা-দেউতাই কেতিয়াও ছবি চোৱা নাই। মই প্ৰথম কৰা ছবিখনেই তেওঁলোকে প্ৰথম চাইছে। বি. বৰুৱা মহাবিদ্যালয়ত বি.এছ.চি. পঢ়ি থাকোঁতে প্ৰথম ছবি চাবলৈ পাইছিলোঁ। তেতিয়া গুৱাহাটী চিনে ক্লাবত বাহিৰৰ ছবি প্ৰদৰ্শন কৰা হৈছিল। সেয়ে আছিল প্ৰথম আকৰ্ষণ। মই ভাবোঁ চলচ্চিত্ৰ এটা শক্তিশালী মাধ্যম। ছবিঘৰলৈ কি

উদ্দেশ্যেৰে যাওঁ সেই কথা সদায় চিন্তা কৰি চাব লাগে। আচলতে মনোৰঞ্জন চলচ্চিত্ৰৰ এটা গুণ মাত্ৰ। ইয়াক ভালদৰে ব্যৱহাৰ কৰিব পাৰিলে উপকৃত হ'ব পাৰি। Nuclear Power যেনেকৈ বোমা হিচাপে ব্যৱহাৰ কৰে, কিন্তু Productive কামত ব্যৱহাৰ কৰিলে মানৱৰ অধিক কল্যাণ হয়। চিনেমাও তেনে। Use and Misuse—এই কথাটো প্ৰথম উপলব্ধি হ'ল বাহিৰৰ ছবিবোৰ চাই। তেতিয়াই মই ভাবিলোঁ যে, 'কিয়নো মই ইয়াক ভালদৰে আয়ত্ত নকৰোঁ!' এই কথা ভাবিয়েই Film instituteত ভৰ্তি হ'লোঁ। পোলেণ্ডৰ লড্‌জ (Lodz) ফিল্ম স্কুলত ৬ বছৰীয়া আৰু ৩ বছৰীয়া কৰ্ছ এটা কৰিছিলোঁ।

**বাখৰ :** আপোনাৰ 'তৰা', 'কণিকাৰ ৰামধেনু', 'হালধীয়া চৰায়ে বাওধান খায়' আদি কেইবাখনো চলচ্চিত্ৰত শিশু চৰিত্ৰৰ বিশেষ ভূমিকা আছে। আপুনি শিশু মনোজগতক বিশেষ গুৰুত্ব দিয়াৰ কিবা বিশেষ কাৰণ আছে নেকি?

**জাহ্নু বৰুৱা :** এনেবোৰ প্ৰশ্নই ভবাই তোলে। এটা সময়ত সকলোৱে শিশু আছিল। এইটো বৰ গুৰুত্বপূৰ্ণ স্তৰ। মই সৰু কালটো গাঁৱত কটাইছিলোঁ। মই কথা কম কৈছিলোঁ, খোনা আছিলোঁ। কেৱল সপোন দেখিছিলোঁ। এজন চলচ্চিত্ৰ নিৰ্মাতা হিচাপে যদি চাওঁ, প্ৰত্যেক শিশুৱে কিবা সপোন দেখি আছে। তেওঁলোক এটা যুগৰ আৰম্ভণি। তেতিয়া শিশু চৰিত্ৰটো খুব গুৰুত্বপূৰ্ণ হৈ পৰে। শৈশৱকাল হৈছে এনেকুৱা এটা স্তৰ য'ত, শিশুৰ মনত গোটেই পৃথিৱীখন সোমাই থাকে। শিশুৰ পৃথিৱীখন মই বৰ ভাল পাওঁ। মোৰ বাবে প্ৰত্যেক শিশুৱে গুৰুত্বপূৰ্ণ, তেওঁলোকৰপৰা বহু কথা জানিব পৰা যায়। তেওঁলোকৰ বয়সলৈ গৈ বৰ ভাল লাগে। মই মোৰ পুত্ৰৰ দৃষ্টিৰে পৃথিৱীখন নতুনকৈ চাব পাৰিছোঁ। ছবিবোৰত মই প্ৰতিটো শিশুৰ মানৱ জীৱনৰ উপলব্ধি ফুটাই তুলিব বিচাৰোঁ। শিশুৰ মনেৰে চালেহে শৈশৱ জীৱনৰ



অনুভৱ কৰিব পাৰি। শিশুক কেতিয়াও উপলুঙা কৰিব নালাগে।

**বাখৰ :** আমাৰ আগত ব্যক্ত কৰিবলৈ ভাল পোৱা শৈশৱৰ বিশেষ অভিজ্ঞতাৰ বিষয়ে ক'ব নেকি?

**জাহ্নু বৰুৱা :** মোৰ যেতিয়া বয়স ৭ বছৰ আছিল, তেতিয়া মই লগ পোৱা দদাইদেউ এজনৰ কথা সদায় মনত ৰৈ গ'ল। দদাইদেউজনৰ মগজুৰ অলপ বিসংগতি আছিল। কিন্তু তেওঁ ভাল মনৰ মানুহ আছিল। তেওঁৰ নামটো কোনেও নাজানিছিল। তেওঁৰ নামটো সকলোৱে 'পইছা খোৱা' বুলি জানিছিল। কাৰণ সৰুতে তেওঁ হেনো পইছা এটা গিলি খাইছিল। তেওঁ খুব সাধুকথা কৈছিল। সদায় বটগছ এজোপাত আউজি বহি তেওঁ আমাক অনৰ্গল সাধুকথা কয়। সদায় নানান ধৰণৰ নতুন নতুন সাধুকথা। গাঁৱৰ জ্যেষ্ঠসকলে তেওঁক গুৰুত্ব নিদিয়ে; কিন্তু আমি বৰ ভাল পাওঁ। যদিও তেওঁ বহুত কথা কৈছিল, কিন্তু কেতিয়াও মিছা নকৈছিল। 'পইছা খোৱাই' যিদৰে আমাক মুগ্ধ কৰিছিল, মই দৰ্শকক সেইদৰে মুগ্ধ কৰিব পাৰিছোঁ নে নাই সদায় চিন্তা কৰোঁ। কিন্তু মই পৰা নাই। Art of story telling কলাটো বেলেগ ধৰণৰ বস্তু। ছবি এখন কৰোঁতে মই 'পইছা খোৱাক' আগত লৈ কৰোঁ। মোৰ মনৰপৰা মচিব নোৱৰা শৈশৱৰ অভিজ্ঞতা।

**বাখৰ :** অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যৎ সম্পৰ্কে অনেকে দুৰ্ভাৱনা প্ৰকাশ কৰে। তাৰ মাজতে 'ভিলেজ



সম্বন্ধে এটা বিবেচনা কৰি তাৰ মাপকাঠি উলিয়াব পাৰিব লাগে। পৰিচালক এজনৰ আগৰ ভাল ছবি চোৱাৰ অভিজ্ঞতাৰ ভিত্তিত তেওঁৰ পিছৰ ছবিবোৰ চোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে, পুৰস্কাৰ পোৱালৈ বাট চাব নালাগে।

**বাখৰ :** এছ. এছ. ৰাজমৌলীৰ সম্পূৰ্ণৰূপে কল্পনাসমৃদ্ধ চিনেমা 'বাহুবলী'ৰ পৰিৱৰ্তে আমাৰ ঐতিহাসিক বীৰসমূহ যেনে, লাচিত বৰফুকন বা চিলাৰায়ৰ ওপৰত এতিয়ালৈকে কিয় চিনেমা নিৰ্মাণ হৈ উঠা নাই?

**জাহ্নু বৰুৱা :** 'বাহুবলী' সম্পূৰ্ণ কাল্পনিক। কিন্তু ছবি হিচাপে গ্ৰহণযোগ্য। আমাৰ ঐতিহাসিক চৰিত্ৰ কিছুমান আছে—লাচিত, চিলাৰায়, চুকাফা, শংকৰদেৱ আদি। এওঁলোকক লৈ নিশ্চয় ছবি হ'ব লাগে। বিশেষকৈ লাচিতৰ ওপৰত। তেওঁ কি পৰিস্থিতিত এখন যুদ্ধত জয়লাভ কৰিছিল, সেই কথা চলচ্চিত্ৰ এখনত দেখুৱাটো যথেষ্ট ব্যয়বহুল বিষয়। অসমীয়া ছবি হিচাপে খৰচ কৰি তেনে প্ৰক্ৰিয়া এটা কোনেও হাতত নলয়। লাচিত বৰফুকন যদি American character হ'লহেঁতেন World wide হ'লহেঁতেন। চৰিত্ৰটো এনেকুৱা এখন ঠাইৰ হ'ব লাগিছিল। লাচিতৰ কাহিনী অসমতো বহুতে নাজানে। ফলত আমি সেইদৰে উপস্থাপন কৰিব পৰা নাই। মহাৰাষ্ট্ৰৰ শিক্ষাৰ্থীয়ে লাচিতৰ কথা নাজানে। আমি শিৱাজীৰ কথা জানো। তোমালোকৰ কৰ্তব্য লাচিতক জনাব পাৰিব লাগিব। ডিজিটেল টেক্‌নলজী বহুত ভাল হ'ব লাগিব। এয়া হৈ নুঠা বাবে আমি জাতিটোৰে লাজ

ৰকষ্টাৰ' চলচ্চিত্ৰই স্বৰ্ণকমল বঁটা লাভ কৰিছে। এগৰাকী স্বৰ্ণকমল বঁটাপ্ৰাপক পৰিচালক হিচাপে এই সন্দৰ্ভত আপোনাৰ অনুভৱ কেনে?

**জাহ্নু বৰুৱা :** অসমীয়া ছবি অসমীয়া দৰ্শকে চাব নোখোজা কথাটো এটা বেলেগ কথা। প্ৰত্যেক ছবিয়ে স্বৰ্ণকমল পাব লাগিব বুলি কথা নাই। শ্ৰেষ্ঠ দৌৰবিদ এজনেই হয়। তেওঁক চাই আমি বাকীবোৰক বাদ দিব নোৱাৰোঁ, কিয়নো তেওঁলোকেও প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ দৌৰ সম্পূৰ্ণ কৰিছে। পুৰস্কাৰ লাভ নকৰা ছবি নোচোৱাটো আমাৰ এটা বেমাৰত পৰিণত হৈছে। পৰিশ্ৰম, প্ৰগতি আৰু পুৰস্কাৰ বেলেগ বস্তু। পৰিশ্ৰম কৰিলে প্ৰগতি হ'ব, প্ৰগতি থাকিলে পুৰস্কাৰ পাব। কিছুমান ক্ষেত্ৰত যেনে, abstract বস্তুৰ মাপকাঠি উলিয়াব নোৱাৰি। কোনোবা জুৰীয়ে যদি কোনো বস্তুক শ্ৰেষ্ঠ বুলি বিবেচনা কৰে, তেন্তে আমি তাক মানি লওঁ। কিন্তু তাৰ পৰিৱৰ্তে আমি নিজে কিয় বিবেচনা নকৰোঁ। সেই অভ্যাসটো নাথাকিলে নহয়। নিজৰ বিবেচনা শক্তি থাকিব লাগে। কোনো এখন ছবিয়ে যেতিয়া মুক্তি পায় তেতিয়া আমি ছবিখন

পাব লাগে। লাচিতৰ শৰাইঘাট যুদ্ধৰ কৌশল এটা ডাঙৰ lesson।

**বাখৰ** : 'ম্যেনে গান্ধীকো নহী মাৰা' হিন্দী ছবিখন কৰাৰ উদ্দেশ্য কি আছিল? মহাত্মা গান্ধীৰ চৰিত্ৰটো নিৰ্বাচন কৰাৰ অন্তৰালত কিবা কথা আছে নেকি? ছবিখন অসমৰ পটভূমিত কিয় কৰা নহ'ল?

**জাহ্নু বৰুৱা** : এইটো ডাঙৰ বিশ্লেষণ। তোমালোকে মহাত্মা গান্ধীক কেনেকৈ গ্ৰহণ কৰা? বহুতে ভাল পায়, বহুতে বেয়া পায়। মই মহাত্মা গান্ধীৰ কিছুমান ideology ভাল পাওঁ। এটা হ'ল স্বৰাজ আৰু এটা অহিংসা। সেইফালৰপৰা গান্ধী aspectটো আহিছে। অসমত সেইবোৰ মই নাপালোঁ। স্বৰাজ মানে—Know your land and people; depend on your resources। অসমৰ চাহ আমাৰ শ্ৰেষ্ঠ সম্পদ (Best resources)। আমি যদি জন্ম হৈয়েই আমেৰিকাৰ সপোন দেখোঁ তেতিয়াই ই anti স্বৰাজ। মই যদি মোৰ ঠাইখনক ছবিত দেখুৱাব নোৱাৰোঁ, তেনেহ'লে কি হ'ব? গান্ধীয়ে সেইটোৱে বাৰে বাৰে কৈছিল। গান্ধীৰ অহিংসা নীতি মোৰ প্ৰিয়। হিংসাত একো সমাধান নোলায়। এটা সমাধান হ'ব দমাই থোৱা। মই আন এটা কথা ছবিখনত দিবলৈ চেষ্টা কৰিছোঁ। সেয়া হ'ল—Professionalism আৰু Punctuality।

**বাখৰ** : ছবি এখন সফল হোৱাত কেমেৰামেন এজনৰ ভূমিকা কেনেকুৱা?

**জাহ্নু বৰুৱা** : ছবিখনৰ ফ্ৰেমটো কি হ'ব কেমেৰামেনজনে নিজৰ অনুভৱেৰে কৰে। কেমেৰাটো move কৰি থাকোঁতে তেওঁ সিদ্ধান্ত লয়। এক ছেকেণ্ডত ২৪টা Frame থাকে। তেওঁ এক মিনিটত প্ৰতিটো Frame compose কৰে। সিদ্ধান্তবিলাক শুদ্ধ হ'ব লাগিব। কেমেৰামেনৰ সেইটো দক্ষতা থাকিব লাগিব। Framingটো কিমান হ'ব লাগিব কেমেৰামেনে পৰিচালকৰ লগত কথা পাতি সিদ্ধান্ত লয়। এনে কাম এটা ছবিখনৰ দৃশ্যগ্ৰহণ চলি থাকোঁতে অহৰহ কৰি থাকিবলগীয়া হয়। ই বৰ সহজ নহয়। গতিকে কেমেৰামেনজনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

**বাখৰ** : আপোনাৰ পছন্দৰ পাঁচখন বিশ্ব পৰ্যায়ৰ ছবিৰ নাম ক'ব নেকি?

**জাহ্নু বৰুৱা** : Bicycle thieves, Tokyo story, পথেৰ পাচালী, Seven Samurai , মেঘে ঢাকা তাৰা।

**বাখৰ** : আপোনাৰ প্ৰিয় চলচ্চিত্ৰ পৰিচালক পাঁচগৰাকীৰ নাম সুধিলে আপুনি কাৰ কাৰ কথা ক'ব?

**জাহ্নু বৰুৱা** : আকিৰা কুৰুচাৱা (জাপান), অ'চ'জিৰ' অ'জু (জাপান), ফেডেৰিক' ফেলিনি (ইটালী), ভিট্ট'ৰিঅ' চি সিকা (ইটালী), সত্যজিৎ ৰায় (ভাৰত)।

**বাখৰ** : আমি শিক্ষাৰ্থীসকলে বৰ্তমান সময়ত ভৱিষ্যত জীৱনৰ লক্ষ্য স্থিৰ কৰাত কোনকেইটা কথা গুৰুত্বপূৰ্ণ বুলি আপুনি ভাবে?

**জাহ্নু বৰুৱা** : মই তোমালোকক পাঁচটা 'D' মানি চলিবলৈ ক'ম—Discipline, Devotion, Determination, Dedication, Decision.

আনটো কথা হ'ল—সময়ানুবৰ্তিতা। মই Mirror Philosophyত বিশ্বাসী। অৰ্থাৎ মই যদি কাৰোবাক আঘাত কৰোঁ Mirror Philosophyয়ে বুজাব যে তেৰোঁ যদি মোক এনেদৰে আঘাত কৰে তেতিয়া মোৰ কেনে লাগিব? সেইটোৱে বহু ক্ষেত্ৰত নিজক ভুল সিদ্ধান্ত লোৱাৰপৰা বচাই ৰাখে।

আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল তুমি তোমাৰ অতীতক সন্মান কৰা। অতীত আছে বাবে বৰ্তমান আছে। মোৰ পূৰ্বপুৰুষ আছিল বাবে মই আছোঁ। মনত ৰাখিব লাগে—আমাৰ সকলোৰে এটা অতীত আছে। ই খুব সুন্দৰ আৰু গুৰুত্বপূৰ্ণ। অতীতত কৰা ভুল কামটো পিছত নকৰিবলৈ ই সোঁৱৰাই দিয়ে। উদাহৰণ স্বৰূপে মই যে এখন ছবি কৰিছোঁ তাত মোৰ পিতৃ-মাতৃ, বন্ধু-বান্ধৱৰ অৰিহণা আছে। মই মাত্ৰ কৰ্তা। গতিকে মোৰ দায়িত্ব ভাল কাম কৰা।

যিটো আজিৰ সমাজত নাইকিয়া হৈছে। বহুতে মাক-দেউতাকক নজনা বুলি হাঁহে। কিন্তু প্ৰয়োজন হ'লে মাক-দেউতাকক নজনা কথাটো শিকাই দিব লাগিব।

**বাখৰ :** অভিনয়ক জীৱিকা হিচাপে ল'বলৈ হ'লে আজিৰ নৱপ্ৰজন্মই কিদৰে প্ৰস্তুত হ'ব?

**জাহ্নু বৰুৱা :** 'Away from self' নিজৰপৰা আঁতৰত থাকি এটা বেলেগ চৰিত্ৰত সোমোৱাটো বৰ কঠিন। কিন্তু এজন অভিনেতা হিচাপে এই কঠিনতা বুজি লৈ গ্ৰহণ কৰিব লাগিব। অভিনয় জীৱিকা হ'ব পাৰে নে নোৱাৰে খাটাংকৈ ক'ব নোৱাৰি, সেয়া নিজৰ ওপৰত কথা। এই ক্ষেত্ৰখনত তেওঁ কেনেধৰণে আগবাঢ়ে সেয়া তেওঁৰ নিজৰ কথা। কিছুমানে সৰু চৰিত্ৰ এটাত অভিনয় কৰিও সন্তুষ্ট হ'ব পাৰে। এইটো debatable কথা।



**বাখৰ :** আপুনি নিৰ্মাণ কৰা ছবিবোৰৰ ভিতৰত কোনটো চৰিত্ৰ আপোনাৰ আটাইতকৈ প্ৰিয়?

**জাহ্নু বৰুৱা :** সকলোবোৰ চৰিত্ৰই প্ৰিয়। তাৰ ভিতৰত 'সাগৰলৈ বহু দূৰ' ছবিৰ 'পইছা খোৱা'ৰ চৰিত্ৰটো। চৰিত্ৰবোৰলৈ কিছুমান বিশেষত্ব আনো। জীৱনৰপৰা সেইবোৰ বুটলি আনো আৰু চৰিত্ৰত ভৰাই দিওঁ।

**বাখৰ :** বৰ্তমান ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ আগ্ৰাসনৰ ফলত অসমীয়া ভাষা-সংস্কৃতি সংকটাপন্ন হৈছে। এই ক্ষেত্ৰত আপোনাৰ মতামত কি?

**জাহ্নু বৰুৱা :** অসমীয়া জাতিটোৰ এয়া সংকটপূৰ্ণ অৱস্থা। অসমীয়া জাতিটো খাই পাত ফলা। এই স্বভাৱটো থকালৈ এইটো অনুভৱ নকৰে। এদিন যেতিয়া সকলো লোপ পাব, তেতিয়া পলম হৈ যাব। তোমালোক ভুক্তভোগী। মানৱীয় গুণবোৰ থকালৈ জাতিটো জীয়াই থাকে। পইছাই মানৱীয়তা ধ্বংস কৰে। আমি জাতি, ভাষা আৰু সংস্কৃতিক গুৰুত্ব নিদি বস্তুবাদী পৃথিৱীক গুৰুত্ব দিওঁ। পূৰ্বতে অসমে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ নেতৃত্ব লৈছিল, সিদ্ধান্ত লৈছিল। এতিয়া সকলো ভাগ ভাগ হ'ল। ঘৰ এখন ভাঙি গ'লে মুৰব্বীজনৰ দোষ নে ভাঙি যোৱাজনৰ দোষ? মূল দোষ অসমীয়াৰ। কেবাখনো ঠাই লগ হোৱা দৃষ্টান্ত বহুত আছে, কিন্তু ভাগ ভাগ হোৱা দৃষ্টান্ত খুব কম। যিমানে একেলগ হৈ থাকিবা সিমানেই আগবাঢ়ি যাব পাৰিবা। সিমানে শক্তিশালী হৈ থাকিবা। ভাগি গ'লে দুৰ্বল হৈ পৰিবা। ❖

*(সাক্ষাৎকাৰত অংশগ্ৰহণকাৰীসকল হ'ল—সৃজন বৰুৱা, ৰক্তিম অভিনন্দন বৰ্মন (অষ্টম শ্ৰেণী), তৃষা কাশ্যপ, গীতাৰ্থী বৰা, বেদান্ত কলিতা, মৃত্যুঞ্জয় মেধি, উপাংশু প্ৰতিম শৰ্মা, বাস্তৱ ভূঞা, নিশান্ত চৌধুৰী (নৱম শ্ৰেণী)। তত্ত্বাৱধায়ক শিক্ষয়িত্ৰীসকল—পল্লৱী গোস্বামী, উদয়া ফুকন আৰু উৎপলা বৰা। আলোকচিত্ৰ গ্ৰহণকাৰী নৱম শ্ৰেণীৰ নিশান্ত চৌধুৰী।)*

# ‘আলোক সন্ধানী’ৰ বাখৰুৱা আখৰ —এটি আলোকপাত

◆ অসীম কৃষ্ণ বৰুৱা
শিক্ষক, সমাজ বিজ্ঞান বিভাগ




**বাটচ’ৰাতে...**

১৯৯৪ চনৰপৰা ২০১৮ চন। পঁচিছ বছৰীয়া এক বৰ্ণিল যাত্ৰা, নীতি-আদৰ্শ প্ৰতিষ্ঠাৰ যাত্ৰা। সংকটৰপৰা সম্ভাৱনাৰ অঘোষিত ৰণ আৰু অনাগত সময়ৰ পৰিকল্পনা আৰু সাহসৰ স্বাক্ষৰ অসম জাতীয় বিদ্যালয়। ২০১৮ বছৰটো অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তী হিচাপে উদ্‌যাপন কৰা হ’ল। ২৫টা বছৰক বিশেষ দীঘলীয়া সময় আখ্যা দিয়া নহয়। কিন্তু সুদীৰ্ঘ সময়ো নিস্তৰংগ আৰু নতুনত্বহীন হৈ থাকিব পাৰে, হোৱা দেখা যায়। তেনে বিশ্লেষণৰ মাজত অসমৰ জাতীয় জীৱনত যোৱা ৪৫টা বছৰ সঁচাকৈয়ে সংঘাতপূৰ্ণ সময় আছিল বুলি আমি বুজি উঠিছোঁ। সংঘাত মানেই দুৰ্ভাৱনা অথবা ধ্বংসাত্মক নিশ্চয় নহয়। সংঘাতৰ একোটা খবৰে সাহসৰ সৃষ্টি কৰে, তাতেই সংশ্লিষ্ট সমাজখনৰ দীৰ্ঘায়ু আৰু সুস্থতা সুনিশ্চিত হয়। মাধ্যম আন্দোলন (১৯৭২ চন), বিদেশী বহিষ্কৰণ আন্দোলন (১৯৭৯-১৯৮৫), সশস্ত্ৰ আন্দোলন, আঞ্চলিকতাবাদী ৰাজনীতিৰ উত্থান, জাতি-জনগোষ্ঠীৰ আত্মনিৰ্ধাৰণৰ আন্দোলন আদিৰ মাজেৰে গতি কৰোঁতে অসমৰ খিলঞ্জীয়া মানুহ আৰু অসমক সাংবিধানিকভাৱে মাতৃভূমিৰূপে গ্ৰহণ কৰা মানুহবোৰৰ জীৱন আৰু জগত আন্দোলিত হৈ পৰাৰ সময় আছিল এয়া। এনে সিদ্ধান্তহীনতা আৰু অনিশ্চয়তাৰ মাজতেই অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাই শিক্ষাজগতলৈ, অসমীয়া ভাষা-সাহিত্য ৰক্ষাৰ ক্ষেত্ৰত, উদাৰমুখী জাতীয়তাবাদৰ ক্ষেত্ৰত এক সুস্পষ্ট স্থিতি ঘোষণা কৰিব পাৰিছিল। এখন বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সাধাৰণ যেন লগা কথাটোৱে জাতীয় বিদ্যালয় সত্তাৰ অভিধা লাভ কৰাটোও ক্ষিপ্ৰভাৱে সম্ভৱ হৈ পৰিল।

২০১৮ চনৰ সমগ্ৰ বছৰজোৰা কাৰ্যসূচী আৰু ইয়াৰ যথাসম্ভৱ সফল ৰূপায়ণ এক সুখকৰ সোঁৱৰণ হৈ থাকিব। এনেবোৰ কাৰ্যসূচীৰ ভিতৰত স্থায়ী, সুদূৰপ্ৰসাৰী কামটো আছিল ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ নিৰ্মাণ। স্মৃতিগ্ৰন্থৰ আভিধানিক অৰ্থ হ’ল




কোনো অনুষ্ঠান আদিৰ স্মৃতি ৰক্ষাৰ্থে উলিওৱা গ্ৰন্থ। অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ এটা নামকৰণ কৰা হৈছে। আলোক সন্ধানী। এই নামকৰণৰ দ্বাৰা প্ৰত্যায়িত কৰিব খোজা কথাটো হৈছে যে স্মৃতিৰ বুকুত বাহ লোৱা কথাবোৰৰ মাজেৰে বৰ্তমান আৰু ভৱিষ্যতৰ পথ সন্ধান কৰা। এই পথ পোহৰৰ পথ, পোহৰ পথৰ যাত্ৰীসকলেই আলোক সন্ধানী।

## আলোক সন্ধানীৰ ভিতৰচ'ৰা

আলোক সন্ধানীৰ মুদ্ৰিত পৃষ্ঠাৰ সংখ্যা ৪৭৯টা। পকা বন্ধা আৰু হৰজ্যোতি শৰ্মাই অংকন কৰা সুদৃশ্য বেটুপাতেৰে আলোক সন্ধানীৰ ওজন বেছ বুজন। সম্পাদক ডা° নাৰায়ণ শৰ্মা আৰু সহযোগী সম্পাদক অপৰাজিতা বৰা আৰু অসীম কৃষ্ণ বৰুৱা। উপদেষ্টামণ্ডলী হ'ল—প্ৰকাশ মহন্ত, দিব্যৰঞ্জন শৰ্মা খাটনিয়াৰ, কমলাকান্ত বৰা, দিগন্ত ওজা আৰু ড° ধৰণী লাহন। দিলীপ কুমাৰ দত্তচৌধুৰী, নৰেন্দ্ৰ মোহন গোস্বামী, প্ৰেছ সম্পাদক ৰবীন্দ্ৰ বৰ্মন প্ৰমুখ্যে ২২ গৰাকী সদস্যৰে গঠিত সম্পাদনা সমিতিৰ লগতে অনেকজনৰ অহোৰাত্ৰ পৰিশ্ৰমৰ ফলস্বৰূপে আলোক সন্ধানীয়ে বাস্তৱ ৰূপ লাভ কৰিছে।

ৰূপালী জয়ন্তী, সোণালী জয়ন্তী উপলক্ষে স্মৃতিগ্ৰন্থ প্ৰকাশ পায়। সময় বাগৰি যায়, মানুহ নোহোৱা হয়। নতুন সময় নতুন মানুহৰ বাবে ৰৈ যায় লিখিত ৰূপৰ শব্দ আৰু বাক্য। সেই অৰ্থতেই স্মৃতিগ্ৰন্থ হৈ পৰে সময়ৰ দলিল। সুদীৰ্ঘ সময়ান্তত এই শব্দ-বাক্যবোৰ হৈ পৰে ইতিহাস। প্ৰস্তুতি পৰ্বত সম্পাদনা সমিতিয়ে চিন্তা কৰিছিল যে আলোক সন্ধানীখন যাতে সময়ৰ দলিল হৈ ৰয়। সেয়েহে ইয়াক পূৰ্ণাংগ গ্ৰন্থ এখনৰ ৰূপ দিয়াৰ চেষ্টা কৰা হৈছিল। সেই চেষ্টা কিমানদূৰ ফলপ্ৰসূ হ'ল তাৰ বিচাৰ পাঠক সমাজৰ হাতত।

## প্ৰবন্ধসমূহক যদি ভাগ কৰা হয়

আলোক সন্ধানীত সন্নিৱিষ্ট প্ৰবন্ধ শিতানক মুঠতে ১০টা ভাগত ভাগ কৰিব পৰা যায়। ভাগকেইটা হ'ল—

ক) অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সাম্প্ৰতিক ইতিহাসৰ আলোচনাত্মক প্ৰবন্ধ।

খ) ৰাজ্যৰ বৰেণ্য ব্যক্তিসকলৰ দৃষ্টিত অসম জাতীয় বিদ্যালয়ৰ অৱদান, সম্ভাৱনা আৰু প্ৰত্যাহ্বান।

গ) মাতৃভাষা মাধ্যম আৰু বিদ্যালয় হিচাপে অসম জাতীয় বিদ্যালয় আৰু আন জাতীয় বিদ্যালয়সমূহৰ ভূমিকা আৰু গুৰুত্ব।

ঘ) ২৫ বছৰীয়া সোঁৱৰণ প্ৰকাশৰ প্ৰবন্ধ।

ঙ) শিক্ষাবিদ স্বৰ্গীয় কৃষ্ণ কুমাৰ বৰা, বিদ্যালয়ৰ এজন অন্যতম প্ৰতিষ্ঠাপক স্বৰ্গীয় ভবেন কুমাৰ বৰা, প্ৰতিষ্ঠা কালৰ শিক্ষক স্বৰ্গীয় ত্ৰিদিৱ ভট্টাচাৰ্য্য আৰু অসমত মণ্টেছৰী শিক্ষাৰ এগৰাকী পথ প্ৰদৰ্শক স্বৰ্গীয়া শৈলবালা বৰুৱাৰ কৰ্ম, জীৱন আৰু অৱদানৰ বিষয়ে শ্ৰদ্ধাৰ্ঘ্যমূলক প্ৰবন্ধ।

চ) সংবাদ মাধ্যম, বাতৰি কাকতৰ সম্পাদকীয় পৃষ্ঠাত অসম জাতীয় বিদ্যালয় সম্বন্ধীয় প্ৰবন্ধ।

ছ) মহাপুৰুষ শংকৰদেৱ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকা বিষয়ক প্ৰবন্ধলানি।

জ) প্ৰাক্-বিদ্যালয় শিক্ষা, অসমীয়া শিক্ষা, ইংৰাজী শিক্ষা, গণিত শিক্ষা, বিজ্ঞান শিক্ষা, সমাজ বিজ্ঞান শিক্ষা, হিন্দী শিক্ষা, সুকুমাৰ কলা শিক্ষা, কম্পিউটাৰ শিক্ষা, শিক্ষা আৰু দৃশ্য-শ্ৰাব্য মাধ্যম, সহ-পাঠ্যক্ৰম : আমাৰ প্ৰাথমিকতা শীৰ্ষক প্ৰবন্ধলানি।

ঝ) ধীৰেন্দ্ৰনাথ বেজবৰুৱা, যুগল কুমাৰ গোস্বামী, দিব্যৰঞ্জন শৰ্মা খাটনিয়াৰ, দীপঙ্কৰ মহন্তৰ ইংৰাজী প্ৰবন্ধলানি।

ঞ) ইংৰাজী আৰু অসমীয়া ভাষাত অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীৰ লেখনিসমূহ।

## আলোক সন্ধানীৰ সম্পদসমূহ

আলোক সন্ধানীৰ বৃহৎ কলেৱৰত বিগত ২৫টা বছৰৰ সকলো ধৰণৰ প্ৰকাশযোগ্য তথ্যপাতি, ১৯৯৪ চনৰপৰা ৰূপালী জয়ন্তীলৈকে বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা দিয়া সমূহ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ নাম-তালিকা, পৰিচালনা সমিতিৰ সাংগঠনিক পৰিক্ৰমা, কৃতজ্ঞতাৰ পৃষ্ঠাত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীৰ ফট' সম্বলিত নাম-তালিকা, দেশ-বিদেশত অধ্যয়নৰত প্ৰাক্তন শিক্ষাৰ্থীৰ নাম আৰু ফট', ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিদ্যালয়ৰ শিক্ষাৰ্থীৰ কৃতিত্ব, বিদ্যালয়ে প্ৰদান কৰা শৈক্ষিক বৃত্তি, ফেল'শ্বিপ-সন্মান, অতিথিৰ কলমত জাতীয় বিদ্যালয়, যোৱা পঁচিছটা বছৰৰ ডায়েৰী আৰু বিশেষ খবৰকে ধৰি সামগ্ৰিকভাৱে সকলো খবৰ তথ্যপাতি সন্নিৱিষ্ট হৈছে। সেইদৰে অজাবি শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসে প্ৰকাশ কৰা পাঠ্যপুথি আৰু অন্যান্য গ্ৰন্থৰ তালিকা, ৰূপালী জয়ন্তী উদ্‌যাপনৰ উদ্‌যাপন সমিতিৰ নাম-তালিকা আদি সকলো কথা সবিশেষ উত্থাপন কৰা হৈছে। সেইদৰে ২৫টা বছৰৰ নিৰ্বাচিত আলোক চিত্ৰৰ মেটমৰা সম্ভাৰ আলোক সন্ধানীৰ এক অন্যতম সংযোজন।

ওপৰত উল্লেখ কৰা শিতানসমূহ যিকোনো স্মৃতিগ্ৰন্থৰ ক্ষেত্ৰত সহজলভ্য কথা। কিন্তু এনে তথ্য-পাতি, খা-খবৰ, বিষয়বস্তুবোৰ কিমান পুংখানুপুংখভাৱে সন্নিৱিষ্ট কৰা হৈছে সেইটোহে আচল কথা। আলোক সন্ধানীৰ প্ৰসংগত এনে কষ্টসাধ্য পুংখানুপুংখিতা ৰক্ষা হৈছে বুলি ক'ব পৰা যায়।

## প্ৰবন্ধসমূহৰ ভিতৰচ'ৰা

'আলোক সন্ধানী'ৰ প্ৰবন্ধসমূহক সংকলনটিৰ মূল সম্পদ বুলি নিশ্চয়কৈ আখ্যা দিব পৰা যায়। এই প্ৰবন্ধবোৰৰ সম্যক আলোকপাতৰ বাবে নিশ্চয় বিজ্ঞসমাজে আগ্ৰহ দেখুৱাব। আমাৰ নাতি-দীৰ্ঘ আলোচনাই এনে সকলো দিশ সামৰি লোৱাত সমৰ্থ নহ'ব বুলি প্ৰাৰম্ভতেই জনাই থৈছোঁ।




## ড° নাৰায়ণ শৰ্মা আৰু দিলীপ কুমাৰ দত্ত চৌধুৰীৰ কলমেৰে অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ পৰিচয়মূলক প্ৰবন্ধ

'আলোক সন্ধানী'ত জাতীয় বিদ্যালয় সত্তাৰ জন্মলগ্নৰ ইতিহাস সম্বন্ধে ডা° নাৰায়ণ শৰ্মাৰ 'অসম জাতীয় বিদ্যালয়' শীৰ্ষক প্ৰবন্ধটোৱে এক সবিস্তাৰ বিৱৰণ উন্মোচন কৰিছে। অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপকসকলৰ সংকল্প, যোগসূত্ৰৰ আধাৰত বিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক প্ৰত্যাহ্বান, বিশ্বাস আৰু আদৰ্শৰ প্ৰসাৰৰ কাহিনী অতিশয় চিত্তাকৰ্ষক ৰূপত এই প্ৰবন্ধত আলোচনা কৰা হৈছে। সেইদৰে 'অসম জাতীয় বিদ্যালয়' এক অবিৰত যাত্ৰা' শীৰ্ষক প্ৰবন্ধ দুটাৰ লেখক ক্ৰমে ডা° নাৰায়ণ শৰ্মা আৰু দিলীপ কুমাৰ দত্তচৌধুৰী। এই দুয়োটা প্ৰবন্ধতে বিগত পঁচিছটা বছৰত অসম জাতীয় বিদ্যালয়ৰ নীতি-আদৰ্শৰ কাৰ্যকৰী প্ৰতিফলন আৰু অভিজ্ঞতাৰ বিষয়ে আলোচনা হৈছে। 'মাতৃভাষা মাধ্যমত বিদ্যালয় পৰ্যায়ৰ শিক্ষা গ্ৰহণ'ৰ নীতি-আদৰ্শ যে এক বিজ্ঞানসন্মত আৰু আন্তৰ্জাতিকভাৱে শুদ্ধ সিদ্ধান্ত সেই কথা অসম জাতীয় বিদ্যালয় আৰু ৰাজ্যখনৰ জাতীয় বিদ্যালয়সমূহে প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। এই দুয়োটা প্ৰবন্ধই অসম জাতীয় বিদ্যালয়ৰ সামগ্ৰিক নীতি-আদৰ্শ আৰু ইয়াৰ কাৰ্যকৰীকৰণৰ সফলতা আৰু ভৱিষ্যমুখী চিন্তাৰ অৱলোকন কৰিছে।

বৰ্তমানৰ অধ্যক্ষ ঘনশ্যাম মেধিৰ 'অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী' শীৰ্ষক প্ৰবন্ধটোৱে ৰূপালী জয়ন্তীৰ সামগ্ৰিক কাম-কাজ আৰু কাৰ্যসূচীৰ বিশদ বিৱৰণ দাঙি ধৰিছে। সমগ্ৰ বছৰটোত ১২টাকৈ বিশাল কাৰ্যসূচী ৰূপায়ণৰ এই পুংখানুপুংখ বিৱৰণে ভৱিষ্যতে সোণালী জয়ন্তী উদ্‌যাপনৰ কাৰ্যসূচী গ্ৰহণৰ ক্ষেত্ৰতো ভৱিষ্যতৰ আয়োজকসকলক অনুপ্ৰাণিত কৰিব।




## লক্ষ্মীনাথ তামুলীৰ কলমত

ইতিহাসবিদ, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া লক্ষ্মীনাথ তামুলীৰ 'মাতৃভাষা মাধ্যমৰ বিদ্যালয় হিচাপে অসম জাতীয় বিদ্যালয়ৰ প্ৰত্যাহ্বানবোৰ' শীৰ্ষক প্ৰবন্ধটিয়ে এক বিশাল প্ৰেক্ষাপটত মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰি অসম জাতীয় বিদ্যালয়ে গঢ় দিয়া সফলতাৰ এক পৰ্যালোচনা আগবঢ়াইছে। এই পৰ্যালোচনাই ঐতিহাসিক পৃষ্ঠভূমিসহ, ইংৰাজৰ ঔপনিৱেশিক শাসন কালত ভাৰত আৰু অসমৰ সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক উত্থান-পতন, জাতীয়তাবাদী ভাবধাৰাৰ বিকাশৰ সৈতে মাতৃ, মাতৃভাষা আৰু মাতৃভূমিৰ সম্পৰ্কৰ মননশীল ব্যাখ্যা আগবঢ়াইছে। তাৰ সমান্তৰালভাৱে লেখকে সোণালী জয়ন্তীৰ সময়লৈকে জাতীয় বিদ্যালয় সত্তাৰ অগ্ৰগতিৰ বাবে ভৱিষ্যমুখী চিন্তা আৰু কামৰ প্ৰয়োজনীয়তাৰো ইংগিত দিছে। একে ধৰণে প্ৰথিতযশা নাট্যকাৰ আৰু অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীৰ অভিভাৱক জিতেন শৰ্মাই তেখেতৰ 'অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সংৰক্ষণ আৰু বিকাশত জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰপৰা সমাজৰ প্ৰত্যাশা' শীৰ্ষক প্ৰবন্ধত এক গভীৰ আৰু আশাব্যঞ্জক বাৰ্তা প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। অসম জাতীয় বিদ্যালয়ৰ নীতি-আদৰ্শৰ বাস্তৱ প্ৰতিফলন আৰু সৰ্বাংগীন প্ৰভাৱ যে বিদ্যালয়খনত অধ্যয়ন কৰা শিক্ষাৰ্থীসকলৰ জৰিয়তেহে সম্ভৱ—এই কথা জিতেন শৰ্মাৰ প্ৰবন্ধই সুন্দৰকৈ প্ৰকাশ কৰিছে।

## পুলিন কলিতাৰ গৱেষণাধৰ্মী প্ৰবন্ধ

'মাতৃভাষাত আনুষ্ঠানিক শিক্ষা' এই প্ৰবন্ধৰ লেখক পুলিন কলিতা। মাতৃভাষা মাধ্যম সম্বন্ধে কম সময় আৰু পৰিসৰত এক মনোজ্ঞ অধ্যয়নৰ বাবে পুলিন কলিতাৰ এই প্ৰবন্ধটিক সঁচাকৈয়ে অতি উপযোগী বুলি অনুভৱ কৰিব পৰা যায়। মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চিন্তা-চৰ্চা, ইউনেস্কোৰ প্ৰতিবেদন আদিৰ আধাৰত অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু বিকাশক সকলো স্তৰৰ পাঠকৰ বাবে আকৰ্ষণীয় কৰি তুলিবলৈ লেখক সক্ষম হৈছে।

## ঐতিহ্যৰ সংৰক্ষণ আৰু ঐতিহ্যৰ সংবৰ্দ্ধনৰ সংকল্প

প্ৰতিষ্ঠিত নাট্যকাৰ-পৰিচালক, অধ্যাপক নৱেন পাটগিৰিয়ে আলোক সন্ধানীৰ পাতত 'ঐতিহ্যৰ সংৰক্ষণ আৰু ঐতিহ্যৰ সংবৰ্দ্ধন' নামেৰে এক প্ৰবন্ধ লিখিছে। প্ৰবন্ধটিত এফালে বিশ্বায়নে সৃষ্টি কৰা প্ৰায় অপ্ৰতিৰোধ্য প্ৰত্যাহ্বান আৰু আগ্ৰাসনৰ সমুখত অসমীয়া জাতিৰ ঐতিহ্য-পৰম্পৰা ৰক্ষাৰ সংগ্ৰামৰ এক গভীৰ বিশ্লেষণ দাঙি ধৰা হৈছে। মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণৰ সৈতে সম্পৰ্কিত বিষয়টো যে কেৱল বিদ্যায়তনিক বিষয় নহয়, তাৰ বিপৰীতে ই জাতীয় ঐতিহ্য প্ৰতিষ্ঠা আৰু সংৰক্ষণৰ ৰক্ষাকৱচ সেই কথাই পাঠকক সহজেই সচেতন কৰিব পাৰে।

## প্ৰকাশ মহন্ত আৰু দিব্যজ্যোতি শৰ্মাৰ বিশ্লেষণৰ ইংগিত

বিশিষ্ট সাংবাদিক প্ৰকাশ মহন্তৰ 'অসম জাতীয় বিদ্যালয় আন্দোলন আৰু ইয়াৰ ভৱিষ্যৎ' নামৰ প্ৰবন্ধটোৰ জৰিয়তে বিগত পঁচিছটা বছৰত সৃষ্টি হোৱা সম্ভাৱনা, সংকল্পই কিদৰে জাতীয় জীৱনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে সেই কথা আলোচিত হৈছে। বিশিষ্ট সাহিত্যিক বিশ্বেশ্বৰ হাজৰিকাদেৱে তেখেতৰ 'অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ভাষাৰ বিকাশত অসম জাতীয় বিদ্যালয়ৰ সম্ভাব্য ভূমিকা' শীৰ্ষক প্ৰবন্ধটোত মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ সমান্তৰালভাৱে 'বহুভাষিকতাবাদ'ৰ বিকাশৰ জৰিয়তেহে 'বৰ অসম'ৰ সামাজিক-সাংস্কৃতিক ঐক্য ৰক্ষা হোৱাৰ এক পৰিকল্পনা দাঙি ধৰিছে।

'জাতীয় বিদ্যালয়ৰ ইতিহাস, গুৰুত্ব আৰু ভৱিষ্যৎ প্ৰজন্মলৈ ইয়াৰ অৱদান' এই প্ৰবন্ধৰ লেখক দিব্যজ্যোতি শৰ্মা। জাতীয় বিদ্যালয় আন্দোলনৰ এজন

সক্ৰিয় কৰ্মী হিচাপে দিব্যজ্যোতি শৰ্মাৰ এই প্ৰবন্ধই এক বিশাল পৰিসৰ সামৰি ল'ব পাৰিছে। পাঠকৰ বাবে ই এক সুখপাঠ্য প্ৰবন্ধ।

### ড° হীৰেন গোহাঁইৰ দিক্‌দৰ্শন

'আলোক সন্ধানী'ৰ কলেৱৰত বিশিষ্ট সংযোজন হিচাপে চিন্তাবিদ, সাহিত্যিক ড° হীৰেন গোহাঁইৰ 'অসমৰ জাতীয় শিক্ষানীতিৰ মূল সূত্ৰসমূহ' নামৰ প্ৰবন্ধটোৰ কথা নিশ্চিতভাৱে ক'ব পৰা যায়। এই লেখনিৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিচিত্ৰতা আৰু ব্যাপকতা বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি বুজা যায়। কাৰণ ভাৰতৰ অংগৰাজ্য অসমৰ ক্ষেত্ৰত জাতীয় শিক্ষা নীতিৰ লক্ষ্য আৰু স্বৰূপ, সম্ভাৱনা-দুৰ্ভাৱনা, প্ৰত্যাহ্বান, নীতিগত আৰু পদ্ধতিগত স্পষ্টতা, দায়বদ্ধতা আদি প্ৰসংগৰ পটভূমিত জাতীয় বিদ্যালয় সত্তাৰ স্থিতি সম্পৰ্কে এক বিশাল প্ৰেক্ষাপট প্ৰবন্ধটিয়ে সামৰি লৈছে। এই প্ৰেক্ষাপটত ঐতিহাসিক বিশ্লেষণ, ঔপনিৱেশিক শাসন আৰু তাৰ পৰৱৰ্তী সময়ত গোলামী মনোভাব, আঞ্চলিক বৈশিষ্ট্যৰ প্ৰতি দমনমূলক কাৰ্যসূচী, ইংৰাজী আৰু হিন্দী মাধ্যমৰ আগ্ৰাসনৰ ষড়যন্ত্ৰ, বৰ্ণবাদী-ধৰ্মান্ধ কাৰ্যসূচী, আৰ্থ-সামাজিক বৈষম্য, সুবিধাভোগী আৰু সুবিধাহীনৰ সংঘাত আদি বিষয়বস্তুৰ মাজেৰে নিবন্ধটোৰে স্বাভাৱিকতেই বিশেষ মাত্ৰা লাভ কৰিছে। ইয়াত ড° গোহাঁইৰ এষাৰ কথা বিশেষভাৱে উল্লেখযোগ্য বুলি অনুভৱ কৰিছোঁ। কথাষাৰ হ'ল 'উৎকৃষ্টমানৰ শিক্ষা প্ৰদান কৰাতে নিবিষ্ট নাথাকি জাতীয় জীৱনৰ ভৱিষ্যত অস্তিত্ব আৰু সমৃদ্ধিৰ কথা দকৈ ভাবিব লাগিব আৰু জাতীয় বিদ্যালয় সেই চিন্তাৰ আধাৰত গঢ়ি তুলিব লাগিব।'

### ড° নগেন শইকীয়াদেৱৰ ঐতিহাসিক প্ৰেক্ষাপট আৰু...

বৰেণ্য সাহিত্যিক ড° নগেন শইকীয়াদেৱে 'অসম জাতীয় বিদ্যালয় প্ৰতিষ্ঠাৰ পটভূমি' নামৰ এটি নিবন্ধৰে আলোক সন্ধানীক চহকী কৰিছে। ড° শইকীয়াদেৱে অসমত আমেৰিকান মিছনেৰীসকলৰ আগমনৰ পটভূমিত অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠা আৰু বিকাশৰ সংগ্ৰামৰপৰা স্বাধীনোত্তৰ কাললৈকে এক মনোজ্ঞ আলোচনাৰ অৱতাৰণা কৰিছে। অসম সাহিত্য সভাই কিদৰে ১৯৫০ চনত অসমীয়া ভাষাক ৰাজ্যভাষাৰূপে স্বীকৃতি দিয়াৰ দাবী উত্থাপন কৰিছিল, মাধ্যম আন্দোলনৰ পটভূমি, আশীৰ দশকৰ অসম আন্দোলনৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী সময়ত সৃষ্টি হোৱা প্ৰত্যাহ্বানৰ আলোচনাৰ মাজেৰে অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয়সমূহে সৃষ্টি কৰা আশা আৰু বিশ্বাসৰ বহল আলোচনাই ড° শইকীয়াদেৱৰ নিবন্ধটিক অনন্য মাত্ৰা প্ৰদান কৰিছে।




### হোমেন বৰগোহাঞিৰ সচেতন প্ৰশংসা...

অসমীয়া ভাষা-সাহিত্য আৰু চিন্তা জগতৰ আন এজন নমস্য ব্যক্তি হোমেন বৰগোহাঞিদেৱৰ প্ৰবন্ধৰ শিৰোনাম অতি আকৰ্ষণীয়। সেয়া হ'ল 'অসমীয়া জাতিৰ লাইফবʼট অসম জাতীয় বিদ্যালয়', জাতীয় বিদ্যালয় সত্তাৰ ৰূপালী জয়ন্তীৰ অন্যতম কাৰ্যসূচী সম্প্ৰীতি সমাৰোহত (৩ মে', ২০১৮) বৰগোহাঞিদেৱে মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰিছিল, সেই ভাষণৰ লিখিত ৰূপেই হ'ল এই প্ৰবন্ধ। "যেনেকৈ এখন সাগৰত জাহাজ ডুবিবলৈ আৰম্ভ কৰিলে যাত্ৰীসকলে প্ৰাণ ৰক্ষাৰ কাৰণে লাইফবʼটত জাঁপ মাৰি পৰে, ঠিক তেনেকৈ আজি অসমৰ অৱস্থা হৈছে সাগৰত ডুবিব ধৰা এখন জাহাজৰ দৰে আৰু তাৰপৰা আত্মৰক্ষা কৰিবলৈ বা নিজৰ জীৱন ৰক্ষা কৰিবলৈ যিখন লাইফবʼট চকুৰ আগত দেখিছোঁ তেনে এখন লাইফবʼট হৈছে অসম জাতীয় বিদ্যালয়। ...অসমীয়া জাতিৰ হিত চিন্তা কৰা, প্ৰতিজন মানুহৰে এটা প্ৰধান নৈতিক কৰ্তব্য হ'ল অসম জাতীয় বিদ্যালয় আন্দোলনটো (সামগ্ৰিকভাৱে) ক্ৰমশঃ শক্তিশালী কৰি নিয়াটো।" এই উদ্ধৃতিৰ পিছত বৰগোহাঞিদেৱৰ দৃষ্টিত জাতীয় বিদ্যালয় সত্তাৰ আন্দোলনৰ গুৰুত্ব সম্পৰ্কে অতিৰিক্ত ব্যাখ্যাৰ প্ৰয়োজন নাই যেনেই অনুভৱ হয়।




সেইদৰে বৰেণ্য সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৱে তেখেতৰ চমু নিবন্ধৰ জৰিয়তে অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ প্ৰতি থকা তেখেতৰ আস্থা, বিশ্বাস ব্যক্ত কৰিছে। অসমৰ জাতি-গঠনৰ প্ৰক্ৰিয়াত অসম জাতীয় বিদ্যালয়ৰ পোনপটীয়া বৰঙণিৰ কথা ড° বৰাদেৱে অতি সংবেদনশীলভাৱে প্ৰকাশ কৰিছে।

## অদীপ ফুকনৰ আস্থা আৰু আশা

বিশিষ্ট সাংবাদিক আৰু অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীৰ অভিভাৱক অদীপ কুমাৰ ফুকনৰ প্ৰবন্ধটি হ'ল 'মানুহ গঢ়াৰ সংগ্ৰামত অসম জাতীয় বিদ্যালয়'। মাতৃভাষাৰ মাধ্যমত শিক্ষা লাভ কৰিও যে দেশৰ লগতে বিশ্বৰ চুকে-কোণে সফলভাৱে প্ৰতিষ্ঠা লাভ কৰিব পৰা যায়, হীনমন্যতাত ভোগাৰ কোনো কাৰণ নাথাকে, অসম জাতীয় বিদ্যালয়ে সেই কথাৰ প্ৰমাণ কৰে বুলি শ্ৰীযুত ফুকনে অসম জাতীয় বিদ্যালয়ে আৰম্ভ কৰা এই সুদৃঢ় আন্দোলনৰ প্ৰতি গভীৰ আস্থা প্ৰকাশ কৰিছে।

## সহজলভ্য প্ৰতিক্ৰিয়াশীল প্ৰৱণতাৰ বিপৰীতে দেৱচৌধুৰীৰ কলম...

'অসম জাতীয় বিদ্যালয় এখন হাতপুথি' নামৰ নিবন্ধটোৰ লেখক জনপ্ৰিয় গল্পকাৰ, ঔপন্যাসিক আৰু নিবন্ধকাৰ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী। 'অসম জাতীয় বিদ্যালয় প্ৰতিষ্ঠাৰ পৰিচালিকা শক্তি হ'ল জাতীয়তাবাদ। এই জাতীয়তাবাদত উগ্ৰতা নাই, সংকীৰ্ণতা নাই।' এনে আলোচনাৰ আঁত ধৰি দেৱচৌধুৰীদেৱে লিখিছে যে অসমৰ জাতীয় জীৱন সমৃদ্ধ আৰু বিকাশশীল কৰি তুলিবলৈ আমি যে প্ৰতিক্ৰিয়াশীল প্ৰৱণতা সলনি কৰি সৃষ্টিশীল প্ৰৱণতাক আমাৰ পাথেয় কৰি ল'ব লাগিব, সেই কথা আমাক শিকাবলৈ 'অসম জাতীয় বিদ্যালয়তকৈ ভাল উদাহৰণ আমাৰ ওচৰত নাই। দুৰ্ভাগ্যক্ৰমে এই উদাহৰণৰ তাৎপৰ্য সঠিকভাৱে আমি আজিও হৃদয়ঙ্গম কৰিব পৰা নাই।' লেখকৰ এই আস্থা আৰু সকীয়নিয়ে অলেখ প্ৰসংগৰ অৱতাৰণা কৰিছে, তাৰ ব্যাখ্যাও পাঠকক দিছে।

## সপোন দুৰৰাৰ বিশ্লেষণ আৰু ইংৰাজী বিষয়...

বিশিষ্ট ভাষাবিদ আৰু সাহিত্যিক সপোন দুৰৰাদেৱে 'মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত ইংৰাজী ভাষা শিক্ষাৰ ক্ষেত্ৰত অসম জাতীয় বিদ্যালয়ৰ কাৰ্যসূচী' নামৰ এক নিবন্ধ আগবঢ়াইছে। এই প্ৰবন্ধটিয়ে মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত ইংৰাজী শিক্ষা প্ৰদানৰ ক্ষেত্ৰত সততে উত্থাপিত হোৱা বহু গুৰুত্বপূৰ্ণ প্ৰশ্ন আৰু উত্তৰৰ সন্ধান দিছে। বিদ্যালয় পৰ্যায়ত 'দ্বি-ভাষা সূত্ৰ'ৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত দ্বিতীয় ভাষাত পঠন দক্ষতাৰ ওপৰত হোৱা বিভিন্ন গৱেষণাৰপৰা প্ৰমাণিত হৈছে যে যিসকল শিক্ষাৰ্থীয়ে 'প্ৰথম ভাষা' অৰ্থাৎ মাতৃভাষাত পঠন দক্ষতা আয়ত্ত কৰিবলৈ সক্ষম হৈছে, তেনে শিক্ষাৰ্থীয়ে 'দ্বিতীয় ভাষা' পঠনৰ ক্ষেত্ৰত দক্ষতা প্ৰতিপন্ন কৰিব পাৰে। অসম জাতীয় বিদ্যালয়ৰ নীতি অনুসৰি অসমীয়া অৰ্থাৎ মাতৃভাষা অধ্যয়নৰ প্ৰতি গুৰুত্বই ইংৰাজী (দ্বিতীয় ভাষা) অধ্যয়নৰ আধাৰ হ'ব পাৰে বা পাৰিছে বুলি শ্ৰীযুত দুৰৰাদেৱে তেখেতৰ প্ৰবন্ধত আস্থা প্ৰকাশ কৰিছে। ইংৰাজী বিষয়ৰ পাঠদানৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীৰ দক্ষতা, ইংৰাজী বিষয়ৰ শিক্ষক-প্ৰশিক্ষণ, শিক্ষাৰ্থীৰ বাবে উপযোগী পাঠ্যপুথি প্ৰস্তুতকৰণ আদি বিষয়ৰ ক্ষেত্ৰত লেখকে অসম জাতীয় বিদ্যালয়ে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাক প্ৰশংসা কৰিছে। সেইদৰে ইংৰাজী ভাষা শিক্ষাৰ ক্ষেত্ৰত নিস্বাৰ্থ পৰামৰ্শও আগবঢ়াইছে।

## প্ৰশংসা, দিগ্‌দৰ্শনৰ সুদীৰ্ঘ বৰঙণি...

এই প্ৰবন্ধসমূহৰ ক্ষেত্ৰত ড° সঞ্জীৱ বৰুৱা, ড° সত্যকাম বৰঠাকুৰ, ড° পূৰ্ণ ভট্টাচাৰ্য, মনোৰম গগৈ, অভিজিত শৰ্মা বৰুৱা, আনন্দ চন্দ্ৰ দত্ত, কমল ফুকন,

ড° বিজয় শংকৰ বৰ্মন, ড° লক্ষী হাজৰিকা, মীনাক্ষী কাকতী, ড° অৰনী ভাগৱতী, বিনয় মোহন শইকীয়া, দীপাঞ্জলী দত্ত, অনুৰূপা চৌধুৰী প্ৰমুখ্যে প্ৰবন্ধকাৰসকলে অতিশয় গভীৰতাৰে অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ প্ৰতি নিজৰ আস্থা, বিশ্বাস আৰু আশা অনুভৱ ব্যক্ত কৰিছে।

## নৰেন্দ্ৰ মোহন গোস্বামী আৰু ৰঞ্জিত নাৰায়ণ ডেকাৰ পুৰাতন কথা

অসম জাতীয় বিদ্যালয়ৰ বৰ্তমানৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীৰ 'বিদ্যা' শীৰ্ষক প্ৰবন্ধটোক নিঃসন্দেহে বিদ্যা-শিক্ষাৰ পুৰাতন স্বৰূপ সম্বন্ধে এক নিটোল আলোচনা বুলিব পৰা যায়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিদ্যা-শিক্ষাৰ পদ্ধতিগত কথাই ব্যাপকতা লাভ কৰিব পাৰে, কিন্তু ইয়াৰ আন্তঃকথা অপৰিৱৰ্তিত হৈয়ে আছে। অৰ্থাৎ 'বিদ্যাতুৰাণাং ন সুখং ন নিদ্ৰা' বিদ্যা লাভৰ বাবে ব্যাকুল লোকৰ সুখ আৰু নিদ্ৰা নাথাকে, সন্তুষ্টি থাকিব নোৱাৰে, সেইদৰে বিদ্যা যে মানুহৰ পৰম সৌন্দৰ্য, লুকাই ৰাখিব পৰা ধন, বিদ্যাই ভোগ, যশ আৰু সুখ দিয়ে, বিদ্যা গুৰুৰো গুৰু এনে পুৰাতন প্ৰমূল্যৰ সৈতে আধুনিক সময়ৰ শিক্ষা-ব্যৱস্থাৰ সংযোগ সাধন হ'লেহে বিদ্যা-শিক্ষাৰ যথাৰ্থ ৰূপ প্ৰতিফলিত হ'ব পাৰে, ই এক সুখপাঠ্য প্ৰবন্ধ। অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাৰ নাতিদীৰ্ঘ লেখনি 'শ্ৰেণীকোঠাত পাঠদান'ৰ জৰিয়তে শিক্ষক আৰু শিক্ষাৰ্থী সমাজে কম শব্দ-বাক্যৰ মাজতে বৃহৎ পৰিসৰৰ অৰ্থবহতা অনুভৱ কৰিব পাৰে।

## জাতীয় বিদ্যালয় সত্তাৰ নীতি-আদৰ্শৰ মাটি আৰু ভেটিৰ প্ৰসংগত...

আলোক সন্ধানীৰ এটা বৈশিষ্ট্যপূৰ্ণ প্ৰবন্ধ শিতান হৈছে 'অসমীয়া সমাজ আৰু মহাপুৰুষ শংকৰদেৱ'— লেখিকা অপৰাজিতা বৰা; 'বেজবৰুৱাৰ বাখৰ কথা'— 'ভাষিক চেতনা আৰু জাতীয় বিদ্যালয় সত্তা'—লেখক




ড° ধৰণী লাহন, 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা'—লেখক পৃথ্বিৰাজ ৰাভা, 'জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্ম আৰু জীৱনৰ এক আলোকপাত'—লেখিকা কবিতা পাটগিৰি, 'গীতৰ মাজেৰে ড° ভূপেন হাজৰিকাৰ জীৱন আৰু সমাজ চেতনাবোধ'—লেখিকা ডিম্পী সন্দিকৈ। এইলানি প্ৰবন্ধ সংযোজনৰ এক বিশেষ উদ্দেশ্যৰ কথা অৱগত কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰপৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ অনেক বৰেণ্য পণ্ডিতে অসম আৰু অসমীয়াৰ জাতীয় জীৱনলৈ অতুলনীয় অৱদান আগবঢ়াইছে। বৃহৎ অসমীয়া জাতিসত্তাৰ ধৰণী স্বৰূপ এইসকল পুৰোধা ব্যক্তিৰ কৰ্মজীৱন আৰু আদৰ্শকে জাতীয় বিদ্যালয় সত্তাৰ প্ৰধান পৰিচালিকা শক্তিৰূপে গণ্য কৰা হৈছে। এই প্ৰবন্ধলানিয়ে অসম জাতীয় বিদ্যালয়ৰ নীতিগত স্থিতি আৰু জাতীয় জীৱনৰ প্ৰতি দায়বদ্ধতাৰ ইংগিত বহন কৰে।

## অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক, প্ৰাথমিকতাৰ আঁত বিচাৰি...

অসম জাতীয় বিদ্যালয়ে বিদ্যালয় পৰ্যায়ত মাতৃভাষা মাধ্যমক শিক্ষা প্ৰদানৰ আহিলা স্বৰূপে গ্ৰহণ কৰিছে। এক পদ্ধতিগত ব্যৱস্থাৰ মাজেদিহে এই আহিলাৰ বাস্তৱ ভিত্তি আৰু কাৰ্যকৰীকৰণ সম্ভৱ হয়। 'প্ৰাক্-বিদ্যালয় শিক্ষা আৰু প্ৰাথমিকতা' নামৰ প্ৰবন্ধটোৰে জাতীয় বিদ্যালয়ৰ নীতিগত আৰু পদ্ধতিগত ব্যৱস্থাৰ এক ছবি দাঙি ধৰিছে। প্ৰবন্ধটোৰ লেখিকাসকল হ'ল নিৰ্মালি অধিকাৰী, অলকা গোস্বামী, জুৰি গোস্বামী, উৎপলা বৰা, জুলি শইকীয়া, মধুস্মিতা দেৱী। এইসকল অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্-বিদ্যালয় শাখাৰ শিক্ষয়িত্ৰী। কণ কণ শিক্ষাৰ্থীসকলৰ সৈতে হাতে-কামে, মনে-প্ৰাণে জড়িত হৈ থকাৰ অভিজ্ঞতাৰে পুষ্ট এই লেখনিয়ে প্ৰাক্-বিদ্যালয় শিক্ষা




সম্পৰ্কে অসম জাতীয় বিদ্যালয়ৰ নীতি আৰু স্থিতি সদৰি কৰিছে।

শিক্ষা পদ্ধতিত বিভিন্ন বিষয়ৰ সমাহাৰ ঘটে। এই বিষয়সমূহৰ সংযোজনৰ তাৎপৰ্যৰ বিষয়ে পৰ্যাপ্ত আলোচনা হোৱা দেখা নাযায়। পাঠ্যক্ৰমৰ লক্ষ্য-উদ্দেশ্য, ইয়াৰ প্ৰাথমিকতা, প্ৰয়োগ কৌশল, শিক্ষাৰ্থীৰ ভৱিষ্যত জীৱনৰ সৈতে ইয়াৰ প্ৰভাৱ, গতিশীলতা আদি কথাৰ স্পষ্টতা অবিহনে সমগ্ৰ প্ৰক্ৰিয়াটোৰ যথাৰ্থতা থাকিব নোৱাৰে। বছৰে বছৰে পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উপায় হিচাপে ইয়াক গণ্য কৰা নহয়। ই কেৱল শিক্ষাৰ্থী আৰু শিক্ষক সমাজৰ পাৰদৰ্শিতা আৰু ব্যৰ্থতা নিৰূপণৰ মানদণ্ড হ'ব নোৱাৰে। সেয়েহে 'অসমীয়া শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখিকা পল্লৱী গোস্বামী আৰু কবিতা পাটগিৰি, 'ইংৰাজী শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখক নিশা দেৱী, 'গণিত শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখক ৰবীন্দ্ৰ বৰ্মন, 'বিজ্ঞান শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখক পংকজ দত্ত, 'সমাজ বিজ্ঞান শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখক অসীম কৃষ্ণ বৰুৱা, 'হিন্দী শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখিকা কবিতা বৰদলৈ, 'সহ-পাঠ্যক্ৰম : আমাৰ প্ৰাথমিকতা' লেখকদ্বয় ৰঘুনাথ কুমাৰ আৰু ধ্ৰুৱ শৰ্মা, 'সুকুমাৰ কলা শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখক কুঞ্জৰ দাস, 'কম্পিউটাৰ শিক্ষা : আমাৰ প্ৰাথমিকতা' লেখিকা জিৰি বৰ্মন, 'শিক্ষা আৰু দৃশ্য-শ্ৰাব্য মাধ্যম : আমাৰ প্ৰাথমিকতা' লেখিকা জাহ্নৱী বৰুৱাৰ এইলানি প্ৰবন্ধৰ সংযোজনে স্মৃতিগ্ৰন্থখনক এক স্বতন্ত্ৰ মাত্ৰা প্ৰদান কৰিছে। এই প্ৰবন্ধসমূহৰ প্ৰতিটোতে 'আমাৰ প্ৰাথমিকতা' কথাষাৰে অসম জাতীয় বিদ্যালয়ৰ পদ্ধতিগত পৰিচয় আৰু ইয়াৰ গতিশীল চৰিত্ৰ প্ৰকাশ কৰিছে। উল্লেখযোগ্য কথা যে এইলানি প্ৰবন্ধৰ লেখক-লেখিকা সকলোৱেই অসম জাতীয় বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী। অৰ্থাৎ নীতিগত কথাবোৰ পদ্ধতিগত অৱস্থাত বিশ্লেষণ আৰু অনুভৱ কৰাৰ মাজেৰে এই লেখনিসমূহে শিক্ষক সমাজৰ সমূহীয়া চৰিত্ৰ আৰু কাৰ্যপদ্ধতিক প্ৰকাশ কৰিছে। এক গতিশীল চিন্তাৰ ৰূপত ই অব্যাহত থাকিব। জাতীয় বিদ্যালয়ে গ্ৰহণ কৰা শিক্ষা পদ্ধতি সম্পৰ্কে এইলানি প্ৰবন্ধই পাঠকক সামগ্ৰিক পৰিচয় প্ৰদান কৰিব পাৰে।

## শ্ৰদ্ধাৰ্ঘ্য শিতানত...

শিক্ষাবিদ কৃষ্ণ কুমাৰ বৰাদেৱ, অসম জাতীয় বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক ভবেন কুমাৰ বৰাদেৱ, প্ৰতিষ্ঠাকালৰ শিক্ষক ত্ৰিদিৱ ভট্টাচাৰ্য্যদেৱ, অসমত মণ্টেশ্বৰী শিক্ষাৰ এগৰাকী বাটকটীয়া শৈলবালা বৰুৱাৰ বিষয়ে এলানি শ্ৰদ্ধাৰ্ঘ্যমূলক প্ৰবন্ধৰ সংযোজনে আলোক সন্ধানীক এক বিশেষ ৰূপ প্ৰদান কৰিছে। শিক্ষাবিদ কৃষ্ণ কুমাৰ বৰাদেৱ অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ এজন অন্যতম পথ-প্ৰদৰ্শক। এইজনা ব্যক্তিৰ কৰ্ম আৰু জীৱন সম্বন্ধে ড° উমাচৰণ শৰ্মাই এক সুন্দৰ লেখনি আগবঢ়াইছে। শৈলবালা বৰুৱাৰ কৰ্ম আৰু অৱদান সম্পৰ্কে লিখিছে অপৰাজিতা দত্তই। অসমত মণ্টেশ্বৰী আৰু প্ৰাক্-বিদ্যালয় শিক্ষাৰ বাটকটীয়া শৈলবালা বৰুৱাৰ বিষয়ে ই এক সুখপাঠ্য আৰু প্ৰেৰণাদায়ক প্ৰবন্ধ।

'ভবেন কুমাৰ বৰা সমীপেষু' নামৰ প্ৰবন্ধটোৰ লেখিকা অপৰ্ণা দেৱী। অসম জাতীয় বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক, শিক্ষাব্ৰতী, শিশুপ্ৰেমী ভবেন কুমাৰ বৰাদেৱৰ ব্যক্তিত্ব আৰু কৰ্মক প্ৰবন্ধটোৱে সমুচিতভাৱে প্ৰতিফলিত কৰিছে। অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ শিক্ষক ত্ৰিদিৱ ভট্টাচাৰ্য্য এক বহুমুখী ব্যক্তিত্ব আছিল। একাধাৰে শিক্ষক, চিত্ৰশিল্পী, অভিনেতা, কবি, নাট্যকাৰ ত্ৰিদিৱ ভট্টাচাৰ্য্যদেৱৰ বিষয়ে 'ত্ৰিদিৱ ভট্টাচাৰ্য্যৰ অবৰ্তমানত' শীৰ্ষক প্ৰবন্ধৰ লেখক অসীম কৃষ্ণ বৰুৱা, জাতীয় বিদ্যালয় আন্দোলনলৈ তেখেতৰ অৱদান, ত্যাগ, শিক্ষাৰ্থীৰ প্ৰতি সীমাহীন ভালপোৱা, দায়বদ্ধতাৰ কথা এই লেখনিৰ মাজেৰে অনুভৱ কৰিব পৰা যায়। এইসকল ব্যক্তিৰ বিলোপত

হোৱা অপূৰণীয় ক্ষতিৰ কথাও সমানেই অনুভৱ কৰা হয়।

## ধীৰেন্দ্ৰ নাথ বেজবৰুৱা প্ৰমুখ্যে ইংৰাজী শিতান আৰু...

প্ৰথিতযশা সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱাদেৱে 'Education in the Vernacular Medium'নামৰ প্ৰবন্ধটোত বিদ্যালয় পৰ্যায়ত মাতৃভাষা মাধ্যমৰ প্ৰয়োগ সম্পৰ্কে পশ্চিমীয়া (ইউৰোপীয়) দেশসমূহত গ্ৰহণ কৰা নীতি আৰু ভাৰতবৰ্ষৰ প্ৰসংগত সেই নীতিৰ কাৰ্যকাৰিতা সম্পৰ্কে আলোচনা কৰিছে। বেজবৰুৱাদেৱে এই আলোচনাত প্ৰসংগক্ৰমে কৈছে যে 'One significant difference to the importance given to English is that in the European countries where English is a compulsory subject, the medium of instruction has remained the official language of the country concerned.' সেইদৰে দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত ব্ৰিটেইনৰ দৰে শত্ৰুদেশৰ হাতত পৰাস্ত হোৱাৰ পাছতো জাৰ্মানীৰ ৰাষ্ট্ৰনায়কসকলে দেশখনত ইংৰাজী শিক্ষাৰ প্ৰচলনৰ পোষকতা কৰিছিল। প্ৰবন্ধটিয়ে আন্তৰ্জাতিক প্ৰেক্ষাপটত মাতৃভাষা মাধ্যমৰ বিদ্যালয় আৰু ইংৰাজী ভাষা শিক্ষা সম্বন্ধে অতি সাৱলীল আৰু গভীৰ অধ্যয়নৰ সুযোগ দিছে। সেইদৰে যুগল কুমাৰ গোস্বামীৰ 'English Teaching in Vernacular Medium School : An opinion' শীৰ্ষক প্ৰবন্ধটোও পাঠকৰ বাবে অতি উপযোগী প্ৰবন্ধ হৈছে। গোস্বামীদেৱে প্ৰসংগক্ৰমে কৈছে যে বৰ্তমান অৱস্থাত ৰাজ্যৰ অধিকাংশ বিদ্যালয়ত ইংৰাজী ভাষা-শিক্ষাৰ অৱস্থা মুঠেই উৎসাহজনক নহয় আৰু মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত কৰ্মৰত ইংৰাজী ভাষাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক 'reluctant English teacher' বুলি ক'ব পৰা যায়। অৱলোকিত দুয়োটা প্ৰবন্ধই নতুন নতুন দিশ উন্মোচিত কৰিছে। ইংৰাজী প্ৰবন্ধ শিতানৰ আন দুটা উল্লেখযোগ্য প্ৰবন্ধ হৈছে দিব্যৰঞ্জন শৰ্মা খাটনিয়াৰৰ 'Assam Jatiya Bidyalay, A School with a Difference' আৰু দীপঙ্কৰ মহন্তৰ 'AJB's Challange in the Next 25 years'; এই দুয়োটা প্ৰবন্ধই ৰূপালী জয়ন্তীলৈকে অসম জাতীয় বিদ্যালয়ৰ গতি-প্ৰকৃতি-সফলতা আৰু ভৱিষ্যতৰ ২৫টা বছৰৰ এক অৱলোকনৰ অৱতাৰণা কৰিছে।




## প্ৰাক্তন শিক্ষাৰ্থীৰ অনুভৱত অতীত, বৰ্তমান ভৱিষ্যতৰ আখৰ...

আলোক সন্ধানীৰ এক আকৰ্ষণীয় প্ৰবন্ধ শিতান হ'ল প্ৰাক্তন শিক্ষাৰ্থীৰ শিতান। ইংৰাজী ভাষাত মুঠ ১৫টা আৰু অসমীয়া ভাষাত মুঠ ৮টা লেখনিৰে এই শিতানৰ বিষয়বস্তু নিঃসন্দেহে চিত্তাকৰ্ষক হৈছে। কাৰণ এই প্ৰাক্তন শিক্ষাৰ্থীসকলে নিজৰ শিক্ষা জীৱনৰ প্ৰথম অৱস্থাৰ প্ৰিয়তম শিক্ষানুষ্ঠানখনৰ প্ৰতি নিজ নিজ লেখনিৰ জৰিয়তে আবেগিক অনুভৱ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই লেখনিসমূহৰ প্ৰতিটোকে প্ৰবন্ধ আখ্যা দিব পৰা নাযায়। কিন্তু তাৎপৰ্যপূৰ্ণ কথাটো হৈছে যে সীমিত পৰিসৰৰ মাজতে কেইটামান লেখনিয়ে বিষয়বস্তু আৰু তাৰ অৰ্থৰ দিশৰপৰা স্বতন্ত্ৰ আৰু পূৰ্ণাংগ ৰূপ লাভ কৰিছে। প্ৰাক্তন শিক্ষাৰ্থী তন্ময় শৰ্মাৰ 'The Work of Imagination' নামৰ প্ৰবন্ধটোৱে শিক্ষাৰ্থী জীৱনৰ অবুজ অৱস্থাৰপৰা সবুজ অৱস্থালৈকে এক পৰিক্ৰমাৰ আঁত বিচাৰি উলিয়াইছে। এই পৰিক্ৰমাত আনন্দদায়ক শিক্ষাৰ যাত্ৰা পথেৰে ফুল-পখিলা-গানৰপৰা জীৱন-জগতৰ তাত্ত্বিকতা অনুভৱৰ সুস্পষ্ট ইংগিত আছে। আনন্দৰ কথা যে তন্ময় শৰ্মাই অসম জাতীয় বিদ্যালয়ত তেওঁৰ জীৱনৰ আধাৰতে এই যাত্ৰাৰ দিক্‌দৰ্শন কৰিছে। কাৰণ 'অ' ফলা-'ক' ফলা, সৰু নেওতা-বৰ নেওতা, ওমলোঁ আহাঁ, আঁক-বাকৰ মাজেৰে আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰা তন্ময় শৰ্মা




আজি বিশ্বৰ অন্যতম আগশাৰীৰ বিশ্ববিদ্যালয় Yale University, আমেৰিকা যুক্তৰাষ্ট্ৰৰ গৱেষক ছাত্ৰ। একেদৰেই University of California, Berkeley, USAৰ গৱেষক ছাত্ৰ মণিময় বুজবৰুৱাই তেওঁৰ 'The Contribution of My First School' নামৰ প্ৰবন্ধটোত একেই গভীৰতাৰ প্ৰকাশ ঘটাইছে। '...what it means to be an Assamese and how ingrained the value of liberalisation to my identity is, thanks to my school Assam Jatiya Bidyalay' এনে কথাৰ তাৎপৰ্য কিমান সুদূৰপ্ৰসাৰী, সেয়া সহজেই বোধগম্য। বৰ্তমান 'University of Singapore'ৰ গৱেষক ড° ৰোহন কুমাৰ দাসে অসম জাতীয় বিদ্যালয়ত আৰম্ভ কৰা শিক্ষা-পৰিক্ৰমাই উচ্চস্তৰীয় গৱেষণাধৰ্মী বিশ্বমানৰ অৱস্থাত তেওঁক প্ৰদান কৰা সুদৃঢ় আৰম্ভণিৰ কথা প্ৰকাশ কৰিছে। 'Recalling the Journey from School Days' এই লেখনিটোৰে এক সৰ্বাত্মক আবেদন প্ৰকাশ কৰিছে। আন এজন প্ৰাক্তন শিক্ষাৰ্থী অয়ন শৰ্মাই তেওঁৰ প্ৰবন্ধটোত কোৱা 'The idea has taken shape of a formidable movement, a movement that espouses the belief in scientific pedagogy in a vernacular medium and has successfully embraced thousands of students and guardians within its fold' এই প্ৰসংগই অসম জাতীয় বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ প্ৰাসংগিকতা আৰু সাৰ্থকতা প্ৰতিপন্ন কৰে। অয়ন শৰ্মাই আম্বেদকাৰ বিশ্ববিদ্যালয়, নতুন দিল্লীৰপৰা ইতিহাস বিষয়ত স্নাতকোত্তৰ শিক্ষা সমাপ্ত কৰিছে।

দেৱৰ্ষি ফুকন, আন এজন প্ৰাক্তন শিক্ষাৰ্থী, যিজন বৰ্তমান জাৰ্মানীত এজন অভিযন্তা হিচাপে কৰ্মৰত, তেওঁৰ 'Live Your Dreams, My Little AJBians' নামৰ প্ৰবন্ধটোত অসম জাতীয় বিদ্যালয় আৰু মাতৃভাষা মাধ্যমৰ প্ৰতিজন শিক্ষাৰ্থীলৈ শুভকামনা আৰু আত্মোপলব্ধিৰ বাৰ্তা প্ৰেৰণ কৰিছে। 'The other Scientists' নামৰ লেখনিটোৰ লেখিকা ছিংগাপুৰ বিশ্ববিদ্যালয়ৰ পি. এইচ. ডি.ৰ গৱেষিকা শিক্ষাৰ্থী প্ৰেৰণা দাস। তেওঁৰ 'In this diverse world with a million problems, we need people from various backgrounds to work towards a better future for humankind–' এনে আলোচনাৰ পম খেদিলেই জাতীয় বিদ্যালয় সত্তাৰ সংকল্প আৰু সাৰ্থকতা নিশ্চয়কৈ অনুভৱ কৰিব পৰা যায়।

জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, নতুন দিল্লীৰ ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ মহলাৰ শিক্ষাৰ্থী শুভ্ৰাংশু প্ৰতিম শৰ্মা। 'What Assam Jatiya Bidyalay Means to Me' নামৰ প্ৰবন্ধটোৰ জৰিয়তে তেওঁ কৈছে 'I strongly believe that success of AJB will depend on how steadfastly it can continue its academic, non-academic excellence in tandem with its focus on imparting the basics of Assamese culture and shaping truly global citizens in outlook...' এয়া কিমান যে অৰ্থবহ কথা, অনাগত সময়ে নিশ্চয় প্ৰমাণ কৰিব।

'Some Thoughts on My School Days' লেখনিৰ লেখক অভিষেক কুমাৰ শৰ্মা বৰ্তমান নেশ্বনেল ইনষ্টিটিউট অব্ টেকন'লজি, শিলচৰত অধ্যয়নৰত। অসম জাতীয় বিদ্যালয়ত লাভ কৰা মূল্যবোধ আৰু শিক্ষাৰ প্ৰতি অভিষেকৰ আস্থা সুন্দৰকৈ প্ৰকাশ ঘটিছে। 'And The Story Goes on' শিৰোনামৰ লেখনি লেখিছে শ্ৰুতিস্মৃতি চাংকাকতিয়ে। শ্ৰুতিস্মৃতি বৰ্তমান চলচ্চিত্ৰ নিৰ্মাণৰ সৈতে মুম্বাইত কৰ্মৰত। ছায়াশ্ৰী পাঠক বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰত কৰ্মৰত। ছায়াশ্ৰীয়ে অতি সংবেদনশীলতাৰে জাতীয় বিদ্যালয় শিক্ষা আৰু পৰৱৰ্তী জীৱনৰ গতিপ্ৰবাহৰ অনুভৱ ব্যক্ত কৰিছে।

সেইদৰে ইণ্ডিয়ান ইনষ্টিটিউট অব্ মেনেজমেণ্ট, বেংগালুৰুৰ শিক্ষাৰ্থী জ্যোতিৰ্ময় ৰাজবংশী, University of British Columbia, Vancouver, Canadaত পি এইচ ডি কৰি থকা প্ৰীতিশ কাকতি, Hyderabad Central Universityত Art History & Visual Studiesৰ শিক্ষাৰ্থী মানস প্ৰতিম শৰ্মাৰ লেখনিসমূহে অসম জাতীয় বিদ্যালয় আৰু মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ প্ৰাসংগিকতাক বিজ্ঞানসন্মত বুলি পুনঃ প্ৰত্যায়িত কৰিছে।

অধিৰাজ কাশ্যপে বৰ্তমান মহাৰাষ্ট্ৰৰ পুণেত অৱস্থিত Film and Television Institute of Indiaত অধ্যয়ন কৰি আছে। তেওঁ চমু পৰিসৰতে এক উচ্চমানৰ লেখনি আগবঢ়াইছে। The Role of Art in Forging a Better Society নামৰ লেখনিটোৰ বিষয়বস্তু আৰু আবেদন বৰ্তমান শিক্ষা-সংস্কৃতিৰ বাবে বিশেষভাৱে প্ৰাসংগিক বুলি গণ্য কৰিব পাৰি।

প্ৰাক্তন শিক্ষাৰ্থীৰ প্ৰবন্ধ শিতানৰ অসমীয়া ভাষাৰ প্ৰবন্ধসমূহৰ ভিতৰত ৰাহুল গৌতম শৰ্মাৰ 'সংকল্প আৰু সংগ্ৰামৰ ৰূপালী ক্ষণত' নামত প্ৰবন্ধটো বিশেষভাৱে উল্লেখযোগ্য। প্ৰাক্তন শিক্ষাৰ্থীসকলে বিদ্যালয় আৰু জাতীয় বিদ্যালয় সত্তাৰ সফলতা, সম্ভাৱনা আৰু প্ৰত্যাহ্বানক কিদৰে নেতৃত্ব প্ৰদান কৰা উচিত সেই সম্পৰ্কে এক অনুভৱী বিৱৰণ আগবঢ়াইছে। সুদিত্ৰী দেৱ্যাৰ 'স্কুল-দিতম আৰু মই' লেখনিটোৰ মাধ্যমেৰে তেওঁৰ পিতৃ আৰু বিদ্যালয়ৰ এজন প্ৰতিষ্ঠাপক শিক্ষক




স্বৰ্গীয় ত্ৰিদিৱ ভট্টাচাৰ্য্য আৰু তেওঁৰ জীৱনৰ অভিন্ন সম্পৰ্কৰ অনুভৱ ব্যক্ত কৰিছে। নয়নজ্যোতি বৰ্মনৰ 'অসম জাতীয় বিদ্যালয়, মই আৰু পঁচিছটা বছৰ' প্ৰবন্ধটোৰ মাজেৰে যেন অসম জাতীয় বিদ্যালয়ৰ প্ৰতি সকলো প্ৰাক্তন শিক্ষাৰ্থীৰ অভিন্ন সম্পৰ্ক উন্মোচিত হৈছে। সঞ্জীৱনী পাঠকেও 'আলোক সন্ধানীৰ অসম জাতীয় বিদ্যালয়' নামেৰে এক সুন্দৰ প্ৰবন্ধ আগবঢ়াইছে। অমিত কুমাৰ বৰাৰ 'অ-লেখা', প্ৰীতিকংকনা বৰ্মনৰ 'মোৰ ব্যক্তিগত অনুভৱ', কিন্মি কিৰণ কলিতাৰ লেখনি, এনে কৃতজ্ঞতা আৰু সন্মানেৰে উপচি উঠা সুন্দৰ লেখনি। অৱন্তিকা পৰাশৰে তেওঁৰ 'অসম জাতীয় বিদ্যালয় আৰু কিছু প্ৰত্যাশা' নামৰ প্ৰবন্ধটোত যথাৰ্থভাৱে কৈছে যে আবেগৰ বশৱৰ্তী হৈ প্ৰশংসাৰ মালা গাঁথিলেই নহ'ব। বিদ্যালয়খনৰ স্বকীয়তা যাতে বৰ্তি থাকে, তাৰ দায়িত্ব পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলে গ্ৰহণ কৰিব লাগিব।

**সমাপ্তি নহয়...**

'আলোক সন্ধানী'ৰ এই বৃহৎ কলেৱৰৰ পুংখানুপুংখ বিশ্লেষণ হোৱা উচিত। এই স্মৃতিগ্ৰন্থৰ সৈতে জড়িত এজন কৰ্মী হিচাপে বিনয়েৰে অনুভৱ কৰা যায় যে এই প্ৰচেষ্টাৰ ক্ষেত্ৰত নিয়োজিত শাৰীৰিক আৰু মানসিক শ্ৰম অথলে যোৱা নাই। 'আলোক সন্ধানী' নিশ্চয় সময়ৰ দলিল হৈ থাকিব। ❖



**পৰীপ্সা প্ৰাপ্তি**, প্ৰথম শ্ৰেণী



**চাও মৈত্ৰেয় আহোম**, প্ৰথম শ্ৰেণী

# কাব্য-কানন

## টুনি চৰাই

◆ বাস্তৱ দাস

দ্বিতীয় শ্ৰেণী

টুনি চৰায়ে ধান খায়
ধান খালে গান গায়।
গানে বতাহক মাতে, বতাহে মেঘৰ
অনুমতি লৈ আহে।
আকাশত মেঘ দেখি
মানুহে আকাশলৈ চায়।
তাকে দেখি টুনি চৰায়ে
আৰু ধান খায়। ❖



## ৰঙা বেলি

◆ ৰিজভান কাশ্যপ

দ্বিতীয় শ্ৰেণী

ৰাতিপুৱাৰ ৰঙা বেলিক
প্ৰণাম কৰিম।
মা-দেউতাৰ কথা
সদায় শুনিম।
প্ৰতিদিনে গা ধুম
মিঠাতেল সানি।
নখ দীঘল হ'লে
বৰ অশুৱনি। ❖



## মোৰ ভণ্টি

◆ প্ৰিয়ানুজ কলিতা

দ্বিতীয় শ্ৰেণী

মোৰ এজনী ভণ্টি আছে
নাম তাইৰ লণী,
তাইৰ লগত মই
থাকোঁ উমলি।
অকণমানি হাত-ভৰি
চুই কি যে মজা লাগে,
ফুটুকীয়া চোলাটোৱে তাইক
বৰ মৰম লাগে।
মোলৈ চাই তাই মিচিকিয়াই হাঁহে
মই চুমা দিওঁ তাইক মৰমতে। ❖



## পখিলা

◆ দেৱাংগ কলিতা

চতুৰ্থ শ্ৰেণী

অ' পখিলা অ' পখিলা
ক'লৈ যোৱা তুমি।
ফুলৰ ৰসবোৰ বাৰু
কিয় খোৱা শুহি।
ইমান ধুনীয়া বাগিচাখনিত
উৰি থকা চাই
তোমাক দেখি মোৰ
মন ভৰি যায়।
ৰঙা নীলা পাখি দুখনি
বৰ মজা লাগে,
তোমাৰ স'তে ফুৰিবলৈ
মনত হেঁপাহ জাগে। ❖

# জিলমিল তৰাবোৰ

◆ **পূৰ্বজ্যোতি বৰ্মন**
দ্বিতীয় শ্ৰেণী

অ' তৰা অ' তৰা ৰাতিৰ আকাশত
তুমি জিলমিলকৈ থাকা
দিনত বাৰু ক'লৈ যোৱা
অ' মৰমৰ তৰা।
ডাৱৰীয়া বতৰতো
ক'তেনো লুকুৱা,
আহাঁচোন কাষলে
চোতালতে বহোঁ,
ডাৱৰীয়া বতৰতো একেলগে থাকোঁ
অ' মৰমৰ তৰা। ❖



# ৰামধেনু



◆ **কপিলৰঞ্জন বৰা**
তৃতীয় শ্ৰেণী

ৰামধেনুত আমি দেখোঁ সাতটা ৰং,
তাৰে মই ভাল পাওঁ হালধীয়া ৰং।
বৰষুণৰ পিছত আকাশত ৰামধেনু ওলায়,
ভাইটিয়ে ৰামধেনু বৰ ভাল পায়।
আইতাই কয় ৰামধেনু ৰামচন্দ্ৰৰ ধনু,
মায়ে কয় ৰামধেনুৰ কথা বিজ্ঞানত পায় হেনো।
ৰামধেনুৰে বাৰু ইমান ধুনীয়া ৰংবোৰ ক'ত পায় !
মোৰ হ'লে ৰংবোৰ কিনিবৰ মন যায়। ❖

# ঋতু

◆ **অংগাৰিকা শৰ্মা**
তৃতীয় শ্ৰেণী

গ্ৰীষ্ম ঋতুত বৰ গৰম
থাকিবৰ উপায় নাই,
বৰ্ষা ঋতুত ধাৰাসাৰ বৰষুণে
আমনি লগায়।

শৰৎ ঋতুত শেৱালি ফুলে
চোতাল শুৱনি কৰে,
হেমন্ত ঋতুত পথাৰৰ ধান
ঘৰলৈ চপাই আনে।

শীত ঋতুত বৰ ঠাণ্ডা
জুইৰ সেক লওঁ,
বসন্ত ঋতুত মুগাৰ সাজ পিন্ধি
বিহু মাৰিবলৈ যাওঁ। ❖

# মোৰ মন

◆ **গহনা চক্ৰৱৰ্তী**
চতুৰ্থ শ্ৰেণী

মোৰ মন যেন এটি বেলুন
উলাহতে উঠে ফুলি,
আকাশলৈ যায় উৰি উৰি।
মোৰ মন যেন এপাহ ফুল
হৈ বিয়াকুল,
ফুলনিতে থাকে নাচি-বাগি।
মোৰ মন যেন এটি জুৰি
বাই বাটকুৰি
বৈ যায় জিৰি জিৰি। ❖



## মোৰ ফুলনিখন

◆ অনন্যা ডেকা
চতুৰ্থ শ্ৰেণী

শুৱনি মোৰ ফুলনিখন
বিভিন্ন ফুলেৰে ভৰা
গোলাপ, জবা, তগৰ
ফুলে জক্‌মকাই থকা।
গোলাপ, জবা, তগৰ ফুলৰ
ইমান যে ধুনীয়া গোন্ধ।
মৌ-মাখি আৰু ভোমোৰাই তাতে পৰি
কৰে গুণ গুণ। ❖



## বৰষুণ

◆ নীলুফাৰ নাৰ্গিছ
চতুৰ্থ শ্ৰেণী

বৰষুণ বৰষুণ ভাল লাগে মোৰ
ধৰাৰ বুকুও হয় জীপাল,
আহাৰ-শাওণৰ ধাৰাসাৰ বৰষুণ
তাকে দেখি মইনাহঁতৰ বৰ কোলাহল।
বৰষুণ বৰষুণ নামি আহে বৰষুণ
উলাহতে নাচে পুঠি-ডনিকনা,
খাল, বিল, নৈ জান-জুৰি-পুখুৰী
মাছ-কাছই মিলি পাতে ৰঙৰ মেলা। ❖

## ধ্ৰুৱতৰা

◆ অংশুমান কাশ্যপ
চতুৰ্থ শ্ৰেণী

তিৰ্‌বিৰ্ তিৰ্‌বিৰ্
হেৰা ধ্ৰুৱতৰা,
তোমাক মই চাই থাকোঁ
বহু দূৰৈৰপৰা।
তোমাক লগ পাবলৈ মোৰ
বৰ মন যায়,
কোৱাচোন তোমাৰ বাৰু
ঘৰ ক'ত ভাই।
জোনবাইৰ কাষতে
থাকা তুমি ৰৈ,
উত্তৰ দিশত থাকা
উজ্জ্বল তৰা হৈ।
সদায় সন্ধিয়া মই
আকাশলৈ চাওঁ
মেঘ ককাই ঢাকিলেহে
বৰ দুখ পাওঁ। ❖



## অকণিৰ মন

◆ মুগ্ধা দাস
চতুৰ্থ শ্ৰেণী

অকণ অকণ মইনা আমি
অকণ অকণ কাম,
বিদ্যালয়লৈ গৈ ভালদৰে পঢ়ি
ৰাখিম বাইদেউৰ নাম।
কাৰ্টুন চাওঁ, ছবি আঁকো
খেলোঁ যে কত খেলা,
টিফিন খাওঁ, নাচোঁ-বাগোঁ
পাতোঁ ৰঙৰ মেলা।
ঘৰত আহি নপঢ়িলে
মায়ে ধমক দিয়ে,
পিছত আকৌ মৰমেৰে
ভালকৈ বুজাই দিয়ে। ❖



# মৰমৰ ভাইটি

◆ চিন্ময় ডেকা
পঞ্চম শ্ৰেণী

মৰমৰ ভাইটি তুমি
বৰ অকণমানি,
পঢ়াৰ সময়ত তুমি
কিয় কৰা আমনি।



যোৱাবেলি পৰীক্ষাত
নম্বৰ তেনেই কমিল,
এইবেলি ভাবিছোঁ
পৰীক্ষা ভাল কৰিম।
পঢ়িবলৈ ল'লে কিতাপ
তুমি নিয়া টানি,
ফালি-চিৰি সকলোবোৰ
পেলোৱা শেষ কৰি।
কিতাপ ফলা বেয়া কাম
সেইটোও নাজানা তুমি,
মোৰ কিতাপখন ফালি
মুখলৈ নিয়া টানি। ❖

# প্ৰকৃতি

◆ ৰাগিণী সংস্কৃতি বৰ্মন
পঞ্চম শ্ৰেণী

প্ৰকৃতি আমাৰ নানা ধৰণৰ গছ-গছনি
ফুল-ফলেৰে ভৰা,
কত কিমান যে গছ-গছনি,
সেউজীয়া পাতেৰে ভৰা।

ব'হাগ মাহত গছ-বিৰিখত ওলায় কুঁহিপাত
তাকে দেখি কুলি-কেতেকীৰ কুহু কুহু মাত,
চৌদিশৰ সেউজীয়া আৰু শুনি কুলিৰ মাত,
সকলোৰে মনবোৰ নাচে উলাহতে।

নানা ৰঙৰ ফুলবোৰ দেখি
কি যে ভাল লাগে,
গছ-বিৰিখৰ ফলবোৰ,
খাই ইমান যে মজা লাগে।

গছ-গছনিবোৰেও বতাহত হালিছে-জালিছে
তাকে দেখি মইনাহঁতেও উমলি ফুৰিছে।
চৰাই-চিৰিকটিবোৰেও নাচিছে-বাগিছে,
প্ৰকৃতি তোমাক কি যে সুন্দৰ লাগিছে।

পিছে এইহেন বিনন্দীয়া গছ-গছনিবোৰ
মানুহে কিয় কাটি বিনষ্ট কৰিছে?
তেওঁলোকে বাৰু নাজানেনে গছ-গছনি কটা বাবে,
অক্সিজেনো যে কমি আহি
মানৱ জাতিলৈ বিপদ মাতি আনিছে। ❖



## আশা

**◆ ডিম্পী চৌধুৰী**
ষষ্ঠ শ্ৰেণী

আশাৰ ফুল হৈ ফুলিম আমি
ফুলনিবাৰীৰ পৰা,
ছটিয়াই দিম ফুলৰ পাহি
উপচি পৰিব ধৰা।
পাহৰি পেলাওঁ হিংসাৰ ভাব
অহিংসাই আমাৰ ধৰ্ম,
নতুন সাজেৰে জিলিকাম আইক
সেয়ে আমাৰ কৰ্ম।
সুগন্ধি ফুলেৰে ওপচাই পেলাওঁ
আমাৰ ফুলনিডৰা,
পোহৰ বিলাই জোনাক কৰোঁ
মোহময় এই ধৰা। ❖



## তৰা

**◆ বৃষ্টিপ্ৰিয়া গগৈ**
ষষ্ঠ শ্ৰেণী

জিক্‌মিক্ জিক্‌মিক্
সৰু সৰু তৰা,
কালৈ চাই আছা
আকাশৰ পৰা?
আছে নেকি তোমালোকৰ
আন এখন ঘৰ?
বেলিটি ওলালেই
ক'লৈ মাৰা লৰ?
বেলিটি আহিয়েই
পোহৰ বিলায়,
আমাৰ ঘৰটো
দিয়ে পোহৰায়। ❖

## মোৰ মৰমৰ ভাইটি

**◆ অৰ্ণৱ শৰ্মা**
ষষ্ঠ শ্ৰেণী

মই হেনো কৈছিলোঁ
আহিব এজন যোদ্ধা,
পাঁচ বছৰ পিছত দেখিছোঁ
সি দেখোন সঁচাকৈয়ে এজন যোদ্ধা।
ক্ষণে ক্ষণে মৰম,
ক্ষণে ক্ষণে ভেম,
মাতে মোক লয়,
হাঁহি উঠা কথাহে মাথোঁ কয়।
লুডু, কেৰম, পাজল, ডবা
কত যে তাৰ খেলা,
খেলিব মই নুখুজিলে
হয় তাৰ মুখ মেলা। ❖



## চৰাই

**◆ ৰিম্পী কলিতা**
সপ্তম শ্ৰেণী

মন,
চৰাই হ'বলৈ কিমান সময় লাগে?
মনৰ গণিতৰ কল্পনাবোৰক,
আশাৰে পূৰণ কৰিলে
সৃষ্টি হ'ব অগণন সপোনৰ ডেউকা।
হেঁপাহৰ বতাহত উৰি আহি,
বগা বকুলৰ ঠিকনা বিচাৰি,
চৰাইৰ জাকটো সদায় আহে,
মনৰ চৰাইজনীক হাত বাউলি দিবলৈ।
গভীৰ সাগৰৰ নীলাবোৰত
জীৱন আঁকিবলৈ। ❖

## বৰণীয়া চৰাই

◆ কাংক্ষিতা শৰ্মা
ষষ্ঠ শ্ৰেণী

প্ৰকৃতি শুৱনি আমাৰ বৰণীয়া চৰাই
সৰৱ কৰি ৰাখে ই চৌদিশ সদায়।
শালিকা, ঘৰচিৰিকা, কপৌ, মইনা
নিতে নিতে দেখোঁ আমি উঠি ৰাতিপুৱা।
ঘৰত পোহা ভাটৌটিয়ে মানুহৰ মাত সিয়াঁৰে
কুলি চৰাইৰ শুৱলা মাতত মোৰ মন জুৰে।
শগুন আৰু কাউৰী বৰ উপকাৰী
আৱৰ্জনা আঁতৰাই চাফা কৰে ধৰণী।
হুডু আৰু বৰটোকোলা আমাৰ যে সম্পদ
এই দুয়ো চৰাইৰ আমিয়েই ৰক্ষক।
ময়ূৰ আমাৰ ৰাষ্ট্ৰীয় চৰাই
ইয়াৰ সৌন্দৰ্যই এক অন্য ৰূপ পায়।
বগাকৈ বগলী পথাৰ ভৰি পৰে
বুলবুলি নামটো বৰ ভাল লাগে
মাজনিশা শুনো আমি কেতেকীৰ বিননি
ঘূৰি ফুৰে লগ বিচাৰি।
ইমু চৰাই দেখিবলৈ বৰ ওখ জানা
বৰণীয়া চৰাইৰ মাজত সিয়ে যেন ৰজা। ❖



## জীৱন

◆ জোনাকনন্দা শৰ্মা
সপ্তম শ্ৰেণী

জীৱন সুখ-দুখৰ বজাৰ
নালাগে ইয়াত ধন;
লাগে মাথোঁ এটি
হাঁহিৰে ভৰা মন।
জীৱন নদী পানীৰ দৰে
বৈ থাকে সময়ৰ সোঁতত
বৈ যাব নাজানিলে ছিটিকি
পৰিবা গৈ পাৰত।
প্ৰতিটো ক্ষণতে তুমি গম
নোপোৱাকৈয়ে গৈ আছা
কালৰ কোলাত মৃত্যুৰ ফালে,
কিন্তু ভৱিষ্যতে মৃত্যুৰ ভয়ত
আজিয়েই কান্দিবা জানো
তুমি বিনা কাৰণত?
অতীত, ভৱিষ্যতৰ দুখৰ
কথা ভবাতকৈ
আজিৰ সুখতেই সুখী
হ'ব শিকা তুমি;
পৃথিৱী যেনেকৈ সুন্দৰ
গছ-গছনিৰে
জীৱন সুন্দৰ কৰা
আশাৰ হাঁহিৰে।
অন্তৰেৰে হাঁহিব শিকা বন্ধু
আনক দেখাইনো কি লাভ?
সঁচাকৈ হাঁহিব জানিলে আগবাঢ়ি
যাবা জীৱনৰ বাটত
নাজানিলে বন্ধু ভাঙি পৰিবা
হেৰাই যাবা কালৰ সোঁতত।। ❖

# মইনাৰ গীত

◆ প্ৰিয়াংশ্ৰী বৰ্মন
সপ্তম শ্ৰেণী



অসম দেশৰ মইনা আমি
ঘৰৰ মধুৰ হাঁহি,
মন ফুলনিত আমিও
কোমল কোমল পাহি।
ঘৰে ঘৰে প্ৰাণে প্ৰাণে
আমি গীত গাওঁ
সুৰে সুৰে তালে তালে,
হাঁহিটি বিলাওঁ।
আমাৰ মাতত মৌ বৰষে
পৰাণ পৰে জুৰ,
আমাৰ গীতত প্ৰাণে প্ৰাণে
বাজে মধুৰ সুৰ।
আমাৰ সপোন দিঠক হ'ব
ওলাব নতুন বেলি,
নতুন যুগৰ মইনা আমি
নাচিম হালি-জালি।
সময়ৰ সোঁতত আমিও এদিন
ডাঙৰ-দীঘল হ'ম,
এই পৃথিৱীত নিজৰ সবল
খোজ পেলাই থ'ম। ❖

# মই ভ্ৰূণে কৈছোঁ

◆ দীপান্দিতা পাটগিৰি
সপ্তম শ্ৰেণী

মই ভ্ৰূণে কৈছোঁ
মোক দলিয়াই নেপেলাবি আই...
সময়ত মই তোৰ গৰ্ভৰ ভাড়া পৰিশোধ কৰিম অ'
আই...
মোক পৃথিৱীখন চাবলৈ দে
মোৰনো কি ভুল ক'...
মইতো কোৱা নাছিলোঁ তোক
মোক গ্ৰহণ কৰিবলৈ...
মোক দলিয়াই নেপেলাবি আই...
মই তোক একো কষ্ট নিদিওঁ অ'
তোৰ প্ৰতিটো কামত সহায় কৰিম
মোৰ হাত-ভৰি নোলাওঁতেই,
দাষ্টবিনত দলিয়াই নিদিবি আই...
কুকুৰ-মেকুৰীয়ে মোক ফালি-ছিৰি পেলাব অ'
আই তই ভয় নকৰিবি
মই তোক দুখ নিদিওঁ
শুনিছোঁ এই পৃথিৱীখন বৰ ধুনীয়া
ধুনীয়া পৃথিৱীখন মোক দেখুৱাব পাৰিবি নে আই?
পাৰিবি নে মানুহক ক'ব?
ঘৰত ছোৱালী হৈছে, লখিমী আহিছে
পাৰিবি নে আই? ❖

# জোনাক ৰাতি

◆ প্ৰিয়াশ্ৰী দেৱী

সপ্তম শ্ৰেণী



জোনাকী তুমি ৰূপালী
গভীৰ আন্ধাৰ ৰাতি
নীৰৱতাৰ মায়াৰে
দিয়াহি অচিন ভাষাৰ চিঠি।
শীতৰ সেমেকা ৰাতি
মনৰ দাপোণত মোৰ
নীৰৱে উজ্বলি উঠে
আশাৰ মুকুতা মণিটি।
আশাৰ ফটিক পানীত
শেষ নিশাৰ জোনটিৰ
জিলিকে প্ৰতিচ্ছবি। ❖



# বসন্ত

◆ ধৃতিমান শৰ্মা

অষ্টম শ্ৰেণী

প্ৰকৃতিৰ প্ৰেমত
বসন্ত আহিলে
ৰমকে জমকে
তগৰ ফুলিলে
কপৌ ফুলিলে
আৰু ফুলিলে
খৰিকাজাঁই
দেহ-মন ৰাই-জাই
চৌদিশ আমোলমোল।
প্ৰকৃতি গাভৰু হ'ল
কাজলী বৰণে
কুলি-কেতেকীৰ
অমিয়া মাতে
হৰিলে মন-প্ৰাণ।
গছ-গছনিৰ
কুঁহিপাতে
হাত বাউলি মাতে
কাণে কাণে ক'লে
বসন্ত আহিলে। ❖

# পুৰতিৰ অমাৱস্যা

◆ কুলদীপ ভট্টাচাৰ্য
দশম শ্ৰেণী

বাজিছে বাজনা
গম্ভীৰ মেঘৰ...
কান্দিছে আকাশে
এনে লগাকৈ যেন
তাৰ চকুলোৰ
দুখ আৰ্তনাদৰ...

মযো কান্দিছোঁ
চকুলো বিহীনভাৱে
হৃদয়ৰ
শব্দহীন উচুপনিৰে
কিন্তু দুখ মোৰো
একেই...
থানবান হোৱা হৃদয়ৰ
চূৰ্ণ-বিচূৰ্ণ শব্দত
যেন মোৰ চকুপানীৰ শব্দই
স্থানেই নাপালে
প্ৰায়শ্চিত্তৰ কলহৰ
পানীত যেন ঢাক খালে
মোৰ চকুলোবোৰ...

কোলা উদং হোৱা নাই
উদং হ'ল মোৰ, তোৰ
কোলাত থোৱা মূৰ...
ভয়ত কম্পিত হৃদয়ৰ
আশ্ৰয় তোৰ আলিংগন
হেৰালে এই মহাশূন্যত...
বেলি মাৰ গ'ল...
মোক কোলাত লৈ
শুকুলা ঘোঁৰাত উঠি ব'লাচোন
অজান পূবৰ দিশলৈ...। ❖

*(পুলৱামাৰ ছহিদ সৈনিকৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য)*

# বুঢ়া লুইত

◆ গৌতম হালৈ
দশম শ্ৰেণী



চিৰ নমস্য চিৰ প্ৰৱাহিত
হে বুঢ়া লুইত
তোমাক শত সহস্ৰ প্ৰণাম।
শিলৰ বুকুৰেদি কেতিয়াবা সমভূমিৰে
অৱৰুদ্ধ গতি তোমাৰ
অনন্ত অনাদিলৈ ধাৱমান।
তোমাতেই বিলীন কত নৈ, নিজৰা, জান, জুৰি
তোমাৰ বালিচৰতেই কেতিয়াবা সেউজ
কেতিয়াবা শইচ সোণোৱালী,
তোমাৰ বুকুতে ঘৰ পাতে
নাৱৰীয়া মাছুৱৈৰ সপোনে।
তুমিয়েই কঢ়িয়াই আনা চহালৈ আশাৰ বতৰা
তুমিয়েই আকৌ বোৱাই দিয়া বিষাদৰ জলধাৰা।
শান্ত সমাহিত শীতল বুকুতো
কিয় সংহাৰী ৰূপ ধৰি
আমাৰ দুচকুলৈ বোৱাই আনা বেদনাৰ অশ্ৰু। ❖

## অজাবি—এক আৱেশ

◆ জাগৃতি গোস্বামী
দ্বাদশ শ্ৰেণী (কলা)

অসম জাতীয় বিদ্যালয় !
এক পৰিচয়
এক আৱেগ।
তোমাৰ লগত চিনাকি হোৱাৰ
আজি বহুদিনেই হ'ল !
বহু দিন হ'ল...
তোমাৰ এই উমাল আৱেশৰ মাজত
সোমাই পৰাৰ।
তোমাৰ উমাল বুকুৰ মাজতেই
উমলি ডাঙৰ হ'লোঁ।
আৰু আজি...
আজি অৱশেষত
তোমাৰপৰা বিদায় মগাৰ পথত মই !
আহ ! কেনেকৈ পাৰিম মই?
তোমাৰ উমাল আৱেশৰপৰা
আঁতৰি থাকিবলৈ...
প্ৰথম শ্ৰেণীৰপৰা দ্বাদশ শ্ৰেণী...
এক দীঘলীয়া যাত্ৰা
এক সুমধুৰ যাত্ৰা !
এই যাত্ৰাৰ অন্ত হ'লেও...
মোৰ পৰিচয়
মই 'অজাবিয়ান'
আছিল, আছে আৰু
সগৌৰৱেৰে থাকিব ! ❖






## শেৱালি

◆ টুহিনা ৰয়
একাদশ শ্ৰেণী (বিজ্ঞান)

সৰা জোনাকৰ পোহৰত
উজলা শেৱালিজোপা
শৰৎ নিশাত ফুলি উঠা
শেৱালিজোপা
আঃ কি সুন্দৰ !
ৰাতিৰ আন্ধাৰত কোনেও নেদেখাকৈ
আঁৰে আঁৰে ফুলা ফুলজোপা
যেন দিনৰ পোহৰত ফুলিবলৈ
লাজ পায় শুভ্ৰ পাহিবোৰে
জানোচা কোনোবাই দেখেই
জানোচা কোনোবাই চাই ৰয়
গোপনে গোপনে
ৰাতিপুৱা গছজোপাৰ তলত
নিয়ৰৰ সৈতে কথা পাতে শেৱালি ফুলে
কিন্তু, এইয়া আজি কি?
চোতালৰ সেই শেৱালিজোপা
আজিচোন নাই
ফুলজোপাই—
কৰিছিল নেকি অনিষ্ট
সুগন্ধি বিলাই
সিহঁতৰো জানো জীয়াই থকাৰ অধিকাৰ নাই?❖

# ফাগুন

◆ ঝৰণা ভৰালী
দ্বাদশ শ্ৰেণী (কলা)

শূন্য হৃদয় যিদৰে নিচাসক্ত
আজি বিষণ্ণতাত
খালী চকীখনো
ফাগুন, আজি তোৰেই প্ৰতীক্ষাত
বেৰখনত ৰ'দৰ ছায়া বগাই যায়
চাৰিবেৰত ঠেকা খাই
হুমুনিয়াহবোৰ
মজিয়াত সৰি ৰয়।
চকীৰ হাতলত শুই থকা
ধূলিকণাবোৰৰ চকুত
কেৱল অপেক্ষা
উতনুৱা ফাগুনে যৌৱন সিঁচি দিব
চঞ্চল হৈ উঠিব সিহঁত
জোকাই ৰং চাব কোনোবা
'কবিৰ অচিনাকি বান্ধৱী'ৰ
ফাগুন তই উভতি আহ
লৈ যাহি বিষাদৰ মালাধাৰ
তাত যে ওলমি ৰয়
'অনন্ত প্ৰতীক্ষাৰ প্ৰতিচ্ছবি'
তই উলটি আহ ফাগুন !!❖



# প্ৰতিমা

◆ বন্দিতা শৰ্মা
দ্বাদশ শ্ৰেণী (কলা)

মছজিদৰ গেটৰ কাষতে বহি আছিল তেওঁ
দুৰ্গা গোসানীৰ নাকটো গঢ় দিয়াৰ
এক আপ্ৰাণ চেষ্টা
এক বজাৰ নামাজলৈও যোৱা নহ'ল আজি
দুৰ্গা পূজালৈ যে মাজত মাথোঁ দহটা দিন
সেন্দূৰখিনিত চকু পৰি বুকুখন
যেন মোচৰ খাই উঠিল
তেওঁৰ মাজনীৰ যি যাত্ৰা
ক'লা বোৰ্খাৰ সলনি ৰঙা সেন্দূৰ,
শহুৰেকৰ ঘৰে হেনো নাৰাখে সম্পৰ্ক
"হ'ব দে আই সুখী থাক,
মোৰ মৰমবোৰ পঠিয়াই দিম দে
দুৰ্গা দেৱীৰ হাততে
যি প্ৰতিমাৰ আগত তই আঁঠু ল'বি
মূৰত ওৰণিৰ সতে।" ❖

# স্মৃতিৰ ঢৌ

◆ জ্যোতিস্মিতা ৰাজবংশী
একাদশ শ্ৰেণী (বিজ্ঞান)

এটি উমাল উজাগৰী নিশাত
ৰৈ আছোঁ তোমালৈ
নিশাৰ চন্দ্ৰমাই উজলাই তোলা
আকাশখনিৰ স'তে
বসন্তৰ বলিয়া বতাহজাকে
মনৰ আকাশখনিত
তুলিছে গগনচুম্বী ঢৌ
নিয়ৰসনা দূবৰিয়ে যেন
তোমাৰ বাবেই গাঁঠিছে
প্ৰেমৰ মুকুতামালা...। ❖



## বৰষা

◆ ঋষিতা মজুমদাৰ
দ্বাদশ (কলা)

মেঘৰ আঁচল ফালি
এমুঠি দিঠকৰ মাজেদি
নমাইছিলাহি বৰষা গোপনে কোঠাটিত
জুৰুলি-জুপুৰি হৈ তিতিছিল মোৰ নীলাভ পোছাকযোৰ
আজিও সিক্ত সেই চকুযুৰি
কত ধুমুহা আহিছিল
কত ৰ'দে শুকুৱাবলৈ চেষ্টা কৰিছিল
মোৰ হৃদয়...
সেই বৰষুণজাকে যেন
উটুৱাই লৈ গৈছিল
মোৰ উৰুঙা মন
দুৰ্গম বাটেৰে বাটকুৰি বাইছিল
মোৰ হিয়াই...
শুকান মৰুভূমিৰ যাত্ৰা...
দিক্-বিদিক্ আগুৰি ধৰিছিল অন্ধকাৰে
মাথোঁ আশাত সেই বৰষুণজাকৰ
আজিও চুই চাওঁ নীলাভ পোছাকযোৰ
চেঁচা হৈ উঠে দুহাত মোৰ
ভাগৰুৱা প্ৰাণে আকৌ খোজ লয়
বেদনাৰ বাটে
অজানিতে গছকি যায় সোঁৱৰণী সময়
উচুপি উঠো উজাগৰী নিশা
দুচকুৰে নামি আহে বৰষা... ❖

## পথভ্ৰষ্ট

◆ অৰন্তিকা চক্ৰৱৰ্তী
একাদশ শ্ৰেণী (কলা)

আজি উদং এই চোতাল
এসময়ৰ হাঁহিৰ শব্দ
আজি মাত্ৰ
এক নিমাত পৰিৱেশৰ অংশ
এক অধ্যায় !
কান্দিবলৈও যেন আহৰি নাই কাৰো !
ব্যস্ত সকলো
যেন মৰীচিকাৰ পথিক একোজন।
এয়ে মানৱতা
এয়ে আধুনিক সমাজ,
য'ত কেৱল ভবা হয় নিজৰ
স্বাৰ্থৰ কথা,
য'ত নাই কোনো মানৱীয়তাৰ সঁচ
য'ত নাই আপোনজনক
হেৰুওৱাৰ বুকু ভঙা কান্দোন,
এয়াই সমাজ !
আধুনিক সমাজ ! ❖



# নাৰী : এটি মাথোঁ শব্দ নহয়

◆ পিংকী দাস
একাদশ শ্ৰেণী (কলা)

এটি পৱিত্ৰ শব্দ... নাৰী
এটি অভেদ্য অংগ... নাৰী
আমাসবৰ ঘৰৰ গৃহলক্ষ্মী
উপমাবিহীন শব্দেৰে বৰ্ণিত এপাহি ফুলৰ পাপৰি।
হে নাৰী...
কিদৰে কৰোঁ বৰ্ণনা মোৰ শব্দবিহীন ভাষাৰে
কিদৰে বুজাওঁ মোৰ বুকুৰ ধপ্‌ধপনি
নৱজাতকৰপৰা বৃদ্ধাৱস্থালৈ
মানৱতাৰপৰা যান্ত্ৰিকতালৈ
আৰু সূৰ্যোদয়ৰপৰা সূৰ্যাস্তলৈ
প্ৰতিপল তুমি স্বীকাৰ কৰা ত্যাগৰ
প্ৰতিপল তুমি দানদিয়া নিঃস্বাৰ্থ প্ৰেমৰ...
আলফুলীয়া হাতেৰে মৰম বুলাই দিয়া
মমতাৰ এনাজৰীৰে সপোন অংকন কৰা
আৰু আশিসেৰে জীৱন ধন্য কৰা
তুমি মোৰ মাতৃ
মাতৃ মোৰ জীৱন দাতা
মাতৃ মোৰ ন মাহ দহ দিনৰ অলৌকিকতাৰ !
হে নাৰী...
তুমি মোৰ এগৰাকী ভগ্নী
মোৰ কোলাত উমলা সেই কণমানিজনী
ভগ্নী মোৰ বোকোচাত উঠা
অভিমানী মুখৰ সেই কণমানিজনী
আৰু নাৰী তুমি উপদেশেৰে প্ৰতিপল ধন্য কৰা
মোৰ সেই বাইদেউজনী !
কিন্তু... মোৰ মন আজি মৌন
মোৰ মন আজি অচল-অথৰ...
যেন... নিৰাশাৰ কাল ধুমুহাই
তচনচ কৰা মৰুদেশৰ এজোপা শুষ্ক বৃক্ষ।
হে নাৰী...
উপমাবিহীন ফুলৰ পাপৰি
আজি যেন তোমাৰ কাষত কোনো নাই
আজি যেন তুমি কাৰোবাৰ বিকৃত কামনাৰ বলি
চৰম হতাশাৰ দুৰ্দিনত ওপঙি ফুৰা
দিক্‌বিহীন এগৰাকী বাটৰ আলহী।
ধূলিসাৎ তোমাৰ অযুত ত্যাগৰ
ধূলিসাৎ তোমাৰ চিৰনমস্য আশিসৰ।
পৈশাচিক মনোবৃত্তিৰ চৰম কামনাত
তুমি যেন ভাঙি-ছিঙি গ'লা।
তুমি যে কাৰোবাৰ ভগ্নী আছিলা
তুমিও যে কাৰোবাৰ মাতৃ আছিলা
তোমাৰ মনটোৱে যেন আপোনজনক বিচাৰিছে
বাক্‌ৰুদ্ধ তোমাৰ শেঁতা পৰা মুখখনে যেন
মা মা বুলি চিঞৰি উঠিছে...
"মা... ক'ত আছা তুমি? আহাচোন এবাৰ... !
মোৰ কাষলৈ এবাৰ আহাঁ
মোক আকৌ এবাৰ কোলাত লোৱাহি
চাই যোৱাহি তোমাৰ সেই কণমানিজনীৰ
নাৰীত্বহীন অৱয়বক।"
কিন্তু নাই ! আজি যেন সকলো নিস্তব্ধ।
হে নৰৰূপী বিবেকহীন মানৱ !
আছে নে হৃদয়ত তোৰ দয়া নামৰ এটি ভাব...?
আছে নে মগজুত তোৰ বিবেক নামৰ এটি শব্দ...?
কিদৰে বুজাওঁ তোৰ নিৰ্লজ্জতাক !
কিদৰে বুজাওঁ তোৰ প্ৰতিপল কলুষিত কৰা
আসুৰিক অপ্ৰিয় মৌনতাক?
তোৰ যদি আছে এগৰাকী মা..
আছে যদি তোৰ এগৰাকী ভগ্নী...
তেতিয়াহ'লে কোন দিশে আজি তোৰ মনোভাৱ?
কোন দিশে আজি তোৰ বিবেক?
এবাৰ সুধি চা নিজক... আৰু
এবাৰ চিকুট মাৰি চা। ❖

# গল্পগুচ্ছ

## দুষ্ট বাঘ আৰু হাতী

◆ **জ্যোতিষ্মান দাস**
চতুৰ্থ শ্ৰেণী



এখন হাবিত এটা দুষ্ট বাঘে বাস কৰিছিল। সি বৰ শক্তিশালী আৰু বুধিয়ক আছিল। সি নিজৰ শক্তি আৰু বুদ্ধিক লৈ অহংকাৰ কৰিছিল। সি হাবিত থকা সকলো জন্তুক দিগদাৰ দিছিল। সেই হাবিখনতে আকৌ এটা হাতীয়েও বাস কৰিছিল। সি বৰ শান্ত, নিৰ্মল আৰু বিনম্ৰ আছিল। সেইবাবে তাক সকলোৱে বৰ ভাল পাইছিল। তাৰ প্ৰতি আন জন্তুবোৰৰ মৰম দেখি বাঘটোৰ হিংসা লাগিছিল। সি সদায় হাতীটোৰ অপকাৰ কৰাৰ কথা ভাবি আছিল। এদিন সি হাতীটোক মৰাৰ পাং পাতিলে। সি হাতীটো যোৱা বাটত এটা গাঁত খান্দি গাঁতটো গছৰ ডাল-পাতেৰে ঢাকি দিলে আৰু হাতীটো অহালৈ অপেক্ষা কৰিলে। হাতীটো সেই বাটটোৰে আহি থাকোঁতে হঠাৎ গাঁতটোত পৰিল। তেতিয়া হাতীটোৱে চিঞৰিবলৈ ধৰিলে। হাতীৰ চিঞৰ শুনি সকলো জন্তু আহি তাক উদ্ধাৰ কৰিলে আৰু বাঘক আনন্দ কৰি থকা দেখি সকলো জন্তুৱে এইবোৰ যে বাঘৰে কাম সেই কথা বুজি পালে। সেইবাবে সকলোৱে বাঘটোক হাবিৰপৰা বাহিৰ কৰি দিলে। ❖



**বিষ্ণুপ্ৰিয়া হাজৰিকা**, অংকুৰ শ্ৰেণী



**দীক্ষিতা গোস্বামী**, অংকুৰ শ্ৰেণী

# প্ৰকৃত বন্ধু

◆ প্ৰাঞ্জনা গোস্বামী
চতুৰ্থ শ্ৰেণী



ৰাতুল আৰু অমিত একেখন বিদ্যালয়তে পঢ়ে। সিহঁত দুয়ো চতুৰ্থ শ্ৰেণীত পঢ়ে। পঢ়াত দুয়ো ভাল। কিন্তু ধনী ঘৰৰ ল'ৰা বাবে সিহঁতে অহংকাৰ কৰে। ৰাতুলে অমিতক দুখীয়া ল'ৰাবোৰৰ লগ হ'বলৈ নিদিয়ে। সিহঁতৰ শাখাতে পঢ়া অপু বৰ দুখীয়া ঘৰৰ ল'ৰা। তাৰ মাক-দেউতাকে লোকৰ ঘৰত কাম কৰে। কিন্তু অপু পঢ়াত চোকা। সি বৰ শান্ত; সকলোকে সহায়ো কৰে। কিন্তু ৰাতুলে অমিতক তাক মাতিবলৈ নিদিয়ে। সেয়ে অমিতেও তাক নামাতে।

এদিনৰ কথা। অমিতহঁতৰ বিদ্যালয়ত ছবি অঁকাৰ প্ৰতিযোগিতা পাতিছিল। সকলোকে তাত ভাগ ল'বলৈ অধ্যক্ষ ছাৰে কৈছিল। কিন্তু সেইদিনা অমিতে তাৰ ৰং পেঞ্চিলৰ বাকচটো আনিবলৈ পাহৰি গ'ল। ছবি আঁকিবলৈ বহিহে তাৰ কথাটো মনত পৰিল। সি তাৰ ওচৰত বহা ৰাতুলক কথাটো ক'লে আৰু ছবিত ৰং কৰিবলৈ তাৰপৰা ৰং পেঞ্চিল বিচাৰিলে। কিন্তু ৰাতুলে তাক এডালো ৰং পেঞ্চিল নিদিলে। তাৰ পিছৰ বেঞ্চত বহা অপুৱে কথাটো গম পালে। সি অমিতক তাৰ নিজৰ ৰং পেঞ্চিল ল'বলৈ ক'লে। অমিতে অপুৰপৰা ৰং পেঞ্চিল লৈ ছবিখনত ৰং দিলে আৰু বাইদেউক জমা দিলে। সি মনতে বৰ লাজো পালে। কাৰণ মাক-দেউতাকে তাক শ্ৰেণীত সকলোৰে লগত মিলিজুলি থাকিবলৈ কয়। কিন্তু ৰাতুলৰ কথা শুনি সি অপুহঁতক নামাতে। পিছে তাক বিপদত সেই ৰাতুলে সহায় নকৰিলে। অপুৱেহে তাক সহায় কৰিলে। সেইদিনাৰপৰা সি শ্ৰেণীত সকলোৰে লগত মিলি-জুলি থাকিব বুলি শপত খালে। বিপদত সহায় কৰা জনহে যে প্ৰকৃত বন্ধু, সেই কথাষাৰ সেইদিনা সি বুজি পালে। ❖



**কৌস্তভ ডেকা**, অংকুৰ শ্ৰেণী



**মন ময়ূৰী মেধি**, অংকুৰ শ্ৰেণী

# আচহুৱা গছজোপা

◆ ঋতুমল্লিকা গোস্বামী
পঞ্চম শ্ৰেণী



এসময়ৰ কথা। এখন দেশৰ বার্ন নামৰ এখন গাঁৱত এজন বৰ দুখীয়া খৰিকটীয়া আছিল। তেওঁৰ নাম আছিল যোচেফ। তেওঁ তেওঁৰ পত্নী এলিনা আৰু তেওঁলোকৰ একমাত্ৰ পুত্ৰ ৰফৰ সৈতে বাস কৰিছিল।

এদিনৰ কথা। যোচেফে হাবিলৈ খৰি কাটিবলৈ ওলাল। দেউতাকক সহায় কৰিবলৈ বুলি লগত ৰফো ওলাল। সেইদিনা এলিনা ঘৰত অকলে থাকিল। সেইবাবে যোচেফ আৰু ৰফে গধূলি হোৱাৰ আগেয়ে ঘৰলৈ উভতিব লাগিব। গতিকে সিহঁতে যিখিনি খৰি পায় সেইখিনিয়ে বজাৰত বিক্ৰী কৰিবলৈ সিদ্ধান্ত ল'লে। লৰালৰিকৈ বাপেক-পুতেক খৰি কাটিবলৈ গ'ল। হাবিখন পোৱাৰ লগে লগে এসোপামান ঠাল-ঠেঙুলিযুক্ত, প্ৰকাণ্ড আচহুৱা গছ এজোপাত সিহঁতৰ চকু পৰিল। সিহঁতে সেইডালকে কাটিবলৈ স্থিৰ কৰিলে। সিহঁতে গছজোপাৰপৰা ভালেখিনি খৰি পালে। খৰি কটা হোৱাত সিহঁতে বজাৰত খৰিখিনি বিক্ৰী কৰিবলৈ গছজোপাৰ ওচৰৰপৰা আঁতৰিব খোজাৰ লগে লগে গছজোপাৰ ডাল এটাই ৰফক মেৰিয়াই ধৰিলে। ভয়তে ৰফে চিঞৰিবলৈ ধৰিলে। যোচেফে গছজোপাক কাকূতি-মিনতি কৰি ক'লে, 'মোৰ পুত্ৰক অনুগ্ৰহ কৰি এতিয়াই এৰি দিয়াঁ। মই তোমাক যি লাগে তাকে দিম।' তেতিয়া গছজোপাই ক'লে, 'তুমি মোৰ এই হাবিত থকা সন্তানবোৰক কাটি আমাৰ পৰিয়ালটো শেষ কৰিলা। সেইবাবে মই তোমাৰ পুত্ৰক বধিম। যদিহে তুমি তোমাৰ পুত্ৰক ঘূৰাই পাব বিচাৰিছা তেনেহ'লে তুমি যিমানকেইডাল গছ কাটিলা তাৰ ঠাইত এডালকৈ নতুন গছ ৰোৱাঁ আৰু ভৱিষ্যতে যিমান গছ কাটা সিমান গছ ৰুবা।' তাকে শুনি যোচেফে 'হ'ব' বুলি ক'লে আৰু ঘৰলৈ গৈ গছপুলিকেইটামান নি যিখিনি গছ কাটিছিল তাৰ ঠাইত সেই গছপুলিকেইটা ৰুই দিলে। লগে লগে গছজোপাই ৰফক মুকলি কৰি দিলে। এই ঘটনাটোৰ পিছৰেপৰা যোচেফে এডাল গছ কটাৰ পিছত তাৰ ঠাইত এটাকৈ গছপুলি ৰুবলৈ সিদ্ধান্ত ল'লে। ❖

# অনুপমৰ সহানুভূতি

◆ **নয়নিকা মজুমদাৰ**
পঞ্চম শ্ৰেণী



অনুপম এজন দহ বছৰীয়া ল’ৰা। তাৰ মাকে প্ৰতি বৃহস্পতিবাৰে মন্দিৰলৈ গৈ পূজা কৰে। সিও মাকৰ লগত যায়।

এদিনৰ কথা। বৃহস্পতিবাৰ। সি মাকৰ লগত মন্দিৰলৈ গ’ল। মন্দিৰ দৰ্শন কৰি মাকে মন্দিৰত থকা পণ্ডিতজনক এশ টকা দিলে। তাকে দেখি ভিক্ষাৰী এজনী আহি অনুপমৰ মাকক ভিক্ষা খুজিলে। কিন্তু অনুপমৰ মাকে তাইক খেদি পঠালে। সেই দৃশ্য দেখি অনুপমৰ মনত বৰ দুখ লাগিল। তাৰ পিছত অনুপম আৰু মাক ঘৰলৈ উভতিল। অনুপমে ঘৰ আহি পোৱাত পিছফালে ঘূৰি চাই দেখিলে যে ভিক্ষাৰীজনী সিহঁতৰ পিছে পিছে আহি ঘৰ ওলাইছেহি। তাইক দেখি অনুপমে সুধিলে, ‘তুমি কিয় আনক ভিক্ষা খোজা’? তেতিয়া ভিক্ষাৰীজনীয়ে উত্তৰ দিলে, ‘মোৰ খাবলৈ আৰু পিন্ধিবলৈ একো নাই। সেইবাবে ভিক্ষা খোজোঁ।’ সেই কথাষাৰ শুনি অনুপমৰ মনত বৰ দুখ লাগিল। কিন্তু সেই কথা সি মাকক নক’লে।

কেইদিনমান পিছত সিহঁত আকৌ মন্দিৰলৈ গ’ল। সিদিনাখনো সেই ভিক্ষাৰীজনী সিহঁতৰ আগত আহি ওলাল। তাই অনুপমৰ মাকৰ ফালে খালী বাতিটো আগবঢ়াই দিলে। মাকে তাইক ‘যা, খাব নোপোৱা ভিক্ষাৰী’ বুলি গতা মাৰি দিলে। তাই দুখ মনেৰে পৰাৰপৰা উঠিল। এনেতে এটা ঘটনা ঘটিল। অলপ দূৰত এটা সৰু ল’ৰাই খেলি আছিল। সি ভিক্ষাৰীজনীক দেখি তাৰ মাকৰ বেগৰপৰা পাঁচ টকা উলিয়াই ভিক্ষাৰীজনীক দিলে। ভিক্ষাৰীজনীৰ মনটো আনন্দেৰে ভৰি পৰিল। অনুপমে ভিক্ষাৰীজনীৰ আনন্দ দেখি খুব স্ফূৰ্তি পালে। সৰু ল’ৰাটোৰ এনে কাৰ্য দেখি অনুপমৰ মাকৰ মুখৰ মাত হৰিল। ❖



**দিশান কুমাৰ**, অংকুৰ শ্ৰেণী



**ৰিয়া ডেকা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# আশা

◆ প্ৰাৰ্থনা শৰ্মা
ষষ্ঠ শ্ৰেণী

গুণ এটি কণমানি ল'ৰা। তাৰ বয়স প্ৰায় পাঁচ বছৰ। সি বৰ মৰমলগা ল'ৰা। মাকে তাক যোৱা কেইমাহমানৰপৰা অকলে ডাঙৰ-দীঘল কৰিছে। কাৰণ তাৰ দেউতাক ছমাহ আগত মৃত্যুমুখত পৰিছে। সি কেতিয়াবা মাকক সোধে—'মা, দেউতাই এতিয়া কি কৰি আছে? অ' মা দেউতাই মোকো কিয় জোনবাইৰ দেশলৈ লৈ নগ'ল? মোক লৈ যোৱা হ'লে অলপ ফুৰি আহিব পাৰিলোঁ হয়।' তাৰ এনে ধৰণৰ প্ৰশ্নবোৰত মাকে তাক কয়—'বাবা, নাপায় নহয়। তুমি জোনবাইৰ দেশলৈ যাব নালাগে। তুমি যদি মোক এৰি থৈ গুচি যোৱা, তেনেহ'লে মোৰ লগত কোন থাকিব? অন্ততঃ মই জীয়াই থকালৈকে তুমি জোনবাইৰ দেশলৈ যাব নালাগে। নোৱাৰা তুমি যাব।' তাৰ কথাবোৰ শুনিলে মাক উচুপি উঠে। এনেদৰে সিহঁতে দিনবোৰ কটাইছিল। ঘৰৰ বাকী মানুহবোৰেও তাক একেবাৰে দেউতাকৰ অভাৱ অনুভৱ হ'বলৈ নিদিয়ে।



এনেদৰে দিনবোৰ গৈ আছিল। গুণে তাৰ গাঁৱত থকা ককাকক মাকতকৈও বেছি ভাল পায়। কাৰণ সি ককাকক যি বিচাৰে ককাকে তাক সেয়ে দিয়ে। যি খেলিবলৈ বিচাৰে সেয়ে খেলে। মুঠতে ককাকে তাক সবাতোকৈ বেছি ভাল পায়। হাজাৰ হওক তেওঁৰ এটাই নাতি। গতিকে তেওঁ তাক বৰ মৰম কৰে আৰু ভাল পায়। সিও ককাকক বেছিকৈ ভাল পায়। এদিন হঠাৎ মাকে ঘৰৰ বাকী মানুহখিনিক আৰু তাক ক'লে, 'আমি এপাক গাঁৱৰপৰাই আহিব পাৰোঁ নেকি?' তেতিয়া খুৰাকে ক'লে, 'কথাটো ময়ো নভবা নহয় বৌ। বুজিছা আমি কাইলৈকে গাঁৱলৈ যাম। যিহেতু গুণৰো কালিৰপৰা গৰমৰ বন্ধ আৰম্ভ হৈছে।' পিছদিনা সকলো গাঁৱলৈ যাবলৈ ওলাল। সকলোৱে ৰে'লত উঠিল। ৰে'লত গুণে মাকক ক'লে, 'অ' মা, মই যে ককাৰ লগত কিমান স্ফূৰ্তি কৰিম। মোৰ আশা, ককাই যাতে মোৰ বাবে ৰৈ থাকে। ককা আৰু মই ঘূৰিম, খেলিম আৰু যে কিমান কিবাকিবি কৰিম? মোৰ ভাবিয়েই ভাল লাগিছে জানা।' মাকে হাঁহি হাঁহি ক'লে, 'হ'ব দিয়া। তুমি গাঁৱলৈ

গৈ যি কৰিব লাগে কৰিবা। এতিয়া ভালদৰে বহি থাকা।' শেষৰফালে ট্ৰেইনখনত ইমান ভিৰ হ'বলৈ ধৰিলে যে লৰচৰেই কৰিব নোৱৰা হ'ল। ইফালে গাঁৱৰপৰা দাদাকহঁতে গুণৰ মাকক ফ'ন কৰি আছে, যদিও ফ'ন উলিয়াবই পৰা নাই। এনেদৰে আহি তেওঁলোক গাঁৱত উপস্থিত হ'ল। কিন্তু তেওঁলোকে ঘৰৰ পদূলিমুখত দেখিলে যে অসংখ্য মানুহৰ ভিৰ। গুণহঁতে ভিতৰত কিনো হ'ল বুলি চাবলৈ গৈ দেখে যে ঘৰখনৰ মানুহবোৰৰ কন্দা-কটা লাগিছে। সকলো কান্দোনত ভাগি পৰিছে। কাৰণ গুণহঁত গাঁৱলৈ আহিবৰ দিনা পুৱতি নিশা ককাকৰ মৃত্যু হৈছিল। ককাকক চোতালত শুৱাই থোৱা দেখি গুণে মাকক ক'লে, 'মা, ককাক কিয় ইয়াত শুৱাই থৈছে?' তেতিয়া মাকে তাক কান্দি কান্দি ক'লে, 'তোমাৰ দেউতা যে ইমানদিন ঘৰলৈ অহা নাই, সেইবাবে তোমাৰ ককাৰ খং উঠিছে আৰু দেউতাক আনিবলৈ জোনবাইৰ দেশলৈ গৈছে।' তেতিয়া সি ক'লে, ...'ককা আৰু দেউতা একেলগে আহিব। অ' মা তেওঁলোক কোনদিনা আহিব?' মাকে ক'লে, 'নাজানো।'

তাৰ বহুত দিন পিছত গুণে মাকক ক'লে, 'মা, ককা আৰু দেউতা কিয় অহা নাই?' মাকে ক'লে, 'দেউতাই মোক ফ'ন কৰি কৈছিল যে জোনবায়ে হেনো ককা আৰু দেউতাক আহিব নিদিয়ে। সেইবাবে তেওঁলোক তাতেই থাকিব সোণ।' তেতিয়া সি ক'লে, 'বদমাচ জোনবাই। সি মোৰ দেউতা আৰু ককাক কাঢ়ি নিলে। কিমান আশা কৰি আছিলোঁ মই ককাৰ লগত খেলিম বুলি।' তেতিয়া মাকে নিজৰ মনতে ভাবিলে, 'বেচেৰা ল'ৰাটো, তাৰ আশা চিৰদিনৰ বাবে আশাই হৈ ৰ'ল।' ❖

# প্ৰতীক্ষা

◆ **ধৃ-বৰ্ণা বৰগোহাঁই**
ষষ্ঠ শ্ৰেণী

বগলীৰ পাখিৰ দৰে বগা সাজযোৰ আৰু বহল কপালখনত সম্পূৰ্ণ চন্দ্ৰ যেন বগা ফোঁটটোৰে মাক বৰ উদাসী, বেজাৰ মনেৰে থকা যেন লাগিছে। কথাখিনি এইবাবেই উল্লেখ কৰিছোঁ যে এতিয়াৰপৰা দুবছৰ আগতে সন্ত্ৰাসবাদী আৰু ভাৰতীয় সৈনিকসকলৰ মাজত হোৱা গুলীয়াগুলীত মোৰ দেউতা বিতোপন শইকীয়া গুৰুতৰভাৱে আহত হৈছিল। ভাৰতীয় সৈনিক দলটোৰ নেতৃত্বত আছিল মোৰ দেউতা। আহত দেউতাক সতীৰ্থসকলে এখন সৈনিক চিকিৎসালয়লৈ লৈ গৈছিল। কিন্তু চিকিৎসকৰ অশেষ যত্নৰ পিছতো তেওঁ নিয়তিৰ হাতত মৃত্যুক সাৱটি লয়। চৰকাৰে তেওঁক ছহিদ ঘোষণা কৰে।

মই আকাশী শইকীয়া ছহিদ বিতোপন শইকীয়াৰ জীয়াৰী। তেওঁৰ পত্নী অৰ্থাৎ মোৰ মা ৰূপালী শইকীয়া। মই আৰু দাদা অয়ন শইকীয়া তেওঁলোকৰ বিবাহিত জীৱনৰ সাক্ষী। দেউতা যিহেতু সৈনিক আছিল সেয়েহে আমি সৰহ সময় মা আৰু ককা-আইতাৰ লগতেই ডাঙৰ হৈছিলোঁ। আমি দেউতাক বেছি সময় লগ পোৱা নাছিলোঁ। যিকেইদিন দেউতা ঘৰত আছিল সেইকেইদিন দেউতাৰ লগতেই খাইছিলোঁ, শুইছিলোঁ আৰু বিভিন্ন কথা পাতি হাঁহিছিলোঁ। দেউতাই প্ৰায়েই আমাক সৈনিক জীৱনত ঘটা ঘটনাবোৰ ৰস লগাকৈ সাধু কোৱাৰ দৰে কৈছিল। দেউতা ঘৰত থকা কেইদিন আমাৰ ঘৰখন উৎসৱমুখৰ

হৈ পৰিছিল। আইতাইতো কৈছিলেই —“দেউতাৰ সৈনিক নহৈ শিক্ষকহে হ'ব লাগিছিল।” মুঠৰ ওপৰত আমাৰ পৰিয়ালটো সুখৰ আছিল।

হঠাৎ আমাৰ পৰিয়ালটোলৈ অমানিশা নামি আহিল। মোৰ বয়স তেতিয়া আঠ বছৰ আৰু দাদাৰ বয়স ১৩ বছৰ।

১১ আগষ্ট, ২০১৭ চন। দেউতাৰপৰা এখন চিঠি আহিছিল। প'ষ্টমেনজনে বাহিৰত চাইকেল চলাই থকা দাদাৰ হাতত চিঠিখন দি গ'ল। দাদাই দেউতাৰ চিঠি বুলি মাক মাতি মাতি ভিতৰলৈ দৌৰি আহোঁতেই মই দাদাৰ হাতৰপৰা চিঠিখন থাপ মাৰি ল'লোঁ। এই কথাটোতে আমাৰ দুয়োটাৰে মাজত ভালকৈয়ে কাজিয়া এখন হ'ল। মায়ে ধমক দি চিঠিখন লৈ পঢ়িবলৈ ধৰিলে। চিঠিখন পঢ়ি উঠিয়েই হাঁহি এটা মাৰি আমাক ক'লে, “দেউতাৰ ১৬ ছেপ্টেম্বৰত ঘৰলৈ আহিব।” আমি অতি আগ্ৰহেৰে সেই দিনটোলৈ বাট চাই ৰ'লোঁ। কাৰণ দেউতা দুবছৰৰ মূৰত ঘৰলৈ আহিব।

অৱশেষত দেউতাই চিঠিত লিখাৰ দৰে সেই ১৬ ছেপ্টেম্বৰৰ দিনটো পালেহি। আগদিনা ৰাতি আমি নুশুলোৱেই। ১৬ ছেপ্টেম্বৰৰ দুপৰীয়া দুই বজাত ঘৰৰ



পদূলিমুখত দুখন পুলিচৰ গাড়ী ৰ'লহি। আমি আটায়ে বাহিৰলৈ ওলাই আহিলোঁ। কিন্তু সেয়া কি? দেউতা আহিল ঠিকেই কিন্তু জীৱিত অৱস্থাত নহয়। সহকৰ্মীকেইজনৰ কান্ধত আৰু বগা কফিনটোৰ মাজত। দেউতাক দেখাৰপৰা মা আৰু দাদা কান্দোনত ভাঙি পৰিল। মই একো বুজিব নোৱাৰি দাদাক সোধাত ক'লে, “দেউতা আৰু নাই অ' ভণ্টি। দেউতাই আৰু আমাক নামাতে।” হয়তো মই কিবা বুজিব পাৰি দেউতাৰ ওপৰত উবুৰি খাই পৰি হুৰাওৱাৰে কান্দিবলৈ ধৰিলোঁ। সেয়াই আছিল মোৰ দেউতাৰ লগত শেষ দেখা।

দেউতাই দেশৰ বাবে প্ৰাণ আহুতি দিয়া কথাটোৰ বাবে মোৰ মাজে মাজে বৰ গৰ্ব হয়। দেউতা আমাৰ মাজত নথকাৰ বাবে দুখবোধ হয় যদিও তাৰ মাজতে দেউতাৰ সাহসিকতাৰ বাবে গৰ্ব হয়।

বৰ্তমান মই ষষ্ঠ শ্ৰেণীত আৰু দাদাই এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। দাদাৰ ফলাফল পাই মা খন্তেক সময়ৰ বাবে স্তব্ধ হৈ গৈছিল। এতিয়া মই আৰু দাদাই জীৱনত সৈনিক হোৱাৰ সপোন প্ৰায়েই দেখি থাকোঁ। ❖



**হেমাংগ দাস,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**ৰক্তিম দাস,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# শৰতৰ শেৱালি

◆ হিমশিখা শৰ্মা
সপ্তম শ্ৰেণী

নিস্তব্ধতা। সেই বিষাদ ভৰা অন্ধকাৰত মই। কাষত কোনো নাই। কিন্তু হ'লেও মনটো ক'ৰবাত অজানিতে শিহৰিত হৈছে। দূৰণিৰপৰা ভাহি আহিছে সোঁ সোঁ বতাহৰ শব্দ। সৌৱা, ওচৰ চাপিছে। সেয়া যেন বতাহ নহয়, সাৱধান বাণীহে। সাৱধান ! সাৱধান ! যিয়েই নহওক মই দূৰণিৰ সৌ আকাশখনলৈ চাই পঠিয়ালোঁ। শূন্যহীন, ক'ত শূন্য ! আৰ্তনাদ কৰি উঠিল হঠাৎ মোৰ মনে। গোটেই তৰাভৰা আকাশখনৰ মাজত সেইটো আকৌ কি? অৰ্ধবৃত্ত হেন কি সেয়া? অ' সেয়া চোন...। কি ধুনীয়া, একেবাৰে অৰ্ধবৃত্ত শান্তিৰ পৃথিৱীহে যেন। য'ত হত্যা নাই, হতা-হতি, প্ৰদূষণ একোৱেই নাই। আছে মাথোঁ শান্তি। সেয়া আন কোনো নহয় অৰ্ধবৃত্তৰ ৰূপ ধাৰণ কৰা ৰূপোৱালী জোনবাই। ডাৱৰৰ আঁৰে আঁৰে লুকা-ভাকু খেলিছে। মোৰ চিন্তাত আউল লগাই এজাক চেঁচা বতাহে মোক চুই গ'ল। হঠাতে মই কঁপি উঠিলোঁ। কিছু সময় ইফালে-সিফালে চাই মই নিজকে এখন পথাৰৰ ঠিক সোঁমাজত আৱিষ্কাৰ কৰিলোঁ। কিন্তু মই হয় কোন? মইচোন মনেই কৰা নাছিলোঁ। মোৰ গাৰ ওপৰৰপৰা কিবা পৰিছে। কি হয় এইবোৰ? আঃ কেনে সুগন্ধ। এজনী ছোৱালীয়ে সেইবোৰ বুটলিবলৈ ধৰিছে। আন এজনী কাষতেই থিয় হৈ আছে।

—অই কি কৰিছ?—থিয় হৈ থকাজনীয়ে সুধিলে।

—শেৱালি বুটলিছোঁ।

—কি? শেৱালি। চাওঁ চাওঁ। বাঃ কেনে সুগন্ধ চোন। আঃ ! (মানে মোৰ নাম শেৱালি। মই পুনৰ মৌন



হৈ সিহঁতৰ বাৰ্তালাপ শুনিলোঁ।)

শেৱালি বুটলি থকাজনীয়ে ক'লে—শৰতৰ শেৱালিৰ ইমান সুন্দৰ সুৱাস। তয়ো লচোন।

—শৰতত ডাল ভৰি থকা শেৱালি ফুলৰ গছ চাই ভাল লাগে নহয়নে?

—অহ্ ! ব'ল এতিয়া, ঘৰত বিচাৰিব নহ'লে।

—ব'ল ব'ল ! চাচোন এই শেৱালি গছজোপাৰ সৌন্দৰ্য।

—হয় অ'।

সৌন্দৰ্য...। আৰে সিহঁতে এইবোৰ কি কৰিছে? মোৰ সৌন্দৰ্যক লৈ গৈছে। নোৱাৰিলোঁ আৰু মৌন হৈ থাকিবলৈ। সেই মৌনতা ভংগ কৰি চিঞৰি উঠিলোঁ মই। নিনিবা ! নিনিবা ! ধ্বংস নকৰিবা মোৰ সৌন্দৰ্যক। আঃ ! দুখ পাইছোঁ। আঁতৰি যোৱা ইয়াৰপৰা। হঠাৎ সেই অপ্ৰস্তুত জোকাৰণি। কিন্তু...। মোৰ মুখখনে মিচিকিয়ালে। মোৰ চিঞৰৰ জানো অৰ্থ আছে। পাতৰ জৰ্জৰ্ শব্দ শুনিলেও এই বিষাদক অনুভৱ কৰা টান। হ'লেও সেই হাঁহিৰে ভৰা মুখকেইখন দেখি অন্তৰত ভাল লাগিল। অন্তৰ...। হেহ্ মোৰ জানো কিবা অন্তৰ আছে। গছৰ পাত বঢ়া, ডাল অহা আদিয়ে মোৰ জীৱ হোৱাৰ প্ৰমাণ নেকি? যি নহওক সিহঁতৰ হাঁহিয়ে মোৰ কঠিন হৃদয়ত কিছু সকাহ দিলে। সিহঁত ক'লৈ যাব মই নাজানো। কিন্তু মোৰ সৌন্দৰ্যৰ ভাগ মানুহ জাতিয়ে ল'ব। চু...প। এনেতে এটি সুৰ ভাঁহি আহিল।

শৰতৰ শেৱালি...।

বাহ্ ! মোৰ নামেৰে গীত। এতিয়া যেন সেই বিষাদ বিষাদ যেন লগা ভাবটো মিছাহে হ'ল।

ওৰে নিশা জাগি ধৰিত্ৰীৰ অপূৰ্ব ৰূপত ভোল গ'লোঁ মই। বেলি লহিয়াওঁতে কিছু টোপনিৰ ভাব আহিছিল যদিও সেইবোৰ আওকাণ কৰি পুৱাৰ পৰিৱেশৰ আনন্দ লৈ আছোঁ মই। এনেতে এদল মানুহে আহি মোৰ ওচৰতে লেপেটা কাঢ়িছে।

—এই শেৱালিজোপা কাটিব লাগিব।

—(বাকীবোৰৰ উত্তৰ) হয় হয়।

মাজৰে এজনে ক'লে, যদু মহাজনে যি আছে আজিয়েই শেষ কৰি ঠাইখিনি চিকুণাবলৈ কৈছে।

—গাড়ীখন পঠিয়াই কামত লাগি যাওঁ নেকি?

—দে দে আৰু সোনকালে কামত ধৰ।

মোৰ বুজিবলৈ বাকী নাথাকিল যে মোৰ অস্তিত্ব কালৰ বুকুত হেৰাই যাব। মই মোৰ হত্যাকাৰীক এতিয়াই চিনিলোঁ, যিয়ে কেইপলমানৰ পিছত মোক হত্যা কৰিব। এই মানুহবোৰ সঁচাই নিষ্ঠুৰ। সিহঁত হেনো পৃথিৱীৰ জীৱশ্ৰেষ্ঠ প্ৰাণী। কিন্তু এই মূৰ্খবোৰৰ জ্ঞান নাই, কাৰণ প্ৰকৃতিক ধ্বংস কৰি সিহঁত জানো জীয়াই থাকিব। জীৱনত যিমানেই উন্নতি নকৰক কিয় প্ৰকৃতিৰ অবিহনে সিহঁত এদিন পংগু হ'ব। এদিন সিহঁতে অনুভৱ কৰিব আমাৰ গুৰুত্ব। এনেতে এখন বৃহৎ আকাৰৰ গাড়ী মোৰ কাষলৈ আহিল। প্ৰাণভৰি চাই ল'লোঁ এই পৰিৱেশ। এইবাৰ চকু দুটা মুদি দিয়াৰ কথা ভাবিলোঁ মই। নহ'লে হয়তো মোক হত্যাৰ বিষাদে বেৰি বেৰি ধৰিব। চকু মুদি নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিলে হয়তো মৃত্যুৰ যন্ত্ৰণা কিছু হ'লেও শাম কাটিব। তাকে ভাবি মই পৃথিৱীৰপৰা বিদায় মাগি চকু দুটা মুদি দিলোঁ।

আকৌ সেই চিনাকি কণ্ঠস্বৰ।

শৰতৰ শেৱালি নতুন নিয়ৰে...। ❖



**দেবাংগী হাজৰিকা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**গৰিমা বৰ্মন**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# নিঃসংগ

◆ অভিশ্ৰুতি শৰ্মা
অষ্টম শ্ৰেণী



প্ৰশান্ত বৰুৱা এজন সময়ৰ লগত চলা মানুহ। সদায় তেওঁক সকলো বস্তু সময়মতে যোগান ধৰিব লাগে। ঘৈণীয়েক অৰ্পণা বৰুৱায়ো স্বামীৰ লগত একেলগে সঠিক সময়ত খোজ পেলাই নিজৰ জীৱন অতিবাহিত কৰি আছে। তেওঁলোক দুয়োৰে ৰশ্মি আৰু ৰাহুল নামৰ দুটি সন্তান আছে।

আনদিনাৰ দৰে আজিও ৰাতিপুৱা চুবুৰিৰ মূৰৰ ঘৰটোত থকা কুকুৰাটোৱে ডাক দিয়াৰ লগে লগে অৰ্পণাই শুই উঠি নিজৰ দৈনন্দিন কামত ধৰিলে। পুৱা ৬.৩০ বজাত প্ৰশান্ত বৰুৱাই শুই উঠিয়ে প্ৰাতঃভ্ৰমণলৈ ওলাই গ'ল। তেওঁ ঘৰ আহি পায় মানে অৰ্পণাৰ ৰাতিপুৱাৰ আহাৰ, কাপোৰ ইস্ত্ৰি কৰা আদি সকলো কাম প্ৰায় হৈছিল। প্ৰশান্ত বৰুৱাই আহিয়েই গা ধুই ৰাতিপুৱাৰ আহাৰ খাবলৈ ডাইনিং টেবুলত বহিল। আহাৰ খাই উঠিয়েই বৰুৱা অফিচলৈ গ'ল। বৰুৱা অফিচলৈ যোৱা মানে অৰ্পণাই অলপ কামৰপৰা ৰেহাই পায়। কিন্তু ইফালে আকৌ ৰশ্মি আৰু ৰাহুল আছেই।

আজিও মাকে ৰশ্মি আৰু ৰাহুলক বহুবাৰ মতাৰ পিছতহে দুয়োজন টোপনিৰপৰা সাৰ পালে। ৰশ্মিয়ে উঠিয়েই ম'বাইল হাতত লৈ ডাইনিং টেবুলত আহি বহিল। দুয়ো দাদাক-ভনীয়েকে মাকে বনাই দিয়া আহাৰ খাই নিজৰ নিজৰ কোঠালৈ গুচি গ'ল। কাৰণ আজি দুয়োৰে কলেজ বন্ধ। মাকেও বাচন-বৰ্তন ধুই আহি চোফাখনত বহি ম'বাইলটো লৈ নেট অন কৰাৰ লগে লগে হোৱাট্চএপত দেখিলে যে তেওঁক বান্ধৱী নৱনীতাই মেছেজ দিছে। অৰ্পণাই মেছেজটো পঢ়ি গম পালে যে নৱনীতাই নিজৰ পৰিয়ালৰ লগত গোৱালৈ ফুৰিবলৈ যাব। এই কথা গম পাই অৰ্পণাই মনতে ভাবিলে—'আমিও দেখোন ক'ৰবালৈ ফুৰিবলৈ যাব পাৰোঁ। বহুদিন হ'ল ক'তো একেলগে ফুৰিবলৈ যোৱা নাই। গতিকে ঘৰৰ সকলোৰে লগত কথাটো পাতিব লাগিব।'

এইদৰে ভাবি থাকোঁতেই ৰশ্মিয়ে নিজৰ কোঠাৰপৰা ওলাই আহি টিভি চাবলৈ বহিল। তেনেতে মাকে তাইক ক'লে, 'তোৰ পঢ়া-শুনা কেনে চলি আছে?'

ৰশ্মি—'ভালেই চলি আছে মা।'

মাক—'মই কথা এটা ভাবিছোঁ। আজি বহুদিন হ'ল আমি ক'লৈকো ফুৰিবলৈ যোৱা নাই। কেইদিনমানৰ বাবে আমি সকলোৰে বাহিৰলৈ ফুৰিবলৈ যাওঁ ব'ল।'

ৰশ্মি—'মা তুমি বেয়া নোপোৱা যদি দাদা আৰু দেউতাৰ লগত যোৱাঁ। কাৰণ মই অহা সপ্তাহত মোৰ বান্ধবীৰ লগত কেইদিনমানৰ বাবে ফুৰিবলৈ যাম।'

ৰশ্মিৰ কথা শুনি মাকৰ মনটো অলপ বেয়া লাগিল যদিও ৰাহুল আৰু গিৰিয়েকৰ লগত যোৱাৰে সিদ্ধান্ত ল'লে। এইবাৰ তেওঁ ৰাহুলৰ কোঠাত গৈ তাক ক'লে, 'ৰাহুল মই বাহিৰলৈ ফুৰিবলৈ যোৱাৰ কথা ভাবিছোঁ। তই আমাৰ লগত যাব লাগিব।'

ৰাহুল—'মই নোৱাৰিম মা। মোৰ কিবা এটা কাম আছে। গতিকে তুমি ভণ্টি আৰু দেউতাৰ লগত যাবা।'

মাকে ৰাহুলৰ কোঠাৰপৰা ওলাই আহি বেলেগ কামত ব্যস্ত হ'ল। কামত ব্যস্ত হৈ থকাৰ মাজতে তেওঁ ভাবিলে গিৰীয়েকক কথাটো সুধিব লাগিব।

ৰাতিৰ আহাৰ খোৱাৰ পিছত সকলোৰে নিজৰ নিজৰ কোঠালৈ গ'ল। অৰ্পণা আৰু প্ৰশান্তও নিজৰ কোঠালৈ আহি বিছনাত উঠিল। এনেতে অৰ্পণাই কিবা কোৱাৰ আগতেই প্ৰশান্তই ক'লে যে 'তুমি কাইলৈ মোৰ কাপোৰ-কানিবোৰ ঠিক কৰি বেগত ভৰাই দিবা। মই ২০ দিনমানৰ বাবে অফিচৰ কামত বাহিৰলৈ যাম।'

অৰ্পণা—'ঠিক আছে। হ'ব দিয়ক।'

অৰ্পণাই গিৰীয়েকৰ এই কথা শুনি মনত বৰ দুখ পালে আৰু তেওঁৰ আশাত চেঁচা পানী পৰিল। অৰ্পণাই অনুভৱ কৰিলে যে তেওঁ একেবাৰে নিঃসংগ। এইবোৰ কথা ভাবি থাকোঁতেই তেওঁৰ দুয়ো চকুৰে চকুলো বৈ আহিল। শেষত বহু সময় টোপনি নহাত অৰ্পণাই সিদ্ধান্ত ল'লে যে সকলোৰে যদি নিজৰ কামতে ব্যস্ত মইনো অকলেই বাহিৰলৈ ফুৰিবলৈ নাযাওঁ কিয়?

তিনিদিনমান পিছত ৰাতি ডাইনিং টেবুলত বহি থাকোঁতে অৰ্পণাই ৰশ্মি আৰু ৰাহুলক ক'লে, 'তহঁতৰ দেউতাৰ কেইদিনমানৰ বাবে বাহিৰলৈ গৈছে। ময়ো দিল্লীলৈ এসপ্তাহমানৰ বাবে অকলে ফুৰিবলৈ যাম। গতিকে তহঁতে কাইলৈৰপৰা নিজৰ কাম, ৰন্ধা-বঢ়া নিজেই কৰি ল'বি। মোৰ কাইলৈ ৰাতিপুৱা ৭ বজাত ফ্লাইট আছে। মই এতিয়া সোনকালে শুবলৈ যাওঁ।'

কথাষাৰ শুনি ৰশ্মি আৰু ৰাহুলে মাকৰ মুখলৈ ভেবা লাগি চাই ৰ'ল। ❖



**অভিমন্যু শৰ্মা**, দ্বিতীয় শ্ৰেণী



**পাৰ্ভিছ ৰহমান**, দ্বিতীয় শ্ৰেণী

# দুই বন্ধুৰ কাহিনী

◆ জৰ্জ জিজ্ঞাস বৰদলৈ
অষ্টম শ্ৰেণী

বছৰেকীয়া পৰীক্ষাৰ পিছৰ বন্ধৰ দিনত মাৰ লগত মামাহঁতৰ ঘৰলৈ গৈছিলোঁ। সন্ধিয়া চাহ খাই উঠাৰ পিছত ককাই মোক মাতি নি নানান খবৰ সোধাৰ লগতে আমাৰ স্কুলৰ পঢ়া-শুনা কেনে, শিক্ষক-শিক্ষয়িত্ৰী, স্কুলৰ পৰিৱেশ আদিৰ কথা সুধিছিল। ময়ো যথাযথ উত্তৰ দি গৈছিলোঁ। ককাই স্কুলৰ বিষয়ে শুনি সন্তোষ প্ৰকাশ কৰিছিল আৰু মোক মনোযোগেৰে পঢ়ি ভাল ফলাফল দেখুৱাই মা-দেউতাৰ লগতে তেওঁলোককো যাতে আনন্দ দিব পাৰোঁ সেই বিষয়ে নানা ধৰণৰ উপদেশ দিছিল। সেই ছেগতে ককাই তেওঁলোকৰ গাঁৱৰ ল'ৰা দুজনৰ উদাহৰণ দি কাহিনী এটা কৈছিল।



প্ৰথম ল'ৰাজন হৈছে কৈলাস দাস। তেওঁৰ দেউতাক হলিৰাম দাস। আনৰ মাটি আধি লৈ খেতি কৰে। মাজে মাজে আনৰ ঘৰতো দিন হাজিৰা কৰিবলৈ যায়। কৈলাসৰ ভাই-ভনী পাঁচটা। দেউতাক-মাকক লৈ সৰ্বমুঠ সাতজন। গতিকে টানে-বিপদে মাকেও ওচৰ-চুবুৰীয়াৰ ঘৰত কাম কৰি পৰিয়ালটো চলোৱাৰ লগতে ল'ৰা-ছোৱালীকেইটাৰ পঢ়া-শুনা কৰাত যাতে কোনো ধৰণৰ অসুবিধা নহয়, তাৰ প্ৰতি সদায় লক্ষ্য ৰাখে।

দিনৰ দিনটো খেতি-বাতিৰ কামত ব্যস্ত থাকিলেও কৈলাসৰ দেউতাকে সন্ধিয়া তাৰ ওচৰত বহি স্কুলত কি পঢ়ালে, ঘৰত কৰিবলৈ কিবা গৃহকৰ্ম দিছে নেকি আদি সকলো ধৰণৰ খবৰ লৈ পঢ়া-শুনা কৰি আচল শিক্ষা ল'ব পাৰিলেহে ডাঙৰ মানুহ হ'ব পাৰি আদি কথাবোৰ কয়।

কৈলাস হেনো বৰ শান্ত প্ৰকৃতিৰ ল'ৰা আছিল। মাক-দেউতাকৰ কষ্ট যাতে বিফলে নাযায় সেই কথা মনত ৰাখি সদায় নিয়মীয়াকৈ পঢ়া-শুনা কৰাৰ উপৰি ঘৰুৱা কাম-কাজত মাক-দেউতাকক সহায় কৰিছিল। লক্ষ্য এটাই আছিল— এদিন সি ভাল ফলাফল দেখুৱাই ডাঙৰ মানুহ হৈ মাক-দেউতাকৰ কষ্ট লাঘৱ কৰিব। কথামতেই কাম, এদিন সি সুখ্যাতিৰে মেট্ৰিক পাছ কৰিলে। কৈলাসৰ নম্ৰ স্বভাৱৰ কাৰণে গাঁৱৰ মানুহেও তাক ভাল পাইছিল। কলেজত পঢ়াৰ বাবে মানুহবিলাকে যি যেনেকৈ পাৰে সহায় কৰিছিল। আজি কৈলাস এজন কেন্দ্ৰীয় চৰকাৰৰ উচ্চপদস্থ বিষয়া। বন্ধৰ দিনত সময় পালেই উৎসৱ-পাৰ্বণে গাঁওবাসীৰ লগত আগভাগ লয়। আজি কৈলাসক লৈ মাক-দেউতাকৰ লগতে গাঁৱৰ সকলো গৌৰৱান্বিত।

আনফালে একে বিদ্যালয়তে পঢ়া কৈলাসৰ সহপাঠী জীৱন শৰ্মাৰ কাহিনী আকৌ ওলোটা। জীৱনৰ দেউতাক ললিত শৰ্মা পেছাত ঠিকাদাৰ আছিল। জীৱন একমাত্ৰ ল'ৰা বাবে প্ৰয়োজনতকৈ বেছি মৰম কৰিছিল। লাগ বুলিলেই যিকোনো বস্তু কিনি দিছিল, কোনো বিচাৰ নকৰাকৈ। ঠিকাৰ কামত ঘূৰি ফুৰি নিশা বহু দেৰিকৈ তেওঁ ঘৰ সোমাইছিল। জীৱনৰ পঢ়া-শুনাত মন নাই। শ্ৰেণীকোঠাত থকা সময়খিনিও দুষ্টামি কৰি থাকে। অৱশেষত অষ্টম শ্ৰেণীৰপৰা আগবাঢ়িব নোৱাৰিলে। দেউতাকৰ অনুপস্থিতিত চাইকেলখন লৈ অনাহকতে ঘূৰি ফুৰে। ৪ বছৰমানৰ পিছত এদিন হঠাৎ এক দুৰ্ঘটনাত ললিত শৰ্মাৰ মৃত্যু হয়। দেউতাকৰ জমা পইছাৰে কেইবছৰমান চলিল যদিও নিজৰ একো উপাৰ্জন কৰাৰ গুণ নথকাত আজি তাৰ পানীত হাঁহ নচৰা অৱস্থা।

এতিয়া জীৱনে বাল্যকালৰ সহপাঠী কৈলাসক লগ পালেই স্কুলীয়া দিনবোৰত ভালদৰে পঢ়া-শুনা নকৰাৰ বাবে অনুতাপ কৰে। ❖

# সপোন

◆ **কল্পজ্যোতি ভৰদ্বাজ**
অষ্টম শ্ৰেণী



**এক**

আবেলিৰ ৰঙা সূৰুযটোৰপৰা অহা পোহৰখিনিয়ে বিপিনৰ কোঠাটোৰ এটা চুক পোহৰ কৰি তুলিছে। তাত সি সজাই থোৱা কাঠৰ বেটপাত উজলি উঠিছে। বিপিনৰ কোঠাটোত আন্ধাৰে লাহে লাহে পোহৰক নেওচি ৰাজত্ব কৰিবলৈ আৰম্ভ কৰিছে।

এনেতে সিটো কোঠালিৰপৰা কেইটিমান কথা ভাহি অহা শুনা গ'ল। 'তই দেখিছিলি নে মই যে সেই শ্বটটো মাৰিছিলোঁ। একেবাৰে ছয় হৈছিল।'

'অ' অ' সেইটো...। মই অলপহে দেখিছিলোঁ। তই বঢ়িয়াকৈ কোবাইছিলি।'

বিপিন সেই সময়তে তাৰ সৰু কোঠালিটোলৈ সোমাই আহিল। বিপিনৰ লগত তাৰ ককায়েক থাকে। সিহঁত চাহ মজদুৰ সম্প্ৰদায়ৰ লোক। বিপিনৰ ঘৰৰ অৱস্থা ভাল নহয়। তাৰ মাক আৰু দেউতাক দুয়ো চাহ বাগানত কাম কৰে।

বিপিনৰ বয়স ১৪-১৫ বছৰ। সি গাঁৱৰে স্কুলখনত

নৱম শ্ৰেণীত পঢ়ে। পঢ়া-শুনাত তাৰ সিমান মন নাই। তাৰ ককায়েক পদ্ম তৃতীয় শ্ৰেণীলৈকে পঢ়া। পদ্মই এতিয়া মহাজনৰ ঘৰত কাম কৰে। দেখাত এজন সুন্দৰ সুঠাম ডেকা।

বিপিনহঁতৰ দেউতাকে প্ৰায়ে হাৰিয়া খাই আহি ঘৰত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। এনেবোৰ পৰিৱেশত থাকি সি বৰ বেয়া পায়। সেইখিনি সময়তে তাৰ মুখৰপৰা ওলাই আহে এটা গীতৰ কলি। যিটো গান সি সৰু থাকোঁতে মাকৰ মুখত প্ৰায়ে শুনিছিল— 'জীৱনৰ ৰংবোৰ ক'তেনো হেৰাই গ'ল।'

বিপিনে ক্ৰিকেট খেলি বৰ ভাল পায়। সি বাগানৰ ল'ৰাবোৰৰ ভিতৰত আটাইতকৈ ভাল ক্ৰিকেট খেলে। সি শচীন তেণ্ডুলকাৰক বৰ ভাল পায়। সদায় তাৰ মনত এটাই ইচ্ছা... শচীন তেণ্ডুলকাৰৰ দৰে এজন ভাল ক্ৰিকেট খেলুৱৈ হোৱা। তাৰ ককায়েকৰ কিন্তু বিপিনৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে, বিপিন এদিন নহয় এদিন ভাল ক্ৰিকেট খেলুৱৈ হ'বই।

**দুই**

আস্ আজি বিপিনৰ দেউতাকে আকৌ হাৰিয়া খাই আহিছে। দেউতাকে এতিয়া ঘৰত চিঞঁৰ-বাখৰ কৰি আছে। আজি যেন তাৰ ককায়েকেও দেউতাকক ৰখাব পৰা নাই। আজি বিপিনৰ দেউতাকৰ বেছিকৈয়ে নিচা লাগিছে। শেষত বিপিনৰ যেন ধৈৰ্যৰ সীমা পাৰ হৈ গ'ল।

'দেউতা, মনে মনে থাক। ওচৰৰ মানুহে শুনিলে কি ক'ব? তোৰ লাজ নালাগে।'

'হাঃ হাঃ হাঃ ওচৰৰ মানুহ? শুনক, শুনক। চাওচোন কি কৰে সিহঁতে মোক....।'

বিপিনৰ দেউতাকে ক'লে, 'চাও ৰ। সিহঁতে মোক কি কৰে? মই হাৰিয়া খাওঁ মোৰ মনৰ দুখতে। সিহঁতে কি বুজিব মোৰ মনৰ বেদনা।'

বিপিনে পুনৰ দেউতাকক বুজালে। 'দেউতা তই কিয় এনেকুৱা কৰ? অলপ বুজিবলৈ চেষ্টা কৰচোন।'

'তই মোক বুজাৰ।'—কিবা ক'ব খুজিও যেন বিপিনৰ দেউতাক ৰৈ গ'ল।

'অই বিপিন, এইফালে আহ। বিপিন দেউতাকৰ ফালে আগবাঢ়ি গ'ল। দেউতাকৰ সেই ৰঙা চকুহাল দেখি তাৰ অলপ ভয়ো লাগিল।'

'তই আজিও ক্ৰিকেট খেলিবলৈ গৈছিলি নেকি?' গৈছ যদি ক।'

দেউতাকৰ মাতটো বিপিনৰ মূৰত বজ্ৰপাত পৰাদি পৰিল। বিপিনৰ দেউতাকে বিপিনে ক্ৰিকেট খেলাটো একেবাৰে ভাল নাপায়। দেউতাকৰ মতে সি বাগানত কাম কৰিব লাগে। কিন্তু বিপিনৰ যে আগ্ৰহ মাত্ৰ এটায়েই, ক্ৰিকেট খেলাত। সেয়েহে সি মনে মনে ক্ৰিকেট খেলিবলৈ যায়।

এনেতে দেউতাকে তাক আকৌ ক'লে, 'অই কি ভাবিছ? সঁচা কথা ক'।'

কিছু সময় নীৰৱতাৰ পিছত বিপিনে মাত লগালে, 'মই খেলিছিলোঁ।'

তাৰ কথা শুনি দেউতাকৰ খং যেন দুগুণে বাঢ়িল। উগ্ৰমূৰ্তি ধৰি দেউতাক বিপিনৰ কোঠালৈ সোমাই গ'ল আৰু বেটখন উলিয়াই আনিলে। তাৰ পাছত এক্কেকোবে বিপিনৰ মৰমৰ বেটখন শিলত কোবাই দুফাল কৰিলে। আস্... কি এক অবুজ যন্ত্ৰণা ! শেষ, তাৰ সকলো শেষ। তাৰ সকলো আশা, সপোন বতাহে এক অজান ঠাইলৈ উৰুৱাই লৈ গ'ল, বানপানীয়ে যেন উটুৱাই লৈ গ'ল।...

**তিনি**

আজি ৰাতিপুৱাৰেপৰা বিপিনৰ মনটো বৰ বেয়া হৈ আছে। ৰাতি হৈ যোৱা ঘটনাটোৰ পিছত আৰু বিপিনৰ এই সংসাৰত থকাৰ অকণো ইচ্ছা নাই। একমাত্ৰ বেটখনেই আছিল বিপিনৰ সকলো আশা, সকলো ভৰসা। এনেতে পদ্মই বিপিনক পিছৰপৰা আহি মাত লগালে, 'অ' বিপিন, কিয় মন বেয়া কৰিছ? মন বেয়া নকৰিবিচোন। সকলো ঠিক হৈ যাব'

'ঠিক...। কি ঠিক হৈ যাব দাদা। মই মোৰ সপোন পূৰণ কৰিব নোৱাৰিম দাদা।' বিপিনে একপ্ৰকাৰ কান্দি কোৱাৰ দৰেই কথাকেইষাৰ ক'লে।

পদ্মই পুনৰ ক'লে, 'এই তই চিন্তা নকৰিবি বিপিন। মই তোক এখন কাঠৰ বেট বনাই দিম।'

বিপিনে ক'লে, 'কি? তই মোক কাঠৰ বেট বনাই দিবি? সঁচা?'

'অ'। সঁচা।'

'হ'ব তেতিয়াহ'লে।' বিপিনে যেন কিছু আশাৰ ৰেঙণি দেখিলে। সি যেন তাৰ ককায়েকৰ কথাকেইষাৰত নতুন উদ্যম, নতুন সাহ পোৱা যেন পালে। সি তাৰ আশা পূৰণ কৰিব পাৰিব বুলি মনতে দৃঢ়বিশ্বাসী হ'ল। পদ্মই বিপিনক এখন কাঠৰ বেট বনাই দিলে। বেটখন অৱশ্যে জোখতকৈ অলপ সৰু হৈছিল। কিন্তু এই বিষয়ে বিপিনে ককায়েকক একো নক'লে।

## চাৰি

এনেদৰে প্ৰায় এবছৰ পাৰ হ'ল। বিপিন এতিয়া দশম শ্ৰেণীৰ ছাত্ৰ। এদিনাখন পদ্মই দৌৰি অহাদি আহি বিপিনক ক'লে, 'অই বিপিন, শুনচোন। এটা ভাল খবৰ আছে।'

বিপিনে পদ্মৰ ওচৰত আহি ক'লে, 'কি হ'ল দাদা? অসম ক্ৰিকেট সন্থাৰ প্ৰশিক্ষকজন আমাৰ এই বাগানলৈ আহিছে। তেওঁ আমাৰ বাগানৰ ল'ৰাবিলাকৰ মুখত হেনো তোৰ কথা শুনিছে। সেয়েহে তোক এবাৰ আজি লগ পাব খুজিছে। তই মোৰ লগত সোনকালে ব'ল।

'কি সঁচা? ব'ল তেন্তে। তেওঁ ক'ত আছে?'

'তই মোৰ লগত আহি থাকচোন।' সিহঁতে গৈ গৈ বাগানৰ মুকলি ঠাইডোখৰ পালে। তাতে প্ৰশিক্ষকগৰাকী বৈ আছিল। পদ্মই তেখেতৰ ওচৰলৈ গৈ ক'লে, 'ছাৰ ইয়েই বিপিন। মোৰ ভাইটি।'

প্ৰশিক্ষকজনে বিপিনৰ ওচৰলৈ আহি ক'লে, 'বিপিন, কি খবৰ?' বিপিনে ক'লে, 'ভালেই ছাৰ।'

'তুমিতো নিশ্চয় গমেই পাইছা, মই অসম ক্ৰিকেট সন্থাৰ প্ৰশিক্ষক।'

'হয় ছাৰ।'

'তুমি অসমৰ হৈ ক্ৰিকেট খেলিবা?'

'নিশ্চয় ছাৰ।'

তেনেহ'লে তোমাক অহা দেওবাৰে ইয়াৰপৰা গুৱাহাটীলৈ প্ৰশিক্ষণৰ বাবে লৈ যোৱা হ'ব। অহা মাহৰ ১২ তাৰিখে তোমাৰ প্ৰথমখন মেচ আছে। তুমি যাবলৈ সাজু থাকিবা।'

'নিশ্চয় ছাৰ।'

'এতিয়া মই আহোঁ।'

'ছাৰ হ'ব।'

তাৰ পাছত বিপিন আৰু পদ্ম দুয়ো ঘৰমুৱা হ'ল। যাওঁতে বিপিনে পদ্মক ক'লে, 'দাদা, মই কথা এটা ভাবিছোঁ।'

'কি কথা ক।' পদ্মই ক'লে।

'মই আজি ৰাতি দেউতাক কথাটো কৈ দিম।'

'তই ঠিক কথাই কৈছ বিপিন।' পদ্মই অলপ চিন্তা কৰি ক'লে।

'মই ভাবো দেউতাক ভালদৰে বুজাই দিলে দেউতাই নিশ্চয় বুজি পাব।'

'ঠিক।'

সেইদিনা ৰাতি বিপিন আৰু পদ্মই দেউতাকক গোটেই কথাখিনি বিৱৰি ক'লে। দেউতাকে বিপিনৰ মনৰ কথা বুজি পাই বিপিনক ক্ৰিকেট খেলিবলৈ অনুমতি দিলে।

শনিবাৰে সন্ধিয়া পদ্মই বিপিনৰ হাতত এখন ধুনীয়া এহেজাৰটকীয়া বেট উপহাৰ দিলে।

'দাদা বেট! তই পইছা ক'ত পালি?'

'আজি মহাজনে কেইটামান টকা দিলে, তাৰেই এইখন কিনি আনিলোঁ। তই মাত্ৰ ভালকৈ খেলিবি।'

'নিশ্চয় খেলিম দাদা। তই মোক আশীৰ্বাদ কৰিবি।'

বিপিনে অনুভৱ কৰিলে আজি যেন বিপিনৰ সকলো আশা পূৰণ হ'ল। আজি যেন তাৰ লগত সকলো আছে। আজি যেন বিপিন পূৰ্ণ। ক্ৰিকেটৰ এই বিশ্বত বিপিনে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ। ❖

# হেৰুওৱা সপোন

◆ সীমাশ্ৰী পাটোৱাৰী
দশম শ্ৰেণী

তাই খিৰিকীখন খুলি দিলে। বাহিৰৰপৰা এজাক মলয়া বতাহ আহি তাইৰ মন চুই গ'ল। বতাহজাকে শীতল বৰষুণৰ আগমনৰ ইংগিত দিলে। তাইৰ নাম শ্ৰুতি। শ্ৰুতিৰ ঘৰৰ সন্মুখৰফালে বৰ ধুনীয়া ফুলনি বাগিচা, ওখ ওখ গছ আছে। সেই ফুল গছবোৰৰ মাজে মাজে এজাক ৰং-বিৰঙী পখিলা, জাকে জাকে চৰাই উৰি থকা দেখিলে। সেয়া দেখি তাইৰ এটা কবিতা লিখিবলৈ মন গ'ল। কিন্তু কবিতাটো আধৰুৱা হৈ ৰ'ল। তাই সম্পূৰ্ণকৈ লিখিব নোৱাৰিলে। এজাক বৰষুণে তাইৰ কবিতাটো যেন ধুই লৈ গ'ল। তাইৰ বৰষুণত তিতিবলৈ মন গ'ল। বাহিৰলৈ ওলাই আহি বৰষুণৰ টোপালবোৰ চাই তাইৰ এনেকুৱা লাগিল যেন এই টোপালবোৰ তাই নিজৰ মনৰ মাজতে ৰাখি থ'ব সযতনে।

শ্ৰুতি অষ্টম শ্ৰেণীত পঢ়ে, তাইৰ দেউতাক শিক্ষক। মাক এগৰাকী শিক্ষিত মহিলা। সিহঁতৰ ঘৰত কেৱল তাই, মাক-দেউতাক আৰু তাইক অত্যন্ত ভাল পোৱা, তাইক উৎসাহ দিয়া তাইৰ মৰমৰ আইতাক থাকে। আইতাক বেমাৰী। শ্ৰুতিৰ এগৰাকী ভাল ভৰত নাট্যম শিল্পী হোৱাৰ আশা। তাই তাইৰ স্কুলতে ভৰত নাট্যমৰ শিক্ষা গ্ৰহণ কৰে। মাক-দেউতাকেও ভাল পায় তাইৰ এই আগ্ৰহ দেখি। শ্ৰুতিক মাক-দেউতাকে বিভিন্ন ঠাইত নচুৱাবৰ বাবে লৈ গৈছিল। তাই সকলোৰে প্ৰশংসা আৰ্জিছে। কিন্তু তাই লাহে লাহে ডাঙৰ হ'ল, নৱম শ্ৰেণী পালে আৰু তেতিয়া দেউতাকে তাইক তাইৰ সপোনৰপৰা আঁতৰত ৰাখিবলৈ চেষ্টা কৰিলে। তাই স্কুলৰ সকলো অনুষ্ঠানতে ভাগ লয়, নাচে আৰু তাইক সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে ভাল নাচে বুলি জানে। কিন্তু দেউতাকৰ এটাই সপোন তাই মেট্ৰিকত ভাল ৰিজাল্ট কৰিব আৰু তাৰ পিছত বিজ্ঞান শাখাত পঢ়ি ইঞ্জিনিয়াৰ হ'ব।

তাই দেউতাকৰ সপোনটো পূৰণ কৰিবলৈ চেষ্টা কৰিলে। নৱম শ্ৰেণীৰ প্ৰথম গোট পৰীক্ষা শেষ হোৱাৰ পিছতে তাইক স্কুলৰপৰা প্ৰগেম এটা কৰাবৰ বাবে জ্যোতি চিত্ৰবনলৈ নিয়াৰ কথা আছিল। তাই অত্যন্ত সুখী হ'ল। স্কুলৰপৰা আহি আইতাকক সাৱটি ধৰি সুখৰ খবৰটো দিলে। তাই প্ৰগ্ৰেম কৰিবলৈ যোৱাৰ কথাটো শুনি আইতাকে আনন্দতে ঘৰৰ আটাইকে জনালে। খবৰটো শুনি দেউতাকে তাইৰ লগতে আইতাককো গালি পাৰিলে। দেউতাকৰ মতে, শ্ৰুতি স্কুলৰপৰা আহিছে। আহি হাত-মুখ ধুই কিবা অকণ খাই অলপ জিৰণি লৈ পঢ়াত বহিব লাগে। কিন্তু আইতাকৰ কমলৈ গৈ নাচৰ কথা পতাৰ কি দৰকাৰ। তাই বাৰু ভুল কৰিলেই, আইতাকেতো বুজাব লাগিছিল। আইতাকক গালি পৰা দেখি তাইৰ মনটো বৰ বেয়া লাগিল। তাইৰ সুখত আইতাকো সুখী হৈছিল। তাইক তাইৰ সপোনৰ বাটত আগুৱাই যাবলৈ সাহস দিছিল। কি এইটোৱে আইতাকৰ ভুল? তাইৰ মনত অনেক প্ৰশ্নই হাহাকাৰ কৰি উঠিল। তাই মাকক সুধিলে, মই নাচিবৰ বাবে যাব পাৰিমনে? মাকে ক'লে, 'দেউতাৰাই যি কয়।' দেউতাকেতো কৈয়ে দিলে, 'কোনোপধ্যেই নোৱাৰা, তোমাৰ আজিৰপৰা নাচৰ স্কুললৈ যোৱা বন্ধ। এতিয়া

পঢ়াৰ সময়। নাচ-গান কৰি লাভ নাই। সৰুতে যি কৰিলা, কৰিলা। কিন্তু এতিয়া আৰু নোৱাৰা।' তাইৰ মনটোত ভয় লাগিল। তাই আৰু কেতিয়াও নাচিব নোৱাৰিব। তাইৰ সপোন...

তেতিয়াৰেপৰা তাইৰ মনটো বেয়া হৈ থাকিবলৈ ল'লে। মনত যেন কিবা এটা বোজা লৈ জীয়াই আছে। তাই বৰকৈ হাঁহি-মাতি নাথাকে আজিকালি। নাচৰ প্ৰতিযোগিতাবোৰতো অংশগ্ৰহণ নকৰে। কেৱল পঢ়া আৰু পঢ়া। তাইৰো ইচ্ছা যে তাই দেউতাকৰ সপোন পূৰণ কৰিব। ভালদৰে পঢ়িব। কিন্তু, তাইৰো এটা নিজৰ সপোন আছে। ডাঙৰ হ'ল বুলিয়েই যে নানাচিব সেইটো নহয়। পঢ়াৰ লগতে নাচ, গান আদিবোৰো কৰিব সমানে।

এটা বিষাদেৰে ভৰা ৰাতিপুৱা। সেইদিনা তাইৰ আইতাক তাইক এৰি অজান দেশ এখনলৈ গুচি গ'ল। আইতাকৰ মৃত্যুৰ পিছত তাই ভাগি পৰিল। তাইক উৎসাহ, সাহস, প্ৰেৰণা দিয়া মানুহজনী যেতিয়া তাইক এৰি গুচি গ'ল তাই সম্পূৰ্ণভাৱে ভাগি পৰিল। তাইৰ সপোন বাটৰ লগৰী আৰু নাই। তাৰ পিছত তাই মেট্ৰিক দিলে, বিজ্ঞান শাখাত পঢ়ি ইঞ্জিনিয়াৰ হ'ল। দেউতাকৰ সপোন বাস্তৱত পৰিণত কৰিলে।

আজি বহু বছৰ পিছত তাইৰ সেই সৰুকালৰ কথাবোৰ মনত পৰি গ'ল। আইতাক, মাক, দেউতাক সকলোকে মনত পৰিল। এতিয়া তাই শিৱসাগৰত থাকে। অৰ্থাৎ তাই শিৱসাগৰৰ এজন ভাল পৰিচিত শিক্ষকৰ লগত বিয়া হৈছে। আজি তাই তাইৰ শিৱসাগৰৰ ঘৰৰ সন্মুখৰ ধুনীয়া বাগিচা, গছ-গছনি, ফুল, চৰাই, পখিলা আদি দেখি তাইৰ সেই সৰুকালৰ নাচি ফুৰা মনটোলৈ মনত পৰি গ'ল। তাইৰ ঘৰৰ সন্মুখেৰে আইতাকৰ লগত পাৰ হৈ যোৱা এজনী ধুনীয়া ভৰত নাট্যম নৃত্যৰ সাজ পিন্ধা ছোৱালী দেখি তাই হাঁহিব নে কান্দিব ধৰিবই নোৱাৰিলে। তাইৰ মনটো বেজাৰেৰে ভৰি পৰিল। তাই নিজৰ লগতে নিজে কথা পাতিবলৈ ধৰিলে। তাই আইনাখনৰ ওচৰলৈ গৈ সুধিলে, তাইৰ সেই সৰুকালৰ সপোনবোৰ এতিয়া ক'ত? তাইৰ আশা...।

তাই দেখোন পাহৰিয়েই গৈছিল যে, তায়ো সৰুতে নাচিছিল। সৰুতে তাইৰ সপোন আছিল এগৰাকী ভাল, পৰিচিত ভৰত নাট্যম নৃত্যশিল্পী হোৱাৰ। কিন্তু তাইৰ সপোনবোৰচোন সপোন হৈয়ে ৰ'ল। মেট্ৰিক দিলে, বিজ্ঞান শাখাত পঢ়িলে, ইঞ্জিনিয়াৰো হ'ল। কিন্তু তাই সেই সপোনৰ নৃত্যশিল্পীগৰাকী হ'ব নোৱাৰিলে। সমাজৰ নিয়ম মতে তাই বিয়া হ'ল। কিন্তু অফিচ, ঘৰৰ কাম-কাজৰ মাজত তাই ব্যস্ত হৈ পৰিল। তাই নিজকে হেৰুৱাই পেলালে। তাইৰ নিজৰ সপোনবোৰ বাস্তৱত পৰিণত কৰিব নোৱাৰিলে। কিয় নোৱাৰিলে? কিয় নোৱাৰিলে তাইৰ সপোন দিঠকত ৰূপান্তৰিত কৰিব?

কিমান যে আশা আছিল তাইৰ। তাই নাচিব, সুনাম অৰ্জন কৰিব। এখন নাচৰ স্কুল খুলিব। তাইক যদি ঘৰখনে অলপো সহায় কৰিলেহেঁতেন তাই হয়তো আজি হতাশাত ভুগিব নালাগিলেহেঁতেন। স্লিপিং টেবলেট খাই শুব নালাগিলেহেঁতেন। কাৰণ তাই জানে এইবোৰে তাইক কেতিয়াও সুখী কৰিব নোৱাৰে। তাইৰ সেই নাচৰ সাজযোৰহে নিজৰ, সেই সাজযোৰৰ মাজত তাই নিজকে বিচাৰি পায়।

দেউতাকৰ সপোনবোৰ পূৰণ কৰাৰ লগতে যদি তাইৰ সপোনকো দেউতাকে সমৰ্থন জনালেহেঁতেন, হয়তো আজি তাই নিজৰ সপোনৰ বাটত খোজ দিব পাৰিলেহেঁতেন।

বাহিৰত আন্ধাৰো হৈছে। তাই উমান পালে, তাইৰ মনৰ ভিতৰত কবিতা কবিতা লগা কিছুমান কথাই ঠাই পাইছে।... সেই অনুভূতি, এটোপাল পানী হৈ চকুৰপৰা বাগৰি আহি তাইৰ গালখন তিয়াই পেলালে। ❖

# পেঞ্চন

◆ চিমি কলিতা
একাদশ শ্ৰেণী (বিজ্ঞান)



ৰমাকান্ত কাকতিয়ে বৰ উদাস দৃষ্টিৰে দূৰলৈ চাই পঠিয়ালে। আৰামী চকীখনত আগতে তেওঁ নবহিছিলেই। কিন্তু আজি কেইদিনমানৰপৰা তেওঁ এই আৰামী চকীখনত বহাৰ প্ৰয়োজন অনুভৱ কৰে। নাতিনীয়েক কণমইনাই ইন্দ্ৰৰ লগত এই চকীখনৰ বাবে হেতা-ওপৰা লগাইছিল।

'দেউতা'—ডাঙৰ বোৱাৰীয়েকৰ মাতত কাকতি উচপ খাই উঠিল। 'কিনো এই সন্ধিয়াখন অকলে অকলে বাহিৰত এনেকৈ বহি আছে। বলক, ভিতৰলৈ বলক। মই চাহ কৰিছোঁ। আহকচোন।' একপ্ৰকাৰ জোৰ কৰিয়েই প্ৰভাই শহুৰেকক ভিতৰলৈ টানি লৈ গ'ল।

ডাঙৰ বোৱাৰীয়েক প্ৰভাই বৰ মৰম কৰে শহুৰেকক। ৰাতিপুৱা শুই উঠি দাঁত মাজিবলৈ ব্যৱহাৰ কৰা নিম ঠাৰিডালৰপৰা ৰাতি ভাত খাই উঠি খোৱা প্ৰেচাৰৰ টেবলেটটোলৈকে সকলো যতনাই দিয়ে প্ৰভাই। শহুৰেকৰ যত্নত তাই অকণো কৃপণালি নকৰে। তিনিটাকৈ সন্তান, ঘৰখনৰ অতবোৰ লগুৱা-লিকচৌ, হাঁহ-পাৰৰ জঞ্জাল মাৰিও শহুৰেকৰ প্ৰতিটো কামৰ খতিয়ান প্ৰভাৰ নখ দৰ্পণত।

এইগৰাকী বোৱাৰীয়েককে যেতিয়া দুদিন আগতে ঘৰত খোজ পেলোৱা সৰু পুত্ৰ নিৰঞ্জনৰ পত্নী শৰ্মিলাই শহুৰেকৰ পেঞ্চনৰ টকা মনে মনে আত্মসাৎ কৰা বুলি সন্দেহ কৰে তেতিয়া বাৰু কোনটো সতেৰে কাকতিয়ে সহ্য কৰি থাকিব।

এই পেঞ্চনৰ টকাকেইটা লৈয়েই যত চব গণ্ডগোল। ঘৈণীয়েক থাকোঁতে ৰমাকান্ত কাকতিয়ে এই টকা-পইছাক লৈ বৰকৈ মূৰ ঘমোৱা নাছিল। ঘৈণীয়েক ঢুকুৱাৰ পিছৰেপৰা তেওঁ পেঞ্চনৰ টকাকেইটা বেংকত থৈ অলপ নিজৰ লগত সৰু-সুৰা খৰচৰ বাবে ৰাখে। বৰপুত্ৰই গাঁৱৰপৰা কিছু নিলগৰ এখন চৰকাৰী হাইস্কুলত শিক্ষকতা কৰে। গতিকে প্ৰভা বা সনাতনে এই পেঞ্চনৰ টকাৰ হিচাপ লোৱাৰ প্ৰশ্নই নুঠে।

ছমাহমান আগতে ভনীয়েক উৰ্মিলাই ল'ৰা

তিনিটাক লৈ এসপ্তাহমান থকাকৈ আহিছিল। এদিন সন্ধিয়া তাই কোনো নথকাত ককায়েকৰ ওচৰলৈ গৈ মুঢ়া এটাত বহি লাহেকৈ ক'বলৈ ধৰিলে, 'হেৰি নহয় ককাইদেউ, তই পিছে এতিয়া পেঞ্চনৰ টকাবোৰ কি কৰ ! মই নাজানো দেচোন কিমান টকা, কি কথা। কিন্তু এই টকা-পইছাৰ হিচাপবোৰ সনাতনৰ বোৱাৰীক বৰকৈ নিদিবি। মোৰনো কি আৰু ! আজি আহিছোঁ, কাইলৈ যামগৈ। দুখীয়া মানুহ, তিনিটাকৈ ল'ৰা, বৰ জুলুম কৰে মোক। তোক পিছে মই নিজৰ বুলিহে কথাটো ক'লোঁ।'—উৰ্মিলাই কথাখিনি কৈ ড্ৰয়িং ৰূমত চিৰিয়েল চোৱাত ব্যস্ত হৈছিল। কিন্তু কাকতিৰ মূৰত কথাবোৰে পাক লগাই পকনীয়াত পেলাইছিল। এজন অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ পেঞ্চনৰ নিৰিখ উৰ্মিলাই নজনা নহয়। তাই কি পাক লগাই কথাবোৰ ক'লে সেয়া তেওঁ ভালকৈ বুজিলে। তাৰ তিনিমাহমান পিছত সৰু ল'ৰা নিৰঞ্জনে চহৰত একেটা অফিচতে কাম কৰা শৰ্মিলাক তেল-সেন্দূৰ দি ঘৰ সুমুৱালেহি। আঠমঙলাৰপৰা অহাৰ এসপ্তাহমান পিছত শৰ্মিলাই এদিন সন্ধিয়া শহুৰেকক বৰ জুতি লগাকৈ 'কাষ্টাৰ্ড' বুলি চহৰীয়া ব্যঞ্জন এবিধ ৰান্ধি খাবলৈ দিলে। কাকতিয়ে 'বৰ সুন্দৰ ৰান্ধিছা' বুলি প্ৰশংসা কৰাত শৰ্মিলাই হাঁহিমুখে 'থেংক ইউ' বুলি ক'লে। তাই লাহেকৈ শহুৰেকক ক'বলৈ ধৰিলে, 'হেৰি নহয় দেউতা, আপুনি হ'বলা এই মাহৰ পেঞ্চন পালে ! আমাৰো গুৱাহাটীত চলা বৰ দিগদাৰী হয়। ই নিৰঞ্জনে মোকো চাকৰিটো ৰিজাইন দিবলৈ ক'লে। এতিয়া তাৰ প্ৰাইভেট চাকৰিটোৰে গুৱাহাটীৰ ভাৰাঘৰত থাকি চলাটো বৰ অসুবিধা। হেৰি নহয় দেউতা, আপোনাৰ পেঞ্চনৰ কামটোত আমাৰ এওঁ বোলে বৰকৈ খাটনি ধৰিছিল। মোক কালি এওঁ কথাটো ক'লে। আপুনি পিছে একো নাভাবিব দেই।' প্ৰথমতে শহুৰেকে শৰ্মিলাক কথাবোৰত হয়ভৰ দিছিল। বিশেষ একো ভবা নাছিল। কিন্তু ৰাতিলৈ সকলো শোৱাৰ পিছত তেওঁ শুবলৈ যাওঁতে শৰ্মিলাহঁতৰ কোঠাৰপৰা ক্ষীণ কণ্ঠস্বৰ ভাহি অহা শুনিবলৈ পালে, 'তুমি কি জানিবা? পেঞ্চনৰ টকা বুঢ়াই বোৱাৰীয়েকক নিদি কাক দিব? মই আজি কথাটো আওপকীয়াকৈ উলিয়াইছিলোঁ। মই চব জানো, বাইদেৱে কি বুঢ়াৰ টকা আত্মসাৎ নকৰাকৈ আছে নেকি?' গোটেই ৰাতি কাকতিয়ে চকুত টিপ এটিও নামাৰিলে।

পিছদিনা শৰ্মিলাহঁত চহৰলৈ গ'লগৈ। কথাবোৰ ভাবি ৰমাকান্ত কাকতিৰ নিজকে বৰ অসহায় লাগিল। 'প্ৰভাই বাৰু মোক টকাকেইটাৰ আশাতেই ইমান যত্ন লয় নেকি?' পিছ মুহূৰ্ততেই আকৌ তেওঁ নিজকে প্ৰবোধ দিয়ে—'ছিঃ কি যে কথাবোৰ ভাবিছোঁ মই ! ইমান লখিমীসদৃশ বোৱাৰীজনীয়ে বাৰু মোক এনে কৰিবনে?'

এনে বাৰেভচহু কথা চিন্তা কৰি তেওঁৰ খোৱা-লোৱাত মন নোহোৱা হ'ল। পুতেক-বোৱাৰীয়েকে সুধিলেও একো নোকোৱা হ'ল।

কিন্তু আজি টিভিত চোৱা অনুষ্ঠানটিয়ে কাকতিক নতুন চিন্তাৰ খোৰাক দিলে। চহৰত বোলে কিছুমান সন্তানে নিজ বৃদ্ধ পিতৃ-মাতৃক অলাগতিয়াল বুলি ভাবি ৰাস্তাত এৰি থৈ আহে। এনে দুৰ্ভগীয়া বৃদ্ধ-বৃদ্ধাসকলক এজন উদ্যমী যুৱকে বুটলি আনি এখন বৃদ্ধাশ্ৰম খুলিছে। তেওঁ সেইসকল পিতৃ-মাতৃৰ ভৰণ-পোষণৰ বাবে চৰকাৰ তথা আন লোকৰ সহায় কামনা কৰিছে। সেয়ে কাকতিয়ে ভাবিছে তেওঁ যদি তেওঁৰ পেঞ্চনৰ টকাকেইটা সেই লোকসকলৰ বাবে মাহে মাহে দি দিয়ে কেনে হ'ব বাৰু কথাটো ! নে তেওঁকো তেওঁৰ পুত্ৰই অলাগতিয়াল বুলি দলিয়াই পেলাব? অন্য নহ'লেও সনাতনে বাৰু তেনে কৰিবনে? মুঠৰ ওপৰত তেওঁক হাজাৰ গালি পাৰিলেও তেওঁ এই টকাখিনি সেই অৱহেলিত পিতৃ-মাতৃসকলক দি দিব। সিদ্ধান্তটো লৈ ৰমাকান্ত কাকতিৰ মনটো ফৰকাল লাগিল। ❖

## চিন্তা-তৰংগ

# আমাৰ ঘৰৰ চৰাইবোৰ

◆ অভিৰূপ আকাশ শাণ্ডিল্য
দ্বিতীয় শ্ৰেণী



আমাৰ ঘৰৰ চাৰিওফালে সৰু সৰু পাহাৰ আৰু গছ-গছনি আছে। গছবোৰত বহুত চৰায়ে বাহ সাজে। আমাৰ ঘৰত এখন ফুলনি আছে। তাত গোলাপ, হাচনাহানা, খৰিকাজাঁই, অপৰাজিতা, কাঞ্চন, জবা, তগৰ, কৰবী আদি নানা ফুল আছে। ফুলৰ মৌ খাবলৈ বহুত মৌপিয়া চৰাই আহে। মৌপিয়া চৰাইৰ ৰং কজলা, ৰঙচুৱা আৰু গছৰ পাতৰ দৰে সেউজীয়া। মৌপিয়াৰ ঠোঁটটো বেজীৰ দৰে জোঙা।

আমাৰ ফুলনি আৰু বাৰীত ঘূৰি-ফুৰা চৰাইবোৰ মোক মা আৰু দেউতাই চিনাকি কৰি দিয়ে। আমাৰ বাৰীত কেইবাজোপাও অমিতা আৰু মধুৰি আছে। পকা অমিতা আৰু মধুৰিআম চৰাইবোৰে খুঁটি খুঁটি খায়। জাবৰ খুচৰি থকা শালিকীকেইজনীয়ে চিলিঙত বাহ লৈছে। বুলবুলি এযোৰে বাহ লৈছে আমাৰ বাৰান্দাত বগাই যোৱা ব্লিডিং হাৰ্ট ফুলজোপাত। চোতালৰ এচুকত থকা লিচুজোপাত বাহ সজা বুলবুলি চৰাইজনী এদিন মোক দেউতাই দেখুৱাই দিছিল। কাপোৰমেলা ৰছীত বহি ফিছা জোকাৰি থকা দহিকতৰা চৰাইকেইটা বৰ মৰম লাগে। ঘনচিৰিকাবোৰক মই চাউল ছটিয়াই দিওঁ। পিছে সিহঁতে পোক-পৰুৱা আৰু বনগুটি খাইহে ভাল পায়। মই ছটিয়াই দিয়া চাউল খাবলৈ কপৌ চৰাই আহে।

শালিকাৰ পোৱালি, দুষ্ট কাউৰীকেইটাই মনে মনে খায়। তেতিয়া শালিকাকেইটাই বৰকৈ চিঞৰ-বাখৰ কৰি কাউৰীৰ সৈতে কাজিয়া লাগে। কেতিয়াবা বান্দৰ আহে ফুলমূল বা পাচলি খাবলৈ। তেতিয়াও চৰাইবোৰে চিঞৰে। সাপ দেখিলেও চিঞৰে সিহঁতে। এই চৰাইবোৰ সদায় দেখি থাকোঁ কাৰণে সিহঁতক আমাৰ ঘৰৰ চৰাই যেন লাগে। ৰাতি মই কেতেকী, মই কেতেকী বুলি মাতি থকা কেতেকী চৰাইক হ'লে দেখা নাই। কুলি চৰাই দেখিছোঁ। বাৰীৰ পিছফালে থকা আঁহতজোপাৰ গুটি খাবলৈ পাকৈচোৰা চৰাই আহে। সিহঁত দেখিবলৈ ধনেশৰ দৰে। এই আটাইবোৰ চৰাই মোৰ বৰ মৰমৰ। ❖

# লিঅ'নার্ড' ডা-ভিন্সি

◆ সংযুক্তা কাকতি
অষ্টম শ্ৰেণী



১৪৫২ চনত ইটালীত জন্মগ্ৰহণ কৰা লিঅ'নার্ড' ডা-ভিন্সি সৰ্বকালৰ এজন শ্ৰেষ্ঠ মনীষী। তেওঁৰ মাকৰ নাম আছিল কেটেৰিনা আৰু দেউতাকৰ নাম ছাৰ পিয়েৰ' ডা-ভিন্সি। তেওঁ জন্মগ্ৰহণ কৰা চহৰখনৰ নাম আছিল ভিন্সি। তেওঁৰ সম্পূৰ্ণ নামটো আছিল লিঅ'নাৰ্ড ডা ছাৰ পিয়েৰ' ডা ভিন্সি আৰু ইয়াৰ অৰ্থ হ'ল 'ভিন্সিৰ ছাৰ পিয়েৰৰ পুত্ৰ লিঅ'নার্ড'।

তেওঁ আছিল একাধাৰে চিত্ৰকৰ, স্থপতিবিদ, উদ্ভাৱক, গণিতজ্ঞ, বিজ্ঞানী আৰু অভিযন্তা। তেওঁ সামৰিক টেংক, মেচিনগান, হেলিকপ্টাৰ, বৰটোপ, স্থানান্তৰিত কৰিব পৰা দলং, পেৰাছুট, কেঁচী ইত্যাদি উদ্ভাৱন কৰি উলিয়াইছিল। মিলান চহৰখন তেওঁ নতুনকৈ পৰিকল্পনা কৰিছিল আৰু ইম'লা নামৰ চহৰখনৰ এখন নিখুঁত মানচিত্ৰ আঁকি উলিয়াইছিল।

লিঅ'নার্ড' ডা-ভিন্সিৰ চিন্তা-ধাৰণা, আৱিষ্কাৰ আৰু পৰিকল্পনাসমূহৰ প্ৰায় ১৩,০০০ পৃষ্ঠাৰ টোকা, নক্সা আৰু ছবি পোৱা গৈছে। এইবোৰৰ সৰহভাগেই ইংলেণ্ডৰ ৰাণীৰ হাতত সংৰক্ষিত হৈ আছে। উল্লেখযোগ্য যে এই দুৰ্লভ নক্সা তথা ছবিবোৰৰ এখনি প্ৰদৰ্শনী ইংলেণ্ডৰ ৰাকিংহাম পেলেছত ২০১৯ বৰ্ষত অনুষ্ঠিত কৰা হৈছে।

১৯৯৪ চনত বিল গেট্ছে লিঅ'নার্ড' ডা-ভিন্সিৰ ১৫০৬ চনৰপৰা ১৫১০ চনৰ ভিতৰত লিখা 'Codex Leiaster' নামৰ ৭২ পৃষ্ঠাৰ টোকাবহীখন ৩১ নিযুত ডলাৰ (প্ৰায় ১৮৬ কোটি টকা)ত ক্ৰয় কৰিছিল। এই টোকাবহীখনত জোতিৰ্বিজ্ঞান, পানীৰ ধৰ্ম, বায়ু, শিল আৰু জীৱাশ্মৰ গঠন ইত্যাদিৰ বিষয়ে আলোচনা কৰা হৈছে। তেওঁৰ ছেলভেটৰ মুণ্ডি নামৰ বিখ্যাত চিত্ৰখন ছৌদি আৰবৰ এজন ৰাজকুমাৰে ২০১৭ চনত ৪৫০ নিযুত ডলাৰ (প্ৰায় ২৭০০ কোটি টকা)ত ক্ৰয় কৰিছে। এই ছবিখনৰ নামটোৰ অৰ্থ হ'ল 'জগতৰ ত্ৰাণকৰ্তা'। লিঅ'নার্ড ডা-ভিন্সিৰ আটাইতকৈ বিখ্যাত তথা চৰ্চিত 'মনালিছা' নামৰ ছবিখন পেৰিছৰ লুভ সংগ্ৰহালয়ত সংৰক্ষণ কৰি থোৱা হৈছে। এই ছবিখন ফ্ৰান্সৰ সম্পদৰূপে গণ্য কৰা হয়, তথা ইয়াৰ কোনো ধৰণৰ ক্ৰয়-বিক্ৰয় হ'ব নোৱাৰে। মনালিছাৰ বিখ্যাত হাঁহিটো প্ৰকৃততে হাঁহি হয়নে নহয় অথবা কিয়নো সেই বিশেষ ভংগিমাৰে হাঁহিছে তাক লৈ অনেক গৱেষণাপত্ৰ প্ৰকাশ পাইছে।

লিঅ'নার্ড' ডা-ভিন্সিৰ ব্যক্তিত্বক লৈ গৱেষণাৰ অন্ত নাই। কথিত আছে যে তেওঁ খুব অস্থিৰ আছিল আৰু এটা কামৰপৰা আন এটা কামলৈ জঁপিয়াই ফুৰিছিল। ফলত তেওঁৰ বহু কাম আধৰুৱা হৈ ৰৈছিল।

তদুপৰি তেওঁ সোঁহাতৰপৰা বাঁওহাতলৈ লিখিছিল। ভিঞ্চিৰ সমসাময়িক চিত্ৰকৰসকলে অংকন কৰা তেওঁৰ চিত্ৰবোৰত তেওঁৰ ভংগী, কাম কৰা পদ্ধতি ইত্যাদিৰ বিষয়ে মনঃস্তত্ববিজ্ঞানী, স্নায়ুবিজ্ঞানী আদিয়ে বিভিন্ন ধৰণৰ গৱেষণা কৰি বহুতো মতবাদ আগবঢ়াইছে। ভিঞ্চিৰ মনটোৱে অনবৰতে নতুনত্ব বিচাৰি ফুৰিছিল আৰু তেওঁৰ সৃজনশীলতা আছিল বিস্ময়কৰ।

১৪৯০ খ্ৰীষ্টাব্দত তেওঁ অংকন কৰা Vitruvian Men নামৰ ছবিখনত মানুহৰ শাৰীৰিক গঠনৰ এক নিখুঁত বৰ্ণনা দিছিল আৰু ইয়াৰ বাবে প্ৰায় ২৩০টা জোখ-মাখ লৈছিল। ১৫১১ খ্ৰীষ্টাব্দত তেওঁ 'Fetus in the womb' নামৰ চিত্ৰখনৰ জৰিয়তে মাতৃ গৰ্ভত শিশুৰ অৱস্থানৰ বৰ্ণনা কৰিছে। তেওঁৰ ২০ খন চিত্ৰ আৰু ১৫০০ শব্দযুক্ত মানুহৰ হৃদপিণ্ডৰ ভিতৰত ৰক্ত সঞ্চাৰণৰ বৰ্ণনা ১৯৮০ চনতহে চিকিৎসাবিজ্ঞানীসকলে প্ৰমাণ কৰিব পাৰিছিল।

লিঅ'নাৰ্ড' ডা-ভিঞ্চিৰ মৃত্যু হয় ১৫১৯ চনৰ ২ মে' তাৰিখে। শেষত এই মহান মনীষীগৰাকীৰ পঞ্চশততম মৃত্যু বাৰ্ষিকীত আমি তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। ❖

# ব্যক্তি আৰু সমাজ জীৱনত কিতাপৰ প্ৰভাৱ

◆ **ৰক্তিম অভিনন্দন বৰ্মন**
অষ্টম শ্ৰেণী

"মানুহে যিমানেই কিতাপ পঢ়িবলৈ শিকে সিমানেই ভাবিবলৈ শিকে।"

**—পণ্ডিত জৱাহৰলাল নেহৰু**

কিতাপ পঢ়ি আমি কি পাওঁ, এই বিষয়ে ক'বলৈ হ'লে প্ৰথমে মোৰ মামাহঁতৰ আইতাৰ কথা মনলৈ আহে। মামাহঁতৰ ঘৰলৈ গ'লে আইতাই মোক বহু ধৰণৰ সাধুকথা কয় আৰু এই সাধুবোৰ শুনি মই বৰ ভাল পাওঁ। আনকি ৰাতিও আইতাৰ সাধু শুনি শুনিয়েই মই টোপনি যাওঁ। পিছলৈ মই দেউতাক সাধুৰ কিতাপ আনি দিবলৈ খাটনি ধৰিছিলোঁ। দেউতাই তেতিয়া 'বুঢ়ীৰ আইৰ সাধু', 'ককাদেউতা আৰু নাতি-ল'ৰা', 'পঞ্চতন্ত্ৰ' আদি সাধুপুথিসমূহ কিনি আনি মোক পঢ়িবলৈ দিছিল। এইদৰে ক্ৰমে সাধু, জীৱনী সাহিত্য, ভ্ৰমণ কাহিনী, দুঃসাহসিক অভিযান, বিজ্ঞানমূলক আদি শিশু গ্ৰন্থ পঢ়াটো আজৰি সময়ত মোৰ অভ্যাসত পৰিণত হ'ল আৰু কিতাপৰ সাগৰত ডুব গৈ থাকি মই সদায় কটাবলৈ ভাল পোৱা হ'লোঁ। মই এই আনন্দৰ মাজতে ইয়াত থকা নীতিবচন বা কাহিনীসমূহৰপৰা আমি বহুতো শিক্ষা লাভ কৰিব পাৰোঁ আৰু ইয়াৰ জৰিয়তে আমাৰ চৰিত্ৰ গঠনত সহায় হয় বুলি জানিব পাৰিলোঁ। বিশেষকৈ ভ্ৰমণ কাহিনী পঢ়ি আমি পৃথিৱীৰ বিভিন্ন ঠাইলৈ নোযোৱাকৈয়ে সেই ঠাইসমূহৰ বিষয়ে অভিজ্ঞতা লাভ কৰিব পাৰোঁ। লগতে আমি জীৱনীমূলক সাহিত্য পঢ়িও আমি আমাৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰি নিজ কৰ্মপথত আগুৱাই যাবলৈ সাহস পাওঁ।

আমাৰ অসম জাতীয় বিদ্যালয়ত দ্বিতীয় শ্ৰেণীৰপৰা প্ৰতি সপ্তাহত এটিকৈ পুথিভঁৰালৰ শ্ৰেণী আছে। এই শ্ৰেণীত কেতিয়া কেনেধৰণৰ কিতাপ-আলোচনী আদি পঢ়িব লাগে ইয়াৰ বিষয়ে আমাৰ সন্মুখত আলোচনা কৰে আৰু পুথিভঁৰালৰপৰা আমাক কিতাপ নিৰ্বাচন কৰি পঢ়িবলৈ নিবলৈ দিয়ে। কিতাপখন পঢ়ি আমি টোকা লিখাৰ উপৰি আলোচনাতো ভাগ ল'ব

পাৰোঁ। আনহাতে পঞ্চম শ্ৰেণীৰপৰা প্ৰতি মাহে একোজনকৈ শ্ৰেষ্ঠ পঢ়ুৱৈও নিৰ্বাচন কৰে আৰু বছৰৰ শেষত সৰ্বশ্ৰেষ্ঠ পঢ়ুৱৈজনক পুৰস্কৃতও কৰে। এইদৰে আমাৰ বিদ্যালয়ত আমাক পাঠ্যক্ৰমৰ কিতাপৰ উপৰি বিভিন্ন বিষয়ৰ কিতাপ পঢ়াৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তোলা হয়। ইয়াৰ ফলত আমাৰ পাঠ্যপুথিৰ জ্ঞানৰ সহায় হোৱাৰ লগতে পাঠ্যক্ৰম বহিৰ্ভূত সকলো জ্ঞান লাভ কৰাত সহায় হয়। বিশেষকৈ সৰুকালতে অধ্যয়ন কৰা ভাল ভাল কিতাপসমূহে শিশুৰ মনত গভীৰ চাপ পেলাই মানসিক চৰিত্ৰ গঠনত সহায় কৰে।

মই জনাত আমেৰিকাৰ দৰে উন্নত দেশত 'থাউজেণ্ড বুক্‌ছ বিফ'ৰ কিণ্ডাৰগাৰ্টেন নামেৰে শিশুসকলৰ বাবে এটি পাঠ্যক্ৰম আছে। এই দেশত প্ৰাথমিক শিক্ষাৰ প্ৰথমবৰ্ষক কিণ্ডাৰগাৰ্টেন বুলি কোৱা হয়। অৰ্থাৎ পাঁচ বছৰ বয়সত শিশুটিয়ে কিণ্ডাৰগাৰ্টেনলৈ যোৱাৰ আগতে এহেজাৰখন গ্ৰন্থ পঢ়ি শুনাই শিশুটিক প্ৰস্তুত কৰি তোলা হয়। পিতৃ-মাতৃ বা তত্ত্বাৱধায়কে শিশুটিক এই গ্ৰন্থসমূহ পঢ়ি শুনাব লাগে। এই আঁচনিৰপৰাই বুজা যায় শিশু এটিক আনুষ্ঠানিক শিক্ষাৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিবলৈ কিতাপেই হৈছে মূল আহিলা। শিশু এটিক বা আমাৰ শৰীৰটোক সুস্থ-সবল কৰি তুলিবলৈ যেনেকৈ পুষ্টিকৰ আহাৰৰ প্ৰয়োজন, তেনেকৈ মানসিক বা বৌদ্ধিক বিকাশৰ বাবে আমাক মানসিক আহাৰৰো প্ৰয়োজন। এই মানসিক আহাৰ প্ৰধানকৈ যোগান ধৰে কিতাপেই।

বিশিষ্ট সাহিত্যিক সত্যনাথ বৰাদেৱে তেখেতৰ 'সাৰথি' নামৰ গ্ৰন্থখনিৰ 'পুথি অধ্যয়ন' নামৰ পাঠটিত লিখিছে যে পুথিৰ বিদ্যা থূপাই থোৱা ধনৰ নিচিনা। গতিকে কিতাপ পঢ়িয়েই আমি অতি সহজে থূপ খাই থকা জ্ঞান আহৰণ কৰিব পাৰোঁ। পৃথিৱীখনত মানুহৰ উন্নতিৰ মূলতেই হ'ল জ্ঞান অন্বেষণৰ কাহিনী। আদিম মানৱে গুহাত চিত্ৰ আঁকিয়েই মনৰ ভাব প্ৰকাশ কৰিছিল। কালক্ৰমত ভাষাৰ সৃষ্টি আৰু গছৰ ছালত লিপিবদ্ধ কৰা পদ্ধতিৰ মাজেৰে মানুহে জ্ঞানৰ প্ৰকাশ আৰু সঞ্চয় কৰিব ধৰিলে। জন গুটেলবাৰ্গৰ ছপা যন্ত্ৰৰ আৱিষ্কাৰে মানৱ সমাজলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিলে আৰু ছপা কিতাপৰ জৰিয়তে পৃথিৱীৰ কল্পনাতীত জ্ঞানৰ ভাণ্ডাৰ আমি চকুৰ সন্মুখতে লাভ কৰিলোঁ। জাপানীসকলৰ উন্নতিৰ মূল কাৰণেই হেনো পৃথিৱীত যিকোনো ভাষাতে লিখা নতুন তত্ত্ব বা বিজ্ঞান-প্ৰযুক্তিৰ কিতাপ ওলালেই লগে লগে নিজৰ ভাষাত অনুবাদ কৰি পঢ়া। জাপানীসকলৰ এই উদাহৰণৰপৰা আমি ক'ব পাৰোঁ যে কোনো ব্যক্তি বা সমাজৰ উন্নতিৰ মূলমন্ত্ৰই হ'ল কিতাপ পঢ়া।

কিতাপক মানুহৰ প্ৰকৃত বন্ধু বা সংগী বুলি ক'ব পাৰি। বৰ্তমান আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই আমাক নিসংগ কৰি তুলিব ধৰিছে। ৰাতিপুৱা শুই উঠাৰপৰাই আমি অতি ব্যস্ততাপূৰ্ণ জীৱন কটাব লগা হয়। যাৰ ফলত আমি বন্ধু-বান্ধৱীৰ লগত কথা পতা, ফুৰা-চকা বা খেলা-ধূলাৰ সময়েই নোপোৱা হৈছোঁ আৰু সামাজিক সম্পৰ্ক কমি আহিছে। সেয়ে আজৰি সময়ত ঘৰতে বহিয়েই আমি বছা বছা কিতাপৰ লগত বন্ধুত্ব পাতি লৈ ক্ৰমবৰ্ধমান নিসংগতা দূৰ কৰিব পাৰোঁ। অন্য সকলো বন্ধুৱে সংগ ত্যাগ কৰিলেও কিতাপৰ সৈতে গঢ়ি উঠা বন্ধুত্ব কেতিয়াও বিচ্ছিন্ন নহয়। গতিকে কিতাপ মানুহৰ নিৰ্ভৰযোগ্য আশ্ৰয়ো হ'ব পাৰে। কিতাপৰ বন্ধুত্বই মানুহৰ জীৱনৰ প্ৰতি দৃষ্টিভংগী বা গতিধাৰা সলনি কৰি দিব পাৰে। আনকি কিতাপেই মানুহ এজনক নতুনকৈ নিৰ্মাণ কৰিব পাৰে। হেৰল্ড ব্লুমে কৈছে—"আমি কিতাপ পঢ়োঁ ঘাইকৈ নিসংগতা দূৰ কৰিবলৈ; কিন্তু আমি যিমান ভালকৈ কিতাপ পঢ়োঁ সিমানেই বেছি নিসংগ হৈ গৈ থাকোঁ। কিতাপে দিব পৰা নিসংগতা কিমান উপভোগ্য আৰু ৰমণীয় তাক নিসংগতাৰ অভিজ্ঞতা নোপোৱা মানুহে বুজিব নোৱাৰিব।"

শৈশৱ কালৰেপৰাই আমি যিখিনি কথা জানিছোঁ বা বুজিছোঁ সেয়া পাঠ্যপুথি আৰু অন্যান্য গ্ৰন্থ পঢ়িয়ে লাভ কৰিছোঁ। গতিকে মানুহে জীৱনক বুজিবলৈ, জীৱনত প্ৰতিষ্ঠা লাভ কৰিবলৈ, জীৱনৰ সাধনা

কৰিবলৈ, জ্ঞানৰ অন্বেষণ কৰিবলৈ কিতাপ পঢ়া অবিহনে কোনো বিকল্প নাই। পেলাই থোৱা দা এখনত যেনেকৈ মামৰে ধৰে, তেনেকৈ আমাৰ মগজুটোকো যদি ধাৰ দি থকা নাযায় তেনেহ'লে ই কোনো চিন্তা কৰিব নোৱৰা হয়। মানুহৰ চিন্তাক জাগ্ৰত কৰি ৰাখিবলৈ মানুহে কিতাপ পঢ়িবই লাগিব। সেয়ে বিশ্বজগতৰ ইতিহাস, মানুহৰ ইতিহাস, জীৱনৰ ৰহস্য জানিবলৈ প্ৰজ্ঞাৰ (wisdom) সন্ধান দিব পৰা কিতাপ আমি পঢ়িবই লাগিব। বিখ্যাত লেখক মাৰ্টিন এড্‌লাৰে তেওঁৰ 'The Great Ideas from The Great Books' নামৰ কিতাপখনত কৈছে যে কিতাপে মানুহৰ আত্মোৎকৰ্ষ সাধন কৰে। কিন্তু এই প্ৰজ্ঞাৰ সন্ধানৰ বাবে আমি কিতাপ নিৰ্বাচন কৰি পঢ়িব লাগিব। বিশিষ্ট নিবন্ধকাৰ সত্যনাথ বৰাদেৱে কৈছে যে চিন্তা হ'ল মানুহৰ জীৰ্ণকাৰী শক্তি। কিতাপে যদি মানুহক চিন্তা কৰিবলৈ বাধ্য নকৰে বা চিন্তা কৰি কিতাপ পঢ়া নাযায়, তেন্তে কিতাপ পঢ়াৰ প্ৰকৃত সুফল পাব নোৱাৰি—ঠিক হজম নোহোৱা আহাৰৰ দৰে দেহৰ পৰিপুষ্টি যোগান ধৰিব নোৱাৰে। হেৰল্ড ব্লুমেও কৈছে যে কিতাপ পঢ়াৰ গভীৰতম উদ্দেশ্য হোৱা উচিত প্ৰজ্ঞাৰ সন্ধান, অকল জ্ঞান (knowledge) নহয়।

কিতাপ পঢ়ি লাভ কৰিব পৰা অন্য এটি উল্লেখযোগ্য দিশ হ'ল কিতাপে মানুহক মনৰ অৱসাদ, হতাশা দূৰ কৰি জীয়াই থকাৰ প্ৰেৰণা দিয়ে, জীৱন যুঁজত জয়ী হোৱাৰ সাহস যোগায়। সেয়ে চিকিৎসকসকলেও আৰোগ্যহীন দীৰ্ঘদিনীয়া ৰোগত ভুগি থকা ৰোগীসকলক জীয়াই থকাৰ প্ৰেৰণা দিব পৰা কিতাপ পঢ়িবলৈ উপদেশ দিয়ে। কিতাপৰ এই শক্তিয়ে আনকি ঔষধে কাম নিদিয়া মৃত্যুমুখী ৰোগীকো বহু দিনলৈ জীয়াই থকাৰ শক্তি দিব পাৰে।

অৱশ্যে সদায় যে আমি কঠিন বিষয় থকা কিতাপৰপৰা প্ৰেৰণা পাওঁ তেনে নহয়। পাঠ্যপুথি পঢ়ি পঢ়ি আমনি লাগিলে নাইবা টান কাম বা গভীৰ চিন্তা কৰি ভাগৰ লাগিলে আমি মনোৰঞ্জন দিব পৰা গল্প, উপন্যাস, হাস্যৰস বা ৰহস্যজাতীয় কিতাপো পঢ়িব লাগে। এই ধৰণৰ কিতাপসমূহেও আমাৰ মনৰ ভাগৰ দূৰ কৰে আৰু নতুনকৈ কামত লগাৰ বাবে মনটোক সক্ৰিয় কৰি তোলে। আনকি ধৰ্ম গ্ৰন্থ আদি পঢ়িও মানুহে মনৰ দুখ পাতলাই আধ্যাত্মিক শান্তি লাভ কৰে।

কিতাপ পঢ়াৰ আটাইতকৈ প্ৰয়োজনীয় দিশটো হৈছে কিতাপৰ সামাজিক প্ৰভাৱ। কিতাপেই সমাজৰপৰা কুসংস্কাৰ, অন্ধবিশ্বাস, অজ্ঞানতা দূৰ কৰি এখন সুস্থ সমাজ গঢ়ি তোলাৰ পৰিৱেশ সৃষ্টি কৰে। কিতাপ পঢ়া সমাজ এখনেহে উন্নতিৰ পথত আগবাঢ়িব পাৰে। কিতাপৰ অৱদান নোহোৱাহেঁতেন মানৱ জাতি হয়তো পূৰ্বৰ অৱস্থাতে থাকিলহেঁতেন।

অৱশ্যে বৰ্তমানৰ বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ যুগত টেলিভিছন, কম্পিউটাৰ, ইণ্টাৰনেট, স্মাৰ্ট ফ'ন, সামাজিক মাধ্যমসমূহে আমাক কিতাপৰপৰা ক্ৰমে আঁতৰাই অনা দেখা গৈছে। আজিকালি বিশেষকৈ আমাৰ দৰে উঠি অহা প্ৰজন্মই আজৰি সময়খিনিত কিতাপ পঢ়াৰ সলনি স্মাৰ্ট ফ'নৰ জৰিয়তে সামাজিক মাধ্যমসমূহতে ব্যস্ত থকা দেখা যায়। যাৰ ফলত নতুন প্ৰজন্ম বিপথে যোৱাও দেখা গৈছে। কিন্তু এই সামাজিক মাধ্যমসমূহকো আমি ভাল কামত ব্যৱহাৰ কৰিব পাৰোঁ। কাৰণ এতিয়া ইণ্টাৰনেটৰ জৰিয়তে দেশ-বিদেশৰ বিভিন্ন কিতাপ-আলোচনী সহজতে পাব পৰা হৈছোঁ আৰু প্ৰয়োজন অনুসৰি ডাউনলোড কৰি কিতাপ ৰূপে পাব পৰা হৈছোঁ। আনহাতে আমাৰ পঢ়ি ভাল লগা কিতাপবোৰৰ বিষয়ে সামাজিক মাধ্যমৰ জৰিয়তে মন্তব্য, আলোচনা আদি প্ৰকাশ কৰি কিতাপবোৰ পঢ়ি হোৱা লাভালাভৰ বিষয়ে জনাই আনকো কিতাপবোৰ পঢ়িবলৈ উৎসাহিত কৰিব পাৰোঁ। আনকি বহুতো পাঠ্যপুথিৰ কিতাপো আমি ইণ্টাৰনেটত পাবলৈ সক্ষম হৈছোঁ।

সেয়ে বৰ্তমান সময়ত আধুনিক বিজ্ঞান-প্ৰযুক্তিবিদ্যা যিমানেই আগ নাবাঢ়িলেও ইয়াৰ মূলতে আছে কিতাপ। কিতাপ অবিহনে মানৱ জাতিৰ উন্নতি আমাৰ সকলোৰে বাবে কল্পনাৰো অতীত। ❖

# ৰ'বট

◆ ৰোচনপদ দেৱচৌধুৰী
নৱম শ্ৰেণী



ৰ'বট হৈছে একপ্ৰকাৰৰ যন্ত্ৰ, যাক আমি সহজে কম্পিউটাৰৰ সহায়ত নিৰ্দেশ দিব পাৰোঁ। সঠিক নিৰ্দেশ পালে ইহঁতে স্বয়ংক্ৰিয়ভাৱে কাম কৰিব পাৰে। প্ৰথম স্বয়ংক্ৰিয় ৰ'বট ১৯৪৮-৪৯ চনৰ ভিতৰত নিৰ্মাণ কৰি উলিয়ায় জেৰি জালটাৰ নামৰ এজন বিজ্ঞানীয়ে। ইংলেণ্ডৰ বোৰজেন নেচাৰ লজিকেল বিশ্ববিদ্যালয়ত প্ৰথম স্বয়ংক্ৰিয় ৰ'বট নিৰ্মাণ কৰা হৈছিল। প্ৰথম ৰ'বট নিৰ্মাণ কৰিব পৰা চফ্‌টৱেৰ সাজি উলিয়াইছিল জেৰজি ডেভলে।

দৈনন্দিন বিজ্ঞানৰ দ্ৰুত উন্নতিৰ লগে লগে ৰ'বটৰ ক্ষেত্ৰখনতো ন ন আৱিষ্কাৰ হৈ আছে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত অক্ট'পাছ নামৰ এটি কোমলদেহী ৰ'বট নিৰ্মাণ কৰা হৈছে। ইয়াৰ দেহটো এটা থ্ৰি ডি যন্ত্ৰৰদ্বাৰা নিৰ্মাণ কৰা হয়। এই ৰ'বটটো চলা-ফুৰা কৰিবলৈ হাইড্ৰ'জেন পেৰ'ক্সাইড ব্যৱহাৰ কৰা হয়। ইয়াৰ নিৰ্মাণ সামগ্ৰী হিচাপে চিলিকন ব্যৱহাৰ কৰা হয়। সাগৰৰ গভীৰতাত থকা জীৱ-জন্তু বা সাগৰতলিৰ যিকোনো অধ্যয়ন, অনুসন্ধান আৰু গৱেষণাৰ কামত এই ৰ'বটটো ব্যৱহাৰ কৰা হয়।

ৰ'বটৰ কথা ক'বলৈ যাওঁতে আমি বিশ্বৰ প্ৰথম নাগৰিকত্ব পোৱা ৰ'বটটোৰ বিষয়ে নক'লে অসম্পূৰ্ণ হৈ ৰ'ব। ২০১৭ চনত চৌদি আৰবৰ নাগৰিকত্ব পোৱা চৌফিয়া হৈছে বিশ্বৰ প্ৰথমটো নাগৰিকত্ব লাভ কৰা ৰ'বট। হংকঙত প্ৰতিষ্ঠিত হেনচন ৰ'বটিক কোম্পানীয়ে এইটো সাজি উলিয়ায়। চৌফিয়াৰ বিশেষত্ব হ'ল নিজে নিজে সকলো কথা আয়ত্ত কৰিব পাৰে আৰু ৬২ বিধ ভিন্ন মুখৰ অংগ-ভংগি দিব পাৰে। অভিনেত্ৰী অড্ৰে হেপবাৰ্ণৰ নকল কৰি চৌফিয়াক সাজি উলিওৱা হৈছে। চৌফিয়াই কথা ক'বলৈ গুগুলে নিৰ্মাণ কৰি উলিওৱা এলফাবেট প্ৰগ্ৰেম ব্যৱহাৰ কৰে। ডেভিদ হেনচনৰ মতে, চৌফিয়া স্বাস্থ্য সেৱা, গ্ৰাহক সেৱা, থেৰাপী বা শিক্ষাৰ ক্ষেত্ৰত ব্যৱহাৰৰ বাবে সুবিধাজনক হ'ব। ❖

# অসমীয়া চলচ্চিত্ৰ : নতুন ধাৰা, নতুন চিন্তা

◆ অনিন্দিতা গগৈ
নৱম শ্ৰেণী

**'চিনেমাৰ আৰম্ভণি পৃথিৱীৰ বাবে এক নতুন পথৰ সন্ধান'**

হিমাংশু ৰায়ৰ তত্ত্বাৱধানত চলচ্চিত্ৰ নিৰ্মাণৰ কৌশল আয়ত্ত কৰি যেতিয়া জ্যোতিপ্ৰসাদ অসমলৈ আহিছিল তেতিয়া ভাৰতবৰ্ষৰ প্ৰথমখন চলচ্চিত্ৰ (নিৰ্বাক) 'ৰাজা হৰিশ্চন্দ্ৰ' মুক্তিয়ে পোৱা নাছিল। ১৯৩১ চনত দ্বিতীয়খন চলচ্চিত্ৰ (সবাক) 'আলম আৰা'ৰ মুক্তিৰ ৪ বছৰ পিছত জ্যোতিপ্ৰসাদৰ পৰিচালনাত মুক্তি লাভ কৰিছিল 'জয়মতী'য়ে; যি চলচ্চিত্ৰই অসমত আৰম্ভ কৰিছিল এক নতুন সংস্কৃতিৰ, যাৰ নাম আছিল চিনেমা সংস্কৃতি। *এলকেমিষ্ট এগৰাকীৰ দৰে জ্যোতিপ্ৰসাদে অসমীয়া চিনেমা সংস্কৃতিক প্ৰথম পৰ্যায়তে সোণলৈ ৰূপান্তৰিত কৰিছিল। ইয়াৰ পিছত নিৰ্মাণ হোৱা 'ইন্দ্ৰমালতী', 'মনোমতী', 'বদন বৰফুকন' আদি চলচ্চিত্ৰই অসমীয়া চিনেমা সংস্কৃতিৰ ভেটি সুদৃঢ় কৰিছিল। স্বাধীনতাৰ পিছৰ পৰ্যায়ত নিৰ্মিত 'ছিৰাজ', 'পিয়লি ফুকন', 'এৰাবাটৰ সুৰ', 'গঙা চিলনীৰ পাখি' আদি চলচ্চিত্ৰই অসমীয়া চলচ্চিত্ৰক ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ স্থান দিবলৈ সক্ষম হৈছিল। নতুন সম্পৰীক্ষাৰ মাজেৰে অসমীয়া চলচ্চিত্ৰৰ সোণালী যুগত ১৯৭২ চনত মুক্তি লাভ কৰিছিল অসমৰ প্ৰথমখন ৰঙীণ ছবি 'ভাইটি'য়ে। পিছে ইয়াৰ আগৰ সময়ছোৱাতো এনে বহুত চলচ্চিত্ৰ আছে যিয়ে অসমৰ চলচ্চিত্ৰ জগতত তোলপাৰ লগাই থৈ গৈছে। 'ডাঃ বেজবৰুৱা'ই অনা পৰিৱৰ্তনে সমগ্ৰ অসমতে তোলপাৰ লগাবলৈ সক্ষম হৈছিল। ড° ভবেন্দ্ৰনাথ শইকীয়া, পুলক গগৈ, জাহ্নু বৰুৱা, পদুম বৰুৱা আদি পৰিচালকেও এইখিনি সময়তে আত্মপ্ৰকাশ কৰে, যিসকলে অসমীয়া চলচ্চিত্ৰ জগতত কলাত্মক-ছবিৰ (Art Film) এটা নতুন ধাৰাৰ জন্ম দিয়ে। ইয়াৰ পিছৰ পৰ্যায়ত আত্মপ্ৰকাশ কৰা জাহ্নু বৰুৱা, মঞ্জু বৰা, গৌতম বৰা, মুনিন বৰুৱা আদিয়ে অসমীয়া চলচ্চিত্ৰক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিবলৈ সক্ষম হয়।

মূলতঃ এয়াই হৈছে অসমীয়া চলচ্চিত্ৰৰ চমু ইতিহাস। এতিয়া আগবাঢ়িছোঁ অসমীয়া চলচ্চিত্ৰৰ নতুন ধাৰালৈ।

২০১৮ চনটো অসমৰ চলচ্চিত্ৰ জগতৰ বাবে আছিল এক আশাৰ বছৰ। ৰীমা দাসৰ দ্বাৰা নিৰ্মিত 'ভিলেজ ৰকষ্টাৰ' প্ৰথম অসমীয়া চলচ্চিত্ৰ হিচাপে ভাৰতৰপৰা অস্কাৰৰ বাবে বাছনি হয়। প্ৰায় ৩০ বছৰৰ পিছত অসমীয়া চলচ্চিত্ৰই ভাৰতৰ শ্ৰেষ্ঠ ছবি হিচাপে স্বৰ্ণকমল পাবলৈ সক্ষম হয়। এই চলচ্চিত্ৰখনে চলচ্চিত্ৰ নিৰ্মাণৰ লগত জড়িত বহুত কথাকে ভুল প্ৰমাণিত কৰিলে। বাজেট, দক্ষ অভিনেতা, কাৰিকৰী কৌশল নথকাকৈয়ে সততা, কৰ্মনিষ্ঠা, গুৰুত্ব আৰু সাবলীল বিষয়বস্তুক লৈও যে চলচ্চিত্ৰ নিৰ্মাণ কৰিব পাৰি সেই কথা ৰীমা দাসে অতি সুন্দৰকৈ প্ৰতিপন্ন কৰিলে। 'ভিলেজ ৰকষ্টাৰ' চলচ্চিত্ৰখন ভালদৰে লক্ষ্য কৰিলে দেখা পোৱা যায় যে, তাত মাজিদ মাজিদি অথবা আন ইৰাণীয়ান কথাছবিৰ কিছু সাদৃশ্য দেখা পোৱা যায়; সাধাৰণ বিষয়বস্তু এটাকে অতি কৌশলেৰে মাথোঁ দৃশ্য আৰু অভিনেতাৰ অভিব্যক্তিৰ মাজেৰে প্ৰকাশ কৰাৰ

তীব্ৰতা চলচ্চিত্ৰখনত দেখা যায়। সৰু সৰু দৃশ্যৰ মাজেৰে, কেমেৰাৰ 'জুম ইন্' অথবা 'জুম আউট'ৰ সহায়ত সমগ্ৰ চলচ্চিত্ৰখনৰ বিষয়বস্তুক অতি সাৱলীলভাৱে প্ৰকাশ কৰে পৰিচালক ৰীমা দাসে। ২০১০ চনৰপৰা আৰম্ভ হোৱা অসমীয়া চলচ্চিত্ৰৰ নতুন ধাৰাৰ মাইলৰ খুঁটিৰূপে পৰিগণিত হৈছে—'ভিলেজ ৰকষ্টাৰ'।

### কথানদীৰ কথাৰপৰা দূৰদৰ্শনৰ বতৰালৈ...

ৰসৰাজৰ সাধুসমূহৰ যে ইমান সাৰ্বজনীন আবেদন আছে সেই কথা প্ৰমাণ কৰি দেখুৱালে ২০১৫ চনত মুক্তি লাভ কৰা ভাস্কৰ হাজৰিকাৰ দ্বাৰা পৰিচালিত 'কথানদী' চলচ্চিত্ৰখনে। বেজবৰুৱাৰ চাৰিটা সাধুক অতি চিনেমেটিক ধৰণেৰে সংযোগ ঘটাই ভাস্কৰ হাজৰিকাই পুৰণিৰ লগত নতুনৰ এক সুন্দৰ সেঁতু নিৰ্মাণ কৰে। উক্ত চলচ্চিত্ৰখনে ৰজত কমল বঁটা পাবলৈ সক্ষম হয় আৰু 'ভাৰতীয় পেনোৰমা', 'কোৰিয়া আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ'তো প্ৰদৰ্শিত হয় আৰু বঁটা আজুৰি আনে। সীমা বিশ্বাস, উৰ্মিলা মহন্ত, কপিল বৰা, আদিল হুছেইন, আশা বৰদলৈ, জেৰিফা ৱাহিদৰ দৰে অভিনয়শিল্পীৰ দ্বাৰা অভিনীত চলচ্চিত্ৰখনে অভিনয়ৰ বাস্তৱধৰ্মী ৰূপৰ লগত দৰ্শকক চিনাকি কৰি দিয়ে। ইয়াৰ সমান্তৰালকৈ আন এখন চলচ্চিত্ৰই মুক্তি লাভ কৰে, যাৰ নাম 'দূৰদৰ্শন—এটি যন্ত্ৰ'। হিমাংশু প্ৰসাদ দাসৰ মূল নাট 'এখন গাঁৱত এটা টিভি আছিল'ৰ আধাৰত ৰাজেশ ভূঞাৰ দ্বাৰা পৰিচালিত চলচ্চিত্ৰখনে বাণিজ্যিক দিশত ক্ৰমান্বয়ে হ্ৰাস পোৱা অসমীয়া চলচ্চিত্ৰৰ ধাৰাত এক নতুন উত্থান আনে। ছবিখনে দৰ্শকৰ মাজত বিপুল সঁহাৰি লাভ কৰাৰ লগতে বাণিজ্যিক ক্ষেত্ৰতো সফলৰূপে পৰিগণিত হয়।

### 'বকুল', 'অৰং', 'দূৰণিৰ নিৰলা পঁজা', 'বিউটিফুল লাইভ্ছ' আদি...

'অৰং', 'বকুল' আদি চলচ্চিত্ৰ হৈছে নন্ লিনিয়াৰ নন্ নেৰেটিভ (non linear, non narrative) ধৰ্মী চলচ্চিত্ৰ। এই চলচ্চিত্ৰসমূহে একঘেয়ামি বৈচিত্ৰ্যহীনতাৰ বিপৰীতে পৰীক্ষামূলক দৃষ্টিভংগী লৈ আহে। 'বিউটিফুল লাইভ্ছ', 'দিকচৌ বনত পলাশ', 'দূৰণিৰ নিৰলা পঁজা' আদি ছবিৰ মাজেৰে দৰ্শকে জীৱন সংগ্ৰামৰ নতুন অৱলোকন পাবলৈ সক্ষম হয়। এই চলচ্চিত্ৰসমূহত বিশেষকৈ সাধাৰণ নাগৰিকৰ মনৰ মৰ্মবেদনাৰ লগত সমাজখনৰ এক সম্পৰ্ক উপস্থাপন কৰা হয়। হিমাংশু প্ৰসাদ দাস পৰিচালিত 'চাকিৰা আহিব বকুলতলৰ বিহুলৈ' ছবিখন এইখিনি সময়তে গাঁওকেন্দ্ৰিক আৰু অবৈতনিক নাটকৰ শিল্পী, কলা-কুশলীৰে নিৰ্মাণ হোৱা কথাটো অতি গুৰুত্বপূৰ্ণ কথা। ছবিখনে সাম্প্ৰতিক অসমীয়া সমাজখনৰ বিভিন্ন দিশ উন্মোচন কৰিব পাৰিছে। এই সময়ত মুক্তি লাভ কৰা গোটেইকেইখন চলচ্চিত্ৰ নতুন প্ৰজন্মৰ পৰিচালকৰ দ্বাৰা নিৰ্মিত তথা নতুন সম্ভাৱনাপূৰ্ণ কাৰিকৰী দলৰ প্ৰচেষ্টাত নিৰ্মিত। এই চলচ্চিত্ৰসমূহত পুৰণি পৰিচালক যেনে—সত্যজিৎ ৰায়, গিৰীশ কাৰ্ণাড, আকিৰা কুৰোশ্বোৱা আদিৰ চিনেমাশৈলীৰ কিছু সাদৃশ্য দেখা যায়। ইয়াৰ সমান্তৰালভাৱে মুক্তি লাভ কৰা 'পানী', 'অদাহ্য', 'অথেলো' আদি চলচ্চিত্ৰই আৰ্ট কমাৰ্শ্বিয়েল হিচাপে এক নতুন ধাৰা আনিবলৈ সক্ষম হয়। সেই ধাৰা অটুট ৰাখে ২০১৭ চনত মুক্তি লাভ কৰা ডা° সান্ত্বনা বৰদলৈৰ দ্বাৰা পৰিচালিত 'মাজ ৰাতি কেতেকী' নামৰ চলচ্চিত্ৰখনে। এই চলচ্চিত্ৰখনত কথাছবিৰ গুণো দেখা যায় আৰু সেই মৰ্মেই ছবিখনে বহু পুৰস্কাৰ বুটলি অনাৰ লগতে ব্যৱসায়িক দিশতো সফলৰূপে পৰিগণিত হয়। 'আলফা', 'কেলেণ্ডাৰ' আদি চলচ্চিত্ৰয়ো এই ক্ষেত্ৰত বিশেষ ভূমিকা লয়। 'অন্তৰীণ', 'বৰনদী ভটিয়াই' আদিৰ দৰে ছবিয়ে বিভিন্ন বাস্তৱধৰ্মী কাহিনী উপস্থাপন কৰি অসমীয়া চলচ্চিত্ৰক অনন্য মাত্ৰা প্ৰদান কৰিছে।

### শিশু ছবিৰ নতুন জাগৰণ...

২০১৮ বৰ্ষৰ ৰজত কমল বঁটাৰে সন্মানিত 'ঈশ্বু' চলচ্চিত্ৰখনে শিশুছবি জগতৰ নতুন ধ্ৰুৱতৰাৰূপে

আত্মপ্ৰকাশ কৰে। উৎপল বৰপূজাৰীৰ দ্বাৰা পৰিচালিত 'ঈশ্বু'ৰ মাজেৰে জনজাতীয় সমাজখনৰ লগতে শিশু মনৰ অপাৰ দিগন্তক স্থান দিয়া হৈছে। এইখিনিতে আনখন চলচ্চিত্ৰৰ নাম ল'ব পাৰি। সেইখন হৈছে—সদ্যমুক্তিপ্ৰাপ্ত 'মাৰ্কশ্বিট'। পৰিচালক হিমজ্যোতি তালুকদাৰে শিশু মনৰ দানৱৰূপে থিয় দিয়া 'মাৰ্কশ্বিট'ক বিষয়বস্তু হিচাপে লৈ এখন মৰ্মস্পৰ্শী শিশু চলচ্চিত্ৰ নিৰ্মাণ কৰিছে। এই দুয়োখন ছবিয়ে বাস্তৱধৰ্মী সমাজখন প্ৰতিফলিত কৰি আজিৰ শিশুৰ মন সুন্দৰৰূপে প্ৰতিফলন কৰিবলৈ চেষ্টা কৰিছে। এনিমেটেড ছবি 'শ্ৰীমন্ত শংকৰদেৱে'ও ৰাইজৰ বিপুল সঁহাৰি পাবলৈ সক্ষম হয়। ইয়াৰ লগতে 'সূৰ্যাস্ত' আৰু 'মি এণ্ড মাই চিষ্টাৰ' আদি ছবিও উল্লেখনীয়।

### নতুন ধাৰা, নতুন চিন্তা

আচলতে ২০১০ চনৰপৰা আৰম্ভ হোৱা অসমীয়া চলচ্চিত্ৰৰ এই নতুন ধাৰাটোত ক্লিচেধৰ্মী চলচ্চিত্ৰৰ বিপৰীতে আচল চিনেমাৰ ভাষা (Cinematic Language) থকা কথাছবিসমূহেহে অসমীয়া সমাজত স্থান পাইছে। ৰীমা দাস, ভাস্কৰ হাজৰিকা, নৱ কুমাৰ নাথ, মঞ্জুল বৰুৱা, ববী শৰ্মা বৰুৱা, উৎপল বৰপূজাৰী, সূৰুয দুৱৰা আদি ভালেসংখ্যক পৰিচালক এই ধাৰাটোৰ অংশীদাৰ হৈছে। অসমীয়া ছবিয়ে বৰ্তমান পৃথিৱীৰ বিভিন্ন চলচ্চিত্ৰ মহোৎসৱত নক্ষত্ৰৰ দৰে জিলিকিবলৈ সক্ষম হৈছে। এই ধাৰাটোৰ আটাইতকৈ লক্ষণীয় বিষয়টো হ'ল, ই পাৰ্ছীয়ান, ইৰাণীয়ান আদি চলচ্চিত্ৰ উদ্যোগৰ দৰে অবাণিজ্যিক চলচ্চিত্ৰৰ সৃষ্টি কৰিছে যিয়ে আচৰিতভাৱে দৰ্শকৰ বিপুল সঁহাৰি পাবলৈও সক্ষম হৈছে। এই দশকটোৱে অসমীয়া চলচ্চিত্ৰ উদ্যোগক এক নতুন চিন্তাৰে উজ্জীৱিত কৰিছে যাৰ ফলত বাস্তৱধৰ্মী চলচ্চিত্ৰৰ জনপ্ৰিয়তা অধিক বাঢ়ি গৈছে। সঁচাকৈ, তৃতীয় প্ৰজন্মৰ অসমীয়া চলচ্চিত্ৰ জগতৰ এই নতুন ধাৰাই 'কলাত্মক' ছবিক বিশেষৰূপে দিশ নিৰ্ণায়কৰ শাৰীলৈ আনিছে। আশা কৰা হৈছে, অনাগত দিনত অসমৰ চলচ্চিত্ৰৰ অনুপম চলচ্চিত্ৰ ভাষাশৈলীয়ে সমগ্ৰ পৃথিৱীত অদমনীয়ৰূপে আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হ'ব। ❖

**এলকেমিষ্ট : যি ব্যক্তিয়ে এটা ধাতু সোণলৈ ৰূপান্তৰ কৰিব পাৰে।*



**নীতিশ কলিতা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**কৃষ্ণামণি দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ৰেডিঅ' আইছ'ট'প

◆ সুপ্ৰতীম গোস্বামী
দশম শ্ৰেণী

অণু-পৰমাণুৰ কাহিনীৰ অতি উৎসাহজনক অধ্যায়টো হ'ল ৰেডিঅ' আইছ'ট'পৰ আৱিষ্কাৰ আৰু তাৰ ব্যৱহাৰ। আইছ'ট'প মানে হ'ল একে পাৰমাণৱিক সংখ্যাবিশিষ্ট কিন্তু বেলেগ বেলেগ ভৰবিশিষ্ট কিছুমান মৌল। যেনে, কাৰ্বনৰ আইছ'ট'প দুটা হ'ল—$C^{12}_{6}$, $C^{14}_{6}$। হিৰোশ্বিমা আৰু নাগাছাকি চহৰত এটম বোমাই সৃষ্টি কৰা ধ্বংসলীলা দেখাৰ পিছত আণৱিক শক্তিৰ প্ৰতি মানুহৰ মনত যি ঘৃণাৰ ভাব উপজিছিল, কৃত্ৰিম আইছ'ট'পৰ আৱিষ্কাৰে আৰু তাৰ ব্যৱহাৰে সেই ঘৃণাৰ ভাব শ্ৰদ্ধালৈ ৰূপান্তৰিত কৰিলে। আজি বিজ্ঞানীসকলে আইছ'ট'পৰ ব্যৱহাৰৰ জৰিয়তে নানান জটিল কাম সম্পাদন কৰিবলৈ সক্ষম হৈছে। ৰোগীৰ ৰোগ নিৰ্ণয় আৰু চিকিৎসাত, শিল্প উদ্যোগত, উৎপাদিত সামগ্ৰীৰ গুণাগুণ নিয়ন্ত্ৰণত, মৎস্য উৎপাদন বৃদ্ধি আৰু সংৰক্ষণ, জীৱ আৰু উদ্ভিদৰ শৰীৰত চলি থকা মৌলিক প্ৰক্ৰিয়াবোৰৰ অধ্যয়নত আৰু পৃথিৱীত বিৰাজ কৰা পদাৰ্থবোৰৰ প্ৰাকৃতিক গুণাগুণ নিৰ্ণয়ত আইছ'ট'প ব্যৱহাৰ কৰি বিশেষ সুফল পোৱা গৈছে।

যিবোৰ আইছ'ট'পৰপৰা তেজস্ক্ৰিয় বিকিৰণ নিৰ্গত হয় সেইবোৰকে ৰেডিঅ' আইছ'ট'প বা তেজস্ক্ৰিয় আইছ'ট'প বা ৰেডিঅ' মৌল বোলা হয়।

১৯৩৪ চনৰ আগলৈকে ৰেডিঅ' আইছ'ট'প বুলিলে ৰেডিয়াম আৰু তাৰ উপজাত তেজস্ক্ৰিয় ধাতুবোৰকে বুজোৱা হৈছিল। সেই সময়ত আইছ'টপবোৰ বিশেষকৈ কৰ্কট ৰোগৰ চিকিৎসা আৰু ঘড়ীৰ কাঁটা আৰু তাৰ সংখ্যাবোৰ ৰাতিৰ আন্ধাৰত দেখা পাবলৈ প্ৰলেপ দিয়াত ব্যৱহাৰ কৰা হৈছিল। ১৯৩৪ খ্ৰী.ত আইৰিণ ক্যুৰী জলিঅ' (Irene Curie Joliot) আৰু তেওঁৰ স্বামী ফ্ৰেড্ৰি জলিঅ'ই (Fredere Joliot) কৃত্ৰিমভাৱে তেজস্ক্ৰিয় ধাতু উৎপাদন কৰিবলৈ সক্ষম হয়। কিছুমান অতেজস্ক্ৰিয় মৌলক কৃত্ৰিমভাৱে মৌলান্তৰ ঘটালে তেজস্ক্ৰিয় মৌল সৃষ্টি হয়।

সাধাৰণ ছ'ডিয়াম-২৩ মৌলবিধ তেজস্ক্ৰিয় নহয়, কিন্তু ইয়াক নিউক্লীয় বিকাৰকৰপৰা নিৰ্গত হোৱা নিউট্ৰনৰ দ্বাৰা আঘাত কৰি ছ'ডিয়াম-২৪লৈ ৰূপান্তৰিত কৰিব পাৰি। সময়ৰ লগে লগে এডোখৰ তেজস্ক্ৰিয় ধাতুৰপৰা নিৰ্গত হোৱা বিকিৰণৰ তীব্ৰতা বিশেষ হাৰত কমি আহে আৰু তীব্ৰতা হ্ৰাসৰ হাৰ ভিন্ন তেজস্ক্ৰিয় ধাতুৰ ক্ষেত্ৰত বেলেগ বেলেগ।

তেজস্ক্ৰিয় বিকিৰণৰ ভেদন ক্ষমতা (পদাৰ্থ ভেদ কৰি যাব পৰা ক্ষমতা) অতি বেছি। ৰণ্ট্জেন ৰশ্মিৰ পৰিৱৰ্তে পদাৰ্থভেদী হিচাপে ইয়াৰ ব্যৱহাৰ দ্ৰুতভাৱে বৃদ্ধি পোৱাৰ মূল কাৰণ হ'ল ইয়াক ব্যৱহাৰ কৰিবলৈ ৰণ্ট্জেন ৰশ্মিৰ দৰে প্ৰকাণ্ড যন্ত্ৰপাতিৰ লগতে উচ্চ বিভৱ বৈদ্যুতিক উৎসৰ প্ৰয়োজন নহয়। আইছ'ট'প ব্যৱহাৰৰ কাৰণে প্ৰয়োজনীয় আহিলা-পাতিবোৰ আকাৰত সৰু হোৱাৰ বাবে সেইবোৰ সহজে অ'লৈ-ত'লৈ লৈ ফুৰিব পৰা যায়।

তাঁত শিল্প আৰু ছপাখানাৰ দৰে কিছুমান

উদ্যোগত এচাম কৰ্মচাৰীয়ে নিজ হাতেৰে কিছুমান অতি বিপদজনক কাম কৰে। এনে ক্ষেত্ৰত কৰ্মচাৰীসকলক অতি সূক্ষ্ম পৰিমাণৰ আইছ'ট'প থকা ফিটা একোডাল হাতত পিন্ধিব দিয়া হয় আৰু লগতে যন্ত্ৰটোৰ বিশেষ অংশত সংসূচক একোটা স্থাপন কৰা হয়। কৰ্মচাৰীজনৰ হাতখন বিপদসীমা অতিক্ৰম কৰাৰ লগে লগে ৰেডিঅ' আইছ'ট'পডোখৰ সংসূচকৰ ওচৰ চপাৰ ফলত সংসূচকটোৱে মেচিনটো বন্ধ কৰি দিয়ে। চাবোনজাতীয় বস্তুবোৰৰ মলি চাফা কৰাৰ ক্ষমতা ঠাৱৰ কৰিবলৈও আইছ'ট'প ব্যৱহাৰ কৰা হয়।

অপৰাধ বিজ্ঞানত খোৱাবস্তু, ঔষধ আদিত থকা সূক্ষ্ম পৰিমাণৰ ভেজালৰ সন্ভেদ ল'বলৈ আইছ'ট'প ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে।

শস্যনাশক কীট-পতঙ্গ আৰু বেমাৰৰ বীজাণু বা বীজাণু কঢ়িওৱা কীটবোৰ ধ্বংস কৰিবলৈ বা সিহঁতৰ বংশ বৃদ্ধি নাশ কৰিবলৈ পৰীক্ষামূলকভাৱে ক'বাল্ট-৬০ নামৰ আইছ'ট'প ব্যৱহাৰ কৰি সুফল পোৱা গৈছে।

আমি জানো যে উদ্ভিদে সালোকসংশ্লেষণৰ (photosynthesis) সহায়ত খাদ্য উৎপাদন কৰে। বায়ুৰপৰা পোৱা কাৰ্বন ডাই-অক্সাইড আৰু মাটিৰপৰা আহৰণ কৰা পানীৰপৰা, সূৰ্যৰ তাপ আৰু পোহৰৰ সহায়ত উদ্ভিদে প্ৰ'টিন উৎপাদন কৰে। যদি মানুহে এইটো অধ্যয়ন কৰি কৃত্ৰিমভাৱে নিজৰ খাদ্য আৰু শক্তিৰ উৎসসমূহ নিজে প্ৰস্তুত কৰি উলিয়াব পাৰে তেনেহ'লে মানুহৰ জীৱন ধাৰণৰ গতিয়েই যে পৰিৱৰ্তন হ'ব সেইটো নিশ্চিত।

ৰেডিঅ' আইছ'ট'পৰ ব্যৱহাৰ ৰাসায়নিক বিজ্ঞানৰ ক্ষেত্ৰত উল্লেখযোগ্যভাৱে বৃদ্ধি পাই আহিছে। নিউক্লীয় ইন্ধনৰ পুনৰ সংশোধনৰ মৌলিক আৰু ব্যাৱহাৰিক গৱেষণাতো ৰেডিঅ' আইছ'ট'পে বিশেষ অৰিহণা যোগাই আহিছে। বৰ্তমানে ৰেডিঅ' কেমিষ্ট্ৰি নামৰ ৰসায়নবিজ্ঞানৰ এটা নতুন বিভাগ আৰম্ভ হৈছে।

কৰ্কট ৰোগৰ নিৰাময়ৰ ক্ষেত্ৰত জীৱবিজ্ঞানৰ গৱেষণাকোষে বিকিৰণৰ ব্যৱহাৰৰ বিকাশত যথেষ্ট সহায় কৰিছে। উদ্ভিদবিজ্ঞানীসকলে ভিন্ন ধৰণৰ বিকিৰণ উন্মোচিত কৰি ধান, মাহ, ফল, ঔষধি গছ, বাগিচা শুৱনি গছ-গছনিৰ অৰ্কিড আদিৰ নতুন নতুন উন্নতমানৰ সঁচ উৎপাদন কৰি সমাজৰ বিশেষ উপকাৰ সাধিছে। ফল-মূল, শাক-পাচলি, মাছ-মাংস আদিৰ গুণাগুণ নষ্ট নোহোৱাকৈ সংৰক্ষণ কৰি ৰখাৰ অৰ্থে খুব কম পৰিমাণৰ গামা ৰশ্মি ব্যৱহাৰ কৰি বিশেষ সুফল পোৱা গৈছে। বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ হোৱা ৰেডিঅ' আইছ'ট'প কেইটামান তলত দিয়া হ'ল—

| তেজস্ক্ৰিয় মৌল | ব্যৱহাৰ ক্ষেত্ৰ |
|---|---|
| ১। এমেৰিচিয়াম (Americium-241) | ধোঁৱা সংসূচন |
| ২। ক্ৰমিয়াম (Cromium) | চিকিৎসা আৰু ৰোগ নিৰ্ণয় আৰু উদ্যোগ |
| ৩। ইৰিডিয়াম (Iridium-192) | প্ৰাকৃতিক গেছ আৰু খাৰুৱা তেলৰ জৰীপ |
| ৪। ক্ৰিপটন (Krypton-85) | বেধ মাপক যন্ত্ৰ |
| ৫। স্কেনডিয়াম (Scandium-46) | গৱেষণা, চিহ্নক |

# ৰাজনীতি

◆ ভাস্বতী চৌধুৰী
দশম শ্ৰেণী

পৃথিৱীৰ আটাইতকৈ আশ্চৰ্যকৰ আৰু বিচিত্ৰ মানৱ প্ৰজাতিটোৰ নাম হ'ল ৰাজনৈতিক নেতা।

সংবাদ-পত্ৰ পঢ়িলে, টিভিৰ পৰ্দাৰ সন্মুখত বহি থাকিলে এনেকুৱা লাগে যেন পৃথিৱীৰ সকলো অনৰ্থৰ মূল হ'ল তেওঁলোক। অথচ তেওঁলোক নোহোৱাকৈও আমি থাকিব নোৱাৰোঁ। আমি তেওঁলোকক ডিঙিৰ সিৰ ফুলাই হিয়া উজাৰি গালি পাৰোঁ, কিন্তু তেওঁলোককে আমি সংবাদ-পত্ৰৰ প্ৰথম পৃষ্ঠাৰ প্ৰথম কলমত স্থান দিওঁ। তেওঁলোকৰ অনুপস্থিতিত সভা শুৰনি নহয়। তেওঁলোকৰ খেৰ-বাঁহেৰে সজা প্ৰতিমূৰ্তি আমি ক্ষোভত জ্বলাই দিওঁ, কিন্তু তেজ-মঙহৰ মানুহজনক সভাই-সমিতিয়ে মাল্য প্ৰদান কৰোঁ।

ৰাজনৈতিক নেতাসকলে প্ৰায়ে নিজৰ স্বাৰ্থৰ বাবে ক্ষমতাৰ অপব্যৱহাৰ কৰে বুলি আমি জানো। আমি ধৰি লওঁ যে বাধ্যত পৰিয়েই হওক বা দেশৰ মংগল সাধন তেওঁলোকৰ দায়িত্ব বুলিয়েই হওক, কেতিয়াবা তেওঁলোকে দুই-এটা ভাল কামো কৰে। গতিকে ৰাজনৈতিকভাৱে সচেতন লোকৰ প্ৰথম দায়িত্ব হ'ল চাপ সৃষ্টিৰ আৰু তাৰ পাছত সহযোগিতাৰ। সেই চাপ একধৰণৰ বুজাবুজিত উপনীত হ'বলৈ কৰা আলোচনাৰপৰা আহিব লাগিব আৰু এয়া আহিব লাগিব গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী, জনসাধাৰণ-সংবাদ মাধ্যমৰ ভূমিকা, তথ্যভিত্তিক সমালোচনাৰ জৰিয়তে। সেই শক্তিৰ সৃষ্টি কৰাটো বিৰোধী পক্ষৰ ৰাজনৈতিক নেতাৰ কৰ্তব্য।

নতুন প্ৰজন্মৰ এটা চামে বৰ্তমান ৰাজনীতিৰ প্ৰতি আগ্ৰহ আৰু নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা দেখুৱাবলৈ আৰম্ভ কৰিছে। এয়া নিঃসন্দেহে শুভ লক্ষণ। কিন্তু তাৰ মাজতো যেন এটা বেদনাৰ বোধ মনৰ ভিতৰত গা কৰি উঠে। অধিকাংশৰে এই নিৰ্বাচনী তৎপৰতাৰ আঁৰত দেশৰ বাবে কিবা এটা কৰাৰ কোনো আৱেগিক তাড়না নাই, বৰঞ্চ আছে লুণ্ঠনৰ অংশীদাৰ হোৱাৰ গোপন লালসা। সকলোৱে যেন এতিয়া ধৰি লৈছে যে ব্যাৱসায়িক স্বাৰ্থ পূৰণ আৰু লুণ্ঠনৰ অধিকাৰ সাব্যস্ত কৰাৰ এটাই মাথোঁ সহজ পথ আছে আৰু সেয়া হ'ল ৰাজনীতি।

সৎ মানুহ এতিয়াও পৃথিৱীত অলেখ আছে, কিন্তু একেলগে সৎ আৰু শক্তিশালী ৰাজনৈতিক ব্যক্তি আজিৰ পৃথিৱীত প্ৰায় এক বিৰল চৰিত্ৰ। এই অৱস্থাৰপৰা মুক্তি কেতিয়া?

নতুন প্ৰজন্মৰ ৰাজনৈতিক নেতাসকল অন্ততঃ এই দহটা গুণৰ অধিকাৰী হওক—

১। তেওঁ নিজৰ আৱেগ আৰু প্ৰকাশভংগী নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব।
২। তেওঁ হ'ব লাগিব আত্মবিশ্বাসী আৰু সক্ষম।
৩। তেওঁ হ'ব লাগিব স্বচ্ছ আৰু ন্যায়পৰায়ণ।
৪। তেওঁ হ'ব লাগিব প্ৰচণ্ড আশাবাদী আৰু সাহসী।
৫। তেওঁৰ মনত থাকিব লাগিব দেশৰ বাবে কিবা এটা কৰাৰ দুৰ্বাৰ বাসনা।
৬। পৰিৱৰ্তনৰ বাবে তেওঁ নেতৃত্ব দিব পাৰিব লাগিব।
৭। সহমৰ্মিতা হ'ব লাগিব তেওঁৰ প্ৰধান গুণ।
৮। দেশৰ বিকাশৰ সুযোগ গ্ৰহণ কৰি কৰ্মক্ষেত্ৰত জঁপিয়াই পৰাৰ বাবে তেওঁ হ'ব লাগিব সদা তৎপৰ।
৯। আইনক প্ৰভাৱান্বিত কৰাৰ ক্ষমতা তেওঁৰ থাকিব লাগিব।
১০। আইনৰ সৈতে সম্বন্ধ স্থাপনেৰে তেওঁ প্ৰাপ্য আদায় কৰিব পাৰিব লাগিব।

সৰ্বোপৰি সততা হ'ব লাগিব তেওঁৰ ভূষণ; শিৰৰ মুকুট। অন্যথা দেশৰ ভৱিষ্যতৰ ৰাজনীতি হ'ব বৰ্তমানৰেই পুনৰাবৃত্তি। হয়তো তাতোকৈও অধঃপতিত। ❖

# পাহৰিব নোৱৰা স্মৃতি

◆ অনন্যা মেধি
দশম শ্ৰেণী

*Memories are very special.*
*We cry by remembering the days we laughed.*
*And we laugh by remembering the days we cried.*

মানৱ জীৱন চুটি অথচ অতি মূল্যবান। এই সংক্ষিপ্ত জীৱনকালতেই মানুহে লাভ কৰে বহুতো তিতা-মিঠা অভিজ্ঞতা। ইয়াৰে কিছুসংখ্যকে মানুহক পৰম তৃপ্তি প্ৰদান কৰে, আন কিছুমানে আকৌ হৃদয়ত বেদনাৰো জন্ম দিয়ে। ইয়াৰ বিপৰীতে কিছুসংখ্যকে দি যায় মানুহক সমস্ত জীৱনৰ বাবে এক শিক্ষা। এই ক্ষেত্ৰত ময়ো ব্যতিক্ৰম নহয়। জীৱনৰ কিছুমান মুহূৰ্তই মোক দি গৈছে অনাবিল আনন্দ তথা জ্ঞানৰ ভাণ্ডাৰ।

২০০৮ চনৰ ১ জানুৱাৰি, মোৰ জীৱনৰ এটি অন্যতম বিশেষ দিন। কিয়নো সেই বিশেষ দিনটোতেই মই পদাৰ্পণ কৰিছিলোঁ এক জ্ঞানৰ মন্দিৰ তথা বিদ্যাৰ আলয়ত। অলকা বাইদেউৰ হাতৰপৰা ফুলথোপা লৈ মই হৈ পৰিছিলোঁ এক বৃহৎ পৰিয়ালৰ সদস্য। অসমৰ এখন আগশাৰীৰ বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিবলৈ সুবিধা পাই মোৰ হৃদয় গৌৰৱত উৎফুল্লিত হৈ পৰিব লাগিছিল; কিন্তু হয়তো মোৰ কণমানি মনটোৱে বুজি পোৱা নাছিল। অচিনাকি পৰিৱেশটোৰ লগত খাপ খাওঁতে মোৰ যথেষ্ট অসুবিধা হৈছিল। কিন্তু সময়ৰ গতিত এই অচিনাকি মানুহবোৰেই হৈ পৰিছিল মোৰ অতিকৈ আপোন।

মা-দেউতাৰ পিছতেই জীৱনৰ প্ৰথম শিক্ষাগুৰু উৎপলা বাইদেউ, ৰীতা বাইদেউৰ অপাৰ মৰম-চেনেহ আৰু অনুশাসনৰ মাজত থাকি মই শিকিবলৈ আৰম্ভ কৰিছিলোঁ এক, দুই, তিনি তথা অ, আ, ক, খ। কণমানি হাতৰ পৰশত প্ৰাণ পাই উঠিছিল বহুতো বেবেৰিবাং ছবি। এইদৰেই ক্ৰমাৎ শিকিছিলোঁ বীজগণিত, প্ৰত্যয়, সমাস, ত্ৰিকোণমিতি আদি।

সুবিধা পালেই খেলপথাৰৰ দেৱদাৰু গছৰ ছাঁত আশ্ৰয় লৈ ধূলি-বালিৰে ওমলা, প্ৰত্যেক ৰাতিপুৱা বকুল গছৰ তলত বহি বকুল ফুলৰ মালা গঁঠা, 'আন্ধাৰ ৰুম'ৰ ভয়ত পেঁপুৱা লাগি দুষ্টালি বন্ধ কৰা, টিফিনক লৈ টনা-আঁজোৰা কৰা এই মুহূৰ্তবোৰ মনত পৰিলে আজিও মনটো সেমেকি উঠে। জুৰি বাইদেউৰ 'পাচলিৰ বাগিচা'কে আদি কৰি বিভিন্ন গীত, ছুটীৰ পিছত মাক বিচাৰি নাপাই ডাঙৰ বাইদেউৰ ওচৰত সাধু শুনা এই স্মৃতিবোৰে মোক আজিও আপ্লুত কৰে। ক'ত যে হেৰাই গ'ল সেই দিনবোৰ !

এই বিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ লগতে বাৰ্ষিক অনুষ্ঠান 'গীত-মাতৰ গধূলি'ও মোৰ সদায় মনত থাকিব। বিশেষকৈ মনত পৰিব আমাৰ অতিকৈ চেনেহৰ 'ভোগালী চ'ৰা।' মেজিৰ কাষত নাম গোৱা, কণী যুঁজ উপভোগ কৰা এই মুহূৰ্তবোৰে মোক প্ৰদান কৰিছিল এক নিৰ্মল আনন্দ। আৰম্ভণিৰেপৰা বিভিন্ন ধৰণৰ

অনুষ্ঠান উপভোগ কৰা তথা পৰিৱেশন কৰা 'মুকলি মঞ্চ'খনো মোৰ অতিকৈ আপোন।

প্ৰত্যেক বছৰে 'হাতে লিখা আলোচনী' প্ৰস্তুতিৰ সুবিধা পাই মই এক পৰম তৃপ্তি লাভ কৰিছিলোঁ। 'হাতে লিখা আলোচনী' প্ৰস্তুতৰ বাবে কৰা প্ৰচেষ্টাই আমাক শিকাইছিল 'একতাই পৰম বল'। প্ৰতিটো শাখাৰ ছাত্ৰ-ছাত্ৰীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত প্ৰাণ পাই উঠিছিল একো একোখন আলোচনী যাৰ প্ৰতিটো পৃষ্ঠাতেই প্ৰকাশ পাইছিল সকলোৰে মৌলিকতা তথা সৃষ্টিশীলতা আৰু প্ৰতিভা।

সঁচাকৈয়ে সময় তীব্ৰ গতিত আগবাঢ়ে। কেনেকৈনো জীৱনৰ বাৰটা বসন্ত এই বিদ্যালয়ত গৰকিলোঁ, গমেই নাপালোঁ। এই বাৰটা বছৰত বিদ্যালয়খনৰ প্ৰতিজোপা গছ, প্ৰতিটো ধূলিকণাৰ লগত এক আত্মিক সম্পৰ্ক গঢ় লৈ উঠিছে। আলি দাদাৰ হাতৰ পৰশত সজীৱ হৈ উঠা নানা ৰঙী ফুলবোৰে যেন আজিও মোক হাত বাউলি মাতে।

এই বিদ্যালয়ৰ শিক্ষাগুৰুসকলো মোৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। জীৱনৰ প্ৰতিটো খোজতে সহায়-সহযোগিতা আগবঢ়াই এই সংসাৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ জ্ঞান দিয়াৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকাল কৃতজ্ঞ হৈ ৰ'ম। এই বিদ্যালয়ৰ আন সদস্যসকলৰো ব্যক্তিত্ব, সৰলতা তথা আপোনভাৱে মোক বাৰুকৈয়ে আপ্লুত কৰে।

২০১৯ বৰ্ষটি মোৰ এই বিদ্যালয়ত অন্তিমটো বছৰ। সুদীৰ্ঘ বাৰ বছৰ এই বিদ্যালয়ত বহুতো পাহৰিব নোৱৰা মুহূৰ্ত কটাইছোঁ। এইখন বিদ্যালয়ৰ প্ৰতিটো অংগৰ লগতে মই এক আত্মীয়তা অনুভৱ কৰোঁ। ইয়াৰ প্ৰতিটো অংগই মোৰ হৃদয়ত এক বিশেষ স্থান অধিকাৰ কৰিছে যাক কোনেও মচি পেলাব নোৱাৰে। সুদীৰ্ঘ ২৫ বছৰ এক আলোক সন্ধানীৰ যাত্ৰা অব্যাহত ৰখা এইখনেই হৈছে আমাৰ অতিকৈ আপোন 'অসম জাতীয় বিদ্যালয়।'

আশা কৰোঁ এই বিদ্যালয়ে পোহৰ অভিমুখে কৰা এই সোণোৱালী যাত্ৰা সদায় অব্যাহত থাকক...। ❖



**প্লাৱিতা কাশ্যপ**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**চাতুৰ্য ডেকা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# প্ৰতিযোগীৰ শ্ৰেষ্ঠ কলম

## অসম বন্ধ

◆ প্ৰজ্বলিতা বড়া
পঞ্চম শ্ৰেণী

ৰাতিপুৱাৰপৰা ৰাতুলৰ দেউতাক মোহন চিন্তিত। কালি কথাটো শুনিছিল। দোকানখনৰ ওচৰতে ইজনে-সিজনে কথাটো পাতিছিল। কথা বুলিলেই বতাহ। ইজনে গৈ সিজনক ক'বগৈ, সিজনে গৈ ইজনক ক'বগৈ। এনেদৰেই কথাবোৰ বহল হৈ পৰেগৈ। তাতে বন্ধৰ কথা যদি হয়, কথাবোৰ আৰু বহল হৈ পৰে। কেনেবাকৈ যদি গম পায়, বোলে কাইলৈ অসম বন্ধ—তেতিয়া আৰু কথাই নাই। কিছুমান মানুহৰ গা সাতখন-আঠখন হয়, কাৰণ তেওঁলোকে অফিচলৈ যাবলগীয়া নহ'ব, ঘৰতে জিৰণি লৈ থাকিব পাৰিব।

'কিন্তু আমিতো কাম কৰিয়েই খাব লাগিব।'—তেওঁ যেন নিজকে নিজে ক'লে কথাষাৰ।

কালি দুখনমান চাইকেলৰ মেৰামতিৰ কামহে পাইছিল। তাৰপৰা পোৱা পইছাৰে ৰাতিৰ আৰু ৰাতিপুৱাৰ সাঁজৰ বাবে চাউল-দাইলৰ যোগাৰ হ'লহে। কিন্তু আজি দুপৰীয়া আৰু ৰাতিৰ সাঁজৰ বাবে চাউল-পাতি নাই। যদি সঁচাকৈয়ে আজি অসম বন্ধ হয়, যদি চাইকেল মেৰামতিৰ সৰু দোকানখনো বন্ধ ৰাখিব লগা হয়, তেন্তে কি হ'ব দশা—এই কথা ভাবি মানুহজনৰ চিন্তা আৰু বাঢ়িল। এঘাৰ বছৰীয়া পুতেক ৰাতুল, ছবছৰীয়া জীয়েক মেঘা আৰু সাদৰী পত্নী অনিমাৰ মুখকেইখন চকুৰ আগত ভাহি উঠিল। যদি আজি স্কুলো বন্ধ হৈ পৰে, তেন্তে সিহঁতো ঘৰতে থাকিব লাগিব। যদি সিহঁতে লঘোনে থাকিবলগীয়া হয়... !

'দেউতা দেউতা, তুমি যে মন মাৰি বহি আছা,' ৰাতুলৰ মাত। 'দেউতা দেউতা তুমি কি কৰিছা'—কণমানি মেঘাৰ মাত।' সিহঁতৰ মাকো দৌৰি আহিল—'কি হৈছে আপোনাৰ?' 'একো হোৱা নাই অ'। আজি বোলে অসম বন্ধ। কোনোবা এটা সংগঠনে দিছে বোলে। দোকানখন খুলিব পাৰোঁনে নোৱাৰোঁ তাকে ভাবি আছোঁ'—তেওঁ উত্তৰ দিলে।

খৰধৰকৈ কিবা এটা খাই মোহন যাবলৈ ওলাল। অনিমাই ক'লে, 'পৰিস্থিতিটো চাই ল'ব। আজিকালিৰ ল'ৰাবোৰ যিহে উদণ্ড।'

মোহন গৈ থাকিল। ৰাস্তাত গাড়ী-মটৰ একোৱেই নাই। দোকান-পোহাৰ সকলো বন্ধ। গৈ গৈ নিজৰ দোকান পালেগৈ। চৌপাশে চালে—প্ৰায় সকলো দোকানেই বন্ধ। তথাপি ক'ৰবাত দুই-এখন দোকানৰ আধা খুলি ৰাখিছে। তেনেতে চাইকেল মেৰামতিৰ বাবে মানুহ এজন আহিল। মোহনে চাই দেখিলে—চাইকেলখনৰ কেইবাটাও অংশ বেয়া হৈ আছে। সেইখন মেৰামতি কৰি দিলে দুশমান টকা হাতলৈ আহিব। চকুৰ আগত ঘৰৰ সকলোৰে মুখবোৰ আকৌ এবাৰ ভাহি উঠিল। মুখবোৰ যেন ভোকাতুৰ, চকুত যেন লোতক। তেওঁ আৰু ৰৈ থাকিব নোৱাৰিলে। লগে লগে দোকান খুলি কাম কৰিবলৈ ধৰিলে।

অদূৰত হুলস্থূল। এবাৰ মূৰ তুলি চালে। 'বন্ধ কৰ, ভাং, মাৰ মাৰ—লাঠী, জোং লোৱা এটা পাৰ্টি লাহে লাহে এইফালেই আহি আছে। আহিয়েই ধমকি—'ঐ দোকান বন্ধ কৰ। আজি যে অসম বন্ধ জাননে নাই?'—'আজি মোৰ ঘৰত খাবলৈ নাই, ল'ৰা-ছোৱালীকেইটাৰ লঘোন হ'ব। কোনোবাই চাউল-পাত দিব নেকি?'—মোহনে কৈ উঠিল। 'ঐ আমাৰ মুখৰ আগত মাতিছ। দোকান বন্ধ কৰিবিনে?'—সিহঁতৰ এজনে হুম্‌কি দিলে। 'নকৰোঁ। ল'ৰা-ছোৱালী দুটিক লঘোনত থাকিবলৈ দিব নোৱাৰোঁ।' মোহনৰ দৃঢ় উত্তৰ।

এইবাৰ দলটোৱে খঙত জ্বলি-পকি দোকানখন ভাঙিবলৈ ধৰিলে। কেইজনমানে মোহনক বেঢ়ি লৈ লাঠীৰে কোবাবলৈ ধৰিলে। মোহনৰ মূৰ ফাটি তেজ ওলাবলৈ ধৰিলে আৰু এটা সময়ত অচেতন হৈ পৰি গ'ল।

ইফালে অনিমাই ঘৰত উচ্‌পিচাই আছে। চাওঁতে চাওঁতে আবেলিয়েই হ'ল—মানুহজন নাই! তেওঁ ল'ৰা-ছোৱালীহালক ঘৰতে থৈ আগবাঢ়ি যোৱাৰ কথা ভাবিলে।

বাহিৰত কোনোবাই মাতিছে। ততাতৈয়াকৈ তেওঁ দুৱাৰখন খুলিলে। মাথোন কেইটামান শব্দহে তেওঁৰ কাণত বাজিল—মোহনৰ গুৰুতৰ জখম। আপুনি এতিয়াই আহক...। ❖

*(২০১৯ বৰ্ষৰ বিদ্যালয় সপ্তাহৰ পঞ্চম আৰু ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত স্বৰচিত গল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত গল্প।)*

# আনন্দ

◆ **ৰাছেল মালিক**
অষ্টম শ্ৰেণী

দেউতাকে জুমনক এইবাৰ তাৰ জন্মদিন পাতিব বুলি কোৱাত তাৰ মনত বৰ আনন্দ লাগি আছে। সি ভাবিছে কেনেকৈ বা পাতে? জন্মদিনত কাক কাক বা মাতে? কেক কাটিব দিব নে নিদিয়ে? আদিবোৰে তাৰ মূৰটোত জুমুৰি দি ধৰিছে।

সাধাৰণতে তাৰ দেউতাকে কেক কাটি জন্মদিন পালন নকৰে। সেইবোৰ তেওঁৰ মতে পশ্চিমীয়া সংস্কৃতি। জুমনক এইবোৰ কথা ক'লে তাৰ পেটে পেটে খং উঠি থাকে, একো ক'বও নোৱাৰে। চাৰিমাহমান আগত সি তাৰ বন্ধু বিকাশৰ জন্মদিনত তাৰ ঘৰলৈ গৈছিল। কিমান যে আনন্দ পাইছিল, জন্মদিনৰ টুপী পিন্ধিছিল, কেক কাটিছিল, বেলুন ফুটাইছিল আৰু সিহঁতৰ ঘৰলৈ বহুত ল'ৰা-ছোৱালী আহিছিল। সকলোৱে মিলি নাচিছিল, গান গাইছিল। বিভিন্ন ধৰণৰ খোৱাবস্তুৱে ওপচাই দিছিল। তাত থকা সময়খিনিত জুমনৰ বহুত ভাল লাগি আছিল। ঘৰলৈ আহি সি মাকক কৈছিল, 'মা মোৰো যদি জন্মদিনটো এনেকৈ পাতিব পাৰিলোঁ হয়, কিমান যে ভাল লাগিলহেঁতেন।' মাকে একো কোৱা নাছিল, মাত্ৰ তাৰ ফালে কিছুপৰ চাই আছিল।

এইবাৰ পূজাৰ বন্ধত জুমনৰ দেউতাক ঘৰলৈ অহাত জুমনৰ লগৰ নিহাৰে তাৰ জন্মদিনলৈ মাতিবলৈ আহিছিল। বহুত জোৰকৈ মাতি থৈ গৈছে। ঘৰলৈ যোৱাৰ পিছতো নিহাৰে বাৰে বাৰে ফ'ন কৰি মাতি আছিল। মাকৰ গা বেয়া কাৰণে জুমনে জোৰ কৰি দেউতাকক লৈ গ'ল। বহুত ডাঙৰকৈ নিহাৰৰ জন্মদিন পাতিছিল। বহুত মানুহ মাতিছিল, সিহঁতৰ লগৰবিলাকো আহিছিল। ঘৰলৈ অহাৰ পিছত দেউতাকে ভোৰভোৰাই আছিল, 'এইবোৰ অপসংস্কৃতিত মানুহবোৰ বলিয়া হ'ল। তাতকৈ যদি এইবোৰ দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰচৰ বাবে দিলেহেঁতেন!' আৰু বহুত কিবাকিবি ক'লে। জুমনৰ পেটে পেটে খংহে উঠিল।

জুমনে জনা হোৱাৰেপৰা তাৰ জন্মদিনটো সাধাৰণভাৱে কিবা এটা কৰি থৈ দিয়ে। অৱশ্যে দেউতাকে কিবা এটা প্ৰয়োজনীয় বস্তু উপহাৰ হিচাপে দিয়ে। উপহাৰটো পালে তাৰ মনটো ভাল লাগে।

যোৱা বছৰো জুমনৰ জন্মদিন পাতিছিল। সেই বছৰ জুমনৰ দেউতাকে অফিচৰ কিবা গুৰুত্বপূৰ্ণ কামত এমাহৰ কাৰণে বাহিৰলৈ যাব লগা হৈছিল। সেইবাবে মোমায়েকহঁতে তাৰ মনৰ অৱস্থাটো বুজি তাৰ জন্মদিন পতাৰ সিদ্ধান্ত লৈছিল। সি দুদিন আগতে তাৰ বন্ধুবোৰক মাতিছিল, জুমনেও সেইদিনা কেক কাটিছিল। অইনে কৰাৰ নিচিনাকৈ সিও সকলোখিনি কৰিছিল। সি বহুত উপহাৰো পাইছিল। জুমনৰ মনত সেইদিনা বৰ আনন্দ। সি মোমায়েকক সিদিনা বৰ ভাল পাইছিল।

এইবাৰ জুমনৰ জন্মদিনৰ দুদিন আগতে দেউতাক আহিল। জুমনে দেউতাকক সুধিলে, 'দেউতা মোৰ বন্ধুবোৰক মাতিম নে?' দেউতাকে নালাগে বুলি ক'লে। দেউতাকে ইটো-সিটো বজাৰ কৰি আছে, মাকৰ লগত কিবাকিবি আলোচনা কৰি আছে। সি দেউতাক বজাৰলৈ যোৱাৰ ছেগতে মাকক সুধিলে, 'মা, দেউতাই যদি জন্মদিন পাতে তেনেহ'লে কাকো মাতিবলৈ দিয়া নাই কিয়?' মাকে ক'লে, 'শুনা, দেউতাৰাই তোমাৰ জন্মদিন ঘৰত নাপাতে, তোমাক এঠাইলৈ লৈ গৈ তাত কিছুমান ল'ৰা-ছোৱালীৰ লগত জন্মদিন পাতিব।' জুমনে থিয় হোৱা ঠাইতে ৰৈ থাকি ভাবিলে, 'এইটো আকৌ কেনে ধৰণৰ জন্মদিন, নাপাতিলেও হ'লহেঁতেন।'

জন্মদিনৰ দিনা ৰাতিপুৱাই মাক-দেউতাকে জুমনক শোৱাৰপৰা জগাই দিছিল আৰু সি বিচৰা অণুবীক্ষণ যন্ত্ৰটো দি জন্মদিনৰ শুভেচ্ছা দিছিল। তাৰ পিছত তাক সোনকালে সাজু হ'বলৈ দিছিল। সিহঁতে গা-পা ধুই প্ৰায় আঠ বজাত যাবলৈ সাজু হ'ল। যাত্ৰা আৰম্ভ কৰাৰ এঘণ্টামান পিছত গাড়ীখন ৰ'ল, ঠাইখনৰ নাম 'কাহিলিপাৰা' বুলি ফলক এখনত লিখা আছিল। জুমনে তাত দেখিলে, কিছুমান শাৰীৰিকভাৱে অক্ষম ল'ৰা-ছোৱালী, কিছুমান তাতকৈ সৰু, কিছুমান তাতকৈ ডাঙৰ, কিছুমান তাৰ সমান। সিহঁতৰ ফালে চাই জুমনৰ খুউব দুখ লাগিল।

অলপ পিছতে যেতিয়া মাক-দেউতাকে লৈ যোৱা খোৱাবস্তুবোৰ, উপহাৰবোৰ সেই ল'ৰা-ছোৱালীবোৰৰ মাজত ভগাই দিলে, সিহঁতে বৰ আনন্দ পালে। সিহঁতে এনেকুৱা কৰিছিল যেন সিহঁতে বহুদিন ধৰি খাবলৈ পোৱা নাই। আজিহে হেঁপাহ পলুৱাই খাইছে। জুমনৰো বৰ ভাল লাগিল। সি দেউতাকক সাবটি ধৰি ক'লে, 'দেউতা, এনে এখন ঠাইলৈ অনা বাবে অশেষ ধন্যবাদ। আজি মোৰ সঁচাকৈয়ে বৰ আনন্দৰ দিন।' ❖

*(২০১৯ বৰ্ষৰ বিদ্যালয় সপ্তাহৰ সপ্তম আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত স্বৰচিত গল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত গল্প।)*

# সৃষ্টিৰ সুখ

◆ **লোকেশজ্যোতি দাস**
দ্বাদশ শ্ৰেণী (বিজ্ঞান)

বহীৰ জাপটোৰ একেবাৰে তলৰপৰা দিনপঞ্জীখন তাই টানি উলিয়াই আনিলে। শেষৰ পৃষ্ঠাত থকা কেলেণ্ডাৰৰ জুলাই মাহৰ ৰঙা চিয়াঁহীৰে লিখা দিনবোৰ তাই এফালৰপৰা গণি গ'ল। শেষত তাই হিচাপ এটা কৰি চালে—গৰম বন্ধৰ দিন পাব মুঠ ২৭ দিন। গাঁৰৰ ঘৰলৈ ফুৰিবলৈ যাব, তাত থাকিব এসপ্তাহ। হাতত থাকিল ২০ দিন। এইকেইদিনত তাই স্কুলত ছাৰহঁতে দিয়া হ'মৱৰ্কবোৰ কৰিব লাগিব, বৃত্তি পৰীক্ষাৰ বাবে সাজু হ'ব লাগিল, আকৌ তাই নিজাকৈয়ে লেখা এটা লিখিব আছেই। অৰ্থাৎ গৰম বন্ধৰ এই গোটেইকেইদিন

তাই ব্যস্ততাৰে পাৰ কৰিব লাগিব। দিনপঞ্জীখন থৈ তাই আকৌ পঢ়াৰ মাজলৈ ঘূৰি আহিল। সন্মুখত থকা উকা কাগজখন দেখি তাই আচৰিত হৈ পৰিল। তাৰ মানে ইমানপৰে তাই একো এটা লিখি উলিয়াবই নোৱাৰিলে। তাইৰ নিজৰ ওপৰতেই খং উঠিল। সিহঁতৰ স্কুলৰ হাতে লিখা আলোচনীখনৰ বাবে নিয়ৰক লেখা এটা দিবলৈ চন্দনা বাইদেৱে বহুতদিনৰপৰাই কৈ আছে। নিয়ৰে বহুত ভাবিলে কিন্তু একো এটা লিখি উলিয়াব নোৱাৰিলে। গোটেই পৃথিৱীখন যেনেকৈ গোল ঠিক তেনেকৈয়ে তাইৰ মনটোৱেও এফালৰপৰা ভাবি গৈ থাকি শেষত আহি আকৌ আগৰ ঠাইতেই ওলাইহি।

নিয়ৰ ছোৱালীজনী খুব খোলা অন্তৰৰ। সকলোকে ভাল পায় আৰু সকলোৱে ভাল পোৱাটো বিচাৰে। দেখা-শুনাই, স্বভাৱে-চৰিত্ৰই তাই যথেষ্ট ভাল। পঢ়া-শুনাত অৱশ্যে সিমান ভাল নহয়, বেয়াও নহয়। তাইৰ মাক-দেউতাকৰ আকৌ তাতেই আপত্তি। তাইৰ ককায়েক খুব চোকা বুদ্ধিৰ ল'ৰা, এতিয়া ডাক্তৰী পঢ়ি আছে। মাক-দেউতাকৰ মুখত ককায়েকৰ গুণ-গান আৰু তাইৰ বাবে ইমান কটু মন্তব্য তাই সহজে ল'ব নোৱাৰে। তেওঁলোকৰ দৃষ্টিত নিজকে তুলি ধৰিবলৈ তাই অশেষ কষ্ট কৰে। কিন্তু ব্যৰ্থ শ্ৰম। যিমানেই চেষ্টা নকৰক কিয় নিয়ৰে পঢ়া-শুনা, খেল-ধেমালি, চিত্ৰাংকন একোতে পাৰদৰ্শিতা দেখুৱাব পৰা নাই। সৰুৰেপৰাই প্ৰতিটো দিশতে কেৱল অসফলতাৰ মুখ দেখি তাই একপ্ৰকাৰ হতাশ হৈ পৰিছে; কিন্তু চেষ্টা অব্যাহত ৰাখিছে। অৱশ্যে তাইৰ সৰুৰেপৰাই কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ আছিল। বাহিৰা সাধুকথাৰ কিতাপ, কমিক্‌ছ এইবোৰ পঢ়ি তাই আনন্দ পাইছিল। সেই দেখি দেউতাকেও তাইক প্ৰতি বছৰে গ্ৰন্থমেলালৈ নি মন পছন্দৰ গ্ৰন্থ সংগ্ৰহ কৰিবলৈ সুবিধা দিছিল। তথাপিও আজিলৈ নিজে দুই-এখন ৰচনা লিখাৰ বাহিৰে অন্য গল্প, প্ৰবন্ধ, কবিতা এইবোৰ লিখিব পৰা নাই। ঠিক তেনে সময়তেই চন্দনা বাইদেৱে তাইৰ ওপৰত যিখিনি বিশ্বাসেৰে এটা লেখা দিবলৈ কৈছিল, সেই বিশ্বাসখিনি তাই কোনোপধ্যেই হেৰুৱাব নিবিচাৰে।

অলপ সময়ৰ বাবে জিৰণি লৈ আকৌ লিখিবলৈ বহাৰ কথা ভাবি তাই পাকঘৰলৈ গ'ল। ফিল্টাৰটো খুলি গিলাছ এটাত আধাখিনিমান পানী ভৰালে। তাইৰ মাকহঁতৰ এই কথাটোতেই আপত্তি। তেওঁলোকৰ মতে তাই হেনো দিনটোত পানী নাখায়েই। তাইৰ পিয়াহ নলগা সময়ত তেওঁলোকে পানী খাবলৈ জোৰ কৰি থাকে। তাই মানা কৰে। তাতেই তেওঁলোকৰ খং। উস্ এইবোৰ শুনি শুনি তাইৰ আৰু আমনি লাগিছে। তাই ভাবিলে মাকহঁতক চমক দিয়াৰ এইটোৱেই সোণালী সুযোগ। যেনে তেনে তাই লেখা এটা তৈয়াৰ কৰিবই লাগিব।

পানী গিলাছ খায় মানে তাইৰ মনত পৰিল যে ইমান সময়ে পঢ়া টেবুলত বহি তাই গল্প লিখাৰ ধাণ্ডাত নিজৰ পঢ়াৰ কথা পাহৰিয়েই গৈছিল। গতিকে লৰালৰিকৈ গণিতৰ হ'মৱৰ্কখিনি উলিয়াই কৰাত লাগিল। গল্প আৰু লিখা নহ'ল। 'গল্পটো অলপ পাছত লিখিম, এতিয়া থাওক' বুলি তাই পঢ়াত লাগিল।

গল্প লিখিবলৈ বহি গল্পৰ প্লট বিচাৰি ফুৰোঁতে তাইৰ বন্ধৰ দিনবোৰৰ আধা দিন পাৰ হৈ গ'ল। মাজে-সময়ে তাইৰ কিতাপৰ আলমাৰিটোলৈ গৈ দুই-এখন বাহিৰা কিতাপ উলিয়াই গল্পবোৰ পঢ়ি চালে, কিজানিবা গল্পৰ প্লটবোৰ বিচাৰি পায়েই। পিছে নাই, জীৱনৰ প্ৰথম গল্পটো তাই নিজ হাতে লিখিব। প্ৰভাতী সূৰ্যৰ পোহৰত তৰাবোৰ হেৰাই যোৱাৰ দৰেই তাইৰ আত্মবিশ্বাসো লাহে লাহে হেৰাই যাবলৈ ধৰিছিল। মাকহঁতেও তাইৰ মাজত পৰিৱৰ্তন লক্ষ্য নকৰা নহয়। তেওঁলোকে দুই-এবাৰ তাইৰ লগত কথাও পাতি চালে। সৌ সিদিনালৈ পঢ়া টেবুলত এঘণ্টাও নবহা ছোৱালীজনীয়ে আজিকালি দিনৰ দিনটো পঢ়া টেবুলত বহি কি কৰি সময় পাৰ কৰে জানিবলৈ তেওঁলোকো আগ্ৰহী। পাছে তেওঁলোকক এই প্ৰচেষ্টাৰ কথা তাই ভুলতো কোৱা নাই। সকলোতে বিফল হোৱা নিয়ৰজনীয়েনো এতিয়া কিহৰ চমকপ্ৰদ কাম কৰি দেখুৱাব বুলি মাক-দেউতাকে ইতিকিং কৰিব বুলি তাই ভয় খাইছিল। পাছে সেই ভয়াতুৰ মনটোৰ পিছফালে লুকাই থকা তাইৰ

কোমলমতীয়া মনটোৱে তাইক তেতিয়াও সোঁৱৰাই দিছিল যে মাক-দেউতাকহঁতে সন্তানৰ কেতিয়াও অহিত চিন্তা নকৰে অথবা উপলুঙা নকৰে। এই ভাবটোৱেই তাইৰ আত্মবিশ্বাসৰ দোলডাল অলপ হ'লেও ধৰি ৰাখিছে। চন্দনা বাইদেৱে তাইক পাৰেমানে উৎসাহ যোগাইছে। এইবাৰ নিয়ৰে হাৰ নামানে। তাই যুঁজিব। কল্পনাৰ সাগৰৰ গভীৰতালৈ ডুব মাৰি হ'লেও তাই এইবাৰ ভাবৰ মাণিক বুটলি আনিবই।

(২)

পুৱাবেলা। সূৰ্যৰ কোমল কিৰণ খিৰিকীৰে সোমাই আহি তাইৰ টেবুলত থকা উকা বহীখনৰ পৃষ্ঠাখনত পৰিছে। তাৰেই পোহৰত তাইৰ চকু চাৎ মাৰি ধৰিছে। বাহিৰত সৰু সৰু চৰাইবোৰে কৰবী ফুলৰ গছজোপাৰ ডালত বহি কথা পাতিছে। আকৌ মৌ-মাখিবোৰে ক'ৰবাৰপৰা আহি কৰবী ফুলৰপৰা ৰস চুহি খাইছে।

উকা বহীখনৰপৰা দৃষ্টি আঁতৰাই ক্ষন্তেকপৰ খিৰিকীমুখৰ ফুলনিখনত নিয়ৰে চকু ফুৰাই চালে। তাৰ পিছত আকৌ চিন্তা কৰিবলৈ ধৰিলে কি বিষয়ক লৈ লিখিব তাইৰ জীৱনৰ প্ৰথম লেখাটি। অকণমানি ঠোঁটকেইটাৰে চোতালত ঘৰচিৰিকা এটাই চাউল খাই থকা নিত্যনতুন ৰোমাঞ্চকৰ অভিযানবোৰৰ বিষয়ে, অথবা তাইৰ ফুলনিখনৰ আটাইতকৈ মৰমলগা পখিলাটোৰ ৰঙীণ জীৱনটোৰ বিষয়ে, উস্ ! ইমানবোৰ বিষয়, কিন্তু লিখিবলৈ একো নাই।

নীলা পৰ্দাখন ঠেলি ভিতৰলৈ সোমাই অহা মৃদু বতাহ এছাটিয়ে তাইৰ চিন্তাত আউল লগাই দিলে। খং উঠাৰ সলনি বতাহছাটিক আজি তাই দেহ-মন জুৰ পৰাকৈ উপভোগ কৰি চালে। অচিনাকি এক মাদকতাত তাইৰ চকু মুদ খাই পৰিল। এক অজান পুলক তাই অনুভৱ কৰিলে। চন্দনা বাইদেৱে এদিন সিহঁতক উদ্দেশ্যি কোৱা কথাখিনি তাইৰ স্মৃতিৰ সঁফুৰাটোত সযত্নে সাঁচি থৈছে। তেওঁ কৈছিল—'তোমালোকে যদি জীৱনত কিবা এটা নতুন সৃষ্টি কৰিব খুজিছা তেন্তে এতিয়াৰেপৰাই কিতাপ-আলোচনী পঢ়াৰ অভ্যাস গঢ়ি তোলা। মনত ৰাখিবা নিজকে এজন সৃষ্টিশীল মনৰ অধিকাৰী ব্যক্তি কৰি তুলিবলৈ হ'লে জীৱনৰ প্ৰতিটো অনুভূতিকেই নিজৰ মাজত সুমুৱাই ল'ব পাৰিব লাগিব। যিসকল অনুভৱপ্ৰৱণ, নিজৰ চাৰিওফালে থকা প্ৰয়োজন, সুখ-দুখ আদিক অন্তৰেৰে উপলব্ধি কৰিব পাৰে সেইসকলেহে নতুনত্বৰে পৃথিৱীখন সজাই তুলিবলৈ সক্ষম হয়। অনুভৱ কৰিবলৈ আমি জ্ঞান লাভ কৰিবই লাগিব। কাৰণ জ্ঞানেই সেই একমাত্ৰ পথ যি আমাৰ বৌদ্ধিক বিকাশ কৰে।' বাইদেউৰ কথা ষোল অনাই সঁচা। কাৰণ নিয়ৰৰ মানসিকতা আগতকৈয়ো উচ্চস্তৰীয় হৈছে। বহুতো কথা তাই দকৈ ভাবি চাব পৰা হৈছে। তাই নিজৰ চাৰিওফালৰ পৃথিৱীখন নতুন ৰূপত আৱিষ্কাৰ কৰিছে। খিৰিকীমুখৰ ফুলনিখন এতিয়া কেৱল ফুলনি হৈ থকা নাই। সেইখনে অসংখ্য ৰঙেৰে তৈয়াৰী এখন সুকোমল দলিচা হৈ তাইৰ চকুত ধৰা দিছে। পদূলিত শাৰী শাৰীকৈ থিয় হৈ থকা দেৱদাৰুৰ গছবোৰ তাইৰ বাবে হৈ পৰিছে স্বৰ্গৰ একো একোজন দেৱদূতৰ দৰে। মৃদু মলয়াত নাচি-বাগি থকা গছকেইজোপাৰ সেউজীয়া পাতবোৰ দেখিলেই তাইৰ ভাগৰুৱা মনটো শাঁত পৰি যায়। কথাবোৰ ভাবিলে তাই নিজেই আচৰিত হৈ যায়। এনেকৈয়ে চলি থাকিলে দেখোন তাই সলনি হৈ যাব। পিছে এই পৰিৱৰ্তনে তাইৰ জীৱনলৈ অসীম প্ৰেৰণা কঢ়িয়াই আনিছে। সৃজন কৰাৰ প্ৰেৰণা।

নিয়ৰে লাহে লাহে সন্মুখৰ কাগজখনত মনলৈ অহা ভাববোৰ টুকিবলৈ ধৰিলে। লিখি উঠি পুনৰাই চাওঁতে তাইৰ ভাব হ'ল লেখাটো সিমান ভাল নহ'ল। গল্প নহৈ যেন ই কবিতাৰ আকৃতিহে ল'লে। যা হক, তাই তথাপিও হতাশ নহ'ল। আজি কিবা লিখিলে যেতিয়া আগলৈ আৰু ভাল হ'ব। সেইদিনাই তাই কাম সামৰি স্কুলৰ পঢ়াত লাগিল। পৰীক্ষালৈ আৰু বেছি দিন নাই।

(৩)

ড্ৰয়াৰটো আধামানলৈ টানি নিয়ৰ শইকীয়াই ওপৰতে থকা ডায়েৰীখন উলিয়াই টেবুলত থ'লে। তেওঁৰ আজি আকৌ পুৰণি স্মৃতিবোৰ মনত পৰিছে। এসময়ত চৌদিশে বিফল হৈ হতাশ হোৱা নিয়ৰ শইকীয়া আজি সমাজখনৰ এগৰাকী অগ্ৰণী সাংবাদিক লেখিকা। তেওঁ ডায়েৰীখন মেলি প্ৰথম লেখাটো পঢ়িলে। শিৰোনামবিহীন কবিতাটো দেখি তেওঁৰ সেই দিনটোলৈ মনত পৰি গ'ল যিদিনা তেওঁ জীৱনৰ প্ৰথমটি কবিতা লিখিছিল। কলমটো হাতত তুলি তেওঁ কবিতাটোৰ ওপৰত লিখি দিলে—'সৃষ্টিৰ সুখ'। ❖

*(২০১৯ বৰ্ষৰ বিদ্যালয় সপ্তাহৰ দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত স্বৰচিত গল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত গল্প।)*

# নৈতিক চৰিত্ৰ গঠনত সাধুকথাৰ প্ৰভাৱ

◆ ৰোহন গৌতম শৰ্মা
নৱম শ্ৰেণী

## সাধুকথাৰ সংজ্ঞা

লক্ষ্মীনাথ বেজবৰুৱাক অসমীয়া লোক-সাহিত্যৰ প্ৰথমজন গৱেষক বুলিব পাৰি। তেখেতৰ 'বুঢ়ী আইৰ সাধু'ৰ পাতনিত তেখেতে উল্লেখ কৰা মতে, সাধুকথা মানে সজ কথা বা সন্ত-সাধুৰ বাক্য। আন কিছুমান লোক-সাহিত্যৰ গৱেষকৰ মতে সাধু শব্দক যিহেতু সাউদ বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল সেয়ে সাধুকথাক সাউদৰ মুখে মুখে শুনা কাহিনী বুলিলেহে অধিক যুক্তিপূৰ্ণ হ'ব। এই দুয়োটা মতবাদেই গ্ৰহণযোগ্য এই কাৰণেই যে বেজবৰুৱাদেৱে কোৱাৰ দৰে সকলোবোৰ সাধুকথাই কোনো সজ কথা বা উপদেশ দিয়াৰ প্ৰয়াস কৰে আৰু একে সময়তে এই সাধুবোৰ সাউদসকলৰ জৰিয়তে কোনো এঠাইৰপৰা আন ঠাইলৈ প্ৰসাৰিত হয়।

অৰ্থাৎ আমি বুজিব পাৰোঁ যে সাধুকথা মানে সাউদৰ মুখে মুখে প্ৰচাৰিত উপদেশমূলক কাহিনী যাৰ ৰচক বা ৰচনাকাল নিৰ্ণয় কৰা সম্ভৱ নহয়।

## সাধুকথাৰ বৈশিষ্ট্য

সাধুকথা যিহেতু মুখে মুখে বাগৰি ফুৰে সেয়ে পৰিৱেশ, পৰিস্থিতি আৰু সমাজ সলনি হোৱাৰ লগে লগে ইয়াৰ ৰূপান্তৰ ঘটে। ইফালে কওঁতা সলনি হ'লেও সাধুকথাৰ বিষয়বস্তু সলনি নহয়। সেয়ে পৃথিৱীৰ বিভিন্ন প্ৰান্তত প্ৰায় একেধৰণৰ সাধুকথাৰ প্ৰচলন দেখা যায়।

সাধুকথাৰ আন এক বৈশিষ্ট্য হৈছে যে সাধুকথাত জনজীৱনৰ আচাৰ-নীতি প্ৰতিফলিত হয়। প্ৰায় সকলোবোৰ লোকসাহিত্যই জনজীৱন, আচাৰ-ব্যৱহাৰ প্ৰতিফলিত কৰে যদিও সাধুকথাত ইয়াৰ প্ৰকাশ বহুল আৰু বিস্তৃত। সেয়ে ইয়াক এটা জাতিৰ সাংস্কৃতিক ইতিহাস চৰ্চাৰ এক অবিচ্ছেদ্য অংগ বুলি কোৱা অযুগুত নহয়।

সাধুকথাৰ ভাষা সৰল আৰু সাধাৰণ ৰাইজে ব্যৱহাৰ কৰা ভাষা। গতিকে ভাষাৰ ক্ৰমবিকাশৰ অধ্যয়নৰ বাবেও সাধুকথাৰ অধ্যয়ন অপৰিহাৰ্য।

## সাধুকথাৰ শ্ৰেণীবিভাগ

লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথাক দুটা বহল ভাগত বিভক্ত কৰিছে। তেখেতে পঞ্চতন্ত্ৰ, হিতোপদেশ আদিৰ সাধুবোৰক নীতি-শিক্ষামূলক সাধু আৰু আনবোৰ সাধুক কল্পনামূলক সাধুৰ অন্তৰ্ভুক্ত কৰিছে।

বিশিষ্ট লোকতত্ত্ববিদ ডীন থমছনে আকৌ সাধুকথাক আন ধৰণেৰে দুটা ভাগত বিভক্ত কৰিছে। পৌৰাণিক বা পৰম্পৰাগত সাধু আৰু কাল্পনিক সাধু।

আনহাতে বিষয়বস্তুৰ ভিত্তিত সাধুকথাক সাধাৰণভাৱে জন্তুপ্ৰধান, অনৈসৰ্গিকতাপ্ৰধান, কৌতুকপূৰ্ণ, দুষ্টালি বা টেঙৰালিপ্ৰধান, সমষ্টিপ্ৰধান আদিবোৰ ভাগত ভাগ কৰিব পাৰি।

## সাধুকথাৰ জৰিয়তে নৈতিকতাৰ শিক্ষা

সাধুকথাৰ বিষয়বস্তু বা শ্ৰেণী যিয়েই নহওক কিয় প্ৰতিটো সাধুকথাই শ্ৰোতাক এক নৈতিক শিক্ষা দি থৈ যোৱাৰ লগতে শিশুৰ কল্পনাশক্তিৰ বিকাশ ঘটোৱাত প্ৰচুৰ সহায় কৰে। অতীজৰেপৰা চলি অহা এই সাধুবোৰত সমাজ জীৱনৰ প্ৰয়োজনীয় প্ৰায় সকলোবোৰ দিশ ইমান সহজ-সৰলভাৱে চিত্ৰিত কৰা হয় যে ই শিশু মনত স্থায়ী প্ৰভাৱ বিস্তাৰ কৰি সিহঁতৰ চৰিত্ৰক আকাংক্ষিত দিশত গঢ় দিয়াত সহায় কৰে। প্ৰতিটো সাধুৰ শেষত সাধুকথাৰ উদ্দেশ্যটো স্পষ্টকৈ প্ৰকাশ পায় আৰু সাধু কওঁতাজনে তাক শ্ৰোতাসকলৰ আগত দাঙি ধৰাটো নিতান্তই প্ৰয়োজনীয়।

বৰ্তমান আমাৰ সমাজত আটাইতকৈ চিন্তনীয় সমস্যা হিচাপে গা কৰি উঠা অৰণ্য আৰু জীৱ-জন্তু ধ্বংসৰ প্ৰৱণতা ৰোধ কৰাৰ বাবে শিশুসকলক সাধুকথাৰ জৰিয়তে প্ৰস্তুত কৰি তুলিব পাৰি। সাধুকথাবোৰত জীৱ-জন্তু, গছ-লতা সকলোৰে কথা ক'ব পাৰে। অৰ্থাৎ এই সকলোবোৰৰে মানুহৰ নিচিনাকৈ আবেগ-অনুভূতি থকা কথাটো শিশু মনত স্থায়ীভাৱে প্ৰোথিত কৰিব পৰাৰ থল আছে। সেয়ে সাধুকথাৰপৰা শিশুসকলে প্ৰকৃতি প্ৰেমৰ শিক্ষা লাভ কৰাৰ পূৰ্ণ সম্ভাৱনাক সকলো লোকতত্ত্ববিদে একেমুখে স্বীকাৰ কৰে। উদাহৰণ স্বৰূপে, আমাৰ ভাষাৰ 'বুঢ়া-বুঢ়ী আৰু ভেকুলীৰ' সাধুটোত মাহকৰাইৰ জৰিয়তে বহুতো জীৱ-জন্তু একত্ৰিত হৈ ৰজাৰ স্বেচ্ছাচাৰিতাৰ বিপক্ষে যুঁজি বুঢ়াক সহায় কৰাৰ কাহিনী সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে। এই একেধৰণৰ বিষয়বস্তুক লৈ পৃথিৱীৰ আন আন ভাষাতো কেইবাটাও সাধুকথা থকাটো উল্লেখনীয়।

এই একেটা সাধুৰপৰাই পাব পৰা আন এক উল্লেখযোগ্য শিক্ষা হ'ল একতাৰ শিক্ষা। কেনেদৰে সকলো জীৱ-জন্তু আৰু বুঢ়া-বুঢ়ীৰ ঐক্যবদ্ধ প্ৰচেষ্টাত তেওঁলোক সফল হৈছিল, এই কথা সাধুটো শুনা প্ৰতিজন ব্যক্তিয়ে বুজিব পাৰে।

অসমীয়াৰ শিশুৰ বাবে আন কেইটামান পৰিচিত সাধু হৈছে 'তেজীমলাৰ সাধু', 'চিলনীৰ জীয়েকৰ সাধু', 'চম্পাৱতীৰ সাধু', 'ঔ কুঁৱৰীৰ সাধু', 'তুলা আৰু তেজাৰ সাধু' আদি। বিষয়বস্তুৰ দিশৰপৰা আটাইকেইটা সাধুৱেই অনৈসৰ্গিকতাবাদী সাধু। কিন্তু এই সাধুকেইটাই পৰশ্ৰীকাতৰতা, প্ৰতিহিংসা, অন্যায়ৰ বিপৰীতে মানৱীয় গুণসমূহৰ বিজয়ৰ চিত্ৰ অংকন কৰাত সফল হৈছে। সাধুকেইটাত বেয়া কামৰ ফল বেয়া আৰু ভাল কামৰ ফল ভাল বুলি শিশুসকলক ভাল কামৰ প্ৰতি আগ্ৰহী কৰি তুলিব বিচৰা হৈছে আৰু এই উদ্দেশ্যত সাধুকেইটাই নিঃসন্দেহে সফলতা দাবী কৰিব পাৰে।

আন কেইটামান জনপ্ৰিয় সাধু হৈছে 'ঢোঁৰা কাউৰী আৰু টিপচী চৰাই', 'বান্দৰ আৰু ঘঁৰিয়াল', 'নীলা শিয়াল' ইত্যাদি। এই শ্ৰেণীৰ সাধুকথা বিশেষকৈ ৰূপকাত্মক। জীৱ-জন্তু আৰু চৰাই-চিৰিকটিৰ মাজেৰে সাধুকথাকেইটাত দিব বিচৰা বাৰ্তাটো হৈছে যে যিমানেই টেঙৰালি নকৰক কিয় অভিপ্ৰায় যদি সৎ নহয় তেন্তে পৰাজয় নিশ্চিত। চিন্তা আৰু উদ্দেশ্যৰ সততাই দুৰ্বলীকো বিজয়ী কৰিব পাৰে। আনহাতে যদি শক্তিশালীজনৰ চিন্তা অসৎ হয় তেন্তে তেওঁ তুলনামূলকভাৱে শক্তিহীন এজনৰ ওচৰতো পৰাজিত হ'ব পাৰে।

'শহা আৰু কাছ'ৰ সাধুটো অসমীয়া সাধুসমূহৰ মাজত অন্যতম জনপ্ৰিয় সাধু। আত্মবিশ্বাস আৰু অহংকাৰৰ মাজত থকা পাৰ্থক্য নাজানিলে মানুহ অহংকাৰী হৈ উঠে। এই অহংকাৰ যেতিয়া একাণপতীয়া চেষ্টাৰ মুখামুখি হয় তেতিয়াই তাৰ পতন ঘটে।

‘খৰিকটীয়াৰ কুঠাৰ’ সাধুটোত লোভৰ পৰিণাম যে ভয়াবহ আৰু নিজৰ বাবে ক্ষতিকাৰক তাক স্পষ্টভাৱে দৰ্শোৱা হৈছে।

‘তীখৰ আৰু চুটিবাই’ সাধুৰ জৰিয়তে বুদ্ধিমানজনৰ জয় দেখুওৱাৰ লগতে ‘বাঘ’ৰ চৰিত্ৰৰ মাজেৰে সুবিধাবাদী চৰিত্ৰৰ ব্যক্তিসকলৰ ধ্বংসৰ আভাস দিয়া হৈছে।

আনহাতে ‘ব্ৰাহ্মণ আৰু ছাগলী’ৰ সাধুৰ মাজেৰে কোনো এটা কথা বাৰম্বাৰ দোহাৰিলে কেনেকৈ ইয়াক সত্য যেন বোধ হয় আৰু আত্মবিশ্বাস নথকা মানুহক ই কেনেদৰে অন্যায় কৰিব পাৰে তাৰ আভাস দিয়া হৈছে।

‘কেঁকোৰা আৰু বগলী’ৰ সাধুত আমি ধেমালিৰ চলেৰে শিকিব পাৰোঁ কেনেকৈ সন্ধিৰ বাহ বুদ্ধিৰে কাটিব পাৰি।

‘ভালুক আৰু দুই বন্ধু’ৰ সাধুৱে আমাক শিকায় বন্ধুত্বৰ পাঠ। বিপদৰ বন্ধুহে আচল বন্ধু বুলি শিকা এটা শিশুৱে নিশ্চয় নিজৰ বন্ধুক প্ৰতাৰণা কৰাৰ আগতে এবাৰলৈ হ’লেও মনত পেলাব এই সাধুটো।

‘সৰবজান’ৰ সাধুটোৱে প্ৰত্যুৎপন্নমতিতাৰ জয়গান গায়। অৱশ্যে সাধুটোৰ মাজে মাজে ‘সৰবজান’ৰ ভয়ৰ প্ৰকাশে শ্ৰোতাসকলক সুন্দৰকৈ বুজাই দিয়ে যে এনে ধৰণৰ কামৰপৰা যিকোনো সময়ত বিপদত পৰিব পাৰি। সকলো সময়ত সকলো মানুহকে ভাগ্যই সহায় নকৰিবও পাৰে।

এইসমূহ সাধুকথাৰ উপৰি ‘গোপালভাৰৰ সাধু’সমূহ, ‘বত্ৰিশ পুতলাৰ সাধু’সমূহ, ‘পঞ্চতন্ত্ৰৰ সাধু’বোৰ বা ‘হিতোপদেশৰ সাধু’বোৰৰ প্ৰতিটোতে মানৱ জীৱনৰ প্ৰতিটো স্তৰতে প্ৰয়োজন হোৱা ব্যাৱহাৰিক আৰু নৈতিক শিক্ষাৰ অমূল্য ভাণ্ডাৰ সঞ্চিত হৈ আছে। এই সাধুসমূহৰ কথন বা পঠনে অকল শিশুকেই নহয়, পূৰ্ণবয়স্ক মানুহ এজনকো মনোৰঞ্জনৰ মাজেৰে জীৱনৰ পথ নিৰ্দেশনা দিব পাৰে।

## সাধুকথা আৰু আজিৰ প্ৰজন্ম

কেইটামান দশক আগলৈকে সমাজত যৌথ পৰিয়ালৰ সংখ্যা সৰহ আছিল, ঘৰবোৰত একোখন চোতাল আছিল। চোতালত বহি মুকলি আকাশৰ তলত ককা-আইতা, জেঠাই-পেহীহঁতৰপৰা এজাকমান সৰু ল’ৰা-ছোৱালীয়ে সাধু শুনিছিল। সিহঁতৰ মনত সাধুৰ চৰিত্ৰবোৰ জী উঠিছিল। কল্পনাপ্ৰৱণ শিশুমনে কল্পনা কৰাৰ বাবে আগ্ৰহী হৈ উঠিছিল আৰু সমান্তৰালভাৱে ধেমালিৰ চলেৰে আয়ত্ত কৰিছিল সমাজ জীৱনত প্ৰয়োজন হোৱা বহুমূলীয়া নীতিপাঠ।

কিন্তু আজিৰ চহৰীয়া কংক্ৰিটৰ অৰণ্যত একক পৰিয়ালবোৰত ককা-আইতা আৰু চোতাল নোহোৱাৰ লগতে হেৰাই যোৱাৰ উপক্ৰম হৈছে, আমাৰ লোকসাহিত্যৰ মূল্যবান মুকুতা সদৃশ সাধুবোৰ। সাধুবোৰ আছিল মনোৰঞ্জনৰ মাজেৰে নীতিকথা শিকাৰ সুচল বাহক। হয়তোবা বৰ্তমান সমাজত দেখা দিয়া মানৱীয় প্ৰমূল্যহীনতাৰ বাবে এই সাধুবোৰ কোৱা আৰু শুনাৰ ব্যৱস্থা নাইকিয়া হোৱাটোও এটা কাৰণ।

## উভতি আহিব ধৰিছে সোণালী সুদিন

সুখৰ বিষয় যে অতি সম্প্ৰতি সাধুকোৱা বা ‘Story Telling’ সংস্কৃতি এটা ন-কৈ আৰম্ভ হোৱা দেখা গৈছে। বহু গুণী-জ্ঞানী শিশু বিজ্ঞানীয়ে এই সিদ্ধান্তত উপনীত হৈছে যে শিশু মনৰ সামগ্ৰিক বিকাশৰ বাবে সাধুকথাতকৈ ফলপ্ৰসূ আন একো হ’ব নোৱাৰে। কিছুসংখ্যক পুৰুষ-মহিলাই স্বেচ্ছাই সাধু-কথন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তেওঁলোকে পৃথিৱীৰ ভিন ভিন প্ৰান্তলৈ গৈ কিছুসংখ্যক শিশুক একত্ৰিত কৰি সাধু কোৱাৰ পৰম্পৰা গঢ়ি তুলিছে।

কিছুমান আগশাৰীৰ বিদ্যালয়তো প্ৰাথমিক পৰ্যায়ত সাধু কোৱাৰ পৰম্পৰা আৰম্ভ হৈছে। কাৰণ প্ৰকৃত সোৱাদ পঠনত নহয়, কথনতহে পোৱা যায়। ❖

*(সহায়িকা গ্ৰন্থ : শশী শৰ্মাৰ অসমৰ লোক সাহিত্য)*

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত প্ৰবন্ধ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ।)*

# আজি যদি কৃপাবৰ বৰবৰুৱা থাকিলহেঁতেন

◆ অয়নাশ্ৰী গোস্বামী
দশম শ্ৰেণী

"এইখনেই মোৰ শেষ উইল আৰু ইচ্ছাপত্ৰ। ইয়াৰ দ্বাৰাই মই আগেয়ে কৰা এটাইবোৰ উইল ৰদ কৰিলোঁ।" "এই উইলৰ দ্বাৰাই মই তলত লেখা মোৰ স্থাবৰ, অস্থাবৰ সম্পত্তি কেইপদ মোৰ দেশী ভাই অসমীয়া মানুহক give devise and bequeath কৰিলোঁ অৰ্থাৎ দান কৰিলোঁ।"

অসম, অসমীয়া জাতি আৰু অসমৰ প্ৰতিটো সম্পদৰ প্ৰতি কৃপাবৰ বৰবৰুৱাৰ থকা অপৰিসীম প্ৰেমৰ কথাৰ প্ৰমাণ এই উইলখনেই দিয়ে। মৃত্যুৰ আগতে এখন উইলৰ দ্বাৰাই বৰবৰুৱাই অন্যান্য বস্তুৰ ভিতৰত "তলত লেখা স্থাবৰ, অস্থাবৰ সম্পত্তি কেইপদ" তেওঁ দেশবাসী অসমীয়া মানুহক দান দি গৈছিল— "পৰশুৰাম কুণ্ডৰপৰা ধুবুৰীলৈকে মাছ, মগৰ, পহু, চৰাই, বালি-চাপৰি, কঁহুৱা, খাগৰিৰে আৰু পানীৰ যুঁৰলীত থকা নানা গড়ীয়া, নানা বৰণীয়া শিলগুটিবোৰেৰে সৈতে ব্ৰহ্মপুত্ৰ নৈখন। ভুৱনেশ্বৰী মন্দিৰেৰে সৈতে কামাখ্যা পৰ্বতটো। উমানন্দ, হাজো আৰু অশ্বক্লান্তৰ পৰ্বত কেইটা। গুৱালপাৰাৰ পৰ্বতৰে পৰা আৰম্ভ কৰি গুল্ম, লতা, ফল, ফুল গছৰে সৈতে শিঙৰি পৰ্বত, শিলঘাটৰ বিশ্বনাথ আৰু তেজপুৰৰ পৰ্বতবিলাক... ইত্যাদি।"

গোটেই উইলখন ইয়াত সম্পূৰ্ণকৈ উদ্ধৃত কৰাটো জটিল কথা। সঁচা অৰ্থত ক'বলৈ গ'লে এনেকুৱা এখন দ্বিতীয় উইল পৃথিৱীৰ কোনো মানুহে কেতিয়াও কৰি থৈ যোৱা নাই। স্বদেশৰ সম্পদ, ভাষা-সংস্কৃতিত নিজকে বিচাৰি পোৱা কৃপাবৰ বৰবৰুৱাৰ সমগ্ৰ জীৱনৰ চিন্তা, কাৰ্যাৱলী, খং, অভিমান, দাৰ্শনিক, চিন্তাধাৰা আদি সকলোবোৰৰে গোপন ৰহস্য এই উইলখনতে ধৰা পৰিছে। কৃপাবৰৰ উইলতো আমি স্বদেশ-প্ৰেমৰ সেই হৃদয় মথিত কৰা কাব্যিক প্ৰকাশ দেখা পাওঁ।

আজি যদি কৃপাবৰ বৰবৰুৱা থাকিলহেঁতেন তেন্তে তেওঁ হয়তো পুৰণি অসমক পাহৰিব নোৱাৰিলেহেঁতেন, আনহাতে নতুন অসমৰ নতুন কথাবোৰ গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰিলহেঁতেন। পুৰণি অসমৰ মানুহৰ সৰলতা আৰু বৰ্তমানৰ অসমৰ মানুহৰ আধুনিকতাৰ মাজত হয়তো তেওঁ নিজকে উপায়হীন অনুভৱ কৰিলেহেঁতেন। দুখৰ বিষয় যে তেওঁ দি যোৱা বহুতো বস্তু আজি আমাৰ অধিকাৰত নাই। তাঁতৰপৰা ওলোৱা ন-খনীয়া কাপোৰ, চেলেং কাপোৰ আৰু গামোচাৰে সৈতে হেঁচা পিঠা ইত্যাদিৰ লগতে ৰঙালী চ'তৰ বিহুটো, পাভ মাছৰ টেঙা দিয়া লফা শাকৰ আঞ্জা, ভাওনাৰ চালি নাচ, ঝুমুৰ নাচ, বৰধেমালি ইত্যাদি কালৰ বিধানত চিৰকাললৈ হেৰুৱাইছোঁ। বৰবৰুৱাই আমাক উইল কৰি দিয়া "বগী খাছিয়ানীবিলাকেৰে জক্‌মক্ কৰে ফুলি থকা ছিলং পৰ্বতটো"ও আমাৰ হাতৰপৰা যোৱাৰ উপক্ৰম হৈছে। মুঠতে প্ৰাণতকৈ আপোন এইবোৰক হেৰুৱাই তেওঁ দুখ পালেহেঁতেন লগতে এইবোৰ পুনৰুদ্ধাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিলেহেঁতেন।

স্বদেশৰ নদ-নদী, পৰ্বত-পাহাৰৰপৰা আৰম্ভ কৰি প্ৰতিডাল তৃণ-তৰুলৈকে সকলো বস্তুকে ভাল পোৱা কৃপাবৰে বৰ্তমান স্বদেশক দিনে দিনে বিক্ৰী হোৱা দেখি নিশ্চয়কৈ ভাগি পৰিলহেঁতেন। অসমীয়া জাতিৰ হৃদস্পন্দন ইয়াৰ ভাষা-সংস্কৃতিক ইমান ভালপোৱা এইগৰাকী ব্যক্তিয়ে হয়তো অসমীয়া ভাষাৰ বিৰূপ সাল-সলনিয়ে ক্ষয় নিয়াবলৈ ধৰা এই ভাষাটোৰ আগৰ

অস্তিত্ব ঘূৰাই আনিবলৈ আপ্ৰাণ চেষ্টা চলালেহেঁতেন। নিজৰ শেষৰখন উইলত উল্লেখ কৰি দি যোৱা ৰঙালী বিহু বজৰুৱা হোৱা দৃশ্যই তেওঁক খঙাল কৰি তুলিলেহেঁতেন। অসমীয়া ভাষা-সংস্কৃতিৰ পূজাৰী এইগৰাকীয়ে কিন্তু নিশ্চয়কৈ এইবোৰৰ বিৰুদ্ধে মাত মাতিলে হয়। তেওঁ নিশ্চয়কৈ নানা ৰসাল সমালোচনা, প্ৰবন্ধ-পাতিৰে অসমীয়া জাতিৰ এনেবোৰ কলংকক মচিবলৈ চেষ্টা কৰিলে হয়। তেওঁৰ অতি প্ৰিয় অসমীয়া খাদ্য-সম্ভাৰত অহা বহিৰাগত ব্যঞ্জনৰ প্ৰভাৱে তেওঁক আগৰ অসমৰ খাদ্যৰ সেই আপোন সোৱাদৰ কথা মনত পেলালেহেঁতেন।

২০১৯ চনৰ জানুৱাৰি মাহ। সকলোতে নতুন বছৰৰ উৎসাহ-উদ্দীপনা। তেনেতে এটি বাতৰি টিভি, বাতৰিকাকত আদি নানা প্ৰচাৰ মাধ্যমত বিয়পি পৰিছিল। এইটো কেৱল এটা বাতৰিয়ে নাছিল এইটো আছিল অসমীয়া জাতিৰ সবাতোকৈ ডাঙৰ বিপদ আৰু এয়ে হ'ল 'নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৯'। অসমীয়া জাতিক এনেদৰে আনৰ আগত বিক্ৰী হোৱা দেখি নিশ্চয়কৈ কৃপাবৰ মনে মনে নাথাকি এই বৃহৎ সংগ্ৰামত তেওঁ অসমীয়া লোকসকলৰ লগত সহযোগ কৰিলেহেঁতেন। অসমৰ জনজীৱনত আঘাত কৰা অসমৰ ৰাজনৈতিক দলৰ নানা পদক্ষেপৰ বিৰুদ্ধে কৃপাবৰে অসমীয়াৰ হৈ মাত মাতিলেহেঁতেন।

লুইতৰ সোঁতত বৈ যোৱা কৃপাবৰৰ প্ৰাণে জীৱন-মৰণে লুইতকে ভাল পাইছিল। তেনে ক্ষেত্ৰত লুইতৰ বুকুত বৰ্তমান সময়ত হৈ থকা নানা প্ৰকল্পই ইয়াৰ শোভা যেন হ্ৰাস কৰি নেপেলায় তাৰ বাবে চিন্তা কৰিলেহেঁতেন। লুইতৰ সৌন্দৰ্য যেন সদায় পুৰণি হৈ যোৱাৰ লগে লগে বৃদ্ধি পাই থাকে তাৰ বাবে তেওঁ নিশ্চয়কৈ চেষ্টা কৰিলেহেঁতেন।

অসমীয়া সাহিত্যত হাস্য-ৰসৰ সমাৱেশ ঘটোৱা কৃপাবৰে অসমীয়া সাহিত্যত প্ৰতিদিনে হৈ থকা পৰিৱৰ্তনবোৰ গ্ৰহণ কৰিব পাৰিলেহেঁতেন নে? নে তেওঁৰ মনত এনেবোৰ কথাই অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিলেহেঁতেন? সমাজৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ ক্ষেত্ৰখনতো যে পৰিৱৰ্তন স্বাভাৱিক সেই কথা তেওঁ বুজিলেহেঁতেন যদিও পৰিৱৰ্তনে যদি শেষ স্তৰ পাৰ কৰি যায় ই নিশ্চয়কৈ তেওঁক চিন্তাত পেলালেহেঁতেন। অসমীয়া সাহিত্যৰ পৰিৱৰ্তনৰ লগে লগে তেওঁ আধুনিক অসমীয়া সাহিত্য ৰচনা কৰিবলৈ বাধ্য হ'লহেঁতেন। অথচ পুৰণি অসমীয়া সাহিত্যৰ গুৰিও তেওঁ খামুচি ধৰি থাকিলেহেঁতেন। জনতাৰ আহ্বানত তেওঁ আতুৰ হৈ পৰিলহেঁতেন।

ইমানবোৰ পৰিৱৰ্তনে যদিও কৃপাবৰ বৰবৰুৱাক দুখী কৰিলেহেঁতেন এটা কথাই হয়তো তেওঁক চিৰজীৱন সুখী কৰিলেহেঁতেন আৰু সেয়া হৈছে অসমীয়া লোকসকলৰ একতা। ইমানবোৰ জাতি-জনগোষ্ঠী থকা সত্বেও অসমীয়া জাতি এক হৈয়ে আছে। জীৱনৰ শেষ সময়তে অসমীয়া জাতিক এক কৰিব বিচৰা কৃপাবৰে তেওঁৰ এই প্ৰচেষ্টাৰ সফল পৰিণতিত মনত সন্তুষ্টি লাভ কৰিলেহেঁতেন।

অসমীয়া জাতিৰ এই সকলোবোৰ কথাত তেওঁৰ প্ৰতিক্ৰিয়া কি হ'লহেঁতেন, সেয়া সঁচাকৈ ভবাটো টান কথা যদিও তেওঁৰ গোটেই জীৱনৰ লিখনি, কৰ্ম, চিন্তা, ধাৰণা আদিক লৈয়ে এইবোৰ কথা আলোচনা কৰিব পাৰি। মুঠতে আজি যদি কৃপাবৰ বৰবৰুৱা থাকিলহেঁতেন অসমীয়া জাতি বৰ্তমানতকৈ অধিক শক্তিশালী হ'লহেঁতেন। কিন্তু যিয়ে নহওক কিয়, অসমীয়া জাতি, ইয়াৰ মানুহ আৰু ইয়াৰ সম্পদৰ মাজত সদায় কৃপাবৰ বৰবৰুৱা জীয়াই থাকিব। ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে ৰাজ্যিক ভিত্তিত দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত প্ৰবন্ধ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ।)*

# অৰূপা পটঙ্গীয়া কলিতাৰ 'কাঁইটত কেতেকী' —এটি আলোচনা

◆ বসুধা সঞ্জয়
ষষ্ঠ শ্ৰেণী

'কাঁইটত কেতেকী' হৈছে অৰূপা পটঙ্গীয়া কলিতাৰ এখন সুন্দৰ শিশু উপন্যাস। এই সুন্দৰ শিশু উপন্যাসখনত লেখিকাই হিংসাৰে জৰ্জৰিত সমাজখনত শিশুসকল কেনেকৈ সৃষ্টিৰ সলনি ধ্বংসৰ পথত আগুৱাই গৈছে তাক সুন্দৰভাৱে বিশ্লেষণ কৰিছে।

এই উপন্যাসখন 'জানমণি' নামৰ এটি সৰু ল'ৰাৰ ওপৰত আধাৰিত এটি সুন্দৰ কাহিনী। আমাৰ এই বিচিত্ৰ পৃথিৱীখনত বিভিন্ন চৰিত্ৰ দেখিবলৈ পোৱা যায়। এই ভাল-বেয়া চৰিত্ৰবোৰৰ সংগত পৰিয়েই কিছুমান শিশু ভাল আৰু কিছুমান ভুল পথে পৰিচালিত হৈছে। আমাৰ এই সমাজখনে শিশুসকলৰ মাজৰপৰা কাঢ়ি নিছে সুন্দৰ পৃথিৱীখন। প্ৰতিজন পিতৃ-মাতৃয়ে মৰম, বিশ্বাস আৰু ভালপোৱাৰে শিশুসকল আগুৱাই যোৱাটো বিচাৰে। এই ক্ষেত্ৰত সমাজখনেই অকল দোষী নহয়। পিতৃ-মাতৃৰ সুপৰিচালনাইহে শিশুসকলক সুন্দৰভাৱে পৰিচালনা কৰিব পাৰে।

এই উপন্যাসখনত 'জানমণি' নামৰ চৰিত্ৰটোক কেন্দ্ৰ কৰি সম্পূৰ্ণ কাহিনীটো আগুৱাই গৈছে। পিতৃ-মাতৃ আৰু বায়েক 'মাজনী'ৰে জানমণিহঁতৰ এটি সুন্দৰ পৰিয়াল। কৃষ্ণচূড়া গছৰ সৈতে জানমণিহঁতৰ ঘৰটো এটি সুন্দৰ পৰিৱেশত অৱস্থিত। 'জানমণি'ৰ মাতৃ মহাবিদ্যালয়ৰ অধ্যাপিকা আৰু পিতৃ এটা বেংকৰ গুৰুত্বপূৰ্ণ পদবীত চাকৰি কৰে। কিন্তু তেওঁলোকে 'জানমণি' আৰু 'মাজনী'ক যিমান গুৰুত্ব দিব লাগিছিল ব্যস্ততাৰে ভৰা জীৱনত তেওঁলোকে সেইখিনি গুৰুত্ব দিব পৰা নাছিল। ফলত 'জানমণি' ভুল পথে পৰিচালিত হৈছিল।

এই উপন্যাসখনত এটি সুন্দৰ চৰিত্ৰ আছিল 'বুঢ়াকাই'। তেখেতৰ চৰিত্ৰৰ মাজেৰে শিশুৰ প্ৰতি থকা মৰম, ভালপোৱা, ধৈৰ্য, সহানুভূতি আদি প্ৰকাশ পাইছিল। কেও কিছু নোহোৱা বুঢ়াকাইক জানমণিৰ দেউতাকে নিজৰ ঘৰত আশ্ৰয় দিছিল। বুঢ়াকাইয়ে নিজৰ নাতি-নাতিনীৰ দৰে জানমণি আৰু মাজনীক মৰম কৰিছিল।

খাই ভালপোৱা জানমণিৰ পঢ়া-শুনালৈ অকণো মন-কাণ নাছিল আৰু বিদ্যালয়ত শিক্ষকৰপৰা প্ৰায়ে শাস্তি ভুগিবলগীয়া হৈছিল। সদায়ে দুষ্টামি কৰি থকা জানমণিৰ বাবে তাৰ পিতৃ-মাতৃ বহুতো কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছিল। আমাৰ এই সমাজতো জানমণিৰ দৰে বহুতো চৰিত্ৰ দেখিবলৈ পোৱা যায়। কিন্তু এই ক্ষেত্ৰত মাক-দেউতাকৰ সুন্দৰ পৰিচালনাই ল'ৰা-ছোৱালীক এক সুন্দৰ জীৱন প্ৰদান কৰে। ব্যস্ততাৰে ভৰা জীৱনত মাক-দেউতাকে জানমণিক সুন্দৰভাৱে গঢ় দিব পৰা নাছিল। জানমণিয়ে পঢ়া-শুনাত মন নিদি মাৰ-পিটৰ চিনেমা, ছবি আদি অঁকাৰ উপৰিও 'বন্দুক' আদিলৈ আকৰ্ষিত হৈছিল। কিন্তু তাৰ জন্তুপ্ৰীতি আছিল অসীম। 'ভুলু' নামৰ কুকুৰ পোৱালিটোৰ সৈতে নিতৌ ৰং-ধেমালি কৰাৰ লগতে দিনটোৰ বেছিভাগ সময় তাৰ লগতেই কটাইছিল। এই জন্তুপ্ৰীতিৰ মাজেৰেই জানমণিৰ জীৱন সলনি হৈছিল। জানমণিৰ জীৱনৰ পথ সলনি কৰাত তাৰ খুৰাকৰ ভূমিকাও অন্যতম। 'ভুলু' নামৰ কুকুৰ পোৱালিটোৱেও জানমণিৰ জীৱন সলনি

হোৰাত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। কাৰণ মাৰ-পিটৰ ছবি, চিনেমা আদি চোৱাত ব্যস্ত থকাৰ সময়খিনিত জানমণিৰ মনটো বেলেগ এখন ধ্বংসকাৰী সমাজলৈ পৰিৱৰ্তিত হৈছিল। কিন্তু যেতিয়া জানমণিৰ মনত জন্তু প্ৰীতিৰ ভাব ওপজে তেতিয়া জানমণিৰ মন শান্ত হ'বলৈ ধৰাৰ লগতে পঢ়া-শুনালৈ আগ্ৰহ বাঢ়িবলৈ ধৰে। তেতিয়াই জানমণিৰ মনৰপৰা মাৰ-পিট, দুষ্টালি আদিৰ ভাব আঁতৰি যায়।

বৰ্তমান আমাৰ সমাজখনত এনেকুৱা বিভিন্ন চৰিত্ৰ দেখা যায়, যাৰ দ্বাৰা সমাজখন পৰিৱৰ্তিত হয়। এটা সুস্থ-সবল পৰিয়াল তথা এখন সমাজ গঢ়াত পিতৃ-মাতৃৰ ভূমিকা অপৰিসীম। ব্যস্ততাৰে ভৰা জীৱনত ল'ৰা-ছোৱালীক গঢ় দিবলৈ পিতৃ-মাতৃৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। সন্তানৰ জীৱনত বিভিন্ন চৰিত্ৰই বাৰুকৈয়ে প্ৰভাৱ পেলায়। যেনেকৈ জানমণিৰ জীৱনত বুঢ়াকাই, ভুলু আৰু তাৰ খুৰাকৰ প্ৰভাৱ উল্লেখনীয়।

এই উপন্যাসখনৰ মাজেৰেই লেখিকাই জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ মাজেৰেই যে সুন্দৰ পৃথিৱীখন চাব পাৰি তাক 'কাঁইটত কেতেকী' নামৰ উপন্যাসখনৰ জৰিয়তে প্ৰকাশ কৰিছে। বিচিত্ৰ পৃথিৱীত সৌন্দৰ্য আৰু সৃষ্টি এক কঠিন কাম। এই উপন্যাসখনৰ জৰিয়তে সমাজৰ এক বাস্তৱ ছবি ফুটি উঠিছে। মৰম, ভালপোৱা, বিশ্বাসৰ মাজেৰে যে সুন্দৰতা চাব পাৰি তাৰেই নিদৰ্শন 'কাঁইটত কেতেকী'। ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত গ্ৰন্থ আলোচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত লিখনি।)*

# হোমেন বৰগোহাঞিৰ 'সাউদৰ পুতেকে নাও মেলি যায়' —এটি আলোচনা
## (সংক্ষিপ্ত ৰূপ)

◆ **জোনাকনন্দা শৰ্মা**
সপ্তম শ্ৰেণী

'সাউদৰ পুতেকে নাও মেলি যায়' এখন সুখপাঠ্য কিতাপ। যিকোনো পাঠকে এইখন কিতাপ এবাৰ পঢ়িবলৈ আৰম্ভ কৰিলে শেষ নোহোৱালৈকে এৰিব নোৱাৰে। দহ বছৰীয়া এটি কিশোৰ কাহিনীৰ নায়ক। লেখকে চৰিত্ৰটি এনে জীৱন্তভাৱে ফুটাই তুলিছে, যেন নায়ক আন কোনো নহয় স্বয়ং লেখকেই। তেওঁ যেন নিজৰ সৰুকালৰ কথাবিলাকেই ক'তো অকণমানো খোকোজা নলগাকৈ বৰ্ণনা কৰিছে। কিতাপৰ ভাষাও সহজ-সৰল সকলোৱে বুজিব পৰা বিধৰ। তথাপি বহু ক্ষেত্ৰত কোনো কোনো বাক্য, শব্দ বা প্ৰকাশ কৰিব খোজা ভাব সাধাৰণ পাঠকৰ বাবে বিশেষকৈ দহ-বাৰ বছৰীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে সহজ বুলিব নোৱাৰি।

সহজ-সৰল গাঁৱলীয়া জীৱনৰ সৰু-বৰ বিচিত্ৰ কথা, কাম-কাজ, ৰীতি-নীতি, বিশ্বাস-অন্ধবিশ্বাস আদি বহু বিষয় সামৰি প্ৰাঞ্জল ভাষাত কৰা বৰ্ণনাবোৰ পাঠকক বাৰুকৈয়ে আকৃষ্ট কৰিব পৰা বিধৰ। প্ৰকৃতিৰ বিভিন্ন

উপাদান যেনে—নদী, গছ-গছনি, জীৱ-জন্তু, আকাশ, তৰা, জোন-বেলি, ৰ'দ-বৰষুণ, বতাহ-ধুমুহা আদিৰ লগত থকা মানুহৰ সম্পৰ্ক, অন্তৰংগতা, ভাল পোৱা, বেয়া পোৱা আদিৰ বিষয়ে লেখকে সাৱলীল ভাষাত ৰস লগাকৈ বৰ্ণনা কৰিছে।

হোমেন বৰগোহাঞিদেৱে কাহিনী ভাগ দুটা অধ্যায়ত উপস্থাপন কৰিছে। প্ৰথম অধ্যায়ৰ মূল চৰিত্ৰ হ'ল বাপুকণ। লগতে থকা আন দুটা প্ৰধান চৰিত্ৰ হ'ল বাপুকণৰ দেউতাক আৰু হেবাং।...

...দ্বিতীয় অধ্যায়ৰ মূল নায়ক হৈছে বিক্ৰম অৰ্থাৎ বাপুকণৰে পোছাকী নাম।

স্থানীয় থানাখনলৈ নতুনকৈ অহা দাৰোগাজনৰ পুতেক দুলালৰ লগত বিক্ৰমৰ পৰিচয় হয়। একে স্কুলতে, একে শ্ৰেণীতে পঢ়াৰ বাবেই নহয়, কিতাপৰ প্ৰতি থকা আগ্ৰহ, চিন্তাৰ মিল আৰু প্ৰকৃতিক ভালপোৱা আদিবোৰ কাৰণত দুয়ো অতি ঘনিষ্ঠ হৈ পৰে।

আগতে হেবাঙৰ লগত কৰা ধেমালিবোৰ বিক্ৰমৰ ভাল নলগা হ'ল। হেবাঙৰ লগত সম্পৰ্ক নোহোৱাৰ নিচিনাই হ'ল।...

...কিতাপখনৰপৰা শিকিবলগা বহুত কথা আছে। তাৰ প্ৰথমটো হ'ল 'কিতাপ পঢ়াৰ আগ্ৰহ' যাৰ ফলত বাপুকণ ওৰফে বিক্ৰম উন্নতিৰ জখলা বগাবলৈ সক্ষম হ'ল।

বনৰীয়া চৰাই বা জীৱ-জন্তু সজাত বন্দী কৰি ৰখাৰ ঘোৰ বিৰোধী, ল'ৰা-ছোৱালীৰ আবেগ-অনুভূতিক গুৰুত্ব দিয়া দেউতাকজন, বস্তুবাদী দুলালৰ দেউতাকজন, দিনে-নিশাই অসুখত কাষত বহি থকা বিক্ৰমৰ মাক, উচ্চ চিন্তা, নিয়মানুৱৰ্তিতা বজাই ৰাখি সহজ-সৰল জীৱন-যাপন কৰা যোগেন গগৈ দদাইদেউৰপৰাও শিক্ষা লাভ কৰিব পাৰি।

বৰগছডাল ভাগি পৰাৰ শূন্যতাৰ কথাই মানুহৰ গছৰ প্ৰতি থকা আৱেগিক সম্পৰ্কৰ কথাকে বুজাইছে।

সেই সময়ৰ শিক্ষাব্যৱস্থা, সামাজিক ব্যৱস্থা, চিকিৎসা আদিৰ বিষয়ে বহু কথা লিখনিত প্ৰকাশ পাইছে।

নিজৰ লক্ষ্য স্থিৰ কৰি জীৱনৰ বাটত কেনেধৰণে আগুৱাই যাব লাগে এই কিতাপখনৰপৰা শিকিব পাৰি।

মাত্ৰ ১২০ পৃষ্ঠাৰ এখন কিতাপতেই জীৱনৰ বাবে প্ৰয়োজনীয় বহু সমল আছে।

সাউদৰ পুতেকে উচ্চাকাংক্ষা লৈ বণিজলৈ নাও মেলি যোৱাৰ দৰেই বিক্ৰমেও সুশিক্ষা আৰু মহৎ আকাংক্ষাৰ বোকোছাত উঠি উন্নতিৰ বাটত আগবঢ়ালৈ চাই কিতাপখনৰ নামটো অতি সুন্দৰ হৈছে।

একে আষাৰে কিতাপখনক সৰ্বাংগ সুন্দৰ বুলি ক'ব পাৰি। ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত গ্ৰন্থ সমালোচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত লিখনিৰ সম্পাদিত ৰূপ।)*



**লিয়ন দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**দোক্‌মোকালী গোস্বামী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ড° ৰুবুল মাউতৰ ‘মোৰো এটা সপোন আছে’ —এটি আলোকপাত (সংক্ষিপ্ত ৰূপ)

◆ স্নেহা দাস
অষ্টম শ্ৰেণী

কিছুমান ব্যক্তিৰ এনে কিছু প্ৰতিভা থাকে, যিয়ে তেওঁক উন্নতিৰ জখলাত বগাই যাবলৈ আগ্ৰহী কৰি তোলে। কঠোৰ শ্ৰম, কঠোৰ সাধনাৰ বলত বিভিন্ন ঘাত-প্ৰতিঘাতক নেওচি শ্ৰেষ্ঠতা অৰ্জন কৰা প্ৰজ্ঞাৱান লোকসকলৰ বিষয়ে, তেনে ব্যক্তিসকলৰ আত্মজীৱনীসমূহৰপৰা জানিব পাৰি। সাহিত্য জগতৰ বিভিন্ন স্তৰসমূহৰ ভিতৰত আত্মজীৱনীমূলক গ্ৰন্থ নামৰ স্তৰটোতেই বহুতো প্ৰতিভাৱান ব্যক্তিৰ জীৱন কাহিনীৰ বিষয়ে নিঃসন্দেহে অধ্যয়ন কৰিব পাৰি। বহুসংখ্যক লোকৰ আত্মজীৱনীসমূহ পঢ়াৰ পিছত মানুহৰ মন এক নামহীন আৱেগ, অনুভূতিয়ে জোকাৰি যায়। তেনে ধৰণৰ গ্ৰন্থসমূহৰপৰাই বহুতো প্ৰতিভাৱান ব্যক্তিৰ শৈশৱ-কৈশোৰ, জীৱনৰ সুখ-দুখ, কঠোৰ পৰিশ্ৰমৰ যোগেদি বাধা-বিঘিনি নেওচি লাভ কৰা সুযোগসমূহৰ বিষয়ে বিতংকৈ জানিবলৈ আমি সক্ষম হওঁ।

তেনে ধৰণৰ প্ৰতিভাশালী লোকসকলৰ ভিতৰত ড° ৰুবুল মাউতে কঠোৰ সংগ্ৰামেৰে দৰিদ্ৰতাক নেওচি পাৰ কৰা শৈশৱ-কৈশোৰ তথা জীৱনৰ ঘাত-প্ৰতিঘাত, আমেৰিকাত কৰা বৈজ্ঞানিক গৱেষণাত বাৰম্বাৰ বিফলতা আৰু শয্যাগত পিতৃৰ সৈতে থকা এক গভীৰ সম্পৰ্কক সহজবোধ্য ভাষাৰ জৰিয়তে শুৱনিকৈ ‘মোৰো এটা সপোন আছে’ নামৰ আত্মজীৱনীমূলক গ্ৰন্থখনত বিশ্লেষণ কৰিছে। ড° ৰুবুল মাউতে ‘মোৰো এটা সপোন আছে’ নামৰ তেওঁৰ আত্মজীৱনীখনত নিজৰ জীৱনৰ অনুভূতিপ্ৰৱণ কাহিনীক লালিত্যপূৰ্ণ ভাষাৰ জৰিয়তে ফুটাই তুলিছে। গ্ৰন্থখনত আদিৰপৰা অন্তলৈকে সাৱলীল ভাষাৰ জৰিয়তে সন্নিৱিষ্ট কৰা সুখ-দুখ, সংগ্ৰাম, শৈশৱ, পিতৃৰ অসুখ, বাৰম্বাৰ লাভ কৰা বিফলতা আদি দুখজনক কথাসমূহৰদ্বাৰা ড° ৰুবুল মাউতে পাঠকৰপৰা যথেষ্ট প্ৰশংসা আৰু সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।...

...তেওঁৰ পিতৃয়ে বহুতো সংগ্ৰামৰ মাজেদি মাটি বন্ধকত ৰাখি, গৰু-ছাগলী বিক্ৰী কৰি, নিজৰ পুত্ৰক পঢ়াবৰ বাবে টিউচনৰ খৰচ, হোষ্টেলত থকাৰ খৰচ, কিতাপ-পত্ৰ কিনাৰ খৰচ আদিৰ বাবে টকা-পইছা যোগাৰ কৰিছিল। ইয়াৰ ফলস্বৰূপে সমগ্ৰ পৰিয়ালটো জুৰুলা হৈ পৰিছিল।...

...সময়ৰ অগ্ৰগতিৰ লগে লগে ড° ৰুবুল মাউত উন্নতিৰ জখলাত বগাই যাবলৈ সক্ষম হৈছিল। ফলস্বৰূপে তেওঁ আমেৰিকাৰ মাচাছুছেটচ বিশ্ববিদ্যালয়ৰ পি এইচ ডি প্ৰগ্ৰামৰ বাবে নিৰ্বাচিত হৈছিল।...

...ড° ৰুবুল মাউতে আমেৰিকাত গৱেষণা আৰম্ভ কৰাৰ তিনি বছৰ পাছলৈকে বাৰম্বাৰ বিফলতা পোৱাৰ পিছত যেতিয়া সফলতা লাভ কৰাৰ দিশে আগবাঢ়িছিল, তেতিয়াই তেওঁৰ জীৱনত যেন পুনৰ দুখৰ সোঁত ব'বলৈ ধৰিছিল। বায়েকৰ বিয়া অতি ধুমধামেৰে হৈ যোৱাৰ কিছুদিন পিছতে ড° মাউতৰ পিতৃয়ে পাৰকিনচন নামৰ এবিধ দুৰাৰোগ্য জেনেটিক ৰোগক আঁকোৱালি লৈছিল। দৰব খাই ড° ৰুবুল মাউতৰ

পিতৃয়ে এই ৰোগৰপৰা কিছু পৰিত্ৰাণ লাভ কৰিছিল যদিও অশেষ যন্ত্ৰণাৰ শেষত তেওঁ মৃত্যুবৰণ কৰিছিল।

গ্ৰন্থখনৰ অন্তত লেখকে তেওঁৰ পিতৃয়ে দৰিদ্ৰতাক নেওচি বিশ্বৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয়ত গৱেষণা কৰিবলৈ ড° ৰুবুল মাউতক পঠিওৱাত কিমান ভূমিকা গ্ৰহণ কৰিছিল, কিদৰে সাৰ-জাবৰ যোগান ধৰি পৰিয়ালৰ বাবে দিনে-ৰাতিয়ে কষ্ট কৰিছিল, সেই কথা অতি দুখময় ভাবেৰে প্ৰকাশ কৰিছে। পিতৃৰ কঠোৰ পৰিশ্ৰম, কঠোৰ সাধনাৰ বলতেই বোধহয় ড° ৰুবুল মাউতে নিজকে এজন মানুহ তথা সুনাগৰিক হিচাপে গঢ়ি তুলিব পাৰিলে। কিয়নো দুখজীৱী পিতৃৰ বলতেই তেওঁ ভৱিষ্যতত উন্নতি লাভ কৰিবৰ বাবে বহুতো আগশাৰীৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ সুযোগ লাভ কৰিছিল আৰু ড° ৰুবুল মাউত নিজৰ চৰম লক্ষ্যত উপনীত হৈছিল। ফলস্বৰূপে তেওঁলোকৰ পৰিয়ালৰ দুঃসময়ৰ অন্ত পৰিছিল।

'মোৰো এটা সপোন আছে' গ্ৰন্থখন ড° ৰুবুল মাউতৰ বৰ্ণিল জীৱনৰ অকপট কাহিনী। এই গ্ৰন্থখন ড° ৰুবুল মাউতৰ জীৱনবোধৰ এক স্বচ্ছ দাপোন। গ্ৰন্থখনত ড° ৰুবুল মাউতে নিজৰ জীৱন কাহিনীক প্ৰকাশ কৰাৰ লগতে গ্ৰন্থখনৰ উৎকৃষ্টতাৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰিছে। তেওঁ সাৱলীল ভাষাৰ জৰিয়তে গ্ৰন্থখন মনোৰম কৰি তুলিছে। আত্মজীৱনীমূলক গ্ৰন্থসমূহৰ ভিতৰত এই গ্ৰন্থখন একমাত্ৰ গ্ৰন্থ, যিখন গ্ৰন্থৰ যোগেদি পাঠকে উন্নতিৰ জখলা বগাই যাবলৈ সাহস আৰু অনুপ্ৰেৰণা লাভ কৰে। তেনেধৰণৰ গ্ৰন্থসমূহৰ ভিতৰত এ পি জে আব্দুল কালামৰ দ্বাৰা ৰচিত 'অগ্নিৰ ডেউকা' নামৰ গ্ৰন্থখনো অন্যতম। এই দুয়োখন গ্ৰন্থ পঢ়ি পাঠকে গ্ৰন্থ পঢ়াৰ এক উত্তম সোৱাদ লাভ কৰিব পাৰে।

ড° ৰুবুল মাউতৰ দ্বাৰা ৰচিত 'মোৰো এটা সপোন আছে' গ্ৰন্থখন পঢ়ি পাঠকে বুজিব পাৰিব যে জীৱনত প্ৰত্যেকৰে সপোন আছে। কিন্তু এই সপোনক সত্যত পৰিণত কৰিবলৈ কঠোৰ শ্ৰম আৰু কঠোৰ সাধনাৰ প্ৰয়োজন। নিজৰ সপোনক পূৰণ কৰিবলৈ থকা স্পৃহাই সকলোকে ভৱিষ্যতত সেই লক্ষ্যত উপনীত কৰিব, যাৰ বাবে মনত কেৱল লাগে বিশ্বাস আৰু সাহস। তেতিয়া সকলোৰে এদিন প্ৰকাশ কৰিব যে 'মোৰো এটা সপোন আছে।' ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত গ্ৰন্থ সমালোচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত লিখনিৰ সম্পাদিত ৰূপ।)*



**নিলোৎপল দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**মানৱজ্যোতি শৰ্মা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'জীৱন-বৃত্ত' —এটি আলোচনা

◆ দেৱাংগ খনিকৰ
নৱম শ্ৰেণী

## 'জীৱন-বৃত্ত'ৰ এটি বিশ্লেষণাত্মক অধ্যয়ন

প্ৰথিতযশা সাহিত্যিক ড° ভবেন্দ্ৰনাথ শইকীয়াৰ আত্মজীৱনী 'জীৱন-বৃত্ত' সৰ্বপ্ৰথমে 'প্ৰান্তিক' নামৰ পষেকীয়া বাৰ্তালোচনীৰ ৪৪টা সংখ্যাত ধাৰাবাহিকভাৱে ছপা হৈছিল। তাৰ পিছত গুৱাহাটীৰ লয়াৰ্ছ বুক ষ্টলে প্ৰথমবাৰৰ বাবে গ্ৰন্থাকাৰে প্ৰকাশ কৰি উলিয়ায় ২০০১ চনত। তাৰ পাছৰপৰা অসম বুক হাইভে গ্ৰন্থখনৰ দায়িত্ব লৈ দ্বিতীয় সংস্কৰণৰপৰা পঞ্চম সংস্কৰণ পৰ্যন্ত প্ৰকাশ কৰিছে। 'জীৱন-বৃত্ত' গ্ৰন্থখন ভবেন্দ্ৰনাথ শইকীয়াৰ সমগ্ৰ জীৱনৰ এখন ৰসাল কাহিনীচিত্ৰৰ দৰে। ইয়াত লেখকে তেখেতৰ জীৱনৰ বিভিন্ন সময়ত ঘটা ঘটনাবোৰৰ মনোগ্ৰাহী বৰ্ণনাৰ লগতে নিৰ্মোহ বিশ্লেষণ আগবঢ়াইছে। জন্মৰপৰা জীৱনৰ বিয়লি বেলা পৰ্যন্ত জীৱনৰ গতিপথটোক ড° শইকীয়াদেৱে এটা বৃত্তৰ সৈতে তুলনা কৰিছে। আদিৰেপৰা অন্তলৈকে এই বৃত্তটোৰ প্ৰতিটো বিন্দুৰ গুৰুত্ব তথা মাহাত্ম্য তেওঁ দ্ব্যৰ্থহীনভাৱে প্ৰকাশ কৰিছে। ড° ভবেন্দ্ৰনাথ শইকীয়া মানুহজন একাধাৰে এজন প্ৰখ্যাত বোলছবি পৰিচালক, পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হোৱাৰ লগতে আছিল এজন অতি সফল সাহিত্যিক। তেখেতৰ সাহিত্য প্ৰতিভা, তেখেতৰ দ্বাৰা ৰচিত অন্য গ্ৰন্থসমূহৰ দৰেই তেখেতৰ আত্মজীৱনী 'জীৱন-বৃত্ত'ৰ পাতে পাতেও বিদ্যমান।

লেখকে প্ৰথমে মনত পেলাবলৈ বিচাৰিছে নগাঁৱৰ ফৌজদাৰী পট্টিৰ সৰু চুবুৰীটোত কটোৱা তেখেতৰ ল'ৰালিৰ কথা। ধূসৰ স্মৃতিৰ কুঁৱলি ফালি লেখকে বুটলি আনিছে বহু দশক আগৰ তেখেতৰ ল'ৰালিৰ কেতবোৰ সৰু সৰু অথচ জীয়া কাহিনী। বৰ্ণনাৰ চমৎকাৰিত্বৰে কাগজৰ পাতত তেখেতে জীয়াই তুলিছে—ঠানুৰাম বুঢ়া, বেঙা-বেঙী, অন্নহালদাৰ, পাহিৰাম, ভজহৰি, ৰাধাশ্যাম, তেপু ককাইটি আদি তাহানিৰ অনেক ৰসাল চৰিত্ৰ। গাঁৱলীয়া জীৱনৰ মৰণা মৰা, ঢেঁকী দিয়া, মাছ মৰা, মাছুৱৈহঁতে মাছ বজাৰলৈ বেচিবলৈ নিয়া, ৰাতি গান গাই নিজম আলিবাটেদি ঘৰলৈ উভতা, বেপাৰী-পোহাৰীসকলৰ বৰ্ণনা ইমান সজীৱ যে ঘটনাবোৰ চকুৰ সন্মুখত ভাঁহি উঠে। সেই হেৰাই যোৱা মানুহবোৰ যেন পুনৰ জী উঠে।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ লিখনিৰ এটা সুকীয়া স্বাদ আছে। কোনো এটা ঘটনা বৰ্ণনা কৰিবৰ বাবে তেখেতে ব্যৱহাৰ কৰা উপমা বা উদাহৰণবোৰে আক্ষৰিক অৰ্থতে একোখন সপ্ৰতিভ চিত্ৰৰ সৃষ্টি কৰে। ফলত পঢ়োঁতাজনে কওঁতাজনৰ লগত একাত্ম হোৱাত সহায়ক হয়। সৰুকালত পকা লিচু গছৰ তলত টিং বজাই বজাই, বাদুলী খেদি ৰাতি দুপৰলৈকে ৰৈ থকা, শিলঘাট-চাপৰমুখ ৰে'লগাড়ীখনে উকিয়াই সময়ৰ আগজাননী দি থৈ যোৱা আদি অনেক সৰু সৰু ঘটনাক লেখকে বৰ আদৰেৰে চিত্ৰায়িত কৰিছে। লেখকৰ স্কুলীয়া জীৱনৰ অনেক মন চুই যোৱা কাহিনী তথা

তেখেতৰ সহজ-সৰল দেউতাকে দিয়া জীৱনৰ শিক্ষাৰপৰা তেখেতে পিছৰ জীৱনত কেনেভাৱে উপকৃত হৈছিল সেই কথা তেখেতে অকপটে স্বীকাৰ কৰিছে। প্ৰকৃতিৰপৰা আহৰণ কৰা আনন্দ, লগৰীয়াহঁতৰ লগত খেলা-ধূলাৰ স্মৃতি আদিৰ অনেক সৰস বৰ্ণনাৰে জীৱন-বৃত্তৰ কাহিনীভাগ আগুৱাই গৈছে।

এখন দৰিদ্ৰপীড়িত সাধাৰণ ঘৰৰপৰা নানা আলৈ-আহুকাল আৰু অভাৱ-অনাটনৰ মাজেৰে জীৱন নিৰ্বাহ কৰি পিছৰ কালত কেনেকৈ তেখেত এজন সফল পদাৰ্থবিদ তথা বিশ্ববিদ্যালয়ৰ অধ্যাপক হ'ব পাৰিছিল সেই যাত্ৰাৰ অনুপম বৰ্ণনাই 'জীৱন-বৃত্ত' নামৰ এই আত্মজীৱনীখনক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। অভাৱ-অনাটনে জুৰুলা কৰিলেও কেনেকৈ মানুহৰ জীৱনৰ সৰু সৰু আনন্দ আহৰণ কৰি সুখেৰে থকাটো সম্ভৱ সেই কথা শইকীয়াদেৱে নানান সৰু-বৰ কাহিনীৰ মাধ্যমেৰে ব্যক্ত কৰিছে। ধনৰ দুখীয়া হ'লেও মানুহ মনৰ দুখীয়া হ'ব নালাগে এই কথাৰ তেখেতে বাৰম্বাৰ ইংগিত দিছে।

সময়ৰ গতিৰ লগে লগে হাইস্কুলীয়া জীৱন সমাপ্ত কৰি কটন কলেজলৈ যাত্ৰা, তাৰ পাছত কলিকতাৰ প্ৰেছিডেন্সী কলেজত পঢ়াৰ সময়ৰ বহুতো ঘটনা লেখকে স্মৃতিৰ বুকুৰপৰা বুটলি আনি নিপুণতাৰে বৰ্ণনা কৰিছে। 'আতংকৰ শেষত' নামৰ লেখকৰ প্ৰথম পুথিখন নগাঁৱৰ 'পুথিঘৰে' ১৯৫২ চনত প্ৰকাশ কৰি উলিওৱাৰ পিছত তেখেতে উৎসাহিত হৈ কেনেকৈ ইটোৰ পিছত সিটোকৈ গল্প লিখি গ'ল সেই কথাৰো মাদকতাপূৰ্ণ বৰ্ণনা আছে।

ভবেন্দ্ৰনাথ শইকীয়াৰ লিখাৰ ধৰণটো সাৱলীল আৰু প্ৰতিটো বৰ্ণনাই মন চুই যোৱা বিধৰ। নিজৰ জীৱনৰ সঁচা কাহিনীবোৰো তেখেতে উপন্যাসৰ দৰে অতি মনোগ্ৰাহীকৈ আগুৱাই নিছে। কলেজৰ হোষ্টেলত থকা অভিজ্ঞতা, বিদেশত পদাৰ্থবিজ্ঞানৰ গৱেষণা কৰিবলৈ যাওঁতে হোৱা হৰেক ৰকমৰ অভিজ্ঞতাকে আদি কৰি জীৱনৰ প্ৰতিটো খোজত তেখেতে আহৰণ কৰা অভিজ্ঞতাবোৰ বিচক্ষণতাৰে বৰ্ণনা কৰিছে। উল্লেখযোগ্য যে যোৱাটো শতিকাৰ অৰ্থাৎ বিংশ শতাব্দীৰ তৃতীয় দশকৰপৰা আৰম্ভ কৰি তেখেতৰ জীৱন যাত্ৰাৰ এছোৱাকাল পৰাধীন ভাৰতত অতিবাহিত হৈছিল। সেই সময়ৰ মানুহৰ সামাজিক, অৰ্থনৈতিক অৱস্থা আৰু জীৱন সংগ্ৰামৰ ছবি তেখেতে স্বভাৱসিদ্ধ নাটকীয়ভাৱে উপস্থাপন কৰিছে। গুৱাহাটীৰ কটন কলেজত পঢ়ি থকা সময়ত ১৯৫০ চনত হোৱা অসমৰ বৰভুঁইকঁপৰ চাঞ্চল্যকাৰী বৰ্ণনাও সন্নিৱিষ্ট হৈছে তেখেতৰ 'জীৱন-বৃত্ত'ত। তদুপৰি জীৱনৰ বাটত আগবাঢ়ি যাওঁতে লগ পোৱা বিভিন্নজন খ্যাত-অখ্যাত ব্যক্তিৰ উমাল সান্নিধ্যৰ কথাও পাতে পাতে সিঁচৰতি হৈ আছে। কেইবাখনো বিখ্যাত চলচ্চিত্ৰৰ পৰিচালক ড° শইকীয়াদেৱৰ এটা সুৰুচিসম্পন্ন আৰু শৃংখলিত মন আছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে তেখেতে সুদীৰ্ঘ দিন ধৰি ডায়েৰী লিখিছিল। 'প্ৰান্তিক' আলোচনীখনৰ 'শেষ পৃষ্ঠা'ত তাৰেই প্ৰতিফলন পোৱা যায়। বিভিন্ন গল্প-উপন্যাস ৰচনা কৰাৰ আঁৰৰ কাহিনীবোৰ তেখেতে জীৱন-বৃত্তত উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও তেখেতৰ কৰ্মময় জীৱনৰ অলেখ কথা, অলেখ বতৰা এই আত্মজীৱনীখনত পোৱা যায়।

বাৰ্তালোচনী 'প্ৰান্তিক' আৰু শিশু আলোচনী 'সঁফুৰা' আছিল তেখেতৰ অতি আদৰৰ। জন্মলগ্নৰেপৰা ড° শইকীয়াদেৱে অসমীয়া সাহিত্য জগতলৈ প্ৰশংসনীয় বৰঙণি আগবঢ়াই থৈ গৈছে। জীৱন-বৃত্তত উল্লেখ আছে কেনেকৈ ভাষাৰ শুদ্ধতা ৰক্ষাৰ ক্ষেত্ৰত তেখেতে সবাতোকৈ বেছি গুৰুত্ব আৰোপ কৰিছিল।

এই গাম্ভীৰ্যপূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী, অল্পভাষী ড° ভবেন্দ্ৰনাথ শইকীয়া আছিল প্ৰকৃত অৰ্থত এজন সৃজনীশীল প্ৰতিভাসম্পন্ন, সময় সচেতন ব্যক্তি। সময়ৰ গুৰুত্ব সম্পৰ্কে তেখেতে একাধিক স্থানত উল্লেখ কৰিছে। এই সময় সচেতনতাৰ বুনিয়াদ তেখেতে

গঢ়িছিল ল'ৰালিতেই। পৰৱৰ্তী কালত বিদেশত শিক্ষা আহৰণ কৰা সময়ত তেখেতে শৃংখলাবদ্ধ জীৱন প্ৰণালী আৰু সময় সচেতনতাৰ ওপৰত অধিক মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰে।

জীৱনৰ বাটত আগুৱাই যাওঁতে ড° শইকীয়াদেৱে অলেখ গুণী-জ্ঞানী মানুহৰ সান্নিধ্য লাভ কৰিছিল। এই কথা তেখেতে 'জীৱন-বৃত্ত'ৰ পাতে পাতে শ্ৰদ্ধাৰে সুঁৱৰিছে। যিসকল কৃতবিদ্য ব্যক্তিয়ে অসমৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক জগতখনৰ সোপান ৰচনা কৰিছিল তেনে বহুতো স্বনামধন্য ব্যক্তিক তেখেতে নিচেই ওচৰৰপৰা লগ পোৱাৰ কথা উল্লেখ কৰিছে। অসমীয়া আধুনিক গল্প লিখাৰ প্ৰতি তেখেতৰ আকৰ্ষণ আৰু চিনেমা সম্পৰ্কীয় জ্ঞান আহৰণৰ প্ৰচেষ্টা আদি বহুতো কথাৰ আমোদজনক বৰ্ণনা আমি তেখেতৰ আত্মজীৱনীখনত পঢ়িবলৈ পাওঁহক। সেই সময়ৰ প্ৰসিদ্ধ কটন কলেজতে পদাৰ্থ বিজ্ঞানত অনাৰ্ছ লৈ বি.এছ.চি. পঢ়োঁতে হোষ্টেলৰ নানান কাহিনী, প্ৰেছিডেন্সী কলেজত এম.এছ.চি. পঢ়োঁতে হোৱা বিভিন্ন কলিকতীয়া অভিজ্ঞতা আৰু পাছৰ কালত চৰকাৰী জলপানি লৈ লণ্ডনত পি.এইচ.ডি. কৰিবলৈ যাওঁতে হোৱা নানান ৰোমাঞ্চকৰ অভিজ্ঞতাৰে তেখেতৰ সোঁৱৰণিৰ দিনবোৰ সজাই তুলিছে।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ জীৱনৰ এটা ডাঙৰ সপোন আছিল শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে এটা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাংস্কৃতিক কেন্দ্ৰ খোলা। পাছৰ কালত তেখেতে গুৱাহাটীৰ পাঞ্জাবাৰীত অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ উপসভাপতি পদত আসীন হৈ কিছু পৰিমাণে হ'লেও সেই মনোবাঞ্ছা পূৰ্ণ কৰিছিল।

ড° শইকীয়াদেৱৰ লিখনিৰ বিচিত্ৰতা আছে। তেখেতৰ শব্দ নিৰ্বাচন আৰু অভিনৱ কথনশৈলীৰ বাবে প্ৰতিটো বৰ্ণনাই পাঠকৰ চকুৰ আগত স্পষ্ট ৰূপত ভাঁহি উঠে। তেখেতৰ পৰ্যৱেক্ষণ শক্তি, সমাজৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ প্ৰতি দৰদ আৰু মানৱীয়তাৰ প্ৰকাশ 'জীৱন-বৃত্ত'ৰ পাতে পাতে জিলিকি আছে। এই সুখপাঠ্য গ্ৰন্থখন পঢ়াৰ অভিজ্ঞতাই আমাৰ মনত এক পাহৰিব নোৱৰা যুগমীয়া স্মৃতিৰ সৃষ্টি কৰিলে। ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত গ্ৰন্থ সমালোচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত লিখনি।)*



**ময়ঙ্ক বৰা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**মেঘনা গোস্বামী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' —এটি আলোচনা

◆ বিষ্ণুৰাত বৰা
দশম শ্ৰেণী

অসমীয়া সাহিত্য জগতৰ অনন্য প্ৰতিভাধৰ কবি, শিশু সাহিত্যিক, গীতিকাৰ, ঔপন্যাসিক নৰকান্ত বৰুৱাৰ উল্লেখযোগ্য উপন্যাস হৈছে 'ককাদেউতাৰ হাড়'। ভাবগধুৰ কবিতা ৰচনাৰে নৰকান্ত বৰুৱাৰ জীৱন জ্যোতিষ্মান। উল্লেখযোগ্য কথা এয়ে যে কবিতা ৰচনাৰে অসমীয়া জাতিক উদ্বুদ্ধ কৰাৰ সময়তে তেওঁৰ অন্যতম উপন্যাস 'ককাদেউতাৰ হাড়' অসমীয়া সাহিত্যৰ ৰসিকসকলৰ মাজত জনপ্ৰিয় হৈ পৰে। পৰম গৌৰৱৰ কথা যে এইখন উপন্যাসে ১৯৭৫ চনত 'সাহিত্য অকাডেমি' বঁটা লাভ কৰিবলৈ সক্ষম হয়। নৰকান্ত বৰুৱাৰ 'পলস' নামৰ কবিতাৰ সম্প্ৰসাৰণেই এই উপন্যাসৰ সৃষ্টি। এই কথা তেওঁ সদৰি কৰিছে এইদৰে—"মোৰ কবিতাৰ সম্প্ৰসাৰণ মোৰ উপন্যাস।" 'পলস'ত তেওঁ লিখিছে—

"...কলং কপিলী দিজুৰ পাৰত
ককাদেউতাৰ হাড়,
বুঢ়ী আইতাৰ কলিজাৰে
গজে বন নহৰুৰ ফুল...।"

অতীতৰ সত্য ঘটনাৰ বিৱৰণ বা বিন্যাসেই হ'ল ইতিহাস। গতিকে অতীতৰ কোনো সত্য ঘটনাৰ বা কোনো বাস্তৱ লোকৰ বা কোনো যুগৰ অৱলম্বনত ৰচিত উপন্যাসেই হৈছে ঐতিহাসিক উপন্যাস। 'এখুদ ককাইদেউ'ৰূপে খ্যাত নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়' এখন অনুপম ঐতিহাসিক উপন্যাস। মূলতঃ ইতিহাস আশ্ৰয়ী এই উপন্যাসত প্ৰতিফলিত হৈছে আহোম যুগৰ এক সুন্দৰ প্ৰতিচ্ছবি। আহোম শাসনৰ শেষাংশৰ ভংগুৰ অৱস্থাৰ স্বৰূপ এই উপন্যাসত দাঙি ধৰা হৈছে। আহোম যুগৰ দুটা প্ৰতিপত্তিশালী পৰিয়ালৰ সত্য ঘটনায়েই ইয়াৰ বিষয়বস্তু। এই উপন্যাসখনৰ পটভূমি নগাঁও। নগাঁৱৰ দুখন ঐতিহাসিক ঠাই হৈছে মিকিৰহাট আৰু ননৈ। উপন্যাসৰ দুটা অন্যতম মুখ্য চৰিত্ৰ ভোগেশ্বৰ বৰুৱা ওৰফে ভোগাই আৰু বাখৰ বৰা ওৰফে বাখৰৰ পৰিয়ালৰ বসতিস্থল আছিল ক্ৰমে মিকিৰহাট আৰু ননৈ। সম্বন্ধত ভোগাই আৰু বাখৰ আছিল জেঠেৰি-বৈনাই। ভোগায়ে বাখৰৰ ভনীয়েক মাহিন্দ্ৰীক বিয়া কৰাই বাখৰৰ পৰিয়ালৰ লগত সম্বন্ধ গঢ়িছিল। ভোগাইৰ পৰিয়াল গৌৰৱেৰে আৰু বাখৰৰ পৰিয়াল আৰ্থিক প্ৰতিপত্তিৰে মহীয়ান। দুয়ো দুয়োৰে প্ৰতিদ্বন্দ্বী হিচাপে আত্মপ্ৰতিষ্ঠাৰ অৰ্থে প্ৰতিযোগিতাত ৰত হৈছিল। আত্মপ্ৰতিষ্ঠাৰ বাবে ক্ষমতালোভী ভোগাই আৰু বাখৰৰ মাজত হোৱা খণ্ডযুদ্ধই এক ভয়াবহ ৰূপ লৈছিল। এই যুদ্ধ আছিল অস্ত্ৰহীন যুদ্ধ; য'ত আছিল ইতিকিং, তিৰস্কাৰ, গৰিহণা। ই আছিল চকু চৰহা দুজন ক্ষমতাশালী ব্যক্তিৰ মাজত হোৱা এক প্ৰকাৰৰ মৌন যুদ্ধ। যি যুদ্ধই ইজনে সিজনৰ অন্তৰাত্মাত বাৰুকৈয়ে আঘাত দিছিল। 'ককাদেউতাৰ হাড়'ত উল্লেখ থকা মতে লেৰেলা বাপু নামৰ পুৰোহিতজন আছিল ভোগাই-বাখৰ দুয়ো পৰিয়ালৰে পুৰোহিত। এবাৰ

বাখৰে পুৰোহিতৰ পুতেক গদক ফটা চুৰিয়া, টাপলি মৰা গামোচা, বৰালি মাছ, এটেকেলি পানী কাহুঁদি দি পৰোক্ষভাৱে ভোগাইকে অপমান কৰিছিল। এনেদৰে কৰা ইতিকিং, গৰিহণা দিয়া কাৰ্যই পাছলৈ ভোগাই-বাখৰৰ মাজত ঘোৰ শত্ৰুতাৰ ৰূপ লৈছিল। যাৰ পৰিণতিত বাখৰ বৰাৰ মৃত্যু পৰ্যন্ত হৈছিল। এই শত্ৰুতাৰ যি ভাব, যি অঁৰিয়াঅৰি; তাৰ প্ৰভাৱ বাৰুকৈয়ে জনসাধাৰণৰ ওপৰত পৰিছিল। কুমাৰ গাঁও নামৰ এখন গাঁৱৰ মানুহৰ কিদৰে ভোগাই আৰু বাখৰৰ আত্মপ্ৰতিষ্ঠাৰ ৰণত 'দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ'ৰ দৰে অৱস্থা হৈছিল—এনে এখন প্ৰতিচ্ছবিৰ মাজেৰে উপন্যাসৰ কাহিনীয়ে গতি লাভ কৰিছে।

উপন্যাস এখনৰ প্ৰধান কাৰকেই কাহিনী যদিও নৰকান্ত বৰুৱাৰ 'ককাদেউতাৰ হাড়'ত কোনো পোনপটীয়া কাহিনী পৰিলক্ষিত নহয়। ঔপন্যাসিক নৰকান্ত বৰুৱাই উপন্যাসখনক এক ঐতিহাসিক ৰূপ দিছে। ইয়াত আহোম শাসনৰ শেষৰফালৰ দুৰ্বল শাসকৰ স্বৰূপ উদঙাই দিয়া হৈছে। এই দুৰ্বলতাৰ সুযোগ লোৱা স্বেচ্ছাচাৰী বিষয়ববীয়াসকলে কিদৰে আত্মপ্ৰতিষ্ঠাৰ বাবে প্ৰতিযোগিতাৰ সৃষ্টি কৰিছিল, এই সংঘৰ্ষই কিদৰে থলুৱা, চহা লোকৰ জীৱন ধ্বংস কৰিছিল, এই সংঘৰ্ষৰ পৰিণতি কি হ'ল—এনেবোৰ কথাৰেই উপন্যাসখনৰ কাহিনীৰ মূল ভেঁটি তৈয়াৰ হৈছে।

'ককাদেউতাৰ হাড়'ৰ এটি অন্যতম বিশেষত্ব হৈছে কাহিনীটোৰ উপস্থাপনশৈলী। লেখকে কাহিনীটো বৰ্ণনাৰ বাবে বৰ্তমানৰ সহায় লৈছে আৰু ক্ৰমান্বয়ে অতীতলৈ উভতি গৈছে। উপন্যাসখনৰ 'আইতা' চৰিত্ৰটিৰ মাধ্যমেৰে ঔপন্যাসিকে কাহিনীৰ বৰ্ণনা আগবঢ়াইছে। আইতাই 'বৰমইনা' (নাতি)ৰ আগত ভোগাই-বাখৰৰ সমগ্ৰ ঘটনাৰাজি বৰ্ণনা কৰি গৈছে। কাহিনীৰ লগত সংগতি ৰাখি আইতাই মাজে মাজে আন আন প্ৰসংগও উত্থাপন কৰিছে। এইখিনিতে মন কৰিবলগীয়া কথা এয়ে যে আইতাইনো কাহিনীটো বৰমইনাৰ আগত কিয় ব্যক্ত কৰিলে! উপন্যাসত উল্লেখ থকা অনুসৰি বৰমইনা অৰ্থাৎ নাতিয়েকে যেতিয়া হেমন্ত আৰু নমিতাৰ বিয়াৰ প্ৰস্তাৱ লৈ নগাঁওস্থিত আইতাকৰ ওচৰলৈ গ'ল, তেতিয়া আইতাকে বিয়াৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে। 'কিয়?' বোলা প্ৰশ্নৰ উত্তৰত আইতাকে কাহিনীটো বৰ্ণনা কৰিবলগীয়া হ'ল। অৱশ্যে শেষত আইতাকে এই বিয়াত সন্মতি প্ৰদান কৰে। এনেদৰে নৰকান্ত বৰুৱাদেৱে 'আইতা' চৰিত্ৰটিৰ জৰিয়তে কৰা কাহিনীটোৰ উপস্থাপনশৈলীৰ সুন্দৰ প্ৰকাশ 'ককাদেউতাৰ হাড়'ত ফুটি উঠিছে। উপন্যাসখনৰ 'নতুন লয়াৰ্ছ বুক ষ্টল সংস্কৰণ : ১৯৯২'ত 'লেখকৰ এষাৰ'ত ঔপন্যাসিক বৰুৱাদেৱে লিখিছে এনেদৰে—"এটা কথা মাত্ৰ মনত খেলাইছে। আইতাৰ মুখত আধুনিক ৰাজনীতিৰ চৰিত্ৰ হননৰ ইংগিত দিবলৈ চেষ্টা কৰিছিলোঁ... সেই চৰিত্ৰ হননেও দেখোন এতিয়া 'ককাদেউতাৰ হাড়'ৰ বা তাৰো আগৰ যুগৰ দৈহিক হত্যাৰ ৰূপহে ল'বলৈ আৰম্ভ কৰিছে। আমি দুখ পোৱা এইবোৰ কথা কাহিনীৰ আইতাজনীয়ে গম নোপোৱাকৈ গ'ল।"

'চৰিত্ৰ' হৈছে কোনো এখন উপন্যাসৰ মূল উপাদান। ঔপন্যাসিক নৰকান্ত বৰুৱাদেৱে উপন্যাসখনৰ চৰিত্ৰসমূহৰ সম্পৰ্কত কৈছে—"মোৰ বোধেৰে এইখন নায়ক আৰু খলনায়ক নোহোৱা এখন উপন্যাস। ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰ 'সময়'। উপন্যাসখনৰ চৰিত্ৰসমূহ কল্পনাপ্ৰসূত। বাখৰ বৰাৰ সম্বন্ধে প্ৰচলিত এটি কাহিনীক লৈয়েই পুথিখন ৰচিত। পুথিখনত গ্ৰন্থকাৰে 'আইতা' চৰিত্ৰটিৰ মাধ্যমেৰে সমগ্ৰ ঘটনাটোৰ সমীক্ষাত্মক বৰ্ণনা কৰিছে। আইতাই অতীতৰ কথাৰ মাজে মাজে বৰ্তমানলৈ ঘূৰি আহিছে। কিন্তু বেছিভাগ সময় তেওঁ অতীততেই বিচৰণ কৰিছে। এইদৰে বৰুৱাদেৱৰ 'আইতা' চৰিত্ৰটি অতীতৰ এক সাৰ্থক প্ৰতিনিধিৰূপে অংকন কৰিছে। 'ভোগাই' আৰু 'বাখৰ' চৰিত্ৰ দুটাক

লেখকে সমাজৰ প্ৰতিপত্তিশালী ব্যক্তিৰূপে গঢ় দিছে। এই চৰিত্ৰ দুটাৰ মাজৰ মতবাদ, সংঘৰ্ষক লৈয়েই কাহিনী ৰূপায়িত হৈছে। উপন্যাসখনৰ কাহিনীৰ মাজে মাজে আন আন চৰিত্ৰ যেনে, মাহিন্দ্ৰী, সুমলা, লেৰেলা, বাপু, গদ, বৰ্হমচৰীয়া, জুৰাই বৰুৱা, সুভদ্ৰা আদিয়েও ভুমুকি মাৰিছে যদিও এইসমূহ চৰিত্ৰ বিশেষ মহত্ব প্ৰকাশক নহয়। বৰুৱাদেৱে কোৱাৰ দৰে এই উপন্যাসত কোনো নায়ক বা খলনায়কৰ চৰিত্ৰ নাই। গ্ৰন্থখনত তেওঁ বৰ্তমান মানুহকে অংকন কৰি, তাক সময়ৰ পৰিৱৰ্তনৰ লগত সাঙুৰিছে। তেওঁ কৈছে—"মই এতিয়াৰ মানুহকে আঁকিছোঁ, মাত্ৰ দূৰলৈ নি চাব বিচাৰিছোঁ।" আকৌ নৰকান্ত বৰুৱাদেৱে কৈছে এইবুলি—"ইতিহাস চেতনা বোলা উপলব্ধি এটা মোৰ কবিতা আৰু উপন্যাসৰ মৌলিক চৰিত্ৰ বুলি অ'ত ত'ত কোৱা শুনিছোঁ। ময়ো তেনেকৈয়ে ভাবোঁ।" ওপৰৰ আলোচনাৰপৰা এটা কথা স্পষ্টৰূপে দেখা গৈছে যে 'ককাদেউতাৰ হাড়'ৰ মুখ্য বা কেন্দ্ৰীয় চৰিত্ৰ হৈছে 'সময়' আৰু 'ইতিহাস চেতনা'। এইদৰে বৰুৱাদেৱে কাহিনীভাগ ইতিহাসৰ পাতত সময়ৰ পৰিৱৰ্তনৰ লগে লগে হোৱা অন্যান্য পৰিৱৰ্তনৰ সৈতে সাঙুৰি দিছে।

উপন্যাসৰ আন এটি উপাদান হৈছে চৰিত্ৰৰ মুখৰ সংলাপ। সংলাপ অবিহনে এটি চৰিত্ৰ যেন উকা উকা। এটি চৰিত্ৰক সম্পূৰ্ণ কৰিব পাৰে কেৱল সংলাপেহে। সংলাপে চৰিত্ৰটিক অধিক জীৱন্ত কৰি তোলে। এই উপন্যাসখনতো সংলাপৰ পোনপটীয়া প্ৰভাৱ দেখা গৈছে। কাহিনীৰ চৰিত্ৰসমূহৰ মুখত দিয়া দয়া, প্ৰেম, ক্ৰোধ, মৰম-স্নেহৰ যি ভাব বৰুৱাদেৱৰ এই উপন্যাসৰ সংলাপসমূহৰ মাজেৰে ফুটি উঠিছে, সেয়া সঁচাকৈয়ে অতুলনীয়।

'ককাদেউতাৰ হাড়' এখন কাব্যিক উপন্যাস। এই উপন্যাসত প্ৰতিফলিত হৈছে সহজ-সৰল অসমীয়া ভাষা। ডাঙৰ-সৰু, ল'ৰা-বুঢ়া সকলোৱে বুজিব পৰাকৈ অতি সহজ ভাষাশৈলীত ৰচিত এই উপন্যাসখনে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিছে। 'ককাদেউতাৰ হাড়' উপন্যাসখনৰ নাট্যৰূপ ড° অমৰজ্যোতি চৌধুৰীৰ দ্বাৰা মঞ্চস্থ কৰা হৈছিল। এই গ্ৰন্থখন হিন্দী আৰু মালায়ালম ভাষালৈও অনূদিত হৈছে। 'ককাদেউতাৰ হাড়' মূলতঃ ইতিহাস আশ্ৰয়ী। সৰল উপস্থাপন, দক্ষতাৰে চৰিত্ৰ অংকন, কাব্যিকতা, সহজ-সৰল ভাষাশৈলীৰে সমৃদ্ধ নৰকান্ত বৰুৱাদেৱৰ 'ককাদেউতাৰ হাড়' এখন সাৰ্থক উপন্যাসৰূপে পৰিগণিত হৈছে। ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত গ্ৰন্থ সমালোচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত লিখনি।)*



**অনন্যা দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**শুভাংকৰ দাস**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# পেলনীয়া সামগ্ৰীৰ সদ্ব্যৱহাৰ

◆ শাব্দী ভৰদ্বাজ
সপ্তম শ্ৰেণী

আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্ৰায়বোৰ বস্তুৰপৰা ব্যৱহাৰৰ অনুপযোগী কিছুমান সামগ্ৰী ওলায়। এইবোৰকে আমি পেলনীয়া সামগ্ৰী বুলি কওঁ। এই পেলনীয়া সামগ্ৰীসমূহ য'তে-ত'তে পেলালে ঠাইখণ্ড অপৰিষ্কাৰ হোৱাৰ লগতে পৰিৱেশো দূষিত আৰু দুৰ্গন্ধময় হয়। আজিকালি চহৰ অঞ্চলত এই পেলনীয়া সামগ্ৰীবোৰে এক জ্বলন্ত সমস্যাৰূপে দেখা দিছে। নলা-নৰ্দমা, নদী আদিত এই সামগ্ৰীসমূহ পেলোৱাৰ ফলত পানী বন্ধ হৈ পৰে আৰু এজাক বৰষুণতেই কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। সেয়েহে আমি পেলনীয়া সামগ্ৰীৰ সদ্ব্যৱহাৰ কৰি পৰিৱেশ সুন্দৰ আৰু পৰিষ্কাৰ কৰি ৰাখিবলৈ যত্ন কৰিব লাগে।

প্ৰধানকৈ পাকঘৰতেই পেলনীয়া সামগ্ৰী বেছিকৈ ওলায়। তৰকাৰী পাচলিৰ বাকলি, বাহী খোৱাবস্তু আদি য'তে-ত'তে নেপেলাই ঘৰৰ চৌহদতে সৰু, দ গাঁত খান্দি তাত পেলাব লাগে। গাঁতটো পূৰ হ'লে মাটিৰে ঢাকি থৈ তাৰ ওচৰতে অইন এটা গাঁত খান্দি তাত জাবৰ পেলাব পাৰি। দ্বিতীয় গাঁতটো পূৰ হয় মানে প্ৰথম গাঁতটোৰ জাবৰবোৰ পচি পচন সাৰ হয়। এই পচন সাৰ গাঁতটোৰপৰা উলিয়াই আনি ফুলৰ টাব, গছৰ গুড়ি আদিত দিব পাৰি। এই পচন সাৰ এবিধ উৎকৃষ্ট সাৰ।

বিয়া-সবাহ, উৎসৱ-পাৰ্বণ, বনভোজ আদিত খাদ্যৰ অপচয় হয়। এই অপচয় হোৱা খাদ্যবোৰ য'ত পেলোৱা হয় তাত এক দুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হয়। আমি সদায় যিমানখিনি খাদ্য খাব পাৰোঁ, সিমানখিনি খাদ্যহে ল'ব লাগে। অতিৰিক্ত খাদ্য ল'লে সেইখিনি খাব নোৱাৰি পেলাবলগীয়া হয়। তেতিয়া খাদ্যৰ অপচয় হয়। বনভোজ খাবলৈ গ'লে বৈ যোৱা খাদ্য সেই অঞ্চলটোৰ আশে-পাশে থকা দুখীয়া মানুহক বিলাই দিব পাৰি। বিবাহ অনুষ্ঠান বা অন্য উৎসৱ-পাৰ্বণত বৈ যোৱা খাদ্য ভালদৰে পেকেটত বান্ধি ভিক্ষাৰী, অনাথ আশ্ৰম আদিত বিলাই দিব পাৰি। ঘৰত বৈ যোৱা খাদ্যবস্তু ৰাস্তাৰ কুকুৰ-মেকুৰীক খাবলৈ দিব পাৰি। খাদ্য খোৱাৰ সময়ত আমি সদায় মনত ৰখা উচিত যে যি সময়ত আমাক খাবলৈ বিভিন্ন ধৰণৰ সুস্বাদু আহাৰ যোগান ধৰা হয়, ঠিক সেই সময়তে আন কোনোবাই পেটৰ ভোক গুচাবৰ বাবে সুদা ভাতকেইটাও খাবলৈ নাপায়। সেয়ে কোৱা হয়— খাদ্যৰ অপচয় কৰিব নাপায়।

আটাইতকৈ অনিষ্টকাৰী পেলনীয়া সামগ্ৰী হ'ল প্লাষ্টিক। প্লাষ্টিকসমূহ মাটিত মিহলি হৈ নাযায় বাবে ই পৰিৱেশ বাৰুকৈয়ে দূষিত কৰে। প্লাষ্টিকৰ বটল, গিলাছ আদি ফুল ৰোৱা, গছৰ পুলি গজোৱা আদি কামত ব্যৱহাৰ কৰিব পাৰি। আজিকালি নাৰ্চাৰীবোৰত এনেধৰণৰ প্লাষ্টিকৰ গিলাছ, বটল আদি গছপুলি ৰোৱা কামত ব্যৱহাৰ কৰা হয়। গতিকে বিয়া-সবাহ আদি অনুষ্ঠানত ব্যৱহাৰ কৰা এনেকুৱা গিলাছসমূহ নাৰ্চাৰীত যোগান ধৰিব পাৰি। পেলনীয়া প্লাষ্টিকেৰে ফুল, ফুলদানী আদি ঘৰত সজাব পৰা বস্তু বনাব পাৰি। আজিকালি এই ক্ষেত্ৰত বিভিন্ন অনুষ্ঠানত প্ৰশিক্ষণো দিয়া হয়।

ঘৰত ব্যৱহাৰ নকৰা অলাগতিয়াল কাপোৰসমূহকো পেলনীয়া সামগ্ৰীৰ ভিতৰতে ধৰা হয়। বহুতো মানুহে এই কাপোৰসমূহ থ'বলৈ ঠাই নাপাই পেলাই দিয়ে। কিন্তু এই কাপোৰসমূহ নেপেলাই তাৰ সদ্ব্যৱহাৰ কৰিব পৰা যায়। ব্যৱহাৰ নকৰা বা সৰু হৈ যোৱা কাপোৰবোৰ আন কাৰোবাৰ কামত আহিব পাৰে।

আমি আমাৰ সেই কাপোৰসমূহ তেওঁলোকক দান কৰি দিব পাৰোঁ। উদাহৰণস্বৰূপে অনাথ আশ্ৰম অথবা বানপানীত ক্ষতিগ্ৰস্ত লোকক এই কাপোৰবোৰ সাহায্য হিচাপে দিব পৰা যায়। এতিয়াও পৃথিৱীত এনেকুৱা কিছুমান পিছপৰা অঞ্চল আছে য'ত মানুহে নিজৰ মৌলিক প্ৰয়োজনসমূহকে পূৰণ কৰিবলৈ অপৰাগ হয়। পিন্ধিবলৈ তথা উৰিবলৈ কাপোৰৰ অভাৱ হোৱা বাবে তেওঁলোকে ঠাণ্ডাত কঁপি থাকিবলগীয়া হয়। অতিপাত ঠাণ্ডাত মানুহৰ মৃত্যু হোৱাৰ বাতৰিও শুনিবলৈ পোৱা যায়। গতিকে আমি অপ্ৰয়োজনীয় বুলি ভবা এই কাপোৰসমূহেই তেওঁলোকৰ মনত মহা মূল্যৱান হৈ পৰে। আমাৰ সামান্য দানে কাৰোবাৰ মুখত হাঁহি বিৰিঙাব পাৰে। গতিকে ই পেলনীয়া সামগ্ৰীৰ আটাইতকৈ উৎকৃষ্ট সদ্ব্যৱহাৰ।

আমেৰিকা, জাপান আদিৰ নিচিনা ধনী দেশবোৰত শিশুসকলৰ কাপোৰৰ সুন্দৰ সদ্ব্যৱহাৰ কৰা হয়। তেওঁলোকে কাৰোবাৰ ঘৰত কেঁচুৱা জন্মিলে খবৰ ল'বলৈ যাওঁতে নিজৰ ল'ৰা-ছোৱালীয়ে কেঁচুৱা অৱস্থাত ব্যৱহাৰ কৰা পুৰণা কাপোৰসমূহ লৈ গৈ মানুহঘৰক দান কৰে, লাগিলে কেঁচুৱা জন্মা মানুহঘৰ যিমানেই ধনী নহওক কিয়। কাপোৰৰ উপৰি তেওঁলোকে পুতলা বা কেঁচুৱাৰ বাবে আন প্ৰয়োজনীয় সামগ্ৰীও দান কৰে। গতিকে নতুনকৈ জন্মা কেঁচুৱাটোৱে পুৰণা বস্তু ব্যৱহাৰ কৰিয়েই ডাঙৰ হয়। তেওঁলোকৰ আদৰ্শ লৈ আমিও আমাৰ দেশত এই সুন্দৰ নিয়মটো প্ৰচলন কৰিব পাৰো।

ফাটি-চিৰি যোৱা কাপোৰসমূহ লোকক দান কৰিবলৈ অসুবিধা হয়। এইসমূহ পেলনীয়া কাপোৰেৰে আমি দলিচা তৈয়াৰ কৰিব পাৰো। মেঘালয়ৰ কিছুমান খাচী মহিলাই এনেকুৱা ফটা কাপোৰেৰে বজাৰলৈ নিয়া মোনা তৈয়াৰ কৰে। এই মোনাসমূহত তৰকাৰী পাচলি আদি ভৰাই আনিবলৈ বৰ সুবিধাজনক হয়। আগতে আমাৰ অসমৰ শিপিনীসকলে ফটা কাপোৰৰ সৰু দীঘল টুকুৰা কৰি শালত বৈ এবিধ ডাঠ কাপোৰ তৈয়াৰ কৰিছিল। এই কাপোৰসমূহক 'ধচা' বুলি কোৱা হৈছিল। ধোচাসমূহ বিছনাত পাৰিবলৈও ব্যৱহাৰ কৰা হৈছিল আৰু ঠাণ্ডাত কম্বলৰ দৰে গাত উৰিবলৈও ব্যৱহাৰ কৰা হৈছিল। ধচাসমূহ মজিয়াত পৰা দলিচা হিচাপে ব্যৱহাৰ কৰিলেও বৰ ধুনীয়া দেখি।

আই টি আই, আই আই টি আদি চৰকাৰী অনুষ্ঠানত তথা বিভিন্ন বেচৰকাৰী অনুষ্ঠানতো পেলনীয়া সামগ্ৰীৰপৰা বিভিন্ন বস্তু তৈয়াৰ কৰাৰ প্ৰশিক্ষণ দিয়া হয়। পুৰণা কাপোৰৰপৰা বেগ তৈয়াৰ কৰা, পুৰণা জোতা-চেণ্ডেলৰপৰা বেগ নাইবা আন কিছুমান সামগ্ৰী তৈয়াৰ কৰা, প্লাষ্টিকৰপৰা ঘৰৰ সাজ-সজ্জাৰ বাবে ব্যৱহাৰ কৰা বস্তু তৈয়াৰ কৰা আদি বিভিন্ন কামৰ প্ৰশিক্ষণ দিয়া হয়। এই অনুষ্ঠানসমূহত শুকান মেটেকা, কলগছৰ আঁহৰপৰা বেগ, জোতা-চেণ্ডেল আদি তৈয়াৰ কৰাৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰদ্বাৰা তৈয়াৰ কৰা সামগ্ৰীবোৰ দেখাত ধুনীয়া হয় বাবে এনে সামগ্ৰী বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰিব পৰাও যায়। অৰ্থাৎ পেলনীয়া সামগ্ৰীৰে বস্তু তৈয়াৰ কৰি মানুহে কুটীৰ উদ্যোগ গঢ়ি তুলিব পাৰে। ইয়াৰপৰা নিবনুৱা সমস্যাৰ সমাধান হোৱাৰ লগতে অঞ্চলটোও পৰিষ্কাৰ আৰু প্ৰদূষণমুক্ত হৈ থাকে। ❖

*(২০১৯ বৰ্ষৰ সাহিত্য দিৱস উপলক্ষে আমাৰ বিদ্যালয়ৰ ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত প্ৰবন্ধ প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ।)*

# Musings

## She..

◆ **Pinky Das**
Class XI (Arts)

The one who gives us life
Because of whom we come into this beautiful world
She's the one who builds our future
She is soothing like the April shower
She can be the best guide
Who is always there by our side
She can be a good friend
Who will never give us any pain
She is a mother
Who, with her love, holds everything together
She can be the best partner
Who will never think of departure.
She is the reason behind our smile everyday
And she is special in her three ways
She encourages us in every step we take
And comforts us when we break
She is as precious as a diamond...
Life without her is impossible
She is a lady very AMICABLE. ❖





## My Love

◆ **Jyotishman Das**
Class XII (Arts)

My love is something different
From what we do or say,
Even though we fight,
We love each other in a very different way.
You are the only one
Who comes in my dream
You are the only one
Who always make my heart gleam
The golden light rules some patch of the night
With you I want to see every beautiful sight
I fear of losing you day and night,
I have promised myself, I will achieve you right. ❖

# Pongal

◆ **Jiya Bhargab**

Class VI

India is a land of festivals. A number of festivals are celebrated here. Some important festivals of India are Bihu, Durga Puja, Diwali, Pongal, Lohri, Onam etc. Some festivals are related to harvest while some others are related to religion.

A harvest festival is an annual celebration that occurs around the time of the main harvest of a given region.

Every Assamese knows that Bihu is the harvest festival of Assam. Like Bihu some other harvest festivals observed in India are Pongal (Tamilnadu), Lohri (Punjab), Onam (Kerala), Ugadi (Karnataka) etc. Now, I am going to write about Pongal the harvest festival of Tamilnadu.

Pongal is one of the famous harvest festivals of Tamilnadu. It is observed on the first day of the Tamil month Thai, which falls in the middle of January. Pongal is dedicated to the Sun God. It is a four day festival. The first day of the sun's return to the northern hemisphere, widely known as Makar Sankranti in India, Pongal means 'boiling over'of milk and rice during the month of Thai. Tamils all over India celebrate this festival with great ardour. The ladies of the household prepare sweet meats. People also buy new clothes.

The first day is known as 'Bhogi Pongal'. The second day is known as 'Surya Pongal' (most important day of the entire festival). The third day is known as 'Mattu Pongal' (days for cow). The last is 'Kaanum Pongal' (the day of relaxation and enjoyment). ❖

# Passion, Dream & Destiny

◆ **Kaangkan Kashyap**

Class VII

*"Dream is not that which we see while sleeping it is something that does not let you sleep...."*

Dr. APJ Abdul Kalam

No one is perfect. Everyone has their own personalities, talents and qualities. But, what is common in them is that everyone has a dream.

When we have a dream, to make it come true we eventually develop passion. When we are passionate about something we start doing hardwork, we try to run after excellence. The most important thing in this period is inspiration and motivation, as we

may fail more than a hundred times. When we are inspired and motivated from time to time, we get the spirit. We can say that this 'spirit' is a step that takes us nearer towards achieving our dream. Mistakes are a part of learning. In fact it's our treasure. From each and every mistake we gather experience. 'Experience' is another step that leads us to our dream. Failure is common and the truth is that it is our teacher. But we must not underestimate ourselves because of the failures. We must be brave, be determined and not lose self confidence. Last but not the least is having hope and giving up thoughts about destiny. The first one reflects possibility and optimism in our mind. But the second one can create fear and negativity. We don't know about our destiny. People think they don't know where their lives take them to. But, contrary to that, I believe we can give directions to our life. So we must abandon thinking about destiny. We are capable of moulding our own destiny. If we don't, it can create barrier in achieving our dreams. Once we are able to catch our dreams, we shall be more powerful to create our own destiny. So let's create our own destiny. ❖

# Madan Kamdev

◆ **Nimisha Kalita**
Class VII

About 40 km north of Guwahati is *Madan Kamdev*, the largest in a complex of some 20 temples and loose sculptures atop *Dewangiri* Hill. The existence of this complex was not known until a forest in the area was cleared in 1977. It is situated at *Baihata Chariali*.

Archaeologists say *Madan Kamdev* was built between $11^{th}$ and $19^{th}$ centuries. The complex has some ancient sculptures, and the sanctum sanctorum of the temple has the male and female deities which the locals believe was dedicated to Kamdev, the god of love. *Madan Kamdev* is the main temple, with ruins of other huge and small temples scattered around it. Representatives of the Archeological Directorate believe that excavation may reveal an additional twelve temples. Near *Madan Kamdev*, an old temple of lord Shiva, known here as Gopeshwar, is located in the village of Deuduar. There is a large cave nearby, known as Parvati Guha, after his consort. The ruins of Madan Kamdev are scattered widely in a secluded place, covering an area of 500 square meters. The most prominent statues are those of the Sun God, Ganesha and Vidyadhara. ❖

# The Fighter

◆ **Hrishikesh Goswami**
Class VIII



Yuvraj Singh is a former Indian cricketer who played in all formats of cricket. He was a left handed middle order batsman and slow left arm orthodox bowler. He is the son of former Indian fast baller Yograj Singh.

Yuvraj was a great limited overs player to play for India. He has 8,701 runs and 111 wickets in ODIs and 1177 runs and 28 wickets in T20s to his credit. He was particularly noted for his ability of hitting very big sixes. Because of this ability he was called 'the sixer king' He made his debut in international cricket in the year 2000 against Kenya.

In test cricket, he played only 40 matches where he scored 1900 runs and has taken 9 wickets.

Yuvraj was the member of the Indian cricket team in ODIs between 2000 and 2017. He was also the vice captain of the team between 2007-08. He was the man of the tournament in the 2011 ICC cricket world cup, and one of the top performers in the 2007 ICC world twenty 20, both of which India won. In a match against England at the 2007 world twenty 20 tournament, he hit six sixes in an over bowled by Stuart Broad of England. In the same match he also set the record of fastest 50 in T20 internationals. He scored 50 runs in just 12 balls to make this record. During the 2011 world cup he became the first player in the history of world cup to score a fifty and take 5 wickets. Yuvraj is not only a fighter in the cricket field but also in his personal life. In 2011 he was diagnosed with a cancerous tumour in his left lung and underwent chemotherapy treatment. In March 2012 he was discharged from the hospital after the third cycle of chemotherapy and returned to India in April. He made his comeback in cricket in a match against Zimbabwe in September 2012.

In 2012 Yuvraj was conferred with the Arjuna Award, in 2014 he was awarded the Padmashree by the Government of India. At the 2014 IPL auction Royal Challengers Bangalore bought Yuvraj for Rs. 14 crore and in 2015 Delhi Daredevils bought him for Rs. 16 crore which made him the most expensive player ever to be sold in the IPL.

On 10 June, 2019, Yuvraj announced his retirement from International cricket. ❖

# Journey without Fare

◆ **Sangsthita Sarma**
Class VIII

'Bhokondi' steps into a new college of Kolkata. An all new environment greets him. But as he starts introducing himself to the lot, he feels like an odd one out. The modernity of the new city is no match to the place he came from. When he set out from his village to a bigger place for higher education he never thought that he would have to change his name, his father's, mother's and sister's name and perhaps the name of his village too has to be changed just in order to fit into the new environment. Caught in the cross currents of two extremely opposite cultures, he finally fuses into the latter. In the process he turns into an egoistic and snobbish character.

I was reminded of Bhokondi just the other day, when we had a guest of the same nature Mr. Tanki Borbs. He had just returned after a visit to his brother's place in Shillong. Prior to that it was learnt, after an hour's conversation, that his actual name was Tonkeshwar Borbora from Jokaisuk. I have met many such peculiar characters and have known them from very close. However I have never seen them, you will soon discover why !

Meanwhile here's a little about Gita, a girl of my age from whom I have learnt to be responsible. Had it not been for that incident neither Gita nor I would have ever developed the sense of responsibility. It so happend that Gita was supposed to go for an excursion to a nearby place. To double their fun the teachers had also allowed them to have a shared meal. The shared meal ofcourse was the greatest attraction for Gita and her friends. Each one of them decided to bring their own share of food item. Gita was supposed to bring 'sambar', but giving Gita some responsibility involved a big risk. Owing to her absent–minded nature anyone barely depended on her. On the day of the excursion, her mother had to hurry to the temple very early in the morning. But she made sure that the sambar was cooked before she left. It was almost done, just that five spoonfuls of salt had to be added. In her hurry she left that task to Gita. All her family members knew about her forgetfulness and presuming that she might have forgotten to add the salt, each one of them added five spoons of salt to the sambar. Gita's grandfather, grandmother, father, elder sister and younger brother were unaware that someone had already added salt to the curry. To everyone's wrong prediction this time Gita also had not forgotten her mother's instructions and added salt to her shared meal. So finally when her bowl of sambar, with 30 spoonfuls of salt, was served at the shared meal, one can easily imagine what a

disaster it could be.

We saw that Gita was not trusted upon by anyone in the family for there were many such instances in the past when they fell into trouble due to her irresponsible behaviour.

Garnished with wit and humour the story of Gita written by eminent Indian writer Sudha Murthy had driven home the lesson on responsibility which I can never forget. To break the suspense, I had met characters like Bhokondi and Gita in books I have read.

Books take me to a different world all together. I meet strange people of varied nature. Yet what strikes me most is their unique qualities. How different they are from one another. Many of these characters are similar to people I meet in real life. So books have always helped me to understand people. Sometimes it makes me feel like I belong to their world. I am surrounded by the characters from the books in such a way as if they were my friends, relatives and near and dear ones. Some motivate me, some inspire me while others drive home life lessons. Through reading I have travelled through diverse cultures, regions and background without any ticket. So next time I plan a ticketless journey, who among you folks want to join me ? ❖

# The story of a legend

◆ **Raisa Sarkar**

Class IX



A brilliant exponent in the field of Hindustani music, Pandit Bhimsen Joshi is a legend who had not just earned the respect and admiration of his fans but that of his critics as well. Born into a Madhwa Brahmin family, Joshi was the eldest among his 16 siblings. At the age of 11, Bhimsen Joshi decided to grow up to be a musician. Bhimsen learned the basics from Agasara Channappa of Kurtakoti. Then he went to learn classical music from Pandit Shyamacharya Joshi.

Bhimsen himself might not have known about it at that time, but his career had started even before he realized that it had begun. At the time when he was learning

under Shyamacharya Joshi, Bhimsen had once accompanied his guru to Mumbai where Shyamacharya had to record a few songs. But half way through, Shyamacharya had to return home and when Bhimsen was entrusted with the responsibility to finish what he had started the latter was more than happy to oblige. This way his career took off.

After giving his first live performance in the year 1941, in 1942 his first album was released. He started working at a radio station in Mumbai in the year 1943.

Bhimsen's Hindustani classical music had a unique style as it was influced by a number of great musicians of his time including Begum Akhtar, Smt. Kesarbai Kerkar and Ustad Amin Khan. He is famous for perfecting Khayal, a form of Hindustani classical music. Bhimsen Joshi was also known for his presentation of devotional music. His bhajans were already being sung in Kannada.

Bhimsen Joshi served as a playback singer in many movies including 'Basant Bahar' and 'Birbal My Brother'.

On December 31, 2010 Bhimsen was admitted to Sahyadri Super speciality Hospital with issues like gastrointestinal bleeding and bilateral pneumonia. On January 24, 2011, he breathed his last and was laid to rest at Vaikunth crematorium in Pune.

Bhimsen Joshi was honoured with several awards over the course of his illustrious career. Some of them are listed below :

i) Padmashree–1972, ii) Padmabhusan–1985, iii) Padmavibhushan–1999, iv) Bharatratna–2008. ❖

# Football and Mathematics

◆ **Nishanta Choudhury**

Class IX

*"Mathematics is the door and key to the Sciences"–Roger Bacon*

Almost everything in life can be quantified now with the help of coordinate Geometry, Matrices, Probability, Statistics, Algebra, Binary Numbers and Computing.

Mathematics is the main thing used in football. If we watch teams like Barcelona we can see them form triangles in the midfield so that they can see each other in every angle. Teams like Chelsea use a lot of mathematics in their games too. They use different formations against different sides and run at higher tempos at different parts of the game.

In football we can quantify the qualitative performances of each player or a collective group of players. Quantifying does not mean 10-12 statistics like number of goals, shots on target, yellow cards, etc. Today, we get almost 100 different attributes of a player with thousands of data in just a



single match. Using these sets of data we can create different algorithms and mathematical models.

These algorithms and models are then used to model 'Artificial Intelligence'–a tool which will help players to know their performances better, areas of improvements etc. Also the players can compare themselves with other players and develop themselves bit by bit.

The managers can get great inputs about their players, oppositions which may help him take tactical decisions which are one of the most important parts of the 90 minutes game.

In the FIFA WORLD CUP, 2018 almost all the teams have used various mathematics and computing techniques to improve the normal playing ability of their respective teams.

The FIFA WORLD CUP, 2018 had more upsets than expected because while picking a team as strong or weak we consider only the players and not the support staffs and mangers which play a major role in making strategies in the generation of artificial intelligence which I belive now has around 40-45 percent weightage for a game's outcome which is why games were tough in the previous world cup. Most of the teams have great analysis, support staffs which can build strategies with different AI tools and hence make prediction game very complex.

So, today we don't just require 11 players in a team to be a dream team, we need more than that. ❖



**ঋষভ শইকীয়া**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**উদ্দীপন শৰ্মা**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# विविधा

## जैसा सवाल वैसा जवाब

◆ अंकुर बर्मन
पाँचवी कक्षा

बादशाह अकबर अपने मंत्री बीरबल को बहुत पसंद करता था। बीरबल की बुद्धि के आगे बड़े-बड़े की भी कुछ नहीं चल पाती थी। इसी कारण कुछ दरबारी बीरबल से जलते थे। वे बीरबल को मुसीबत में फँसाने के तरीके सोचते रहते थे।

अकबर के एक खास दरबारी ख्वाजा सरा को अपनी विद्या और बुद्धि पर बहुत गर्व था। बीरबल को तो वे अपने सामने निरा बालक और मूर्ख समझते थे। लेकिन अपने मानने से तो कुछ होता नहीं ! दरबार में बीरबल तूती बोल ती और ख्वाजा साहब की बात ऐसी लगती थी जैसे नक्कारखाने में तुती की आवाज़। ख्वाजा साहब को चलती तो वे बीरबल को हिंदुस्तान से निकलवा देते लेकिन निकलवाते कैसे !

एक दिन ख्वाजा ने बीरबल को मूर्ख साबित करने के लिए बहुत सोच-विचार कर कुछ मुश्किल प्रश्न सोच लिया। उन्हें विश्वास था कि बादशाह के उन प्रश्नों को सुनकर बीरबल के छक्के छूट जाएंगे और वह लाख कोशिश कर भी संतोषजनक उत्तर नहीं दे पाएगा। फिर बादशाह मान लेगा कि ख्वाजा सरा के आगे बीरबल कुछ नहीं है।

ख्वाजा साहब अचकन-पगड़ी पहनकर दाढ़ी सहलाते हुए अकबर के पास पहुँचे और सिर झुका कर बोले, ''बीरबल बड़ा बुद्धिमान बनता है। आप भी उसकी लंबी-चौड़ी बातों के धोखे में आ जाते हैं। मैं चाहता हूँ कि आप मेरे तीन सवालों के जवाब पुछकर उसके दिमाग की गहराई नाप ले। उस नकली अक्ल-बहादुर की कलई खुल जाएगी।''

ख्वाजा के अनुरोध करने पर अकबर ने बीरबल को बुलाया और उनसे कहा, ''बीरबल ! परम ज्ञानी ख्वाजा साहब तुमसे तीन प्रश्न पूछना चाहते हैं। क्या तुम उनके उत्तर दे सकोगे ?''

बीरबल बोले, ''जहापँनाह ! जरूर दूँगा। खुशी से पूछें।'' ख्वाजा साहब ने अपने तीनों सवाल लिखकर बादशाह को दे दिए।

अकबर ने बीरबल से ख्वाजा का पहला प्रश्न पूछा, ''संसार का केंद्र कहाँ है ?''

बीरबल ने तुरंत जमीन पर अपनी छड़ी गाड़कर उत्तर दिया, ''यही स्थान चारों ओर से दुनिया के बीचों-बीच पड़ता है। यदि ख्वाजा साहाब को विश्वास न हो तो वे फ़ीते से सारी दुनिया को नाप कर दिखा दे कि मेरी बात गलत है।''

अकबर ने दूसरा प्रश्न किया, ''आकाश में कितने तारे हैं ?''

बीरबल ने एक भेड़ मँगवाकर कहा, ''इस भेड़ के शरीर में जितने बाल हैं, उतने ही तारे आसमान में हैं। ख्वाजा साहब को इसमें संदेह हो तो वे बालों को गिनकर तारों की संखा से तुलना कर लें।''

अब अकबर ने तीसरा सवाल किया, ''संसार की आबादी कितनी है ?''

बीरबल ने कहा, ''जहाँपनाह ! संसार की आबादी पल-पल पर घटती-बढ़ती रहती है क्योंकि हर पल लोगों का मरना-जीना लगा ही रहता है। इसलिए यदि सभी लोगों को एक जगह इकट्ठा किया जाए तभी उन्हें गिनकर ठीक-ठीक संख्या बताई जा सकती है।''

बादशाह तो बीरबल के उत्तरों से संतुष्ट हो गया लेकिन ख्वाजा साहब नाक-भौंह सिकोड़कर बोले, ''ऐसे गोलमोल जवाबों से काम नहीं चलेगा जनाब !''

बीरबल बोले ''ऐसे सवालों के ऐसे ही जवाब होते हैं। पहले मेरे जवाबों को गलत साबित कीजिए, तब आगे बढ़िए।''

ख्वाजा साहब से फिर कुछ बोलते नहीं बना। ❖

# सैनिक शिक्षा

◆ **मानस प्रतिम डेका**
आठवीं कक्षा

सैनिक शिक्षा प्रत्येक राष्ट्र के लिए जरुरी है। यह शिक्षा राष्ट्र के हर एक नागरिक के लिए समान रूप से महत्व रखती है। यह हमारे शरीर को शक्ति देती है और चारित्रिक-गठन को दृढ़ बनाती है। अत: कहा जा सकता है कि सैनिक शिक्षा प्रत्येक नागरिक के लिए आवश्यक है। इसके बिना हमारी शिक्षा अधूरी है।

भारत को स्वतन्त्र हुए सत्तर वर्ष से ऊपर हो चुके हैं। लेकिन अभी भी यहाँ के नागिरकों में अनुशासन तथा चारित्रिक गठन का अभाव है। इसलिए आज हमें अनुशासन का महत्व समझना है और अपनी स्वतन्त्रता की रक्षा करनी है। इसके लिए हमें सैनिक-शिक्षा का नित्यान्त आवश्यक है।

सन् 1948 ई० भारतीय इतिहास में बहुत ही यादगार वर्ष है। इसी वर्ष संसद ने एक कानून बनाकर राष्ट्रीय छात्र-सेना (N.C.C.) की स्थापना की। इसके अनुसार स्कूल और कॉलजों में सैनिक शिक्षा देने की व्यवस्था की गयी है।

NC.C. (National Cadet Corps) का उद्देश्य है-

क) नवयुवकों और नवयुवतियों में चरित्र, भातृत्व, सेवा, आदर्श एवं नेतृत्व की क्षमता का विकास करना,

ख) सेना में विभिन्न क्षेत्रों में नवयुवक-नवयुवितयों के प्रशिक्षण पर जोर देना तथा देश की प्रगति के लिए उनमें रुचि उत्पन्न करना,

ग) राष्ट्रीय संकट के समय सैनिक पदाधिकारियों का एक रक्षित दल बनाना।

एन. सी. सी. का संगठन सेना के संगठन की तरह है। इसकी भी तीन शाखाएँ है- स्थल सेना, जल सेना और वायु सेना। कॉलेजों और स्कूलों में इनकी अलग-अलग शाखाएँ है पर दोनों में अन्तर है। स्कूल की शाखा को जूनियर डिवीजन एन. सी. सी. तथा कॉलेज की शाखा को सीनियर डिवीजन एन. सी. सी. कहते हैं। यहाँ यह जान लेना आवश्यक है कि स्कूलों में सैनिक प्रशिक्षण की केवल भूमिका तैयार की जाती है और उसका पूर्ण प्रशिक्षण कॉलेजों में दिया जाता है। एन. सी. सी. जूनियर डिवीजन के छात्र एवं छात्राओं की ड्रिल, समाज-सेवा, नागरिकता, नक्शा-पाठ, प्राथमिक चिकित्सा, शस्त्र संचालन इत्यादि का प्रशिक्षण दिया जाता है।

आज इसका अधिक विकास एवं प्रसार हो चुका है। लेकिन अभी भी आवश्यकता इस बात की है कि स्कूल और कॉलेजों में अधिकाधिक छात्र एन. सी. सी. में भर्ती होकर सैनिक शिक्षा प्राप्त करें तथा वे सैनिक शिक्षा में सम्मिलित हो जायें। ❖

# मैग्ला डॉन शार्क का अस्तित्व

◆ पार्थजित डेका
नवीं कक्षा

वर्तमान समय में पानी में रहनेवाला सबसे बड़ा जीव है ब्लू व्हेल। अगर हम ब्लू व्हेल धरती में मौजूद बाकी जीवों से तुलना करे तो भी यह सबसे बड़ा जीव होगा। हमारी धरती सारे चारसौं करोड़ साल पुरानी है। क्या इतने लम्बे अर्से में ब्लूहेल ही सबसे बड़ी जीवित प्रजाती है। वैसे ह्वेल को मछली कहना गलत होगा। क्योंकि यह एक मेंमलस प्रजाती का जीव हैं। मछलियों के प्रजातियों के हिसाब से 'दी ग्रेर व्हाईट शार्क' आज के समय में सबसे बड़ी मछली हैं। इनकी लम्बाई करीब 15 से 20 फीट तक होती है। लेकिन आज से लाखों साल पहले धरती पर 'डायनाशोर' रहता था, ठीक उसी तरह एक शार्क की प्रजाती भी अतीत में मौजूद था और उसका नाम था मैग्लाडॉन। मैग्लाडॉन आज से लगभग तीस लाख साल पहले समुद्र पर राज करता था। इसकी लम्बाई 60 फीट और इसका जबड़ा करीब 3 मीटर का होता था, जो कि एक इंसानी शरीर से काफी बड़ा था। मैग्लाडॉन के इस जबड़े में लगभग 270 नुकिले दाँत थे। इनके जबड़े में दाँत पाँच लाईन में होता था और इन दाँतों की लम्बाई तीन से सात इंच तक होती थी। अगर किसी दुर्घटना में मैग्लाडॉन का दाँत टूट जाता है तो नया दाँत निकलने में सिर्फ दो दिन का समय लगता था। मैग्लाडॉन अपने अपने शिकार को मुहँ से दबोचते समय जो प्रेशर क्रिएट करता था वह करीब 10 टन के बड़ाबर था जो एक कछुए के शेल को भी आसानी से तोड़ सकता था। इनका वजन करीब 100 टन के आस-पास होता था। मैग्लॉडॉन शार्क इतना बड़ा था कि उनको भारी मात्रा में खाने की जरूरत पड़ती थी। वैज्ञानिको को मानाना है कि इन्हे हर दिन लगभग 1 टन खाना चाहिए था। जो मैग्लॉडॉन समुद्र के व्हेल, सीकाउ, सी लायन जैसी बड़े बड़े जीवों को खाकर अपने हर दिन की जरूरत की पूर्ति करता था। मैगालाँडाँन के बच्चों के तो वजन दो से तीन टन और इनकी लम्बाई 10 फीट का होता था और इनका जनम समुद्र के उन इलाके में होता था जहाँ पर पानी की मात्रा काफी ज्यादा थी क्योंकि जिंदा रहने के लिए इन्हें ज्यादा से ज्यादा पानी की जरूरत होती थी। इसी वजह से मैग्लॉडॉन शिकार करने समुद्र के किनारे तक नहीं जाते थे। क्योंकि इनका आकार बहुत बड़ा था और पानी का लेवल कम होना मतलब इनके लिए जानलेवा खतरे के बराबर था। तो इनकी बड़ी और शक्तिशाली प्रजाती होने के बावजूद ये मैग्लॉडॉन बिलुप्त कैसे हो गया? क्योंकि डायनासौर जैसे जीव के खतम होने के पीछे बहुत बड़े एस्ट्रॉईड का हाथ था। लेकिन मैग्लॉडॉन के साथ आखिर ऐसा क्या हुआ था? मैग्लॉडॉन के विलुप्त होने का कारण आज भी ठीक तरह से पता नहीं चल पाया है। इनके विलुप्त होने को लेकर बहुत से थियॉरिस निकालि है। लेकिन एक थियॉरि जिसको सबसे ज्यादा आयदियल माना जाता हैं। उस थियॉरि के मुताबिक समय के साथ नये प्रजाती के समुद्री जीव एवलियूशन के चलते उत्पन्न होने लगे। समुद्र पर मछलियों की संख्या बहुत ही तेजी से बढ़ने लगी और इन छोटी मछलियों को बड़े शार्क खा रहे थे। मैग्लॉडॉन भले ही आकार में बड़ा था लेकिन इनकी आबादी ह्वाईट शार्क के मुकाबले काफी कम थी और ये वही समय था जब ह्वाईट शार्क की आबादी बहुत ही तेजी से बढ़ने लगी थी। आज से तीस लाख साल पहले धरती के समुद्र की हर हिस्से का टेम्प्रेचर काफी कम यानी ठंडा था और मैग्लॉडॉन के जिंदा रहने के लिए वार्म वेदर कंडिशन ही आयदियल था। मैग्लॉडॉन के लिए ठंडे इलाकी में जिंदा रहना काफी ज्यादा मुश्किल था। इसिलीए जैसे जैसे समुद्र की ठंडी बढ़ती गई मैग्लॉडॉन समुद्र की गर्म इलाको में चली गई। लेकिन वह छोटी मछलियाँ तो उन ठंडी इलाको

में ही रह गई और उस समय गर्म इलाको में काफी कम छोटी मछलियाँ हुआ करती थी मतलब मैग्लॉडॉन प्रजाती के लिए खाना कम पर रहा था और मैग्लॉडॉन के भूख लगने पर ये अपने प्रजाती के छोटे बच्चों को ही खा लेते थे और इसी तरह से मैग्लॉडॉन की पुरि प्रजाती खतम हो गई।

लेकिन सबसे बड़ा सवाल यह आता है कि क्या मैगालाँडाँन आज भी धरती पर जीवित है या फिर रह सकता है ? पिछले कुछ सालों में ऐसी कुछ घटनाए घट चुकी है जो मैग्लॉडॉन के विलुप्त होने की बात पर भी एक बहुत बड़ा सवाल पैदा करता है। 1875 में हुए एक समुद्री यात्रा में मैग्लॉडॉन के दो दाँत पाए गए थे। जिनकी कार्बोन्देटिक से ये पता चला कि ये दाँत शायद दस हजार साल पुराना हो सकता है। लेकिन मैग्लॉडॉन तो लाखो साल पहले बिलुप्त हो चुका है। तो ये दाँत कैसे सिर्फ दस हजार साल पुराणा हो सकता है। इसके अलावा 2009 में हिस्टोरि चेनल के दकुमेंत्री ने 'गल्फ ऑफ केलिफोर्णिया में एक बहुत बड़े शार्क मछली की दुढ़ने का मीशन दिखाया गया था। वहाँ के लोगों का कहना था कि वहाँ एक बहुत बड़ी शार्क मछली मौजूद है जो तेजी से उस इलाके के मछलीओं को खा रही थी, और उनलोगों के मुताबिक यह शार्क करीब 45 फीट लम्बी रही होगी और अगर ये सच हुआ तो ये कोई मामुली ह्वाईट शार्क तो नहीं होगी क्योंकि वह आकार में ज्यादा 20 फीट तक ही होता है लेकिन ताज्जूब की बात तो यह है कि चेनल की रीम इतने बड़े शार्क ढुढ़ने में नाकाम रही। मैग्लॉडॉन के अस्तित्व को लेकर आज भी वैज्ञानिको के बीच में मतभेद होते हैं।

कुछ लोगो का मानना है कि मैग्लॉडॉन लाखो साल पहले विलुप्त हो चुका है और वही कुछ लोग यह भी मानते है कि मैग्लॉडॉन आज भी समुद्र की उन गहराईयों में छिपा हुआ है जहाँ मनुष्य का वहाँ पर जाना असम्भव है। क्योंकि समुद्र की उन गहराईयो में पानी का प्रेशर काफी ज्यादा होता है और वहाँ गर्मी होती है। तो इसलिए मैग्लॉडॉन के आज भी धरती पर होने के वजूदी को काफी हदतक बताना असम्भव है। क्योंकि वैज्ञानिक भी आजतक समुद्र के बारे में सिर्फ पाँच पर्सेंट ही जान पाए हैं। बाकी कि 95 पसेंट अब भी रहस्य में डूबी हुई हैं। वैज्ञानिकों का मानना है कि 'मरीयाना तेंज' जी धरती की सबसे गहरी जगह है वहाँ ऐसे-ऐसे विभिन्न प्रकार के जीव हो सकते हैं जिनका नाम हमने आजतक सुना भी न हो और ये मैग्लॉडॉन भी ठंडे टेम्पेचर के चलते 'मरीयाना तेंज' की एकदम गहराई में चले गए क्योंकि वहाँ पानी का लेवल ज्यादा था, ऊपर से वहाँ का वातावरण यानि वेदर भी गर्म था और ये मैग्लॉडॉन आज भी जिंदा है और अपना वजूद टिकाए रह रही है। ❖

# परिवर्तन

◆ **गीतार्थी बड़ा**
नवीं कक्षा



देखो यह जग का परिवर्तन
जिन कलियों की खिलते देखा
मृदु मरूत में हिलते देखा
प्रिय मधुओं से मिलते देखा
हो गया उन्हीं का आज दलन
देखो यह जग का परिवर्तन।

रहती थी नित्य बहार जहाँ
बहती थी रस की धार जहाँ
था सुख का संसार जहाँ
है वहाँ आज बस ऊजड़े हुए बन
देखो यह जग का परिवर्तन।

जो देश, जनगनों की शान रहे
नित सुखी स्वतंत्र विशाल रहे
लो आज उसका भी हो गया पतन
देखो, समझो समयरूपी पहिए को-
देखो यह जग का परिवर्तन॥ ❖

# मराठी मुलगी

◆ विशालाक्षी शर्मा
दसवीं कक्षा

''एक सफल महिला युट्यूब प्रयोगकर्ता होना कैसा लगता है?'' क्या कुछ अलग महसूस करना जरूरी है जब आप एक महिला होकर प्रसिद्धि प्राप्त करते हो?

प्राजक्ता कोली, एक ऐसी लड़की जो सभी युवाओं के लिए एक प्रेरणा स्वरूप है। एक युट्यूब जिसके युट्यूब में 4 मिलियन से भी ज्यादा अनुगामी है, जिसे उन्होंने सिर्फ 4 सालों में कमाया है। उन्होंने अपना रेडियो जोकी बने रहने का सपना छोड़ दिया एक ऐसे काम के लिए जिसके बारे में उन्हें कोई ज्ञान नहीं था। उस वक्त शायद यह फैसला गलत लग रहा था पर अब हम देख सकते है कि उनका युट्यूब चैनल 'Mostlysane' ने कितना अच्छा मुकाम हासिल कर लिया है।

कुछ ऐसी बातें भी है जो प्राजक्ता को मेरे लिए खास बना देती है। वह अपने अनुगामियों को प्यार से 'दमदम' बुलाती है। हमें ऐसा महसूस करने नहीं देती कि हम फोन के दूसरी ओर बैठकर उन्हें सिर्फ देख रहे है। प्राजक्ता को आता है सबको एक परिवार की तरह रखना। शायद इसी प्यार के कारण सब उनसे प्रभावित है।

एक हप्ते में वह तीन वीडियो बनाती हैं। उनमें से मंगलवार को आने वाला वीडियो मेरे लिए सबसे ज्यादा खास है। क्योंकि उस दिन वह हमसे बात करती है एक दोस्त की तरह, एक मार्गदर्शक की तरह। उन वीडियों को हम # Realtalktuesday के नाम से जानते है। कभी कुछ ऐसी बातें जो उनके लिए विशेष होती है तो कभी ऐसी जिससे हमारा फायदा कही न कही हो सकता है। मैं यहाँ एक बात उल्लेख करूँगी, वह एक नियमित पाठक है। उनका दिन शुरू होता है, किताबों के साथ। यह एक अच्छा संकेत है। उन्होंने ऐसी ही दो वीडियो में दस किताबों के बारे में विचार किया है जिनके साथ हम इस अभ्यास को बढ़ा सकते है। इस तरह की बहुत सी बातें होती है जिनसे हम उनसे ज्यादा करीब से बातें करती है, जिनसे हम उनको ज्यादा करीब से जान सकते है।

वह इस तरह की लड़की है जो हमेशा खुश रहती है और उसकी खुशी हमारे लिए हमेशा से सबसे बढ़कर है।

इसी साल यानी 2019 में उन्होंने 'Women of Worth' और 'Youtuber of the year' जीता है। इसके अलावा 2017 में 'शेमलेस' और 2018 में 'नो अफेंस' नामक दो गानें भी लिखे तथा गाए है। आज कल समाज में लड़कियों के साथ जिस तरह व्यवहार किया जाता है, उन्हीं बातों के साथ इन दो गानों के बोल को हम जोड़ सकते है। उन्होंने सभी तरह से हमारा प्यार और सम्मान जीता है।

एक 26 साल की लड़की जिसने ज्यादातर लोगों के दिलों में एक अजीब सी ही जगह बना ली है। उनके व्यक्तित्व में ऐसा कुछ तो अपवाद है जिसके कारण ही इतने लोगों के लिए वह इतना महत्व रखती है। वह अपने कॉमेडी के क्षेत्र में भी एक तरह से विजयी युट्यूबर है। वह न ही किसी लड़के से कम है, न ज्यादा पर उन सभी के साथ कंधे से कंधा मिलाकर चलनेवाली मराठी मुलगी है। ❖

# বিনন্দীয়া পৃথিৱী

## পবিতৰা অভয়াৰণ্য

◆ পাৰ্থ প্ৰতিম পাঠক
পঞ্চম শ্ৰেণী

২৫ ডিছেম্বৰ, ২০১৮ চন, মঙলবাৰ। মোৰ দেউতাৰ কলেজ বন্ধ। আমি যাৰ ঘৰত ভাড়া কৰি থাকোঁ সেই দাদাৰো বন্ধ। ৰাতিপুৱা বৌৱে মোৰ মাক ফ'ন কৰি পবিতৰা অভয়াৰণ্যলৈ যাবলৈ লগ ধৰিলে। সেইবাবে মায়ে মোক সোনকালে গা ধুই সাজু হ'বলৈ ক'লে। মই গা ধুই সাজি-কাছি ওলালোঁ। তাৰ পিছত মা-দেউতাও খৰধৰকৈ ওলাল। দাদা, বৌ, আৰ্ভি, মা, দেউতা আৰু মই দাদাৰ গাড়ীত ১০:৪৫ বজাত পবিতৰা অভয়াৰণ্য অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। দেউতাই নাৰেঙ্গীত আপেল, কল, ৰুটি আদি ল'লে। আমি গৈ থাকোঁতে বাটত এটা ডাঙৰ ঘৰচীয়া হাতী দেখা পালোঁ। দেউতাই হাতীটোৰ শুঁৰত ১০ টকা গুঁজি দিলে। আমি অভয়াৰণ্যৰ মুখ্য দুৱাৰ প্ৰায় ১২:৪৫ বজাত পালোঁ। তাৰ পিছত মই, আৰ্ভি আৰু দাদা আমি আটায়ে খেলিবলৈ ল'লোঁ। মা আৰু বৌ অলপ খোজ কাঢ়িবলৈ গ'ল। দেউতাই জীপ ছাফাৰীৰ বাবে কাউণ্টাৰত ৰৈ আছে। অৱশেষত দেউতাই জীপ ছাফাৰীৰ টিকট সংগ্ৰহ কৰিলে। তাৰ পিছত আমি জীপত উঠি অভয়াৰণ্যখনত ঘূৰি ফুৰোঁতে প্ৰথমে কেইটামান শৰালি হাঁহ আৰু আন আন চৰাই বিলত চৰি থকা দেখিলোঁ। বিলৰ পাৰত কেইটামান হাড়গিলা আৰু বৰটোকোলা দেখিলোঁ। গছ-গছনিৰ গভীৰ অৰণ্যৰ মাজেৰে আমাৰ জীপ গাড়ীখন গৈ থাকিল। কিছুদূৰ যোৱাৰ পিছত গাড়ীখন ৰখালে আৰু এটা জন্তু দেখিলোঁ, সেইটো হ'ল বনৰীয়া ম'হ। গৈ গৈ আমাৰ গাড়ীখন এইবাৰ বননিৰ মাজত অলপ ৰখালে। তাত আমি চাৰিটামান গঁড় দেখিলোঁ। আমাৰ গাড়ীখন আগবাঢ়ি গৈ থাকিল। তেনেতে আকৌ শুই থকা এটা ডাঙৰ গঁড় দেখিলোঁ। এনেকৈ গৈ আমাৰ গাড়ীখন আগৰ ঠাই পালে। তাতেই আমাৰ অভয়াৰণ্যৰ জীপ ছাফাৰীৰ সামৰণি পৰিল। ইয়াৰ পিছত আমি হাদুক ওলোমা সেঁতুত উঠিলোঁ। তাৰপৰা কেইটামান হাতীক মাউতে গা ধুৱাই থকা দেখিলোঁ। তাৰ পিছত তাত থকা শিশু উদ্যানত মই আৰু আৰ্ভি অলপ খেলিলোঁ। আমি লগত নিয়া কল, আপেল আদি খাই দাদাৰ গাড়ীৰ সন্মুখত কিছু সময় বেডমিণ্টনো খেলিলোঁ। অৱশেষত আমি ঘৰলৈ উভতিলোঁ। আহোঁতে নাৰেংগীত হোটেল এখনত আহাৰ খালোঁ। খাই উঠি দাদাৰ গাড়ীৰে আহি প্ৰায় ৬:৪৫ বজাত ঘৰ পালোঁ। ঘৰ পোৱাৰ পিছত বৌৱে মোক কেনেকুৱা লাগিল সুধিলে? মই বৰ আনন্দৰে ভাল লাগিল বুলি ক'লোঁ। সঁচাকৈয়ে পবিতৰা অভয়াৰণ্য চাই বৰ ভাল লাগিল। ❖

# নীল সাগৰৰ বুকুত আন্দামান

◆ অভিলাষা বৰ্মন
ষষ্ঠ শ্ৰেণী



২০১৮ চনৰ নৱেম্বৰ মাহৰ ৩০ তাৰিখে মোৰ মনত আনন্দই নধৰা হ'ল। ইয়াৰ কাৰণ হ'ল আমি আন্দামানলৈ যাম। মোৰ মা-দেউতাই বেগত কাপোৰ-কানি আৰু লাগতিয়াল বস্তু আদি ভৰাইছে। ডিচেম্বৰ মাহৰ ১ তাৰিখে ৰাতিপুৱাই মই, মোৰ মা-দেউতা, বৰমা আৰু বৰদেউতা বিমান বন্দৰলৈ যাবলৈ এখন টেক্সিত উঠিলোঁ। ৯:৩০ বজাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰাষ্ট্ৰীয় বিমান বন্দৰৰপৰা কলিকতালৈ উৰা মাৰিলোঁ। ১০:৩০ বজাত কলিকতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত বিমানখনে অৱতৰণ কৰিলে। তাৰ পাছত পোনে পোনে আমি আগতীয়াকৈ অনলাইন যোগে বন্দবস্ত কৰি ৰখা হোটেল শ্ৰীকৃষ্ণণ ইণ্টাৰনেছনেল পালোঁগৈ। তাতে হাত-মুখ ধুই কলিকতাত অৱস্থিত 'মাডাৰ্ছ ৰেক্স মিউজিয়াম' চাবলৈ গ'লোঁ। এই মিউজিয়ামটোত ভাৰতবৰ্ষৰ বিভিন্ন ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰা ব্যক্তিসকলৰ মূৰ্তিবোৰ ম'মেৰে হুবহু ৰূপত তৈয়াৰ কৰি সংৰক্ষণ কৰি ৰখা হৈছে। নিশাটো হোটেলতে কটাই পিছদিনা ৰাতিপুৱাই ১১:৩০ বজাত আকৌ উৰাজাহাজেৰে আন্দামানলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। গম পালোঁ যে গোটেই পথছোৱা সাগৰৰ ওপৰেৰে যাত্ৰা কৰিব লাগিব, সেয়েহে মনত ভয়ো লাগিছিল। দুঘণ্টামানৰ পিছত যেতিয়া বিমান পৰিচাৰিকাই ঘোষণা কৰিলে যে আমি আন্দামানৰ ৰাজধানী প'ৰ্টব্লেয়াৰ পাবলৈ আৰু বেছি সময় নাই, তেতিয়া মনটো উগুল-থুগুল লাগিল। খিৰিকিৰে তলফালে চাই দেখিলোঁ যেন নীলা সাগৰৰ মাজত কিছুমান সেউজীয়া ভূমি খণ্ড খণ্ডকৈ বিচিত্ৰ ৰূপত প্ৰকৃতিয়ে নিৰ্মাণ কৰি থৈছে। কেইমিনিটমান পিছতে বিমানখনে প'ৰ্টব্লেয়াৰৰ 'বীৰ চাভাৰকাৰ আন্তৰ্জাতিক বিমান বন্দৰ'ত অৱতৰণ কৰিলে। বিমান বন্দৰৰ বাহিৰত আমি ঠিক কৰি থোৱা টুৰিষ্ট গাইডগৰাকী আমাৰ বাবে ৰৈ আছিল। তাৰপৰা আমাক 'মেৰাইন ভিউ' নামৰ হোটেলখনলৈ লৈ গ'ল। প'ৰ্টব্লেয়াৰ চহৰখন সৰু সৰু টিলা আৰু সমতলভূমিৰ ওপৰত অৱস্থিত। সেই সময়ত আন্দামানৰ জলবায়ু গৰম আছিল। সন্ধিয়া 'Cellular Jail' চাবলৈ গ'লোঁ। প'ৰ্টব্লেয়াৰত 'Cellular Jail'খন পৰ্যটকৰ মুখ্য আকৰ্ষণস্থলী। সমুদ্ৰতীৰত অৱস্থিত তৰামাছৰ আকৃতিৰ 'Cellular Jail' ইংৰাজৰ শাসন কালছোৱাত বিখ্যাত 'কালাপানী জেল' নামে জনাজাত আছিল। সন্ধিয়া

৭ বজাত জেল চৌহদত 'লাইট এণ্ড চাউণ্ড শ্ব' চাই মনটো বিষাদেৰে ভৰি গ'ল। স্বাধীনতা সংগ্ৰামীসকলক ইংৰাজে এই জেলত ৰাখি অমানুষিক অত্যাচাৰ চলাইছিল। বহুতক ফাঁচী দি হত্যা কৰিছিল।

৩ ডিছেম্বৰ তাৰিখে ৰাতিপুৱাৰ জলপান গ্ৰহণ কৰি 'North Bay Island' আৰু 'Ross Island' ভ্ৰমণ কৰাৰ উদ্দেশ্যে পৰ্টব্লেয়াৰৰ জাহাজঘাটলৈ গ'লোঁ। প্ৰথমতেই আমি 'ভিৰাট' নামৰ সৰু মটৰচালিত জাহাজেৰে 'North Bay Island'লৈ যাত্ৰা আৰম্ভ কৰিলোঁ। কিছু সময় পিছতে দ্বীপটোত উপস্থিত হৈ গম পালোঁ যে ইয়াত নানাৰঙী তথা ভিন্ন আকৃতিৰ সামুদ্ৰিক ক'ৰেল আৰু মাছ পোৱা যায়। ইয়াত বিভিন্ন জলক্ৰীড়াৰ ব্যৱস্থা আছে। আমি স্নৰ্কলিং নামৰ জলক্ৰীড়াটো কৰাৰ উদ্দেশ্যে লাইফ জেকেট পৰিধান কৰি সাগৰৰ বুকুত নামি পৰিছিলোঁ। প্ৰতিজনৰে লগত একোজনকৈ প্ৰশিক্ষক। মুখমণ্ডলত মাক্স পিন্ধি সাগৰতলীৰ ভিন্নৰঙী ক'ৰেল তথা মাছ দেখিবলৈ পাইছিলোঁ। পানীবোৰ ইমান ফটফটীয়া যে কেইবা ফুট গভীৰতালৈ সকলো দেখা যায়। ইয়াৰ পিছতে আমি আন এটা জলক্ৰীড়া 'ডলফিন ৰাইড' কৰিলোঁ। ডলফিন আকৃতিৰ আৰু সোঁমাজত তলিৰফালে বিৱৰ্ধক লেন্স সংযুক্ত এখন অত্যাধুনিক মটৰ নাও। নাওখনৰ আধা অংশ পানীৰ তলত সোমাই থাকে। নাওখনেৰে বিভিন্ন দিশত পৰিভ্ৰমণ কৰি সাগৰতলীৰ ক'ৰেল, মাছ বা অন্যান্য প্ৰাণীসমূহ চাব পাৰিলোঁ।

দুঘণ্টামান পিছত একেই মটৰচালিত জাহাজেৰে গৈ আমি 'ৰ'জ আইলেণ্ড' পালোঁ। প্ৰাক্ স্বাধীনতাৰ কালছোৱাত ইংৰাজবিলাকে এই দ্বীপটোত থাকি আন্দামানৰ প্ৰশাসন কাৰ্য চলাইছিল। অতুলনীয় সৌন্দৰ্যৰ এই দ্বীপটোত এতিয়া পৰ্যটকসকলে ভিৰ কৰে।

৪ ডিছেম্বৰ তাৰিখে ৰাতিপুৱা ৯ বজাত পৰ্টব্লেয়াৰৰপৰা ডাঙৰ সুদৃশ্য জাহাজেৰে দুঘণ্টাৰ সমুদ্ৰপথ অতিক্ৰম কৰি 'Havelock Island' পালোঁ। একে ধৰণৰ টুৰিষ্ট গাইডে বন্দৰৰপৰা আমাক 'Holiday Inn Beach Resort' লৈ গ'ল। দ্বীপটোৰ মনোমোহা ৰূপ দেখি আমি অভিভূত হৈ পৰিছিলোঁ। সন্ধিয়া ৰাধানগৰ বীচ্ছ চাবলৈ গৈ তাত বহুতপৰ খেলিলোঁ। বিশ্বৰ বিভিন্ন দেশৰ পৰ্যটকেৰে উখল-মাখল হৈ আছিল। নিশা ৰিজৰ্টখনতে আহাৰ গ্ৰহণ কৰি বৰ আনন্দেৰে কটালোঁ।

৫ ডিছেম্বৰ তাৰিখে ৰাতিপুৱা Havelock Islandৰপৰা Neil Islandলৈ যাত্ৰা কৰিলোঁ। ১ ঘণ্টাৰ বাট, একেই বৃহৎ আৰু সুদৃশ্য জাহাজ। এই দ্বীপটোতো আমালৈ টুৰিষ্ট গাইডে অপেক্ষা কৰি আছিল। আমাক এই দ্বীপত থকা 'হলি দে বীচ্ছ ৰিছৰ্ট'লৈ লৈ গ'ল। তাত থকা বীচ্ছখনত আমি বহুপৰ খেলিলোঁ। এই দ্বীপটো আৰু বেছি ধুনীয়া। এই দ্বীপত ভ্ৰমণ কৰা ঠাইবোৰ হ'ল চিতাপুৰ বীচ্ছ, বৰতপুৰ বীচ্ছ, লক্ষ্মণপুৰ বীচ্ছ আদি। অতুলনীয় সৌন্দৰ্যৰে ভৰা এই দ্বীপটোত সন্ধিয়ালৈকে ভ্ৰমি নিশাটো ৰিজৰ্ট'ত কটাই পিছদিনা ৬ ডিছেম্বৰ তাৰিখে পৰ্টব্লেয়াৰলৈ সমুদ্ৰৰ বুকুত ওভতনি যাত্ৰা কৰিলোঁ। ৰাতিপুৱা এঘাৰ বজাত পৰ্টব্লেয়াৰ পাই তাৰপৰা হোটেল মাইনকত উপস্থিত হ'লোঁ। দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ পিছত সামুদ্ৰিকা (নৌসেনা বাহিনীৰ সামুদ্ৰিক সংগ্ৰহালয়), নৃতাত্ত্বিক সংগ্ৰহালয়, সাগৰিকা এম্পৰিয়াম আদি চালোঁ।

৭ ডিছেম্বৰ তাৰিখে ৰাতি নৌপুৱাওতেই ৩ বজাত আমি পৰ্টব্লেয়াৰৰপৰা ১০০ কিমি. নিলগৰ বাৰাতাং নামৰ দ্বীপটোলৈ ৰাওণা হ'লোঁ। পথছোৱাৰ ৪০ কিমি. পথ ঘন জংঘলেৰে আবৃত। সেইখিনি ঠাই সংৰক্ষিত এলেকা। নিৰ্ধাৰিত গতিবেগত যাব লাগে। ইয়াত আদিম মানুহ থাকে। আমি দুজন বন মানুহ (জাৰুৱা) দেখা পালোঁ। ঘূৰি অহাৰ সময়ত এজাক বনমানুহ দেখাৰ সৌভাগ্য হৈছিল। বাৰাতাং দ্বীপটোৰপৰা স্পীদ বোট (Speed boat) ত উঠি কিছুদূৰ গৈ চূণশিলৰ গুহা, মেংগ্ৰোভ ক্ৰিকছ ইত্যাদি পৰিভ্ৰমণ কৰিলোঁ। এই পথছোৱাত হেনো ঘঁৰিয়াল থাকে। চাইনবৰ্ডত সতৰ্কবাণী লিখা আছে। আন এটা পৰ্যটনস্থলী হ'ল Mud Volcano। ইয়াত অনবৰতে

বোকাৰ বুৰবুৰণি ওলাই থাকে। নিশা ৮ মান বজাত হোটেল আহি পালোঁ। বহুত ভাগৰ লাগিছিল যদিও বনমানুহ দেখাৰ ৰোমাঞ্চকৰ অভিজ্ঞতাই সকলো ভাগৰ পাহৰাই পেলাইছিল।

৮ ডিছেম্বৰ তাৰিখে ৰাতিপুৱা ৯ বজাত পৰ্টব্লেয়াৰৰপৰা কলিকতা অভিমুখে যাত্ৰা কৰিলোঁ। কলিকতাত কিছু সময় ৰৈ ৩:৩০ বজাত পুনৰ গুৱাহাটীলৈ যাত্ৰা কৰিলোঁ। ৪:৩০ বজাত গুৱাহাটী বিমান বন্দৰ পালোঁহি।

সমগ্ৰ ভ্ৰমণ কালছোৱা আমাৰ বাবে আনন্দেৰে ভৰা আৰু সুখকৰ আছিল। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জসমূহৰ ৩৮টা দ্বীপ বসতিযোগ্য। আদিম মানুহসকল কেইটামান দ্বীপত থাকে। এই আদিম মানুহসকলৰ ভিতৰত জাৰুৱা, অংগে, চেণ্টিনেলী, চমপেনচ্, নিকোবাৰিচ আদিয়েই প্ৰধান।

ভাৰতবৰ্ষৰ কেন্দ্ৰীয়শাসিত অঞ্চল আন্দামান। এই আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জসমূহ সমগ্ৰ বিশ্বৰে পৰ্যটকৰ বাবে আকৰ্ষণীয় স্থল হিচাপে পৰিগণিত হৈছে। আন্দামানৰ সৌন্দৰ্য অতুলনীয়, অনুপম আৰু মনোমুগ্ধকৰ। ❖

# শিঙৰীৰ গুপ্তেশ্বৰ দেৱালয়

◆ **গুঞ্জন গীত পৰাশৰ**
চতুৰ্থ শ্ৰেণী

শোণিতপুৰ জিলাৰ শিঙৰীত অৱস্থিত গুপ্তেশ্বৰ দেৱালয় (শিঙৰী মন্দিৰ)লৈ আমি গৈছিলোঁ। এই মন্দিৰটো শিঙৰী পাহাৰৰ ওচৰত অৱস্থিত। মন্দিৰটোৰ অলপ আঁতৰেৰে ব্ৰহ্মপুত্ৰ নদীখন বৈ গৈছে।

মন্দিৰটোত গৈ আমি ভিতৰলৈ সোমাই সেৱা কৰিছিলোঁ আৰু তেতিয়া তাত থকা পূজাৰীজনে আমাক মন্দিৰটোৰ বিষয়ে সকলো কথা বুজাই কৈছিল, কেনেকৈ মন্দিৰটো স্থাপন কৰা হৈছিল। তেওঁ কৈছিল যে, যেতিয়া হৰি-হৰৰ যুদ্ধ লাগিছিল তেতিয়া ভগৱান শিৱই উপলব্ধি কৰিলে তেওঁনো কাৰ লগত যুদ্ধ কৰি আছে? হৰি মানেও দেখোন তেওঁ নিজেই আৰু হৰ মানেও তেওঁ নিজেই। তেওঁ নিজেই নিজৰ লগত যুদ্ধ কৰি আছে। তেতিয়া ভগৱান শিৱই লাজতে সেই ঠাইখিনিতেই গুপ্ত (লুকাই) হৈ পৰিল। পৰৱৰ্তী সময়ত সেই ঠাইতে এটি মন্দিৰ স্থাপন কৰা হ'ল আৰু তেতিয়াৰপৰাই ঠাইখনৰ নাম গুপ্তেশ্বৰ দেৱালয় হ'ল।

এই মন্দিৰটোৰ আৰু এটা উল্লেখযোগ্য কাহিনী আছে। গুপ্তেশ্বৰ দেৱালয় স্থাপিত হোৱাৰ আগতে গুপ্তেশ্বৰ দেৱালয়ৰ ওচৰতে থকা শিঙৰী পাহাৰখনৰ একেবাৰে ওপৰত ঋষ্যশৃঙ্গ মুনিয়ে যজ্ঞ কৰিছিল। তেওঁ মাটিৰ তলত লুকাই থকা শিৱৰ মূৰ্তিটো উদ্ধাৰ কৰি তাতেই মন্দিৰ স্থাপন কৰিছিল। সেই তেতিয়াৰপৰাই এইটো মন্দিৰৰ নাম গুপ্তেশ্বৰ দেৱালয় হ'ল।

তাত আমি এটা পুখুৰীত কেইটামান কাছ আৰু থূপ কৰি থোৱা লাখ লাখ ত্ৰিশূল দেখিছিলোঁ। মন্দিৰটোৰ ওচৰতে থকা পাহাৰকেইখনত বহুত চেগুন গছ আছে আৰু সেই চেগুনগছৰ ডাঙৰ ডাঙৰ পাতবোৰতেই মন্দিৰৰ ভক্তসকলক ভোগ খাবলৈ দিয়ে। মন্দিৰৰ পৰিৱেশ বৰ সুন্দৰ। তালৈ গৈ বৰ ভাল লাগিল। ❖

# নামফাকেৰ ঐতিহ্য আৰু টাইফাকে সংস্কৃতি

◆ প্ৰজ্ঞা বিজয় লস্কৰ
সপ্তম শ্ৰেণী



হিমালয়ৰ পূব প্ৰান্তত অৱস্থিত পাটকাই পাহাৰ। এই পাটকাই পাহাৰৰপৰা বৈ অহা অনেক নৈ-উপনৈৰ ভিতৰত বুঢ়ীদিহিং অন্যতম। প্ৰায় ৩৮০ কিল'মিটাৰ দীঘল এই নৈখন অসমৰ বহু উত্থান-পতনৰ ইতিহাসৰ জীৱন্ত সাক্ষী। এই নৈখনকে নিজৰ প্ৰাণ বুলি আঁকোৱালি লৈ নৈখনৰ পাৰতে গাঁও পাতি বসবাস কৰি বহু জাতি-জনগোষ্ঠীয়ে নিজৰ সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছে। বুঢ়ীদিহিঙৰ পাৰৰ মনোৰম প্ৰাকৃতিক পৰিৱেশেৰে সমৃদ্ধ এখন দৃষ্টিনন্দন গাঁও নামফাকে। এই নামফাকে গাঁৱতে বাস কৰে ৰাজ্যখনৰ বৰ্ণাঢ্য জনগোষ্ঠীসমূহৰ অন্যতম টাইফাকে জনগোষ্ঠীৰ লোকসকল। প্ৰকৃতি আৰু সংস্কৃতিৰ সংমিশ্ৰণেৰে জিলিকি উঠা নামফাকে গাঁওখন সম্প্ৰতি গ্ৰাম্য জনগোষ্ঠীয় পৰ্যটনৰ অন্যতম পীঠস্থান স্বৰূপ হৈ পৰিছে। নামফাকে গাঁৱৰ বিনন্দীয়া সৌন্দৰ্য উপভোগ কৰিবলৈ, টাইফাকে লোকসকলৰ নৃ-গোষ্ঠীয় ইতিহাস তথা ঐতিহ্য গৱেষণাৰ বাবে বা ঐতিহাসিক নামফাকে বৌদ্ধ বিহাৰ দৰ্শন কৰাৰ বাবে দেশ-বিদেশৰপৰা এই গাঁওখনলৈ নিতৌ অগণন লোকৰ আগমন ঘটে।

এই নামফাকে গাঁৱৰ সৌন্দৰ্য উপভোগ কৰা আৰু টাইফাকেসকলৰ সংস্কৃতিৰ আভাস লাভৰ বাবে চলিত বছৰৰ ২০ মাৰ্চত ফাকুৱাৰ বন্ধৰ হেতু দেউতাৰ পৰিকল্পনামতে নামফাকেলৈ গ'লোঁ। সেই উদ্দেশ্যে ১৯ মাৰ্চৰ নিশা গুৱাহাটী-লিডু এক্সপ্ৰেছ নামৰ ৰে'লখনেৰে গৈ পুৱা প্ৰায় ৮ বজাত নাহৰকটীয়া ষ্টেছনত নামিলোঁ। তাৰপৰা আগতীয়াকৈ বন্দোৱস্ত কৰি থোৱা গাড়ী এখনে আমাক নামফাকেলৈ লৈ গৈ এটা সুন্দৰ চাংঘৰত থকাৰ ব্যৱস্থা কৰিলে।

নামফাকে গাঁওখন ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া চহৰৰপৰা প্ৰায় ৪ কিল'মিটাৰ নিলগত অৱস্থিত। ১৮৫০ চনত প্ৰতিষ্ঠা হোৱা এই গাঁওখনৰ এক ইতিহাস থকা বুলি জনা যায়। প্ৰকৃতপক্ষে টাইফাকে জনগোষ্ঠীটোৰ পূৰ্বপুৰুষসকল পাটকাই পাহাৰ পাৰ হৈ ১৭৪৯ চনত নামপাং নামৰ ঠাইত থিতাপি লৈ পাছত নাংতাও আৰু যোৰহাটৰ দিচৈ নৈৰ পাৰৰ ককিলামুখত বাস কৰে। তাত বাস কৰি থাকোঁতে ১৮১৬-১৭ চনত মানে অসম আক্ৰমণ কৰে আৰু মান সৈন্যৰ টাইফাকে সেনাপতিয়ে স্বগোষ্ঠীৰ লোকসকলক লগ পাই নিজ দেশলৈ উভতাই নিব বিচাৰিলে। সেনাপতিৰ কথামতে টাইফাকেসকল দিচৈ এৰি নামচিক নামৰ ঠাই পালেগৈ। কিন্তু সেই সময়তে বাৰিষা আৰম্ভ হোৱাত টাইফাকেসকলৰ মানদেশলৈ উভতি যোৱাৰ স্বপ্ন পূৰণ নহ'ল। নামচিকৰপৰা ভটিয়াই আহি ১৮২৮ চনত মাৰ্ঘেৰিটাৰ

পূবত ইংথং আৰু ১৮৩০ চনত মাৰ্ঘেৰিটাৰপৰা ৬ কিল'মিটাৰ নিলগৰ বৰফাকে গাঁও প্ৰতিষ্ঠা কৰে। তাৰ পাছত ১৮৫০ চনত নাহৰকটীয়াৰ কাষত নামফাকে, টিপাম-ফাকে গাঁও প্ৰতিষ্ঠা কৰে (উৎস : অসমৰ নৃগোষ্ঠীয় সমাজ—ৰাজীৱ নিংখী।)। ভাষাতাত্ত্বিক দিশৰপৰা বিশ্লেষণ কৰিলে ফাকেৰ অৰ্থ হ'ল ফা-বেৰ আৰু কে-পুৰণিকলীয়া। অৰ্থাৎ পুৰণিকলীয়া শিলাময় এলেকাত বসবাস কৰা লোক। আনহাতে নামফাকে গাঁওখনক টাই ভাষাত 'মানফাকে তাউ' বুলিও কোৱা হয় বা নামকৰণ কৰা হয়। নামফাকে গাঁওখনত বৰ্তমান ৭৪ ঘৰ লোক বাস কৰে আৰু জনসংখ্যা প্ৰায় পাঁচশ। কেৱল টাইফাকে জনগোষ্ঠীৰ লোক বাস কৰা গাঁওখনৰ ৮০ শতাংশ ঘৰেই চাংঘৰ। সেই ঘৰবোৰৰ নিৰ্মাণশৈলী আকৰ্ষণীয় আৰু অধ্যয়ন কৰিবলগীয়া। বাঁহ বা কাঠৰ খুঁটাৰ ওপৰত চাং সাজি তাত বাঁহৰ বেৰ, দুৱাৰ-খিৰিকি সাজি ওপৰত টকৌপাতৰ চাল দি ঘৰ সজা হয়। পূৰ্বতে তেওঁলোকে দুটা ঘৰ একেখন চাঙৰ ওপৰত সাজিছিল যদিও বৰ্তমান এটা ঘৰো সাজে। টাইফাকে লোকসকল বৌদ্ধধৰ্মৰ থেৰবাদী ফৈদৰ; সেয়ে তেওঁলোকৰ উৎসৱ-পাৰ্বণসমূহো সেই ধৰ্মৰ ৰীতি-নীতি অনুসৰি হয়। নতুন বছৰৰ আৰম্ভণিতে পয়-চাং-কেন উৎসৱ পালন কৰে। তদুপৰি পয় নৌন হৌক (বুদ্ধ জয়ন্তী), খাওৱা (তিনিমহীয়া বৰ্ষাবাসৰ আৰম্ভণি পৰ্ব), চা লে (বৰ্ষাবাসৰ তৃতীয়টো পূৰ্ণিমা তিথি), মে পি (বৰ্ষাবাসৰ তৃতীয়টো অমাৱস্যা তিথি), পয় অক ৱা (বৰ্ষাবাসৰ সামৰণি অনুষ্ঠান), পয় সংঘা, পই মাই ক' চুম ফাই, পয় নৌন চি নিয়মীয়াকৈ পালিত উৎসৱ। টাইফাকেসকলৰ পৰম্পৰাগত সাজ-পাৰ আছে আৰু ধৰ্মীয় উৎসৱ আদিৰ বাহিৰেও দৈনন্দিন জীৱনতো এই সাজ-পাৰ পৰিধান কৰে। ইয়াৰ ভিতৰত পুৰুষসকলে ফানং (লুঙী), ফা কং খঁ (গামোচা) আৰু মহিলাসকলে ছিন (মেখেলা), ফাফক (চাদৰ) আৰু নাংৱাত (ৰিহা) পৰিধান কৰে। টাইফাকেসকলৰ পৰম্পৰাগত খাদ্যসম্ভাৰ চহকী আৰু সুস্বাদু। বিশেষভাৱে লাহী ধানৰপৰা প্ৰস্তুত কৰা চাউলৰ টোপোলা ভাত প্ৰধান



খাদ্য। তেওঁলোকৰ জনপ্ৰিয় ব্যঞ্জন হৈছে টেঙামাছ (পা-চৌম)। টাইফাকেসকলৰ পৰম্পৰাগত খাদ্য-সম্ভাৰ তেলবিহীন আৰু থলুৱা পাত, মছলাৰে সমৃদ্ধ। নামফাকেৰ টাইফাকেসকলে নানা উত্থান-পতনৰ মাজতো নিজৰ সাংস্কৃতিক প্ৰমূল্যৰ উপাদানখিনি ধাৰণ, পালন, চৰ্চা, সংৰক্ষণ সকলোখিনিৰ বাবে সম্পূৰ্ণ উজাৰি দি আহিছে। সেয়া প্ৰতিফলিত হয় তেওঁলোকৰ ভাষা-চৰ্চা, কথোপকথন, ৰন্ধন-প্ৰণালী আৰু খাদ্যাভ্যাসত।

নামফাকে গাঁৱৰ মুখ্য আকৰ্ষণ হ'ল ঐতিহ্যমণ্ডিত নামফাকে বৌদ্ধ বিহাৰ আৰু ইয়াৰ চৌহদত নিৰ্মিত বৌদ্ধধৰ্মীয় বিভিন্ন স্থাপত্য। এই স্থাপত্যবোৰ চৈত্য, মুচিংত্ৰা, চাও চাংওপক, নাংমুচুংত্ৰী, টৌন পুথি, চাওতেং, মনটাপ, কাংফ্ৰা, কিথিং, চাও চাং হাচাও, অশোকস্তম্ভ, ধম্মাচ্যোতি আদি। তদুপৰি বৌদ্ধ বিহাৰটোত থকা পুথিভঁৰালত ২০০ৰো অধিক বছৰ পুৰণি হাতেৰে প্ৰস্তুত কৰা কাগজ আৰু চিয়াঁহীৰে টাই ভাষাত লিখা পুথি আছে। ইয়াৰ ভিতৰত ৰামায়ণৰ টাই সংস্কৰণ লামাসাং, মহাভাৰতৰ টাই সংস্কৰণ ধম্মাপুত্ৰাং উল্লেখযোগ্য। এই স্বকীয় সংস্কৃতি আৰু ধৰ্মীয় উপাদানে নামফাকে গাঁওখনক পৰ্যটন, ধৰ্মীয়, সাংস্কৃতিক, নৃগোষ্ঠীয় আদি ভিন্ন দিশৰপৰা চহকী কৰি তুলিছে আৰু তাৰ বাবে ই সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। (গাঁওখনত কটোৱা দুটা দিন মোৰ বাবে স্মৰণীয় হৈ ৰ'ব।) ❖

# সত্ৰৰ নগৰীত কিছু সময়

◆ গীত প্ৰদীপ ৰাজখোৱা
দশম শ্ৰেণী

চলিত বৰ্ষৰ ১১ জানুৱাৰিৰ দিনা সকলোৰে মন উৎফুল্লিত হৈ আছিল। কাৰণ আমি মাজুলীলৈ যাম। জনবসতিপূৰ্ণ পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপটো চাবলৈ। বাতৰি কাকত, আলোচনী, গ্ৰন্থ আদিত মাজুলীৰ কথা প্ৰকাশ হৈয়েই থাকে। কিন্তু বাস্তৱত মাজুলীখন দেখাৰ সৌভাগ্য হোৱা নাছিল। দেশ-বিদেশৰপৰা অহা পৰ্যটকৰ সৈতে একত্ৰিত হৈ আমিও এইবাৰ মাজুলীলৈ গৈছিলোঁ।

বয়-বস্তু, বাটত খাবলৈ খোৱাবস্তু, কাপোৰ-কানি আদি ভালদৰে বান্ধি লৈ আমি নিজৰ গাড়ী লৈয়েই মাজুলীলৈ ৰাওনা হৈছিলোঁ। ভাত-পানী খাই ৰাতিপুৱাই ঘৰৰপৰা ওলাইছিলোঁ। গাড়ীত বজাই যোৱা কেইটামান সুমধুৰ গীতে আমাৰ মন যেন আগতকৈও বেছি আনন্দিত কৰিছিল। সেইদিনাৰ নাতিশীতোষ্ণ বতৰেও আমাৰ মাজুলীমুখী যাত্ৰাত ৰহণ সানিছিল।

বিভিন্ন কথা-বতৰা পাতি থাকোঁতে আমি কেতিয়ানো যোৰহাট জিলা পালোঁগৈ গমকেই নাপালোঁ। মাজুলীলৈ যাবলৈ বহুকেইটা ঘাট আছে। আমি গৈছিলোঁ নিমাতীঘাটেৰে। আমাৰ 'ৰ'ৰ' ' নামৰ জাহাজখনত উঠি মাজুলীলৈ যোৱাৰ বৰ ইচ্ছা আছিল, যদিও সময়ৰ কিছু ইফাল-সিফাল হোৱাত আমি এখন সাধাৰণ ফেৰীতে উঠি মাজুলী পালোঁগৈ। বাটত খোৱা-বোৱা, ফট' তোলা আদি বিষয়েও স্থান পাইছিল।

মাজুলীত দুই-তিনিজনমান মাৰ চিনাকি মানুহ আছিল। তাৰে এজন মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু আন এজন সেই মহাবিদ্যালয়ৰে শিক্ষক আছিল। ফেৰীৰপৰা নামিয়েই আমি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱজিৎ শইকীয়া ডাঙৰীয়াক লগ পাইছিলোঁ। তেৱেঁই আমাৰ বাবে থকা-খোৱাৰ ব্যৱস্থা কৰি দিছিল। ঘাটৰপৰা হোটেললৈ যোৱা সেই সময়খিনিও অতি স্মৰণীয়। মাজুলীত ভৰি দিয়াৰ পিছতে আমি তাৰ প্ৰাকৃতিক সৌন্দৰ্যত মতলীয়া হৈ পৰিছিলোঁ। মাজুলীৰ বায়ুত ভাঁহি থকা সৰিয়হৰ গোন্ধো আমাৰ নাকত সোমাইছিল। তাৰ পিছত আমি আমাৰ বাবে ঠিক কৰি থোৱা হোটেলৰ কোঠালিলৈ গ'লোঁ। তেতিয়া প্ৰায় সন্ধিয়াই হৈছিল। হোটেলৰ কোঠালিটোও বৰ ধুনীয়া আছিল। কোঠালিতে থকা গা-ধোৱা ঘৰত হাত-ভৰি ধুই দিয়াত যেন দিনটোৰ সকলো ভাগৰ একেবাৰতে ক'ৰবাত হেৰাই গৈছিল। তাৰ পিছত হোটেলতে চাহ খাই অলপ জিৰণি লৈছিলোঁ। আমাৰ হাতত সময় বৰ বেছি নাছিল। সেয়েহে সেইদিনা ৰাতিয়েই ওলাই গৈছিলোঁ গড়মূৰ সত্ৰ চাবলৈ। এই সত্ৰ স্থাপন হৈছিল ১৬৫৩-১৬৬০ চনৰ ভিতৰত। বৰ্তমান এই সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামী। সত্ৰখন ভালদৰে পৰ্যৱেক্ষণ কৰি আমি পুনৰ হোটেললৈ উভতি আহিলোঁ। সেই দিনটো এনেদৰেই সমাপ্ত হ'ল।

পিছদিনা ধলপুৱাতে উঠি মই আৰু দেউতা খোজ কাঢ়ি ওচৰে-পাঁজৰে থকা অঞ্চলবোৰলৈ গ'লো। ৰাতিপুৱাৰ আহাৰ হোটেলতেই খাই আমি পুনৰ আমাৰ ভ্ৰমণ আৰম্ভ কৰিছিলোঁ। সেইদিনা প্ৰথমতে আমি গ'লোঁ দক্ষিণপাট সত্ৰ চাবলৈ। এই সত্ৰ স্থাপন হৈছিল ১৫৮৪ চনত। এই সত্ৰত আমি বিভিন্ন ধৰণৰ সংৰক্ষিত বস্তু দেখিবলৈ পালোঁ। তাৰ পিছত আমি গৈছিলোঁ কমলাবাৰী সত্ৰলৈ। এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল বদুলা

আতাই। তেওঁৰ প্ৰকৃত নাম আছিল কমলাকান্ত আতা। তেওঁৰ নামৰপৰাই সত্ৰৰ নামকৰণ হোৱা বুলি জনা যায়। তাৰ পিছত আমি গৈছিলোঁ চামগুৰি সত্ৰ চাবলৈ। বিশ্ববিখ্যাত মুখাশিল্প দৰ্শন কৰিবলৈ। এই সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ কোষকান্ত দেৱগোস্বামী। তেওঁ মুখাশিল্পক ৰাষ্ট্ৰীয় পৰ্যায়লৈ নি ২০০২ চনৰ সঙ্গীত নাটক অকাডেমী সন্মান লাভ কৰে। ঘৰত সজোৱাৰ উদ্দেশ্যে তথা মাজুলীলৈ যোৱাৰ অন্যতম স্মৃতি হিচাপে আমি সেই সত্ৰৰপৰা দুখন মুখা কিনিলোঁ। তাৰ পিছত আমি গ'লোঁ উত্তৰ কমলাবাৰী সত্ৰলৈ। এই সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী। এই সত্ৰতো প্ৰাচীন কালৰ বহুতো সম্পদ যেনে, তিনি শতাধিক সাঁচিপাতৰ পুথি, পদশিলা, শংকৰদেৱৰ তামোল খোৱা সঁফুৰা, মাধৱদেৱৰ জপমালা আছে। ইমানখিনি ঘূৰি-পকি আমাৰ সকলোৰে যথেষ্ট ভাগৰ লাগিছিল। সেয়েহে আমি অলপ সময় জিৰণি ল'বৰ বাবে হোটেললৈ ঘূৰি আহিলোঁ। হোটেলত তৈয়াৰ কৰি থোৱা আহাৰ গ্ৰহণ কৰি অলপ সময় জিৰাই লৈ পুনৰ ৰাওনা হৈছিলোঁ আউনীআটী সত্ৰ অভিমুখে। ১৬৫৩ চনত এই সত্ৰ স্থাপন হৈছিল। এই সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ হ'ল পীতাম্বৰ দেৱগোস্বামী। বিভিন্ন সত্ৰ দৰ্শনৰ পিছত আমি ৰাওনা হ'লোঁ 'ডেকা চাং' নামৰ এখন ঠাই অভিমুখে। সন্মুখতে থকা নদীখনৰ সৈতে সঁচাকৈয়ে ঠাইখনৰ সৌন্দৰ্য অতি সুন্দৰ হৈ পৰিছিল। ইতিমধ্যে লাহে লাহে সন্ধ্যা নামিছিল। আমি মাৰ চিনাকি মাজুলী কলেজৰ অধ্যক্ষ দেৱজিৎ শইকীয়া ডাঙৰীয়াৰ ঘৰলৈ গৈ জা-জলপান খাই তাতে অলপ বৈ পুনৰ হোটেললৈ ঘূৰি আহিলোঁ। পিছদিনা আমাৰ ঘূৰি অহাৰ দিন। গতিকে আমি ভাত-পানী খাই সোনকালেই শুই থাকিলোঁ। পিছদিনা ৰাতিপুৱাই আমি সকলোকে দেখা কৰি আৰু হোটেলৰ মালিক ইন্দুকল্প শইকীয়া আৰু তেওঁৰ পৰিয়ালবৰ্গৰপৰা বিদায় লৈ ঘাটলৈ আহিলোঁ। ফেৰীত উঠি আহি আমি নিমাতীঘাট পালোঁহি। নগাঁও আহি পাওঁতে প্ৰায় সন্ধিয়াই হৈছিল। সেইদিনা আছিল মাঘ বিহুৰ উৰুকা। সেয়েহে আমাৰ নিজৰ ঘৰ নগাঁৱতে ৰাতিটো অতিবাহিত কৰিলোঁ। পিছদিনাও আমি নগাঁৱতে কটালোঁ আৰু ১৫ তাৰিখে আমি গুৱাহাটী পালোঁহি।

আমাৰ এই ভ্ৰমণ আছিল বিদেশ ভ্ৰমণসদৃশ এক ভ্ৰমণ। কাৰণ আমি বিদেশলৈ ফুৰিবলৈ গ'লে যিমান কথা শিকিবলৈ পাওঁ বা দেখিবলৈ পাওঁ, ঠিক সেইদৰে মাজুলীলৈ গৈও আমি বহুতো নতুন কথা শিকিবলৈ বা দেখিবলৈ পালোঁ। মাজুলীৰ মানুহৰ খাদ্যাভ্যাস, সাজ-পাৰ, ৰীতি-নীতি আদিত থকা ভিন্নতাই মোক বৰকৈ মোহিত কৰিলে। এই মাজুলীতে ফুটি উঠে অসমৰ গাঁৱলীয়া তথা ধৰ্মীয় জীৱনৰ প্ৰতিচ্ছবি। মানুহৰ মাজত থকা স্বাৰ্থহীন তথা নিভাঁজ মৰম-দয়াও সঁচাকৈয়ে লক্ষণীয়। মই ভাবোঁ অসমৰ প্ৰতিজন ব্যক্তিয়ে বিদেশ ভ্ৰমণ কৰিবলৈ যোৱাৰ আগতেই মাজুলীৰ দৰে অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰাটো অতি জৰুৰী। নিজৰ ৰাজ্যখন ভ্ৰমণ কৰাৰ পিছতহে বিদেশ ভ্ৰমণ কৰিবলৈ আগবঢ়া উচিত। কাৰণ আমাৰ এই সুন্দৰ মাতৃভূমিখনতো আছে এনে কিছুমান সৌন্দৰ্যৰ আকৰ যি হয়তো বিদেশতো দেখিবলৈ পোৱা নাযায়। ❖



**হিয়াশ্ৰী ৰাজবংশী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**নিশিত তামুলী**, প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# পুথিভঁৰালৰ টোকাবহীৰপৰা

**কিতাপৰ নাম : টমাছ আলভা এডিছন**
**লেখিকা : অদিতি বেজবৰুৱা**
**প্ৰকাশক : শুভ্ৰজ্যোতি প্ৰকাশন**
**প্ৰথম প্ৰকাশ : ২০১৬ চন**
**মূল্য : ২৫.০০ টকা**




'টমাছ আলভা এডিছন' নামৰ কিতাপখন পঢ়ি মই বহুত উপকৃত হৈছোঁ। টমাছ আলভা এডিছনে আৱিষ্কাৰ কৰা বহুতো যন্ত্ৰ-পাতিৰ নাম আৰু সেই বিষয়ে বহুতো কথা জানিব পাৰিলোঁ। টমাছ আলভা এডিছনে আৱিষ্কাৰ কৰা উজ্জ্বল বিজুলী চাকিয়ে পৃথিৱীৰপৰা গেছলেমৰ ঢিমিক-ঢামাক পোহৰ অপসাৰণ কৰিলে। তেওঁ সৃষ্টি কৰা কেইটামান মূল্যৱান যন্ত্ৰ হ'ল বিজুলী বাল্ব, ফ'ন'গ্ৰাফ, টেলিফ'ন আদি। টমাছ আলভা এডিছনৰ লগতে গেলিলিঅ', আৰ্কিমিডিছ আদি বিজ্ঞানীসকল আমাৰ চিৰনমস্য। টমাছ আলভা এডিছনক আৱিষ্কাৰৰ মেছিন বুলি কোৱা হয়। এইগৰাকী মহান বিজ্ঞানীক মেনলো পাৰ্কৰ যাদুকৰ বুলিও কয়। এইজনা মহান বিজ্ঞানীৰ শৈশৱৰ অদ্ভুত ধেমালিবোৰে মোক বহুত আনন্দিত কৰিছে। তেখেত আমাৰ মাজত চিৰস্মৰণীয় হৈ থাকিব।

◆ **প্ৰজ্বলিতা বড়া**
পঞ্চম শ্ৰেণী

---




**কিতাপৰ নাম : পিঞ্জৰ**
**লেখিকা : জীমণি চৌধুৰী**
**প্ৰকাশক : লয়াৰ্চ বুক ষ্টল**
**প্ৰথম প্ৰকাশ : ২০০৪ চন**
**মূল্য : ৩৫.০০ টকা**

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। আজিকালিৰ ল'ৰা-ছোৱালী জন্ম লৈয়ে যেন হৈ পৰে সেই প্ৰতিযোগিতাৰ এজন প্ৰতিযোগী, অজানিতে।

জীমনী চৌধুৰীৰ এই গ্ৰন্থখনত শিশুমনৰ কথা, পিতৃ-মাতৃৰ কঠোৰ নিৰ্দেশ, মৰমৰ ককাকৰ ৰসলগা কথা, নিজকে অনুপযোগী বুলি ভবা হতভগীয়া মাতৃৰ মৰ্মান্তিক কাহিনীয়ে প্ৰাধান্য লাভ কৰিছে।

কিতাপখনৰ মূল চৰিত্ৰ বিন্দুসাৰ হৈছে অতি চঞ্চল এটি শিশু। সহজ ভাষাত যাক ক'ব পাৰি 'হাইপাৰ এক্টিভ শিশু'। বিন্দুসাৰক লৈ তাৰ পিতৃ-মাতৃ নীলা আৰু ঋষি অতি চিন্তিত। সেই চিন্তাই কিন্তু পিছলৈ এক নিষ্ঠুৰ ৰূপ ধাৰণ কৰিলে। তাকে দেখি ককাক অভিজিত বৰুৱাৰ হৃদয়খন মোচৰ খাই উঠিছিল।

সেইবাবে ককাকে পুত্ৰৰ আগত দাঙি ধৰিলে এক কৰুণ সত্য। ঋষি আৰু অভিজিতৰ জীৱনক চুই যোৱা এক কৰুণ সত্য। যাক ঋষিয়ে কোনোদিনে, কোনোকালে জনা নাছিল।

অভিজিত বৰুৱা আৰু সুজাতাৰ পুত্ৰ আছিল ঋষি। অবিশ্বাস্য যেন লাগিলেও এয়াই সত্য যে ঋষিৰ পুত্ৰ বিন্দুসাৰৰ দৰে ঋষিও সৰুতে আছিল এজন হাইপাৰ এক্টিভ শিশু। ঋষিৰ স্বভাৱ শুধৰাবৰ বাবে সুজাতায়ো মাৰধৰ কৰিছিল। কিন্তু তাৰ পাছত হ'ল কি...

সুজাতাই যদিও ঋষিক মাৰধৰ কৰিছিল তথাপি স্কুলত ঋষিৰ অভিযোগ শুনি তেওঁৰ মাতৃ হৃদয় কঁপি উঠিছিল। এনেদৰেই এদিন... সুজাতা মানসিক ৰোগৰ

চিকাৰ হ'ল আৰু ঋষিৰ নাম মুখত লৈয়েই সাৰটি ল'লে মৃত্যুক।

ঋষিৰ কাৰণেই নিজ মাতৃৰ মৃত্যু হোৱা বুলি জানি ঋষিৰ মনত কি প্ৰতিক্ৰিয়া হৈছিল সেই কথা উল্লেখ কৰাৰ নিশ্চয় কোনো প্ৰয়োজন নাই।

এই কিতাপখন মোৰ হাতত তুলি দিছিল লেখিকাই নিজেই। তেওঁৰ দৰে লেখিকা এগৰাকীক লগ কৰি কিতাপ ল'ব পৰাটো কিমান গৌৰৱৰ কথা সেয়া মই ভাষাৰে বুজাব নোৱাৰোঁ। মই সঁচাকৈয়ে গৌৰৱান্বিত।

◆ **সংস্থিতা শৰ্মা**
অষ্টম শ্ৰেণী

---

**কিতাপৰ নাম : ডাৱৰৰ ৰূপালী ৰেখা**
**লেখিকা : ৰমিছা বেগম**
**প্ৰকাশক : অসম শিশু সাহিত্য ন্যাস**
**মূল্য : ১০০ টকা**

'ডাৱৰৰ ৰূপালী ৰেখা' এই কিতাপখন মূলতঃ অসমৰ মুছলমান সম্প্ৰদায়ৰ কথাৰে বা কাহিনীৰে পৰিপূৰ্ণ। লেখিকা ৰমিছা বেগমে এই কিশোৰ উপন্যাসখনৰ জৰিয়তে অসমৰ চৰাঞ্চলৰ এক স্পষ্ট দৃশ্য দাঙি ধৰিছে। কিতাপখন পঢ়ি মোৰ ভাল লাগিল।

খালেক আছিল চৰৰ এটি সৰু ল'ৰা। সৰুতে সি মোমায়েকৰ ঘৰত থাকি লিখা-পঢ়া কৰিছিল। চৰাঞ্চলত থাকি পঢ়া-শুনা কৰাত অসুবিধা বাবে মোমায়েকে তাক সৰুতেই গুৱাহাটীলৈ লৈ আহিছিল। আনহাতে, আবুল আছিল খালেকৰ মোমায়েকৰ ল'ৰা। সেয়েহে দুয়ো একেলগে পঢ়া-শুনা কৰি, খেলা-ধূলা কৰি ডাঙৰ-দীঘল হৈছিল। খালেক, আবুল দুয়োৰে সপোন আছিল ডাক্তৰ হৈ সমাজত সেৱা আগবঢ়োৱা আৰু এটা সময়ত দুয়ো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত পঢ়াৰ সুযোগ পালে। অৱশ্যে আবুলে এবাৰতেই এই সুযোগ পাইছিল যদিও খালেকে পোৱা নাছিল। খালেকেও অতি কষ্ট কৰি পিছত এই সুযোগ লাভ কৰিছিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত তেওঁলোকে দীপক আৰু বসন্তক বন্ধু হিচাপে পাইছিল আৰু তেওঁলোক চাৰিজনে




খালেকহঁতৰ চৰাঞ্চললৈ গৈ তাৰ পৰিৱেশ, মানুহৰ আচাৰ-ব্যৱহাৰ আদিৰ আভাস লৈছিল। তেওঁলোকে চৰত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ সন্মুখীন হ'বলগীয়া হৈছিল। তেওঁলোকে তাৰ সমাধানৰো কিছু সূত্ৰ উলিয়াই দি চৰবাসীক আদিম যুগৰপৰা বৰ্তমানলৈ উলিয়াই আনিবলৈ চেষ্টা কৰিছিল।

কিতাপখন পঢ়ি মই বুজিলোঁ যে, বৰ্তমানৰ যুগটো হৈছে বিজ্ঞানৰ যুগ আৰু এই যুগতো কিছুসংখ্যক লোক আদিম মানুহৰ দৰেই আছে। উদাহৰণ স্বৰূপে, অসমৰ বিভিন্ন গাঁও আৰু চৰাঞ্চলৰ মানুহ। তেওঁলোকৰ মাজত এই বিজ্ঞানৰ যুগতো কিছুমান অন্ধবিশ্বাস, কুসংস্কাৰ প্ৰচলিত আছে আৰু ইয়াৰ মূল কাৰণ হৈছে শিক্ষাৰ অভাৱ। অসমৰ গাঁও আৰু চৰাঞ্চলৰ প্ৰায়ভাগ মানুহেই অশিক্ষিত। গতিকে, মানুহে নিজৰ মনৰপৰা এই অন্ধবিশ্বাসবোৰ আঁতৰোৱা দৰকাৰ। কিতাপখন পঢ়ি মই আৰু এটা কথা বুজিলো যে, মানুহে যদি কোনো এটা কামত পোনপ্ৰথমে বিফল হয়, তেন্তে ভাগি পৰিব নালাগে। তেওঁ যেতিয়ালৈকে সফল নহয়, তেতিয়ালৈকে চেষ্টা কৰিব লাগে। তেওঁ এদিন নহয় এদিন সফল হ'বই।

◆ **বৃষ্টিশিখা কাশ্যপ**
অষ্টম শ্ৰেণী

# প্ৰাতঃ সভাৰ চিন্তা

নমস্কাৰ,

আজি অসমীয়া ১৯৪১ শকৰ মাঘ মাহৰ ১৫ তাৰিখ আৰু ইংৰাজী২০১৯ বৰ্ষৰ জানুৱাৰি মাহৰ ৩০ তাৰিখ বুধবাৰে মই সপ্তম শ্ৰেণীৰ গ শাখাৰ ছাত্ৰী শাব্দী ভৰদ্বাজে পুৱাৰ সমাৰেশত উপস্থিত সকলোকে সুপ্ৰভাত জনাইছোঁ।

## আজিৰ চিন্তা

"তুমি কি কৰিছা সেইটো তাৎপৰ্যপূৰ্ণ কথা নহয়, কিন্তু তুমি যে কিবা কৰিছা সেইটোহে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা।"

উক্ত কথাষাৰৰ বক্তা মহাত্মা গান্ধী।

## আজিৰ বিষয়বস্তু

### অসমীয়া লিপি

পুৰণি অসমীয়া সাঁচিপতীয়া পুথিত ব্যৱহৃত লিপিৰ লগত সাম্প্ৰতিক অসমীয়া ছপা পুথিৰ লিপি হুবহু একে নহয়। প্ৰথমে অসমীয়া ছপা পুথিৰ প্ৰকাশ আৰম্ভ কৰা আমেৰিকান মিছনেৰীসকলে অসমীয়া আৰু বঙলা ছপাপুথিৰ বাবে একেখিনি আখৰকে ব্যৱহাৰ কৰিছিল। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ একক প্ৰচেষ্টাৰ ফলত পৰৱৰ্তী কালত অসমীয়া 'ৰ' আখৰটো ইংলেণ্ডত কটাই অনোৱা হৈছিল। যিয়েই নহওক, অসমীয়া আৰু বঙলা দুয়োটা লিপিয়েই ব্ৰাহ্মী লিপিৰপৰা উদ্ভৱ হোৱা গুপ্তলিপি আৰু গুপ্তৰপৰা উদ্ভৱ কুটিল লিপিৰ ক্ৰমবিকাশৰ ফল। ভাৰতৰ প্ৰাচীনতম লিপি হৈছে ব্ৰাহ্মী আৰু খৰোষ্ঠী। চেমিটিক প্ৰভাৱযুক্ত খৰোষ্ঠী লিপি সোঁফালৰপৰা বাঁওফাললৈ লিখা হৈছিল।

কুষাণ যুগত বাঁওফালৰপৰা সোঁফাললৈ লিখা ব্ৰাহ্মী লিপিৰ কিছু পৰিৱৰ্তন সাধন হয়। গুপ্ত যুগত সেই পৰিৱৰ্তিত লিপিৰ কেইবাটাও আঞ্চলিক ৰূপ ওলায়। তাৰে এটা অন্যতম তদানীন্তন ভাৰতৰ পূব প্ৰান্তত সৃষ্টি হোৱা কুটিল লিপি বা সিদ্ধমাতৃকা লিপি। কামৰূপী লিপি কুটিল লিপিৰে এক থলুৱা ৰূপ বুলি ক'ব পাৰি। কুটিল লিপিৰ দৰে প্ৰাচীন কামৰূপী লিপিতো ত্ৰিভুজাকাৰ আৰু বেঁকা আকাৰৰ প্ৰাধান্য দেখা যায়।

ত্ৰয়োদশ শতিকাৰ 'কানাই বৰশী বোৱা' শিলালেখত অসমীয়া সাঁচিপতীয়া আখৰৰ পূৰ্বাভাস পোৱা যায়। ইয়াৰ পৰৱৰ্তী পুথিবোৰত যি আখৰ ব্যৱহৃত হৈছিল সেয়া কামৰূপী লিপিতকৈ বেলেগ। ত্ৰয়োদশ শতিকা আৰু তাৰ পৰৱৰ্তী কালৰ সাঁচিপাতৰ পুথিত যি হৰফ পোৱা যায়, তাকেই অসমীয়া লিপি বুলি অভিহিত কৰিব পাৰি। ❖

*উক্ত কথাখিনি সংগ্ৰহ কৰা হ'ল—বাৰ-ওঠৰ নামৰ মাহেকীয়া আলোচনীখনৰপৰা। সংগ্ৰহ কৰি উলিয়ালে অষ্টম শ্ৰেণীৰ 'খ' শাখাৰ ছাত্ৰী স্নেহা দাসে।*

Hello, Today on 12 September, Thursday. I Anindita Gogoi of IX(A) wish everyone a good morning.

## Today's Thought

"If we cannot stew life's path with flowers, we can at least stew it with smiles."

–Charles Dickens

### Today's Topic

## Madhubani Folk Art

India ! An incredible place with its own diverse culture and art. India is known for its raw traditions, culture and art work. 'Madhubani folk art' is one of the most raw and natural art forms in the world and originated in India. The kingdom of Janak, Sita's father in Ramayana, was the creator of this amazing art form. It is very popular among the native women of Bihar. It has clear geometric patterns and the themes are mostly based on gods, animals and goddesses. These paintings are miniature, but have intricate details and sharp expressions. The human in these paintings are portrayed with large eyes and sharp nose. This form of art is influenced by the Prussian styles of the 16th century and flourished during the Mughal reigns. The colour used which are made from vegetables, flowers and trees is the heart of this art form. They use natural vegetables, flowers to make colours which can last more than centuries. This art form came into lime light in 1933, when British officers found them in ruined houses of Bihar. They found the paintings similar to the work of Pablo Picasso and Miro. Later it was adopted by the Rajputs of Rajasthan. Now-a-days, it is a very valuale art form of Rajasthan, tourists come from across the globe in search of these amazing raw folk art. These art forms are one of the most geometric arts found in the whole world. ❖

This article was written by Anindita Gogoi of Class IX (A) and was inspired by a research article published in 'The Hindu.'

Thank you. Have a nice day !

## প্ৰকল্প

# কলাখাৰ আৰু মিঠাতেলৰ মিশ্ৰণ : এক সুস্বাদু উপাদেয়

কলাখাৰ অসমীয়া সমাজত অতীজৰেপৰা ব্যৱহাৰ হৈ অহা এবিধ উপকাৰী আৰু সুস্বাদু উপাদেয়। ইয়াৰ বহুতো ঔষধি গুণ আছে। ইয়াক বদহজম, চৰ্দি-কাহ, চৰ্মৰোগ আদিত নিৰাময়ৰ বাবে ব্যৱহাৰ কৰিব পাৰি। পুৰণি কালত অসমীয়া সমাজত কলাখাৰক চাবোন, নিমখ আদিৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা হৈছিল। আমি কৰা প্ৰকল্পটোত কলাখাৰৰ উৎপাদন, ইয়াৰ উপকাৰিতা, কলাখাৰ আৰু মিঠাতেলৰ মিশ্ৰণৰ উপকাৰিতা তথা এই মিশ্ৰণটো কোনটো অনুপাতত মিহলালে অধিক সোৱাদযুক্ত হ'ব তাৰ ওপৰত পৰীক্ষা কৰি ইয়াৰ কিছু বিশ্লেষণাত্মক তথ্য দাঙি ধৰা হৈছে।

এই প্ৰকল্পটোৰ বাবে আমি প্ৰায় তিনিমাহমান আগৰেপৰা প্ৰস্তুতি চলাইছিলোঁ। আমি জানো যে কলাখাৰ কলগছৰ কাণ্ড, শিপা আৰু আঠীয়া কলৰ বাকলিৰপৰা প্ৰস্তুত কৰিব পাৰি। প্ৰকল্পটো কৰিবলৈ আমি কলগছৰ কাণ্ড টুকুৰা-টুকুৰকৈ কাটি ৰ'দত শুকুৱাই ল'লোঁ। এই শুকুওৱা টুকুৰাবোৰ পুৰি তাৰ ছাইখিনি সংগ্ৰহ কৰা হ'ল। আমি প্ৰকল্পটো কৰিবলৈ একেবাৰে নতুন আৰু তিনি বছৰ পুৰণি কলাখাৰ ল'লোঁ। তাৰ পাছত ক্ৰমে ৫০ গ্ৰাম কলগছৰ ছাই ২৫০ মিলি. পানীত মিহলি কৰি আৰু ২৫ গ্ৰাম ছাই ২৫০ মিলি. পানীত মিহলি কৰি দুটা নমুনা প্ৰস্তুত কৰি ল'লোঁ। দুয়োবিধৰে ক্ষাৰকীয়তা প্ৰমাণ কৰি তাৰ মান $P^H$ স্কেলত জুখি ল'লোঁ। তাৰ পাছত ক্ষাৰখিনিৰ লগত বিভিন্ন অনুপাতত তেল মিহলি কৰা হ'ল। কেইজনমান ব্যক্তিৰ মাজত চলোৱা সমীক্ষা অনুসৰি অধিক সোৱাদযুক্ত মিশ্ৰণটো জুখি ল'লোঁ। এই মিশ্ৰণটোৰ অনুপাত আছিল ক্ৰমে পুৰণাখিনিৰ ৩ : ১ য'ত ৩ ক্ষাৰ আৰু ১ পানী আৰু নতুনখিনিৰ ৪ : ১ য'ত ৪ ক্ষাৰ আৰু ১ পানী।

অভিজ্ঞ আৰু বয়োজ্যেষ্ঠ লোকৰপৰা পোৱা কিছু তথ্য হ'ল—

কলাখাৰ বেছি সোৱাদযুক্ত হ'বলৈ আৰু উপকাৰী হ'বলৈ মিঠাতেল মিহলি কৰা হয়। এই মিশ্ৰণটো নিমখ-তেলৰ বিকল্পৰূপে ব্যৱহাৰ কৰিব পৰা যায়, যাৰ ফলত কিছুমান ৰোগৰপৰা হাত সাৰি থাকিব পাৰি। ইয়াক ৰুচিবৰ্ধক, পাচন প্ৰক্ৰিয়া ভাল কৰা তথা বীজাণুনাশক হিচাপে ব্যৱহাৰ কৰিব পাৰি। এই মিশ্ৰণ কাহ, উচ্চ ৰক্তচাপ, কটা ঘা আদিত ব্যৱহাৰ কৰা হয়।

কলাখাৰ যিহেতু প্ৰকৃতিৰপৰাই প্ৰস্তুত কৰিব পাৰি, সেয়েহে ই প্ৰকৃতিত কোনো বিৰূপ প্ৰভাৱ নেপেলায় বৰঞ্চ কম খৰচতে এক উপকাৰী খাদ্য তৈয়াৰ কৰিব পাৰি। ❖

*(২০১৮ চনত মাজুলীত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত উপস্থাপন কৰাৰ বাবে ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত প্ৰকল্প। প্ৰকল্পত অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকল— গুঞ্জন কে বশিষ্ঠ, গীতাৰ্থী বৰা, ভাৰ্গৱ শইকীয়া।)*

# Safitizer–a safe sanitizer

Hand sanitizer is a liquid or gel generally used to decrease infectious agents on the hands. Hand sanitizers are used when soap and water are not available. Generally they are gels and liquids that are used to kill germs present on the skin. But using them can be harmful. The toxic chemicals used in these sanitizers as antibacterials and antiseptics can harm our whole body. The two main toxic chemicals used in the hand sanitizers are–(1) Triclosan ($C_{12}H_7Cl_3O_2$), (2) Benzalkonium chloride. U.S. Food and Drug Administration (FDA) shows, triclosan may lead to hormonal disruptions and cause bacteria to adapt its antimicrobial insistent strains. Researchers at University of Michigan found that triclosan may affect the human immune function and hormonal function.

Benzalkonium chloride simply known as BAC or BZC, is also a toxic used in the hand sanitizer. It is primarily used as a preservative and antimicrobial agent. But it is a human eye and skin irritant. It also increases the chance of alargies and can also cause cancer.

So it is very important to make a toxic free sanitizer. So our objective was to make a toxic free, safe and easily available sanitizer.

From our observations, we found some natural ingredients are safe to be used in our sanitizer, which we named safitizer.

The ingredients we used are (per 100 ml):

| **Ingredients** | **Amount (per 100 ml)** |
|---|---|
| 1. Orange peel extract | 2 ml |
| 2. Marigold leaves extract | 5 ml |
| 3. Ethanol | 50 ml |
| 4. Water | 18 ml |
| 5. Glycerine | 5 ml |
| 6. Raw alovera juice | 20 ml |

cost per 100 ml – 60 Rs. (approx)

From our study we found that natural ingredients we used such as alovera juice and marigold leaves extract are good disinfectant and is also a moisturizer like glycerine. We used ethanol as our active ingredient which can kill 99% germs from our hands. We used orange peel extract because of its aroma and skin moisturising qualities. At last we used water as a solvent to make the safitizer. We have to take all the ingredients in correct amount. Then we just have to mix it and our high quality sanitizer is ready.

Our whole study was focused on the safe hand sanitizer which we have prepared by using the raw materials.

(This project was selected for the State level National Children Science Congress competition held in Majuli in 2018). ❖

*(Prepared by : Mrityunjoy Medhi, Jyotirmoy Karmakar, Hriday Chakravorty, Nishanta Choudhury. Guided by : Sujit Kumar Neog, Kaustav B. Arya)*

## প্ৰজ্ঞাৰ নিৰ্যাস

# আশা

◆ ধ্ৰুৱ শৰ্মা
শিক্ষক, সমাজ বিজ্ঞান বিভাগ

সম্পৰ্ক !
ছেদ কৰিব খুজিলেই
ছেদ কৰিব পৰা হ'লে
নহ'লহেঁতেন যুধিষ্ঠিৰৰ অশ্বমেধ !



স্মৃতি !
পাহৰিব খুজিলেই
পাহৰিব পৰা হ'লে
মনত পৰিলহেঁতেন নে
চিত্ৰাংগদাৰ অৰ্জুনক !

প্ৰত্যাখ্যান !
সমস্যাৰ সমাধান জানো !
অম্বাক প্ৰত্যাখ্যান
ভীষ্মৰ জীৱন-মৰণ সমস্যা !
প্ৰত্যাখ্যানত প্ৰতিশোধী শিখণ্ডী অম্বা
পৰিণতি ! পিতামহ ভীষ্মৰ শৰশয্যা !

সময় ! গতিশীল সময়।
অশ্বমেধ বিনে
এক সুদৃঢ় সম্পৰ্কৰ প্ৰয়োজন
যি সম্পৰ্কত স্তব্ধ হ'ব হত্যা, ধৰ্ষণ !
এক তীব্ৰ আবেগৰ প্ৰয়োজন
(য'ত) অঘৰীবোৰ আবাসী হ'ব
বৃদ্ধ পিতা-মাতা, অনাথবোৰ আশ্ৰিত হ'ব।

আশা !
তৎমুহূৰ্তত আৰম্ভ হওক সেই সুসময়। ❖

# জন্মদিনৰ মালিতা

◆ লিপিমণি দত্ত
শিক্ষয়িত্ৰী, অসমীয়া আৰু সংস্কৃত বিভাগ

দৰা-কইনাৰ সাজযোৰ আলফুলে সাঁচি থৈছনে তই
থৈছনে হেঁপাহৰ বাখৰুৱা শৈশৱ
বুকুত দকৈ সীয়াই

বকুল ফুলৰ গোন্ধবোৰ আহেনে নিঃশ্বাসৰ স'তে
আহেনে মনলৈ সপ্ৰেম কৈশোৰ
স্মৃতিৰ ভৰত অগাদেৰাকৈ

আজি কিমানদিন আইতাই তোক তেজীমলাৰ সাধু
কোৱা নাই
কিমান দিন চুলিত আঙুলি বুলাই আয়ে গোৱা নাই
'লাই হালে জালে আবেলি বতাহে...'
আজি কিমান দিন তই ককাইৰ সতে ওফোন্দ পতা নাই
সি যে তোক চাইকেলৰ ফ্ৰেমত
বহুদিন উঠোৱা নাই !
কুৰিৰ দেওনাত ভৰি থৈ
কাতৰ হৈছনে তই
হৈছনে এবাৰ কাতৰ
শৈশৱ, কৈশোৰৰ স্বপ্নালী
সুদিনৰ দৰে। ❖



# আহুতি

◆ পল্লৱী গোস্বামী
শিক্ষয়িত্ৰী, অসমীয়া আৰু সংস্কৃত বিভাগ

আকাশত সৌৰা বনহংসৰ জাক
হৃদয়ত বতৰা আনিছে সুদূৰৰ
প্ৰতিপলে যুঁজিছা হেনো
ৰাখিবলৈ মান অস্তিত্বৰ
এয়া যে প্ৰত্যাহ্বান কুটিল সময়ৰ।

দেখিছা তাণ্ডৱ সংহাৰী ৰুদ্ৰৰ
বাজিছে ডম্বৰু মহাপ্ৰলয়ৰ
খাণ্ডৱদহনত হেৰায় আজি
শান্তিৰ তপোবন।

দহিছে সুকোমল তনু
নামিছে অন্ধকাৰ
চৌদিশ ধোঁৱাময়
নিঠৰুৱা প্ৰাণৰ হাহাকাৰ।

দূৰণিত ৰিণি ৰিণি
মোহন মুৰুলীৰ তান
দুখৰ অগনি নাশিবলৈ
তোমাৰ যে আকুল আহ্বান।



হে মোৰ প্ৰাণৰ প্ৰতিমা
মাগিছোঁ আশিস তোমাৰ
আৰুনো লাগেনে আহুতি
সেই হেন শ্যামলী শোভাৰ। ❖

*বনাগ্নিত দগ্ধ হোৱা বৰ্ষাৰণ্য আমাজনৰ প্ৰতি উৎসৰ্গিত।*

# Baba...

◆ **Nisha Devi**
Teacher, Department of English

The trees tell me about you
No matter where they stand
No matter when I see them
They tell me your stories...
*Palash, Bakul, Ximaloo, Kanchan*
They remind me... how it was..
When
On rainy evenings, you told me stories
Of trees, of flowers, of rivers ..
Making them characters...
All so dear...
No doubt they shaped me..
No doubt they made me a person
Forever lost, forever in love...
Even a tiny *Bakul* flower can make me
cry.. You see, Baba, how it is..
Your stories made me the person I am...
A little bit of everything...
Flowers, trees and rivers..
And when they call me lost
The trees in me listen silently
The flowers smile naive
And the rivers go on... ❖

# চাৰ্জিকেল ষ্ট্ৰাইক

◆ উৎপল ডেকা
শিক্ষক, হিন্দী বিভাগ

এতিয়াৰ দৰে সীমা নাছিল
নৈখনে আছিল তাৰ সীমা।

সীমাৰ সিপাৰে বৈ থাকে ফ্লেমিংগো
ইপাৰে কান্ধত শপত লোৱা গছবোৰ।
দূতাবাসৰপৰা আহে খবৰ
বন্দী হয় কাশ্মীৰা সিং
দেশত বিভাজন
সাম্প্ৰদায়িকতা
তথাপিও নিৰৱধি নৈখনে বিচাৰি যায়
সীমান্ত ভাঙি অতীত।

সীমাই ৰুধিব নোৱাৰে
ইপাৰ-সিপাৰৰ
খোজৰ পদচিহ্ন।



জীৱনটো এটা আৰ্ট গেলেৰী
জীৱনটো এখন যুদ্ধ।
জুইৰ শিখাত ভস্মীভূত ঘৰবোৰে
সোঁৱৰায় বন্দীত্ব শৈশৱৰ।

খবৰ আহে ছহিদৰ
কপালৰ ৰঙা বেলি মচ খায়।
খোখৰাপাৰাৰ বুকুৰ
কেঁচা ঘাঁবোৰে চিৎকাৰ কৰে,
শত্ৰু বধৰ নতুন আখৰা।
য'ত সজাই থোৱা থাকে জীৱন
মৃত্যু অপৰাজেয়। ❖

# সময়ৰ প্ৰচ্ছায়া

◆ হিৰণ্য কলিতা
শিক্ষক, গণিত বিভাগ

ধূসৰতাই দোলা দি থকা সময়ৰ
ইতিহাস
কোনে লিখে !

তুমি কোন, মই কোন
ধূসৰিত সময়ৰ অদৃশ্য আৱৰণ ফালি
কাকো দেখোন সহজে
নোৱাৰি চিনিব

মন গহনত
কোনে পুহি ৰাখে
নীল বৰণীয়া অজগৰ
সকলো হেৰুওৱাৰ পিছতো
কোন হ'ব পাৰে
কৰ্ণ চৰিত্ৰ

সমুদ্ৰ মন্থনৰ পৰা নিঃসৃত বিষ
পান কৰিব কোনে
কোন হ'ব

নতুন যুগৰ
আধুনিক নীলকণ্ঠ
চলে বলে কৌশলে কোন হ'ব
অমৃতৰ গৰাকী আৰু
লাভ কৰিব অমৰত্ব

ৰাজনীতি, সমাজনীতি, অৰ্থনীতিৰ অমৃতেৰে
হয়নে চহকী
চহা জনগণ
শতিকাৰ পিছত শতিকা
কিয় বাৰে বাৰে
ৰাজপুত্ৰৰ
ৰাজতিলকৰ বাবে
পংগু হ'বলগীয়া হয়
নিঃকিন মহাবীৰ
একলব্য

পাশাৰ মঞ্চত পৰাজিত হয় কোন
ধৰ্মৰাজ যুধিষ্ঠিৰ নে মহাৰাজ ধৃতৰাষ্ট্ৰ
কাৰ বস্ত্ৰ হৰণ হয় আচলতে
পাঞ্চালী দ্ৰৌপদীৰ নে ৰাজমাতা গান্ধাৰীৰ
কোন লজ্জিত হয়
যযাতিৰ ৰাজসভাত
অসহায় পিতামহ ভীষ্ম নে কুলগুৰু দ্ৰোণাচাৰ্য



যুগৰ পিছত যুগ
ৰাজভোগৰ ৰাগীত
কিয় সলনি হয় মানুহৰ
আত্ম পৰিচয়

কোনে পৰাজিত কৰে কৌৰৱক কুৰুক্ষেত্ৰত
পঞ্চপাণ্ডৱে নে
বিচক্ষণ কূটনীতিক আপোন মামা শকুনিয়ে
নে ক্ষমতাৰ উন্মাদনাই

ইমান প্ৰাণাহুতি
ইমান কেঁচা তেজৰ সলিল সমাধি
স্বদেশ, স্বজাতি, স্বধৰ্মৰ প্ৰতিষ্ঠাৰ হেতু
কিয় প্ৰাচীন কালৰেপৰা
বিধ্বস্ত হয় পৃথিৱী

মনৰ লেকামডাল দৃঢ় হ'লে দেখোন
শান্তনু নন্দন দেৱব্ৰতো
হ'ব পাৰে ভীষ্ম
হ'ব পাৰে বিদূৰ চৰিত্ৰ

ইমানৰ পিছতো
কোন শিল্পীয়ে আঁকে
বিবৰ্ণ সময়ৰ
সেউজীয়া ছবি

কালৰ পিছত কাল
যি হৈ আছে সৰ্বত্ৰ
সেয়াই মহাভাৰত
নতুন ৰূপৰ
নতুন সময়ৰ। ❖

## নাটিকা

# অনুৰণন

◆ কৰিতা পাটগিৰি
শিক্ষয়িত্ৰী, অসমীয়া আৰু সংস্কৃত বিভাগ

মঞ্চত আঁৰকাপোৰ উঠাৰ লগে লগে দেখা যায় বিদ্যালয়ৰ এটা শ্ৰেণীকোঠা। তাত ছগৰাকী শিক্ষাৰ্থীয়ে নাটকৰ আখৰাৰ বাবে ব্যস্ত থাকিব। অলপ আঁতৰত চুকৰ ফালে ডেক্স-বেঞ্চবোৰ থুপাই থোৱা থাকিব।

নিশান্ত : ঐ বৰ্ণালী, চন্দনা কেতিয়া আহিব অ'? আমি কিন্তু এনেদৰে বহি থাকিলে নহ'ব ! গীত-মাতৰ গধূলিলৈ আৰু কেইদিন আছে, হিচাপ আছে নে নাই?

বৰ্ণালী : আছে, আছে, কিয় নহ'ব ! নাটকৰ পাণ্ডুলিপিখন স্বপ্না বাইদেৱে তাইৰ হাততে দিম বুলি কৈছিল। তাই স্বপ্না বাইদেউৰ ঘৰৰ ওচৰতে থাকে নহয় সেইকাৰণে। বাইদেৱে নাটকখন বিশেষভাৱে আমাৰ কাৰণেই লিখিছে।

সুদীপ্ত : (সুদীপ্তই প্ৰথমৰপৰাই বাহিৰলৈ জুমি চাই আছিল।) (উৎসাহেৰে) ঐ নিশান্ত, চন্দনা আহিছে। একেবাৰে ৰ'দত ঘামি-জামি আহিছে তাই।

বৰ্ণালী : (অলপ খঙত) কি অ' চন্দনা, তই ইমান দেৰি কৰিলি? আমাৰ অথনিৰেপৰা বৈ বৈ আমনি লাগি গৈছে।

চন্দনা : ৰাস্তাত কেনেকুৱা গাড়ীৰ ভিৰ। কিমান কষ্ট খাব লগা হৈছে মইহে জানো। ইফালে ইমান ৰ'দ। কিয় মোৰ দেৰি হ'ব পাৰে সেই কথা নাভাবি মোৰ ওপৰত খঙহে কৰিছ?

সুভাষ : (ইমান সময়ে নিজৰ মাজতে গিটাৰখন লৈ বিভোৰ হৈ আছিল। তলমূৰ হৈ থকাৰপৰাই মাত দিলে) বাৰু, বাদ দে সেইবোৰ। চন্দনা, তই পিছে পাণ্ডুলিপিটো আনিছ নে?

চন্দনা : আনিছোঁ। সেইটোৰ বাবে ইমান কষ্ট, নানিম নেকি?

দীপু : চন্দনাৰ চাগে' এতিয়াও ৰ'দৰ চোক মূৰৰপৰা যোৱাই নাই। চন্দনা, তই অলপ ঠাণ্ডা পানী খাই জিৰাই ল। তেতিয়ালৈ আমিবোৰে নাটকখন পঢ়ি লওঁ, নে কি কৰ তহঁতে? দে পাণ্ডুলিপিটো।

নিশান্ত : তই ঠিকেই কৈছ দীপু।

চন্দনা : মোক এনেকে জোকাব নালাগে। হু ল এইটো। (পাণ্ডুলিপিটো হাতত লৈ দীপুৰ ফালে আগবঢ়াই দিয়ে।)

পাপলু : মই কিন্তু মূল চৰিত্ৰৰ অভিনয় কৰিম দেই।

নিশান্ত : ইয়াক কেৱল হিৰ' হ'বলৈহে লাগে। (সিফালে চন্দনাই চুকত পাৰি থোৱা বেঞ্চ এখনত বহি বেগৰপৰা পানী উলিয়াই খাবলৈ ধৰিলে।)
দীপুৱে পাণ্ডুলিপিটো হাতত লৈ পৃষ্ঠাবোৰ লুটিয়াই কোনে কি কি চৰিত্ৰৰ অভিনয় কৰিলে ভাল হ'ব তাকে ভাবিবলৈ ধৰিলে।

দীপু : (সকলোকে উদ্দেশ্যি) ঐ শুনচোন, বাইদেউৱে নাটকখনত আমাৰ সকলোৰে আচল নামবোৰ ৰাখিয়েই চৰিত্ৰবোৰ লিখিছে। বাইদেৱে বাৰু আমাৰ কথা লৈয়ে নাটকখন লিখিছে নেকি?

বৰ্ণালী : বাৰু, সেইবোৰ পিছে-পৰেও আলোচনা কৰিব পাৰিম। এতিয়া আমি আখৰা আৰম্ভ কৰোঁ, নে

কি কৰ? আমাৰ হাতত সময় একেবাৰে নাই। ঐ চন্দনা, ভাগৰ শেষ হ'লনে? আহ্ আকৌ ! (চন্দনাই বেঞ্চৰপৰা উঠি লাহে লাহে সিহঁতৰ ওচৰলৈ আহে।)

দীপু : সংলাপবোৰ ময়ে পঢ়ি দিওঁ নেকি?

সুভাষ : নাই, নালাগে। প্ৰত্যেকেই নিজৰ সংলাপ নিজে পঢ়ি ল'ব।

দীপু : ঠিক আছে বাৰু, তেন্তে প্ৰথম দৃশ্যৰপৰাই আৰম্ভ কৰোঁ। প্ৰথমতে আমি আটাইবোৰে খুউব স্ফূৰ্তিৰে ৰজা-ৰাণী খেলি থাকিম। সুভাষ আৰু বৰ্ণালী, তহঁত দুটা বায়েক-ভায়েক। বৰ্ণালী অলপ পিছতহে দৃশ্যটোত সোমাই আহিবি। হ'ব, সকলোৰে বুজি পালিনে?

(আটাইকেইটাই মূৰ জোকাৰি 'অ' পাইছোঁ' বুলি কয়।)

অলং-দলং পৰিছে
ৰজা-ৰাণী আহিছে
এদিন-ছেদিম বা
........................

(বৰ্ণালী অলপ দুখমনে প্ৰায় উধাতু খাই সুভাষক বিচাৰি আছে। বৰ্ণালীয়ে 'সুভাষ'ক 'ভাই' বুলি মাতে।)

বৰ্ণালী : ভাই, অ' ভাই। তই ইয়াতে খেলি আছ। আৰু মই তোক ক'ত ক'ত যে বিচাৰি ফুৰিছোঁ।

চন্দনা : কি হ'ল অ' বৰ্ণালী, তই যোৱা দুদিন ধৰি খেলিবলৈ অহা নাই যে? আৰু ই সুভাষক সোধোতে 'এনেয়ে অহা নাই' বুলি কৈছে। (আটায়ে খেলা বন্ধ কৰে।)

বৰ্ণালী : তাক ময়ে তেনেকে' ক'বলৈ কৈছিলোঁ।

নিশান্ত : কিয়?

বৰ্ণালী : কিয় মানে... কি বুলিনো কওঁ?

পাপ্‌লু : কি হৈছে ক'চোন !

(সুভাষ অলপ আঁতৰত ৰয়গৈ। বৰ্ণালীয়ে কওঁ-নকওঁ কৰি থাকে।)

বৰ্ণালী : তহঁতে ইমান ধুনীয়াকৈ খেলি আছ, খেলি থাক। মিছাতে মোৰ কথা শুনি মন বেয়া কৰিব নালাগে দে। ভাইক মই লৈ যাওঁ। তাৰ বাবে তহঁতে বেয়া নাপাবি। (বৰ্ণালী সুভাষৰ ওচৰলৈ যায় আৰু তাৰ হাতত ধৰে।)

আহ্ ভাই, ঘৰলৈ যাওঁ।

(সকলোৰে বৰ্ণালী আৰু সুভাষৰ ফালে চাই থাকে। সিহঁত দুয়ো যাবলৈ ধৰোঁতে নিশান্তই মাত দিয়ে।)

নিশান্ত : তই আমাক এনেকৈ একো নোকোৱাকৈ যাব নোৱাৰ। এনেকে যদি যাৱ, তেন্তে আমি ভাবিম তই আমাক কিবা কথাত বেয়া পাইছ। (নিশান্তই অলপ মুড সলনি কৰিলে।)

বাহ্ এইখিনিলৈ বঢ়িয়া হৈছে নহয় নে?

পাপ্‌লু : কিন্তু, সংলাপবোৰ (পাণ্ডুলিপিটো হাতত লৈ) এইখনৰ নিচিনা হোৱা নাই।

বৰ্ণালী : আমি improviseহে কৰিছোঁ। দুদিনমানত আটাইবোৰ সংলাপ মুখস্থ হৈ যাব। সংলাপ মুখস্থ হ'লেই আমি অসীম ছাৰক মাতি দিম। তাৰ পাছত চাবি, গীত-মাতৰ গধূলিত আমাৰ নাটকখনেই সকলোতকৈ ভাল হ'ব।

পাপ্‌লু : বৰ্ণালী, মই কিন্তু চন্দনাক আগৰবাৰৰ নিচিনাকৈ উইংচৰ ওচৰৰপৰা সংলাপ কৈ থাকিব নোৱাৰোঁ দেই।

চন্দনা : (পাপ্‌লুৰ ওচৰলৈ খেদা মাৰি আহে) ইস্ মইহে সংলাপ পাহৰোঁ। তোৰ নিজৰ বেলিকা কি হৈছিল? মঞ্চতে দেখোন ধুতি খুলি গৈছিল। দৰ্শকে গিৰ্জনি মাৰি হাঁহোতে ফেঁকুৰি ফেঁকুৰি কোনে কান্দিছিল? (পেংলাই কৰি কয়।)

পাপ্‌লু : মোৰ কি দোষ, সুনীল ছাৰেহে ধুতিখন বেয়াকৈ পিন্ধাই দিছিল।

সুভাষ : হ'ব, হ'ব। থ' তহঁতৰ কাজিয়া। এনেকৈ থাকিলে নহ'ব। বাকীখিনিও improvise কৰিয়ে কৰোঁ। (এইবুলি গিটাৰখন হাতত লৈ

এবাৰ বজাই দিলে।)

বৰ্ণালী : নহ'লে আমাৰ মুড হেৰাই যাব। নহয় নে সুভাষ?

সুভাষ : সুভাষ নহয়। মই তোৰ কাৰণে ভাইহে। ভাই, ভাই, বুলি ক আকৌ।

দীপু : অহ্ ক'ত এৰিছিলোঁ। বৰ্ণালী আৰু সুভাষ যাবলৈ লোৰাৰ পৰত। নহয় নে?

নিশান্ত : হয় সেইখিনিতেই। মোৰ ক'ব লগাখিনি আৰু এবাৰ নকওঁ। তোৰপৰাই আৰম্ভ কৰ্ বৰ্ণালী। (সকলোৱে আগৰ position লয়।)

বৰ্ণালী : তহঁতৰ একো কথাতে মই বেয়া পোৱা নাই। আৰু বেয়া পাবও নোৱাৰোঁ। তহঁতে মোক কিমান সহায় কৰ। কিন্তু মোৰ, আমাৰ দুখেৰে তহঁতক দুখী কৰিব বিচৰা নাই।

দীপু : কিন্তু বৰ্ণালী আমিতো তোৰ বন্ধু, আমাকো ক'ব নোৱাৰনে?

বৰ্ণালী : ঠিক আছে; শুন তেন্তে। তহঁতে জানই আমাৰ দেউতা নাই কাৰণে মায়ে আমাৰ কাৰণে সকলো। আমাক দুয়োকে মায়ে বহুত কষ্ট কৰি পঢ়াই আছে। মায়ে এজন ডাঙৰ দৰ্জীৰ দোকানত কাপোৰ চিলাই কৰে ৰাতিপুৱা ৯ বজাৰপৰা আবেলি ৫ বজালৈ। মাহেকত যিকেইটা পইছা পায় সেয়াৰে আমাৰ নোজোৰে। তথাপিও আমি তেনেকৈয়ে চলি আছোঁ। মাৰ যোৱা দহদিনমানৰপৰা গোটেই শৰীৰটোতে বিষ। চৰকাৰী চিকিৎসালয়ত দেখুৱাওঁতে বাত-বিষ বুলি কৈছে। কঠোৰ পৰিশ্ৰমৰ বাবে এনে হৈছে বুলি কৈছে। ঔষধ আনি দিবলৈও পইছা নাই। মাৰ সলনি ময়ে দৰ্জীৰ দোকানলৈ গৈ আছোঁ। সৰু-সুৰা দুই-এটা কাম কৰি দিওঁ। যি অলপ পইছা পাওঁ, তাৰে চাউল লৈ আহোঁ।

(লাহে লাহে সুভাষ বৰ্ণালীৰ কাষলৈ আহে। সি প্ৰায় কান্দিবলৈ ধৰে। আটায়ে বিমৰ্ষ হৈ পৰে। বৰ্ণালীয়ে কান্দি কান্দি কয়।)

দেউতা কেতিয়া ঢুকাইছিল আমাৰ মনত নাই। লাহে লাহে দেউতাৰ ছবিখন অস্পষ্ট হ'বলৈ ধৰিছে। দীপু, নিশান্ত, আজি আমাৰ দেউতা থকা হ'লে...(সিহঁত আটাইবোৰ বিষণ্ণ হৈ পৰে। প্ৰত্যেকেই নাটকৰ চৰিত্ৰৰপৰা ওলাই আহি নিজ নিজ ৰূপ লয়।)

চন্দনা : নিশান্ত, দীপু আমি বাৰু কেতিয়াবা ভাবি চাইছোঁনে, পৃথিৱীত এনেকুৱা কিমান দুখীয়া মানুহ আছে? নাটকৰ সুভাষ, বৰ্ণালীৰ দৰে কিমান সুভাষ, বৰ্ণালীয়ে কষ্টত দিন নিয়াইছে? স্কুলত পঢ়াতো দূৰৰ কথা, দুসাঁজ খাবৰ বাবেই বহুত কষ্ট কৰিব লগা হয়। কিয় এনে হয় বাৰু? কিয় মানুহ দুখীয়া হয়?

নিশান্ত : সকলোৱে একে নিচিনাকৈ কিয় জীয়াই থাকিব নোৱাৰে? অথচ, প্ৰত্যেক শিশুৰে স্বাধীনভাৱে কষ্ট নোপোৱাকৈ জীয়াই থকাৰ অধিকাৰ আছে?

পাপ্লু : আমাৰ দৰে কিমান ল'ৰা-ছোৱালীয়ে স্কুলত পঢ়িবলৈ পোৱা নাই। তেনে ল'ৰা-ছোৱালীয়ে লোকৰ ঘৰত কাম কৰে, হোটেলত কাম কৰে, হাতত ভিক্ষাৰ পাত্ৰ লয়, কল-কাৰখানাত কাম কৰে... আৰু আমিবোৰে... আমিবোৰে... মা-দেউতাক ইটোৰ পিছত সিটো বস্তুৰ ফৰমাইচ দি থাকোঁ... অথচ সেই মুহূৰ্তত আমি এবাৰো তেনে ল'ৰা-ছোৱালীৰ কথা নাভাবোঁ। (পাপ্লু কান্দোনত ভাগি পৰে।)

সুভাষ : (খুউব গহীনভাৱে) পাপ্লু, এইদৰে ভাগি পৰিলে একো লাভ নহ'ব। এইদৰে কন্দাৰ সলনি আমি নিজেই কিবা কৰিব লাগিব।

দীপু : অ' সুভাষ, তই ঠিকেই কৈছ। শ্ৰেণীত শৰ্মা ছাৰে কোৱা কথাবোৰলৈ মনত পৰিছে। ছাৰে পাঠ পঢ়াই থকাৰ মাজতে কেতিয়াবা কয় যে পৃথিৱীত সদায় এচাম মানুহৰ বাবে আন এচামে কষ্ট ভুগিবলগীয়া হয় আৰু তেতিয়াই এনে কিছুমান মানুহৰ জন্ম হয়, যিয়ে নেকি

আনৰ কল্যাণৰ হকে কাম কৰি যায়।

সুদীপ্ত : (বহু সময় ইহঁতৰ কথা শুনি থকাৰ পিছত কয়) : কিন্তু, বৰ্তমান আমিবোৰে এই ক্ষেত্ৰত কি কৰিব পাৰোঁ? চা, দীপু, আগৰ দিন আৰু এতিয়া নাই। এতিয়া মানুহে আনৰ কাৰণে ভাবিবলৈ সময় নাপায়। মানুহে কেৱল নিজৰ কাৰণে ভাবিব পাৰে। নিজৰ বাদে আনৰ কথা ভাবিবলৈ কাৰ ইমান আহৰি আছে? (হুমুনিয়াহ কাঢ়ি) ৰাতিপুৱাই বাতৰি-কাকতৰ প্ৰথম পৃষ্ঠাত দুৰ্ঘটনা, হত্যাৰ বাতৰি পঢ়াৰ পাছতো আমি জানো দৈনিক কামবোৰ নকৰাকৈ আছোঁ? অ', অৱশ্যে কিছুমানে আনৰ কথা ভবাৰ অভিনয় কৰে। সেয়া কেৱল তেনে লোকৰ বিলাসিতাহে। (সুদীপ্ত উত্তেজিত হৈ পৰে।)

নিশান্ত : সুদীপ্ত, দীপুৱে ঠিকেই কৈছে। তোৰ অন্তৰত ক্ষোভ জমা হৈ আছে। অকল তোৰেই নহয়, আমাৰ বুকুতো আছে। কিয় জান, আমি যে এখন সুন্দৰ, নিৰাপদ, সেউজীয়া পৃথিৱীত বাস কৰিব পৰা নাই। কিন্তু, মই, তই, দীপু, বৰ্ণালী সকলোৰে আশাবাদী হ'ব লাগিব। এনেদৰে ভাঙি পৰিলে নহ'ব।

দীপু : চা সুদীপ্ত, আমিয়েইতো দেশৰ ভৱিষ্যত। আমি সপোন দেখিব লাগিব এখন ধুনীয়া, সেউজীয়া পৃথিৱীৰ... য'ত তই, মই, চন্দনা সকলোৰে একোপাহ সুন্দৰ ফুল...

বৰ্ণালী : আমাৰ আটাইৰে আনৰ দুখ-কষ্ট বুজিব পৰা একোখন সুন্দৰ হৃদয় আছে। আমি নহ'লে নাটকৰ এটা চৰিত্ৰৰ কথাতেই ইমান দুখী নহ'লোঁহেঁতেন। আমি নিজে নিজৰ ওপৰত বিশ্বাস ৰাখিব লাগিব যে আমি নিজৰ লগতে আনৰো ভাল কৰিম। একো কৰিব নোৱাৰিলেও আমি কাৰো অন্যায় নকৰোঁ। (লাহে লাহে সুদীপ্তৰ মুখখন পোহৰ হ'বলৈ ধৰে।)

সুভাষ : (সকলোকে উদ্দেশ্যি) আমিয়েই প্ৰথমতে এনে ল'ৰা-ছোৱালীক, মানুহক সহায় কৰিবলৈ আগবাঢ়ি যাম। তাৰ পাছত দেখিবি সকলো হৃদয়বান মানুহেই খোলাৰপৰা ওলাই আহি আমাৰ স'তে খোজ মিলাইছে। পাপ্লু, সুদীপ্ত মনটো ডাঠ কৰ। তেতিয়াহে আমি ভবামতে সকলোবোৰ কৰিব পাৰিম।

চন্দনা : আহ্, সকলোৱে আমি একেলগে আগবাঢ়ি যাওঁ এখন সুন্দৰ পৃথিৱীলৈ... সেউজীয়া পৃথিৱীলৈ... আমাৰ সপোনৰ পৃথিৱীলৈ... নিশান্ত, প্ৰণৱদাই কবিতা এটাত কৈছে, "দুখৰ অৰণ্য নাথাকিলে/ক'ত জিৰাবহি সুখৰ চৰাই...

(আঁৰ-কাপোৰ পৰে।) ❖



**বাস্তৱ দাস**, দ্বিতীয় শ্ৰেণী



**নিচান প্ৰতীম ভৰদ্বাজ**, দ্বিতীয় শ্ৰেণী

# ছাত্ৰৰ প্ৰতি

◆ নৰেন্দ্ৰ মোহন গোস্বামী
শৈক্ষিক বিষয়া

'ছাত্ৰ' শব্দৰ অৰ্থ হ'ল শিকাৰু। 'শিকাৰু' শব্দটোৰ অৰ্থ ব্যাপক। সংস্কৃতত কোৱা আছে—"ছাত্ৰাণাম্ অধ্যয়নং তপঃ"। এতিয়া প্ৰশ্ন হ'ল—অধ্যয়ন আৰু তপঃ এই শব্দ দুটাই প্ৰকৃততে কি বুজাইছে? অধ্যয়ন শব্দই মনোযোগ দি পঢ়া কাৰ্যক বুজায় আৰু তপঃ শব্দই সাধাৰণতে শৰীৰক কষ্ট দি কৰা দেৱ-দেৱীৰ আৰাধনাক বুজায়। এতিয়া ছাত্ৰ, অধ্যয়ন আৰু তপ তিনিটা শব্দৰ সামূহিক অৰ্থ হ'ল কষ্ট স্বীকাৰ কৰি মনোযোগেৰে বিদ্যা আহৰণৰ বাবে ব্ৰতী হোৱা।

এজন ভাল ছাত্ৰ হ'বলৈ হ'লে ছাত্ৰজনৰ গাত নিয়মানুৱৰ্তিতা, নম্ৰতা, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা ভাৱ, কনিষ্ঠজনৰ প্ৰতি স্নেহ ভাৱ, শিক্ষক-শিক্ষয়িত্ৰী আৰু পিতৃ-মাতৃৰ প্ৰতি ধাউতি, শ্ৰদ্ধা আৰু পঠনীয় বিষয়বস্তুৰ ওপৰত সম্যক জ্ঞান লাভৰ বাবে চেষ্টা, এই গুণবোৰ থাকিব লাগিব। বৰ্তমান সমাজত এইবোৰ গুণৰ অধিকাৰী ছাত্ৰ-ছাত্ৰী সততে বিচাৰি পোৱা বিৰল। সেয়ে আজিৰ সমাজত উচ্চ ডিগ্ৰীধাৰী অনেক লোক দেখিবলৈ পোৱা যায়; কিন্তু জ্ঞানীলোক বুলি আখ্যা দিব পৰা ব্যক্তিৰ নাম ক'বলৈ চিন্তা কৰিবলগীয়া হয়।

আমাৰ সমাজত শ্ৰমৰ মৰ্যাদা সম্পৰ্কে ছাত্ৰ-ছাত্ৰী সচেতন নহয়। শ্ৰমৰ ভিত্তিতে মানুহক ডাঙৰ-সৰু বুলি গণ্য কৰা হয়। কিন্তু ছাত্ৰসকলে এইটো ভালদৰে হৃদয়ঙ্গম কৰা ভাল যে কামৰ সৰু-বৰ নাই। আমি সমাজত সৰু বুলি ভবা শ্ৰেণীৰ মানুহখিনিয়েহে এখন বৃহত্তৰ সমাজ জীয়াই ৰখাত সহায় কৰে। এই মানুহখিনি নাথাকিলে সমাজ মৃতপ্ৰায়। ছাত্ৰসকলে বুজিবলৈ চেষ্টা কৰা উচিত যে সমাজত প্ৰকৃততে শ্ৰেষ্ঠ কোন? আনৰ শ্ৰমৰ ওপৰত জীয়াই থকাজন নে আত্মনিৰ্ভৰশীল ব্যক্তিজন! সেয়ে অকল অৰ্থহীন ডিগ্ৰীকে ডাঙৰ বস্তু বুলি ভাবি ছাত্ৰসকল কেতিয়াও পথভ্ৰষ্ট হ'ব নালাগে। তেওঁলোকে যি সামান্য বিদ্যা আহৰণ কৰে সেয়ে যথেষ্ট, যদিহে তেওঁলোক জ্ঞানী আৰু সৎ-স্বভাৱী হ'ব পাৰে। তেওঁলোক কৃষক বা সৈনিক হ'লেও সন্মান লাঘৱ হোৱা বুলি ভাবিব নালাগে।

পৃথিৱীৰ শৈক্ষিক গতিধাৰা দ্ৰুতগতিত পৰিৱৰ্তন হ'ব ধৰিছে। ছাত্ৰ-ছাত্ৰীসকলে অকল আমাৰ গাতে লাগি থকা পৰিৱশটোকে সমগ্ৰ পৃথিৱীৰ পৰিৱেশ বুলি ধৰিব নালাগে। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা সমাপ্তিৰ লগে লগে সময়ৰ লগত খোজ মিলাই বহিৰ্জগতৰ লগত নিজকে খাপ খুৱাই ল'ব পৰাকৈ নিজৰ দেশৰ পৰিৱেশ গঢ়ি তুলিবলৈ সচেষ্ট হ'ব লাগে।

বিলাসিতাও ছাত্ৰ জীৱনৰ উন্নতিত হেঙাৰ স্বৰূপ। ছাত্ৰ জীৱনত যিমান পাৰি সহজ-সৰল জীৱন যাপন কৰিবলৈ চেষ্টা কৰিব লাগে। ছাত্ৰসকল পৰিপাটি হোৱাটো বাঞ্ছনীয়; কিন্তু বিলাসী হোৱাটো একপ্ৰকাৰ দোষণীয় বুলিয়েই ক'ব পাৰি। কাৰণ ছাত্ৰ জীৱনটো প্ৰকৃততে ইমান ব্যস্ততাপূৰ্ণ জীৱন যে বিলাসৰ কথা ভবা ছাত্ৰই তেওঁৰ কৰিবলগীয়া বহু কামেই বাদ দিবলগীয়া হয়। যুগ সৃষ্টিকাৰী মহা মহা ঋষি-মুনিসকলৰ জীৱন নিৰ্বাহৰ প্ৰক্ৰিয়া কিমান সৰল আছিল, যাৰ বাবে তেওঁলোকে গভীৰ অধ্যয়নেৰে অমূল্য জ্ঞান ভাণ্ডাৰ আমাৰ বাবে দান দি থৈ যাবলৈ সক্ষম হৈছে। কাৰ্লমাৰ্ক্স, টলষ্টয়, ৰবীন্দ্ৰনাথ ঠাকুৰ, শঙ্কৰ-মাধৱৰ দৃষ্টান্তবোৰ আমি অধ্যয়ন কৰিলে কি পাওঁ—বিলাসিতা নে সৰলতা। সৌ সিদিনাৰ কথা—অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱনৰ সৰলতাই আমাক কি শিকায়? জীৱনৰ মূল্য জ্ঞান আৰু নৈতিকতাৰেহে প্ৰমাণ কৰিব পাৰি, ফপহুতা গুণেৰে নহয়। ছাত্ৰ-ছাত্ৰীসকলে এই কথা বুজিবলৈ চেষ্টা কৰা উচিত। আজিকালি বহুতো ছাত্ৰ-

ছাত্ৰী কিছুমান বিকৃত ৰুচিসম্পন্ন কামেৰে সমাজত নিজকে আনতকৈ বেলেগ দেখুৱাবলৈ গৈ সমাজৰ আৱৰ্জনা হৈ পৰিছে। যিহেতু তেওঁ আনৰ প্ৰতি শ্ৰদ্ধাশীল নহয় বা জ্যেষ্ঠজনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো পৰাজয় বুলি ভাবে, সেয়ে তেনে ধৰণৰ বিপথগামী ছাত্ৰ-ছাত্ৰীক সজপথ দেখুৱাবলৈ সমাজৰ কোনো লোক আগবাঢ়ি নাহে। এই সুবিধাকণ গ্ৰহণ কৰি তেওঁলোকক সমাজে স্বীকৃতি দিয়া বুলি ভাবিব নালাগে।

সাধাৰণতে ছাত্ৰ-ছাত্ৰীসকলৰ মন চঞ্চল হয়। বিশেষকৈ প্ৰাথমিকৰপৰা মাধ্যমিকৰ স্তৰতে এই চঞ্চলতা বেছিকৈ দেখা যায়। এই সময়ছোৱাত তেওঁলোক জীৱনৰ গভীৰ সমস্যাৰাজিৰপৰা মুক্ত হৈ থাকে বাবে মনৰ গভীৰতা কম হয়। অৱশ্যে দুই-চাৰিজন ছাত্ৰ-ছাত্ৰী ইয়াৰ ব্যতিক্ৰম হোৱাটো স্বাভাৱিক। ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ চঞ্চল ভাব দূৰ কৰাৰ মূল উপায় অধ্যয়নৰত হোৱা আৰু ভগৱানক নিয়মিতৰূপে প্ৰাৰ্থনা কৰা। যি ছাত্ৰ-ছাত্ৰী শিশুকালৰপৰা অধ্যয়নৰ প্ৰতি অনুৰাগী হয়, তেনে ছাত্ৰ-ছাত্ৰী সাধাৰণতে চঞ্চল হ'ব নোৱাৰে আৰু সহজে কেতিয়াও কু-কামত প্ৰবৃত্ত হোৱা দেখা নাযায়। প্ৰাতঃকালত মৌনভাৱে অন্ততঃ এক বা দুই মিনিট সময় আৰু সন্ধিয়া সময়ত যদি উচ্চস্বৰে অন্ততঃ পাঁচ মিনিট সময় কোনো ছাত্ৰ-ছাত্ৰীয়ে ভগৱানৰ স্তুতি কৰিব পাৰে তেনে ছাত্ৰ-ছাত্ৰী সংসাৰত কেতিয়াও অসহায় নহয় আৰু কুপথে পৰিচালিত হ'ব নোৱাৰে। বৰ্তমান সমাজৰ বিশৃংখল ছাত্ৰ-ছাত্ৰী আৰু সৎ-স্বভাৱী ছাত্ৰ-ছাত্ৰীসকলৰ দৈনন্দিন জীৱনৰ কাৰ্যক্ৰম অলপ চাৰি-জাৰি চালে সত্যতা ওলাই পৰিব। ছাত্ৰ-ছাত্ৰী ধাৰ্মিক হ'ব লাগে; কিন্তু ধৰ্মৰ প্ৰতি গোড়ামি থাকিব নালাগে। সকলো ধৰ্মৰ প্ৰতি সন্মান জনাব পৰা জনহে প্ৰকৃত মানুহ নামৰ যোগ্য। যিটো গুণ প্ৰতিজন মহাপুৰুষৰ গাতে বিৰাজমান।

'শৰীৰম্ আদ্যং খলু ধৰ্ম সাধনম্'—সকলো ধৰ্ম সাধনৰ মূলতে হ'ল শৰীৰ। শৰীৰ ভালে নাথাকিলে জীৱনত কোনো ডাঙৰ কাম কৰিবলৈ আগবাঢ়িব নোৱাৰি। বৰ্তমান যুগত খেল-ধেমালিৰ প্ৰাধান্য বাঢ়িছে যদিও নীতিগতভাৱে শৰীৰ চৰ্চা বোলা কথাষাৰ লুপ্তপ্ৰায় হৈছে। আজি কিছু বছৰ আগলৈকে বিদ্যালয়সমূহত ব্যায়াম শিকোৱাৰ দৃষ্টান্ত আছিল; বিদ্যালয়সমূহে এনে পদক্ষেপ গ্ৰহণ কৰিলে ভাল। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ চৰ্চাৰ গুৰুত্ব উপলব্ধি কৰি নিজাববীয়াকৈ এই দিশত মন দিয়া দেখা যায়। যি ছাত্ৰ-ছাত্ৰী নিজৰ শৰীৰটোৰ প্ৰতি সচেতন নহয়, তেওঁ বাৰু পৃথিৱীত কাৰ বাবে সচেতন হ'ব? ম'বাইল ফ'ন, দূৰদৰ্শন যন্ত্ৰৰ ভুল ব্যৱহাৰেও ছাত্ৰ-ছাত্ৰীক বহু সৎ কামৰপৰা বিৰত কৰিছে। এই বিষয়ত অভিভাৱকসকলৰ চোকা দৃষ্টি থকা উচিত।

ছাত্ৰ-ছাত্ৰীসকলৰ আন এটি মন কৰিবলগীয়া দিশ হ'ল—দুখীয়াৰ প্ৰতি পুতৌ আৰু প্ৰাণীৰ প্ৰতি দয়া। যি ছাত্ৰ-ছাত্ৰীৰ গাত এই গুণ দুটা নাথাকে, তেনে ছাত্ৰ-ছাত্ৰীৰপৰা সমাজে একো আশা কৰিব নোৱাৰে। কাৰণ তেনে ছাত্ৰ-ছাত্ৰী আত্মকেন্দ্ৰিক হয় আৰু সমাজৰ পিছপৰা শ্ৰেণীলৈ তেওঁলোকৰ সহানুভূতি নাথাকে আৰু এই শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে অৰ্থনৈতিক কেলেংকাৰীত জড়িত হৈ পৰাৰ সম্ভাৱনা থাকে।

ছাত্ৰ-ছাত্ৰীসকল মৌমাখিৰ দৰে হ'ব লাগে। মৌমাখিয়ে যিদৰে বিভিন্ন ফুলৰ ৰস সংগ্ৰহ কৰি মৌচাক তৈয়াৰ কৰে, ঠিক সেইদৰে ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত নিৰ্ধাৰিত কৰি দিয়া পাঠ্যপুথিৰ উপৰিও আন আন উপাদেয় গ্ৰন্থ বা পুথি সংগ্ৰহ কৰি তাৰপৰাও জ্ঞান আহৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। আজিকালি হেজাৰৰ ভিতৰত তেনে ধৰণৰ জ্ঞান আহৰণত ব্ৰতী ছাত্ৰ-ছাত্ৰী এজনো পাবলৈ টান হৈ পৰিছে। সেয়ে পৰীক্ষাত ভাল ফল দেখুওৱা অনেক ছাত্ৰ-ছাত্ৰীয়ে জীৱনত প্ৰয়োজনীয় সাধাৰণ কথা কিছুমানকে নাজানে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে নিয়মিতভাৱে পাঠ্যপুথিৰ উপৰি অন্য পুথিও অধ্যয়ন কৰিব লাগে।

এজন ছাত্ৰই বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়লৈ গৈ বিভিন্ন পৰীক্ষাত কিমান নম্বৰ লাভ কৰিলে, সেইটো গুৰুত্বপূৰ্ণ কথা নহয়। তেওঁ নিজকে কিমান চৰিত্ৰবান কৰি গঢ়ি তুলিব পাৰিলে আৰু তেওঁৰ আয়ত্ত কৰা বিদ্যাই তেওঁক প্ৰকৃত মানুহ হোৱাত কিমানদূৰ সহায় কৰিলে সেইটোহে প্ৰকৃত কথা। ❖

# কুসুমৰ আত্মগাথা

◆ উদয়া ফুকন
শিক্ষয়িত্ৰী, বিজ্ঞান বিভাগ

এই মোহনীয় ধৰণীক ৰঙেৰে ওপচাই তোলাৰ ভাৰ মোৰ হাতত। মোৰেই বৰণীয়া ৰূপে মৰতত সৰগ ৰচে।

সুখৰ বেলাতো মই, দুখৰ বেলাতো মই; বিজয়ৰ উল্লাসতো মই, শুভ লগনৰ সাক্ষী মই আৰু ভক্তিৰ অঞ্জলিতো মই।

ধৰাৰ বুকুত থিতাপি লোৱাৰপৰাই মই সকলোৰে মন জয় কৰি আহিছোঁ। নৰ-মনুষ্যৰপৰা কীট-পতংগ— সকলোৱে মোকেই বিচাৰি ফুৰে। কাৰণ মই বৰ উদাৰ। সকলোকে বিলাই দিওঁ মোৰ সৰ্বস্ব। হিয়া উজাৰি দিওঁ মোৰ ৰঙৰ মেলা, সুবাস, মৌ আৰু ৰেণু। মোক দেখি ভোমোৰাই গুণগুণায়, পখিলাই উলাহতে নাচে, কবিয়ে কবিতা লিখি হৃদয়ৰ ভাব আখৰতে থয় সাঁচি। মোৰ মায়াৰে গীতিকাৰে গীত ৰচে আৰু সুৰকাৰে সুৰেৰে সজাই গায়কৰ কণ্ঠেৰে শ্ৰোতাক মুগ্ধ কৰে।

মই তোমালোকৰ ঘৰে-বাহিৰে শোভা বৰ্ধন কৰোঁ। পাহাৰ-ভৈয়াম, জলাশয়ত ৰঙৰ পোহাৰ মেলোঁ। মোৰ ৰং-বিৰঙৰ আৱৰণৰ নানান সজ্জাই প্ৰকৃতিৰ বুকু জীপাল কৰে। মোৰ আভৰণবোৰকে তোমালোকে নানা নাম দি ৰহণ চৰোৱা। পাহি, বেটু... আৰু যে কত কি ! মোৰ আভৰণৰ অলেখ আকৃতি, আকাৰ আৰু আছে একো একোটা নিৰ্ধাৰিত সজ্জা। অৰ্থাৎ মই এক নিয়মত বান্ধ খাই থাকোঁ। মোৰ এই সজ্জাবোৰ, নিয়মবোৰ তোমালোকে অন্বেষণ কৰি অভিৰুচি পূৰোৱা। বিজ্ঞানীয়ে মোৰ দেহতে বিচাৰি পায় নানা নক্সা, সংখ্যাৰ খেল। যিবোৰ অপৰিৱৰ্তনীয়। আভৰণবোৰে ইটোৰে-সিটোৰ লগত ৰচে নানান ধৰণৰ সমন্বয়। এই সমন্বয় বহু যুগ যুগৰ—যেন বহমানা স্ৰোতস্বিনী।

মই আপোনজনক সহজে চিনি পাওঁ আৰু আদৰি আনো মোৰ বুকুৰ কুঠৰীলৈ। ইয়াতে পাতনি মেলে নতুন জীৱনে, সংগোপনে লুকাই থাকে ভ্ৰূণৰূপে। সেই সুকোমল ভ্ৰূণক আবৰি ৰখা মোৰ অংশই নৱ-নৱ ৰূপেৰে আত্মপ্ৰকাশ কৰি জীৱৰ বাবে মেলি দিয়ে পুষ্টিৰ সম্ভাৰ। এই পুষ্টিৰ আধাৰত জীৱই প্ৰাণ পায় আৰু লভে তৃপ্তি। এই বীজ ধাৰণ কৰি মই চিৰন্তনভাৱে ধৰাৰ বুকুত জীৱৰ সোঁত বোৱাই ৰাখিছোঁ। মোৰ বুকুতে সৃষ্টি হোৱা ভ্ৰূণে সময়ত গজালি মেলি নৱ পল্লৱ ধাৰণেৰে সুশোভিত হয় তৰু-তৃণৰূপে। ৰূপান্তৰিত হয় বিশাল বৃক্ষলৈ। এই বৃক্ষই ধৰি ৰাখে ধৰণীৰ কায়া আৰু এৰি দিয়ে নিৰ্মল বায়ু আকাশে-বতাহে। সেয়েহে তোমালোকে শ্ৰেষ্ঠজ্ঞান কৰি নেদেখাজনৰ শ্ৰীচৰণত মোক অৰ্পণ কৰি আশিস বিচাৰা। বিজয়ীজনে মোৰেই মালা পিন্ধি গৰ্বিত হয়। নৱ জীৱনৰ পাতনি মেলাত যিদৰে মই আনন্দ বিলাওঁ, একেদৰে জীৱনে মেলানি মাগিলে মই বেদনাৰ সমভাগী হওঁ।

তোমালোকৰ সাজ-পোছাকত মোৰ ছবি, ঘৰৰ আচবাবত মোৰ আৰ্হি দেখি আপ্লুত হওঁ। অট্টালিকাৰ বেৰত, স্তম্ভত, বাহিৰে-ভিতৰে মোৰেই প্ৰতিচ্ছবি। নাৰীৰ আভূষণতো মোকেই স্বৰ্ণকাৰে অংকন কৰে। মোৰ ছবিয়ে শিশুৰ হৃদয়ৰ মণিকোঠাত পোহৰ বিলায়। প্ৰকৃতি জীৱৰ প্ৰাণ, সুখৰ আকৰ আৰু মই তাৰেই অংশ। সেয়েহে মই কলিতে মৰহি যাব নোখোজোঁ। তোমালোকে মোক জীয়াই ৰাখাঁ। মই এনেকৈয়ে জী থাকিব খোজোঁ। মই যে এপাহি সুকোমল ফুল। ❖

# Childhood : Then and Now

◆ **Bhaktimala Saikia**

Teacher, Department of English

Can you imagine a world without Instagram, Facebook, Twitter, Google ? I would say 'No'. Well, being a 90s kid we lived in that world–a world which was much simpler than today. We witnessed a life before technology and internet took over. Kids of the present era have an entirely different scenario. With the advancement in technology children now are missing the most simple times of their lives. I would say that there's just too much that happened in just ten years. The children during our era had a different idea of fun childhood.

Back then we hold testimony to a time when having a landline connection was a great achievement. We also saw PCOs in every nook and corner of our town. Now we see mobiles everywhere. The cameras then were used only on special occasions. People even went to studios to get their photos clicked. But now pictures are clicked anytime anywhere for instagram, snapchat, twitter post on Facebook etc. Making friends meant stepping out and asking a child to play along with. Now all we need to do is add them on our social sites. We went through times when we flipped through the pages of a dictionary to search a meaning. Information was not right at our fingertips as we have now. I still have a lot of collection of comics and story books but now I see kids only fond of kindle and E-books. I remember, for us holidays meant going out of home and returning late all soiled and dirty. But there wasn't any sign of tiredness. We played innumerable games like hide and seek, kabaddi, tug of war and the list goes on and on. But today's children are seen busy with mobile and computer games. Owning a cricket bat was a prized possession as you can take the bat back home on being out not letting the others play any more. Watching TV together with the children of one's locality is being replaced by smartphones and laptops. Likewise waiting for the antenna's signal is replaced by waiting for data connection. We lived in a time when there was no Netflix, Hotstar, Amazon Prime but we watched, TV with the whole family which is a rare sight today. Letters and greeting cards back then gave us immense happiness which are now being replaced by instant messaging. It was a time when there was one bicycle and a lot of riders. We enjoyed watching Shaktimaan and Junior G. Chitrahaar and Rangoli were only shows that telecast movie songs. Alice in Wonderland was the only cartoon I remember watching and listening to bedtime stories were our favourite pastime.

There are lot many things which have been replaced and it is useless to feel sad or complain about as "change is the only constant", "change is inevitable". But every 90s kid will admit of having a wonderful and carefree childhood– a childhood, when apple and blackberry were only fruits. As I walk through the memory lane I wish to relieve my childhood. ❖

# My Ramayana Days

◆ **Binoy B Gogoi**
Teacher, Dept. of English

It started some days in 1987 or 1988, most probably. I don't remember the date exactly. Everyone in my village was talking about Rama, Sita, Ravana and all other characters related to them. Well, the thing was that the Ramayana was on TV those days. Everyone, be it old or young liked the Ramayana very much. The only problem was that every household didn't have a TV set in those days. We were not any different. As far as I remember we had only one TV set in the neighbourhood and that belonged to a Marwari family. We used to rush to their home every Sunday to get a better place to sit and enjoy the show. They used to take out the TV set to their verandah and everybody used to sit in front of the TV. Sometimes we used to be late and there was not any vacant place to sit. Eventually we had to return home after a few unsuccessful attempts to find a place to sit down or even to stand. It was easily understandable that we were quite unhappy as we didn't want to miss a single episode. I even remember crying a few times. However, luckily my parents decided to buy a TV set to satisfy our need as well as to save us from shedding tears. Well, the TV set was bought and interestingly the crowd at the Marwari family's home split up. Now, like theirs, our verandah also began to fill up every Sunday morning. I was more than happy as I got the front seats everyday with my family members.

A new chapter in my life began. Watching TV became a regular affair. We had only one channel in those days, i.e. Doordarshan. But, in spite of that we were more than happy. We loved every programme, even the programme named Krishidarshan which was for the farmers. It didn't matter at all what was being telecast on TV. The most important fact for us was that we were watching TV. We had some favourite programmes too, like 'Chitrahar', every Wednesday and Friday night, then 'Rongoli' every Sunday morning, 'Pingoo', the cartoon show without any dialogues, 'Captain Vyom', the sci-fi serial, 'Jungle Book' every Sunday and, yes, 'the Ramayana' and later 'the Mahabharata'.

After getting the TV set we faced another problem, i.e. getting proper signals sometimes, especially during rainy or cloudy days. We had, however a funny solution. This took two persons, one needed to wait in front of the TV set and the other used to keep on turning the bamboo pole that held the antenna. While turning, at certain point the signal was good and the person in front

of the TV set confirmed getting a good picture on the screen. We enjoyed that a lot. Time changed and we came to know about one more TV channel, DD2 or Metro channel. The programmes on that channel were quite better than the programmes telecast on Doordarshan which we called DD1. We decided to get that channel. For that we needed a smaller antenna specially designed for getting the signal of that channel, and yes, one small, white box type thing that we called booster at that time. Everything was arranged and we felt the change in our lives.

The TV set we had, showed the pictures only in black and white. We had to face one serious problem while watching TV. Electricity was not regular those days and moreover, we had the voltage fluctuation problem. Sometimes watching TV was quite impossible as the voltage was so low that only the filament of the bulb used to glow up. However, we found a solution to that problem. We used to have two stabilizers in such times and that solved our problem.

However, it was not that we were allowed to watch TV all the time. We had to study and TV was very addictive. Most probably some companies anticipated this problem and had a solution. Some TV sets had shutters that could be locked. We had one such TV and our father used to lock it and keep the key somewhere safe. So, we were bound to study properly for a good amount of time and only then the TV was unlocked for us. In recent times, interestingly the parents have found another solution to this problem. They just don't recharge their subscription of the channels.

It was not that the TV gave us entertainment only. We learned a lot from the shows. TV opened a whole new world in front of our eyes. We got to know about different places and cultures from programmes like "Surabhi". Learning a few words of different languages was fun. The regional films in different languages on Sundays introduced us to different cultures. We learned a few words of Tamil, Telugu, and Malayalam etc. We got to see several wonderful films from the comfort of our homes. TV just made us up to date in different fields.

Television has been improved to a different level in today's world which was unimaginable in the past. We get to see a lot more programmes in comparison to the past. The picture quality developed, signals are far better, variety of programmes are there, a huge number of channels are there; but, still I find the joy of watching TV missing which was there in the past. With the introduction of various channels, the joy of the whole family watching TV together in those days is now a rare scene. We gained the advanced technology and lost the togetherness and simplicity. As I keep surfing through various channels now-a-days I really miss those days…my Ramayana days. ❖

# বিষ্ণু ৰাভাৰ গীতত বৈপ্লৱিক চেতনা, প্ৰকৃতি, শিশু আৰু প্ৰেম-বিৰহৰ নান্দনিক সৌন্দৰ্য

◆ জুৰি গোস্বামী
শিক্ষয়িত্ৰী, প্ৰাক্-বিদ্যালয় শাখা

য'ত সৌন্দৰ্যৰ নাটনি হয়, তাতেই একোজন শিল্পীৰ অপূৰ্ব সৃষ্টিৰাজিয়ে সৌন্দৰ্যৰ প্লাৱন আনি দিব পাৰে। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ পিছত প্ৰায় পাঁচশ বছৰ কাল অসমৰ সাংস্কৃতিক ক্ষেত্ৰখন প্ৰায় অন্ধকাৰত বুৰ গৈ আছিল। সেই অন্ধকাৰ আঁতৰাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই নৃত্য, গীত, নাটক, কাব্য আদি অমূল্য সৃষ্টিৰাজিৰে অসমীয়া সাংস্কৃতিক জীৱনত অভিনৱত্ব আনি সুকুমাৰ কলা সাধনাৰ বাট প্ৰশস্ত কৰি তুলিলে। অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখন বৰ মসৃণ নাছিল। এনে এক বাতাবৰণতে বিষ্ণুপ্ৰসাদে সেই সময়ৰ আধুনিক অসমীয়া সংগীতৰ ক্ষেত্ৰখনক এক বৈপ্লৱিক চেতনাৰে উদ্বুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল।

বিষ্ণু ৰাভাৰ কালে গৰকিব নোৱৰা দূৰন্ত প্ৰতিভা আৰু বৈচিত্ৰ্যৰে ভৰা জীৱনাদৰ্শ হাজাৰ-বিজাৰ অনুগামীৰ প্ৰেৰণাৰ উৎস। জীৱনৰ অন্তিম সময়লৈকে অসমীয়া কৃষ্টি-সংস্কৃতি, অসমীয়া মাটিৰ গোন্ধেৰে সংপৃক্ত থলুৱা গীত-মাত আৰু বাদ্য তেখেতৰ সৃষ্টিৰাজিত প্ৰকাশ ঘটিছিল বাবেই প্ৰতিটো গীতেই প্ৰতিজন অসমীয়াৰ হৃদয় স্পৰ্শ কৰি চিৰসেউজ হৈ আছে। এইগৰাকী শিল্পীৰ গীতসমূহৰ বিষয়বস্তু প্ৰেম-বিবাহ, কৃষক-বনুৱাক জাগ্ৰত কৰি তোলাৰপৰা নৈসৰ্গিক শোভাৰ মনোমুগ্ধতালৈকে বিস্তৃত।

বিষ্ণু ৰাভাৰ গীতৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে প্ৰথমেই তেওঁৰ বিপ্লৱী সত্তাটোৰ কথাই মনলৈ আহে। তেওঁ বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি সংগ্ৰামী সত্তাটোক অন্তঃকৰণেৰে প্ৰতিপালন কৰি ৰাখিছিল। ধনী-দুখীয়া, মজদুৰ-জমিদাৰ আদি শ্ৰেণীহীন সমাজ এখনৰ সপোন দেখিছিল আৰু তাৰ জৰিয়তে জনগণৰ মুক্তিৰ পথ বিচাৰিছিল। তাৰ বাবেই গঢ়ি তুলিছিল এক সাম্যবাদী বিপ্লৱ। এই বিপ্লৱ আগুৱাই নিয়াৰ বাবে তেওঁ বিভিন্ন গীত, কবিতা ৰচনা কৰিছিল; যাৰ দ্বাৰা সাধাৰণ জনতাক জাগ্ৰত কৰিব পাৰিছিল। এই বিপ্লৱ আগুৱাই নিয়াৰ তাগিদাত সেই সময়ত তেওঁ অসমৰ বিভিন্ন প্ৰান্তলৈ গৈ সাম্যবাদৰ ধ্বনি থকা বহুতো গীত, কবিতা সৃষ্টি কৰিছিল। সেইবোৰৰ সংৰক্ষণত গুৰুত্ব নিদিয়াৰ বাবেই বহুকেইটা গীত, কবিতা কালৰ বুকুত হেৰাই গ'ল। তাৰপৰা স্পষ্টকৈ ক'ব পাৰি যে সাম্যবাদৰ ধ্বনি থকা সেই গীতসমূহ যুগ চেতনাৰ বাহক আৰু অসমীয়া গীতি-সাহিত্যলৈ মহৎ অৱদান। এনে বলিষ্ঠ আৰু স্পষ্ট প্ৰকাশ তাৰ আগতে হয়তো কোনো গীততেই নাছিল। প্ৰতিজন অসমীয়াক উদ্বুদ্ধ কৰিব পৰা তেনে গীতসমূহৰ ভিতৰত—'ব'ল ব'ল ব'ল কৃষক শক্তিৰ দল...', 'স্বাধীন চিতিয়া হালোৱা ডেকা ৰণুৱা...', 'দুখীয়াৰ কলিজা নিঙাৰি লৱ...' আদি উল্লেখযোগ্য। আগতেই উল্লেখ কৰিছোঁ যে বিষ্ণু ৰাভাৰ সংগ্ৰামী জীৱনটো বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ কৰা। তেনে এটি কৰুণ ঘটনা আছিল—মাতৃহাৰা দুটি সন্তানক বুকুৰ মাজত লৈ শুই থকা অৱস্থাত তেওঁক এবাৰ পুলিছে চোঁচোৰাই লৈ গৈ বহুদিন উৰিষ্যাৰ গঞ্জাম জেলত কাৰাৰুদ্ধ কৰি ৰাখিছিল। সেই সময়তে তেওঁ লিখিছিল—'তেজৰ বোলেৰে লিখি যাম ইতিহাস, মচি যাম দীন সমাজৰ হীন পৰিহাস...'

গীতটি। এনেদৰে গীতৰ মাধ্যমেৰে তেওঁ স্বাধীনতা আন্দোলন আৰু পৰৱৰ্তী পৰ্যায়ত সাম্যবাদী আন্দোলনটোৰ নেতৃত্ব বহন কৰি জনসাধাৰণক জাগ্ৰত কৰি ৰাখিছিল।

শিশুৰ মনোজগতখনতো তেওঁ বিচৰণ কৰি শিশু মনস্তত্ব সুন্দৰকৈ বুজি পাইছিল। শিশুৰ মনোজগতৰ প্ৰতি লক্ষ্য ৰাখি গীতসমূহ চুটি চুটিকৈ লিখিছিল। বিষয়বস্তু হিচাপে বাছি লৈছিল শিশুৰ চিনাকি পৰিৱেশৰ গছ-লতা, চৰাই-চিৰিকটি, ফল-মূল আদি। গীতৰ সুৰবোৰো আছিল শিশুৱে সহজে আয়ত্ত কৰিব পৰা ধৰণৰ। শদিয়াৰপৰা ধুবুৰীলৈ প্ৰায় প্ৰতিগৰাকী শিশুৰ সংগীতৰ অংকুৰণ ঘটে 'বিলতে হালিছে ধুনীয়া পদুমী, ফুলনিত ফুলিছে ফুল...', 'ৰাংঢালী ৰচকীৰ ওঁঠতে...', 'উলাহেৰে নাচি-বাগি হলি বিয়াকুল...', 'ৰ'দালি এ ৰ'দ দে...', 'জোনবাই এ তৰা এটি দিয়া...', 'অলিয়া বলিয়া কৃষ্ণাই কলীয়া...' আদি গীতৰ যোগেদি। ইয়াৰে 'ৰ'দালি এ ৰ'দ দে...' আৰু 'জোনবাই এ তৰা এটি দিয়া...' গীত দুটিৰ জৰিয়তে শিশুৰ পৰম্পৰাগত ওমলা গীতসমূহক যেন শৃংখলা লগালে। তেওঁ অনুভৱ কৰিছিল যেন কুৰি শতিকাত শিশুসকলৰ নামগীত (যেনে—তুলসীৰ তলে তলে...) সমূহৰ প্ৰতি আকৰ্ষণ কমি আহিছে। সেয়ে তেওঁ সৃষ্টি কৰিছিল নামগীতসদৃশ গীত 'অলিয়া বলিয়া কৃষ্ণাই কলীয়া...'।

অসমীয়া সমাজ আৰু সংস্কৃতিত নাৰীৰ স্থান অতি উচ্চ বুলি শিল্পীগৰাকীয়ে উপলব্ধি কৰিছিল। ৰূপে-গুণে অতুলনীয় অসমীয়া ছোৱালী যাতে বিজ্ঞান-প্ৰজ্ঞানৰ দিশে অৰ্থাৎ শিক্ষাৰ দিশে আগুৱাই যাব পাৰে তাৰ বাবে উদ্বুদ্ধ কৰিবলৈ লিখিছিল—'নিচলা আইৰে আমি খাঁটি অসমীয়া, অসমী আইৰে আমি ছোৱালী ধুনীয়া...'। অসমীয়া নাৰীৰ ত্যাগৰ মূৰ্ত প্ৰতীক জয়মতীক লৈ লিখিছিল—'জয়া নাই জয়া নাই...'।

ৰাভাদেৱে অসমীয়া জাতিৰ অন্যতম কাণ্ডাৰী শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱক গুৰু হিচাপে মানি লৈছিল। গুৰু দুজনাৰ অপাৰ মহিমা আৰু অপৰূপ সৃষ্টিসমূহৰ যোগেদি তেৰাসৰৰ প্ৰাণৰ স্বৰূপ উপলব্ধি কৰিব পাৰিছিল। অসমবাসীৰ অংগে অংগে বিৰাজ কৰা গীত-নৃত্য আৰু সুন্দৰৰ আৰাধনাৰ প্ৰায়খিনিয়ে যে শংকৰ-মাধৱৰ দান তাক মৰ্মে মৰ্মে উপলব্ধি কৰি সেই সমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে উঠি-পৰি লাগিছিল। অসমীয়াৰ হৃদয়ত শংকৰদেৱক উচ্চ স্থান দিবলৈ সৃষ্টি কৰিছিল—'গুৰু মোৰ শংকৰ তৰিবৰেনো কি উপায়...', 'অ'... মোৰে নাৱৰ ভৰষা নাইৰে...' আদি গীত।

এবাৰ ৰাভাদেৱে ভূপেন হাজৰিকাৰ লগত স্পেইন ভাষাৰ কথাছবি চাবলৈ গ'ল। কথাছবিখনত মেৰিয়া কাৰ্মানে গোৱা গীত এটি শুনাৰ পিছত তেওঁ ভূপেন হাজৰিকাক কৈছিল—'আমিও সেই সুৰত এটি অসমীয়া গীত ৰচিব লাগে।' পিছদিনাই তেওঁ 'নাহৰ ফুলে নুশুৱায়...' গীতটি লিখি আত্মতৃপ্তিৰে শুনাই কয়—'আমাৰ নাহৰ ফুল আৰু কপৌ ফুলৰ সুগন্ধই স্পেনীয় সুৰ আৰু ফুলৰ গোন্ধ ঢাকি পেলাব।'

চিৰন্তন প্ৰেম অনুভূতি আৰু তাৰ কাব্যিক প্ৰকাশে ৰাভাদেৱৰ প্ৰেম বিৰহৰ গীতবোৰক অধিক প্ৰাণৱন্ত কৰি তুলিছে। গীতবোৰৰ প্ৰেমৰ কোমল প্ৰকাশে আমাৰ হৃদয়ত সাঁচ বহুৱাই যায়। তেনে কেইটিমান কালজয়ী গীত হ'ল—প্ৰিয়াৰ সম্ভেদ বিচাৰি লিখা 'মোৰ কবিতাৰ ছন্দ লাগি...', ব্যৰ্থ প্ৰেমত ম্ৰিয়মান হৈ লিখা 'লগন উকলি গ'ল তেৱোঁ যে নহ'ল কোৱা...', প্ৰেমৰ বিৰহতকৈ আশাবাদী হৈ লিখা 'পৰজনমৰ শুভলগনত যদিহে আমাৰ হয় দেখা...' আদি। ১৯৩৭ চনত প্ৰিয়বালাৰ সৈতে বিবাহপাশত আবদ্ধ হৈ এমাহ নৌহওঁতেই পত্নীহাৰা হোৱা ৰাভাদেৱে শোকত ম্ৰিয়মান হৈ লিখিলে—'বেজাৰৰ চকুলো হালি জালি ভাঁহি...', 'কিবা যেন নাই আজি নাই...'।

জীৱন নাটত বিভিন্ন ভাৱত ভাও দি সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অন্তিম ক্ষণত লিখি থৈ গ'ল—'এয়ে মোৰ শেষ গান—মোৰ জীৱন নাটৰ শেষ ৰাগিণী-কল্যাণ খৰমান...'।

এনেকুৱা এগৰাকী মহান মনীষীৰ সৃষ্টিশীল কৰ্মৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰা প্ৰতিজন অসমীয়াৰ নৈতিক দায়িত্ব। ❖

# সত্যাগ্ৰহ আৰু মহাত্মা

**অপৰ্ণা দেৱী**
শিক্ষয়িত্ৰী, সমাজ বিজ্ঞান



আমাৰ দেশত বছৰৰ বিভিন্ন সময়ত বিভিন্ন দিৱস পালন কৰা হয়। সেই দিৱসবোৰৰ ভিতৰত এটি অন্যতম প্ৰধান দিৱস হৈছে 'গান্ধী জয়ন্তী'। এইবেলি আমাৰ দেশে উদ্‌যাপন কৰিলে এশ পঞ্চাছ বছৰীয়া গান্ধী জয়ন্তী। সমগ্ৰ দেশৰ মানুহে এগৰাকী ব্যক্তিৰ মৃত্যুৰ পাছতো, জন্মৰ এশ বছৰৰো অধিক কাল অতিক্ৰম কৰাৰ পাছতো জন্ম দিৱস পালন কৰাৰ উৎসাহ আৰু উদ্দীপনাৰ মাজতেই চাগৈ লুকাই আছে মানুহ হোৱাৰ গৌৰৱ। হয়, সেইবাবেই মহাত্মা গান্ধী অকল মহাত্মা অৰ্থাৎ মহান আত্মা (great soul) নহয়, দেশবাসীৰ বাবে 'বাপু'ও আছিল। বাপু শব্দৰ অৰ্থ পিতা। একেগৰাকী ব্যক্তিয়েই আকৌ মানৱৰপৰা উন্নীত হৈ হৈছিল গৈ মহামানৱ। সেই মহামানৱ মহাত্মা গান্ধীৰ প্ৰকৃত নাম মোহনদাস কৰমচান্দ গান্ধী আছিল যদিও মহাত্মা, বাপু, বাপুজী, গান্ধীজী, জাতিৰ পিতা, অহিংসাৰ পূজাৰী আদি নামেৰেও জনা যায়।

'শ্ৰৱণৰ পিতৃভক্তি' আৰু 'ৰজা হৰিশ্চন্দ্ৰ' নামৰ কিতাপ দুখনে ছাত্ৰ জীৱনত বিশেষ প্ৰভাৱ বিস্তাৰ কৰাৰ কথা 'মোৰ সত্য অন্বেষণৰ কাহিনী'ত গান্ধীজীয়ে নিজে উল্লেখ কৰিছে। পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ আদিপাঠ সেই কিতাপ দুখনৰপৰাই লৈছিল। সত্যবাদিতা আৰু ভক্তিৰ ভাব তেওঁৰ মনত সৃষ্টি হৈছিল ল'ৰালিৰ পৰাই। দেউতাকৰ মুখৰপৰা ৰামায়ণৰ সাধুবোৰ শুনাৰ সুবিধা পাইছিল। মাকে গান্ধীজীক আলসুৱা কৰাৰ পৰিৱৰ্তে কষ্টকৰ জীৱনৰ সৈতে মুখামুখি হোৱাৰ কিটিপো শিকাবলৈ পাহৰা নাছিল। সহজ-সৰল জীৱনধাৰাত বিশ্বাসী হোৱাৰ শিক্ষাও গান্ধীজীয়ে পিতৃ-মাতৃৰপৰাই পাইছিল।

গান্ধীজীৰ জীৱনত সাঙোৰ খাই থকা এটা শব্দ হৈছে সত্যাগ্ৰহ। সত্যাগ্ৰহ শব্দটো সংস্কৃত ভাষাৰ 'সত্য' আৰু 'আগ্ৰহ' শব্দৰপৰা আহিছে। সত্য শব্দৰ অৰ্থ হ'ল সঁচা আৰু আগ্ৰহ শব্দৰ অৰ্থ হ'ল দৃঢ়ভাৱে ধৰা বা ইচ্ছা প্ৰকাশ কৰা। সত্যাগ্ৰহ শব্দটো পোনতে ব্যৱহাৰ কৰা গান্ধীয়ে সেই শব্দৰ অৰ্থ আৰু বেছি ব্যাপক কৰি তুলিছিল। গান্ধীৰ মতে, "সত্যতকৈ উচ্চ ভগৱান কোনো হ'ব নোৱাৰে।" সত্যবাদী গান্ধীজীয়ে সেই বাক্যকে সাৰোগত কৰি জীৱনৰ বাটত খোজ দিছিল। তেওঁ শান্তিপূৰ্ণভাৱে যুদ্ধ কৰা নীতিত দৃঢ় বিশ্বাসী আছিল। সত্যনিষ্ঠ হৈ কাম কৰাতহে তেওঁৰ মতে

অনাবিল আনন্দ থাকে। সত্যাগ্ৰহৰ ধাৰণাটো গ্ৰহণ কৰোঁতে গান্ধীয়ে লিও টলষ্টয় আৰু থৰোৰ ৰচনাৰদ্বাৰা প্ৰভাৱিত হৈছিল। দক্ষিণ আফ্ৰিকাত আৰম্ভ কৰা সত্যাগ্ৰহ পৰৱৰ্তী সময়ত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ক্ষেত্ৰতো আৰম্ভ কৰিছিল গান্ধীজীয়েই। গান্ধীৰ সত্যাগ্ৰহ ইমান প্ৰভাৱশালী আছিল যে দক্ষিণ আফ্ৰিকাত নেলচন মেণ্ডেলা, আমেৰিকাত মাৰ্টিন লুথাৰ কিঙৰ দৰে নেতাইও মহাত্মাৰ সেই মহান ধাৰণা 'সত্যাগ্ৰহ'ৰদ্বাৰা প্ৰভাৱিত হৈছিল। আমাৰ সমাজ ব্যৱস্থাত, ৰাজনৈতিক ব্যৱস্থাত সত্যাগ্ৰহ আজিও প্ৰাসংগিক। ই অকল এটা ধাৰণাই নহয়, ই এক দৰ্শনো।

মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলনৰ সূচনা কৰিছিল। আমাৰ দেশত প্ৰচলিত লোণ আইন ভংগ কৰি চৰকাৰৰ নিৰ্দেশ অমান্য কৰিছিল। সেই ঐতিহাসিক আইন অমান্য আন্দোলন আছিল সত্যাগ্ৰহৰ এক উল্লেখযোগ্য উদাহৰণ।

যিসকলে সত্যাগ্ৰহত বিশ্বাসী হৈ সত্যাগ্ৰহ ধাৰণাৰ সৈতে জড়িত হয়, তেওঁলোকক সত্যাগ্ৰহী বোলা হয়। সাধাৰণতে, প্ৰায় সকলো ধৰণৰ বিবাদৰে মূল লক্ষ্য শত্ৰুক পৰাজিত কৰি জয়লাভ কৰা। কিন্তু সত্যাগ্ৰহৰ লক্ষ্য হ'ল সকলো অশুভ শক্তিক পৰাজিত কৰি, সেই অশুভ শক্তিক শুভ শক্তিলৈ পৰিৱৰ্তন কৰা। সেই কামটো কৰিবলৈ যাওঁতে শত্ৰুৰ মন মুক্ত হ'ব লাগিব আৰু এটি বহল আৰু প্ৰসাৰিত মনৰ অধিকাৰী হ'ব লাগিব। যিসকলে সত্যাগ্ৰহৰ ধাৰণা বা কৰ্মৰ সৈতে জড়িত হ'ব খোজে তেওঁলোকক গান্ধীয়ে কিছুমান নিয়মৰ মাজেৰে যোৱাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। সেই পৰামৰ্শসমূহৰ মূল কথাবোৰ হ'ল—অহিংসা, সততা, অচৌৰ্য, ব্ৰহ্মচৰ্য, শাৰীৰিক পৰিশ্ৰম, অতি ভোজনৰপৰা বিৰত থকা, ভয়ৰপৰা মুক্ত হোৱা, সকলো ধৰ্মৰ প্ৰতি সমান মনোভাৱ, অস্পৃশ্যতা বৰ্জন, ভগৱান বিশ্বাসী, মানৱীয় গুণসমূহৰ উৎকৰ্ষ সাধনৰ চেষ্টা, নৈতিক জীৱন যাপন, সুৰাপানৰপৰা বিৰত থকা, খাদী শিল্পৰ প্ৰচলন আৰু প্ৰসাৰত ব্ৰতী হোৱা ইত্যাদি। সত্যাগ্ৰহৰ আকৌ বহুতো পদ্ধতিও আছে। অনাহাৰে থাকি কৰা অনশনো সত্যাগ্ৰহৰ এক উদাহৰণ হ'ব পাৰে। ঠিক সেইদৰে ইচ্ছাকৃত প্ৰব্ৰজনো সত্যাগ্ৰহৰ এটা প্ৰকাৰ হ'ব পাৰে।

নিজৰ দেশৰ প্ৰতি থকা ভালপোৱাই গান্ধীজীক পৰাধীনতাৰপৰা দেশক মুক্ত কৰিবলৈ, আগবাঢ়ি যাবলৈ যি ক্ষমতা আৰু শক্তিৰ প্ৰয়োজন, সেই ক্ষমতা আৰু শক্তি দান কৰিছিল। ভাৰতবাসীয়ে নিজকে স্বাধীন দেশৰ নাগৰিক হিচাপে দাবী কৰাৰ সুযোগ দিয়া মহামানৱ মহাত্মা গান্ধী আজিও অমৰ হৈ আছে। মহাত্মাৰ জীৱনেই তেওঁৰ বাণী হৈ আছে। ❖



**কস্তুৰী কলিতা**, অংকুৰ খ



**প্ৰিন্সিপ্ৰিয়া কাকতি**, অংকুৰ খ

# পৰ্বতাৰোহী অৰ্জুন বাজপেয়ী

◆ জাহ্নৱী বৰুৱা
শিক্ষয়িত্ৰী, দৃশ্য-শ্ৰাব্য বিভাগ

টেলিভিছনৰ পৰ্দাত মাউণ্টেইন ডিউৰ এটা বিজ্ঞাপন য'ত দেখুওৱা হয় অভিনেতা ঋত্বিক ৰোশনে পৰ্বতাৰোহীৰ ৰূপত জীৱন-মৰণৰ এক উত্তেজনাপূৰ্ণ মুহূৰ্তত 'ৰিস্ক উঠা নাম বনা' বুলি ভাবি মন ডাঠ কৰি সাংঘাতিক জঁাপ এটা মাৰি পৰ্বতৰ শিখৰ আৰোহণ কৰে আৰু তাৰ পিছতেই বিজ্ঞাপনটোত এটা নাম আহে 'Arjun Bajpai–World's youngest mountainer on Five 8000 M+ Peaks.'

পৰ্বতাৰোহী অৰ্জুন বাজপেয়ী বহুতৰে বাবে হয়তো পৰিচিত নহয়। ২৬ বছৰীয়া অৰ্জুন বাজপেয়ী হৈছে বিশ্বৰ কনিষ্ঠতম পৰ্বতাৰোহী যিয়ে ৮০০০ মিটাৰতকৈ ওখ পৃথিৱীৰ মুঠ ১৪টা শৃঙ্গৰ ভিতৰত ৬টাত সফল আৰোহণ কৰি সমগ্ৰ বিশ্বতেই নিজৰ লগতে দেশৰ নাম উজ্বলাবলৈ সক্ষম হৈছে। নিজৰ লক্ষ্যস্থানত উপনীত হোৱাৰ বাটত দেখা দিয়া প্ৰতিটো প্ৰত্যাহ্বান, সাহসিকতাৰে সন্মুখীন হোৱা অৰ্জুন যুৱ প্ৰজন্মৰ বাবে এক আদৰ্শ, এক প্ৰেৰণা। সেইবাবেই মাউণ্টেইন ডিউৱে ২০১৮ চনত অৰ্জুনক পৃথিৱীৰ অন্যতম দুৰ্গম বিপদসংকুল বাটৰ পৰ্বত কাঞ্চনজংঘা আৰোহণ কৰাৰ পূৰ্বে উৎসাহিত কৰিবলৈ আৰু লগতে যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিবলৈ অৰ্জুন বাজপেয়ীৰ পৰ্বতাৰোহণৰ অভিজ্ঞতা তথা অনুভৱসমূহ খণ্ড আকৃতিত বিজ্ঞাপনৰ ৰূপত প্ৰস্তুত কৰি উলিয়াইছিল।



১৯৯৩ চনত মুম্বাই মহানগৰত জন্মগ্ৰহণ কৰা অৰ্জুনৰ সৰুৰেপৰা পাহাৰ বৰ প্ৰিয় আছিল। উচ্চতা ভালপোৱা অৰ্জুনে লুকা-ভাকু খেলাৰ বয়সতো আনকি গছৰ ওপৰত লুকাইহে ভাল পাইছিল। ১০ বছৰ বয়সত নিজৰ লক্ষ্য স্থিৰ কৰি লোৱা অৰ্জুনক তেওঁৰ পিতৃ অৱসৰপ্ৰাপ্ত কৰ্ণেল সঞ্জীৱ বাজপেয়ী আৰু মাতৃ প্ৰিয়া বাজপেয়ীয়েও এই ক্ষেত্ৰত সদায় উৎসাহিত কৰিছিল। তাৰেই পৰিণতিত ২০১০ চনৰ ২২ মে' তাৰিখে মাত্ৰ ১৬ বছৰ ১১ মাহ, ১৮ দিন বয়সত অৰ্জুন বাজপেয়ীয়ে পৃথিৱীৰ উচ্চতম শৃংগ মাউণ্ট এভাৰেষ্ট (৮,৮৪৮ মিটাৰ) জয় কৰি ইতিহাসত নিজৰ নাম খোদিত কৰিবলৈ সক্ষম হয়। কিন্তু অৰ্জুন ইয়াতেই থমকি ৰোৱা নাছিল। অৰ্জুনৰ সপোন, অৰ্জুনৰ লক্ষ্য আছিল পৃথিৱীৰ আটাইতকৈ ওখ পৰ্বতমালাসমূহৰ শিখৰ আৰোহণ কৰা। সেইবাবে অৰ্জুনে সিদ্ধান্ত ল'লে তেওঁ পৃথিৱীৰ ৮০০০ মিটাৰতকৈ ওখ মুঠ ১৪টা শৃংগ আৰোহণ কৰিব। এভাৰেষ্ট আৰোহণ কৰাৰ ঠিক পিছৰ বছৰ অৰ্থাৎ ২০১১ চনৰ ২০ মে'ত পৃথিৱীৰ চতুৰ্থতম উচ্চ শৃংগ ৮,৫১৬ মিটাৰৰ মাউণ্ট ল'টচে (Mt. Lhotse) আৰোহণ কৰে। অৰ্জুনৰ মতে এভাৰেষ্ট

আৰোহণ কৰাৰ তুলনাত অধিক কষ্টকৰ, প্ৰত্যাহ্বানপূৰ্ণ হৈছে ল'টচেৰ দৰে আন ওখ শৃংগসমূহৰ আৰোহণ। সেই একে বছৰৰে ৪ অক্ট'বৰত ৮,১৬৩ মিটাৰ উচ্চতাৰ মাউণ্ট মানাচলু শৃংগ আৰোহণ কৰি অৰ্জুনে বিশ্বৰ আটাইতকৈ কম বয়সীয়া পৰ্বতাৰোহী হিচাপে বিৰল সফলতা অৰ্জন কৰে।

সফলতাৰ বাটত একেলেথাৰিয়ে আগুৱাই গৈ থকা অৰ্জুন বাজপেয়ী হঠাৎ এবাৰ থমকি ৰ'ব লগাও হৈছিল। ২০১২ চনত তিব্বতীয়ান পৰ্বতমালাৰ ৮,১৮৮ মিটাৰ উচ্চতাৰ মাউণ্ট ছো অয়ু (Mt. Cho Oyu) আৰোহণৰ সময়ত অত্যধিক শীতৰ আৰু হিমবতাহৰ প্ৰকোপত অৰ্জুনৰ শৰীৰৰ বাঁও অংশ সম্পূৰ্ণৰূপে বিকল হৈ পৰিছিল। সেই সময়ত অৰ্জুনৰ লগত দুজন শ্বেৰপা আছিল যদিও ইমান উচ্চতাৰপৰা অৰ্জুনক নমাই অনাৰ কোনো উপায় নাছিল। সেইবাবে সহায় বিচাৰি অৰ্জুনক অকলশৰে তাতে থৈ তেওঁলোক তললৈ নামি আহিল। জীৱন-মৰণৰ সেই ক্ষণত অসহায় অৰ্জুনে মাকক ফ'ন কৰি জনায় যে তেওঁ হয়তো আৰু কেতিয়াও ঘৰলৈ ঘূৰি যাব নোৱাৰিব। দুদিন পিছত উদ্ধাৰকাৰীৰ দল সেই এলেকাটোত উপস্থিত হয় আৰু অৰ্জুনক বৰফত আধা পোত খাই থকা অৱস্থাত বিচাৰি উলিয়ায়। সঁচাকৈয়ে অৰ্জুনৰ সেই পৰিস্থিতিত অৱস্থাটো কেনেকুৱা আছিল তাক কল্পনা কৰিলেও বুকু কঁপি উঠে। অৰ্জুন কিন্তু ভাগি নপৰিল। পূৰ্বতকৈও অধিক অভিজ্ঞতাৰে পৰিপুষ্ট অৰ্জুনে নিজকে পৰ্বতাৰোহীৰ ৰূপত পুনৰ সাজু কৰিলে আৰু ২০১৬ চনৰ ৪ অক্ট'বৰত মাউণ্ট ছো অয়ুলৈ আকৌ এবাৰ গৈ বিশ্বৰ এই ষষ্ঠ উচ্চতম শৃংগত সফলভাৱে আৰোহণ কৰি শীতকালত এই শৃংগ আৰোহণ কৰা বিশ্বৰ কনিষ্ঠতম পৰ্বতাৰোহীৰূপে স্বীকৃতি লাভ কৰে। ইমান কম বয়সত অৰ্জুনৰ এই সাহস আৰু আত্মপ্ৰত্যয় সঁচাকৈয়ে প্ৰশংসনীয়। Never give up অৰ্থাৎ কেতিয়াও হাৰ নামানিবা এই কথাষাৰত গভীৰ বিশ্বাসী পৰ্বতাৰোহী অৰ্জুনে ২০১৬ চনৰ ২২ মে' তাৰিখে তিনিবাৰ আৰোহণ কৰাত বিফল হোৱা বিশ্বৰ পঞ্চম উচ্চতম শৃংগ মাউণ্ট মাকালুকো (Mt. Makalu) সফলভাৱে আৰোহণ কৰিবলৈ সক্ষম হয়। ২০১৮ চনৰ ২০ মে' তাৰিখে, ভাৰতৰ আটাইতকৈ ওখ শৃংগ আৰু পৃথিৱীৰ অন্যতম বিপদজনক পৰ্বত কাঞ্চনজংঘা আৰোহণ কৰি অৰ্জুন বাজপেয়ী হৈ পৰে বিশ্বৰ কনিষ্ঠতম পৰ্বতাৰোহী যি বিশ্বৰ ৮০০০ মিটাৰতকৈ ওখ ছটা শৃংগত আৰোহণ কৰিছে।

উল্লেখযোগ্য যে, ২০১৫ চনত অৰ্জুন আৰু তেওঁৰ সংগী ভূপেশ কুমাৰে হিমাচল প্ৰদেশত অৱস্থিত ৬,১৮০ মিটাৰ উচ্চতাৰ এটা অজ্ঞাত শৃংগ আৰোহণ কৰে আৰু শৃংগটোৰ নাম ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামৰ নামত উছৰ্গিত কৰে।

দুৰ্দান্ত সাহসী, গভীৰ আত্মবিশ্বাসী আৰু অদম্য মনোবলৰ অধিকাৰী পৰ্বতাৰোহী অৰ্জুন বাজপেয়ী সঁচাকৈয়ে সকলোৰে বাবে এক আদৰ্শস্বৰূপ আৰু ভাৰতৰ বাবে এক গৌৰৱ। অনাগত সময়ত আকাশ চুবলৈ ভালপোৱা অৰ্জুনে নিজৰ সপোন বাস্তৱায়িত কৰাৰ দিশত যেন আৰু আগুৱাই যাব পাৰে আমি তাৰেই আশা ৰাখিলোঁ। ❖



**কৃষাণু ভৰদ্বাজ**, দ্বিতীয় শ্ৰেণী



**নন্দিনী ডেকা**, দ্বিতীয় শ্ৰেণী

# শিশুৰ ব্যক্তিত্ব বিকাশত ঘৰখনৰ ভূমিকা

◆ জুলি শইকীয়া
শিক্ষয়িত্ৰী, প্ৰাক্-বিদ্যালয় শাখা

ঘৰখনেই হৈছে শিশুৰ জ্ঞানৰ কঠীয়াতলি। জন্মৰ পিছৰেপৰাই শিশু এটিয়ে লাহে লাহে ঘৰখনৰ নতুন পৰিৱেশৰ লগত আত্মীয়তা গঢ়ি তোলে। শিশুটি ডাঙৰ হৈ অহাৰ লগে লগে তেওঁ পৰিয়ালৰ মানুহবোৰৰ মুখবোৰ পঢ়িব পৰা হৈ উঠে। শিশুটিয়ে যেতিয়া ক্ৰমান্বয়ে একো নজনাৰ পৰা জনাৰ পৃথিৱীখনলৈ ধাৱমান হয়, তেতিয়াই পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিৰে গধুৰ দায়িত্ব আহি পৰে। শিশু সদায় অনুকৰণপ্ৰিয়। শিশুৱে সদায় ভাল বা বেয়া আচৰণসমূহ আনক অনুকৰণ কৰি গঢ়ি তোলে। এই আচৰণসমূহ গঢ়ি তোলাৰ ক্ষেত্ৰত ঘৰৰ জ্যেষ্ঠসকলৰ দায়িত্ব অপৰিসীম।

শিশুৰ দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক বিকাশৰ দিশত ঘৰৰ পৰিৱেশৰ ভূমিকা অনস্বীকাৰ্য। এটি শিশুৱে চালুকীয়া অৱস্থাত তাৰ দৈহিক প্ৰয়োজনবোৰ গৃহ পৰিৱেশৰপৰাই পূৰণ কৰে। এটি শিশুৱে গৃহ পৰিৱেশতে তাৰ সামাজিক জীৱনৰ পাতনি মেলে। পৰিয়ালৰ ব্যক্তিসকলৰ চাল-চলন, ধৰণ-কৰণ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰে শিশুৰ চৰিত্ৰ গঠনত বিশেষ ভূমিকা লয়। তদুপৰি পৰিয়ালৰ মাজত থকা আস্থা, নিষ্ঠা, বিশ্বাস আদিৰ সামাজিক আৰু সাংস্কৃতিক প্ৰভাৱে শিশুৰ মানসিক জীৱনৰ গাঁথনি প্ৰস্তুত কৰি তোলে। এই মানসিক জীৱনৰ গাঁথনিসমূহৰপৰাই শিশুসকলে ন্যায়-অন্যায়, উচিত-অনুচিত আদি বিচাৰ-বিবেচনাবোৰ কৰিব পৰা হৈ উঠে।

শিশুৰ ঘৰখনৰ পৰিৱেশটো মৰম-চেনেহ, আন্তৰিকতা আৰু বুজাপৰাৰ মাজেদি গঢ় লৈ উঠিব লাগে। ঘৰৰ সকলোৰে মাজত যদি মিলা-প্ৰীতিৰ ভাব অটুট থাকে তেনেহ'লে তেনে পৰিৱেশৰপৰা শিশুৱে এটা সুস্থ পৰিৱেশত ডাঙৰ-দীঘল হ'বলৈ সুবিধা পায়। ঘৰখনত সামান্য সৰু বস্তু এটাকে যদি সকলোৱে ভগাই খায় তেতিয়াও তেওঁলোকৰ মাজত মিলা-প্ৰীতিৰ ভাব গঢ়ি উঠে। শিশুৰ পিতৃ-মাতৃয়ে কেতিয়াও শিশুৰ আগত মিছা কথা ক'ব নালাগে। তেতিয়া শিশুটিয়েও সদায় সত্য কথাই কয়।

শিশুৰ ব্যক্তিত্ব গঠনত ঘৰখনৰ অনুশাসনৰো প্ৰয়োজন আছে। শিশুৱে বেয়া কাম বা নীতিৰ বাহিৰত কাম কৰিলে অভিভাৱকে শাসন কৰিব লাগিব আৰু তেনে ভুল যাতে ভৱিষ্যতে নকৰে তাৰ প্ৰতিও সজাগ হোৱাটো প্ৰয়োজনীয়।

মাক-দেউতাকৰ অত্যধিক মৰম, তৎপৰতা আৰু যত্নই কেতিয়াবা শিশুৰ ক্ষতিসাধন কৰা দেখা যায়। সেয়ে অভিভাৱকে সকলো কামেই সীমাৰ ভিতৰতহে কৰিব লাগে। মাতৃৰ সান্নিধ্যত থকা শিশুৱে অতি সোনকালে মাতৃৰপৰা সজ আচৰণবোৰ আয়ত্ত কৰি তেওঁলোক সৎ চৰিত্ৰৰ অধিকাৰী হৈ পৰে। সেয়ে ক'ব পাৰি যে মাতৃৰ ব্যক্তিত্বই শিশুৰ ব্যক্তিত্ব গঠনত অধিক প্ৰভাৱ পেলায়। এগৰাকী মাতৃয়ে তেওঁৰ ল'ৰা বা ছোৱালীৰ ক্ষেত্ৰত বা ডাঙৰ বা সৰু সন্তানৰ ক্ষেত্ৰত সমানে মৰম-চেনেহে আৰু গুৰুত্ব প্ৰদান কৰাটো জৰুৰী। ইয়াৰ ব্যতিক্ৰম হ'লে তেওঁলোকৰ মনত দুখৰ সঞ্চাৰ হয়।

এটি শিশুৰ ব্যক্তিত্ব বিকাশত যেতিয়া পৰিয়ালৰ সকলো সদস্যই গুৰুত্ব প্ৰদান কৰিব তেতিয়া শিশুটিৰ চৰিত্ৰ নিশ্চয় সন্তোষজনক হ'ব। পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিয়ে শিশুসকলক একো একোজন সৎ চৰিত্ৰৰ শিশু হিচাপে গঢ় দিয়াত গুৰুত্ব দিলে সমাজত হাজাৰ হাজাৰজন সু-নাগৰিকৰ জন্ম হ'ব। ❖

# চু-কা-ফা—অন্য এক যাত্ৰা...

◆ সোণালী গগৈ
শিক্ষয়িত্ৰী, সমাজ বিজ্ঞান বিভাগ

টাই নামৰ বৃহৎ জাতিটোৰ মূল বাসস্থান আছিল দক্ষিণ-পূব এছিয়া। নদীৰ সাৰুৱা অৱবাহিকাত বাস কৰা এই লোকসকলৰ আছিল এক উন্নতমানৰ জীৱন-নিৰ্বাহ প্ৰণালী। খ্ৰিষ্টীয় প্ৰথম-দ্বিতীয় শতিকাতেই এই জাতিৰ মানুহে গৃহত বাৰী পাতি, খেতি-বাতি কৰি, নগৰ সাজি জীৱন-নিৰ্বাহ কৰিছিল। ক্ৰমাৎ জনসংখ্যা বৃদ্ধি, চীনাসকলৰ অত্যাচাৰ আদি বিভিন্ন কাৰণত তেওঁলোকে ব্ৰহ্মদেশৰ পাৰ্বত্য অঞ্চল আৰু ভাৰত মহাসাগৰৰ উপকূল অঞ্চললৈকে প্ৰব্ৰজন কৰে। তাৰে এটা ঠাল উত্তৰ-ব্ৰহ্মৰ ইৰাৱতী নদীৰ উপত্যকাত শক্তিশালী হৈ উঠে। আকৌ এই ঠালৰে এটা অংশই পশ্চিমলৈ পুনৰ প্ৰব্ৰজন কৰে।

কামৰূপ ৰাজ্যৰ চাৰিটা ভাগ—কামপীঠ, ৰত্নপীঠ, স্বৰ্ণপীঠ আৰু সৌমাৰপীঠ। এই সৌমাৰপীঠতেই মাও-লুং প্ৰদেশৰপৰা যাত্ৰা আৰম্ভ কৰি ১২০০ খ্ৰী.ত আহি উপস্থিত হৈছিল টাই জাতিৰ লোকসকল। এই খণ্ডত উপস্থিত হওঁতে তেওঁলোকে নিজকে চিনাকি দিছিল 'খাম-টাই' বুলি। টাই ভাষাৰ নিজস্ব সুৰ, ঠাঁচ আছিল। সেয়ে তেওঁলোকৰ মাত-কথা, আচাৰ-ব্যৱহাৰৰ লগত স্থানীয় বাসিন্দাই তাল মিলাব নোৱাৰি অ-সম হৈ থাকিল। কালক্ৰমত সেই অ-সম হৈ পৰিল অসম আৰু জাতিটো হৈ পৰিল অ-হম বা আহোম।

এই দলটোৰ নেতৃত্বত আছিল চু-কা-ফা। সৰুতেই পিতৃ-মাতৃহাৰা হোৱা মাউৰা ল'ৰা চুকাফা ডাঙৰ হৈছিল এনায়েকৰ (মাকৰ মাক) তত্ত্বাৱধানত। চুকাফাৰ পিতৃ ৰাজ্যৰ খাম-খেয়ালিৰ কথা এনায়েকে জানিব পাৰিছিল। সেয়ে তেওঁ চুকাফাক অন্য ধৰণৰে ন ন কথা চিন্তা কৰাৰ মানসিকতাৰে দুৰ্দান্ত সাহসী আৰু ৰাজনীতিৰ অমূল্য শিক্ষাৰে শিক্ষিত কৰি তুলিছিল। 'একেটা চোঙতে দুটা বাঘ নাথাকে' শীৰ্ষক কথাষাৰ সাৰোগত কৰি চুকাফাই এনায়েকৰ আশীৰ্বাদ লৈ পশ্চিমদিশলৈ যাত্ৰা আৰম্ভ কৰিলে।

এনায়েকে দিলে, 'চোমদেও' নামৰ এক বিগ্ৰহ, ৰাজ অলংকাৰ, সোণৰ নালেৰে বন্ধা শাণিত হেংদাং আৰু টোপোলা ভাতৰ লগতে হিয়া উজাৰি আশীৰ্বাদ। চুকাফাই ল'লে এহেজাৰ সৈন্য, বন্দুক-বৰতোপ, খাৰ-বাৰুদ, দা-তৰোৱাল, এহাল হাতীৰ লগতে মাউত ফংপিম আৰু দুজন মন্ত্ৰীৰ লগতে অন্যান্য ডা-ডাঙৰীয়া বিষয়াবৰ্গক। পূৰ্বপুৰুষৰ উপদেশ বাৰে বাৰে স্মৰণ কৰিবলৈ লগত ল'লে লাউত চিৰিঙক। সমগ্ৰ ঘটনা লিপিবদ্ধ কৰিবলৈ বা-পু-পান-চি অৰ্থাৎ লিখিবলৈ দায়িত্ব দিলে লাউত চিৰিঙক। এয়াই অসমত বুৰঞ্জীৰ আৰম্ভণি।

মহন বাইলুঙে কাইচেঙ মুঙৰ ঠেঙেৰে মঙল চাই আঘোণৰ পূৰ্ণিমা তিথিৰ শুভক্ষণত সেই ঐতিহাসিক যাত্ৰা আৰম্ভ হ'ল। অটব্য অৰণ্য, দুৰ্গম পাহাৰ-পৰ্বতৰ কণ্টকময় বাট-পথ, খৰস্ৰোতা শিলৰ নৈ সকলো অতিক্ৰমি চুকাফাৰ যাত্ৰা আৰম্ভ হ'ল এক নতুন দেশৰ সন্ধানত। ডয়-কাও-ৰং পৰ্বতৰ পাংচৌ গিৰিপথেদি পাৰ হৈ নং-য়াং সৰোবৰ পাৰ হ'ল। তাৰ পাছত পৰ্বতৰপৰা ভৈয়ামলৈ অবিৰত যাত্ৰা। য'তেই ৰাতি তাতেই খন্তেকৰ বাবে জিৰণি। আহি আহি দিহিং নদীৰ পাৰ পালেহি। দিহিঙৰ পাৰতেই নামহুক (নামহুক—নামৰূক—নামৰূপ)ত কিছুদিন থাকিল। এইবাৰ উপস্থিত হ'ল

তিপামত। তিপামৰ প্ৰাকৃতিক সৌন্দৰ্যত আপ্লুত হৈ চুকাফাৰ মুখেৰে স্বতঃস্ফূৰ্তভাৱে নিৰ্গত হৈছিল এটা বাক্য মুং-ডুন-চুন-খাম (সোণেৰে ওপচা বাৰী)। কিন্তু বাৰিষাৰ বানপানীৰ বাবে তেওঁলোকে সেই ঠাই ত্যাগ কৰি শলগুৰি পালেগৈ। পাঁচ বছৰ শলগুৰিত থাকি দিহিঙেদি ভটিয়াই হাবুং পালেগৈ। তাতো একেই, বাৰিষা প্ৰবল বানপানী। হাবুঙত মাছ-পুঠি, ৰবি শস্যৰ প্ৰচুৰ সম্ভাৱনা থকা ঠাই। এইবাৰ দিহিঙেদি গৈ দিখৌ নৈ। দিখৌ নৈয়েদি উজাই গৈ বোকা-পানীৰ এখন উপনৈ। নাম দিলে—নাম-খুম। পিছলৈ দিলিহ নৈ। এনেদৰেই এঠাইৰপৰা আন এখন ঠাই।

এই ঠাইতে আছিল জান-জুৰি, নৈ-উপনৈ মিলি চিৰপ্ৰবাহমান বৰলুইত। বড়ো, মিচিং, কছাৰী, বৰাহী, দেউৰী মিলি জাতি-জনগোষ্ঠীৰ মিলনভূমি। শান্ত, সমাহিত সেউজ পৰিৱেশ, শস্য-শ্যামলা উৰ্বৰ ভূমি। প্ৰাকৃতিক সম্পদৰ সমাহাৰ এই থলীতেই তেওঁ কিছুদিন থাকি যোৱাৰ সিদ্ধান্ত ল'লে। দিখৌয়েদি উজাই গৈ চান-টক (চণ্টক) পালে। এই ঠাইৰ পানীৰ গধুৰতা আন ঠাইতকৈ কিছু বেছি। সেয়ে থলুৱা ভাষাত এই ঠাইৰ নাম শিলপানী। আকৌ যাত্ৰা। এইবাৰ দিখৌয়েদি ভটিয়াই গৈ ৰঙা পানীৰে ভৰা এখন নৈ পালে। নাম দিলে নাম-ডাং। নামডাঙৰ পাৰে পাৰে গৈ ছাম-ৰিং—চাৰিং (তিনি হেজাৰ) পালে, য'ত আছিল এখন ভৰা গাঁও। অচিন ঠাই, অচিন মানুহ। চুকাফাই সেই ঠায়ো পৰিত্যাগ কৰিলে। পুনৰ ডিমৌ পালেহি। এনেদৰেই দিহিং, দিচাং, দিখৌ, নামডাং, দিলিহ, ডিমৌ, বৰলুইত—সকলো চালে, ফুৰিলে, সকলো ঠাইৰ পৰিৱেশ অধ্যয়ন কৰিলে। ইতিমধ্যে মিত্ৰ হোৱা বৰাহী মানুহে ক'লে—"উজনিত দেও পৰ্বত আছে, তাতে নগৰ পতা ভাল হ'ব।" সেই মৰ্মে সেই ঠাই চাই অধ্যয়ন কৰি চুকাফা আপ্লুত হ'ল। দূৰৈৰপৰা জিলিকি আছিল চে-ৰাই-ডয়। অৱশেষত এক দীঘলীয়া যাত্ৰাৰ অৱসান ঘটিল ডয়-কাও-ৰং পাৰ হৈ অহা চুকাফাৰ চে-ৰাই-ডয়ত। চে-ৰাই-ডয়—চৰাইদেউ। গড় মাৰি, বাৰীৰ ঢাপ মাৰি ঘৰ লোৱা নিয়মেৰে ৰাজধানী পাতিলে। ঠাইখনৰ নাম হ'ল মুং-ডুন-চুন-খাম; পিছলৈ অ-সম—অ-হম—আ-হোম—অসম হ'ল।

আহোমৰ শাসন, চুকাফাৰ শাসন আৰম্ভ হ'ল। আদিতেই লগত অহা 'টাইপুঙক' বুঢ়াগোহাঁই (থাও-মুং-ক্লিং-মুং-মাং-ৰাই) আৰু 'চেংকঙক' বৰগোহাঁই (থাও-মুং-কা-নং)ৰ মৰ্যাদা দি মন্ত্ৰীত্বৰ বাব দিলে। মৰাণ, বৰাহী, চুটীয়া, কছাৰী, নৰা, টাই সকলো একত্ৰিত হ'ল। বৰাহী-মৰাণৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিলে। ৰজা-প্ৰজা সকলোৱে স্থানীয় লোকৰ লগত বৈবাহিক সম্পৰ্ক ঘটাই হেংদাং ব্যৱহাৰ নকৰাকৈয়ে মিত্ৰতাৰ ডোলেৰে বান্ধ খাই নতুন সাম্ৰাজ্যৰ ভেটি গঢ়িলে।

উল্লেখযোগ্য যে এই দীঘলীয়া যাত্ৰাৰ সফলতাৰ মূলতে আছিল জাতিটোৰ অদম্য সাহস, অসীম ধৈৰ্য, নতুন কিবা এটা কৰাৰ আৰু পোৱাৰ অত্যুৎসাহী মনোবল। চুকাফাৰ এই দলটোৱে য'তেই ৰৈছিল, সেই ঠাইখন শস্য-শ্যামলা কৰি গৈছিল। ধান-খেতি, ৰবি-শস্যৰ খেতি কৰি, পশুপালন কৰি, বিজ্ঞানসন্মত আৰু সুৰক্ষিত ব্যৱস্থাৰে ঘৰ-দুৱাৰ সাজি প্ৰতিখন ঠাইকেই প্ৰকৃত সভ্যতাৰ নিদৰ্শন দি গৈছিল।

এনেদৰে ঠাই সলাই ফুৰোঁতে লগত অহা বহু মানুহ নাইকিয়া হৈ গ'ল, বহু অচিন মানুহে লগ ল'লে। সেয়ে মাহুং পণ্ডিতে লিখি গ'ল—বাটত যি মৰিল, যাক পালে, বাটত যি ঘটনা ঘটিল, এই সকলোবোৰ তথ্য। সৌমাৰপীঠত আৰম্ভ হ'ল আন এক যুগান্তকাৰী অৱদান বুৰঞ্জী লিখাৰ পৰম্পৰা।

মহন বাইলুঙৰ গণনাৰে আঘোণ মাহৰ শুভক্ষণত যাত্ৰা আৰম্ভ কৰা চুকাফা ১২৫৩ খ্ৰী.ৰ আঘোণ মাহতেই ন-ধানৰ চাউলেৰে ন-ভাত খাই গৃহ প্ৰৱেশ কৰিলে। সেই পৰম্পৰা এতিয়াও আহোমসকলৰ মাজত প্ৰচলিত। শাওণৰ শালি খেতি শেষ কৰি আজিৰ হৈ ন-ঘৰ-দুৱাৰ সাজি আঘোণৰ ন-ধান চপাই গৃহ-প্ৰৱেশ কৰে।

প্ৰায় দুকুৰি বছৰ বাটকুৰি বাই শ্ৰান্ত-ক্লান্ত চুকাফাই ৰাজ্যৰ চাৰিসীমা ঠিক নকৰাকৈয়ে ৰাজ্যৰ ভেটি গঢ়িছিল। সেই ৰাজ্যৰ ভেটি ইমানেই শক্তিশালী আৰু

নিখুঁত আছিল যে, পৰৱৰ্তী ৰজাসকলে সেই ভেটিৰেই সীমা বৃদ্ধি কৰি বিশাল অসম গঢ়িছিল। এনেদৰেই পৰৱৰ্তী প্ৰায় ছশ (৫৯৬ বছৰ প্ৰায়) বছৰলৈকে এই বংশৰ ৰজাসকলে একাদিক্ৰমে শাসন কৰিব পাৰিছিল। এয়াই আছিল চুকাফা, বৃহত্তৰ অসম গঢ়োতা, এটা জাতিৰ দীৰ্ঘম্যাদী শাসনৰ ভেটি গঢ়োতা। ❖

# স্কুলীয়া শিক্ষাৰ বাটত স্কাউট-গাইড

◆ ভাস্কৰ জিৎ শইকীয়া
শিক্ষক, সহ-পাঠ্যক্ৰম বিভাগ

আজিকালি দেখিবলৈ পোৱা যায় যে অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীক বিদ্যায়তনিক শিক্ষাৰ উপৰি এটা বা একাধিক সহ-বিদ্যায়তনিক অথবা সহ-পাঠ্যক্ৰম বিষয়ৰ শিক্ষা ল'বলৈ উৎসাহিত কৰে। ইয়াৰপৰাই বুজিব পাৰি যে সহ-পাঠ্যক্ৰম বিষয়ৰ শিক্ষাৰ প্ৰয়োজনীয়তা লাহে লাহে সকলোৰে বুজি উঠিছে। এই সহ-বিদ্যায়তনিক বা সহ-পাঠ্যক্ৰম শিক্ষাৰেই এক বিশেষ অংশ অৰ্থাৎ বিষয় হ'ল স্কাউট-গাইড।

স্কাউট-গাইড হ'ল এনে এক শিক্ষা যিয়ে সমগ্ৰ বিশ্বতে ভাতৃত্ববোধ গঢ়ি তোলাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। স্কাউট-গাইডৰ মূল লক্ষ্য হ'ল নীতি শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠন আৰু সেৱাৰ প্ৰতি ধাউতি আগবঢ়োৱাত সহায় কৰা। ১৯৭০ চনৰ আগষ্ট মাহৰ এক শুভক্ষণত লৰ্ড বেডেন পাৱেলে ব্ৰাউন চি দ্বীপত স্কাউট আৰম্ভ কৰে। বিশ্বৰ আন বহুতো দেশৰ লগতে ভাৰতবৰ্ষতো স্কাউট-গাইডক আদৰি লোৱা হ'ল আৰু লাহে লাহে ই অসমকে ধৰি দেশৰ বিভিন্ন অঞ্চলত বিয়পি পৰে। ব্যক্তিত্ব গঠন, শাৰীৰিক-মানসিক-বৌদ্ধিক উৎকৰ্ষ সাধন, প্ৰতিভা বিকশিতকৰণ অথবা নিজৰ সুপ্ত প্ৰতিভা জগাই তোলাৰ ক্ষেত্ৰত স্কাউট-গাইড হ'ল এক উৎকৃষ্ট উপায়। প্ৰখ্যাত লিখক ছিডনি স্মিথে কৈছিল যে 'অকণমান সাহসৰ অভাৱতেই পৃথিৱীত বহুতো প্ৰতিভাৰ অপচয় ঘটে।' এই কণমান সাহস গোটাই নিজৰ মাজত অন্তৰ্নিহিত হৈ থকা সুপ্ত প্ৰতিভাক প্ৰতিফলিত কৰাৰ এক সুস্থ মঞ্চ হ'ল স্কাউট-গাইড।

বৰ্তমান সময়ত বৃদ্ধি হৈ অহা দুৰ্নীতি, হত্যা, লুণ্ঠন, অপহৰণ, ক'লাবজাৰ, অন্ধবিশ্বাস, হিংসা আদি দুষ্কাৰ্যবোৰ সমাজৰ প্ৰতিজন চিন্তাশীল ব্যক্তিৰ বাবে এটা অতিকৈ চিন্তনীয় বিষয় হৈ পৰিছে। বৰ্তমান সমাজৰ নৱ-প্ৰজন্মৰ বহু শিক্ষাৰ্থীয়ে নৈতিক শিক্ষা, মানৱীয় মূল্যবোধ, ভাতৃত্ববোধ, সহায়ৰ মনোভাৱ, সমাজৰ চিন্তা আদিৰ দৰে কিছুমান প্ৰয়োজনীয় গুণ আহৰণত ব্যৰ্থ হোৱা দেখিবলৈ পোৱা গৈছে। যাৰ বাবেই হয়তো অতি মেধাৱী ছাত্ৰ-ছাত্ৰীকো কেতিয়াবা দুষ্কাৰ্যত লিপ্ত হোৱা দেখা যায় আৰু ই অশান্তিকৰ পৰিৱেশৰ সৃষ্টি কৰে। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যায়তনিক শিক্ষাৰ লগতে চৰিত্ৰ গঠনকে ধৰি অন্য প্ৰয়োজনীয় গুণসমূহ আহৰণ কৰাৰ বাবে শিক্ষা দিয়াৰো অতিকৈ প্ৰয়োজন যিটো স্কাউট-গাইডৰ প্ৰশিক্ষণ আৰু স্কাউট-গাইডৰ বিধিসমূহৰ প্ৰয়োগে সহজ কৰি তোলে। গতিকে এখন সুস্থ, সবল, শৃংখলাবদ্ধ সমাজ গঢ়িবৰ বাবে বিদ্যালয়ত স্কাউট-গাইড প্ৰশিক্ষণৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলক দেশৰ সুনাগৰিক কৰি গঢ়ি তোলাটো অতিকৈ প্ৰয়োজনীয়। ❖

# प्रेमचन्द के उपन्यासों की एक समीक्षा

◆ **मनीषा हालै**
शिक्षिका, हिन्दी विभाग

आधुनिक हिन्दी कहानी तथा उपन्यास के पितामह मुंशी प्रेमचन्द जी को हिन्दी साहित्य जगत में उपन्यास सम्राट के रूप में जाने जाते हैं। प्रेमचन्द जी ने हिन्दी कहानी और उपन्यास की एक ऐसी परम्परा का विकास किया जिससे हिन्दी साहित्य जगत को एक नया रूप मिला। उन्होंने समाज में प्रचलित वास्तविक चित्र को अपने उपन्यास तथा कहानी के माध्यम से लोगों के समक्ष पेश किया हैं। उनके द्वारा रचित हर एक कहानी तथा उपन्यास समाज के प्रत्येक व्यक्ति के दिल को छू जाता है। समाज में प्रचलित अंधविश्वास, कु-संस्कार, अनमेल विवाह तथा शोषण के विरुद्ध आवाज़ उठाने के लिए उन्होंने उन विषयों पर उपन्यास लिखे। आगामी एक पूरी पीढ़ी को गहराई तक प्रभावित कर प्रेमचन्द ने साहित्य की यथार्थवादी परम्परा की नींव खड़ी की। उनका लेखन हिन्दी साहित्य की एक ऐसी विरासत है जिसके बिना हिन्दी साहित्य के विकास का अध्ययन अधूरा रहेगा।

प्रेमचन्द जी द्वारा रचित कुछ उपन्यासों के बारे में नीचे चर्चा की गयी है :

प्रेमचन्द जी द्वारा रचित 'गोदान' उपन्यास एक सामाजिक उपन्यास है। इस उपन्यास में भारतीय किसान का सम्पूर्ण जीवन, उसकी आकांक्षा और निराशा, उसकी धर्मभीरुता, बेबसी और निरीहता का जीता जागता चित्र उपस्थापित किया गया हैं। एक साधारण परिवार के जरिए प्रेमचन्द जी ने उस समय के समाज में किसानों की जो दयनीय स्थिति था उसका सजीब वर्णन अपने उपन्यासों में किया है। उस उपन्यास का मुख्य चरित्र 'होरी' के द्वारा भारतीय समाज की रीढ़ की हड्डी स्वरूप किसान कितना शिथिल और जर्जर तथा ऋणग्रस्तता के अभिशाप में पिसता, तिल-तिल काटों भरे पथ पर आगे बढ़ता है इसका वर्णन मिलता है। जमींदार, मिल-मालिक, पत्र-संपादक, अध्यापक, पेशकर, वकील और डॉक्टर, राजनैतिक नेता कैसे गाँव के इस निरीह किसान का शोषण कर रहे हैं इसका भी जीता जागता चित्र इस उपन्यास में देखने को मिलता है। प्रेमचन्द जी ने अपने सम्पूर्ण जीवन के व्यंग्य और विनोद, कसक और वेदना, विद्रोह और वैराग्य अनुभव और आदर्श को इसी उपन्यास में भर देना चाहा है।

गोदान होरी की कहानी है। होरी जीवन भर मेहनत तथा कष्ट झलेते हुए सिर्फ अपनी मर्यादा की रक्षा करता है दूसरी ओर दूसरों को प्रसन्न रखने के लिए प्रयास करता है पर उसे इसका फल नहीं मिलता। 'गोदान' औपिनवेशिक शासन तथा साधारण किसान पर शोषण तथा संग्राम की कथा है। गोदान का नायक होरी किसान वर्ग को प्रतिनिधित्व करता है। आजीवन लगातार संघर्ष के बाबजूद उसे एक गाय की आकांक्षा पूर्ण नही हो पाता। 'गोदान' उपन्यास भारतीय किसान जीवन का एक बहुत मर्मदायक संघर्ष की कहानी है। यह सिर्फ होरी की कहानी नहीं बल्कि तत्कालिन समय के भारतीय किसान की आत्मकथा है।

प्रेमचन्द जी द्वारा रचित अन्य एक उपन्यास है 'निर्मला'। इस उपन्यास में प्रेमचन्द जी ने उस समय के समाज में प्रचलित दहेज प्रथा तथा अनमेल विवाह का वास्तव चित्र प्रस्तुत किया है। यह उपन्यास एक नारी केन्द्रित उपन्यास है। इसमें मध्यवर्गीय हिन्दू समाज का यथार्थवादी मार्मिक चित्रण चित्रित हुआ है। इस उपन्यास का मूल चरित्र 'निर्मला' एक 14 वर्षीय लड़की है। निर्मला का विवाह एक अधेड़ उम्र के व्यक्ति से कर दिया जाता है। इतना ही नही संदेह का शिकार होकर वह अपने घर तथा समाज में किस तरह अवहेलित जीवन यापन करना पड़ता है इसका सुन्दर चित्र प्रस्तुत किया गया है। प्रेमचन्द

जी ने निर्मला के माध्यम से भारत के मध्यवर्गीय युवतियों की दयनीय स्थिति का चित्रण किया है। तत्कालीन युग में प्रचलित दहेज प्रथा व अनमेल विवाह की त्रासदी से आहत प्रेमचन्द जी निर्मला उपन्यास के द्वारा आवाज उठाया है। उन्होंने इस उपन्यास में भारत के निरीह अबला नारी को केन्द्र में रखकर उसकी अमानवीय जीवन स्थितियों को सबके सामने रखने का प्रयास किया है। निर्मला सिर्फ एक उपन्यास ही नहीं बल्कि उस समय के भारतीय समाज व्यवस्था का एक जीता जागता चित्र है। प्रेमचन्द जी ने इस उपन्यास के द्वारा समाज में प्रचलित दहेज प्रथा तथा अनमेल विवाह का विरोध किया है।

सामाजिक विकृतियों से भरा हुआ प्रेमचन्द जी द्वारा रचित और एक उपन्यास है 'सेवासदन'। इस उपन्यास में भी निर्मला उपन्यास की तरह दहेज प्रथा पर मार्मिक चित्र प्रस्तुत किया गया है। इस उपन्यास में किस प्रकार दहेज की रकम चुकाने में अक्षम होने पर एक इमानदार पिता अपनी इमानदारी को बेच देता, उसे दिखाया गया है। उस समय के शिक्षित लोग भी किस तरह विवाह जैसे एक पवित्र सम्बंध को जोड़ने के लिए सिर्फ दहेज के पैसों पर ही ज्यादा ध्यान देते थे, उसके ऊपर चर्चा की गयी है। दारोगा कृष्णचन्द एक इमानदार व्यक्ति थे। वे अपनी बेटी की शादी एक शिक्षित परिवार में करना चाहते थे। क्योंकि उसे लगा था कि एक शिक्षित परिवार दहेज जैसी बातों की प्रसंग पर चर्चा नहीं करेंगे, लेकिन जब अपनी बेटी के लिए आये हुए शिक्षित परिवारवाले भी दहेज की चर्चा की तब वह आश्चर्य हुआ था। दहेज में माँगे हुए रकम देने में असमर्थ होने पर दारोगा कृष्णचन्द अपनी बड़ी बेटी सुमन का विवाह गरीब गजाधर से कर देता है। पति के द्वारा घर से बाहर निकलने के बाद वह वैश्या वृत्ति को अपनाने की कथा अत्यन्त मार्मिक है। लेकिन अंत में वह पश्चताप की जिन्दगी जीते हुए नारी के लिए एक आदर्श बन जाती है। प्रेमचन्द जी इस उपन्यास के द्वारा तत्कालिन समाज व्यवस्था तथा समाज में प्रचलित कु-रीतियों को दिखाने का प्रयास किया है तथा उनका विरोध किया है।

प्रेमचन्द जी द्वारा रचित 'कर्मभूमि' उपन्यास वर्ग संघर्ष पर आधारित एक सामाजिक उपन्यास है। इस उपन्यास के द्वारा लेखक ने समरकांत और उसके परिवार के माध्यम से वर्ग-भेद की समस्या को पाठकों के सामने रखकर उसका निदान प्रस्तुत किया है। एक परिवार की ओर से कहानी की शुरुआत करके लेखक ने बड़े ही सुन्दर ढंग से समाज का वास्तविक चित्र प्रस्तुत किया है। लोभी समरकांत अपने बेटे अमरकांत का स्कूल का फीज भी अपने व्यापार में लगाता था, और इसलिए अमर समय पर फीज नहीं दे पाता। प्रेमचन्द जी ने कहानी के नायक अमरकांत को एक गांधीवादी के रूप में चित्रित किया है। वह अत्यन्त सामाजिक विचारधारा के स्वाभिमानी युवक था। अमरकांत तत्कालीन मध्यवर्ग का प्रतिनिधि है, जिसकी मूल प्रवृत्ति स्थिति के प्रति समझौतावादी है। उसकी राजनैतिक दृष्टि एंव चारित्रिक दृढ़ता अविस्मरणीय है।

'कर्मभूमि'उपन्यास की कथानक काशी और उसके आस-पास के गाँवों से सम्बंधित है। वहाँ के लोग गांधीजी के व्यापक पक्ष का चित्रण करते हुए सामाजिक तथा राजनैतिक समस्याओं को भी सामने रखा है। उस समय के समाज में प्रचलित हर एक समस्या जैसे- अछूतोद्धार की समस्या, नारियों की मर्यादा एंव सतीत्व रक्षा की समस्या ब्रिटिश साम्राज्य दमन, समाज में व्याप्त धार्मिक समस्या, राष्ट्र के लिए आन्दोलन करनेवाले की पारिवारिक समस्या आदि उपन्यास में बहुत ही सुन्दर तरीके से वर्णन किया गया है।

अतः हम कह सकते हैं कि उपन्यास सम्राट प्रेमचन्द जी के हर एक उपन्यास समाज से प्रभावित है। उनके द्वारा रचित हर एक उपन्यास सामाजिक तथा यथार्थवादी है। उन्होंने समाज में प्रचलित हर एक समस्या को बड़े ही सुन्दर तरीके से सजाकर तथा अपने उपन्यासों में डालकर लोगों के समक्ष पेश किया है। प्रेमचन्द जी इन सारी समस्याओं तथा अंधविश्वासों को सिर्फ अपने उपन्यास में लिपिवद्ध करने के लिए नहीं लिखें बल्कि उन समस्या तथा अंधविश्वास के विरोध करने के लिए अपनी कलम चलाई है। उनके द्वारा लिखे गये हर एक उपन्यास आज भी लोगों के दिल को छू जाता है। ❖

# Keeping the Indigenous Ethos Alive

◆ **Dr. PritamPriya Goswami**
Teacher, Department of English

Once during the recording of a traditional dance performance, an academician observed that a three year old spontaneously became a part of the entire activity, although he was not dressed for the occasion. Despite his urgency to record the event, the academician decided not to interrupt the intrusion. He justified his action by saying that the spontaneous participation of the child is the actual ethos of folk-life, because the child had just stepped into the process of tradition- bearing.

A tradition exists or sustains due to its relevance in the present. Hence, the term 'tradition' should be understood as reflecting both past and present at the same time. The concept refers to a historical process by which a cultural trait passes on from individual to individual and from one group to another. Thus, tradition is a process, rather than a product that is historically completed. It is the historically passed on socio-cultural heritage that is currently relevant and is constantly in a process of accommodating change, modification and novelty.

Over time, indigenous folklore forms have generated interest in various academic disciplines and research activities. This inherent part of folk life have drawn academic interest of numerous disciplines such as literature, sociology, history, culture studies, popular culture studies etc., besides folklore studies and anthropology. The prospects of oral tradition studies are only widening with time. In India, studies of folklore items have received huge reception from the scholars and researchers in major academic institutions. Activities such as collection, recording, restoration, archiving and preservation of folklore have gained serious academic attention.

Academic institutions in Assam have welcomed this discipline enthusiastically, with a number of Folklore departments and research centers functioning in the state. With the academia gradually embracing multi-disciplinarity, folklore studies have secured a certain position in the undergraduate syllabi too.

Yet, the folk tradition of Assam still bears the potential of becoming a major academic activity. A systematic and scientific approach will help in generating novel developments in folklore studies in Assam.It also has the potential of providing a complete understanding of one's tradition and cultural history.

Although 'folk' in 'folklore' refers to a collective whole,in reality,folklore tradition is bore by only a select few, albeit, with the approval of the folk community. The bearers of folklore are not the folks at large, but only a small number of a group. These are the fixed bearers of traditional knowledge, which they pass on to the rest of the society through folkloric communications. A folkloric communication refers to a social event in which those who participate, act as social beings bound by societal control and not as individuals.

In recent times an upsurge in creating folk tradition bearers in Assam is observed. This, in spite of numerous folk-dance workshops and activities, systematic storytelling groups and competitions, booming traditional handloom industry in the fashion scenario (in short, despite folklore removed from the authentic situations), is a good news. It is true that now a days Bihu is not performed in the open fields like the olden days; but one cannot deny the fact that Bihu has lost the olden context too. If our younger generation is learning to perform Bihu dance or to play the Dhol in workshops and schools, it is only a time relevant change of the traditions. The good news is that the tradition-bearers are still there, and are growing in number, although removed from the olden peasant context. ❖

Note: *Every year, August 22 is celebrated as the World Folklore Day all over the world by academic bodies, indigenous research societies, folklore clubs and libraries. The celebrations showcase the folk art forms and cultural elements creating public awareness on its importance.*



**অংশু মেধি**, দ্বিতীয় শ্ৰেণী



**হিমাংগী দেৱী**, দ্বিতীয় শ্ৰেণী

# বিদ্যালয়ৰ উল্লেখযোগ্য দিন ২০১৮-১৯

## (২৭ অক্ট'বৰ ২০১৮ ৰপৰা ১ নৱেম্বৰ ২০১৯লৈ)

**২৭ অক্ট'বৰ, ২০১৮ :** বাৰ্ষিক গীত-মাতৰ গধূলি। বছৰটোৰ বৃত্তি আৰু শৈক্ষিক কৃতিত্বৰ পুৰস্কাৰ বিতৰণ। বিদ্যালয়ৰ আলোচনী 'বাখৰ' উন্মোচন। উন্মোচন কৰে বিশিষ্ট নিবন্ধকাৰ লক্ষ্মীনাথ তামুলীয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল অসমৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য্য।

**২৮ অক্ট'বৰ :** বিশেষ অনুষ্ঠান। অসম জাতীয় বিদ্যালয় সন্মান আৰু ফেল'শ্বিপ প্ৰদান কৰা হয়। অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰা হয় প্ৰসিদ্ধ গায়ক দ্বীপেন বৰুৱা আৰু জনপ্ৰিয় ঔপন্যাসিক ৰঞ্জু হাজৰিকাক। অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ প্ৰদান কৰা হয় নাটক আৰু চলচ্চিত্ৰ পৰিচালক, জ্যেষ্ঠ অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্য্যক। সেই অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে নৃত্যাচাৰ্য যতীন গোস্বামী।

**৫ নৱেম্বৰ :** ড° ভূপেন হাজৰিকা দিৱস পালন কৰা হয়। এই দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সংগীতজ্ঞ ৰমেন বৰুৱা আৰু ৰমেন চৌধুৰী।

**১০ নৱেম্বৰ :** অংকুৰ, প্ৰাক্-প্ৰাথমিকৰ শিশুসকলৰ কৰ্মৰাজিৰ প্ৰদৰ্শনী। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে।

**১৪ নৱেম্বৰ :** শিশু দিৱস পালন, হাতে লিখা আলোচনী আৰু শিল্পকলাৰ প্ৰদৰ্শনী।

**২৬ ডিছেম্বৰ :** সদৌ অসম জাতীয় বিদ্যালয় সমাৰোহ। মুখ্য অতিথি হিচাপে উপস্থিত আছিল অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য কমল মল্ল বুজৰবৰুৱা, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ভৱেশ চন্দ্ৰ গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমাই আৰু গুৱাহাটী শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক যোগেন বৰপূজাৰী।

**২৯ ডিছেম্বৰ :** ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অভিভাৱক সমাৰোহ।

**৩০ ডিছেম্বৰ :** ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন।

**৩১ ডিছেম্বৰ :** 'আমাৰ ৰূপালী জয়ন্তী' শীৰ্ষক অংকুৰ শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ অনুষ্ঠান।

**১ জানুৱাৰি ২০১৯ :** বিদ্যালয়ৰ ষষ্ঠবিংশতিতম প্ৰতিষ্ঠা দিৱস, ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান আৰু ৰূপালী সন্ধিয়া উদ্‌যাপন। মুখ্য অতিথি হিচাপে উপস্থিত আছিল শিক্ষাবিদ, গৱেষক, সাহিত্যিক ড° নগেন শইকীয়া।

**১২ জানুৱাৰি :** ভোগালী চ'ৰা। এই অনুষ্ঠানত বিদ্যালয়ৰ বাকৰিত মেজি জ্বলোৱাৰ লগতে নাম-প্ৰসংগ, কণী যুঁজ, টেকেলি ভঙা আদি পৰম্পৰাগত খেল অনুষ্ঠিত হয়।

**১৭ জানুৱাৰি :** শিল্পী দিৱস। এই দিৱসৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ দুগৰাকী দুহিতা

শ্ৰীযুতা জ্ঞানশ্ৰী পাঠক আৰু শ্ৰীযুতা সত্যশ্ৰী দাস।

**২৩-২৯ জানুৱাৰি :** বিদ্যালয় সপ্তাহ। প্ৰথমদিনা অনুষ্ঠিত মাৰ্চ-পাষ্টৰ অভিবাদন গ্ৰহণ কৰে অসম আৰক্ষীৰ অৱসৰপ্ৰাপ্ত সঞ্চালকপ্ৰধান মুকেশ সাহায়ে।

**২৬ জানুৱাৰি :** গণৰাজ্য দিৱস। বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে।

**১০ ফেব্ৰুৱাৰি :** সৰস্বতী পূজা উলহ-মালহেৰে পালন কৰা হয় আৰু লগতে শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ মাজত মাহ-প্ৰসাদ আৰু ভোগ বিতৰণ কৰা হয়।

**২৪ ফেব্ৰুৱাৰি :** 'উন্মোচনী অনুষ্ঠান।' ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ 'আলোক সন্ধানী' উন্মোচন কৰে বিশিষ্ট সাংবাদিক অজিত কুমাৰ ভূঞাই। ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি নিৰ্মাণ কৰা তথ্যচিত্ৰ আৰু 'বাখৰৰ গল্প' উন্মোচন কৰে বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই। 'অকণিৰ আকাশ' পুথিখন উন্মোচন কৰে বিশিষ্ট অধিবক্তা অৰূপ বৰবৰাই।

**২৮ ফেব্ৰুৱাৰি :** বিজ্ঞান দিৱস। এই দিৱস উপলক্ষে আন্তঃবিদ্যালয় ভিত্তিত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। দিৱসৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশ্বনাথ কলেজৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক তথা জনপ্ৰিয় বিজ্ঞান লেখক ক্ষীৰধৰ বৰুৱা। এই দিৱস উপলক্ষে বিদ্যালয়ৰ বিজ্ঞান আলোচনী 'প্ৰভাত' উন্মোচন কৰা হয়।

**১৬-১৭ মাৰ্চ :** হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া শিক্ষাৰ্থীসকলৰ অভিজ্ঞান শিবিৰ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ শিক্ষাৰ্থীসকলৰ অভিজ্ঞান সভা। মুখ্য অতিথি হিচাপে উপস্থিত থাকে দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ডা° ৰমেশ ডেকা। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানত উপস্থিত থাকে তেজপুৰৰ গিৰিজানন্দ ইনষ্টিটিউট অব মেনেজমেণ্ট এণ্ড টেকন'লজীৰ অধ্যক্ষ ড° বুলজিৎ বুঢ়াগোহাঁই আৰু বিশিষ্ট মনোৰোগ বিশেষজ্ঞ মৈথিলী হাজৰিকা।

**৩০ মাৰ্চ :** প্ৰদৰ্শনীমূলক কুইজ প্ৰতিযোগিতা।

**৬ এপ্ৰিল :** বিশিষ্ট ব্যক্তিৰ সৈতে তৃতীয়, চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। অতিথি হিচাপে উপস্থিত থাকে অভিনেত্ৰী মিনু বনিয়া।

**১২ এপ্ৰিল :** সাহিত্য দিৱস উদ্‌যাপন। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিত আয়োজিত এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কবি, লেখক, অধ্যাপক জীৱন নৰহ।

**২২-২৪ এপ্ৰিল :** বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতা (গীত, নৃত্য, সাহিত্য, তৰ্ক, কুইজ আদি)।

**২৭ এপ্ৰিল :** বিশিষ্ট ব্যক্তিৰ সৈতে পঞ্চম-সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। অতিথি হিচাপে উপস্থিত থাকে অনাতাঁৰ কেন্দ্ৰ গুৱাহাটীৰ অনুষ্ঠানৰ কাৰ্যবাহী তথা অনাতাঁৰ শিল্পী নয়ন প্ৰসাদ।

**৪ মে' :** বিশিষ্ট ব্যক্তিৰ সৈতে অষ্টম-দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কথোপকথন। অতিথি হিচাপে উপস্থিত থাকে যুৱ উদ্যোগী দেৱাংগ পল্লৱ শইকীয়া।

**১৫ মে' :** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা। আমাৰ বিদ্যালয়ৰ প্ৰিয়ংকা কলিতাই ৰাজ্যখনৰ ভিতৰত পঞ্চম স্থান লাভ কৰে।

**২৫ মে' :** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা। আমাৰ বিদ্যালয়ৰ গুঞ্জন দাসে কলা শাখাত ৰাজ্যখনৰ ভিতৰত দশম স্থান লাভ কৰে।

**২০ জুন :** বিষ্ণু ৰাভা দিৱস উদ্‌যাপন। উক্ত দিৱসত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট সংগীত শিল্পী পংকজ বৰদলৈ।

**৮-১২ জুলাই :** এজবেকৰ সৌজন্যত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী। এই প্ৰশিক্ষণ কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ সৰ্বমুঠ ৩১৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰাজ্যখনৰ কেইবাগৰাকীও অভিজ্ঞ সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষাৰ্থীসকলক প্ৰাক্-বিদ্যালয় শিক্ষা, ইংৰাজী, অসমীয়া, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, হিন্দী আৰু সুকুমাৰ কলা বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হয়।

**১৫ আগষ্ট :** ৭৩ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন। পতাকা উত্তোলনেৰে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়।

**২০ আগষ্ট :** মহাপুৰুষ দিৱস উদ্‌যাপন।

**৫ ছেপ্টেম্বৰ :** শিক্ষক দিৱস উদ্‌যাপন। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত অধৰ চন্দ্ৰ ডেকা।

**২৫ ছেপ্টেম্বৰ :** প্ৰীতি ফুটবল খেল।

**২৮ ছেপ্টেম্বৰ :** অংকুৰ আৰু প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিশুসকলৰ কৰ্মৰাজিৰ প্ৰদৰ্শনী।

**২ অক্টোবৰ :** কামৰূপ মহানগৰ জিলা আইন সেৱা প্ৰাধিকাৰীৰ সৌজন্যত জাতিৰ পিতা মহাত্মা গান্ধীৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তী উদ্‌যাপন। কাৰ্যসূচীত উপস্থিত থাকে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মহামান্য মুখ্য ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামীৰ লগতে আন কেইবাগৰাকীও ন্যায়াধীশ।

**১২ অক্টোবৰ :** সহ-পাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ 'কলা সংগম' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হয়।

**১৯ অক্টোবৰ :** সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা। বিচাৰক হিচাপে উপস্থিত থাকে প্ৰিয়াংকু হাজৰিকা, ৰাজীৱ ভাগৱতী, খগেন কলিতা। অধ্যক্ষ হিচাপে উপস্থিত থাকে তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰাণু বৰগোহাঁই।❖



**এনিচা সৰকাৰ,** প্ৰথম শ্ৰেণী



**চতুৰ্থী শিৰম,** প্ৰথম শ্ৰেণী

# ২০১৯ বৰ্ষত বিদ্যালয়ৰ বাহিৰৰ বিভিন্ন প্ৰতিযোগিতাত শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ সফলতাৰ খতিয়ান

**২৬ জানুৱাৰি :** অসম চৰকাৰৰদ্বাৰা আয়োজিত ৭০ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে খানাপাৰাত অনুষ্ঠিত পেৰেড প্ৰতিযোগিতাত আমাৰ বিদ্যালয়ৰ স্কাউটৰ দলটোৱে প্ৰথম পুৰস্কাৰ লাভ কৰে।

**২১ ফেব্ৰুৱাৰি :** 'মাতৃভাষা দিৱস' উপলক্ষে গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ বিদ্যালয় বক্তৃতা প্ৰতিযোগিতাত 'ক' শাখাত অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী ৰক্তিম অভিনন্দন বৰ্মনে প্ৰথম স্থান আৰু 'খ' শাখাত দশম শ্ৰেণীৰ কুলদীপ ভট্টাচাৰ্যই তৃতীয় পুৰস্কাৰ লাভ কৰে।

**২৩ ফেব্ৰুৱাৰি :** ৰায়চাহাব প্ৰয়াত নীলনাথ শৰ্মা পুথিভঁৰালে আয়োজন কৰা প্ৰয়াত নিৰ্মলা দেৱী সোঁৱৰণী 'সাধুকোৱা' প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে চতুৰ্থ শ্ৰেণীৰ মেধাজ্যোতি নাথে আৰু নিচুকনি পুৰস্কাৰ লাভ কৰে তৃতীয় শ্ৰেণীৰ নিয়ৰকণা দাসে। 'খ' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে অষ্টম শ্ৰেণীৰ অনুব্ৰত বৰঠাকুৰে আৰু 'গ' শাখাত তৃতীয় পুৰস্কাৰ লাভ কৰে নৱম শ্ৰেণীৰ দীক্ষিতা শৰ্মাই আৰু নিচুকনি পুৰস্কাৰ লাভ কৰে অষ্টম শ্ৰেণীৰ জৰ্জ জিজ্ঞাস বৰদলৈয়ে।

**১ মাৰ্চ :** The Magic Touch Foundationএ গুৱাহাটীৰ শিল্পগ্ৰামত অনুষ্ঠিত কৰা আন্তঃ বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অষ্টম শ্ৰেণীৰ ছাত্ৰ মাধুৰ্য জয়ন্ত কলিতা আৰু ৰক্তিম অভিনন্দন বৰ্মনে যুটীয়াভাৱে প্ৰথম পুৰস্কাৰ লাভ কৰে।

**১৮ মে' :** 'জীৱনজ্যোতি সংঘ'ই শ্বহীদ ন্যাস ভৱনত অনুষ্ঠিত কৰা 'আন্তঃবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ 'ক' শাখাত দ্বিতীয় পুৰস্কাৰ লাভ কৰে দশম শ্ৰেণীৰ গীত প্ৰদীপ ৰাজখোৱা আৰু কুলদীপ ভট্টাচাৰ্যৰ দলে আৰু 'খ' শাখাত দ্বিতীয় পুৰস্কাৰ লাভ কৰে ষষ্ঠ শ্ৰেণীৰ নীলাভজিৎ শৰ্মা আৰু ভাৰ্গৱ দত্তৰ দলে।

**১৩ আগষ্ট :** 'স্বাধীনতা দিৱস'ৰ লগত সংগতি ৰাখি কামৰূপ মহানগৰ জিলা প্ৰশাসনে অনুষ্ঠিত কৰা বক্তৃতা প্ৰতিযোগিতাত নৱম শ্ৰেণীৰ অনিন্দিতা গগৈয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে আৰু ৰচনা প্ৰতিযোগিতাত অষ্টম শ্ৰেণীৰ সৃজন বৰুৱাই প্ৰথম পুৰস্কাৰ লাভ কৰে।

**১৪ ছেপ্টেম্বৰ :** 'পূব গুৱাহাটী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন'ৰদ্বাৰা আয়োজিত 'আন্তঃ বিদ্যালয় কুইজ প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে অষ্টম শ্ৰেণীৰ ৰক্তিম অভিনন্দন বৰ্মন আৰু ৰিতম কুমাৰ বৈশ্যৰ দলে আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে ষষ্ঠ শ্ৰেণীৰ নীলাভজিৎ শৰ্মা আৰু ভাৰ্গৱ দত্তৰ দলে। সেইদৰে 'খ' শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে দশম শ্ৰেণীৰ গীত প্ৰদীপ ৰাজখোৱা আৰু হৃষীকেশ শৰ্মাৰ দলে আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে কুলদীপ ভট্টাচাৰ্য আৰু অন্তৰীপ শৰ্মাৰ দলে।

**১ অক্টোবৰ :** অসম ৰাজ্যিক চিৰিয়াখানা প্ৰাঙ্গণত 'বন্যপ্ৰাণী সপ্তাহ'ৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ বন বিভাগৰদ্বাৰা আয়োজিত কুইজ প্ৰতিযোগিতাৰ 'খ' শাখাত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ ৰক্তিম অভিনন্দন বৰ্মন আৰু ৰিতম কুমাৰ বৈশ্যই প্ৰথম পুৰস্কাৰ আৰু প্ৰজ্ঞান শৰ্মা আৰু পল্লৱ কলিতাই তৃতীয় পুৰস্কাৰ পায়। লগতে চিত্ৰাংকণ প্ৰতিযোগিতাৰ 'গ' শাখাত নৱম শ্ৰেণীৰ বেদান্ত কলিতাই দ্বিতীয় পুৰস্কাৰ লাভ কৰে। ❖

# ২০১৯ শিক্ষাবৰ্ষৰ বিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

## প্ৰথম শ্ৰেণী

১। **উঠা-বহা (ছোৱালী)**
প্ৰথম : তৃষ্ণা বৰ্মন (গ)
দ্বিতীয় : সুভদ্ৰা কলিতা (গ)
তৃতীয় : অভিশ্ৰী কাশ্যপ (গ), জিজ্ঞাসা শৰ্মা (গ)

২। **উঠা-বহা (ল'ৰা)**
প্ৰথম : ৰূপক কাশ্যপ (ঘ)
দ্বিতীয় : উজ্জীৱন তালুকদাৰ (ক)
তৃতীয় : চাও মৈত্ৰেয় আহোম (খ)
প্ৰিয়াংশু বৰ্মন (ঘ)

৩। **টেকেলি ভঙা (ছোৱালী)**
(১) তনয়া বৰ্মন (গ)
(২) সুভদ্ৰা কলিতা (গ)

৪। **বল দলিওৱা (ছোৱালী)**
(১) ভাৰ্গৱী নন্দা গোস্বামী (গ)
(২) ময়ূৰী তালুকদাৰ (গ)
(৩) নিশিতা তালুকদাৰ (খ)
(৪) জিজ্ঞাসী ডেকা (ক)

৫। **বল দলিওৱা (ল'ৰা)**
নিষাদ চয়ন ওজা (খ), ঋষভ আৰ্য বৈশ্য (ক),
অভীক কাশ্যপ কলিতা (ক),
কৰণজিৎ তালুকদাৰ (ঘ), তেজস্বীন মিশ্ৰ (ঘ)
অভিনীত বি পাঠক (ঘ), ৰিদীপ কুমাৰ (গ)
গেব্ৰিয়েল চিৰিং ফুকন (গ), অভিজ্ঞান কলিতা (গ)
সুভাষিস দাস (ঘ), নীলভ তালুকদাৰ (গ)
জ্যোতিষ্মান ডেকা (ঘ), জাহ্নু বিকাশ শৰ্মা (গ)
নিবিড় নিলাভ দত্ত (ক), ঋষিকেশ চৌধুৰী (ঘ)

৬। **৫০ মি. দৌৰ (ল'ৰা)**
প্ৰথম : চাও মৈত্ৰেয় আহোম (খ)
দ্বিতীয় : ত্ৰিজ্ঞ এম অনুপম (খ)
তৃতীয় : হৰ্ষিত দাস (ক)

৭। **৫০ মি. দৌৰ (ছোৱালী)**
প্ৰথম : দিব্যা ডেকা (ক)
দ্বিতীয় : পাৰ্ণিকা চৌধুৰী (খ)
তৃতীয় : নিশিতা তালুকদাৰ (খ)
সুভদ্ৰা কলিতা (গ)

৮। **সংগীত চকী (ল'ৰা)**
প্ৰথম : হৰজিৎ ৰায় (ক)
দ্বিতীয় : সুতাঞ্জয় ভূঞা (গ)
তৃতীয় : নিয়ৰ ডেকা (গ)

৯। **সংগীত চকী (ছোৱালী)**
প্ৰথম : তৃষ্ণা বৰ্মন (গ)
দ্বিতীয় : এনিশা সৰকাৰ (গ)
তৃতীয় : দৃষ্টিনন্দনা শৰ্মা (ঘ)
তনয়া বৰ্মন (গ)

১০। **পানী-পাৰ (ল'ৰা)**
প্ৰথম : ধীমান অধিকাৰী (ক)
দ্বিতীয় : বৰ্ণিল বেদাৰ্ক কলিতা (গ)
তৃতীয় : উজ্জীৱন তালুকদাৰ (ক)

১১। **পানী-পাৰ (ছোৱালী)**
প্ৰথম : ৰাগিণী কাশ্যপ (ঘ)
দ্বিতীয় : তৃষ্ণা বৰ্মন (গ)
তৃতীয় : বনস্মিতা হালৈ (ক)

১২। **স্মৃতি পৰীক্ষা**
আয়ুষ্মান পৰাশৰ (ক), ত্ৰিজ্ঞ এম অনুপম (খ)
নভনীল বৰ্মন (খ), চতুৰ্থী শিৰম (খ)
শিপা ভৰদ্বাজ (খ), নীতিক্ষা ডেকা (খ)
সম্প্ৰীতি বুঢ়াগোহাঁই (গ), দৃষ্টিনন্দনা শৰ্মা (ঘ)
ৰাগিণী কাশ্যপ (ঘ), শুভম দাস (ঘ)
অভিজ্ঞান চৌধুৰী (ঘ), কৰণজিৎ তালুকদাৰ (ঘ)
তেজস্বীন মিশ্ৰ (ঘ), দিশান্ত জি. কুমাৰ (খ)

## দ্বিতীয় শ্ৰেণী

১। **উঠা-বহা (ছোৱালী)**
প্ৰথম : ৰিজুস্মিতা অধিকাৰী (খ)
দ্বিতীয় : অভিলাষা কাশ্যপ (খ)
তৃতীয় : উদ্ভাসিতা ভূঞা (ক)
মান্যতা কাশ্যপ বৰদলৈ (ক)

২। **উঠা-বহা (ল'ৰা)**
প্ৰথম : হিমনজ্যোতি শৰ্মা (খ)
দ্বিতীয় : বাৰ্ণাবাচ মাৰাক (খ)
তৃতীয় : অভিমন্যু শৰ্মা (গ)

৩। **টেকেলি ভঙা (ছোৱালী)**
বনশ্ৰী কলিতা (ক), উদ্ভাসিতা ভূঞা (ক)
শ্বাচমিন জেচিনা আলিম (ক)

৪। **টেকেলি ভঙা (ল'ৰা)**
জুমন কলিতা (ক), ৰাজ অভিষেক শইকীয়া (গ),
ধ্ৰুৱনীল চৌধুৰী (খ), হিমাংগ চৌধুৰী (গ),
ভাৰ্গৱ চৌধুৰী (খ), ৰিজৱান আহমেদ বৰা (গ),
অংশু মেধি (গ)

৫। **বল দলিওৱা (ছোৱালী)**
হৰ্ষিতা ডেকা (ঘ), অনুস্কা কাকতি (গ),
মান্যতা শৰ্মা (খ), শ্বাচমিন জেচিনা আলিম (ক)

৬। **বল দলিওৱা (ল'ৰা)**
ধৃতিস্মিত বৰুৱা (ঘ), অহিৰণ অন্তৰীপ (ঘ),
হিমানজিৎ ডেকা (গ), হৃদয়জ্যোতি শৰ্মা (খ),

হিমনজ্যোতি শৰ্মা (খ), মনজিত কলিতা (ঘ),
ৰক্তিম নাথ (গ)

৭। **৫০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : ধানিসা বৰ্মন (গ)
দ্বিতীয় : তন্ময়ী ডেকা (ক)
তৃতীয় : অপৰ্ণা তালুকদাৰ (ক)
খ্যাতিৰত্না দত্ত (খ)

৮। **৫০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : মানস শইকীয়া (গ)
দ্বিতীয় : জীয়ন ৰঞ্জন শইকীয়া (গ)
তৃতীয় : সুদীপ্ত বৰ্মন (গ)

৯। **মৰ্টন দৌৰ (ছোৱালী)**
প্ৰথম : ধানিসা বৰ্মন (গ)
দ্বিতীয় : তন্ময়ী ডেকা (ঘ)
তৃতীয় : প্ৰাণৰী ডেকা (খ)
অপৰ্ণা তালুকদাৰ (ক)

১০। **মৰ্টন দৌৰ (ল'ৰা)**
প্ৰথম : মানস শইকীয়া (গ)
দ্বিতীয় : ওৱাছিম আহমেদ (ঘ)
তৃতীয় : অবিনাশ শৰ্মা (ঘ)

১১। **পানী-পাৰ (ছোৱালী)**
প্ৰথম : উপাসনা চৌধুৰী (খ)
দ্বিতীয় : কৃষ্টিজিতা কলিতা (গ)
তৃতীয় : ইনায়া ৰাব্বানি হক (খ)

১২। **পানী-পাৰ (ল'ৰা)**
প্ৰথম : ৰাজদ্বীপ গোস্বামী (ক)
দ্বিতীয় : মনদীপ কৰ্মকাৰ (ক)
তৃতীয় : প্ৰস্তুত পাঠক (ক)

১৩। **সংগীত চকী (ছোৱালী)**
প্ৰথম : বনশ্ৰী কলিতা (ক)
দ্বিতীয় : ময়ূৰী মজুমদাৰ (গ)
তৃতীয় : মান্যতা কাশ্যপ বৰদলৈ (ক)

১৪। **সংগীত চকী (ল'ৰা)**
প্ৰথম : অহিৰণ অন্তৰীপ (ঘ)
দ্বিতীয় : প্ৰিয়াংশু কাশ্যপ বৰা (ঘ)
তৃতীয় : ৰিজভান কাশ্যপ (ঘ)

১৫। **স্মৃতি পৰীক্ষা**
প্ৰথম : মান্যতা শৰ্মা (খ)
ধানিসা বৰ্মন (গ)
দ্বিতীয় : অনুৰাগ বৰ্মা (খ)
নৈঋত নিৰ্যাস (খ)
জুমন কলিতা (ক)
তৃতীয় : শাশ্বত বিবেক (ক)
সিদ্ধাৰ্থ কলিতা (ঘ)

## তৃতীয় শ্ৰেণী

১। **উঠা-বহা (ল'ৰা)**
প্ৰথম : উন্নীত বৰ্মন (ঘ)
দ্বিতীয় : নিশান্ত শৰ্মা (খ)
তৃতীয় : জ্যোতিষ্মান ডেকা (খ)

২। **উঠা-বহা (ছোৱালী)**
প্ৰথম : কুইন শৰ্মা (গ)
দ্বিতীয় : ড্ৰিমী পৰাশৰ (খ)
তৃতীয় : ভিতালী বেজবৰুৱা (ক)

৩। **টেকেলি ভঙা (ছোৰলী)**
প্ৰিন্সী বৰ্মন (গ)
দীপশিখা নাথ (গ)
প্ৰিয়াসী কলিতা (গ)

৪। **টেকেলি ভঙা (ল'ৰা)**
নৰজিৎ কলিতা (খ), প্ৰাচুৰ্য বৰা (ঘ),
উন্নীত বৰ্মন (ঘ), নিনাদ নৈঋত প্ৰকাশ (গ),
প্ৰিয়াংশু বৰা (গ), দৃষ্টান্ত পাঠক (গ),
প্ৰীতম মজুমদাৰ (ঘ), জ্যোতিস্মান কলিতা (ঘ),
হৃদয়জ্যোতি কাকতি (খ),
দিব্যজ্যোতি ভট্টাচাৰ্য (গ)

৫। **৫০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : ৰক্তিম ডেকা (ঘ)
দ্বিতীয় : হিমনজ্যোতি কাশ্যপ (ক)
ধ্যানজ্যোতি চৌধাৰী (ক)
তৃতীয় : ত্ৰিনয়ন শৰ্মা (ঘ)

৬। **৫০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : চন্দনা কলিতা (গ)
দ্বিতীয় : কুইন শৰ্মা (গ)
তৃতীয় : ত্ৰিবেণী দেৱী (ঘ)

৭। **১০০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : কপিল ৰঞ্জন বৰা (খ)
দ্বিতীয় : কুলদীপ ঠাকুৰীয়া (খ)
তৃতীয় : গুণজিৎ দাস (গ)

৮। **১০০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : অংগাৰিকা শৰ্মা (খ)
দ্বিতীয় : জুপিতৰা দাস (গ)
তৃতীয় : আশ্ৰমিকা শইকীয়া (খ)

৯। **মৰ্টন দৌৰ (ল'ৰা)**
প্ৰথম : মৃন্ময় মজুমদাৰ (খ)
দ্বিতীয় : কুলদীপ ঠাকুৰীয়া (খ)
তৃতীয় : অৰ্ণৱজ্যোতি কলিতা (খ)

১০। **মৰ্টন দৌৰ (ছোৱালী)**
প্ৰথম : ভিতালী বেজবৰুৱা (ক)
দ্বিতীয় : পূজা দেৱী (ঘ)
তৃতীয় : জীমণি গোস্বামী (গ)

১১। **কুকুৰা যুঁজ (ল'ৰা)**
প্ৰথম : উন্নীত বৰ্মন (ঘ)
দ্বিতীয় : অন্বেষ চিৰিং কাকতি (ঘ)
তৃতীয় : ৰাজদ্বীপ শৰ্মা (গ)

১২। **কুকুৰা যুঁজ (ছোৱালী)**
প্ৰথম : অংগাৰিকা শৰ্মা (খ)
দ্বিতীয় : দীপশিখা নাথ (গ)
তৃতীয় : নিতুস্মিতা কলিতা (গ)

১৩। **সংগীত চকী (ল'ৰা)**
প্ৰথম : কৃষ্ণাভ দত্ত চৌধুৰী (খ)
দ্বিতীয় : বিক্ৰম কাশ্যপ হাজৰিকা (ক)
তৃতীয় : ৰাজদ্বীপ শৰ্মা (গ)

১৪। **সংগীত চকী (ছোৱালী)**
প্ৰথম : গাৰ্গী তালুকদাৰ (ঘ)
দ্বিতীয় : তাজগিয়া নাছৰিন (গ)
তৃতীয় : প্ৰিয়াসী কলিতা (গ)

১৫। **পানী-পাৰ (ল'ৰা)**
প্ৰথম : হৃদমৰীশ চহৰীয়া (খ)
দ্বিতীয় : সমৰজ্যোতি ৰাজবংশী (গ)
তৃতীয় : প্ৰিয়াংশু বৰা (গ)

১৬। **পানী-পাৰ (ছোৱালী)**
প্ৰথম : আশ্ৰমিকা শইকীয়া (খ)
দ্বিতীয় : ড্ৰিমী পৰাশৰ (খ)
তৃতীয় : প্ৰীতি পাঠক (ঘ)

১৭। **স্মৃতি পৰীক্ষা**
প্ৰথম : আশ্ৰমিকা শইকীয়া (খ)
দ্বিতীয় : দীক্ষিতা কাশ্যপ (খ)
নিনাদ নৈঋত প্ৰকাশ (গ)
তৃতীয় : বৰ্ণালী লহকৰ (গ)

## চতুৰ্থ শ্ৰেণী

১। **উঠা-বহা (ল'ৰা)**
প্ৰথম : স্বৰ্ণাভ প্ৰধানী (ক)
দ্বিতীয় : মেধাজ্যোতি নাথ (গ)
তৃতীয় : নিৰ্মাণ কোঁৱৰ (গ)
উদগণি : চিন্ময় বৈশ্য (খ)
সুমন ৰাজবংশী (ক)

২। **উঠা-বহা (ছোৱালী)**
প্ৰথম : বিশাখা ভৰদ্বাজ (গ)
দ্বিতীয় : নীলুফাৰ নাৰ্গিছ (ক)
তৃতীয় : ত্ৰিৱেণী শইকীয়া (খ)
উদগণি : ধৃতিস্মিতা পাঠক (গ)
জ্যোতিস্মিতা কলিতা (গ)

৩। **টেকেলি ভঙা (ল'ৰা)**
জিজ্ঞাস বিবেক (ক), প্ৰত্যুষ হাজোৰাৰী (খ),
গুঞ্জনগীত পৰাশৰ (ক), সীমান্ত ডেকা (ক)

৪। **টেকেলি ভঙা (ছোৱালী)**
জ্যোতিস্মিতা কলিতা (গ), শ্ৰুতি কলিতা (ক),
তাচিন ৰহমান (ক)

৫। **৫০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : কৌটিল্য কাব্যিক শৰ্মা (গ)
দ্বিতীয় : ৰোহিত দাস (খ)
তৃতীয় : উদ্দীপ্ত বৰ্মন (ক)

৬। **৫০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : তৃষ্ণা শৰ্মা (গ)
দ্বিতীয় : কৃষ্টিনা বৈশ্য (গ)
তৃতীয় : ছায়েচা চবনম (খ)

৭। **১০০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : ৰোহিত দাস (খ)
দ্বিতীয় : চিন্ময় বৈশ্য (খ)
তৃতীয় : অংশুমান কাশ্যপ (ক)

৮। **১০০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : কৃষ্টিনা বৈশ্য (গ)
দ্বিতীয় : ছায়েচা চবনম (খ)
তৃতীয় : মুচকান চৌধুৰী (খ)

৯। **কুকুৰা যুঁজ (ল'ৰা)**
প্ৰথম : ময়ুখ তালুকদাৰ (খ)
দ্বিতীয় : সীমান্ত ডেকা (ক)
তৃতীয় : মেধাজ্যোতি নাথ (গ)

১০। **কুকুৰা যুঁজ (ছোৱালী)**
প্ৰথম : ছায়েচা চবনম (খ)
দ্বিতীয় : দেৱস্মিতা ডেকা (খ)
তৃতীয় : জ্যোতিস্মিতা কলিতা (গ)

১১। **মৰ্টন দৌৰ (ল'ৰা)**
প্ৰথম : উদ্দীপ্ত বৰ্মন (ক)
দ্বিতীয় : কৌটিল্য কাব্যিক শৰ্মা (গ)
তৃতীয় : জুমন ডেকা (গ)

১২। **মৰ্টন দৌৰ (ছোৱালী)**
প্ৰথম : চব্ৰিনা ৰহমান (গ)
দ্বিতীয় : মুচকান চৌধুৰী (খ)
তৃতীয় : ছায়েচা চবনম (খ)

১৩। **সংগীত চকী (ল'ৰা)**
প্ৰথম : দেবাংগ কলিতা (খ)
দ্বিতীয় : সুমন ৰাজবংশী (ক)
তৃতীয় : নিৰূপণ কাশ্যপ (খ)
উদগণি : প্ৰয়াস দেৱ চৌধুৰী (গ)

১৪। **সংগীত চকী (ছোৱালী)**
প্ৰথম : তৃষ্ণা শৰ্মা (খ)
দ্বিতীয় : হৃষিতা কলিতা (খ)
তৃতীয় : পলি বৰ্মন (ক)
উদগণি : সুমনা দাস (খ)

১৫। **পানী-পাৰ (ল'ৰা)**
প্ৰথম : বৈভৱ প্ৰতীম ভূঞা (ক)
দ্বিতীয় : ময়ুখ তালুকদাৰ (খ)
তৃতীয় : জ্যোতিৰাজ কলিতা (গ)
উদগণি : উদ্দীপ্ত বৰ্মন (ক)

১৬। **পানী-পাৰ (ছোৱালী)**
প্ৰথম : বিশাখা ভৰদ্বাজ (গ)
দ্বিতীয় : ত্ৰিৱেণী শইকীয়া (খ)
তৃতীয় : গহনা চক্ৰৱৰ্তী (ক)
উদগণি : নিষ্ঠা তালুকদাৰ (খ)

১৭। **স্মৃতি পৰীক্ষা**
প্ৰথম : ঋষিকেশ শৰ্মা (গ)
দ্বিতীয় : গুঞ্জনগীত পৰাশৰ (ক)
তৃতীয় : চব্ৰিনা ৰহমান (গ)

## পঞ্চম আৰু ষষ্ঠ শ্ৰেণী

১। **সংগীত চকী (ছোৱালী)**
প্ৰথম : নিশিতা গোস্বামী (ষষ্ঠ খ)
দ্বিতীয় : সাক্ষী প্ৰিয়ম্বদা (ষষ্ঠ গ)
তৃতীয় : উপাসনা শৰ্মা (পঞ্চম ক)

২। **কুকুৰা যুঁজ (ল'ৰা)**
প্ৰথম : কৌস্তুভ মহন্ত (ষষ্ঠ গ)
দ্বিতীয় : ৰিকি আহমেদ (ষষ্ঠ খ)
তৃতীয় : হৃদয়জ্যোতি ৰাজবংশী (ষষ্ঠ খ)

৩। **কুকুৰা যুঁজ (ছোৱালী)**
প্ৰথম : স্নেহা হাজৰিকা (ষষ্ঠ ক)
দ্বিতীয় : চেহনাজ বেগম (পঞ্চম ঘ)
তৃতীয় : অনুভূতি শৰ্মা (পঞ্চম খ)

৪। **পাঞ্জা (ল'ৰা)**
প্ৰথম : কৌস্তুভ মহন্ত (ষষ্ঠ গ)
দ্বিতীয় : ভাৰ্গৱ দত্ত (ষষ্ঠ ক)
তৃতীয় : প্ৰীতম জিৎ তালুকদাৰ (ষষ্ঠ ক)

৫। **১০০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : নিহাৰ জ্যোতি ৰায় (ষষ্ঠ খ)
দ্বিতীয় : হৃদয়জ্যোতি ৰাজবংশী (ষষ্ঠ খ)
বিকি তালুকদাৰ (ষষ্ঠ ক)
তৃতীয় : কৃষ্ণ কাশ্যপ (ষষ্ঠ ক)

৬। **১০০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : স্তুতি কিংকিনী মজুমদাৰ (ষষ্ঠ খ)
দ্বিতীয় : ভাগ্যশ্ৰী পাঠক (ষষ্ঠ ক)
তৃতীয় : চেহনাজ বেগম (পঞ্চম ঘ)

৭। **স্কিপিং দৌৰ (ছোৱালী)**
প্ৰথম : বসুধা সঞ্জয় (ষষ্ঠ ক)
দ্বিতীয় : স্তুতি কিংকিনী মজুমদাৰ (ষষ্ঠ খ)
তৃতীয় : হিমানিশা বৈশ্য (ষষ্ঠ গ)

৮। **চট্ পুট্ থ্ৰ' (ল'ৰা)**
প্ৰথম : কৌস্তুভ মহন্ত (ষষ্ঠ গ)
দ্বিতীয় : গীতাৰ্থ শৰ্মা (ষষ্ঠ গ)
তৃতীয় : ভাৰ্গৱ দত্ত (ষষ্ঠ ক)

৯। **টেকেলি ভঙা (ল'ৰা)**
জিষ্ণু বৰ্মন (ষষ্ঠ খ)

১০। **টেকেলি ভঙা (ছোৱালী)**
অলিভিয়া দাস (ষষ্ঠ ঘ), বনানী শৰ্মা (ষষ্ঠ ঘ)
দিক্ষীতা ডেকা (ষষ্ঠ খ)

১১। **ৰিলে দৌৰ (ল'ৰা)**
প্ৰথম : কৌস্তুভ মহন্ত (ষষ্ঠ গ)
কৌশিক ডেকা (ষষ্ঠ ঘ)
সমীৰণ প্ৰকাশ বৰ্মন (ষষ্ঠ খ)
হৃদয়জ্যোতি ৰাজবংশী (ষষ্ঠ খ)
দ্বিতীয় : কৃষ্ণ কাশ্যপ (ষষ্ঠ ক)
মনদীপ গোস্বামী (ষষ্ঠ খ)
ৰাজদীপ ডেকা (ষষ্ঠ ঘ)
নীহাৰজ্যোতি ৰায় (ষষ্ঠ খ)
তৃতীয় : প্ৰীতমজিৎ তালুকদাৰ (ষষ্ঠ ক)
নয়নজ্যোতি ডেকা (ষষ্ঠ গ)
ৰিকি আহমেদ (ষষ্ঠ ক)
নিখিল ৰঞ্জন তালুকদাৰ (ষষ্ঠ খ)

১২। **ৰিলে দৌৰ (ছোৱালী)**
প্ৰথম : স্তুতি কিংকিনী মজুমদাৰ (ষষ্ঠ খ)
বসুধা সঞ্জয় (ষষ্ঠ ক)
ধৃ-বৰ্ণা বৰগোহাঞি (ষষ্ঠ খ)
জস্মিতা মহন্ত (ষষ্ঠ গ)
দ্বিতীয় : চন্দাস্মিতা শৰ্মা (পঞ্চম খ)
ডৰীণা গোস্বামী (পঞ্চম গ)
কাকলি দেৱী (পঞ্চম খ)
বিদিশা তালুকদাৰ (পঞ্চম খ)
তৃতীয় : স্নেহা হাজৰিকা (ষষ্ঠ ক)
হিমানিশা বৈশ্য (ষষ্ঠ গ)
সংগীতা পাচোৱান (ষষ্ঠ গ)
ভাস্বতী ৰাজবংশী (ষষ্ঠ ক)

১৩। **লং জাম্প (ছোৱালী)**
প্ৰথম : ডৰীণা গোস্বামী (পঞ্চম গ)
দ্বিতীয় : স্নেহা হাজৰিকা (ষষ্ঠ ক)
তৃতীয় : বসুধা সঞ্জয় (ষষ্ঠ ক)

১৪। **লং জাম্প (ল'ৰা)**
প্ৰথম : নীহাৰ জ্যোতি ৰায় (ষষ্ঠ খ)
দ্বিতীয় : কৌশিক ডেকা (ষষ্ঠ ঘ)
তৃতীয় : বিকি তালুকদাৰ (ষষ্ঠ ক)

১৫। **বুদ্ধি পৰীক্ষা**
প্ৰথম : কংকী গোস্বামী (ষষ্ঠ খ)
দ্বিতীয় : বনানী শৰ্মা (ষষ্ঠ ঘ)
তৃতীয় : ধৃ-বৰ্ণা বৰগোহাঞি (ষষ্ঠ খ)

## সপ্তম আৰু অষ্টম শ্ৰেণী

১। **সংগীত চকী (ছোৱালী)**
প্ৰথম : ৰূপশিখা ডেকা (সপ্তম ঘ)
দ্বিতীয় : প্ৰিয়াংক্ষী শৰ্মা (অষ্টম ক)
তৃতীয় : অনসূয়া বৰুৱা (সপ্তম ক)

২। **কুকুৰা যুঁজ (ল'ৰা)**
প্ৰথম : জাহিদ হুছেইন (অষ্টম ঘ)
দ্বিতীয় : সৌৰভ বৰ্মন (অষ্টম ঘ)
তৃতীয় : অনুজ বৰ্মন (অষ্টম ঘ)

৩। **কুকুৰা যুঁজ (ছোৱালী)**
প্ৰথম : ৰয়েল ৰাণী কলিতা (সপ্তম খ)
দ্বিতীয় : দৰ্শিতা চৌধুৰী (অষ্টম গ)
তৃতীয় : তন্ময়ী বৰ্মন (অষ্টম গ)

৪। **পাঞ্জা (ল'ৰা)**
প্ৰথম : সৌৰভ বৰ্মন (অষ্টম ঘ)
দ্বিতীয় : অঞ্জুম ডেকা (অষ্টম ঘ)
তৃতীয় : মৃন্ময় ডেকা (অষ্টম ক)

৫। **১০০ মিটাৰ দৌৰ (ল'ৰা)**
প্ৰথম : লেনিন বৰুৱা (অষ্টম ঘ)
দ্বিতীয় : জাহিদ হুছেইন (অষ্টম ঘ)
তৃতীয় : মৃন্ময় ডেকা (অষ্টম ক)

৬। **১০০ মিটাৰ দৌৰ (ছোৱালী)**
প্ৰথম : কাংকান কাশ্যপ (সপ্তম ক)
দ্বিতীয় : মধুস্মিতা দলে (সপ্তম ঘ)
